ফৰাচী বিপ্লৱ

ধ্ৰুৱজ্যোতি বৰা

শ্ৰীভূমি পাব্লিচিং কোম্পানী
৭৯, মহাত্মা গান্ধী ৰোড, কলিকতা-৯

প্রথম প্রকাশ : ইং ১৯৮১

মূল্য : ১২·০০

শ্রীভূমি পাবলিশিং কোম্পানীর পক্ষে অরুণ পুরকায়স্থ দ্বারা প্রকাশিত আর সাধনা প্রেস, ২০৬ নং বিধান সরণী কলিকাতা-৬ কর্তৃক মুদ্রিত।

গ্ৰন্থকাৰৰ ব্যক্তিগত

এই কিতাপখন ৰুচী বিপ্লৱ আৰু ইতিহাস সম্পৰ্কে কৰা কোনো মৌলিক গৱেষণালব্ধ ফল নহয়। মানৱ-ইতিহাসৰ এই যুগান্তকাৰী সন্ধিক্ষণৰ বিষয়ে মোৰ নিজৰ পঢ়ি ভাল লাগিছিল। সেয়ে বিভিন্ন কিতাপ পত্ৰ গোটাই বিষয়টোৰ সম্পৰ্কে জানিবলৈ চেষ্টা কৰিছিলোঁ। লাহে লাহে নিজে পঢ়া কথাখিনি সজাই পৰাই লিখি উলিয়াবলৈ মন গ'ল, জনাবলৈ মন গ'ল—মানুহৰ শৌৰ্য্য, সাহস, বীৰত্ব, আত্মত্যাগ, দুখ-দুৰ্দশা আৰু উজ্বল আদৰ্শৰে দীপ্ত ৰুচী বিপ্লৱৰ আকৰ্ষণীয় আৰু মহান ইতিহাস। সেয়ে নানান কিতাপ-পত্ৰ পঢ়ি, জুকিয়াই, এই কিতাপখন লিখি উলিয়ালোঁ। বিজ্ঞ পাঠকসকলে সেয়ে লেখনীত হয়তো বিভিন্ন ঐতিহাসিকৰ চকাচমকা প্ৰভাৱ দেখিবলৈ পাব। নিজস্ব মতামত আগবঢ়োৱা কঠিন যদিও পৰিস্থিতি আৰু ঘটনা বিশ্লেষণ কৰি নিজে বিশ্বাস কৰা বস্তুবাদী ঐতিহাসিক দৃষ্টিভঙ্গীৰ পৰা মাজে মাজে প্ৰয়োজনীয় ব্যাখ্যা দিবলৈ চেষ্টা কৰিছোঁ। বিচাৰৰ ভাৰ বন্ধু-বান্ধৱ আৰু পাঠক সকলৰ ওপৰত।

কিতাপখন লিখি সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত সদায় উৎসাহিত আৰু সহায় কৰাৰ বাবে মোৰ বন্ধু ডাঃ চৈয়দ আহ্‌মেদ জাদিদ, ডাঃ বুধিন শইকীয়া, ডাঃ প্ৰণৱসাগৰ দিহিঙ্গিয়া, ডাঃ হিৰণ্য গোস্বামী আৰু অনেকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা ৰ'ল। যুক্তৰাষ্ট্ৰৰ পৰা সমল আৰু কিতাপ আনি দিয়াৰ বাবে অধ্যাপক শিৱনন্দন তিৱাৰী, প্ৰকাশৰ বাবে উৎসাহ আৰু ব্যৱস্থা কৰি দিয়াৰ বাবে সুসাহিত্যিক অধ্যাপক ডঃ লক্ষ্মীনন্দন বৰালৈ মোৰ কৃতজ্ঞতা থাকিল। কিতাপখনৰ প্ৰকাশৰ দায়িত্ব গ্ৰহণ কৰাৰ বাবে শ্ৰীভূমি পাবলিচিং কোম্পানীৰ শ্ৰীযুত অৰুণ পুৰকায়স্থৰ ওচৰত মই চিৰকৃতজ্ঞ।

শেষত এই কিতাপখন দেউতা ডঃ মহেন্দ্ৰনাথ বৰা, মা শ্ৰীমতী অমিয়া বৰা আৰু মোৰ বন্ধু ডাঃ জয়ন্ত বংপিৰ হাতত তুলি দিলোঁ।

গুৱাহাটী   গুৰুজ্যোতি বৰা

চেপ্তেম্বৰ ১৯৮১

প্ৰকাশকৰ কথা

"'ফৰাচী বিপ্লৱ মানৱ ইতিহাসৰ এক যুগান্তকাৰী ঘটনা। এই বিপ্লৱৰ ফলাফল ব্যাপক আৰু সুদূৰ প্ৰসাৰী। ইতিহাসত ই মানুহৰ সামাজিক ৰাজনৈতিক আৰু মানসিক বিবৰ্তনৰ এক বিৰাট মহত্বপূৰ্ণ পদক্ষেপ।" ফৰাচী বিপ্লৱৰ সাৰ্থকতা আৰু মূল্যায়ন কৰি শ্ৰীধ্ৰুৱ জ্যোতি বৰা-ই বহুতো বিভিন্ন গ্ৰন্থ অধ্যয়ন কৰি সেই বিলাকৰ সহায় লৈ 'ফৰাচী বিপ্লৱ' গ্ৰন্থখনি ৰচনা কৰি অসমীয়া পাঠক সমাজলৈ আগ বঢ়াইছে। শ্ৰীবৰা ইতিহাস-বিদ নহয়—এজন চিকিৎসা-বিদ হে। অসমীয়া ভাষাত এনে হেন এক বিৰাট বিপ্লৱৰ কথা গ্ৰন্থাকাৰে এতিয়ালৈকে প্ৰকাশ পোৱা নাই। সেয়ে বহু কষ্ট স্বীকাৰ কৰি চিকিৎসা-শাস্ত্ৰ অধ্যয়ন কৰিও শ্ৰীবৰাই ইতিহাসৰ এক যুগান্তকাৰী ঘটনাক অসমীয়া ভাষাত প্ৰাঞ্জলকৈ লিপিবদ্ধ কৰাটো এটি লেখত লবলগীয়া কথা। ফৰাচী বিপ্লৱৰ লগত জড়িত ভলটেয়াৰ, ৰুচো, ৰবচপিয়েৰ আদি চমু পৰিচয় দাঙি ধৰাৰ উপৰিও লেখকে বিপ্লৱৰ কাহিনী ফটফটীয়াকৈ সহজ সৰল ভাবে ফুটাই তুলিছে। এনে এখন গ্ৰন্থ সৰ্বাঙ্গীন আৰু সামগ্ৰিক কৈ লিখাটো সময়সাপেক্ষ আৰু দুৰুহ। অসমৰ পঢ়ৈ সমাজৰ কিঞ্চিত কামত আহিব বুলিয়েই গ্ৰন্থখনি প্ৰকাশ কৰিলোঁ। ছাত্ৰ-ছাত্ৰী আৰু সুধী পাঠক সমাজে গ্ৰন্থখন আদৰ কৰিলে আমি কৃতাৰ্থ হম।

১ আগষ্ট, ১৯৮১ প্ৰকাশক

প্ৰথম খণ্ড

প্ৰথম অধ্যায়

বিপ্লৱ কি ?

বিভিন্ন সময়ত বিভিন্ন জনে এই প্ৰশ্নটোৰ বেলেগ বেলেগ উত্তৰ দিছে।

কিন্তু বৰ্ত্তমান কালত বিপ্লৱ বুলিলে আমি বুজোঁ—প্ৰচলিত সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক অৱস্থাক হঠাৎ হিংসাত্মক পন্থাৰে ওফৰাই তাৰ ঠাইত এক নতুন সমাজ ব্যৱস্থা প্ৰৱৰ্ত্তন কৰাৰ প্ৰক্ৰিয়া। পুৰণা সমাজ ব্যৱস্থাক অকল ওফৰাই দিলেই সি বিপ্লৱ নহয়। বা বিপ্লৱ পৰিৱৰ্তনৰ এটা প্ৰচেষ্টা মাত্ৰও নহয়। বিপ্লৱে পুৰণা ব্যৱস্থাৰ ঠাইত এটা নতুন সমাজ ব্যৱস্থা গঢ়ি তুলিব পাৰিব লাগিব, মানুহৰ জীৱনত, চিন্তাত, আদৰ্শত এক নতুন পৰিৱৰ্ত্তনৰ সূচনা কৰিব লাগিব ; জন্ম দিব লাগিব নতুন মূল্যবোধৰ। যেতিয়া এই কাম লাহে লাহে অহিংসভাৱে হ'য়, তাক বিবৰ্তন বোলা হয়—বিপ্লৱ নহয়। আনহাতে সমাজ ব্যৱস্থাৰ পৰিৱৰ্তন নোহোৱাকৈ কেৱল হিংসাত্মকভাৱে হঠাৎ ৰাজনৈতিক ক্ষমতাৰ হস্তান্তৰ হ'ল অভ্যুত্থান বা ক্যু-ডে-টা আৰু প্ৰতিষ্ঠিত কৰ্তৃত্বৰ অৱমাননা বা বিৰুদ্ধাচাৰণ হ'ল বিদ্ৰোহ।

বিপ্লৱ এক সম্পূৰ্ণ আৰু সৰ্বাত্মক প্ৰক্ৰিয়া, ই ঘটনা মাত্ৰ নহয়।

ডুৰাণ্টৰ মতে বিপ্লৱ হ'ল, 'A rapid and violent changes of Government in person and policy.'

কিন্তু অকল চৰকাৰৰ ব্যক্তি আৰু নীতিৰ পৰিৱৰ্ত্তনেই সাৰ্থক বিপ্লৱ হ'ব নোৱাৰে, যেতিয়ালৈকে সি সমাজৰ জনসাধাৰণৰ জীৱন যাত্ৰাৰ আমূল পৰিৱৰ্তন নঘটায়।

এই দৃষ্টিকোণৰপৰা চাবলৈ গ'লে পৃথিৱীত সফল ৰাজনৈতিক বিপ্লৱ খুউব কমেইহে হৈছে। সাৰ্থক উদাহৰণ ৰূপে আগবঢ়াব পাৰি ফৰাচী বিপ্লৱ, ৰুচ বিপ্লৱ আৰু চীনৰ বিপ্লৱ। ভাৰতৰ স্বাধীনতা লাভ প্ৰকৃতাৰ্থত বিপ্লৱ নহয়। চৰকাৰ আৰু চৰকাৰী নীতিৰ পৰিৱৰ্তন হ'লেও স্বাধীনোত্তৰ ভাৰতত সাধাৰণ মানুহৰ জীৱন যাত্ৰাৰ খুউব কমেইহে পৰিৱৰ্ত্তন হ'ল। আনহাতে ফৰাচী, ৰুচ বা চীন বিপ্লৱৰ পাছত সাধাৰণ জনতাৰ জীৱন যাত্ৰাৰ আৰু মূল্যবোধৰ আমূল

পৰিৱৰ্তন হৈছিল। বিপ্লৱে মানুহৰ জীৱনত সুদূৰ প্ৰসাৰী পৰিৱৰ্তন ঘটায়, অকল চৰকাৰৰে নহয়, সমগ্ৰ সমাজ ব্যৱস্থা আৰু ইয়াৰ শাখা-প্ৰশাখা— অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক দিশবো ই পৰিৱৰ্তন ঘটায়।

পূৰ্বণি কালত বিপ্লৱ বুলিলে সমাজত পৰম্পৰাগত প্ৰচলিত ব্যৱস্থা পুনৰ প্ৰতিষ্ঠা হোৱাটোকে বুজাইছিল। অৰ্থাৎ কিবা কাৰণত হয়তো প্ৰচলিত ব্যৱস্থা বিপন্ন হৈছিল, কিন্তু পাছত আকৌ প্ৰতিষ্ঠা হ'ল, তাকে বিপ্লৱ বোলা হৈছিল। মধ্যযুগত ইয়াৰ অৰ্থৰ পৰিৱৰ্তন ঘটিছিল। মধ্যযুগ হ'ল ৰাজতন্ত্ৰৰ যুগ। ৰজাক ঈশ্বৰৰ প্ৰতিনিধি বুলি মনা হৈছিল আৰু ৰাজসিংহাসন আছিল বংশানুক্ৰমিক। এই ব্যৱস্থা সমাজত শান্তি-শৃঙ্খলা বজাই ৰখাত বৰ কাৰ্যকৰী আছিল। ধৰ্মনেতাসকল বা গীৰ্জাই এই ব্যৱস্থাৰ পৃষ্ঠপোষকতা কৰিছিল। আনকি সেই সময়ৰ চিন্তাবিদ, দাৰ্শনিকসকলেও এই ব্যৱস্থাৰ জৰিয়তে সামাজিক সুস্থিৰতা বজাই ৰখাটো সমৰ্থন কৰিছিল। এই ব্যৱস্থাৰ বৃত্ত ভাঙি কোনো ৰাজকুমাৰ, অমাত্য বা অভিজাতে যদি ৰাজসিংহাসন দখল কৰিছিল, তেতিয়া সেই কাৰ্যক বিপ্লৱ আৰু দখল কৰোঁতা জনকহে বিপ্লৱী বোলা হৈছিল। এই বিপ্লৱ ধ্বংস কৰি, বিপ্লৱীক আঁতৰ কৰিবলৈ ধৰ্মনেতাসকলে তেতিয়া তেওঁক এঘৰীয়া কৰিছিল (Ex-communicate) আৰু সাধাৰণ জনতাক এই ব্যৱস্থাৰ অন্ত পেলাবলৈ আহ্বান জনাইছিল। সমাজৰ চলি অহা বিশ্বাস আৰু পৰম্পৰা পুনৰ প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰা হৈছিল।

বিপ্লৱ সম্বন্ধে আধুনিক চিন্তা-চৰ্চ্চা প্ৰকৃততে ৰেনেচাঁ যুগৰপৰা আৰম্ভ হৈছিল বুলি ক'ব পাৰি। ঐতিহাসিকসকলে মেকিয়াভেলিক 'আধুনিক বিপ্লৱৰ' চিন্তাধাৰাৰ জনক বুলি কয়। অৱশ্যে মেকিয়াভেলিয়ে বিপ্লৱক সমাজ পৰিৱৰ্তনৰ আহিলাতকৈ সমাজৰ বিশৃঙ্খলতা দূৰ কৰি সুস্থিৰতা প্ৰৱৰ্তন কৰাৰ উপায় বুলিহে প্ৰকৃততে গণ্য কৰিছিল। আৰু এই কাৰ্যত প্ৰয়োজন হ'লে হিংসাত্মক ব্যৱস্থা গ্ৰহণ কৰাৰো তেওঁ সমৰ্থন কৰিছিল।

বিপ্লৱক সমাজ পৰিৱৰ্তনৰ আহিলা ৰূপে প্ৰথমে স্বীকৃতি দিছিল ইংলেণ্ডৰ জন মিণ্টনে। তেওঁ বিপ্লৱ এটা অধিকাৰ বুলি গণ্য কৰিছিল। আৰু এই অধিকাৰ কেৱল অত্যাচাৰী শাসকৰ অত্যাচাৰ শেষ কৰাৰ অধিকাৰেই নহয়, ইয়াক তেওঁ মানুহে নিজে বিচৰা ধৰণৰ চৰকাৰ প্ৰতিষ্ঠা কৰাৰ অধিকাৰ বুলিও গণ্য কৰিছিল। বিপ্লৱক মানুহৰ স্বাধীনতা লাভৰ এটা প্ৰধান আহিলা বুলি মিণ্টনেই প্ৰথমে স্বীকৃতি দিছিল। জ'ঁ্যা জেকুইচ ৰুচ'ইয়ো তেওঁৰ প্ৰাকৃতিক

নিয়মৰ (Natural law) সূত্ৰ সমূহৰ জৰিয়তে এই আদৰ্শবেই অধিক বিকাশ ঘটাইছিল। জাৰ্মান দাৰ্শনিক ইমানুৱেল কাণ্টে বিপ্লৱক মানুহৰ মানসিক উৎকৰ্ষ সাধন আৰু শাশ্বত স্বাধীনতাৰ অধিকাৰ সমূহ লাভ কৰাৰ এটা মহত্তম পদক্ষেপ বুলি বৰ্ণনা কৰিছিল। "The German Philosopher Immanuel Kant argued that though a revolution may be accompanied by miseries and atrocities (as in French revolution) it was still a sign of moral propensity of man and hence related to human progress. In spite of all it's excesses, he saw French revolution as an attempt to secure freedom under law through the establishment of a Republican constitution."

দাৰ্শনিক হেগেলে বিপ্লৱক বিশ্বমানৱৰ চিৰন্তন মুক্তি আৰু স্বাধীনতাৰ আকাঙ্খ্যাৰ এটা সাৰ্থক প্ৰকাশ বুলি অভিহিত কৰিছিল আৰু এই সন্দৰ্ভতে ফৰাচী বিপ্লৱক তেওঁ বিশ্বমানৱৰ বুৰঞ্জীৰ এটা ঐতিহাসিক পদক্ষেপ আৰু ইয়াৰ তাৎপৰ্য সমগ্ৰ বিশ্ব বিয়পা বুলি কৈছিল। বিপ্লৱ সম্বন্ধে যিমানবোৰ মতবাদ আছে, তাৰ ভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণ হ'ল মাৰ্ক্সৰ মতবাদ। বিপ্লৱক বিশ্বমানৱৰ ঐতিহাসিক বিৱৰ্তনৰ ফলত সৃষ্টি হোৱা এটা প্ৰক্ৰিয়া বুলি হেগেলে পোষণ কৰা মতবাদক মাৰ্ক্সে অধিক বিকশাই তুলি বৈজ্ঞানিক ভিত্তিত প্ৰতিষ্ঠা কৰিছিল। মাৰ্ক্সে উৎপাদন প্ৰক্ৰিয়াৰ ওপৰত থকা বস্তুবাদী নিয়ন্ত্ৰণ আৰু এই নিয়ন্ত্ৰণ কাৰ্য্যকৰী কৰা মানৱ সমাজৰ শ্ৰেণী বিভাগৰ ওপৰত গুৰুত্ব দিছিল। তেওঁ মানৱ ইতিহাসক কিছুমান শৃঙ্খলিত আৰু জানিব পৰা নীতি-নিয়মৰ দ্বাৰা পৰিচালিত হোৱা বুলি কৈছিল আৰু এই প্ৰক্ৰিয়াত বিপ্লৱৰ এটা গুৰুত্বপূৰ্ণ ভূমিকা আছে বুলিও কৈছিল। সমাজত উৎপাদন কৰা শক্তি সমূহ আৰু উৎপাদন ব্যৱস্থা নিয়ন্ত্ৰণ কৰা শক্তি সমূহৰ মাজত দ্বন্দ্ব হয়। প্ৰচলিত সমাজ ব্যৱস্থা আৰু পৰম্পৰাই উৎপাদন কৰা শক্তি সমূহৰ উন্নতিত বাধা দিয়ে। ইয়াৰ ফলত সমাজত উত্তেজনাময় পৰিবেশৰ সৃষ্টি হ'য় আৰু ইয়াৰ পৰাই গৈ সৃষ্টি হ'য় বিপ্লৱৰ। বিপ্লৱ সেয়ে হ'ল শ্ৰেণী সংঘাতৰ সৃষ্টি—কাৰণ উৎপাদন কৰা শক্তি আৰু উৎপাদন ব্যৱস্থা নিয়ন্ত্ৰণ কৰা শক্তি সমূহ সদাই দুটা শ্ৰেণীৰ লোক। বিপ্লৱে সমাজত এটা নতুন উঠি অহা শ্ৰেণীয়ে সমাজৰ পুৰণা ক্ষয়িষ্ণু শ্ৰেণীক গুচৰাই আগৰ সমাজ ব্যৱস্থাক ভাঙি এক নতুন সমাজ ব্যৱস্থা গঢ়ি তোলে।

এই শ্ৰেণী সংগ্ৰামত যেতিয়া প্ৰকৃত উৎপাদক অৰ্থাৎ সৰ্বহাৰা খাটি খোৱা শ্ৰেণীয়ে ৰাষ্ট্ৰক্ষমতা আহৰণ কৰে তেতিয়াই প্ৰকৃততে বিপ্লৱ আৰম্ভ হয়—সূচনা হয় এখন নতুন সমাজ, য'ত সামাজিক বৈষম্যৰ ঠাইত বিৰাজ কৰে সমতাই। মাৰ্ক্সৰ মতে যেতিয়াই শ্ৰেণী সংগ্ৰামৰ প্ৰয়োজন শেষ হৈ যায় তেতিয়াই প্ৰকৃততে বিপ্লৱৰ প্ৰয়োজনো শেষ হ'য়।

বিপ্লৱৰ বিষয়ে সাধাৰণভাৱে চমুকৈ আলোচনা কৰা হ'ল। এইবাৰ আমি এই ৰচনাৰ বিষয়-বস্তু ফৰাচী বিপ্লৱৰ বিষয়ে আলোচনা কৰোঁ।

প্ৰথমেই এটা কথা কৈ লোৱা প্ৰয়োজন যে ফৰাচী বিপ্লৱ ৰুচ বা চীনৰ বিপ্লৱৰ দৰে সৰ্বহাৰাৰ বিপ্লৱ নাছিল। এই বিপ্লৱ আগৰপৰা গুৰিলৈকে সম্পূৰ্ণভাৱে এক বুৰ্জোৱা বিপ্লৱ আছিল। ফ্ৰান্সৰ নতুনকৈ উঠি অহা ধনী বুৰ্জোৱা শ্ৰেণীটোৱে এই বিপ্লৱৰ্ব পৰিচালনা কৰিছিল। পুৰণা শাসক আৰু অভিজাততন্ত্ৰ অধ্যুষিত সামন্তবাদী সমাজ ব্যৱস্থা এই বুৰ্জোৱা সকলৰ ক্ষমতা, সন্মান আৰু প্ৰতিপত্তিৰ বাটত আছিল প্ৰধান বাধা। সামাজিক পৰম্পৰা আৰু বিশেষ সা-সুবিধাবোৰৰ জৰিয়তে অভিজাত আৰু যাজকসকলে সমাজৰ আৰু প্ৰশাসনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয় পদবীবোৰ দখল কৰিছিল। ন-ধনী বুৰ্জোৱা সকলে তেওঁলোকৰ সা-সম্পত্তি আৰু অৰ্থৰ লগত ৰজিতা খোৱাই সামাজিক সা-সুবিধা আৰু ক্ষমতা ভোগ কৰিবলৈ পোৱা নাছিল। সেয়ে তেওঁলোকে প্ৰচলিত সমাজ ব্যৱস্থা ভাঙি দি ক্ষয়িষ্ণু অভিজাত আৰু যাজক-সকলক ক্ষমতাৰ গাদীৰ পৰা ওফৰাই এই বিপ্লৱৰ সহায়েৰে দেশৰ শাসন ক্ষমতা দখল কৰিছিল। দেশৰ শান্তি-শৃঙ্খলা আৰু একতা বজাই ৰাখিবলৈ তেওঁলোকে প্ৰথমে সাংবিধানিক ৰাজতন্ত্ৰৰ পৃষ্ঠপোষকতা কৰিছিল। কিন্তু পাছত যেতিয়া সম্ৰাট নিজে পুৰণা পৰম্পৰা আৰু অভিজাত-যাজকৰ সামন্তবাদী সমাজ ব্যৱস্থাৰ সমৰ্থক ৰূপে পৰিগণিত হ'ল, তেতিয়া তেওঁলোকে ৰাজতন্ত্ৰৰ অৱসান ঘটাই প্ৰতিষ্ঠা কৰিছিল প্ৰজাতন্ত্ৰ—প্ৰথম ফৰাচী ৰিপাব্লিক। অৱশ্যে বুৰ্জোৱা নেতৃত্বাধীন এই বিপ্লৱত সৰ্বহাৰাসকলৰ লগত যে শ্ৰেণী সংগ্ৰাম হোৱা নাছিল তেনে নহয়। পেৰিচ কমিউনৰ নেতৃত্বত ফ্ৰান্সৰ, বিশেষকৈ পেৰিচৰ সৰ্বহাৰা-সকলে বাৰে বাৰে বিপ্লৱৰ গতি সাধাৰণ মানুহৰ স্বাৰ্থৰ অনুকূলে পৰিচালিত কৰিবলৈ চেষ্টা কৰিছিল। তেওঁলোকে মাজতে বুৰ্জোৱাসকলৰ প্ৰভাৱ কমাই অৰ্থনীতি ব্যৱস্থাক ৰাষ্ট্ৰীয় পৰিচালনাৰ অধীন কৰি সমাজবাদী আদৰ্শৰ পৰীক্ষা কৰিবলৈকো সক্ষম হৈছিল। এইবোৰ কথা আমি ক্ৰমান্বয়ে পাই যাম। কিন্তু

উপযুক্ত আদর্শ, বিশ্লেষণ আৰু পন্থাৰ অভাৱত সৰ্বহাৰাসকলে এই বিপ্লৱৰ নেতৃত্ব সম্পূৰ্ণভাৱে দখল কৰিবলৈ সক্ষম হোৱা নাছিল।

এই কথা মন কৰিবলগীয়া যে সমাজবাদী 'চিন্তাধাৰাৰ বৈজ্ঞানিক বিশ্লেষণ-যুক্ত পন্থাৰ সন্ধেদ তেতিয়ালৈকে মানুহে জনা নাছিল। মাৰ্ক্সৰ জন্মৰ বহুকালৰ আগৰ ঘটনা এয়া। 'কিন্তু ঐতিহাসিক বিবৰ্তনত তেতিয়াই সৰ্বহাৰা উৎপাদক শ্ৰেণী আৰু বুৰ্জোৱাসকলৰ মাজত শ্ৰেণী সংঘৰ্ষৰ সূত্ৰপাত হৈছিল।

ফ্ৰান্সৰ নতুনকৈ উঠি অহা ধনী বুৰ্জোৱা শ্ৰেণীয়ে পুৰণা অসমান সমাজ ব্যৱস্থা আৰু পৰম্পৰাৰ বিৰুদ্ধে কৰা বিদ্ৰোহেই ফৰাচী বিপ্লৱৰ এটা প্ৰধান কাৰণ। ৰাষ্ট্ৰীয় অৰ্থনীতিৰ আসোঁৱাহযুক্ত পৰিচালনা, ৰাষ্ট্ৰীয় কোষাগাৰ দেউলীয়া হোৱাৰ উপক্ৰম হোৱা সত্বেও গীৰ্জ্জাৰ যাজক আৰু অভিজাত সকলে তেওঁলোকৰ বিশাল সম্পত্তিৰ ওপৰত কৰ-কাটল লগোৱাত বাধা দিয়া, আৰু তেওঁলোকে ভোগ কৰি অহা সামাজিক, অৰ্থনৈতিক আৰু প্ৰাশাসনিক সা-সুবিধা বোৰে বুৰ্জোৱা সকলৰ মনত বিদ্ৰোহৰ আগুনি জ্বলাই তুলিছিল।

বিপ্লৱৰ আন আন প্ৰধান কাৰণ বোৰৰ মাজত উল্লেখযোগ্য হ'ল—

পুৰণা অভিজাত আৰু যাজক সকলৰ সংস্কাৰ বিমুখী মনোভাব। এই মনোভাবৰ বাবে সমাজত, জনসাধাৰণৰ ওপৰত তেওঁলোকৰ কৰ্তৃত্ব কমি আহিছিল আৰু ধনী বুৰ্জোৱা শ্ৰেণীটোৰ আৰিভাবৰ লগে লগে তেওঁলোকৰ অৰ্থনৈতিক প্ৰতাপো বহুত কমিছিল। তাৰোপৰি ভলটেয়াৰ, ৰুচ' আদি দাৰ্শনিক সকলৰ নতুন চিন্তাধাৰাই তেওঁলোকৰ সামাজিক ভেটি দুৰ্বল কৰি পেলাইছিল। ইয়াৰোপৰি ৰাজতন্ত্ৰক দুৰ্বল কৰি তোলাৰ আন এটা প্ৰধান কাৰণ হ'ল ৰজাৰ ভায়েক ফিলিপ ড্যা-অৰ্লিয়েন্সে ৰাজসিংহাসন দখলৰ বাবে চলোৱা প্ৰকাশ্য ষড়যন্ত্ৰ।

সামন্তবাদী ভূমি ব্যৱস্থা, কৰ-কাটল আৰু অত্যাচাৰৰ বিৰুদ্ধে ফৰাচী কৃষক সকলৰ বিদ্ৰোহো বিপ্লৱৰ এটা অন্যতম কাৰণ। সামন্তবাদী আইন-আদালত, আভ্যন্তৰীণ শুল্ক ব্যৱস্থা আৰু বেলেগ বেলেগ জোখ-মাখৰ পদ্ধতিৰ বিৰুদ্ধে সাধাৰণ মানুহ আৰু বিশেষকৈ বণিক শ্ৰেণীৰ বিদ্ৰোহেও বিপ্লৱত বহুত অৰিহণা যোগাইছিল।

শ্ৰেণী শোষণ, বৈষম্যমূলক আইন-কানুন, অৰ্থনৈতিক দুৰৱস্থা, অভাৱ-অনাটন, কৰ্মহীনতা, চৰাদাম আৰু সামৰিক ভাবুকিৰ বিৰুদ্ধে পেৰিচৰ চেতন জনসাধাৰণৰ সক্ৰিয় বিদ্ৰোহ ফৰাচী বিপ্লৱৰ অন্যতম প্ৰধান কাৰণ।

এই সকলোবিলাক ঘটনা, সেইবোৰ পটভূমি সহকাৰে আমি এটা এটাকৈ পাই যাম।

দ্বিতীয় অধ্যায়

ফৰাচী বিপ্লৱৰ পটভূমিকা বিচাৰ কৰি চাওঁতে ফ্ৰান্সৰ সেই সময়ৰ সমাজ ব্যৱস্থাক এটা সামগ্ৰিক দৃষ্টিৰে চোৱাটো প্ৰয়োজন।

কেনে ধৰণৰ সমাজৰ গাঁথনিৰ মাজৰ পৰা এই বিপ্লৱৰ দাবানল জ্বলি উঠিছিল? কেনে ধৰণৰ সমাজ ব্যৱস্থাৰ বিৰুদ্ধে জনসাধাৰণৰ পুঞ্জীভূত ক্ষোভৰ অগনি জ্বলি উঠিছিল?

১৭৮০ চনত ফ্ৰান্স আছিল ইউৰোপৰ আটাইতকৈ জনবহুল ৰাষ্ট্ৰ। সেই সময়ত ফ্ৰান্সৰ মুঠ জনসংখ্যা আছিল প্ৰায় দুইকোটি পঞ্চাছ লাখ। এই জনতাক প্ৰধানতঃ তিনিটা ভাগত ভাগ কৰিব পৰা গৈছিল। এই ভাগ কেইটাক বহুতে শ্ৰেণী (class), অৰ্ডাৰ (order) বা এষ্টেটো (estates) বুলিছিল। প্ৰথম ভাগটো বা ফাৰ্ষ্ট এষ্টেট আছিল সম্ৰাট আৰু অভিজাত সকলৰ শাসক গোষ্ঠী। দ্বিতীয়তে আছিল ধৰ্ম্মযাজক সকল আৰু তৃতীয়তে আছিল বাদবাকী ফৰাচী জনসাধাৰণ বা থাৰ্ড এষ্টেট যি ফ্ৰান্সৰ নতুনকৈ বাঢ়ি অহা বুৰ্জোৱা শ্ৰেণী, বেপাৰীসকল, বুদ্ধিজীৱী, মধ্যবিত্ত, কৃষক, শ্ৰমিক আৰু সৰ্ব্বহাৰা সকলোকে সামৰি লৈছিল।

আমি প্ৰথমেই ফ্ৰান্সৰ যাজক সকলক লক্ষ্য কৰোঁ।

সেই সময়ত ফ্ৰান্সত প্ৰায় এক লাখ ত্ৰিছহাজাৰ যাজক আছিল। কেথলিক খৃষ্টান ধৰ্মই আছিল প্ৰধান ধৰ্ম। প্ৰটেষ্টান্ত ধৰ্মই তেতিয়াও ফ্ৰান্সত ভালকৈ শিপাব পৰা নাই। এই কেথলিক যাজক সম্প্ৰদায় সমাজৰ আধ্যাত্মিক আৰু নৈতিক শিৰোমণি আছিল। অকল সেয়ে নহয়, তেওঁলোক সমাজৰ এটা প্ৰধান সুবিধাভোগী আৰু ধনী সম্প্ৰদায় আছিল। গীৰ্জা আৰু যাজক সকলৰ হাতত অগাধ ঐশ্বৰ্য্য-সম্পত্তি আছিল। নানান উপায়েৰে তেওঁলোকে এই বিশাল সম্পত্তি সংগ্ৰহ কৰিছিল।

ফ্রান্সৰ মুঠ খেতিমাটিৰ পাঁচভাগৰ এভাগতকৈ বেছি অংশ আছিল গীৰ্জাৰ হাতত আৰু এই মাটিৰ পৰা গীৰ্জাৰ প্ৰচুৰ আয় হৈছিল। সম্পূৰ্ণ সামন্ততান্ত্ৰিক জমিদাৰী প্ৰথাৰে এই ভূ-সম্পত্তি পৰিচালনা কৰা হৈছিল আৰু ৰায়তৰ পৰা জমিদাৰ সকলৰ দৰেই সংগ্ৰহ কৰা হৈছিল নানা তৰহৰ কৰ-কাটল। তাৰোপৰি গীৰ্জাৰ সকলো আয় আছিল ৰাজকীয় কৰৰ পৰা মুক্ত। সাধাৰণ ধৰ্মপ্ৰাণ মানুহ আৰু ধনী শ্ৰেণীৰ দান-বৰঙণিৰ পৰাও গীৰ্জাৰ হাতলৈ অজস্ৰ অৰ্থ সম্পত্তি আহিছিল। এই দান-বৰঙণিৰপৰা উঠা অৰ্থ গীৰ্জা আৰু যাজক সকলৰ স্থিৰ আয়ৰ এটা প্ৰধান উৎস আছিল।

গীৰ্জা যদিও এই বিশাল সম্পত্তিৰ অধিকাৰী আছিল তথাপিও সকলো যাজকে এই সম্পত্তি উপভোগ কৰিবলৈ নাপাইছিল। তেওঁলোকৰ মাজতো শ্ৰেণী বিভাগ আছিল। ওপৰৰ কাৰ্ডিনেল, আৰ্ক বিছপ, বিছপ, এবট সকলে সম্পূৰ্ণ লাহ-বিলাহৰ ব্যয় বহুল জীৱন যাপন কৰিছিল আৰু ৰাজদৰবাৰ আৰু অভিজাতসকলৰ লগত তেওঁলোকৰ আছিল বৰ ঘনিষ্ঠ সম্পৰ্ক। আনহাতে গাঁও অঞ্চলৰ পেষ্টৰ আৰু কিউৰেটসকলে যাপন কৰিছিল এক দৰিদ্ৰ জীৱন। প্ৰায়ে সমাজৰ আটাইতকৈ তৃতীয়া লোকজনৰ লগত এওঁলোকৰ জীৱন যাত্ৰাৰ কোনো প্ৰভেদ নাছিল। সেয়ে বিপ্লৱত জনতাই যেতিয়া গীৰ্জা আৰু যাজক শ্ৰেণীৰ ওপৰত আক্ৰমণ চলাইছিল তেতিয়া এই তৃতীয়া যাজক সকলে বিপ্লৱত জনতাৰ পক্ষে সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

শাসক গোষ্ঠী আৰু ধৰ্ম যাজকসকলৰ মাজৰ সম্পৰ্ক আছিল মধুৰ। প্ৰকৃতপক্ষে নিজৰ অস্তিত্ব আৰু সা-সুবিধা সমূহ বজাই ৰাখিবৰ বাবে এটা পক্ষই আন পক্ষৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছিল। শাসকসকলে বুজিছিল যে সমাজত স্থিতাৱস্থা আৰু শৃঙ্খলা বজাই ৰাখিবৰ বাবে ধৰ্ম আৰু যাজক সকল অপৰিহাৰ্য্য : কিয়নো সংসাৰৰ দুখ-কষ্ট, সংগ্ৰাম আৰু দৰিদ্ৰতাই জুৰুলা কৰা জনসাধাৰণৰ বুজন অংশই ধৰ্মত গভীৰভাৱে বিশ্বাস কৰে। কেথলিক ধৰ্মৰ আচাৰ-অনুষ্ঠান, চেইণ্ট সকলৰ পৰ্ব আদিৰ উৎসৱ আৰু গীৰ্জাৰ জাক-জমকতাপূৰ্ণ আড়ম্বৰিক অনুষ্ঠানৰ মাজতে তেওঁলোকে অভাৱ-অনাটন আৰু কঠোৰ পৰিশ্ৰমৰ একঘেঁয়ে জীৱনত অকণমান বৈচিত্ৰ্য আৰু সাৰ্থকতা অনুভৱ কৰে। সাত্বিক ধৰ্মভীৰু জীৱন যাপন কৰিলে পৰকালত স্বৰ্গবাসৰ যোগ্য হ'ব বুলি তেওঁলোকৰ মনত যাজকসকলে এক স্থিৰ বিশ্বাস সুমুৱাই দিবলৈ সক্ষম হৈছিল। ইহকালত চিৰদিন দুখ-দৈন্যৰ মাজত বাস কৰা

সাধাৰণ ধৰ্মপ্ৰাণ মানুহৰ বাবে পৰকালত স্বৰ্গবাসৰ অপাৰ সুখৰ কল্পনা কম লোভনীয় নাছিল। আৰু সেয়ে সহজে তেওঁলোকে গীৰ্জা, যাজকসকল আৰু প্ৰচলিত সমাজ ব্যৱস্থাৰ বিৰুদ্ধাচৰণ কৰিবলৈ প্ৰয়াস নাপাইছিল। সাংসাৰিক দুখ-কষ্টৰে পিষ্ট জনসাধাৰণৰ মনত স্বৰ্গবাসৰ অপাৰ আনন্দৰ লোভ আৰু নৰকৰ ভয়াবহ নৃশংস শাস্তিৰ ভয় দেখুৱাই যাজকসকলে নিজকে আৰু প্ৰচলিত সমাজখনক ধৰি ৰখাত প্ৰভূত সহায় কৰিছিল। আনকি তেওঁলোকে নানান সামাজিক অপৰাধত অপৰাধীসকলক অৰ্থৰ বিনিময়ত পৰকালত ক্ষমালাভৰ গেৰাণ্টিযুক্ত প্ৰমাণপত্ৰও বিক্ৰী কৰিছিল আৰু এই উপায়েৰেও তেওঁলোকে উপাৰ্জ্জন কৰিছিল প্ৰচুৰ অৰ্থ। জনসাধাৰণৰ মনৰ ওপৰত গীৰ্জাৰ যাজক-সকলৰ এই প্ৰভাৱৰ কথা শাসক গোষ্ঠীয়ে ভালদৰেই বুজি পাইছিল আৰু সেয়ে তেওঁলোকে এই ব্যৱস্থা আৰু গীৰ্জাৰ পৃষ্ঠপোষকতা কৰিছিল উদাৰ ভাৱে। অকল ৰাজকীয় কৰৰ পৰা অব্যাহতি দিয়া আৰু অন্যান্য আৰ্থিক তথা সামাজিক সা-সুবিধা প্ৰদানৰ দ্বাৰাই নহয়, সমগ্ৰ দেশৰ শিক্ষা ব্যৱস্থাৰ পৰিচালনাৰ ভাৰো সেয়ে কেথলিক গীৰ্জাৰ ওপৰত সম্পূৰ্ণ ভাৱে এৰি দিয়া হৈছিল। আৰু গীৰ্জা আৰু যাজকসকলে উদ্দেশ্য প্ৰণোদিত আৰু অভিসন্ধিমূলক শিক্ষাদানৰ জৰিয়তে প্ৰতিটো কোমলমতীয়া ফৰাচী শিশুৰ মন প্ৰচলিত সমাজ ব্যৱস্থা আৰু গীৰ্জাৰ অনুকূলে গঢ় দিবলৈ প্ৰয়াস কৰিছিল। অকল ফ্ৰান্সতেই নহয়, ইউৰোপৰ সকলো ঠাইতেই এই কাৰ্য্য ঘটিছিল। কেৱলমাত্ৰ যিবোৰ ঠাইত প্ৰটেষ্টান্ত খৃষ্টান ধৰ্মই খোপনি ল'ব পাৰিছিল সেই ঠাইবোৰতহে এই পৰম্পৰাৰ কিঞ্চিৎ হীন-ডেঢ়ি ঘটিছিল। গীৰ্জাই শিক্ষা দিছিল যে ৰজা ঈশ্বৰৰ প্ৰতিনিধি স্বৰূপ আৰু ঈশ্বৰৰ ইচ্ছা আৰু অনুগ্ৰহতহে ৰজা দেশৰ শাসকৰূপে নিযুক্ত হৈছে। গতিকে এই শাসনৰ বিৰুদ্ধাচৰণ কৰা মানেই ভগৱানৰ বিপক্ষে যোৱা। গীৰ্জাৰ এই শিক্ষাত জনসাধাৰণে বিশ্বাস কৰিছিল আৰু সেয়ে সমাজত স্থিতাৱস্থা বাহাল থকাত কোনো অন্তৰায়ৰ সৃষ্টি হোৱা নাছিল।

কিন্তু তথাপিও সাধাৰণ মানুহৰ মনত গীৰ্জা আৰু যাজকসকলৰ প্ৰতি থকা মনোভাৱৰ সলনি হৈছিল। কিয় ? যাজক সকলৰ বিলাস বহুল জীৱন যাপন গীৰ্জাৰ বিৰাট ঐশ্বৰ্য্য জনসাধাৰণৰ আৰু দেশৰ কোনো কামত ব্যৱহাৰ হ'ব নিদিয়াকৈ ৰখা, যাজকসকলৰ নিজৰ মাজত আৰু গীৰ্জা আৰু জনসাধাৰণৰ মাজত থকা সম্পদৰ বিৰাট ব্যৱধান, শাসক গোষ্ঠীৰ স্বাৰ্থৰ অনুকূলে কৰে। যাজক সকলৰ বিভিন্ন কাৰ্য্যকলাপ আৰু বিশেষকৈ যি থন সমাজ ৰক্ষাৰ বাবে

যাজকসকল যন্ত্ৰপৰ সেইখন সমাজত ইমান বিৰাট অৰ্থনৈতিক বৈষম্য আৰু দৰিদ্ৰতাৰ নিষ্পেষণে ধাৰ্মিক জনৰ মনতো গীৰ্জা আৰু যাজকসকলৰ প্ৰতি সন্দেহ আৰু সংশয়ৰ বীজ ৰোপণ কৰিছিল। সেই সময়ৰ বিখ্যাত দাৰ্শনিক ভলটেয়াৰৰ সমগ্ৰ লেখনীৰ এটা মূল উদ্দেশ্য আছিল গীৰ্জা আৰু যাজক সকলৰ এনে অন্যায় শোষণ, ধৰ্মৰ নামত কৰা প্ৰবঞ্চনা আৰু শিক্ষাব্যৱস্থাৰ অভিয়তে যাজক সকলে সামাজিক অন্যায়বোৰ আৰু নানা অন্ধবিশ্বাস, কুপ্ৰথা প্ৰচলিত কৰি ৰখাৰ প্ৰচেষ্টাৰ বিৰুদ্ধে জনসাধাৰণৰ চেতনা জগাই তোলা। সেয়ে যেতিয়া বিপ্লৱৰ ঢৌৱে প্ৰচলিত সমাজ আৰু গীৰ্জাৰ বিৰুদ্ধে প্ৰচণ্ড প্ৰত্যাহ্বান জনালে, যেতিয়া বিপ্লৱৰ সৰু সৰু পুস্তিকা আৰু সাহিত্যই স্থিতাৱস্থাৰ প্ৰতি জনতাৰ মোহ আৰু বিশ্বাস থৰক বৰক কৰি পেলালে, যেতিয়া সামাজিক বৈষম্য আৰু গীৰ্জাৰ শোষণ জনসাধাৰণৰ মনত উপলব্ধ হ'বলৈ ধৰিলে তেতিয়া হাজাৰ হাজাৰ ধৰ্মপ্ৰাণ ফৰাচী মধ্যবিত্ত আৰু অভিজাত লোকেও তেওঁলোকৰ অতদিনে পৱিত্ৰ বুলি পৰিগণিত আৰু সযত্নে প্ৰতিপালিত ধৰ্মৰ অনুষ্ঠানৰ ওপৰত বিপ্লৱৰ প্ৰচণ্ড আক্ৰমণত সহায় কৰিবলৈহে আগবাঢ়ি আহিল।

তৃতীয় অধ্যায়

ফৰাচী অভিজাত সকল প্ৰকৃতপক্ষে আছিল ফ্ৰান্সৰ শাসক শ্ৰেণী। ফ্ৰান্সৰ ন্যায়পালিকা, সামৰিক বাহিনীৰ নেতৃত্ব আৰু সাধাৰণ প্ৰশাসন বিভাগ সম্পূৰ্ণ এওঁলোকৰ দখলত আছিল। কৃষি আৰু বাণিজ্যৰ ওপৰতো এওঁলোকৰ হাত আছিল। ফ্ৰান্সৰ উচ্চখাপৰ আটাইবোৰ বিষয় আৰু সমাজত নানান ধৰণৰ বিশেষ সা-সুবিধা বা প্ৰিভিলেজ এওঁলোকে ভোগ কৰিছিল আৰু লাভ কৰিছিল ফ্ৰান্সৰ ৰাষ্ট্ৰীয় সা-সম্পত্তি আৰু আয়ৰ এটা বুজন অংশ।

এই অভিজাত বৰ্গৰ শতকৰা পাঁচ ভাগ আছিল মূলতে জাৰ্মান ফ্ৰেঙ্ক। (১) তেওঁলোকৰ পূৰ্বপুৰুষ সকলে পঞ্চম শতিকাত ফ্ৰান্সৰ গল অঞ্চল জয় কৰি নিজৰ শাসন গঢ়ি তুলিছিল আৰু অঞ্চলটোৰ নতুন নামকৰণ কৰিছিল। এই লোক

সকলে নিজকে প্ৰকৃত অভিজাত বুলি দাবী কৰিছিল আৰু সেয়ে তেওঁলোকক লা নবেলিচ ড্যা বেচ' বোলা হৈছিল। বিপ্লৱত বিপ্লৱী নেতৃবৃন্দই সেয়ে তেওঁলোকক বিদেশী আক্ৰমণকাৰী আখ্যা দিছিল। কেমিল ডেচমলিনে এওঁলোকৰ বিপক্ষে বিপ্লৱৰ আক্ৰমণক সেয়ে বিদেশী আক্ৰমণকাৰীৰ বিৰুদ্ধে এক জাতীয় সংগ্ৰাম বুলি বৰ্ণনা কৰিছিল। (২) ফ্ৰান্সৰ অভিজাত সকলৰ ভিতৰত এওঁলোকে নিজকে প্ৰকৃত আৰু খাঁটি অভিজাত বুলি গণ্য কৰিছিল আৰু এওঁলোকৰ ৰাজনৈতিক ক্ষমতাও আনসকলতকৈ বেছি আছিল। দেশ প্ৰশাসনৰ আটাইতকৈ গধুৰ পদবী আৰু দায়িত্ব সমূহ এওঁলোকৰ কৰায়ত্বত আছিল। বাকী পঞ্চান্নবৈ ভাগ অভিজাত আছিল ফ্ৰান্সৰে লোক আৰু এওঁলোকৰ এক বৃহৎ অংশ আছিল ফ্ৰান্সৰ নতুনকৈ উঠি অহা বুৰ্জোৱা শ্ৰেণীটোৰ মানুহ। এওঁলোকে অভিজাত পদবী আৰু খিতাপ সমূহ ৰজা আৰু মন্ত্ৰীসকলৰ পৰা অৰ্থৰ বিনিময়ত কিনি লৈছিল। ৰাষ্ট্ৰৰ বাবে সম্পদ আহৰণ কৰিবলৈ এনেকৈ উপাধি আৰু পদবী বিক্ৰি কৰাটো সেইসময়ত ফ্ৰান্সত প্ৰচলিত আছিল। এই উপাধি পদবীৰ লগতে তেওঁলোকে প্ৰশাসন বা ন্যায়পালিকাৰ একোটা পদো লাভ কৰিছিল। এনেদৰে বুৰ্জোৱা শ্ৰেণীৰ বহুত লোক অভিজাত শ্ৰেণীৰ অন্তৰ্ভুক্ত হৈছিল। এনে পৰিয়ালৰ সংখ্যা সেই সময়ত ফ্ৰান্সত প্ৰায় চাৰি-হাজাৰটা আছিল। এনে ধৰণৰ বহুত পদবী আকৌ বংশানুক্ৰমিক ভাৱে ভোগ কৰিব পৰা ব্যৱস্থা আছিল। এই ব্যৱস্থা বেছিকৈ আছিল ফ্ৰান্সৰ ন্যায় পালিকাত বা 'পাৰ্লিয়ামেণ্ট' বোৰত। এই ন্যায় পালিকাবোৰেই দেশৰ সাধাৰণ প্ৰশাসন ব্যৱস্থাও প্ৰকৃতপক্ষে পৰিচালনা কৰিছিল। যিহেতু এই পদবোৰ কিনি ল'ব পৰা গৈছিল আৰু এটা কৰ পৰিশোধ কৰি বংশানুক্ৰমিক ভাৱে ভোগ কৰিব পৰা গৈছিল সেয়ে পৰম্পৰাগতভাৱে প্ৰাশাসনিক ক্ষমতা ধনী সকলৰ মাজতে সদায় সীমাবদ্ধ আছিল। আৰু সময়ত সেয়ে ইয়াৰ লগত জড়িত হৈ পৰিছিল ন্যস্ত স্বাৰ্থ। ফলত এই ব্যৱস্থা সমাজৰ সংস্কাৰ আৰু পৰিবৰ্তনৰ বাটত এক বিৰাট প্ৰতিবন্ধক স্বৰূপ হৈ পৰিছিল। যদিও সম্ৰাটৰ হাতত এই ব্যৱস্থা উলঙ্ঘা কৰাৰ বা ভাঙি দিয়াৰ ক্ষমতা আছিল, সেই ক্ষমতা খুব কমেইহে কামত লগোৱা হৈছিল।

সময়ৰ লগে লগে এই নতুন অভিজাত সকলৰ শক্তি বাঢ়ি আহিছিল আৰু পুৰণা অভিজাত লোকসকল বা 'লা নবেলিচ ড্যা বেচৰ' ক্ষমতা কমি আহিবলৈ ধৰিছিল। আৰু ইয়াৰ ফলতে ফ্ৰান্সৰ পৰম্পৰাগত সামন্ততান্ত্ৰিক, অভিজাত

অধ্যুষিত শাসন ব্যৱস্থা দুৰ্ব্বল হৈ পৰিছিল। বহু বুৰঞ্জীবিদৰ মতে সামাজিক অশান্তিৰ ই এটা প্ৰধান কাৰণ আছিল আৰু সময়ত ই বিপ্লৱৰ এটা কাৰণ হৈও পৰিছিলগৈ।

তথাপিও একত্ৰিতভাৱে অভিজাতসকলৰ শক্তি আছিল প্ৰচুৰ। দেশৰ সকলো শাসন প্ৰক্ৰিয়া প্ৰকৃততে এওঁলোকেই পৰিচালনা কৰিছিল। সম্ৰাটৰ অধ্যাদেশবো বিৰোধিতা কৰি বন্ধ কৰিব পৰা ক্ষমতা এওঁলোকৰ আছিল।

ক্ষমতা আহৰণৰ লগে লগে অভিজাত তন্ত্ৰৰ মাজত বিশেষকৈ নতুন অভিজাত সকলৰ মাজত দুৰ্নীতি শিপাই পৰিছিল। প্ৰাশাসনিক বিভাগ আৰু ন্যায় পালিকাত দুৰ্নীতি আছিল সকলোতকৈ বেছি। অজস্ৰ অৰ্থৰ বিনিময়ত বিষয় আৰু পদবী কিনি লোৱাৰ পাছত সেই অৰ্থ উঠাই ল'বলৈ তেওঁলোকে পাৰ্য্যমানে চেষ্টা কৰিছিল আৰু সেয়ে দুৰ্নীতি আৰু ভেটিখোৱা প্ৰথাই ফৰাচী সামাজিক জীৱন দুষিত কৰি পেলাইছিল। ফ্ৰান্সৰ বুকুত বিপ্লৱৰ দাবানল জলি উঠাৰ অলেখ কাৰণৰ ভিতৰত এইটোও এটা প্ৰধান কাৰণ আছিল।

অভিজাততন্ত্ৰৰ প্ৰধান শক্তি আছিল সামৰিক বাহিনীৰ নেতৃত্ব। এই 'তৰোৱালৰ' জোৰতেই তেওঁলোকে প্ৰাশাসনিক আৰু ন্যায় পালিকাৰ বিপুল ক্ষমতা আহৰণ কৰিছিল, আহৰণ কৰিছিল প্ৰচুৰ অৰ্থসম্পত্তি, নানা তৰহৰ সামাজিক সা-সুবিধা, কৃষি আৰু বাণিজ্যৰ ওপৰত প্ৰভাৱ আৰু ফ্ৰান্সৰ খেতি মাটিৰ এক চতুৰ্থাংশ। এই বিশাল ভূ-সম্পত্তিৰপৰা তেওঁলোকে আদায় কৰিছিল নানা তৰহৰ কৰ-কাটল, ৰায়তসকলৰপৰা লাভ কৰিছিল বহুতো সা-সুবিধা। আগতে নিজ নিজ জমিদাৰীৰ সৰ্ব্বময় কৰ্তৃত্ব আছিল এওঁলোকৰ হাতত। জমিদাৰীৰ সকলো প্ৰাশাসনিক আৰু অন্যান্য জঞ্জাল-জাঁজ এওঁলোকেই মাৰিব লাগিছিল, বজাই ৰাখিব লাগিছিল আইন-শৃঙ্খলা। কিন্তু সম্ৰাট চতুৰ্দ্দশ লুইৰ দিনত মহামন্ত্ৰী ৰিচেলুৱে দেশৰ প্ৰাশাসনিক ক্ষমতা কেন্দ্ৰীভূত কৰি পেলোৱাত এনে ধৰণৰ কামৰ পৰা অভিজাত জমিদাৰ সকলে বহুত অব্যাহতি পালে। এওঁলোকৰ প্ৰাশাসনিক আৰু আইন-শৃঙ্খলা ৰক্ষাৰ দায়িত্ব কমিল সঁচা কিন্তু এওঁলোকে ভোগ কৰি থকা সা-সুবিধা আৰু ক্ষমতাৰ কোনো হীন-ভেচি নঘটিল। আগৰ দৰেই তেওঁলোকে ৰায়তৰপৰা কৰ-কাটল তুলি থাকিল, ভোগ কৰি থাকিল জমিদাৰৰ মাটিত ৰায়ত সকলে বিনা বেতনে খাটি দিয়াৰ বিবাট সুবিধা। দায়িত্বমুক্ত হৈ এওঁলোকে বেছিকৈ লাহ-

বিলাহৰ মাজত দিন কটাবলৈ ধৰিলে। জমিদাৰী এৰি এওঁলোক আহি পেৰিচত আৰু ৰাজ দৰবাৰত ভিৰ কৰিবলৈ ধৰিলেহি। পেৰিচত এওঁলোকে অভিজাত আদব-কায়দা, চাল-চলন, ব্যৱহাৰ-পাতি, খেল-ধেমালি আৰু বিলাসৰ এক আজব সভ্যতা গঢ়ি তুলিলেহি। এই অভূতপূৰ্ব্ব সভ্যতাৰ খৰচ আহিল ৰায়তসকলৰ হাড়ভঙা পৰিশ্ৰম আৰু ৰাষ্ট্ৰীয় উঁৱালৰ পৰা। অভিজাত সকলৰ এই অন্যায় ক্ষমতা আৰু সা-সুবিধাৰ বিপক্ষে জনসাধাৰণৰ মনত বহুত দিনৰ পৰা উমি উমি ক্ষোভৰ আগনি জ্বলি আছিল। আটাইতকৈ অসন্তুষ্ট আছিল ফ্ৰান্সৰ নতুন বুৰ্জোৱা শ্ৰেণী। নতুন নতুন শিল্প-বাণিজ্যৰে সম্পদশালী হোৱা এই শ্ৰেণীটোৱে তেওঁলোকৰ অৰ্থৰ লগত ৰজিতা খোৱাকৈ ৰাজনৈতিক ক্ষমতা আৰু সামাজিক মৰ্য্যাদাৰ অধিকাৰী হ'বলৈ বাঞ্ছা কৰিছিল। কিন্তু তেওঁলোকৰ বাটৰ প্ৰধান অন্তৰায় আছিল অভিজাত শ্ৰেণী আৰু যাজকসকল। সেয়ে এই অভিজাতবৰ্গ আৰু যাজকসকলৰ দ্বাৰা পৰিচালিত সমাজ ব্যৱস্থাৰ বিৰুদ্ধে সমগ্ৰ জনসাধাৰণৰ ক্ষোভ আৰু অসন্তুষ্টিৰ নেতৃত্ব দিবলৈ তেওঁলোকে আগবাঢ়ি আহিল। সৰ্ব্বগ্ৰাসী ৰঘুমলাৰ দৰে এই অভিজাত শ্ৰেণীক সমাজত পুহি ৰখাৰ কোনো সাৰ্থকতা কোনেও উপলব্ধি কৰা নাছিল। সেয়ে বিপ্লৱৰ অগনি যেতিয়া জ্বলি উঠিছিল তেতিয়া অভিজাত অধ্যুষিত এই সমাজব্যৱস্থাক ধ্বংস কৰি দিবলৈ ন-ধনী শ্ৰেণীটোৱে জনসাধাৰণৰ প্ৰধান নেতৃত্ব গ্ৰহণ কৰিছিল।

চতুৰ্থ অধ্যায়

ফ্ৰান্সৰ জনসাধাৰণ বুলিলে সেইসময়ত যাজক আৰু অভিজাতসকলক বাদ দি সমগ্ৰ জনতাকে বুজাইছিল। এই জনতাৰ মাজত সকলো ধৰণৰ, সকলো শ্ৰেণীৰ লোক আছিল। ধনী বুৰ্জোৱা শ্ৰেণীৰপৰা আৰম্ভ কৰি মধ্যবিত্ত, কাৰিকৰী লোকসকলক সামৰি, সমাজৰ আটাইতকৈ দৰিদ্ৰ জনক লৈয়েই গঠিত হৈছিল এই থাৰ্ড এষ্টেট—দেশৰ তৃতীয়টো প্ৰধান শক্তি।

সেই সময়ত ফৰাচী সমাজত নতুনকৈ গঢ়ি উঠা বিশাল বৈদেশিক আৰু আভ্যন্তৰীণ বাণিজ্য আৰু শিল্প উদ্যোগৰ ফলস্বৰূপে এটা শক্তিশালী বুৰ্জোৱা

শ্ৰেণীৰ আৱিৰ্ভাৱ ঘটিছিল। নতুন নতুন ব্যৱসায়-বাণিজ্য আৰু নতুন নতুন শিল্প উদ্যোগত বিৰাট পৰিমাণৰ মূলধন বিনিয়োগ কৰাৰ ক্ষমতা তেওঁলোকৰ আছিল। ফ্ৰান্সৰ ৰাষ্ট্ৰীয় চৰকাৰক তেওঁলোকে ধাৰে দিছিল বিৰাট পৰিমাণৰ অৰ্থ। চৰকাৰৰ দ্বাৰা প্ৰকাশিত বণ্ড সমূহো তেওঁলোকেই বেছিকৈ কিনিছিল। আৰু এইদৰে সমগ্ৰ ফৰাচী অৰ্থনীতিকেই তেওঁলোকে কৰায়ত্ব কৰি ৰাখিছিল আৰু দেশৰ অৰ্থনৈতিক নীতি সমূহ পৰিচালিত কৰিছিল তেওঁলোকৰ স্বাৰ্থৰ অনুকূলে। বস্ত্ৰশিল্প, খনি আৰু ধাতু উদ্যোগ, লো আৰু তীখা শিল্প, নিমখ, চাবোন আৰু ছামৰা শিল্প তেওঁলোকৰ দখলত আছিল। কেঁচামাল উৎপাদন, আৰু পণ্য সামগ্ৰীলৈ ৰূপান্তৰ আৰু জনসাধাৰণৰ মাজত সেই সামগ্ৰী বিতৰণৰ পৰিচালনা তেওঁলোকে কৰিছিল আৰু প্ৰতিটো খাপতে উৎপাদক আৰু কিনোতাসকলৰ ওপৰত মোটা পৰিমাণৰ লাভ কৰিবলৈ তেওঁলোক সমৰ্থ হৈছিল। ফ্ৰান্সৰ বৈদেশিক বাণিজ্য সম্প্ৰসাৰণ আৰু নতুন নতুন উপনিবেশ স্থাপনতো তেওঁলোকেই আগভাগ লৈছিল আৰু এই কাৰ্য্যত বৃটেইনৰ পাছতে পৃথিৱীত দ্বিতীয় সৰ্ব্ববৃহৎ ঔপনিবেশিক সাম্ৰাজ্য প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। মূলধন বিনিয়োগৰ দ্বাৰা নতুন ধৰণে ব্যৱসায় বাণিজ্য প্ৰতিষ্ঠা কৰি ফৰাচী সমাজৰ পুৰণি হস্ত শিল্প আৰু গীল্ড সমূহ তেওঁলোকে দুৰ্ব্বল কৰি ভাঙি দিবলৈ আৰম্ভ কৰিছিল। প্ৰকৃতপক্ষে সেইসময়ৰ সমগ্ৰ ইউৰোপৰে চলমান মূলধনৰ শতকৰা পঞ্চাছভাগ তেওঁলোকেই পৰিচালনা কৰিছিল।

এই বুৰ্জোৱা শ্ৰেণীটোত উদ্যোগপতি আৰু বণিকসকলৰ উপৰিও ফ্ৰান্সৰ উচ্চমধ্যবিত্ত শ্ৰেণীটোও অন্তৰ্ভুক্ত হৈছিল। এওঁলোক আছিল ফ্ৰান্সৰ বেঙ্কাৰ, দালাল, উৎপাদক, আইনজ্ঞ, মেনেজাৰ, বৈজ্ঞানিক. চিকিৎসক, অধ্যাপক, কলাকাৰ, শিল্পী আৰু সাংবাদিক সকল।

দিনে দিনে এই বুৰ্জোৱা শ্ৰেণীটোৰ সা-সম্পত্তি আৰু অৰ্থনৈতিক শক্তি বাঢি আহিছিল। অৰ্থনৈতিক ভাৱে যদিও এওঁলোক শক্তিশালী আছিল তথাপিও অভিজাত আৰু যাজকসকলৰ দৰে ৰাজনৈতিক ক্ষমতা, সামাজিক মৰ্য্যাদা আৰু বিশেষ সা-সুবিধা আদি তেওঁলোকে ভোগ কৰিবলৈ পোৱা নাছিল, পোৱা নাছিল ৰাজ দৰবাৰত সন্মানৰ আসন। সেয়ে সন্মান আৰু ক্ষমতাৰ বাবে বুৰ্জোৱা শ্ৰেণী আৰু অভিজাত সকলৰ মাজত তুমুল প্ৰতিদ্বন্দ্বিতা আৰম্ভ হৈছিল। ভূ-সম্পত্তিৰে সম্পদশালী, ৰাজনৈতিকভাৱে ক্ষমতাবান, স্থবিৰ অভিজাত শ্ৰেণী আৰু অৰ্থনৈতিক শক্তিৰে শক্তিশালী বুৰ্জোৱা শ্ৰেণীৰ মাজত

আৰম্ভ হ'ল অৰিয়া-অৰি। উচ্চ শিক্ষাৰে শিক্ষিত বুৰ্জোৱা সকলে অভিজাত আৰু যাজকসকলৰ দৰে ক্ষমতা, সন্মান আৰু সুবিধাৰ সমানতা দাবী কৰিলে। দাবী কৰিলে চৰকাৰ আৰু গীৰ্জাৰ চেঞ্চৰ ব্যৱস্থাৰ অৱসান ঘটাই নিজা নিজা মতামত, নিজা ভাব প্ৰকাশৰ স্বাধীনতাৰ। দাবী কৰিলে ব্যক্তি স্বাধীনতা। দাবী কৰিলে অভিজাত সকলে তেওঁলোকৰ নিজ নিজ জমিদাৰীত প্ৰৱৰ্তন কৰা বিভিন্ন কৰ-কাটল, বেলেগ বেলেগ জোখ-মাখ আৰু নিয়ম-নীতিৰ অৱসান। এই বুৰ্জোৱা সকলক বাদ দি বাদবাকী ফৰাচী জনসাধাৰণ, যি গাঁও অঞ্চলৰ কৃষক, চহৰ অঞ্চলৰ বনুৱা-মজদুৰ, সৰু ব্যৱসায়ী, কচাই, কটী বনাওঁতা, দোকানী, নাপিত, ফেৰিৱালা, কাঠ মিস্ত্ৰি, ৰাজমিস্ত্ৰি, ঘৰত বং কৰোঁতা, মুচী, দৰ্জি, কমাৰ, কঁহাৰ, সোণাৰী, শিপিনী, কিতাপৰ দোকানী, প্ৰকাশক, ছপাওঁতা, নিবনুৱা, সকলোকে সামৰি লৈছিল, তেওঁলোকো প্ৰচলিত সমাজ ব্যৱস্থাৰ প্ৰতি ক্ষুব্ধ আৰু অসন্তুষ্ট আছিল। বুৰ্জোৱাসকলে এই অসন্তুষ্টিৰ সুযোগ গ্ৰহণ কৰিলে। তেওঁলোকে এই বৈষম্যপূৰ্ণ সমাজব্যৱস্থা অৱসান কৰিবলৈ আহ্বান জনালে, সমানতাৰ দাবী তুলিলে, শ্ল'গান দিলে—"স্বাধীনতা, সাম্য আৰু মৈত্ৰী"—লিৰ্বাটি, ইকুৱেলিটি, ফ্ৰেটাৰ্নিটিৰ।

এই সমানতা বা ইকুৱেলিটি বোলোঁতে তেওঁলোকে সমাজৰ তলৰ সৰ্বহাৰা সকলৰ লগত তেওঁলোকৰ সমানতাৰ কথা বুজোৱা নাছিল, বুজাইছিল ওপৰৰ সুবিধাভোগী শ্ৰেণীৰ লগত তেওঁলোকৰ নিজৰ ক্ষমতা আৰু মৰ্য্যাদাৰ সমানতাহে কিন্তু এই সমানতাৰ আদৰ্শ তেওঁলোকৰ স্বাৰ্থ সিদ্ধিৰ বাবে বৰ কাৰ্য্যকৰী আহিলা আছিল। সাধাৰণ জনতাৰ বাবে এই আদৰ্শ বৰ আকৰ্ষণীয় আছিল, মানুহৰ চিন্তাজগতত এই 'স্বাধীনতা আৰু সমানতাৰ' আদৰ্শ ই নতুন চিন্তাজগতৰ দুৱাৰ মুকলি কৰিছিল। এনেদৰে বুৰ্জোৱা শ্ৰেণীৰ স্বাৰ্থৰ তাড়নাতেই ফ্ৰান্সৰ বুকুত বিপ্লৱৰ সূত্ৰপাত হৈছিল।

ফৰাচী জনসাধাৰণৰ আটাইতকৈ ডাঙৰ ভাগটো আছিল কৃষক সকল। ৱিল ডুৰাণ্টৰ মতে সেই সময়ত ফ্ৰান্সৰ কৃষকসকলৰ অৱস্থা সমসাময়িক ইউৰোপৰ অন্যান্য অঞ্চলৰ কৃষকসকলতকৈ তুলনামূলক ভাৱে ভাল আছিল, কিন্তু তথাপিও তেওঁলোকে গধুৰ কৰৰ বোজা বহন কৰিবলগীয়া হৈছিল। গীৰ্জা বা অভিজাত সকলৰ মাটিত খেতি কৰা ৰায়ত সকলে তেওঁলোকৰ মুঠ উৎপন্নৰ এটা অংশ মালিকক দিয়াৰ উপৰিও বছৰেকত কেইটামান নিৰ্দিষ্ট দিন বিনা মজুৰিত মালিকৰ মাটিত কাম কৰি দিব লাগিছিল। তাৰোপৰি

জমিদাৰীৰ ৰাস্তা-ঘাট ব্যৱহাৰ কৰাৰ বাবে বছৰি কৰ-কাটল দিব লাগিছিল। জমিদাৰৰ শস্য বনা কল, মদ প্ৰস্তুত কৰা, তেল পেৰা কল আদি ব্যৱহাৰ কৰিলে তাৰ বাবদ চৰা মূল্য দিব লগা হৈছিল আৰু জমিদাৰৰ ঘাঁহনি পথাৰত পশু চৰোৱা, জমিদাৰীৰ ভিতৰত থকা খাল-ডোঙত মাছ মৰা, আৰু অন্যান্য এশ এবুৰি কামত বিভিন্ন নিৰিখত বান্ধি দিয়াৰ দৰে শুল্ক দিব লাগিছিল। তাৰোপৰি নিজৰ মাটি বা সা-সম্পত্তি বিক্ৰি কৰিলে তাৰো শতকৰা দহৰ পৰা পোন্ধৰ ভাগ জমিদাৰৰ পাওনা আছিল। ইয়াৰ উপৰিও ঐশ্বৰিক ৰক্ষণাবেক্ষণ আৰু আশীৰ্ব্বাদৰ বাবে গীৰ্জা আৰু যাজকসকলক দিব লগা হৈছিল মুঠ উৎপাদনৰ দহ ভাগৰ এভাগ। এইবোৰৰ উপৰিও ৰাষ্ট্ৰক বহু পৰিমাণে কৰ দিব লাগিছিল। মানুহটোৱে প্ৰতি বাৰ্ষিক উৎপাদনৰ শতকৰা কুৰিভাগ ৰাষ্ট্ৰক দিব লাগিছিল। তাৰোপৰি সোণ, ৰূপ, তাম আদি ধাতুৰ ওপৰত দিব লগা হৈছিল বিক্ৰি শুল্ক আৰু বছৰি সকলোৱে এক নিৰ্দ্দিষ্ট পৰিমাণৰ নিমখ ৰাষ্ট্ৰৰ পৰা কিনিব লাগিছিল। আকৌ যুদ্ধৰ সময়ত এই-বোৰৰ ওপৰঞ্চি যুদ্ধকালীন কৰো কৃষকসকলেই বহন কৰিব লাগিছিল, লাগিছিল সেনা বাহিনীত ভৰ্ত্তি হৈ যুদ্ধলৈ যাব। অভিজাত আৰু যাজক সকল এনে ধৰণৰ প্ৰায়বোৰ কৰৰ পৰাই মুক্ত আছিল আৰু দিবলগা বহুত কৰো তেওঁলোকে কৌশলেৰে এৰাই চলিছিল। ধনী মানুহৰ ল'ৰাবোৰে তেওঁলোকৰ পৰিৱৰ্তে অৰ্থ দি অইন এজনক নিয়োগ কৰি যুদ্ধলৈ নোযোৱাকৈয়ো থাকিব পাৰিছিল। প্ৰকৃতপক্ষে ফৰাচী চৰকাৰ, গীৰ্জা, যুদ্ধ আৰু শান্তিৰ সকলো খৰচ ফৰাচী কৃষকসকলেই বহন কৰিছিল। যি বছৰ বতৰ ভাল হৈছিল, পথাৰত শস্য উৎপন্ন হৈছিল, সেইবাৰ কৃষক সকলে এই সকলোবোৰ কৰ দিব পাৰিছিল। কিন্তু যি বাৰ প্ৰাকৃতিক দুৰ্যোগত খেতি নষ্ট হৈছিল, সেইবাৰ কৃষকসকলৰ দুখ কুলাই পাচিয়ে নধৰা হৈছিল। অভাৱ-অনাটনে ফ্ৰান্সৰ গাঁও অঞ্চল জুকলা কৰি পেলাইছিল। কৰ পৰিশোধ কৰি কোনোমতে জীয়াই থাকিবলৈ কৃষক-সকলে সুদখোৰ দালালবোৰৰপৰা চৰা সুদত ধন ধাৰে ল'ব লগা হৈছিল, নিজৰ সা-সম্পত্তি, গৰু-ঘোঁৰা, ঘৰ-দুৱাৰ, আনকি খেতিৰ মাটিও বন্ধকত দিব লগাত পৰিছিল। এই মাটিবোৰ আকৌ অভিজাত সকলে বা চহৰ অঞ্চলৰ বুৰ্জোৱা সকলে নিজে বা দালালৰ সহায়ত কিনি লৈছিল। এই সামন্ততান্ত্ৰিক শোষণমুখী সমাজ ব্যৱস্থাই, কৃষকসকলক নানান কৌশলৰে ঠগাই, চেপি, নিশকতীয়া কৰি পেলাইছিল।

পঞ্চম অধ্যায়

সেই সময়ত ইউৰোপৰ মানুহে আলুৰ ব্যৱহাৰ নাজানিছিল। নতুন পৃথিৱী আমেৰিকাৰপৰা কিছুদিন আগতে আলু ইউৰোপলৈ আহিছেহে, কৃষকসকলে তেতিয়াও কেনেকৈ আলুখেতি কৰিব লাগে নাজানে। সেয়ে দানাদাৰ শস্যই মানুহৰ আহাৰৰ প্ৰধান উপকৰণ আছিল। ঘেঁহু, যৱ আৰু মাকৈৰপৰা প্ৰস্তুত কৰা ৰুটীয়েই আছিল জনসাধাৰণৰ প্ৰধান খাদ্য। সেয়ে যি বছৰেই কিবা কাৰণত দানাদাৰ শস্যৰ উৎপাদন কম হৈছিল, পেটৰ ভোক উপশম কৰিবলৈ জনসাধাৰণৰ হাতত কোনো দ্বিতীয় পন্থা নাছিল। এজন বুৰঞ্জীবিদে এবাৰ কৌতুক কৰি কৈছিল যে ফৰাচী মানুহে যদি আলুৰ ব্যৱহাৰ জানিলেহেঁতেন, তেতিয়াহ'লে হয়তো ফৰাচী বিপ্লৱৰ সূচনাই নহ'ল-হেঁতেন।

ফৰাচী জনসাধাৰণৰ খাদ্য সমস্যাৰ কাৰণে কেৱল কম উৎপাদনকেই জগৰীয়া কৰিব নোৱাৰি। দেশৰ সামন্ততান্ত্ৰিক জমিদাৰী প্ৰথাও এই খাদ্য সমস্যাৰ এটা প্ৰধান কাৰণ আছিল। আগতেই কৈ অহা হৈছে যে ফৰাচী অভিজাত জমিদাৰসকলে তেওঁলোকৰ নিজ নিজ এলেকাত বেলেগ বেলেগ কৰ-কাটল আৰু জোখ-মাখৰ প্ৰৱৰ্তন কৰিছিল আৰু চৰকাৰৰ নানান চেষ্টা সত্বেও এইবোৰ উঠাই দিয়া হোৱা নাছিল ; তেওঁলোকে তেওঁলোকৰ এলেকাৰ মাজেৰে পাৰ হৈ অন্য ঠাইলৈ যোৱা প্ৰতিপদ বস্তুৰ ওপৰতেই শুল্ক লগাইছিল। সেয়ে ফ্ৰান্সৰ কোনো অঞ্চলত অপৰ্যাপ্ত বাহি শস্য থাকিলেও তাক ঘাটি পৰা অঞ্চললৈ নৈ যোৱাটো সহজ নাছিল। এইবোৰ ব্যৱস্থাৰ বাবে বহুত ঠাইত কৃত্ৰিম খাদ্য অনাটনৰ সৃষ্টি হৈছিল। নগৰ সমূহত য'ত সকলো খাদ্য সামগ্ৰী অন্য ঠাইৰ পৰা আনিব লাগিছিল এই খাদ্য অনাটন মাজে সময়ে অতি প্ৰকট হৈ পৰিছিল আৰু মাজে সময়ে ক্ষুধাতুৰ উন্মত্ত জনতাই ভোকৰ যন্ত্ৰণাত চহৰৰ খাদ্য শস্যৰ দোকানবোৰ আৰু ৰুটী প্ৰস্তুত কৰা কল আদি লুটপাট কৰিছিল। এনে ঘটনা ফ্ৰান্সৰ নগৰ সমূহত বৰ বিৰল নাছিল। খেতি বেয়া হোৱা বছৰ এনে ঘটনা কেতিয়াবা নিত্যনৈমিত্তিক ঘটনাত পৰিণত হৈছিল।

১৭৮৮ চনৰ বছৰটো ফ্ৰান্সৰ বাবে বৰ দুৰ্যোগপূৰ্ণ বছৰ আছিল। প্ৰথমেই এক প্ৰচণ্ড খৰে শস্যবোৰ একেবাৰে দুৰ্বল কৰি পেলালে। ঠায়ে ঠায়ে শ শ হেক্টৰ সাকৰা মাটি পানীৰ অভাৱত ছন পৰি ৰ'ল। তাৰপিছত শস্য পকাৰ সময়তে আহিল এজাক শিল-ধুমুহা। নৰ্মাণ্ডি অঞ্চলৰ পৰা চেম্পেন অঞ্চললৈকে প্ৰায় ২৪০ কিলোমিটাৰ ফ্ৰান্সৰ আটাইতকৈ সাকৰা কৃষিপ্ৰধান অঞ্চলৰ সমগ্ৰ শস্য শিলাবৃষ্টিয়ে পথাৰতে খুন্দি পেলালে। ইয়াৰ পিছত আহিল প্ৰচণ্ড শীত। তুষাৰপাত, ডাঠ কুঁৱলী, গোটমৰা নিয়ৰে শীতকালীন খেতি আৰু ফল মূলৰ বিস্তৰ ক্ষতি সাধন কৰিলে। শয়ে শয়ে ফলগছ শীতত মৰি থাকিল। শীতৰ পিছতেই বসন্তৰ বৰষুণৰ লগে লগে এইবাৰ আহিল প্ৰৱল বানপানী। ফ্ৰান্সৰ নদী নিজৰা পানীৰে ওফন্দি পৰি কাষৰ পথাৰ-সমাৰ, গাঁও-চহৰ বুৰাই পেলালে।

এটাৰ পিছত এটাকৈ এনেদৰে প্ৰাকৃতিক দুৰ্যোগে জুৰুলা কৰা ফ্ৰান্সত গ্ৰীষ্ম কালৰ লগে লগে ভয়াবহ খাদ্য অনাটনে দেখা দিলে। এই আকালত যদিও বেছি মানুহৰ মৃত্যু হোৱা নাছিল বুলি সমকালীন বুৰঞ্জীবোৰে কয় তথাপিও এই কথা ঠিক যে লাখ লাখ মানুহ অভাৱ-অনাটন আৰু পেটৰ ভোকত শাৰীৰিক আৰু মানসিক ভাৱে সহ্য কৰাৰ শেষ সীমা পাইছিলগৈ। আনহাতে আকৌ গ্ৰেট বৃটেইনৰ লগত হোৱা এখন বাণিজ্যিক চুক্তিৰ ফলত কম দামৰ বৃটিচ পণ্য সামগ্ৰীৰে সেই সময়ত ফ্ৰান্সৰ বজাৰ ভৰি পৰিছিলহি আৰু ফলত দুৰ্দশাগ্ৰস্ত বহুতো ফৰাচী কল-কাৰখানা আৰু উৎপাদন গোট বন্ধ হৈ গৈছিল। ফলত হাজাৰ হাজাৰ লোক কৰ্মসংস্থানহীন নিবনুৱা হৈ পৰিছিল। অকল পেৰিচ মহানগৰীতে প্ৰায় ৮০,০০০ এনে লোক আছিল। খাদ্যাভাৱ, চৰাদাম আৰু তাৰ ওপৰতে কৰ্মহীনতাই সাধাৰণ মানুহৰ জীৱন জুৰুলা কৰি তুলিছিল।

অভাৱ-অনাটনে জুৰুলা কৰা ফৰাচী কৃষক সকলে আৰু সহ্য কৰিব নোৱৰা হ'ল। তেওঁলোক সহ্যৰ চৰম সীমাত উপনীত হ'ল। সেয়ে ১৭৮৯ চনৰ মাৰ্চ মাহত কৃষকসকল প্ৰথম বাৰৰ বাবে জাগি উঠিল। তেওঁলোকে ৰাষ্ট্ৰ, মালিক কাকো কোনোধৰণৰ কৰ-কাটল দিবলৈ অমান্তি হ'ল।

ফৰাচী—২

ষষ্ঠ অধ্যায়

কিছুদিনৰ পৰা চিন্তাশীল প্ৰতিজন ফৰাচী নাগৰিকে আশঙ্কা কৰিবলৈ আৰম্ভ কৰিছিল যে শীঘ্ৰে ফৰাচী চৰকাৰ সম্পূৰ্ণ দেৱলীয়া হ'ব আৰু ফ্ৰান্সৰ ৰাষ্ট্ৰীয় কোষাগাৰ শূন্য হৈ পৰিব। ফ্ৰাঙ্কৰ মূল্যমান পৰি আহিব আৰু এক ভয়ানক অৰ্থনৈতিক দুৰ্যোগে সমগ্ৰ ফৰাচী দেশ আৰু জাতিক বিপৰ্যস্ত কৰি তুলিব। ৰাষ্ট্ৰীয় অৰ্থনীতিৰ পৰিচালনাত নানান তৰহৰ বেমেজালি, বিশৃঙ্খলতা আৰু নীতিহীনতাই তেওঁলোকৰ এই বিশ্বাস অধিক শক্তিশালী কৰি তুলিছিল। সেই সময়ৰ ফ্ৰান্সৰ বাজেটত আছিল এক বিৰাট পৰিমাণৰ ঘাটি। এই ঘাটি পূৰণ কৰি ফ্ৰান্সৰ অৰ্থনীতিক সুস্থিৰ কৰাটো সহজসাধ্য কাম নাছিল। বহুকেইজন অৰ্থমন্ত্ৰীয়ে এই কাম কৰিবলৈ গৈ বিফল হৈছিল। অৰ্থনৈতিক দিশৰ পৰা এই ঘাটি পূৰোৱাটো খুব এটা অসম্ভৱ কাম নাছিল, কিন্তু ৰাজনৈতিক দিশৰ পৰা এই সমস্যা আছিল এক কঠিন সমস্যা। জনমূৰি পাঁচৰ পৰা সাত ফ্ৰাঙ্ক উপৰুৱা কৰ বছৰি লগালেই এই ঘাটি অনায়াসে পূৰণ কৰিব পৰা গ'লহেঁতেন। কিন্তু এই কৰ লগোৱা হ'ব কাৰ ওপৰত সেইটোৱেই আছিল আটাইতকৈ ডাঙৰ সমস্যা।

নানাধৰণৰ ৰাজকীয় আৰু অন্যান্য কৰে জুৰুলা কৰা ফৰাচী জনসাধাৰণৰ ওপৰত এই ওপৰঞ্চি কৰ লগোৱা সহজ নাছিল। বেছি ভাগৰে এই কৰহে নালাগে অন্যান্য কৰবোৰ পৰিশোধ কৰি জীৱন ধাৰণ কৰাই টান হৈ পৰিছিল। সেয়ে আকৌ নতুন কৰৰ বোজা জাপি দিলে জনতাৰ মাজত বিদ্ৰোহৰ দাবানল জ্বলি উঠাৰ পূৰ্ণ সম্ভাৱনাই দেখা দিলে। কিন্তু যি সকল লোকৰ কৰ দিয়াৰ ক্ষমতা আছিল সেই অভিজাত লোক সকলৰ ওপৰত আটাইতকৈ কম পৰিমাণৰ কৰ লগোৱা হৈছিল আৰু যাজক শ্ৰেণী প্ৰকৃততে ৰাজকীয় কৰৰ পৰা মুক্ত আছিল বুলিলেই হয়। এই দুই শ্ৰেণীৰ ওপৰত ন্যায়সঙ্গত কৰ লগালে অতি সহজতে ফ্ৰান্সৰ ঘাটি বাজেট পূৰণ হোৱাৰ উপৰিত ৰাজকীয় ভঁৰাল জনকল্যাণমূলক কামত বিনিয়োগ কৰিব পৰাকৈ প্ৰচুৰ পৰিমাণৰ অৰ্থৰে সমৃদ্ধ হৈ পৰিলহেঁতেন। কিন্তু এই দুটা শ্ৰেণীয়ে সকলোধৰণে তেওঁলোকৰ বিশাল সম্পদৰ

ন্যায়সঙ্গত বণ্টনৰ তীব্ৰ বিৰোধিতা কৰিছিল। তেওঁলোকে ভোগ কৰি অহা প্ৰতিবাদ সা-সুবিধা বা প্ৰিভিলেজ এৰিবলৈ তেওঁলোক কোনোমতেই ৰাজী নহয়। তেওঁলোকৰ সমবেত বিৰোধিতাৰ আগত ৰজা আৰু চৰকাৰে কোনো ধৰণৰ ব্যৱস্থা লবলৈ সাহস গোটাব পৰা নাছিল, নাছিল এক সুষম ন্যায়সঙ্গত কৰ ব্যৱস্থা প্ৰৱৰ্ত্তন কৰিবলৈ। ফ্ৰান্সৰ প্ৰতিজন বিত্তমন্ত্ৰীয়ে এই কাম কৰিবলৈ বহুবাৰ চেষ্টা কৰিছিল কিন্তু প্ৰতিবাৰেই তেওঁলোক বিফল হৈছিল আৰু হেৰুৱাইছিল তেওঁলোকৰ অৰ্থ মন্ত্ৰিত্ব। অৰ্থমন্ত্ৰী কেলনে কৈছিল, "France is a kingdom composed of separate states and countries, with mixed administrations, the provinces of which know nothing of each other, where certain districts are completely free from burdens, the whole weight of which is borne by others, where the richest class is the most taxed, where privilege has upset all equilibrium, where it is impossible to have any constant rule or common will; necessarily it is a most imperfect kingdom, very full of abuses and in its present condition impossible to govern."

এই অসমান কৰ নীতিয়েই আছিল ফ্ৰান্সৰ জুকলা হোৱা অৰ্থনীতিৰ প্ৰধান কাৰণ। ইয়াৰ ফলতে ক্ৰমান্বয়ে ৰাষ্ট্ৰীয় কোষাগাৰ উদং হৈ আহিছিল, আৰু মানুহৰ মনত এক ৰাষ্ট্ৰীয় অৰ্থনৈতিক দুৰ্যোগ আৰু ৰাষ্ট্ৰ দেৱলীয়া হোৱাৰ আশঙ্কাই দেখা দিছিল। এতিয়া ফ্ৰান্সৰ প্ৰধান কৰদাতা কৃষক সকলে কৰ দিবলৈ অমান্তি হোৱাত তেওঁলোকৰ আশঙ্কা এইবাৰ আতঙ্কত পৰিণত হ'ল।

চিন্তাশীল শ্ৰেণীৰ এই আশঙ্কা লাহে লাহে সাধাৰণ মানুহৰ মাজতো বিয়পি পৰিল। বিশেষকৈ পেৰিচৰ সজাগ সাধাৰণ মানুহবোৰে এই কথা ভালকৈয়ে উপলব্ধি কৰিছিল। কিন্তু তথাপি তেওঁলোকে আৰু গ্ৰামাঞ্চলৰ লাখ লাখ লোকে প্ৰচলিত ব্যৱস্থাৰ ওপৰত সম্পূৰ্ণ আশা হেৰুওৱা নাছিল। তেওঁলোকে ভাবিছিল সম্ৰাট আৰু চৰকাৰে এই সমস্যা সমাধান কৰিব। নতুন ধৰণৰ আইন, নতুন সংশোধনৰ নতুন সংস্কাৰেৰে চৰকাৰে তেওঁলোকৰ দুখ দূৰ কৰিব। চৰকাৰ তেওঁলোকৰ বাবে নিৰাপদ আশ্ৰয়ৰ স্থল আছিল। তেওঁলোকে ভাবিছিল সুবিধাবাদী শ্ৰেণীৰ সম্পূৰ্ণ শোষণৰ পৰা চৰকাৰে তেওঁলোকক

যিমান পাৰে ৰক্ষণাবেক্ষণ দি আহিছে, তেওঁলোকৰ হিতৰ বাবে, কল্যাণৰ বাবে চৰকাৰে কাম কৰিছে। সেয়ে তেওঁলোকে এইবাৰো অন্তৰত প্ৰচণ্ড আশা লৈ চৰকাৰৰ মুখলৈ চালে, আগ্ৰহেৰে অপেক্ষা কৰিলে চৰকাৰ আৰু সম্ৰাট ষষ্ঠদশ লুইয়ে দুখ-কষ্টৰ মোচনৰ বাবে কি পদক্ষেপ গ্ৰহণ কৰিব তাৰ বাবে।

সপ্তম অধ্যায়

যি ফৰাচী চৰকাৰ আৰু চৰকাৰৰ মুৰব্বী সম্ৰাট ষষ্ঠদশ লুইৰ ওপৰত জনসাধাৰণে বিশ্বাস স্থাপন কৰিছিল, আশা কৰিছিল এই দুৰ্দশা, এই দুৰ্দিনৰ পৰা ফ্ৰান্সক উদ্ধাৰ কৰিব বুলি জন সাধাৰণৰ দুখকষ্ট লাঘৱ কৰিব বুলি, দেশত কটকটীয়া ন্যায় শাসন প্ৰতিষ্ঠা কৰিব বুলি. অন্যায় সা-সুবিধা আৰু অসম কৰ-কাটল আৰু শোষণৰ অধ্যায় কিছু হ'লেও শেষ কৰিব বুলি— সেই চৰকাৰ আৰু সম্ৰাট ষষ্ঠদশ লুই এই বিৰাট কামৰ বাবে সম্পূৰ্ণ অনুপযুক্ত আছিল। দেশত কিবা বৈপ্লৱিক পৰিৱৰ্ত্তনৰ সূচনা কৰাটো বাদেই, কটকটীয়াকৈ শাসনৰ বাঘজৰী ধৰিবলৈকে তেওঁ উপযুক্ত নাছিল। প্ৰকৃতপক্ষে দেশ শাসন কৰিবলৈ তেওঁৰ আকাংক্ষাও নাছিল।

সম্ৰাট ষষ্ঠদশ লুইয়ে মাত্ৰ কুৰি বছৰ বয়সতে ফ্ৰান্সৰ সিংহাসন লাভ কৰিছিল। তেওঁৰ ককাক পঞ্চদশ লুইৰ ৰাজত্বকালতে তেওঁৰ পিতাকৰ মৃত্যু হৈছিল। সেয়ে হঠাৎ ককাকৰ মৃত্যুৰ লগে লগে অপ্ৰত্যাশিত ভাৱে তেওঁৰ হাতলৈ আহি পৰিছিল ফ্ৰান্সৰ শাসনৰ সৰ্ব্বময় কৰ্তৃত্ব।

মানুহ হিচাপে সম্ৰাট ষষ্ঠদশ লুই এজন ভাল মানুহ আছিল। উদাৰতা, বদান্যতা, মহানুভৱতা, ধৰ্ম্মবিশ্বাস আদি সকলোবোৰ গুণেই তেওঁৰ গাত কিছু পৰিমাণে আছিল, কিন্তু এজন সুদক্ষ শাসক হ'বলৈ যি খিনি গুণৰ প্ৰয়োজন যেনে চাৰিত্ৰিক দৃঢ়তা, এক স্পষ্ট আদৰ্শ, সোনকালে আৰু সাহসেৰে কোনো সিদ্ধান্ত লব পৰা ক্ষমতা আদি তেওঁৰ নাছিল। তেওঁ ঘটনাক পৰিচালিত কৰিব নোৱাৰিছিল, মাত্ৰ ঘটনাৰ সোঁতত তেওঁ উটি গৈছিল। প্ৰকৃত পক্ষে ফ্ৰান্সৰ শাসন কাৰ্য্য চলাবলৈ তেওঁৰ কোনোদিনে আন্তৰিক বাসনা বা মানসিক

প্ৰস্তুতি নাছিল। সেয়ে ৰজা হিচাপে তেওঁৰ নীতি আছিল নীতিশূন্য, আদৰ্শ বৰ্জিত, দিশ ভ্ৰষ্ট ; শাসন আছিল ঢিলা আৰু ত্ৰুটিপূৰ্ণ। তেওঁৰ কোনো কথা সবলভাৱে কৰিব নোৱাৰিছিল, নোৱাৰিছিল বিৰোধিতা কঠোৰ ভাৱে দমন কৰিবলৈ। তেওঁৰ ৰক্তপাত ভয় কৰিছিল, সেয়ে বিদ্ৰোহী জনতাৰ ওপৰ গুলী চলাবলৈ তেওঁ আদেশ দিব নোৱাৰিছিল। আনকি পেৰিচৰ বিক্ষুব্ধ লোকসকলে যেতিয়া তেওঁৰ প্ৰাসাদ ঘেৰি ধৰিছিলহি তেতিয়াও তেওঁ প্ৰাসাদৰ চুইচ ৰক্ষী সকলক বন্দুক চলাবলৈ বাৰণ কৰিছিল আৰু ফলত নিজে বন্দী হৈছিল—হেৰুৱাইছিল সিংহাসন আৰু অৱশেষত হেৰুৱাইছিল নিজৰ আৰু পৰিয়ালৰ প্ৰাণ।

দেশ শাসনতকৈ তেওঁৰ খেলা-ধূলা আৰু জীৱ-জন্তু চিকাৰৰ প্ৰতি অধিক আগ্ৰহ আছিল। তেওঁ এজন সুদক্ষ চিকাৰী আৰু তলা নিৰ্মাতা আছিল আৰু তেওঁৰ শাসন কালত তেওঁ প্ৰায় এক লাখ নব্বৈ হেজাৰ পশু-পক্ষী চিকাৰ কৰিছিল। যদি কোনোদিনা তেওঁ চিকাৰলৈ যাব নোৱাৰিছিল বা খেলা-ধূলা কৰিব নোৱাৰিছিল তেনে সেই দিনটো তেওঁ অথলে যোৱা বুলি ধৰিছিল। এনেদৰে চিকাৰ কৰি আহি তেওঁ ভোজমেলত বহিছিলহি আৰু বিৰাট পৰিমাণৰ খাদ্য খাই অত্যন্ত মেদ বহুল হৈ পৰিছিল।

ৰজা ষষ্ঠদশ লুইৰ মন আছিল সংশয় পূৰ্ণ, চিন্তা আৰু কাৰ্য্য আছিল দ্বিধাগ্ৰস্ত। সেয়ে তেওঁ নিজে কোনো ধৰণৰ সিদ্ধান্ত লব নোৱাৰিছিল। দেশ শাসনৰ গুৰুত্বপূৰ্ণ কথাবোৰত তেওঁ বেছিকৈ সাম্ৰাজ্ঞী মেৰী এটোয়াণ্টেৰ ওপৰতহে নিৰ্ভৰশীল হৈ পৰিছিল। মেৰী এটোয়াণ্টেৰ প্ৰতি থকা তেওঁৰ মৰম আৰু অবাঞ্চিত নিৰ্ভৰশীলতাই সম্ৰাটৰ এটা ডাঙৰ দুৰ্বলতা আছিল আৰু তেওঁৰ এনে তিৰোতা সেকুৱা স্বভাৱৰ বাবে আনকি তেওঁ ৰাজ চৰাতো হাঁহিয়াতৰ পাত্ৰ হৈ উঠিছিল।

মেৰী এটোয়াণ্টে আছিল অষ্ট্ৰিয়াৰ ৰাজবংশৰ কন্যা। ফ্ৰান্স আৰু অষ্ট্ৰিয়াৰ মাজত মিত্ৰতা আৰু বন্ধুত্ব কটকটীয়া কৰিবৰ মানসেৰে এই ৰাজকীয় বিবাহ সম্পন্ন কৰা হৈছিল। কিন্তু এই সম্বন্ধ ফ্ৰান্সৰ জনসাধাৰণৰ মাজত খুউব জনপ্ৰিয় নাছিল। সম্ৰাজ্ঞী যদিও অসামান্যা সুন্দৰী আছিল তথাপিও তেওঁৰ চাল-চলন, কাম-কাজ, হাজাৰ হাজাৰ টকাৰ জুৱা খেলাৰ অভ্যাস, অত্যন্ত লাহ-বিলাহ আৰু অমাৰ্জিত আচৰণ আৰু প্ৰধানকৈ তেওঁৰ অতিমাত্ৰা অহঙ্কাৰৰ বাবে মানুহে তেওঁক ভাল নেপাইছিল।

ফ্ৰান্সৰ অৰ্থ নৈতিক দুৰৱস্থাৰ বিষয়ে কিবা এটা কৰিবলৈ সম্ৰাটে বাৰে বাৰে চেষ্টা কৰিছিল কিন্তু প্ৰতিবাৰেই সৎসাহসৰ অভাৱৰ বাবে তেওঁ বিফলকাম হৈছিল। সম্ৰাজ্ঞী মেৰী এটোয়ানেটে সম্ৰাটৰ বিষয়ে এনেধৰণে কৈছিল, "সম্ৰাট কাপুৰুষ নহয়। তেওঁৰ যথেষ্ট সাহস আছে কিন্তু সি নিষ্ক্ৰিয় সাহস। তেওঁৰ সন্দেহ বাদী সংশয়শীল মনে তেওঁক পৰ্য্যদস্ত কৰি পেলায়। সম্ৰাট পঞ্চদশ লুইৰ চোকা শাসনৰ তলত তেওঁ এটা অসহায় শিশুৰ দৰে বাস কৰিছিল। এই কঠোৰ শাসনেই তেওঁক নিস্তেজ কৰি পেলালে।"

সোতৰশ চৌসত্তৰ (১৭৭৪) চনত সম্ৰাট লুইয়ে ফ্ৰান্সৰ ৰাষ্ট্ৰীয় কোষাগাৰৰ পৰিচালক হিচাপে টাৰ্গট বোলা অৰ্থনীতিবিদ্ এজনক নিযুক্ত কৰে। তেওঁ মৃত প্ৰায় ফৰাচী অৰ্থনীতি পুনৰ সঞ্জীৱিত কৰি তুলিবলৈ এক নতুন পন্থাৰ প্ৰৱৰ্ত্তন কৰিবলৈ চেষ্টা কৰিছিল। তেওঁ বিশ্বাস কৰিছিল যে সুস্থ প্ৰতিযোগিতা, ঔদ্যোগিক স্বাধীনতা (freedom of enterprise) আৰু প্ৰয়োজন অনুসৰি সামগ্ৰী বিতৰণৰ (Demand & Supply) নিচিনা ব্যৱস্থাই কাম দিব। তেওঁৰ অৰ্থ নৈতিক চিন্তাধাৰাৰ ভেটি আছিল এখন মুক্ত অথচ শক্তিশালী বজাৰ, যিখনে ফ্ৰান্সলৈ অৰ্থনৈতিক সুস্থিৰতা কঢ়িয়াই আনিব। তেওঁৰ এই সূত্ৰক ফিজিয়ক্ৰেটিক সূত্ৰ বোলা হৈছিল। তেওঁৰ মতে মুক্ত আৰু শক্তিশালী বজাৰ খনেহে বস্তুৰ মূল্যমান আৰু বনুৱাৰ বানচ নিৰ্ণয় কৰে। ডুৰাণ্টে লিখিছে যে টাৰ্গটে বিশ্বাস কৰিছিল—"That freedom of enterprise and competition and unhindered dictatorship of the market of supply and demand over the wages of labour and prices of goods will enliven the French economy and bring added revenue to the state."

সম্ৰাট লুইয়ে দুবছৰৰ বাবে টাৰ্গটক এই সূত্ৰ প্ৰয়োগ কৰিবলৈ সুযোগ দিছিল। কিন্তু টাৰ্গটৰ এই প্ৰচেষ্টা বিফল হ'ল ; কিয়নো লুভীয়া বেপাৰী আৰু দালাল সকলৰ ষড়যন্ত্ৰত বয়-বস্তুৰ দাম বাঢ়িবলৈ ধৰিলে অথচ জনতাৰ বা কৰ্মী সকলৰ উপাৰ্জন সেই অনুপাতে নবঢ়াছিল। ফলত জনতা বিক্ষুব্ধ হৈ পৰিল। ঠায়ে ঠায়ে এনে ব্যৱস্থাৰ বিৰুদ্ধে বিদ্ৰোহে দেখা দিলে আৰু উপায়ন্তৰ হৈ সম্ৰাটে টাৰ্গটক বৰ্খাস্ত কৰিবলৈ বাধ্য হ'ল।

ইয়াৰ পাছত আহিল জেকুইচ নেকাৰ বোলা পেৰিচত বাস কৰা চুইচ লোক এজন। তেওঁ আছিল প্ৰটেষ্টাণ্ট ; নেকাৰৰ নেতৃত্বত ফৰাচী অৰ্থনীতিত

কিছুমান সকসুবা সংস্কাৰ আৰম্ভ হ'ল। সম্রাটে প্ৰকাশ্যে ঘোষণা কৰিলে যে দেশৰ ধনী সুবিধা ভোগী শ্ৰেণীয়ে আইনসঙ্গতভাৱে তেওঁলোকে ৰিবলগা কৰ দিব লাগিব। তেওঁৰ জমিদাৰৰ মাটিত ৰায়ত সকলে বিনা মজুৰিত খাটি দিয়া প্ৰথা বিলোপ কৰিলে। সম্রাটে নিজৰ ভূ-সম্পত্তি ৰায়তসকলক মুক্ত কৰি দিলে কিন্তু জমিদাৰ সকল আৰু গীৰ্জাৰ সম্পত্তিৰ ওপৰত কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। দুখীয়া লোকক শতকৰা তিনিভাগ সুদ-হাৰে টকা ধাৰ দিবলৈ ঠায়ে ঠায়ে কিছুমান কেন্দ্ৰ স্থাপন কৰিলে, দেশৰ কাৰাগাৰ আৰু বিচাৰ ব্যৱস্থা সংস্কাৰ কৰিবলৈ প্ৰতিশ্ৰুতি দিলে আৰু তেওঁ চৰকাৰ আৰু জনতাৰ মাজৰ দূৰত্ব কমাবৰ বাবে স্থানীয় আৰু প্ৰাদেশিক এচেম্বলী প্ৰতিষ্ঠাৰ আদেশ দিলে। কিন্তু এইবোৰ ব্যৱস্থাই ফৰাচী জনসাধাৰণৰ জীৱন-যাত্ৰাৰ কোনো বিশেষ পৰিৱৰ্ত্তন ঘটাবলৈ সক্ষম হ'ব বুলি কোনও বিশ্বাস নকৰিলে।

তাৰোপৰি সেই সময়ত আমেৰিকাত স্বাধীনতাৰ যুদ্ধ চলি আছিল। সম্রাটে এই যুদ্ধত ইংলেণ্ডৰ বিৰুদ্ধে আমেৰিকাক সহায় কৰিবলৈ প্ৰচুৰ পৰিমাণে অৰ্থ প্ৰেৰণ কৰিলে (প্ৰায ২৪ কোটি ডলাৰ). এই বিপুল পৰিমাণৰ অৰ্থ তেওঁ সংগ্ৰহ কৰিলে জনসাধাৰণৰ পৰা ধাৰ লৈ। ইয়াৰ ফলত ৰাষ্ট্ৰীয় কোষাগাৰৰ অৱস্থা আৰু শোচনীয় হৈ পৰিল।

ফ্ৰান্সৰ ৰাষ্ট্ৰীয় ঋণৰ বোজা বাঢ়িল। জনসাধাৰণ আৰু বিশেষকৈ ধনিক শ্ৰেণীৰ ক্ষোভ বাঢ়ি গ'ল। তেওঁলোকৰ ক্ৰমান্বয়ে বিশ্বাস হ'বলৈ ধৰিলে যে সম্রাট আৰু চৰকাৰৰ দ্বাৰা দেশৰ কোনো প্ৰগতি, অৰ্থনীতিৰ কোনো পৰিৱৰ্ত্তন সাধিত নহ'ব। তেওঁলোকে সেয়ে এইবাৰ এই পৰিৱৰ্ত্তন আনিবলৈ অন্য এটা শক্তিৰ সন্ধান কৰিবলৈ ধৰিলে।

সম্রাটৰ এজন সমন্ধীয় ভায়েক লুই ফিলিপ যোচেফ ডাক-ডি অৰ্লেন্সে প্ৰকাশ্যেই সিংহাসন অধিকাৰৰ বাবে চেষ্টা চলাবলৈ ধৰিলে।

উপায়ন্তৰ হৈ সম্রাটে নেকাৰক কামৰ পৰা বৰ্খাস্ত কৰিলে।

সেই সময়ত অকল ফ্ৰান্সতেই নহয়, সমগ্ৰ ইউৰোপতেই চিন্তাশীল লোক সকলে বিশ্বাস কৰিছিল যে দেশৰ প্ৰগতি সদায় হয় ওপৰৰ পৰা অৰ্থাৎ সম্রাট আৰু চৰকাৰে হাতত লোৱা কাম-কাজৰ জৰিয়তে, আৰু প্ৰগতি বিমুখী প্ৰতিক্ৰিয়া সৃষ্টি হয় তলৰ পৰা—জনসাধাৰণৰ পৰা। সেয়ে হয়তো দাৰ্শনিক আৰু চিন্তাশীল লোক সকলে একো একোজন উদাৰ অথচ শক্তিশালী শাসকৰ

ছত্ৰছায়াৰ নিৰাপদ ৰক্ষণাবেক্ষণ বিচাৰিছিল। যদিও তেওঁলোকে দেশ আৰু সমাজ ব্যৱস্থাৰ পৰিবৰ্ত্তনৰ, সংস্কাৰৰ কথা কৈছিল, কিন্তু তেওঁলোকে সদায় বিশ্বাস কৰিছিল যে এই পৰিবৰ্ত্তন আনিব পাৰিব সম্ৰাট আৰু চৰকাৰেহে। জনতাৰ শক্তিৰে যে সমাজৰ আমূল পৰিবৰ্ত্তন হ'ব পাৰে, সেই কথা তেওঁলোকে ভাবিব নোৱাৰিছিল। সেয়ে প্ৰাকৃবিপ্লৱ ফ্ৰান্সৰ আটাইতকৈ 'ৰেডিকেল' দাৰ্শনিক জনেও ৰাজতন্ত্ৰক নিচিহ্ন কৰাটো বিচৰা নাছিল। তেওঁলোকে মাথোঁ বিচাৰিছিল এক সাংবিধানিক ৰাজতন্ত্ৰ, য'ত সম্ৰাটৰ ইচ্ছাৰ ওপৰত মাত মাতিব পৰাকৈ আৰু প্ৰয়োজনত বাধা দিব পৰাকৈ থাকিব এক সাংবিধানিক গেৰাণ্টি। ৰাজতন্ত্ৰ ধ্বংস কৰাৰ আগলৈকে সেই সময়ৰ প্ৰায় আটাই কেইজন বিখ্যাত ফৰাচী দাৰ্শনিকে এই মতবাদ পোষণ কৰিছিল। যি দুই এক ব্যতিক্ৰম আছিল, সি সেই সময়ত লেখত লবলগীয়া নাছিল। এই ব্যতিক্ৰমবে আকৌ কিছুৱে সম্ৰাট আৰু ৰাজতন্ত্ৰৰ পৰিবৰ্ত্তে এজন শক্তিশালী একনায়ক বা ডিক্টেটৰৰ কল্পনা কৰিছিল যি তেওঁৰ কাম কাজৰ বাবে কোনো সাংবিধানিক শক্তিৰ ওচৰত দায়বদ্ধ হ'ব আৰু প্ৰয়োজন হ'লে যাক সহজেই ক্ষমতাৰ পৰা আঁতৰোৱাৰ ব্যৱস্থা থাকিব। পৌৰাণিক ৰোমৰ ৰিপাব্লিকান চিনেটৰ দৰে এক শাসন ব্যৱস্থা তেওঁলোকে প্ৰৱৰ্ত্তন কৰিবলৈ বিচাৰিছিল। প্ৰয়োজনত শক্তি প্ৰয়োগ কৰি বা হত্যা কৰি হ'লেও এনে ব্যক্তিক ক্ষমতাৰ পৰা আঁতৰোৱাৰ ব্যৱস্থা থকাটো বিচাৰিছিল। এই চিন্তাধাৰাৰ এজন প্ৰধান প্ৰবক্তা জ্যাঁ পল মাৰাই ঘোষণা কৰিছিল, "এনে এজন আদৰ্শ ডিক্টেটৰ দেখোন ময়েই হ'ব পাৰোঁ।"

যদিও দাৰ্শনিক সকলে কোনো বিকল্প সমাজ আৰু শাসন ব্যৱস্থাৰ সন্ধান দিব পৰা নাছিল, তথাপি তেওঁলোকৰ লেখনী আৰু বক্তৃতাই সমাজৰ পুৰণিকলীয়া বিশ্বাস, অন্ধবিশ্বাস আৰু পৰম্পৰাৰ বিৰুদ্ধে প্ৰচণ্ড প্ৰত্যাহ্বান জনাইছিল। মানুহৰ মন উদাৰ আৰু চিন্তাৰ পৰিসৰ বিস্তৃত কৰি তুলিছিল। মানুহৰ মনত এক নতুন চেতনাৰ সঞ্চাৰ কৰিছিল, মানুহৰ মন আকৰ্ষিত কৰিছিল নতুন নতুন চিন্তাধাৰা আৰু আদৰ্শৰ প্ৰতি। জনমানস হৈ পৰিছিল উৰ্ব্বৰ, য'ত সময়ত বিপ্লৱৰ বৈপ্লৱিক আদৰ্শ, সাম্য, মৈত্ৰী আৰু স্বাধীনতাৰ হৃদয়গ্ৰাহী আহ্বানৰ কঠীয়া সোণালী শইচ হৈ গজি উঠিছিল। বৈজ্ঞানিক চিন্তাধাৰা মানুহে গ্ৰহণ কৰিবলৈ আৰম্ভ কৰিছিল আৰু সমাজৰ পুৰণা

পৰম্পৰা আৰু অন্ধবিশ্বাসৰ অন্ধকাৰৰ মাজত জ্বলিবলৈ আৰম্ভ কৰিছিল যুক্তিবাদৰ উজ্জ্বল দীপশিখা। ডুৰাণ্টে দাৰ্শনিক সকলৰ অবদান সুন্দৰ ভাষাত বৰ্ণনা কৰিছে। "They put their trust in reason, though they knew its limit and malleability. They broke down the censorship of thought by church and state, and opened and broadened a million minds; they prepared for the triumphs of science in the nineteenth century, even with Lavoisier, Laplace and Lamarck amid the turmoil of revolution and war."

সম্ৰাট আৰু চৰকাৰৰ পৰা বহু প্ৰতিশ্ৰুত সংস্কাৰ যেতিয়া নহা হ'ল তেতিয়া ধনিক শ্ৰেণী বিমোৰত পৰিল। প্ৰতিষ্ঠিত শাসন আৰু সমাজৰ কোনো বিকল্পও তেওঁলোকে নাজানে। তেওঁলোক ক্ষুণ্ণ হ'ল, হতাশ হ'ল, নিৰাশ হ'ল আৰু এইবাৰ নিজে দেশৰ অৰ্থনীতিৰ পৰিচালনাৰ ওপৰত আৰু অধিক ক্ষমতা খটুৱাবৰ বাবে চেষ্টা চলাবলৈ ধৰিলে। ফলত অৰ্থনীতিত এক চৰম বিশৃঙ্খল অৱস্থাৰ সৃষ্টি হ'ল। উপায়ন্তৰ হৈ সম্ৰাট লুয়ে এক শেষ চেষ্টা ৰূপে আকৌ নেকাৰক মাতি পঠিয়ালে ৰাষ্ট্ৰীয় কোষাগাৰ পৰিচালনা কৰিবলৈ।

নেকাৰৰ পৰামৰ্শ মতে সম্ৰাটে এইবাৰ বেলেগ কাৰ্য্যপন্থা গ্ৰহণ কৰিলে। তেওঁ ১৭৮৮ চনৰ ৭ আগষ্টৰ দিনা আহ্বান কৰিলে 'ষ্টেট্‌চ জেনেৰেল।' ফ্ৰান্সৰ তিনিটা প্ৰধান শ্ৰেণী অভিজাত, যাজক আৰু জনসাধাৰণক তেওঁলোকৰ প্ৰতিনিধি নিৰ্ব্বাচিত কৰি ষ্টেট্‌চ জেনেৰেললৈ প্ৰেৰণ কৰিবলৈ আহ্বান জনালে। দেশ শাসন আৰু অৰ্থনৈতিক সমস্যা সমাধানত এই গণতান্ত্ৰিক 'ষ্টেট্‌চ জেনেৰেলে' তেওঁক সু-পৰামৰ্শ দিব পাৰিব বুলি তেওঁ আশা কৰিলে।

প্ৰকৃতাৰ্থত বিপ্লৱৰ প্ৰক্ৰিয়া এইবাৰ আৰম্ভ হ'ল।

দ্বিতীয় খণ্ড

"ভলটেয়াৰ"

অষ্টম অধ্যায়

"To name Volatire" said Victor Hugo, "is to characterise the entire eighteenth century."

ভিক্টৰ হুগৰ এই উক্তি মিছা নহয়। সমগ্ৰ অষ্টাদশ শতিকাৰ ভিতৰত জন্ম লোৱা আটাইকেইজন দাৰ্শনিকৰ ভিতৰত ভলটেয়াৰৰ চিন্তাধাৰাই মানুহৰ মনত আটাইতকৈ বেছি প্ৰভাৱ পেলাবলৈ সক্ষম হৈছিল। গোটেই জীৱন তেওঁ ফ্ৰান্স তথা সমগ্ৰ ইউৰোপৰ অন্ধবিশ্বাস, কুপ্ৰথা আৰু অন্যায় অত্যাচাৰৰ বিৰুদ্ধে আপোচহীন সংগ্ৰাম চলাই গৈছিল। ইউৰোপত তেতিয়া ক্লাচিক যুগৰ শেষ হৈ আহিছে আৰু প্ৰচলিত সমাজ ব্যৱস্থাৰ বিৰুদ্ধে মানুহৰ মনত বিক্ষোভৰ বা বিপ্লৱৰ ভাব দানা বান্ধিবলৈ আৰম্ভ কৰিছে—পৰিৱৰ্ত্তনৰ এই সন্ধিক্ষণতেই ভলটেয়াৰৰ জন্ম। সেই সময়ত তেওঁৰ লেখনী আৰু চিন্তাধাৰাই মানুহৰ মনক ইমান গভীৰভাৱে প্ৰভাৱিত কৰিবলৈ সক্ষম হৈছিল যে সি ভৱিষ্যতে ফ্ৰান্সৰ তথা সমগ্ৰ ইউৰোপৰ সভ্যতাৰ গতিপথ নিৰ্ণয় কৰিছিল। উইল ডুৰাণ্টে লিখিছে—"Italy had a renaissance and Germany had a reformation, but France had Voltaire, he was for his country both renaissance and reformation and half the revolution."

ভলটেয়াৰৰ অগ্নিগৰ্ভী লেখনী আৰু বক্তৃতাই সেই সময়ৰ ফৰাচী তথা ইউৰোপৰ সমাজখন আগুৰি থকা গোড়ামি অন্ধবিশ্বাস, কুসংস্কাৰ আৰু অন্যায়ৰ বিৰুদ্ধে প্ৰচণ্ড জেহাদ ঘোষণা কৰিছিল। ধৰ্ম আৰু ৰাষ্ট্ৰশক্তিয়ে কেনেদৰে অন্যায়, ছল-চাতুৰী আৰু কৌশলেৰে ফৰাচী জনসাধাৰণক দুৰ্ব্বল কৰি শোষণ

কৰিছিল তাক ভলটেয়াৰে উদঙাই দেখুৱাইছিল। পোন প্ৰথম বাৰৰ বাবে মানুহক বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে সমাজৰ বিষয়ে চিন্তা কৰিবলৈ ভলটেয়াৰেই শিকাইছিল। প্ৰাচীন সংস্কাৰৰ মামৰে ধৰা শিকলিৰ বান্ধোন ছিঙি মানুহৰ মনক মুক্ত কৰি এক নতুন চিন্তাজগতৰ এক নতুন আৰু বিশাল পৰিসৰৰ সন্ধান দিছিল। ভলটেয়াৰৰ চিন্তাধাৰাই আছিল যেন বিপ্লৱৰ দাবানল জ্বলাই তোলাৰ বাবে আৱশ্যকীয় খাৰ-বাৰুদ—যাৰ সহায়ত মিৰাবিউ, মাৰা, দাঁ-তঁ আৰু ৰবচ্‌পীয়েৰ আদি বিপ্লৱৰ নেতৃবৃন্দই প্ৰাচীন জড়াগ্ৰস্ত সমাজৰ ভেটি উফৰাই দিব পাৰিছিল। ভলটেয়াৰৰ দৰে নিজৰ জীৱন কালতে কোনো লেখক বা কোনো দাৰ্শনিকে জনমানসত ইমান বিশাল প্ৰভাৱ পেলাব পৰা নাই; পৰা নাই মানুহৰ চিন্তাক ইমান আমূল ভাৱে পৰিৱৰ্ত্তন কৰিবলৈ। বেষ্টিল কাৰাগাৰৰ কোঠাই তেওঁক মৌন কৰিব নোৱাৰিলে। স্বদেশৰপৰা নিৰ্বাসনে তেওঁৰ প্ৰভাৱ নাইকিয়া কৰিব নোৱাৰিলে। তেওঁৰ সমগ্ৰ লেখনীৰ প্ৰকাশ বন্ধ কৰিও, তেওঁৰ সমগ্ৰ কিতাপ ভাণ্ডাৰ বাজেয়াপ্ত কৰিও তেওঁক মানুহৰ মনৰ পৰা আঁতৰ কৰিবলৈ গীৰ্জাৰ যাজকসকল আৰু ৰাষ্ট্ৰশক্তি সক্ষম নহ'ল। ভলটেয়াৰে সত্যৰ বাবে, ন্যায়ৰ বাবে, অন্ধকাৰ আৰু অন্যায়ৰ বিৰুদ্ধে তেওঁৰ আপোচহীন সংগ্ৰাম চলাই গ'ল। অৱশেষত "তেওঁৰ কলমৰ শক্তিৰ আগত সিংহাসন কঁপিবলৈ ধৰিলে, সমাজত গীৰ্জাৰ অক্টোপাচ বান্ধোন সোলকি পৰিল। সম্ৰাট, পোপ আৰু অভিজাত সকলে তেওঁৰ সান্নিধ্যৰ বাবে হাবাথুৰি খাই ফুৰিব লগা হ'ল। ভলটেয়াৰ য'লৈকে গ'ল সমগ্ৰ ইউৰোপৰ বুদ্ধিজীৱী-সকলৰ বাবে সেই ঠায়েই হৈ পৰিল পীঠস্থানৰ দৰে—পৃথিৱীৰ মানুহে অধীৰ আগ্ৰহেৰে বাট চাবলৈ ধৰিলে তেওঁৰ মুখৰ পৰা ওলোৱা প্ৰতিটো কথা শুনিবৰ বাবে।"—ডুৰাণ্ট।

প্ৰকৃতপক্ষে মধ্যযুগীয় সামন্তবাদৰ পৰা মধ্যবিত্ত আৰু বুৰ্জোৱা শ্ৰেণীৰ হাতলৈ ৰাষ্ট্ৰক্ষমতা হস্তান্তৰিত হোৱা বিশাল সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক প্ৰক্ৰিয়াটোৰ ভলটেয়াৰ আৰু ৰুচো আছিল দুজন প্ৰধান প্ৰবক্তা। ভলটেয়াৰ আৰু ৰুচোক বিপ্লৱ জ্বলি উঠাৰ প্ৰধান কাৰণ বুলি কোৱাটো হয়তো ভুল হ'ব, কিন্তু এই কথা ঠিক যে বিপ্লৱৰ বিৰাট প্ৰক্ৰিয়াটোত ভলটেয়াৰ আৰু ৰুচোৰ দৰে চিন্তানায়কৰ আবিৰ্ভাৱ সেই সময়ৰ ফৰাচী—সামাজিক আৰু ৰাজনৈতিক জীৱনত ঘটা বিভিন্ন অন্তৰ্দ্বন্দ্বৰ ফল। সামন্তবাদী অলমান সমাজ ব্যৱস্থাই নতুনকৈ আবিৰ্ভাৱ হোৱা ধনী বুৰ্জোৱা শ্ৰেণীটোক সামাজিক মা-

সুবিধা আৰু ৰাজনৈতিক ক্ষমতাৰপৰা বঞ্চিত কৰি ৰখাত পুৰণি পৰম্পৰা, আইন আৰু সামাজিক বান্ধোন ভাঙি পেলাবলৈ এই শ্ৰেণীটোৱে ক্ৰমান্বয়ে পৰম্পৰাৰ বিৰুদ্ধে যুক্তিক আৰু আইনৰ বিৰুদ্ধে প্ৰাকৃতিক নীতিক ব্যৱহাৰ কৰিবলৈ প্ৰয়াস পাইছিল। সেয়ে তেওঁলোকে মানুহৰ মন পৰিবৰ্ত্তনমুখী কৰি তুলিবলৈ ভলটেয়াৰৰ যুক্তিবাদ (Rationalism) আৰু ৰুচোৰ প্ৰাকৃতিক নীতিৰ (Naturalisin) প্ৰতি বিপুল সমৰ্থন জনাইছিল।

নৱম অধ্যায়

'ভলটেয়াৰ' নামটো প্ৰকৃততে তেওঁৰ নিজা নাম নাছিল। এই নামটো তেওঁ নিজে গ্ৰহণ কৰিছিল। তেওঁৰ প্ৰকৃত নাম আছিল ফ্ৰেঙ্ক মেৰী অৰেট। এটা স্বচ্ছল পৰিয়ালত তেওঁৰ জন্ম হৈছিল ১৬৯৪ চনৰ ২১ নৱেম্বৰৰ দিনা। সৰুৰে পৰা তেওঁৰ সাহিত্যৰ প্ৰতি অতিমাত্ৰা ৰাপ আছিল। কলম ধৰিব পৰা হোৱাৰে পৰাই তেওঁ পদ্য লিখা আৰম্ভ কৰিছিল। দেউতাকে কিন্তু এই কথা সমূলি ভাল পোৱা নাছিল। দেউতাকে কৈছিল, "যি মানুহে সাহিত্যক জীৱিকা হিচাপে গ্ৰহণ কৰে তেওঁ সমাজৰ আৰু পৰিয়ালৰ বাবে বোজা স্বৰূপ হৈ পৰে আৰু শেষত ভোকত প্ৰাণ ত্যাগ কৰিব লগীয়া হয়।"

জন্মৰ পিছতেই মাকক হেৰুউৱা ভলটেয়াৰক দেউতাকে কাৰা শাসনৰ তলত ডাঙৰ-দীঘল কৰিছিল। ফ্ৰান্সৰ সেই সময়ৰ নামজলা স্কুল এখনলৈ তেওঁক শিক্ষৰে বাবে পঠিয়াইছিল। কিন্তু স্কুলত যাজকসকলৰ শিক্ষাই তেওঁৰ মনটো গীৰ্জাৰ দ্বাৰা পৰিচালিত শিক্ষাব্যৱস্থাৰ প্ৰতি বিৰূপ কৰিহে তুলিলে। শিক্ষাৰ শেষত দেউতাকে তেওঁক হেগত থকা ফৰাচী ৰাষ্ট্ৰদূতৰ সহকাৰী হিচাপে পঠিয়াইছিল। কিন্তু তাতো গৈ ছোৱালীৰ লগত কেলেঙ্কাৰী কৰাত তেওঁক দেশলৈ ঘূৰাই পঠিউৱা হ'ল। ফ্ৰান্সলৈ আহি ভলটেয়াৰে সেই সময়ৰ ৰিজেণ্টৰ বিৰুদ্ধে এক বিদ্ৰূপমূলক ব্যঙ্গ ৰচনা লিখাত তেওঁক বেষ্টিল কাৰাগাৰত আটক কৰি ৰখা হ'ল। কাৰাগাৰত থাকোঁতেই

তেওঁ ভলটেয়াৰ নামটো গ্ৰহণ কৰে। এই নামটো গ্ৰহণ কৰাৰ অন্তৰালতনো কি আছিল তাক জনা নাযায়। কিন্তু এই নামটোৰে লিখিবলৈ লোৱাৰ পাছত মানুহে তেওঁৰ পুৰণি নামটো পাহৰি পেলালে। ভলটেয়াৰ নামেৰেই তেওঁ বিখ্যাত হৈ পৰিল। বেষ্টিল কাৰাগাৰত বন্দী হৈ থাকোঁতেই তেওঁ প্ৰথম-খন মহাকাব্য 'হেনৰীয়েদ' লিখি উলিয়ায়। এই মহাকাব্যখন ভলটেয়াৰৰ প্ৰথম অৱস্থাৰ এক উল্লেখযোগ্য সৃষ্টি। বহুতেই এইখনত ভাৰ্জিলৰ বহুখিনি ছাঁ পৰিছে বুলি কয়।

ইয়াৰ পাছত ভলটেয়াৰে নাটক লিখাত মনোনিবেশ কৰে, কাৰণ তেওঁ নাটকক সমাজ পৰিবৰ্ত্তনৰ এটা বৰ কাৰ্য্যকৰী আহিলা বুলি ভাবিছিল। তেওঁৰ বক্তব্য, আদৰ্শ আৰু চিন্তাধাৰা নাটকৰ সহায়েৰে জন সাধাৰণৰ আগত অতি সহজে দাঙি ধৰিব পাৰি বুলি বিশ্বাস কৰিছিল আৰু সেয়ে এই মাধ্যমটোৰ ওপৰত তেওঁ আটাইতকৈ বেছি গুৰুত্ব দিছিল। 'ইদিপি' তেওঁৰ এখন মহান নাটক। এইখন নাটকে সমগ্ৰ ফৰাচী নাট্য জগতত এক বিৰাট আলোড়নৰ সৃষ্টি কৰে আৰু একেৰাহে পঞ্চল্লিছ নিশা অভিনীত হৈ অভিনয়ৰ এক নতুন অভিলেখ স্থাপন কৰে। এই 'ট্ৰেজেদী' খনত তেওঁ সামাজিক অন্যায় আৰু ধৰ্মৰ ভণ্ডামিৰ বিৰুদ্ধে প্ৰচণ্ড প্ৰত্যাহ্বান জনায়। তেওঁ লিখিলে

"Let us trust to ourselves, see all with our own eyes
Let these be our oracles, our tripods, tripods our gods."

যুক্তিৰে প্ৰতিপন্ন কৰিব নোৱৰা সকলো সংস্কাৰ তেওঁ মূল্যহীন আৰু অসাৰ বুলি ঘোষণা কৰে। যাজক সকলৰ বিৰুদ্ধে ভলটেয়াৰে সাৱধান বাণী শুনালে,

"Our priests are not what simple folks suppose ;
Their learning is but our credulity.

ইয়াৰ পাছৰখন নাটক 'আৰ্টেমায়াৰ' কিন্তু সফল নহ'ল।

এই বিফলতাই ভলটেয়াৰক বৰ দুখ দিলে। তেওঁৰ মনটো বৰ স্পৰ্শ-কাতৰ আছিল। সেয়ে জীৱনলৈ অহা বিফলতাবোৰ তেওঁ সহজ ভাৱে লব নোৱাৰিছিল। বাহিৰত আনন্দমনে থকা যেন দেখুৱালেও আচলতে ভিতৰি ভিতৰি কেতিয়াবা তেওঁ অত্যন্ত দুখত ভুগিছিল। কিন্তু সেই সময়ত তেওঁৰ মহাকাব্য 'হেনৰীয়েদ' বিখ্যাত হৈ পৰিছিল। গতিকে তেওঁৰ দুখ বেছি দিন নাথাকিল। ফ্ৰান্সৰ বুদ্ধিজীৱী সকলে তেওঁৰ মহাকাব্যখনৰ

অকুণ্ঠ প্ৰশংসা কৰিলে—ধনী আৰু অভিজাত সকলে তেওঁক নিমন্ত্ৰণ কৰিবলৈ ধৰিলে। সকলোৱে তেওঁৰ সান্নিধ্য বিচাৰি ব্যগ্ৰ হ'ল। কিন্তু তাতে ভলটেয়াৰে অথন্তৰ ঘটালে। চিভালিয়েৰ দি ৰহান বুলি ক্ষমতাশালী অভিজাত লোক এজনৰ লগত তেওঁৰ ভোজমেজ এখনত তৰ্কাতৰ্কি লাগিল আৰু শেষত অৱস্থা ইমান বেয়াৰ ফালে ঢাল খালে যে খঙত উন্মত্ত ভলটেয়াৰে তেওঁক দ্বন্দ্বযুদ্ধলৈ আহ্বান জনালে। এই কামৰ ফলত অভিজাতজনৰ ষড়যন্ত্ৰত ভলটেয়াৰ গ্ৰেপ্তাৰ হৈ আকৌ বেষ্টিল কাৰাগাৰ পালেগৈ। কিন্তু কেইদিন মানৰ পাছতে ভলটেয়াৰক কাৰাগাৰৰ পৰা মুক্তি দি ইংলণ্ডলৈ নিৰ্বাসন দিয়া হ'ল।

ভলটেয়াৰ কিন্তু দমি যোৱা ভকত নহয়। তেওঁ ছদ্মবেশেৰে আকৌ ফ্ৰান্সলৈ উভতি আহিল। কিন্তু শীঘ্ৰে এই কথা প্ৰচাৰ হৈ যোৱাত পুনৰ বন্দী হোৱাৰ ভয়ত তেওঁ নিজেই ইংলেণ্ডলৈ যায়গৈ আৰু তাত প্ৰায় তিনিবছৰ কটায়। ইংলেণ্ডত থকা তিনিবছৰত ভলটেয়াৰে জীৱনত বহুত নতুন অভিজ্ঞতা লাভ কৰে। ইংলেণ্ডত তেওঁ সেই সময়ৰ বিখ্যাত লেখক ডীন চুইফট, পপ, এডিচন, বলিংব্ৰুক আদিক লগ পায়। ইংলেণ্ডৰ সমাজৰ ব্যক্তি-স্বাধীনতা আৰু মতামত প্ৰকাশৰ অবাধ স্বাধীনতাই তেওঁক অভিভূত কৰে। অভিভূত কৰে ইংলেণ্ডৰ সাংবিধানিক ৰাজতন্ত্ৰ আৰু সংসদীয় ব্যৱস্থাই। ইংলেণ্ডৰ পাৰ্লিয়ামেণ্টখন দেখোন ইউৰোপৰ যি কোনো শাসকতকৈ বেছি শক্তিশালী, বেছি কাৰ্য্যক্ষম, ভলটেয়াৰ মনতে ভাবিলে। কিয় ? কি প্ৰাণ শক্তিয়ে এই ব্যৱস্থাক ইমান শক্তিশালী কৰি গঢ়ি তুলিছে, পালন কৰিছে আৰু বিকশিত কৰি তুলিছে ? কিয় ইংলেণ্ডৰ দাৰ্শনিকসকলে গীৰ্জা আৰু যাজকসকলক সম্পূৰ্ণভাৱে উপেক্ষা কৰিও ভগৱানক স্বীকাৰ কৰি লৈছে ? কিয় ইংলেণ্ডত ত্ৰিছটাতকৈ অধিক ধৰ্ম্ম থকা সত্বেও সমাজত কোনো ধৰণৰ অসূয়া-অপ্ৰীতি নাই ? কি শক্তিৰ বলত বেষ্টিল কাৰাগাৰ আৰু বিনা বিচাৰে আটক কৰি ৰখাৰ ক্ষমতা নথকা সত্বেও সুন্দৰ ভাৱে ইংলেণ্ডৰ শাসন ব্যৱস্থা চলি আছে ? এই সকলো প্ৰশ্নৰ যুক্তিযুক্ত সমাধান বিচাৰি ভলটেয়াৰ ব্যগ্ৰ হৈ পৰে। তেওঁ ইংৰাজী ভাষা শিকি ইংৰাজী দৰ্শন, সাহিত্য, বিজ্ঞান, সমাজনীতি, ৰাজনীতি, সকলো বিষয়ে গভীৰ ভাৱে অধ্যয়ন কৰিবলৈ আৰম্ভ কৰিলে। তেওঁ সাধনাৰ বলত অতি কম সময়ৰ ভিতৰতে ইংৰাজী ভাষাত ইমান পাৰ্গত হৈ পৰিল যে সমসাময়িক ইংৰাজ লেখকসকলৰ সমপৰ্য্যায়ৰ সাহিত্য ইংৰাজী ভাষাতে সৃষ্টি কৰিবলৈ সক্ষম হ'ল।

চাৰ-আইজাক নিউটনে সেই সময়ত মাধ্যাকৰ্ষণ সূত্ৰ আৱিষ্কাৰ কৰি বিজ্ঞানজগতত তোলপাৰ লগাইছিল। স্বাভাৱিকতে ভলটেয়াৰ নিউটনৰ প্ৰতি আগ্ৰহান্বিত হ'ল আৰু নিউটনৰ ৰচনা সমূহ গভীৰ ভাৱে অধ্যয়ন কৰিলে। ইয়াৰ ফলত বিজ্ঞান আৰু বৈজ্ঞানিক বিশ্লেষণে তেওঁৰ মনত মচিব নোৱৰা প্ৰভাৱ পেলায়। বিজ্ঞানৰ যুক্তিনিষ্ঠ চিন্তাধাৰাই তেওঁৰ সমগ্ৰ জীৱন, তেওঁৰ দৰ্শন আৰু কাম-কাজ গভীৰ ভাৱে পৰিচালিত কৰিবলৈ আৰম্ভ কৰে। ইংলেণ্ডৰ পৰা যোৱাৰ পাছত ফ্ৰান্সত তেওঁ নিউটনৰ সূত্ৰ সমূহ প্ৰচাৰ কৰাত আগভাগ লয়। নিউটনৰ মৃত্যুৰ পাছত তেওঁ মন্তব্য কৰে, "Not long ago, a distinguished company were discussing the trite and frivolous question, who was the greatest man, Caesar, Alexander, Tamerlane or Cromwell? Some one answered that without doubting that it was Issac Newton. And rightly: for it is to him who masters our minds by the force of truth, and not those that enslave them by violence, that we owe our reverence."

ইংলেণ্ডত কৰা গভীৰ অধ্যয়ন আৰু ইংলেণ্ডৰ সমাজব্যৱস্থাৰ পৰা লাভ কৰা অনুপ্ৰেৰণাৰ ফলত তেওঁ 'লেটাৰচ অন দি ইংলিচ' লিখি উলিয়াই। বহুত দিন এই ৰচনা খন তেওঁ প্ৰকাশ কৰিবলৈ সাহস কৰা নাছিল। তেওঁৰ বহুতো গুণগ্ৰাহী বন্ধু আৰু বুদ্ধিজীৱীৰ মাজত এই ৰচনাৰ পাণ্ডুলিপি হাতে হাতে বাগৰি ফুৰিছিল।

এই ৰচনা খনত তেওঁ সমসাময়িক ফ্ৰান্স আৰু ইংলেণ্ডৰ সমাজৰ এটা তুলনামূলক পৰ্য্যালোচনা দাঙি ধৰিছিল। ইংলেণ্ডৰ ব্যক্তি স্বাধীনতা, ৰাজনৈতিক আৰু মতামত প্ৰকাশৰ স্বাধীনতাৰ তেওঁ ভূয়সী প্ৰশংসা কৰিছিল আৰু ফ্ৰান্সৰ সেই সময়ৰ অত্যাচাৰ আৰু বাজ্ঞোনবোৰ ফঁহিয়াই দেখুৱাইছিল। বেষ্টিল কাৰাগাৰৰ নিৰ্যাতন আৰু বিনাবিচাৰে আটক কৰিব পৰা ক্ষমতাৰ অৱসান ঘটাবলৈ দাবী জনাইছিল। পৰৱৰ্তী স্বৰূপ ফ্ৰান্সৰ অভিজাত আৰু ভণ্ড, বিলাসী যাজক সকলৰ বিৰুদ্ধে সাধাৰণ মানুহক সাৱধান কৰি দিছিল। ইংলণ্ডৰ ৰাজনৈতিক আৰু সামাজিক জীৱনত মধ্যবিত্ত শ্ৰেণীটোৰ গুৰুত্বপূৰ্ণ ভূমিকা—দায়িত্ব, নেতৃত্ব আৰু সক্ৰিয় অংশগ্ৰহণক তেওঁ খুব প্ৰশংসা কৰিছিল আৰু ফ্ৰান্সতো এই শ্ৰেণীটোক অভিজাত আৰু যাজক অধ্যুষিত অসম সমাজ

ব্যৱস্থা ভাঙি, ৰাষ্ট্ৰক্ষমতা অধিকাৰ কৰি সমাজত সংযম, স্বাধীনতা আৰু সমতাৰ এক নতুন অধ্যায়ৰ সৃষ্টি কৰিবলৈ উদাত্ত আহ্বান জনাইছিল। ডুৰাণ্টৰ মতে, "These letters were the first cocks crow of revolution."

—এই লেখনী সমূহেই বিপ্লৱৰ প্ৰথম সিংহনাদ। ৰিজেণ্টে সেই সময়ত তেওঁক পুনৰ ফ্ৰান্সলৈ ঘূৰি আহিবলৈ অনুমতি দিলে। তেওঁ তেতিয়া জনাই নাছিল ভলটেয়াৰে তলে তলে কি কাণ্ড কৰি থৈছে।

ভলটেয়াৰ ফ্ৰান্সলৈ উভতি অহাৰ কিছুদিন পাছতে প্ৰকাশক এজনে তেওঁৰ পৰা অনুমতি নোলোৱাকৈয়ে 'লেটাৰচ অন দি ইংলিচ' খন প্ৰকাশ কৰি দিয়ে। লগে লগে ফ্ৰান্সত গণ্ডগোল লাগি পৰে। ফ্ৰান্সত কিতাপখন নিষিদ্ধ বুলি ঘোষণা কৰা হয়। "Scandelous, contrary to religion, to morals, and to respect for authority." বুলি কিতাপখনক অভিহিত কৰা হয়।

ভলটেয়াৰে দেখিলে যে তেওঁ আকৌ বেষ্টিললৈহে যাব লাগিব, সেয়ে সময় থাকোঁতেই তেওঁ পলাই গ'ল। এইবাৰ তেওঁ চিৰিৰ প্ৰাসাদলৈ গৈ মাৰ্কুইচ ন্থ চ্যাটেলা বোলা এগৰাকী সুন্দৰী অভিজাত মহিলাৰ লগত থাকিলগৈ। বিবাহিতা মাৰ্কুইচৰ লগত থকা সময়খিনি তেওঁৰ জীৱনৰ এটা গুৰুত্বপূৰ্ণ অধ্যায়। মাৰ্কুইচৰ লগত তেওঁৰ গভীৰ প্ৰেম আছিল আৰু সেয়ে হয়তো ভলটেয়াৰে এই সময়ছোৱাত তেওঁৰ জীৱনৰও শ্ৰেষ্ঠ উপন্যাস কেইখন—জাদিগ, কেনডিডি, মাইক্ৰমেগাচ আদি লিখি উলিয়াইছিল।

এই ৰচনাকেইখন সাধাৰণ উপন্যাসৰ দৰে নাছিল। ইয়াত প্ৰধান চৰিত্ৰটো আছিল একো একোটা আদৰ্শ—যি এটা ৰক্তমাংসৰ চৰিত্ৰৰ মাজেৰে প্ৰকাশিত হৈছিল, অন্ধবিশ্বাস, কুপ্ৰথা আছিল খল নায়ক বা ভিলেইন আৰু কাহিনীৰ ঘটনাপ্ৰবাহ আছিল ভাবৰ সমলয় মাথোন। এই উপন্যাস কেইখনত তেওঁ সমাজৰ দুৰ্নীতি, ভণ্ডামি, শোষণ, অন্ধবিশ্বাস আদিৰ বিৰুদ্ধে সৰৱ প্ৰতিবাদ কৰিছিল।

'জাদিগ' উপন্যাসখন তেওঁৰ নিজা আত্মজীৱনীৰ নিচিনাই আছিল। এইখনত জাদিগ বোলা বেবিলনৰ দাৰ্শনিক এজনৰ কথা কোৱা হৈছিল। ভলটেয়াৰৰ দৰে জাদিগেও জীৱনত নানান অন্যায়, অত্যাচাৰ, অবিচাৰ আৰু কষ্টৰ সন্মুখীন হ'ব লগা হৈছে। শত্ৰু, দুৰ্ভাগ্য আৰু অন্যায়ে তেওঁক পাছে

পাছে খেদি ফুৰিছে। এঠাইৰ পৰা আনঠাইলৈ তেওঁ পলাই ফুৰিব লগা হৈছে আৰু শেষত মানুহৰ প্ৰতি ভগৱানৰ মৰম আৰু দয়াৰ ওপৰত তেওঁ সন্দিহান হৈ পৰিছে। সমাজ ব্যৱস্থাৰ ওপৰত, নীতি-নিয়মৰ ওপৰত তেওঁৰ বিশ্বাস হেৰাই গৈছে।

চিৰিত থকা সময়ছোৱা তেওঁ বিজ্ঞান, অঙ্কশাস্ত্ৰ, মেটাফিজিক্সৰ ওপৰতো গভীৰ অধ্যয়ন কৰিছিল। মাৰ্কুইচ নিজে অঙ্কশাস্ত্ৰত বিদগ্ধা মহিলা আছিল আৰু দুয়ো মিলি সেই সময়ত নানা ধৰণৰ অধ্যয়ন আৰু পৰীক্ষা-নিৰীক্ষাৰ মাজত ব্যস্ত আছিল।

ইতিমধ্যে প্ৰুচিয়াৰ ৰাজকুমাৰ ফ্ৰেডেৰিকৰ (পাছত ফ্ৰেডেৰিক দি গ্ৰেট) লগত পত্ৰালাপৰ জৰিয়তে ভলটেয়াৰৰ বন্ধুত্ব গঢ়ি উঠিছে। ফ্ৰেডেৰিকৰ সংস্কাৰমুক্ত উদাৰ মনৰ সন্ধেদ পাই ভলটেয়াৰে আনন্দ পাইছিল। তেওঁ আশা কৰিছিল যে ফ্ৰেডেৰিকৰ নিচিনা ৰজাই ইউৰোপত সামাজিক ন্যায়, সমতা আৰু সমৃদ্ধিৰ এক সোণালী যুগৰ সূচনা কৰিব পাৰিব। ভলটেয়াৰে সদায় বিশ্বাস কৰিছিল যে দেশৰ উন্নতিৰ বাবে এক উদাৰপন্থী ৰাজতন্ত্ৰই আটাইতকৈ উত্তম উপায়। তেওঁ মধ্যবিত্ত শ্ৰেণীক ৰাজনৈতিক ক্ষমতা দখল কৰিবলৈ আহ্বান জনাইছিল যদিও ৰাজতন্ত্ৰক শেষ কৰি এক সম্পূৰ্ণ সংসদী গণতন্ত্ৰত তেওঁ বিশ্বাস কৰা নাছিল। প্ৰকৃততে ৰজাবিহীন এখন আদৰ্শ প্ৰজাতন্ত্ৰ তেওঁ কেৱল সৰু সৰু নগৰ ৰাষ্ট্ৰৰ বাহিৰে অন্যত আৰু বিশেষকৈ ফ্ৰান্সৰ নিচিনা এখন বিশাল ৰাষ্ট্ৰত প্ৰতিষ্ঠা কৰি সুশাসন প্ৰৱৰ্তন কৰাটো সম্ভৱ বুলি নাভাবিছিল। মধ্যবিত্ত শ্ৰেণীটোক তেওঁ ইংলেণ্ডৰ আহিত এখন শক্তিশালী সংসদ গঠন কৰি দেশৰ নেতৃত্ব ল'বলৈহে আহ্বান কৰিছিল। তেওঁ বিশ্বাস কৰিছিল যে শক্তিশালী অথচ সাংবিধানিক ৰাজতন্ত্ৰ আৰু মধ্যবিত্তৰ দ্বাৰা পৰিচালিত এখন কাৰ্য্যকৰী সংসদেহে দেশত প্ৰকৃত শান্তি প্ৰতিষ্ঠা কৰিব পাৰিব, অভিজাত তন্ত্ৰৰ শোষণ আৰু গীৰ্জাৰ সৰ্ব্বগ্ৰাসী ৰাক্ষোন স্খলকি পৰিব, সাধাৰণ মানুহ স্বাধীন হৈ পৰিব।

প্ৰকৃততে সৰ্ব্বহাৰা জনসাধাৰণৰ প্ৰতিনিধিয়ে ৰাষ্ট্ৰক্ষমতা কৰায়ত্ব কৰি শাসন কৰাৰ কথা তেওঁ ভাবিবই পৰা নাছিল। বুৰ্জ্জোৱা আৰু মধ্যবিত্ত শ্ৰেণীৰ শাসনৰ ফলত সমাজত অন্যায়, অসমানতা শেষ হ'ব, সাধাৰণ মানুহে কৰ-কাটলৰ বৈষম্যৰ বোজাৰ পৰা ৰেহাই পাব, গীৰ্জাৰ শোষণৰ অন্ত পৰি সামাজিক ন্যায় প্ৰতিষ্ঠা হ'ব বুলিহে তেওঁ আশা কৰিছিল।

দশম অধ্যায়

মাৰ্কুইচৰ লগত ইতিমধ্যে তেওঁৰ সম্পৰ্ক শীতল হৈ আহিছে।

যেতিয়া দুজন ব্যক্তিয়ে ইজনে আনজনক ভালপোৱাৰ উপৰিও কিছুমান অন্য বস্তুক উমৈহতীয়া ভাবে ভাল পায়, তেতিয়াহে সেই ভালপোৱা দীৰ্ঘস্থায়ী হয়। ভলটেয়াৰ আৰু মাৰ্কুইচৰ মাজত উমৈহতীয়াভাৱে ভালপোৱা বস্তুৰ সংখ্যা হয়তো কমি আহিছে। অৱশ্যে ভলটেয়াৰৰ দৰে মানুহ এজনৰ বাবে এটা বস্তুক বেছি দেৰী ভাল পোৱাটোও সম্ভৱ নহয়। মাৰ্কুইচে এইবাৰ চেণ্ট লেমৰ্বাট বোলা যুৱক এজনৰ প্ৰেমত পৰিল। প্ৰথমে প্ৰথমে এই খবৰ পাই ভলটেয়াৰ জ্বলি উঠিল। কিন্তু অলপ পাছতে তেওঁৰ সকলো খং পানী হৈ গ'ল। "মোৰতো বয়সো হৈ আহিছে।" ভলটেয়াৰে ক'লে। "তেওঁৰ নিজা জীৱন উপভোগ কৰিবলৈ সম্পূৰ্ণ অধিকাৰ আছে।"

ইয়াৰ পাছত মাৰ্কুইচৰ প্ৰসুতা ৰোগত মৃত্যু হ'ল। মাৰ্কুইচৰ মৃত্যুত ভলটেয়াৰে বৰ বেজাৰ পালে।

সেই সময়ত ফ্ৰেডেৰিক প্ৰুচিয়াৰ সম্ৰাট হৈছে। তেওঁ ভলটেয়াৰক প্ৰুচিয়াত কিছুদিন থাকি আহিবলৈ মাতি পঠিয়ালে। ভলটেয়াৰ এইবাৰ পট্‌চডামৰ ৰাজসভা পালেগৈ।

কিন্তু কিবা এটা অথন্তৰ নঘটোৱাকৈ জানো ভলটেয়াৰ থাকিব পাৰে? সম্ৰাট ফ্ৰেডেৰিকৰ ৰাজসভাত বিৰাট সন্মান আৰু অৰ্থ পোৱা সত্ত্বেও ভলটেয়াৰে সম্ৰাটৰ নিষেধাজ্ঞা উলঙ্ঘা কৰি কিছুমান চেক্সন বণ্ড কিনি বেছ কিছু টকা উপাৰ্জ্জন কৰে। সম্ৰাটে এই কথাত বৰ বেয়া পালে যদিও ভলটেয়াৰক সেইবাৰ একো নকৰিলে। আকৌ এবাৰ দুজন গণিতজ্ঞ পণ্ডিতে তৰ্ক কৰোঁতে সম্ৰাটে যেতিয়া এজনৰ ফালে মাত মাতিলে, ভলটেয়াৰে তপৰাই আনজনকহে সমৰ্থন কৰাত লাগিল। তাৰ পাছত তেওঁ গণিতজ্ঞ পণ্ডিত জনৰ ওপৰত "ডঃ আকাকিয়া" বুলি এখন ব্যঙ্গ ৰচনা লিখিলে। সেইখন সম্ৰাটক পঢ়ি শুনোৱাত সম্ৰাটে খুব হাঁহিলে যদিও সেইখন প্ৰকাশ নকৰিবলৈ ভলটেয়াৰক দঢ়াই দঢ়াই ক'লে। কিন্তু ভলটেয়াৰে সেইখন ইতিমধ্যে প্ৰকাশকলৈ

পঠিয়ালেই। সেইখন প্ৰকাশ হোৱাত ফ্ৰেডেৰিক জলি উঠিল আৰু কথা বিষম দেখি ভলটেয়াৰ ফ্ৰান্সলৈ পলাল।

কিন্তু বিধিনিয়ে তেতিয়াও তেওঁৰ পাছ নেৰিলে। সীমাৰ ওচৰতে তেওঁ গ্ৰেপ্তাৰ হ'ল। ফ্ৰেডেৰিকে অৱশ্যে তেওঁক বন্দী কৰি ৰাখিব খোজা নাছিল। মাথোঁ ভলটেয়াৰৰ হাতত থকা সম্ৰাটৰ পদ্য এটা যাতে ভলটেয়াৰে লৈ গৈ প্ৰকাশ কৰি দিব নোৱাৰে তাৰ বাবেহে তেওঁক ধৰাইছিল। পদ্যটো পোৱাৰ পাছতে ভলটেয়াৰে মুক্তি পালে। কিন্তু সেই সময়তে তেওঁ খবৰ পালে যে তেওঁ ফ্ৰান্সত সোমোৱা নিষিদ্ধ, তেওঁক নিৰ্ব্বাসন দিয়া হৈছে।

ভলটেয়াৰে বৰ আঘাত পালে।

মনৰ দুখতে তেওঁ এইবাৰ ৰাজধানী চহৰ এৰি গাঁও অঞ্চললৈ গুচি আহিল। 'লা ডেলিচেচ' বোলা সৰু পাম এখন কিনি তাত থাকিবলৈ আৰম্ভ কৰিলে। এই পামত থকা সময়তে তেওঁ তেওঁৰ বিখ্যাত আৰু মহান ৰচনা সমূহ লিখিবলৈ আৰম্ভ কৰে।

ভলটেয়াৰ ফ্ৰান্সৰ পৰা নিৰ্বাসিত হোৱাৰ কাৰণ আছিল বাৰ্লিনত থাকোঁতে তেওঁ লিখি উলিওৱা এখন বিৰাট সামাজিক বুৰঞ্জীৰ পুথি। পুথিখন আছিল 'এন এচে অন দি মৰেলচ এণ্ড স্পিৰিট অব দি নেচন্চ ফ্ৰম চাৰ্লমাগ্যেন টু লুই দি থাৰটিন্‌থ'। এই বুৰঞ্জীখনত তেওঁ বুৰঞ্জী লিখাৰ এক নতুন দিশৰ সূচনা কৰিলে। কেৱলমাত্ৰ ঘটনাপ্ৰবাহ পঞ্জীবদ্ধ নকৰি এই গ্ৰন্থত তেওঁ ঘটনা-প্ৰবাহৰ মাজত জনসাধাৰণ আৰু সমাজত প্ৰবহমান বিভিন্ন শক্তি সমূহৰ কাৰ্য্য-কলাপ, মানুহৰ মনৰ, চিন্তাৰ উৎকৰ্ষ সাধনৰ কাহিনী বা চমুকৈ ক'বলৈ গলে বুৰঞ্জীত দৰ্শনৰ প্ৰয়োগ কৰি দেখুৱালে। ৰজামহাৰজাৰ কাৰ্য-কলাপ আৰু যুদ্ধ-বিগ্ৰহতকৈ তেওঁ গুৰুত্ব দিলে মানুহৰ সাংস্কৃতিক বিকাশৰ ধাৰাৰ ওপৰত। তেওঁ কৈছিল, "Battles and revolutions are smallest part of the plan, squadrons and battalions conquer. g or being conquered, towns taken and retaken, .are common to all history—take away the arts and progress of mind and you will find nothing."

"I wish to write a history not of wars but of society, and to ascertain how man lived in the interior of their families and what were the arts they commonly cultivated.

My object is the history of human mind, and not a mere detail of petty facts, nor am I concerned with the history of the great lords; but I want to know what were the steps by which man passed from barbarism to civilisation."

[অনুবাদ : "যুদ্ধ বিগ্ৰহ বিপ্লৱ আদিবোৰ প্ৰধান বস্তু নহয় : এটা সেনাবাহিনীয়ে যুদ্ধত জয়লাভ কৰা বা পৰাজিত হোৱা, এখন নগৰ অধিকাৰ কৰা বা পুনৰমুক্ত কৰা—এইবোৰ সকলো বুৰঞ্জীত আছে। মানুহৰ সংস্কৃতিৰ আৰু চিন্তাৰ উৎকৰ্ষ সাধনৰ কাহিনী বাদ দিলে ইতিহাসত একোৱেই নাথাকে।"

"মই যুদ্ধৰ বুৰঞ্জী লিখিবলৈ নিবিচাৰোঁ।—কিন্তু মই সমাজখনৰ ইতিহাস জানিবলৈ বিচাৰোঁ। আৰু জানিব বিচাৰোঁ। মানুহেনো তেওঁলোকৰ পৰিয়াল লৈ কেনেকৈ বাস কৰিছিল, কেনে ধৰণৰ কলা-কৃষ্টি, সংস্কৃতিৰ সাধনা কৰিছিল। মই মানুহৰ চিন্তাৰ উৎকৰ্ষ সাধনৰ বিষয়ে লিখিব বিচাৰোঁ।। ৰজা-মহাৰজা আৰু বৰ বৰ অমাত্য সকলৰ কামকাজক লৈ মই মূৰ নঘমাওঁ, কিন্তু মই জানিব বিচাৰোঁ। বৰ্বৰতাৰ পৰা মানুহে কেনেকৈ সভ্যতাৰ স্তৰলৈ উত্তীৰ্ণ হৈছিল।"]

ব্লিল ডুৰাণ্টে লিখিছে—"This rejection of kings from history was part of the democratic uprising which at last rejected them from the Government. the essay ..the morals began the dethronement of Bourbons."

ভলটেয়াৰৰ এই ৰচনাত অভিজাত শাসকগোষ্ঠী জ্বলি উঠিল কাৰণ ভলটেয়াৰে দেশৰ আৰু সমাজৰ বিবৰ্ত্তনত তেওঁলোকৰ ভূমিকাক গৌণ কৰি সাধাৰণ মানুহৰ সাংস্কৃতিক বিকাশক মুখ্য ভূমিকা দিলে। সম্ৰাট জ্বলি উঠিল, কাৰণ ভলটেয়াৰে সম্ৰাটৰ দ্বাৰা শাসিত সাম্ৰাজ্যতকৈ সমগ্ৰ ইউৰোপৰ আৰু বিশ্ব মানৱৰ বৌদ্ধিক বিকাশ আৰু সংস্কৃতিৰ বিশাল জগতখনক অধিক মৰ্য্যাদা দিলে যাৰ ফলত সাংস্কৃতিক বিশাল সমুদ্ৰৰ মাজত একো একোখন সাম্ৰাজ্য এটা ক্ষুদ্ৰাতিক্ষুদ্ৰ দ্বীপত পৰিণত হোৱাৰ দৰে হ'ল। মানুহৰ চিন্তাৰ জগতখন ভলটেয়াৰে ইমান বহল কৰি পেলালে যে মানুহে এখন মাত্ৰ সাম্ৰাজ্যৰ কথা ভাবিবলৈ এৰি বিশ্বমানৱৰ কথা ভাবিবলৈ আৰম্ভ কৰিলে। আন্তৰ্জাতিকতা-বাদৰ সূত্ৰপাতে জাতীয়তাবাদৰ ঠেক ভেটি কঁপাই তুলিলে। এনেধৰণৰ দেশপ্ৰেমহীনতা সংৰক্ষণশীল সকলে সহ্য কৰিব নোৱাৰিলে। যাজকসকলো জ্বলি উঠিল, কাৰণ খৃষ্টান ধৰ্ম্মৰ নানান দুৰ্বলতা, কু-প্ৰথা, অন্ধবিশ্বাস বোৰ ভলটেয়াৰে উদঙাই দেখুৱালে আৰু সেইবোৰৰ কুট সমালোচনা কৰি অধৰ্মীৰ কাম কৰাৰ বাবে। প্ৰথমবাৰৰ বাবে প্ৰাচ্যৰ বিশেষকৈ ভাৰত,

পাৰস্য আৰু চীনৰ অতি উন্নত সভ্যতা আৰু ধৰ্মৰ বিষয়ে ইমান প্ৰশংসামূলক ভাৱে লিখাৰ বাবে আৰু নিৰপেক্ষভাৱে সেইবোৰ ইউৰোপ তথা ফ্ৰান্সত প্ৰচলিত ব্যৱস্থাবোৰৰ পৰিপ্ৰেক্ষিতত আলোচনা কৰাৰ বাবে তেওঁলোকে ভলটেয়াৰৰ ওপৰত ৰুষ্ট হ'ল। এক বিশাল পৃথিৱীৰ আদৰ্শৰে অনুপ্ৰাণিত কৰি প্ৰচলিত সমাজৰ নীতি-নিয়ম, পৰম্পৰাবোৰক অতি নগণ্য আৰু সামান্য বুলি প্ৰতিপন্ন কৰাৰ বাবে ভলটেয়াৰ তেওঁলোকৰ অপ্ৰিয়ভাজন হ'ল।

মুঠতে সঁচা কথা কোৱাৰ বাবে তেওঁক আটায়ে দেখিব নোৱৰা হ'ল। ৰজাই ঘোষণা কৰিলে—যি মানুহে প্ৰথমে নিজকে মানুহ আৰু পাছতহে ফৰাচীলোক বুলি ভাবে, তেনেজনৰ ফ্ৰান্সত থকাৰ কোনো অধিকাৰ নাই। গতিকে ভলটেয়াৰ হ'ল নিৰ্বাসিত। পাম এৰি ভলটেয়াৰ এইবাৰ আহিল ফাৰ্ণে বোলা চুইজাৰলেণ্ডৰ সীমান্তত থকা ঠাই এখনলৈ। ৬৪ বছৰ অৱধিৰ দৰে ঘূৰি ফুৰাৰ পাছত এইবাৰ ভলটেয়াৰৰ যেন নিজা ঘৰ এখন হ'ল।

একাদশ অধ্যায়

সেই সময়ত ফৰাচী সাহিত্য জগতত এনচাইক্ল'পেডিয়া বা বিশ্বকোষবোৰৰ আবিৰ্ভাবে বিৰাট তোলপাৰ সৃষ্টি কৰিছে। এই বিশ্বকোষবোৰত আখৰৰ ক্ৰম অনুসৰি বিভিন্ন বস্তুৰ ওপৰত নানাধৰণৰ আলোচনা আগবঢ়োৱা হৈছিল। এই সকলো আলোচনাত যুক্তিৰ সহায়েৰে একো একোটা বস্তু বিশ্লেষণ কৰা হৈছিল আৰু যুক্তিৰে মানিব নোৱৰা সকলোকে তীব্ৰভাৱে প্ৰত্যাখান কৰা হৈছিল। দেশৰ শাসন প্ৰণালী, বিশেষ সা-সুবিধা, গীৰ্জা, যাজক, শিক্ষা ব্যৱস্থা এই আটাইবোৰকে যুক্তিৰে থকা-সৰকাকৈ সমালোচনা কৰা হৈছিল। এই সময়তে জঁ্যা জেকুইচ ৰুচোৰ আবিৰ্ভাব ঘটিছিল। কিন্তু ৰুচোই এই প্ৰচণ্ড যুক্তিবাদী যুগটোৰ সময়ত জন্মগ্ৰহণ কৰিলেও তেওঁৰ ইয়াৰ ওপৰত সম্পূৰ্ণ আস্থা নাছিল। তেওঁ প্ৰকৃতি আৰু স্বাভাৱিক নিয়ম, ও সকলো বস্তু যে প্ৰকৃতিৰ এক অমোঘ নিয়মতহে পৰিচালিত হয়, সেই চিন্তাধাৰাৰ ওপৰত বিশ্বাস

ৰাখিছিল। শেষলৈ এই কথাকে লৈ ভলটেয়াৰ আৰু ৰুচোৰ মাজত তিক্ত বিবাদৰো সূত্ৰপাত হৈছিল।

ক'ৰবাত কিবা এটা উল্লেখযোগ্য ঘটনা হ'লে তাত ভলটেয়াৰে অংশ গ্ৰহণ নকৰাকৈ থকাটো অসম্ভৱ। সেয়ে এই 'এনচাইক্ল'পেডিয়া' মুভমেণ্টৰ লগতো ভলটেয়াৰ সাঙুৰ খাই পৰিল। তেওঁৰ কলমৰ আগৰপৰা বিভিন্ন বিষয়ৰ ওপৰত নানান ধৰণৰ ৰচনা বাহিৰ হ'বলৈ ধৰিলে। তেওঁ নিজাকৈ এখন বিশ্বকোষ প্ৰণয়ন কৰিলে। এইখনত তেওঁ বৰ্ণমালাৰ ক্ৰম অনুসৰি বিভিন্ন বিষয়ৰ ওপৰত সুচিন্তিত ৰচনা লিখিবলৈ ধৰিলে। এই কিতাপখনৰ নাম 'ফিল'চফিক ডিক্সনেৰী'। এই কিতাপখনৰ পাততেই ভলটেয়াৰৰ দৰ্শনৰ উৎকৃষ্ট নিদৰ্শন পোৱা যায়। প্ৰকৃতপক্ষে দাৰ্শনিক হিচাপে এইবাৰহে ভলটেয়াৰে খ্যাতি অৰ্জন কৰিলে।

এনেতে এটা ঘটনা ঘটিল। তেওঁ থকা ঠাইখনৰ পৰা কিছু দূৰত এখন প্ৰকাণ্ড নগৰ আছিল। তুলঁ। এই নগৰখন কেথলিক গীৰ্জাৰ কটকটীয়া শাসনৰ তলত আছিল। ইয়াত কোনো প্ৰটেষ্টাণ্ট লোকে ডাক্তৰ, উকীল, কিতাপ দোকানী, গেলামালৰ দোকানী আৰু অন্যান্য বহুত কাম কৰিব নোৱাৰিছিল। কোনো কেথলিক লোকে প্ৰটেষ্টাণ্ট লোকক ঘৰুৱা ভৃত্য হিচাপেও ৰাখিব নোৱাৰিছিল। চেণ্ট বাৰ্থলমিউৰ ভোজৰ প্ৰটেষ্টাণ্ট নিধন দিনটো উৎসৱ কৰি ইয়াত মহা ধুমধামেৰে পালন কৰা হৈছিল। প্ৰটেষ্টাণ্ট সকলক নানান ধৰণে অন্যায়-অত্যাচাৰ কৰিছিল। সেই সময়ত হঠাৎ নগৰত কিছুমান বিচ্ছিন্ন ঘটনাৰপৰা এক প্ৰটেষ্টাণ্ট বিৰোধী ঢৌ আৰম্ভ হ'ল আৰু যাজক-সকলৰ নেতৃত্বত ই ৰক্তাক্ত ৰূপ ল'লে। নগৰৰপৰা পলাই অহা এটা প্ৰটেষ্টাণ্ট পৰিয়ালক ভলটেয়াৰে আশ্ৰয় দিলে। ইয়াৰ পিছতে তেওঁ কেথলিক গীৰ্জাৰ ওপৰত ভয়ানক আক্ৰমণ আৰম্ভ কৰি দিলে। তেওঁ 'Treatise of tolerations' বুলি এখন কিতাপ লিখি উলিয়ালে। সেই দিনতেই ইয়াৰ প্ৰায় তিনিলাখ কপি বিক্ৰী হৈছিল। কেথলিক ধৰ্ম আৰু যাজকসকলৰ নানা দুষ্কৃতি, মানুহৰ জীৱনক মোহাচ্ছন্ন কৰি ৰখা নানা অন্ধবিশ্বাস আৰু অনুষ্ঠান, গীৰ্জাৰ শোষণ আৰু অন্যায়ৰ স্বৰূপ দাঙি ধৰি তেওঁ এই সকলোবোৰ ধ্বংস কৰিবলৈ আহ্বান জনালে। পৰৰ ধৰ্মৰ প্ৰতি সহনশীলতা আৰু ন্যায় বিচাৰৰ অবিহনে সমাজত কোনো কালে শান্তি প্ৰতিষ্ঠা হোৱাটো যে অসম্ভৱ ভলটেয়াৰে তাক প্ৰমাণ কৰি দেখুৱালে। ভলটেয়াৰে তেওঁৰ সাহিত্যিক

বন্ধুসকলক আহ্বান জনালে গীর্জাৰ এই ঘৃণনীয় শোষণ অন্ত পেলাবৰ বাবে জনমত গঢ়ি তুলিবলৈ।

"হে সাহসী বন্ধু সকল!" তেওঁ লিখিলে, "এই পাগল (যাজক) আৰু বদমাচ বোৰক ধ্বংস কৰা। তাঁহাতৰ ভুৱা দৰ্শন, তাঁহাতৰ প্ৰবঞ্চনা, তাঁহাতৰ ভুৱা বুৰঞ্জী আৰু ছলনা শেষ কৰা। মানুহক তাঁহাতে যাতে আৰু বেছি প্ৰবঞ্চনা কৰিবলৈ নাপায়। ভৱিষ্যতৰ বংশধৰ সকলে তেতিয়াহে আমাক তেওঁলোকৰ স্বাধীনতাৰ বাবে অভিনন্দন জনাব পাৰিব।"

তেওঁ ইয়াৰ উপৰিও শয়ে শয়ে পুস্তক আৰু প্ৰচাৰ পত্ৰিকা লিখিবলৈ ধৰিলে। তীব্ৰ ব্যঙ্গ, সুন্দৰ সাৱলীল যুক্তি আৰু অতি সহজ ৰচনা ভঙ্গীৰে তেওঁ সাধাৰণ মানুহক এই সকলো কথা নিৰহ-নিপানীকৈ বুজাবলৈ ধৰিলে। সকলো লেখনীৰ শেষত তেওঁ আহ্বান জনালে—'এই ঘৃণনীয় অধ্যায় শেষ কৰক।'

তেওঁৰ লেখনীত গীৰ্জা থৰক-বৰক হৈ পৰিল—যাজক সকল অস্থিৰ হ'ল—ভলটেয়াৰক ভাৰ-ভেটি দিও তেওঁৰ লেখনী বন্ধ কৰাৰ অপচেষ্টাও চলালে। লাহে লাহে চিন্তাশীল লোক সকল আৰু তাৰ পাছত সাধাৰণ মানুহৰ মনত এই লেখনীবোৰে বিৰাট প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে। ধৰ্ম্মৰ নামত চলা ভণ্ডামিৰ বিষয়ে মানুহ সচেতন হৈ উঠিল। আনকি বহুত যাজকেও তেওঁৰ লেখা পঢ়াৰ পাছত গীৰ্জাৰ অন্যায়ৰ বিৰুদ্ধে মাত মাতিবলৈ আৰম্ভ কৰিলে। বিপ্লৱৰ সময়ত জনসাধাৰণৰ এই নতুন চেতনাবোধে ৰূপ ল'লে গীৰ্জা আৰু যাজক সকলৰ ওপৰত চলা জনসাধাৰণৰ প্ৰচণ্ড আক্ৰমণত—বহু গীৰ্জা ধ্বংস হ'ল—বহু যাজকৰ মৃত্যু হ'ল—গীৰ্জাৰ হাতত থকা মাটি খেতিয়কৰ মাজত বিলাই দিয়া হ'ল। ফ্ৰান্সৰ সমাজত গীৰ্জাৰ কটকটীয়া শোষণৰ বান্ধ সুলকি পৰিল—ফৰাচী জনতাই পুৰোহিত শ্ৰেণীৰ সামন্তবাদী শোষণৰপৰা মুক্তি পালে।

সেয়া অন্য এক অধ্যায়। তাৰ বিষয়ে আমি পিছত পাম। কিন্তু এই বিৰাট পৰিৱৰ্ত্তন—এই যুগান্তকাৰী অভ্যুত্থানৰ জুইকুৰা জ্বলালে ভলটেয়াৰে। তেওঁৰ কলমৰ আগত গীৰ্জাৰ সহস্ৰ বছৰীয়া শোষণৰ ঐতিহ্য শেষ হৈ গ'ল।

ভলটেয়াৰ কিন্তু নাস্তিক নাছিল। পাছৰ পূৰ্ব্বঠ কালছোৱাত তেওঁ ঈশ্বৰক স্বীকাৰ কৰি লৈছিল। কিন্তু ঈশ্বৰৰ নামত গীৰ্জা আৰু পুৰোহিত শ্ৰেণীৰ ঘৃণনীয় আচৰণৰ বিৰুদ্ধেহে তেওঁ প্ৰত্যাহ্বান জনাইছিল।

গীর্জাৰ বিৰুদ্ধে সংগ্ৰামত লাগি থকা এই কালছোৱাত ভলটেয়াৰে অন্য সামাজিক কু-প্ৰথা, দুৰ্নীতি, অসমানতা আৰু ৰাজনৈতিক শোষণৰ বিৰুদ্ধে মাত মাতিবলৈ সময় পোৱা নাছিল। এই কাম হাতত লৈছিল জঁ্যা জেকৃচ ৰুচো বোলা দাৰ্শনিক এজনে। তেওঁৰ অগ্নিগৰ্ভী লেখনীয়ে ফৰাচীসকলক প্ৰবল ভাৱে অনুপ্ৰাণিত কৰিছিল। ৰুচোৰ চিন্তাধাৰা কিন্তু ভলটেয়াৰৰপৰা সম্পূৰ্ণ বেলেগ আছিল। এই বিষয়ে আগতে অলপ উমুকিয়াই অহা হৈছেই। ভলটেয়াৰ আৰু ৰুচোৰ বিৰোধ কেতিয়াবা তিক্ততাৰ পৰ্য্যায়ো পাইছিলগৈ আৰু দুয়ো দুয়োকে ব্যক্তিগত ভাৱে আক্ৰমণ কৰিবলৈকো এৰা নাছিল।

কিন্তু সমাজৰ অন্যায় আৰু শোষণ আঁতৰ কৰাৰ বিষয়ে দুয়ো একমত আছিল। মতবিৰোধ ঘটিছিল কেৱল পন্থা লৈ।

ভলটেয়াৰে বিপ্লৱক সমাজ পৰিবৰ্ত্তনৰ আহিলা বুলি ভাবিব পৰা নাছিল। ৰিৰ্লী ডুৰাণ্টে লিখিছে, ভলটেয়াৰৰ সাধাৰণ মানুহৰ ওপৰত আস্থা নাছিল। সাধাৰণ মানুহে যে এখন দেশত শান্তি শৃঙ্খলা বজাই ৰাখি শাসন চলাব পাৰিব তাক তেওঁ বিশ্বাস নকৰিছিল। "Men are rarely worthy to govern themselves." তেওঁ লিখিছিল, তেওঁ ৰাজতন্ত্ৰ আৰু বুৰ্জোৱা পৰিচালিত সংসদত আস্থা ৰাখিছিল বুলি আগতেই কৈ অহা হৈছে। তেওঁ বিশ্বাস কৰিছিল যে মানৱ সমাজত অসমানতা থাকিবই। সকলো মানুহ সকলো বিষয়ে সমান হ'ব নোৱাৰে। কিন্তু স্বাধীনতাৰ অধিকাৰ সকলো মানুহৰে সমান। সকলো মানুহৰে স্বাধীন ভাৱে জীয়াই থকাৰ সমান অধিকাৰ আছে। অধিকাৰ আছে নিজ নিজ কাম কৰিবলৈ। আইনৰ চকুত সকলো মানুহ সমান--কাৰো বাবে আইনত কোনো ধৰণৰ বিশেষ ব্যৱস্থা থকাটো উচিত নহয়। যুক্তিৰ সহায়েৰে প্ৰাচীন সামাজিক বৈষম্য বিলাক দূৰ কৰি মানুহক চেতন, উদাৰ আৰু সুশৃঙ্খলিত কৰি এখন নতুন সমাজ সূচনা কৰাটো সম্ভৱ বুলি ভলটেয়াৰে বিশ্বাস কৰিছিল। আৰু এই কাম তেওঁ লাহে লাহে মানুহক শিক্ষিত আৰু সচেতন কৰি তুলি শান্তিপূৰ্ণ পন্থাৰে কৰিব পৰা যাব বুলি বিশ্বাস কৰিছিল।

ৰুচোই কিন্তু ভলটেয়াৰৰ এই পন্থাত বিশ্বাস কৰা নাছিল। তেওঁ সকলো মানুহেই সকলো ফালৰ পৰা সমান হ'ব লাগে বুলি কৈছিল। তেওঁ সমাজত ধনী দুখীয়া, পোৱা নোপোৱা, সৰু বৰ এই প্ৰভেদবোৰ নাইকিয়া কৰি এখন সৰ্ব্বতোভাৱে সমান মানৱ সমাজ প্ৰতিষ্ঠা কৰাত বিশ্বাস কৰিছিল।

"Man is born free but everywhere he is in chains" আৰু এই বন্ধন আৰু অসমানতাৰ কাৰণ তেওঁ সমাজৰ বৈষম্যমূলক আইন কানুন বোৰ বুলি কৈছিল। মানুহৰ অন্তৰত স্বাধীনতা আৰু সমতাৰ বাবে চিৰন্তন আকাংক্ষা আছে। আৰু এই আকাংক্ষা এক আবেগিক উচ্ছ্বাসেৰে সমাজ পৰিবৰ্ত্তনৰ এক প্ৰচণ্ড শক্তিলৈ ৰূপান্তৰিত কৰি সমাজৰ অন্যায় আৰু বৈষম্য-বোৰ আঁতৰাই সকলোকে স্বাধীন আৰু সমান কৰিব পৰা যাব। এয়ে আছিল ৰুচোৰ চিন্তাধাৰা। তেওঁ যদিও বিপ্লৱক নিৰ্দিষ্টভাৱে বিচৰা নাছিল, কিন্তু বিপ্লৱলৈ তেওঁ ভয় কৰা নাছিল। ভলটেয়াৰৰ চিন্তাধাৰা আছিল উদাৰ পন্থী বা লিবাৰেল, কিন্তু ৰুচোৰ চিন্তা আছিল ৰেডিকেল—কিন্তু বৰ্ত্তমান কালৰ দৰে সমাজবাদী বা বাম ৰেডিকেলিজম নহয়, সেয়া আছিল এক ৰোমাণ্টিক 'ৰেডিকেল' চিন্তাধাৰা।

ফৰাচী বিপ্লৱৰ প্ৰথম অংশত ভলটেয়াৰৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত উদাৰ পন্থী নেতা সকলে বিপ্লৱৰ নেতৃত্ব লৈছিল। মিৰাবিউকে আদি কৰি এই নেতা সকলে 'মানুহৰ ব্যক্তি স্বাধীনতাক' উচ্চস্থান দিছিল আৰু শান্তিপূৰ্ণ উপায়েৰে সমাজলৈ পৰিবৰ্ত্তন আনিবলৈ চেষ্টা কৰিছিল। কিন্তু সাধাৰণ মানুহক তেওঁলোকে সন্তুষ্ট কৰিব পৰা নাছিল। শোষিত সাধাৰণ মানুহে ব্যক্তি স্বাধীনতা নিবিচৰা নহয়, কিন্তু সমাজত সকলোৰে সমানতাৰ আদৰ্শই, ধনী-দুখীয়াৰ প্ৰভেদ নাইকিয়া কৰাৰ চিন্তাই তেওঁলোকক বেছিকৈ অনুপ্ৰাণিত কৰিছিল। আৰু যেতিয়া সাধাৰণ মানুহৰ মাজৰপৰা ওলোৱা আৰু ৰুচোৰ আদৰ্শৰে অনুপ্ৰাণিত নেতা ৰবচ্‌পিয়েৰ, মাৰা আদিৰ হাতলৈ বিপ্লৱৰ নেতৃত্ব যায়, তেতিয়া সমাজত সমানতা স্থাপনৰ বাবে অভিজাত, যাজক আৰু ধনীলোকসকলক ধ্বংস কৰা হৈছিল। সামাজিক সমতা প্ৰতিষ্ঠাৰ এই ৰক্তাক্ত বিপ্লৱৰ প্ৰথম বলি হৈছিল 'ব্যক্তি স্বাধীনতা', দেশৰ নিৰাপত্তাৰ বাবে আৰু বিপ্লৱক জীয়াই ৰাখিবলৈ এটা এটাকৈ মানুহৰ স্বাধীনতাৰ অধিকাৰ কৰ্ত্তন কৰা হৈছিল। ফৰাচী বিপ্লৱৰ ঘটনাৱলীত আমি এইবোৰ কথা এটা এটাকৈ পাই যাম।

ভলটেয়াৰৰ ইতিমধ্যে তিৰাশী বছৰ বয়স হৈছে। মৰাৰ আগতে তেওঁ এবাৰ পেৰিচলৈ যাবলৈ মন মেলিলে। সেই সময়ত তেওঁৰ স্বাস্থ্য পৰি আহিছিল। বন্ধু-বান্ধৱ সকলোৱে তেওঁক যাবলৈ মানা কৰিলে। কিন্তু ভলটেয়াৰে কাৰ কথা শুনে? তেওঁ যাবলৈ সাজু হ'ল।

ভলটেয়াৰ যেতিয়া পেৰিচ গৈ পালেগৈ—মহানগৰীৰ জনতাই তেওঁক বিপুল সম্ভাষণ জনালে। হাজাৰ হাজাৰ মানুহ ৰাস্তালৈ আহি তেওঁক আদৰিলেহি। পেৰিচৰ সকলো বুদ্ধিজীৱী, সাহিত্যিক, লেখক, ৰাজনৈতিক নেতাই তেওঁক দেখা কৰিবলৈ আহিল। ফৰাচী একাডেমীত তেওঁক সন্মান জনোৱা হ'ল। নাট্যশালাবোৰত তেওঁৰ নাটকবোৰ অভিনীত হ'বলৈ ধৰিলে। ভলটেয়াৰৰ মনত মহা আনন্দ। ইমান দিনে যেন তেওঁ এই দিনটোলৈকে বাট চাই আছিল। বন্ধু-বান্ধৱ, চিকিৎসক কাৰো হকাবাধা নুশুনি তেওঁ ঘূৰি মেলি ফুৰ্ত্তি কৰি ফুৰিবলৈ ধৰিলে। অৱশেষত তেওঁৰ স্বাস্থ্য একেবাৰে ভাগি পৰিল। তেওঁ পাটী ল'বলৈ বাধ্য হ'ল। ১৭৭৮ চনৰ ৩০ মেৰ দিনা তেওঁ শেষ নিশ্বাস ত্যাগ কৰিলে।

আচল অসুবিধা হ'ল তেওঁৰ মৃত্যুৰ পাছত। পেৰিচৰ কোনো গীৰ্জা বা যাজকেই তেওঁৰ শেষকৃত্য সম্পন্ন কৰিবলৈ সন্মত নহ'ল। উপায়ন্তৰ হৈ তেওঁৰ বন্ধু সকলে মিছাকৈ ভলটেয়াৰ জীয়াই আছে বুলি কৈ শটো নগৰৰ বাহিৰলৈ লৈ গ'ল আৰু তাতে এজন যাজকৰ হতুৱাই শেষকৃত্য খিনি সম্পন্ন কৰোৱালে।

ফৰাচী বিপ্লৱৰ সময়ত নেছনেল এচেম্বলীয়ে তেওঁৰ নশ্বৰ অৱশেষ পেৰিচৰ পানথিয়নলৈ অনোৱায়। এক লাখ নাগৰিকে তেওঁৰ শটো কঢ়িয়াই অনা শোভাযাত্ৰাত যোগ দিয়ে আৰু ছয় লাখ লোক চাবলৈ ৰাস্তালৈ ওলাই আহে। পেৰিচত বিপ্লৱৰ অন্যান্য বীৰ সকলৰ লগত তেওঁৰ নশ্বৰ দেহা সমাধিস্থ কৰা হয়।

তেওঁক কঢ়িয়াই অনা গাড়ীখনত লিখা আছিল, "মানুহৰ মনক তেওঁ নতুন শক্তি দিছিল, তেওঁ আমাক স্বাধীনতাৰ বাবে প্ৰস্তুত কৰিছিল।"

কিন্তু কবৰত মাত্ৰ তিনিটা কথাই লিখা আছিল। "Here lies Voltaire." তাতকৈ বেছি লিখাৰ কোনো প্ৰয়োজন নাছিল।

ফৰাচী বিপ্লৱত ভলটেয়াৰৰ ভূমিকা কি বুলি সুধিলে তপৰাই উত্তৰ দিয়া টান। ভলটেয়াৰক ফৰাচী বিপ্লৱ ঘটাৰ এটা প্ৰধান কাৰণ বা ভলটেয়াৰৰ লেখনীয়েই বিপ্লৱ ঘটালে বুলি ক'ব নোৱাৰি। চমুকৈ ক'ব পাৰি যে ভলটেয়াৰে ফৰাচী নাগৰিক সকলৰ মনক বিপ্লৱৰ বাবে প্ৰস্তুত কৰি তুলিলে।

দ্বাদশ অধ্যায়

জঁ্যা জেকুচ ৰুচো

জঁ্যা জেকুচ ৰুচো এটা বৰ বৈচিত্র্যপূৰ্ণ চৰিত্ৰ। তেওঁৰ সমগ্ৰ জীৱনটো নানান অভিনৱ ঘটনা আৰু পৰস্পৰ বিৰোধী ঘটনাৰে পূৰ্ণ। তেওঁ ভাল উপদেশ দিছিল কিন্তু নিজে খুব কমেইহে সেই উপদেশ পালন কৰিছিল। তেওঁ খুওব প্ৰকৃতিপ্ৰিয় আছিল। প্ৰাকৃতিক সৌন্দৰ্য্য আৰু প্ৰকৃতিৰ অমোঘ নিয়মৰ ওপৰত তেওঁ বহুত ৰচনা লিখিছিল কিন্তু ওৰে জীৱন বাস কৰিছিল চহৰত। তেওঁ স্বাস্থ্য ৰক্ষাৰ উপায় দিছিল, কিন্তু নিজে লেতেৰা, দুৰ্গন্ধময় গলিত বাস কৰিছিল। তেওঁ সততা আৰু সৎগুণৰ জয়গান কৰিছিল, কিন্তু নিজে হ'লে সৎ নাছিল। বোধকৰোঁ তেওঁ ভাবিছিল যে সাধাৰণ মানুহৰ বাবে কোৱা কথাবোৰ 'জিনিয়াচ'ৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়।

ভলটেয়াৰৰ সমসাময়িক ৰুচো ওঠৰ শতিকাৰ ইউৰোপীয় দাৰ্শনিকসকলৰ অন্যতম। তেওঁৰ লেখনীয়ে ফৰাচী বিপ্লৱৰ নেতাসকলক অনুপ্ৰাণিত কৰিছিল আৰু তেৱেঁই বিপ্লৱৰ ৰাজনৈতিক চিন্তাধাৰাৰ প্ৰধান নায়ক আছিল। বিপ্লৱৰ প্ৰধান মূলমন্ত্ৰ স্বাধীনতা, মৈত্ৰী আৰু সমানতাৰ ধ্বনি প্ৰথমে তেৱেঁই দিছিল। যুক্তিৰ ওপৰত ভাব বা আবেগিক উচ্ছ্বাসক প্ৰাধান্য দি বা মগজুৰ ওপৰত হৃদয়ক স্থাপন কৰি সাহিত্যত ৰোমাণ্টিক ধাৰা ৰুচোই পোনপ্ৰথমে প্ৰৱৰ্ত্তন কৰিছিল। দাৰ্শনিক হিচাপে তেওঁ সেই সময়ৰ যুক্তিবাদ খ্ৰীষ্টীয় ধৰ্মীয় দৰ্শন আৰু বস্তুবাদী চিন্তাধাৰাৰ সমন্বয় সাধন কৰিবলৈ চেষ্টা কৰিছিল।

ৰুচোৰ জন্ম হৈছিল চুইজাৰলেণ্ডৰ জেনেভাত ১৭১২ চনৰ ২৮ জুনত। জন্মলগ্নৰ পৰাই ৰুচোৰ জীৱনত সংঘাত আৰম্ভ হৈছিল। জন্মৰ লগে লগে তেওঁ মাকক হেৰুৱায়। দেউতাক আছিল ঘড়ীৰ কাৰিকৰ। মাকৰ মৃত্যুৰ পিছতে দেউতাকেও ৰুচোক এৰি থৈ যায়। আত্মীয়-স্বজনৰ লগত থাকি ৰুচো ডাঙৰ হ'বলৈ ধৰে। সৰুৰেপৰা তেওঁ বৰ উদণ্ড আৰু অবাধ্য স্বভাৱৰ আছিল। কোনো ধৰণৰ বাধা বা নিয়মৰ শাসন তেওঁ মানিবলৈ ভাল নাপাই-ছিল। আত্মীয় সকল তেওঁৰ এই স্বভাৱত অতিষ্ঠ হৈ উঠিছিল। এবাৰ যোল্ল

বছৰ বয়সতে কচো ঘৰৰপৰা পলাই গ'ল আৰু বহুতদিন চুইজাৰলেণ্ডৰ চহৰে-নগৰে ভ্ৰমি ফুৰিবলৈ ধৰিলে। তাৰপাছত তেওঁ ইউৰোপ ভ্ৰমণত ওলাল। ইটালী আৰু ফ্ৰান্সৰ নানা ঠাইত তেওঁ ঘূৰি ফুৰিলে। এই দীঘলীয়া ভ্ৰমণে কচোৰ অভিজ্ঞতাৰ ভাণ্ডাৰ টনকিয়াল আৰু পুৰঠ কৰি তুলিলে আৰু ই পাছৰ জীৱনত তেওঁৰ চিন্তা চৰ্চা আৰু দৰ্শনতো যথেষ্ট প্ৰভাৱ পেলাইছিল। এইদৰে ভ্ৰমি ফুৰোঁতে তেওঁ এবাৰ চেভয় ওলাইছিলগৈ। চেভয়ত তেওঁ ভালেমান দিন থাকিল। এই সময় ছোৱাতে তেওঁ সঙ্গীতৰ প্ৰতি আকৃষ্ট হৈছিল আৰু সঙ্গীত আৰু নাটক চৰ্চা কৰিছিল। তেওঁ ঘাইকৈ কমেডী নাটকত কাম কৰিছিল আৰু অপেৰাত অংশ লৈছিল। বোধকৰোঁ এই সঙ্গীত নাটকত অংশ গ্ৰহণৰ কিবা অভিজ্ঞতাই তেওঁক পাছলৈ সকলো ধৰণৰ কলা চৰ্চাৰ প্ৰতি বিৰূপ কৰি তুলিছিল। চেভয়ত থকা কালতে কচোৰ লিখামেলাৰ প্ৰতি ধাউতি ওপজে আৰু মনপুতি লিখাত লাগে।

চেভয়ৰ পিছত কচো পেৰিচ পায়গৈ। পেৰিচত সেই সময়ত এনচাইক্ল'-পেডিয়া বা বিশ্বকোষ ম'ভমেণ্টৰ পূৰ্ণ পয়োভৰ। সেই সময়ত ফ্ৰান্সত যুক্তিবাদী চিন্তা চৰ্চাৰ প্ৰধান বাহক আছিল এই বিশ্বকোষসমূহ। এই বিষয়ে ভলটে-য়াৰৰ প্ৰসঙ্গতে উন্মুকিয়াই অহা হৈছে। এই বিশ্বকোষ ম'ভমেণ্টৰ নেতাসকলৰ জৰিয়তে কচোই পেৰিচৰ তথা ফ্ৰান্সৰ সাহিত্য জগতত প্ৰথম আত্মপ্ৰকাশ কৰে। এই এনচাইক্ল'পেডিয়া বোৰত তেওঁ লিখিবলৈ আৰম্ভ কৰিলে। কিন্তু কচোৰ মন সেই সময়ৰ যুক্তিবাদী চিন্তাধাৰাই বৰকৈ আকৃষ্ট কৰিব পৰা নাছিল। মানুহৰ সকলো সমস্যাকেই যুক্তিৰ সহায়েৰে সমাধান কৰিব পৰা যাব বুলি তেওঁ বিশ্বাস নকৰিছিল আৰু যুক্তিনিষ্ঠ সকলো বস্তুকেই তেওঁ সত্য বুলিও গ্ৰহণ কৰা নাছিল। তেওঁৰ বাবে হৃদয়ৰ, মানুহৰ অন্তৰৰ আবেগিক উচ্ছ্বাসৰ বিৰাট মূল্য আছিল।

ফ্ৰান্সৰ সেই সময়ৰ জনপ্ৰিয় যুক্তিবাদী দৰ্শনে তেওঁক আকৃষ্ট কৰিব পৰা নাছিল যদিও ফৰাচী সমাজব্যৱস্থাই হ'লে তেওঁক বেছকৈ আকৃষ্ট কৰিবলৈ সক্ষম হৈছিল। তেওঁ অনুভৱ কৰিছিল যে ফৰাচী সমাজখন বৰ কৃত্ৰিম, সমাজ ব্যৱস্থা বৰ অসমান আৰু অন্যায়েৰে পূৰ্ণ। অভিজাত আৰু যাজক সকলে বান্ধি দিয়া নানান আইন-কানুন আৰু নীতি-নিয়মৰে পৰিচালিত এই সমাজখনত সাধাৰণ মানুহৰ দুখ-দৈন্য, হতাশা আৰু শোষণৰ প্ৰতি কাৰো কোনো কাণ-সাৰ নাই। সমাজত প্ৰচলিত বৈষম্যমূলক বিশেষ সা-সুবিধা বোৰে সমগ্ৰ

ফৰাচী জাতিটোকে পঙ্গু কৰি পেলাইছে। অন্যায় আইন-কানুন বোৰে সাধাৰণ মানুহক বঞ্চিত কৰি এটা বিশেষ সুবিধাবাদী শ্ৰেণীক মাথোঁ। শক্তিশালী কৰি তুলিছে।

ফৰাচী সমাজৰ এনে বৈষম্য দূৰ কৰিবলৈ ৰুচো উঠি-পৰি লাগিল। এই কামৰ বাবে ৰুচোৱে যুক্তিবাদী চিন্তাধাৰাক উপযুক্ত বুলি নাভাবিলে। তেওঁ বেলেগ পন্থা, বেলেগ আদৰ্শ বিচাৰিবলৈ ধৰিলে।

এই আদৰ্শ অৱশেষত তেওঁ বিচাৰি পালেগৈ প্ৰকৃতিৰ মাজত। প্ৰকৃতিৰ নীতি-নিয়মৰ মাজতেই তেওঁ ব্যৱস্থা সলনি কৰাৰ পথ দেখা পালে। তেওঁ ক'লে যে প্ৰাকৃতিক নিয়ম অনুসৰি সকলো মানুহেই সমান আৰু সকলোৰে সমান অধিকাৰ আছে। কেৱল সুবিধাবাদী শ্ৰেণীয়ে সৃষ্টি কৰা নানান আইন-কানুনেহে মানুহৰ মাজত বৈষম্যৰ সৃষ্টি কৰি মানুহক অসমান কৰি পেলাইছে।

মানুহৰ বিৱৰ্ত্তন আৰু বিকাশৰ ইতিহাস অধ্যয়ন কৰি তেওঁ ক'লে যে এসময়ত সকলো মানুহ সকলোভাৱে সমান আছিল। ইতিহাসৰ সেই কাহিনি পুৰাত যেতিয়া মানুহ বন্য আছিল, আদিম আছিল, তেতিয়া তেওঁলোক সম্পূৰ্ণ-ভাবে মুক্ত আছিল আৰু প্ৰকৃত স্বাধীনতা উপভোগ কৰিছিল। কিন্তু লোহা আৰু ঘেঁহুৰ আবিষ্কাৰৰ লগে লগে মানুহৰ এই অবাধ স্বাধীনতা খৰ্ব হ'বলৈ আৰম্ভ কৰিলে কৃষিজীৱী মানুহে ক্ৰমান্বয়ে সমাজ পাতি বসবাস কৰিবলৈ আৰম্ভ কৰিলে আৰু ইয়াৰ ফলতে লাহে লাহে সৃষ্টি হ'ল ব্যক্তিগত সম্পত্তিৰ। আৰু এই সম্পত্তি আহৰণৰ লোভতেই মানুহ যুদ্ধত প্ৰবৃত্ত হ'ল। শক্তিৰ সহায়েৰে আনৰ সম্পত্তি অধিকাৰ কৰিবলৈ আৰম্ভ কৰিলে আৰু এই অধিকৃত সম্পত্তি ৰক্ষণাবেক্ষণৰ বাবে সৃষ্টি হ'ল আইন-কানুন নিয়ম-নীতিৰ। আৰু ইয়াৰপৰাই মানুহৰ মাজত অসমানতাৰ সৃষ্টি হ'ল। মানুহৰ মাজৰ এই বৈষম্যৰ বাবে তথাকথিত মানুহৰ সভ্যতাকেই ৰুচোই জগৰীয়া কৰিলে।

ৰুচোই ক'লে যে সকলো মানুহেই প্ৰকৃততে ভাল, কিন্তু সমাজৰ দুৰ্নীতিপূৰ্ণ অনুষ্ঠান আৰু অন্যায় আইন-কানুনবোৰেহে মানুহক বেয়া কৰি পেলায়। সকলো মানুহে স্বাধীন ভাৱেই জন্মগ্ৰহণ কৰে কিন্তু এক কৃত্ৰিম সভ্যতাৰ মেৰপেঁচত সোমাই তেওঁলোকে স্বাধীনতা হেৰুৱাই দাস হৈ পৰে।

মানুহক সভ্যতাৰ দাস কৰি মানুহৰ মাজত বৈষম্যৰ বিহগুটি সিঁচাৰ বাবে ৰুচোৱে কলা-কৃষ্টিৰ সাধনাক জগৰীয়া কৰিলে। তেওঁ ক'লে যে সকলোবোৰ জঞ্জালৰ মূলতে মানুহৰ মাজৰ অসমানতা। এই অসমানতা, এই বৈষম্যই

কিছুমান মানুহৰ হাতত সম্পত্তি জমা হোৱাৰ সুবিধা দিছে। ধনী আৰু দুখীয়া দুটা মাত্র আপেক্ষিক অৱস্থা। যেতিয়া মানুহ সমান হ'ব তেতিয়া কোনো ধনী, দুখীয়া নাথাকিব। সম্পত্তি আহৰণে মানুহক বিলাসী আৰু এলেহুৱা কৰি পেলায়। এনে ধৰণৰ বিলাসিতা আৰু এলেহুৱা স্বভাৱেই তথাকথিত কলা-কৃষ্টিৰ জন্ম দিয়ে।

ৰুচোই বিজ্ঞান, বিশেষকৈ সাহিত্য আৰু সুকুমাৰ কলাৰ চৰ্চাই মানুহক দুর্নীতি পৰায়ণ আৰু সোৰোপা কৰি দাসলৈ ৰূপান্তৰ কৰে বুলি ক'লে। আৰু এই সকলোবোৰকে ধনী সম্পত্তিশালী লোকৰ শোষণৰ আহিলা স্বৰূপ বুলি অভিহিত কৰিলে। "ৰজা আৰু শাসকসকলে প্ৰজাসকলৰ মাজত কলা-কৃষ্টি আৰু আন আন উপকৰা বস্তুবোৰ প্ৰচলিত হোৱাটো ভাল পায়।" ৰুচোই চিঞৰি উঠিল। কাৰণ এইবোৰ বস্তুৱে তেওঁলোকক সা-সম্পত্তি আহৰণ আৰু ভোগ কৰাত কোনো বাধা নিদিয়ে বৰঞ্চ সেই বাট প্ৰশস্তহে কৰি তোলে। তেওঁলোকে জানে যে এইবোৰ বস্তুৱে সাধাৰণ মানুহৰ মন সন্তুষ্টিৰ মোহজালেৰে আবৰি ৰাখি তেওঁলোকক নিষ্ক্ৰিয় আৰু মোহাচ্ছন্ন কৰি পেলায়। সাহিত্য কলা-কৃষ্টি আদি ৰসবোৰৰ চৰ্চা কৰিলে মানুহৰ মনত নতুন নতুন প্ৰয়োজনৰ সৃষ্টি হয় আৰু এই প্ৰয়োজনৰ চাহিদা মিটাবলৈ যাওঁতে তেওঁলোক প্ৰচলিত সমাজ ব্যৱস্থাৰ মেৰজালত বেছিকৈ বান্ধ খাই পৰে। বিজ্ঞান, সাহিত্য আৰু সুকুমাৰ কলাই মানুহক আজীৱন বান্ধি ৰখা শিকলিডাল ফুলৰ মালাৰে মেৰিয়াই ধুনীয়া আৰু মোহনীয় কৰি তোলে মাত্ৰ। ই তেওঁলোকৰ মনত থকা আদিম স্বাধীনতাৰ আকাংক্ষাক মোহাৰি পেলায়, দাসত্বক সহনীয় কৰি তোলে আৰু এনেদৰে তেওঁলোকক তথাকথিত সভ্য মানুহলৈ ৰূপান্তৰিত কৰে।"

নাটকৰ বিষয়েও ৰুচোৱে ভাল ধাৰণা পোষণ কৰা নাছিল। নাটককো তেওঁ শোষণৰ এটা আহিলা আৰু মানুহৰ মনক মোহাচ্ছন্ন কৰি ৰখা এটা বস্তু বুলিহে গণ্য কৰিছিল। এই কথা লৈ ভলটেয়াৰৰ লগত ৰুচোৰ মতবিৰোধ ঘটিছিল। ভলটেয়াৰে ভাবিছিল যে তেওঁৰ ভাব আৰু চিন্তাধাৰা মানুহৰ মাজলৈ কঢ়িয়াই নিবলৈ নাটক এটা বৰ ভাল মাধ্যম। আৰু ফৰাচী সমাজত সংস্কাৰ আৰু পাৰৱৰ্ত্তন ঘটাবলৈ ই এটা শক্তিশালী আহিলা। সেয়ে তেওঁ বহুত নাটক লিখিছিল। তাৰে কিছুমান সফল হৈছিল আৰু কিছুমান সফল হোৱা নাছিল। তেওঁ নাটকসমূহত সমাজৰ বৈষম্য আৰু অন্যায়ৰ প্ৰকৃত ৰূপটো

উদভাই দেখুৱাইছিল। তেওঁ ভাবিছিল যে নাটকৰ সহায়েৰে সাধাৰণ মানুহৰ মাজলৈ দৰ্শনৰ চিন্তা আৰু নতুন আদৰ্শ কঢ়িয়াই নি মানুহক সচেতন আৰু ৰুচিবান কৰি তুলিব পৰা যায়।

ৰুচোৱে কিন্তু এই কথা বিশ্বাস কৰা নাছিল। তেওঁ লিখিছিল, "মেলিয়াৰৰ পৰা ভলটেয়াৰলৈকে সমগ্ৰ ফৰাচী নাটকসমূহে ফৰাচী সামাজিক আৰু সাংস্কৃতিক জীৱনত অভিজাতসকলৰ দৃষ্টিভঙ্গীহে দাঙি ধৰিছে। ই মানুহৰ অদৰকাৰী আবেগবোৰ পৰিহাৰ কৰা নাই আৰু মানুহৰ নৈতিকতাৰো কোনো উৎকৰ্ষ সাধন কৰিব পৰা নাই। কিন্তু তাৰ পৰিবৰ্ত্তে ই সমাজলৈ সোৰোপামি আৰু দুৰ্নীতি হে কঢ়িয়াই আনিছে। মানুহক কৃত্ৰিম সভ্যতাৰ প্ৰতি আকৃষ্ট কৰিবলৈহে চেষ্টা কৰিছে।"

ৰুচোৱে বিশ্বাস কৰিছিল, যিহেতু এনে এটা কৃত্ৰিম সভ্যতাই মানুহক অসমান, দুৰ্নীতি পূৰ্ণ, অসহায় আৰু নিষ্ক্ৰিয় কৰি পেলাইছে, গতিকে এনে সভ্যতাক বৰ্জন কৰা উচিত। এনে সভ্যতাক ধ্বংস কৰি আদি মানৱৰ সমাজ ব্যৱস্থাৰ অনুকৰণত এখন সমান সমাজ গঢ়ি তুলিবলৈ ৰুচোৱে আহ্বান জনালে য'ত নেকি সম্পত্তিৰ বৈষম্য নাথাকিব। নাথাকিব ধনী আৰু দুখীয়াৰ প্ৰভেদ।

যেতিয়া ৰুচোৱে এই আদৰ্শ সম্বলিত তেওঁৰ "Discourse on the origin of inequality" বোলা ৰচনাখন ভলটেয়াৰলৈ পঠিয়ালে, তেতিয়া দুয়োৰে মাজত বিবাদৰ সূত্ৰপাত হ'ল। ভলটেয়াৰে ৰুচোৰ আদৰ্শ মানি ল'ব পৰা নাছিল। সভ্যতা, বিজ্ঞান, কলা-কৃষ্টি এই সকলোবোৰকে শোষণৰ আহিলা বুলি ৰুচোৱে আগবঢোৱা সিদ্ধান্ত তেওঁ গ্ৰহণ নকৰিলে। ভলটেয়াৰে এইবোৰক সমাজ বিবৰ্ত্তন আৰু মানুহৰ উৎকৰ্ষ সাধনৰ বাবে প্ৰয়োজনীয় বুলিহে ভাবিছিল। আইন-কানুনবোৰ উঠাই দিলে মানুহ আকৌ মুক্ত হৈ পৰিব আৰু সমাজত অন্যায় শেষ হ'ব বোলা ৰুচোৰ যুক্তি তেওঁ মানি নলৈছিল। ভলটেয়াৰে বিশ্বাস কৰিছিল যে মানুহক সম্পূৰ্ণ ভাৱে স্বাধীন কৰি, মানুহৰ মন আৰু সত্বাক আটাইবোৰ দিশৰ পৰা মুক্ত কৰিহে সামাজিক সমতা প্ৰতিষ্ঠা কৰিব পৰা যাব। স্বাধীনতাক তেওঁ আটাইতকৈ বেছি গুৰুত্ব দিছিল। আনহাতে ৰুচোৱে সমতাকহে প্ৰথম প্ৰয়োজনীয় বুলি বিবেচনা কৰিছিল। তেওঁ ভাবিছিল, প্ৰথমে সামাজিক সমতা প্ৰতিষ্ঠা কৰিহে, ধনী দুখীয়াৰ প্ৰভেদ নাইকিয়া কৰিহে মানুহৰ মুক্তি সম্ভৱ; তাৰ আগতে নহয়। এই

খিনিতেই ফৰাচী বিপ্লৱৰ মহান চিন্তানায়ক দুজনৰ মূল পাৰ্থক্য। ভলটেয়াৰৰ চিন্তাৰ কেন্দ্ৰবিন্দু আছিল মুক্তি আৰু ৰুচোৰ চিন্তাৰ কেন্দ্ৰবিন্দু আছিল সমতা।

সেয়ে এতিয়া ৰুচোৰ ৰচনাখন পাই ভলটেয়াৰে তেওঁৰ তীব্ৰ ব্যঙ্গ লেখনীৰ উত্তৰ দিলে, "মানৱ জাতিৰ বিপক্ষে লিখা আপোনাৰ ৰচনাখন মই পাইছোঁ। তাৰ বাবে ধন্যবাদ। আপোনাৰ দৰে ইমান কৌশলেৰে কোনেও আমাক ইয়াৰ আগতে পশুলৈ ৰূপান্তৰিত কৰিবলৈ চেষ্টা চলোৱা নাছিল; আপোনাৰ ৰচনাখন পঢ়িলে চাৰিঠেঙৰ ওপৰতহে খোজ কাঢ়িবলৈ মন যায়. কিন্তু ষাঠি বছৰ আগেয়ে মই সেই অভ্যাস পৰিহাৰ কৰিছোঁ আৰু এতিয়া আকৌ তাক আৰম্ভ কৰাটো মোৰ বাবে সম্ভৱ নহয়।"

ৰুচোৰ এই সমানতা বা ইকুৱেলিটিৰ আদৰ্শই সাধাৰণ মানুহৰ মন বৰকৈ স্পৰ্শ কৰিছিল। সমাজৰ বৈষম্যমূলক নিয়ম-কানুন আৰু আইনৰ হেঁচাত জুৰুলা হোৱা মানুহে ৰুচোৰ আদৰ্শৰ সমান সমাজখনৰ প্ৰতি বৰকৈ আকৃষ্ট হৈছিল। যি সময়ত ভলটেয়াৰৰ লেখনীয়ে মানুহক ধৰ্মৰ ভণ্ডামিৰ বিৰুদ্ধে সচেতন কৰি তুলিছিল, সেই সময়ত ৰুচোৰ লেখনীয়ে মানুহক এখন নতুন আৰু সমান সমাজ প্ৰতিষ্ঠা কৰিবলৈ অনুপ্ৰাণিত কৰিছিল। সমাজৰ বৈষম্য, অভিজাত, ধনী যাজক আৰু আন আন সুবিধাভোগী সকলৰ বিৰুদ্ধে জনতাৰ পুঞ্জীভূত ক্ষোভ বঢ়াই তুলিছিল আৰু বিপ্লৱৰ সময়ত ইয়েই ৰূপান্তৰিত হৈছিল অভিজাত আৰু গীৰ্জাৰ সা-সম্পত্তিৰ ওপৰত জনতাৰ প্ৰচণ্ড আক্ৰমণৰ দাবানলত, যি দাবানলে ফ্ৰান্সৰ পুৰণি পৰম্পৰা জৰ্জৰিত সমাজব্যৱস্থা ভাঙি তচ্‌নচ্‌ কৰি পেলাইছিল আৰু শেষত সম্ৰাটক ক্ষমতাৰ পৰা অপসাৰিত কৰি, সমগ্ৰ ৰাজ পৰিয়ালক নিশ্চিহ্ন কৰি প্ৰতিষ্ঠা কৰিছিল 'ফৰাচী ৰিপাব্লিক'।

ৰুচোৰ চিন্তাধাৰাই বিপ্লৱৰ নেতৃবৃন্দ, বিশেষকৈ ৰবচপিয়েৰ, মাৰা, দাঁ-তঁ আদিৰ ৰাজনৈতিক দৰ্শনৰ ভেটি আছিল।

এইসময়ত ৰুচোৱে 'এমিলি' বোলা এখন নতুন কিতাপ লিখে। মনোৰম কাহিনীৰ মাজেৰে তেওঁ দেশৰ শিক্ষাব্যৱস্থাৰ বৈপ্লৱিক পৰিৱৰ্তন সাধন কৰিবলৈ আহ্বান জনায়। এই কিতাপখনত তেওঁ প্ৰচলিত শিক্ষা ব্যৱস্থাত শিশুক কেনেকৈ এটা প্ৰাণশক্তি ৰহিত যন্ত্ৰৰ দৰে ব্যৱহাৰ কৰা হয় তাক উদঙাই দেখুৱায়। তেওঁ শিশু সকলক প্ৰাকৃতিক সৌন্দৰ্য্য উপভোগ কৰিবলৈ

শিকাৰৰ বাবে, স্কুলঘৰৰ বাহিৰৰ উন্মুক্ত প্ৰাঙ্গনত খেলা-ধূলা কৰি শাৰীৰিক উৎকৰ্ষ সাধনৰ বাবে আৰু শিশুৰ মনত স্বদেশপ্ৰেমৰ সহায়ত নৈতিক মূল্যবোধ জগাই তুলিবৰ বাবে আহ্বান জনালে। দেশত এক সাৰ্ব্বজনীন কু-সংস্কাৰমুক্ত শিক্ষাব্যৱস্থা গঢ়ি তোলাৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰিলে।

পোন প্ৰথমবাৰৰ বাবে তেওঁ ক'লে যে শিশুৰ শিক্ষা কেৱল স্কুলতেই নহয়। নিজৰ ঘৰখনতেই এই শিক্ষা প্ৰথমে আৰম্ভ হয়। শিশুৰ গঠনমুখী কোমল মনটোত ঘৰখনৰ পৰিবেশে মচিব নোৱৰা সাঁচ বহুৱায়। সেয়ে তেওঁ অভিভাৱকসকলক অযথা কাৰাশাসন, মাৰধৰ আৰু উপদেশ বৰ্ষণ নকৰি সজ আৰু সৎ কামৰ আৰ্হি দেখুৱাই শিশুক অনুপ্ৰাণিত কৰিবলৈ ক'লে।

ৰুচোৰ এই আদৰ্শ সম্পূৰ্ণ নতুন আছিল। কেথলিক গীৰ্জাৰ দ্বাৰা পৰিচালিত ঘুণেধৰা শিক্ষা ব্যৱস্থাৰ প্ৰতি ই এক প্ৰচণ্ড প্ৰত্যাহ্বান স্বৰূপ হৈ পৰিল। ৰুচোৰ এই চিন্তাধাৰাই শিক্ষাজগতত আমূল পৰিৱৰ্ত্তনৰ সূচনা কৰিলে আৰু বৰ্ত্তমানৰ শিক্ষাব্যৱস্থাৰ ভেটি প্ৰতিষ্ঠা কৰিলে। বিপ্লৱৰ সময়ত গীৰ্জাৰ দ্বাৰা পৰিচালিত পুৰণি শিক্ষা অনুষ্ঠান সমূহ ভাঙি তাৰ ঠাইত নিৰপেক্ষ সাৰ্ব্বজনীন পঢ়াশালি পতাৰ মূলতেই আছিল ৰুচোৰ এই আদৰ্শ।

ইয়াৰ পাছতে ৰুচোৱে 'দি চচিয়েল কনট্ৰেক্ট' বুলি এখন কিতাপ লিখি উলিয়ায়। এইখনত তেওঁ চৰকাৰ (গৱৰ্ণমেণ্ট) আৰু শাসনব্যৱস্থাৰ আৰম্ভণি আৰু বিবৰ্ত্তন সম্পৰ্কে বিস্তাৰিত আলোচনা কৰিছিল আৰু মানুহৰ সমানতাৰ অধিকাৰ, দেশৰ আইন-কানুন আৰু সামাজিক বৈষম্যৰ ওপৰত তেওঁৰ চিন্তাধাৰা দাঙি ধৰিছিল। প্ৰকৃত পক্ষে ফৰাচী বিপ্লৱৰ প্ৰধান আদৰ্শ সমূহৰ ভেটি আছিল এই কিতাপখনেই।

ৰুচোৱে এই সুবৃহৎ কিতাপখনত মানুহৰ সমানতাৰ অধিকাৰ সম্বন্ধে আমি আগতে পাই অহা চিন্তাধাৰাৰ পূৰ্ণ ৰূপ দিছিল। তেওঁ কৈছিল যে আদিম মানৱ সমাজৰ সমতা আৰু স্বাধীনতা, যদিও একান্ত কাম্য তথাপি তাক লাভ কৰিবলৈ বৰ্ত্তমানৰ সমাজখন আদিম অৱস্থালৈ আকৌ উভতি যাব নোৱাৰে। এই সমানতা আৰু স্বাধীনতা সুনিশ্চিত কৰিবলৈ হ'লে তিনিটা প্ৰধান কাম কৰিব লাগিব।

প্ৰথমতে সকলো মানুহৰে ৰাজনৈতিক অধিকাৰ সমান হ'ব লাগিব আৰু সকলো মানুহৰ সাধাৰণ ইচ্ছা সাপেক্ষে (General will) এক সুষম আইন ব্যৱস্থা গঢ়ি তুলিব লাগিব, যি সকলোৱে গ্ৰহণযোগ্য হ'ব। ধনীলোকৰ ব্যক্তিগত

ইচ্ছা অনিচ্ছাই যাতে কোনো মানুহবে স্বাধীনতা আৰু অধিকাৰ খৰ্ব কৰিব নোৱাৰে তাৰবাবে সমাজত ধনী দুখীয়াৰ পাৰ্থক্য নাইকিয়া কৰিব লাগিব।

দ্বিতীয়তে, এটা সাৰ্বজনীন শিক্ষাব্যৱস্থা গঢ়ি তুলিব লাগিব যি তাহানিৰ স্পাৰ্টাৰ অনুকৰণত সকলো শিশুকে স্বদেশপ্ৰেম আৰু নৈতিক আদৰ্শৰে উদ্বুদ্ধ কৰি সু-নাগৰিক কৰি গঢ়ি তুলিব।

তৃতীয়তে, ৰুচোৱে বিশ্বাস কৰিছিল যে এনে এটা অৰ্থনৈতিক আৰু বিত্ত ব্যৱস্থা গঢ়ি তুলিব লাগিব যি সমাজত অৰ্থনৈতিক বৈষম্য নাইকিয়া কৰি, সম্পত্তিৰ ওপৰত কৰ লগাই সম্পত্তিৰ একত্ৰীকৰণ শেষ কৰি এক জনকল্যাণ মুখী সমাজ গঢ়ি তুলিব পাৰিব। ৰুচোৱে কল্পনা কৰা এনে এখন আদৰ্শ সমাজত নৈতিকতাৰ বান্ধোন সুদৃঢ় কৰি ৰাখিবলৈ তেওঁ এজন সৰ্ব্বশক্তিমান ঈশ্বৰ আৰু বিশুদ্ধ, সৰল এক ধৰ্মৰ প্ৰয়োজন আছে বুলি উল্লেখ কৰিছিল। এখন শক্তিশালী প্ৰজাতন্ত্ৰৰ ভেটি স্থাপন কৰিবলৈ সমাজে এনে ধৰ্ম আৰু ঈশ্বৰ বিশ্বাসৰ পৃষ্ঠপোষকতা কৰাটো প্ৰয়োজন আছে বুলি ৰুচোৱে ভাবিছিল। কিন্তু আনহাতে কেথলিক গীৰ্জাৰ শোষণ আৰু ভণ্ডামি শেষ কৰিবলৈ তেওঁ দ্বিধাশূন্য আহ্বান জনাইছিল। ভলটেয়াৰ আৰু অন্য যুক্তিবাদী দাৰ্শনিকৰ তীব্ৰ সমালোচনাই সাধাৰণ মানুহৰ মনত গীৰ্জা আৰু ঈশ্বৰৰ প্ৰতি সন্দেহ ওপজাইছিল। বিপ্লৱত এই অনুষ্ঠানবোৰ আক্ৰমণ কৰি ধ্বংস কৰাত সাধাৰণ জনতাৰ মনত এক শূন্যতাৰ সৃষ্টি হৈছিল। এনে অৱস্থাত মাজে সময়ে ধৰ্মৰ সপক্ষে আনকি বিদ্ৰোহ আদিও হৈছিল। কাৰণ, সাধাৰণ মানুহে যুক্তিবাদৰ বিতৰ্কৰ মাজত ধৰ্মই দিয়া শান্তি বিচাৰি পোৱা নাছিল। সেয়ে সেই সময়ত ৰুচোৰ আদৰ্শৰে অনুপ্ৰাণিত নেতা ৰবচপিয়েৰ আদিয়ে সমাজত শান্তি-শৃঙ্খলা স্থাপন কৰিবলৈ ৰুচোৰ আদৰ্শৰ এক 'সৰল আৰু শুদ্ধ' ধৰ্মক সমাজত পুনৰ প্ৰতিষ্ঠা কৰিবলৈ বাধ্য হৈছিল।

আইন সম্পৰ্কত ৰুচোৰ মতবাদ আছিল এনে ধৰণৰ—তেওঁ কৈছিল যে যেতিয়ালৈকে কোনো আইন মানুহে স্বেচ্ছাই গ্ৰহণ নকৰে তেতিয়ালৈকে সেই আইন কাৰ্য্যকৰী হ'ব নোৱাৰে। যিহেতু ফ্ৰান্সৰ বৈষম্যমূলক আইনব্যৱস্থা জনসাধাৰণে গ্ৰহণ কৰা নাই সেয়ে এনে আইনৰ কোনো বৈধতা নাই। অন্যায় আইন-কানুনবোৰে মানুহৰ মাজত বৈষম্যৰ সৃষ্টি কৰি মানুহৰ স্বাধীনতা ধ্বংস কৰি পেলায়। সেয়ে এনে আইন মনাৰ কোনো যুক্তি থাকিব নোৱাৰে। ৰুচোৰ মতে সমাজত সমতাস্থাপন কৰিবলৈ হ'লে প্ৰাকৃতিক নিয়মৰ ভিত্তিত

এনে কিছুমান আইনৰ প্ৰয়োজন যিবোৰে সমাজৰ বৈষম্য দূৰ কৰিব পাৰিব। মানুহে নিজৰ ইচ্ছামতে স্বেচ্ছাচাৰী ভাৱে কাম কৰিবলৈ আগবাঢ়িলে সি গৈ সমাজত বিশৃঙ্খলতাৰ সৃষ্টি কৰে। কিন্তু যদি মানুহে নিজে মানি লোৱা নিয়ম-নীতি মতে বাস কৰে তেনেহ'লে স্বাধীনতাৰ নিৰ্মল সম্পদ উপভোগ কৰিবলৈ সক্ষম হয়। এই আইন সাধাৰণ মানুহে নিজে বনাব লাগিব যেনেকৈ বনাইছিল আমাৰ আদি পুৰুষসকলে। সমাজৰ লগত খাপ খোৱাকৈ নতুন নিয়ম-নীতি প্ৰস্তুত কৰি বৈষম্য আঁতৰাব লাগিব। ওপৰৰপৰা সুবিধাভোগী শ্ৰেণীয়ে জাপি দিয়া অন্যায় আইনে সমাজত সমতা স্থাপন কৰিব নোৱাৰে, কাৰণ বৈষম্য বজাই ৰাখিবলৈহে এইবোৰৰ সৃষ্টি। আইনৰ মেৰপেঁচৰ সহায়ত ধনীসকলে যাতে সা-সুবিধা লৈ থাকিব নোৱাৰে তাৰবাবে সাধাৰণ মানুহৰ ইচ্ছাই দেশৰ আইন হ'ব লাগিব, সমাজত সমতা প্ৰতিষ্ঠা হ'বই লাগিব।

সকলো মানুহৰে স্বাধীনতাৰ অধিকাৰ সাৰ্ব্বভৌম। আৰু সেই সাৰ্ব্বভৌম ক্ষমতা তেওঁলোকে এনে এখন চৰকাৰৰ দ্বাৰা পৰিচালিত কৰিব লাগিব যিখন চৰকাৰ প্ৰয়োজন হ'লে জনতাই ভাঙি দিব পাৰিব। এনেদৰে গঠিত হোৱা এখন চৰকাৰৰ প্ৰতি দায়িত্ব, কৰ্ত্তব্য আৰু চৰকাৰে দিয়া ৰক্ষণাবেক্ষণৰ বাবে বাধ্যতা থাকিব। সেয়ে জনসাধাৰণৰ ইচ্ছাৰে প্ৰতিষ্ঠা হোৱা এই চৰকাৰৰ বিৰোধী সকলক কঠোৰ শাস্তি আনকি মৃত্যুদণ্ড দিয়াৰো প্ৰয়োজনীয়তা ৰুচোৱে দাঙি ধৰিলে। ৰুচোৰ এই 'মানুহৰ সাৰ্ব্বভৌমত্ব'ৰ আদৰ্শ বিপ্লৱৰ সোঁতত গৈ পৰিণত হ'ল ৰাষ্ট্ৰৰ সাৰ্ব্বভৌমত্বত। কিন্তু ৰুচোৰ এই চিন্তাধাৰাতেই ভৱিষ্যতৰ গণতান্ত্ৰিক অনুষ্ঠানসমূহৰ আদৰ্শ নিহিত হৈ আছিল আৰু বিপ্লৱৰ সময়ত ই গণতন্ত্ৰৰ বাবে প্ৰধান অনুপ্ৰেৰণাৰ উৎস হৈ পৰিছিল।

ৰুচোৰ 'এমিলি' আৰু 'চচিয়েল কনট্ৰেক্ট' কিতাপ দুখন ওলোৱাৰ লগে লগে চাৰিওফালে তোলপাৰ লাগিল। তেওঁক সকলোৱে তীব্ৰ সমালোচনাৰে আক্ৰমণ কৰিব ধৰিলে। পেৰিচৰ 'পাৰ্লিয়ামেণ্টে' ১৭৬২ চনৰ জুন মাহত তেওঁক চৰকাৰ, ধৰ্ম্ম আৰু গীৰ্জ্জাৰ পৰিপন্থী বুলি গৰিহণা দিলে। ঠায়ে ঠায়ে তেওঁৰ কিতাপ নিষিদ্ধ কৰা হ'ল, পুৰি পেলোৱা হ'ল। তেওঁৰ ঘৰটোও কিছুমান উন্মত্ত মানুহে লণ্ড-ভণ্ড কৰিলে। ভলটেয়াৰেও তেওঁক বৰ বেয়াকৈ সমালোচনা কৰিলে। "এজন নাগৰিকৰ উপলব্ধি" বোলা এখন বেনামী পুস্তিকা চপাই ভলটেয়াৰে ৰুচোক বৰ বেয়াকৈ আক্ৰমণ কৰিলে। তেওঁ ৰুচোক ভণ্ড, নিৰ্দ্দয়, দায়িত্ব জ্ঞান-হীন পিতৃ আৰু অকৃতজ্ঞ বন্ধু বুলি অভিহিত কৰিলে।

সকলোৰে এনে ধৰণৰ আক্ৰমণত ৰুচোৱে মৰ্মান্তিক আঘাত পালে। তেওঁ প্ৰথমে চুইজাৰলেণ্ড আৰু তাৰ পিছত ইংলেণ্ডলৈ গুচি গ'ল। তাতে তেওঁ 'কনফেশ্যন' বুলি এখন আত্মজীৱনী মূলক স্বীকাৰোক্তি লিখি উলিয়ালে। এই কিতাপখন প্ৰকাশ হোৱাৰ লগে লগে আকৌ এবাৰ তোলপাৰ লাগিল। এইবাৰ বিশেষকৈ তোলপাৰ লাগিল সাহিত্য জগতত। ৰুচো আৰু সমসাময়িক অন্যান্য লেখক সকলে আৰম্ভ কৰা সাহিত্যৰ ৰোমান্তিক আন্দোলন যেন এইবাৰতে সবল হৈ উঠিল। প্ৰকৃতপক্ষে ৰুচোকেই ৰোমান্তিক আন্দোলনৰ জনক বুলিব পাৰি। তেঁৱেই প্ৰথমবাৰৰ বাবে সাহিত্যত প্ৰকৃতিৰ অতুলনীয় সৌন্দৰ্য্যৰ বিষয়ে লেখক আৰু পাঠক সকলোকে সচেতন কৰি তোলে আৰু আবেগ উচ্ছ্বাসৰ এক নতুন প্ৰবাহ আৰম্ভ কৰে, মানুহৰ নিবিড় অনুভূতি বোৰক তেওঁ লেখনিৰ মাজলৈ লৈ আহে—আৰম্ভ কৰে প্ৰেম আৰু সৌন্দৰ্য্যৰ উপাসনা। তেওঁৰ উপন্যাস 'জুলি' এখন অতি সুন্দৰ ৰোমান্তিক ৰচনা। ৰুচোৰ এই লেখনিয়ে তেওঁৰ পৰৱৰ্ত্তী লেখক সকলক খুব অনুপ্ৰাণিত কৰিছিল। ক্লাচিকচৰ বান্ধোন ভাঙি আবেগিক উচ্ছ্বাসেৰে সৌন্দৰ্য্যৰ সাধনা কৰিবলৈ তেওঁলোকে অনুপ্ৰেৰণা পাইছিল। লৰ্ড বাইৰণ আৰু শ্বেলীয়ে আনকি 'জুলি' উপন্যাস খন সম্পূৰ্ণ ভাৱে উপলব্ধি কৰিবলৈ ভূমধ্য সাগৰীয় এলেকাৰ যি পৰিবেশ লৈ ৰুচোৱে লিখিছিল সেই ঠাইবোৰত ভ্ৰমণ কৰি ফুৰিছিল। শ্বেলীৰ হাতত সেই সময়ত আছিল 'জুলি' উপন্যাসখনৰ এটা কপি। সেয়া আছিল ১৮১৬ চন।

ইংলেণ্ডত ৰুচোৱে বেছিদিন থাকিব নোৱাৰিলে। তাতো তেওঁৰ কাজিয়া লাগিল। তেওঁ তেতিয়া আকৌ ফ্ৰান্সলৈ উভতি আহিল। কিন্তু ইতিমধ্যে তেওঁ স্বাস্থ্য সম্পূৰ্ণ ৰূপে ভাঙি পৰিছিল। ইংলেণ্ডৰপৰা উভতি অহা পাছৰ বছৰেই তেওঁৰ পেৰিচৰ ওচৰত আৰ্মেন ভিলাত মৃত্যু হয়। ১৭৭৮ চনৰ দুই জুলাইত।

জ্যাঁ-জেক্‌চ ৰুচোৰ মৃত্যু হ'ল, কিন্তু তেওঁৰ চিন্তাধাৰা, আদৰ্শ আৰু দৰ্শনে মানুহক অনুপ্ৰাণিত কৰি থাকিল। ফৰাচী বিপ্লৱৰ ৰাজনৈতিক আৰু সামাজিক ব্যৱস্থা সমূহ তেওঁৰ আদৰ্শৰে অনুপ্ৰাণিত আছিল। অকল সেয়ে নহয়, শিক্ষা, সমাজ, ৰাজনীতি, সাহিত্য সকলোতে তেওঁ এক নতুন দিগন্তৰ সন্ধান দি গৈছিল। সাধাৰণ মানুহৰ ৰাজনৈতিক আৰু সামাজিক অধিকাৰ আৰু স্বাধীনতাৰ সপক্ষে মাত মতা তেৱেঁই প্ৰথম জন দাৰ্শনিক। ইতিহাসত তেঁৱেই প্ৰথম সমাজবাদী চিন্তানায়ক।

তৃতীয় খণ্ড

ত্ৰয়োদশ অধ্যায়

১৭৮৮ চনৰ ৭ আগষ্টৰ দিনা সম্ৰাট লুয়ে 'ষ্টেটচ্ জেনেৰেল' আহ্বান কৰিলে। ফ্ৰান্সৰ ইতিহাসত দ্বিতীয়বাৰৰ বাবে এইদৰে জনপ্ৰতিনিধি সকলক শাসন কাৰ্যত সহায় কৰিবলৈ আৰু উপদেশ দিবলৈ আহ্বান কৰা হ'ল। ১৭৫ বছৰ আগেয়ে আৰু এবাৰ এনেদৰে 'ষ্টেটচ্ জেনেৰেল' আহ্বান কৰা হৈছিল কিন্তু সেইবাৰ এই ব্যৱস্থা সফল হোৱা নাছিল। এইবাৰ আকৌ আহ্বান জনোৱাত ফ্ৰান্সত এক বিৰাট আশাৰ সৃষ্টি হ'ল। বহু প্ৰত্যাশিত সংস্কাৰ সমূহ আহিব বুলি, অন্যায় আৰু দুখ-কষ্টৰ উপশম হ'ব বুলি সাধাৰণ মানুহ আনন্দিত হ'ল। অভিজাত সকলে কিন্তু এই কথা ভাল নাপালে। তেওঁলোকে সম্ৰাটক এই পন্থা গ্ৰহণ নকৰিবলৈ খুব জোৰ কৰিছিল কিন্তু নেকাৰৰ পৰামৰ্শত সম্ৰাটে তেওঁলোকৰ কথা নামানি 'ষ্টেটচ্ জেনেৰেল' আহ্বান কৰিলে।

১৭৮৯ চনৰ ৪ আগষ্টৰ দিনা নিৰ্ব্বাচিত প্ৰতিনিধিসকল ভাৰ্চাইলৈ আহিল। ভাৰ্চাই প্ৰাসাদৰ ওচৰত 'হল অব মাইনৰ ডাইভাৰচনত' তেওঁলোক সমবেত হ'লহি। জনসাধাৰণ, মধ্যবিত্ত আৰু বুৰ্জোৱা সকল মিলি গঠিত হোৱা থাৰ্ড এষ্টেটৰ ৬২১ জন প্ৰতিনিধি আহিল। যাজক সম্প্ৰদায়ৰপৰা আহিল ৩০৮ জন আৰু অভিজাতসকলে পঠালে ২৮৫ জনক। এক বিৰাট জাক-জমকীয়া শোভাযাত্ৰা কৰি প্ৰতিনিধি সকল মন্ত্ৰণাসভালৈ আহিল।

জনসাধাৰণে তেওঁলোকক বিৰাট সম্বৰ্দ্ধনা জনালে। হাজাৰ হাজাৰ মানুহে নতুন প্ৰতিনিধি সকলক শুভ কামনা জনাবলৈ শোভাযাত্ৰা কৰা বাটৰ দুয়োকাষে শাৰী পাতিলেহি। আনন্দত তেওঁলোকে প্ৰতিনিধিসকলৰ গালৈ ফুল ছটিয়ালে, মাইকী মানুহ বিলাকে কমালেৰে চকুপানী মোহাৰিলে। এই ঐতিহাসিক প্ৰত্যাশাৰ দিনটোত তেওঁলোকে অন্তৰৰ আবেগ লুকাই ৰাখিব নোৱাৰিলে।

এই দ্বিতীয় 'ষ্টেটচ্ জেনেৰেল' পাঁচাকৈয়ে ঐতিহাসিক আছিল। ১৭৫ বছৰ আগৰ প্ৰথমখন 'ষ্টেটচ জেনেৰেলতকৈ' এইখন বহুত বেলেগ আছিল। প্ৰথম খনত অভিজাত, যাজক আৰু জনসাধাৰণৰ সকলোৰে সমান সমান প্ৰতিনিধি আছিল আৰু সকলোৱে বেলেগে বেলেগে ভোটদান কৰিছিল। তাৰোপৰি তিনিওটা শ্ৰেণীয়ে সন্মতি দিলেহে, কিবা এটা সিদ্ধান্ত ল'ব পৰা গৈছিল। এইবাৰ কিন্তু জনসাধাৰণৰ প্ৰতিনিধি বাকী দুটা শ্ৰেণীৰ সমবেত প্ৰতিনিধিৰ সংখ্যাৰ সমান আছিল। তাৰোপৰি এইবাৰ সকলো নিৰ্ব্বাচিত প্ৰতিনিধিকেই তেওঁলোকৰ দাবী, মতামত আৰু পৰামৰ্শ জনাই একো একোখন ৰিপৰ্ট (cahier) সম্ৰাটক দিবলৈ আহ্বান কৰা হৈছিল। পোন প্ৰথমবাৰৰ বাবে নিৰ্ব্বাচিত প্ৰতিনিধিসকলৰপৰা এনেদৰে লিখিতভাৱে পৰামৰ্শ বিচৰা কাৰ্যই সাধাৰণ মানুহৰ মনত আশা আৰু আনন্দৰ সঞ্চাৰ কৰিছিল। তেওঁলোকৰ অভাৱ-অভিযোগ, দাবী আৰু আশাবোৰ একেবাৰে ওপৰমহলাত জনাব পৰা যাব বুলি তেওঁলোকে ভাল পাইছিল। কিন্তু 'ষ্টেটচ জেনেৰেলত' এইবাৰো এটা ডাঙৰ খুঁত বৈ গৈছিল। এইবাৰো তিনিওটা শ্ৰেণীয়ে একেলগে ভোটদান কৰিবনে আগৰবাৰৰ দৰে বেলেগে বেলেগে ভোটদান কৰিব সেই প্ৰশ্নটো এতিয়াও সমাধান হোৱা নাছিল।

এইবাৰ 'ষ্টেটচ জেনেৰেলৰ' নিৰ্ব্বাচন পদ্ধতিও আগতকৈ বেলেগ আছিল। ইতিহাসত প্ৰথম বাৰৰ বাবে এটা ন্যায়সঙ্গত প্ৰণালীৰ ভোটগ্ৰহণ কৰাৰ চেষ্টা কৰা হৈছিল। ২৭ বছৰৰ ওপৰৰ আৰু আগৰ বছৰটোত সম্পূৰ্ণভাৱে কৰ পৰিশোধ কৰা প্ৰতিজন লোকেই ভোট দিব পাৰিছিল। কিন্তু তথাপিও এই ব্যৱস্থা সম্পূৰ্ণ দোষমুক্ত বা নিৰপেক্ষ নাছিল। বিশেষকৈ পেৰিচ মহানগৰীৰ জনসাধাৰণৰ ক্ষেত্ৰত।

সেই সময়ত পেৰিচত প্ৰায় সাতলাখ সাধাৰণ নাগৰিকে বসবাস কৰিছিল। সৰু সৰু কাৰবাৰী, মজদুৰ, দোকানী, শ্ৰমিক, নিম্ন মধ্যবিত্ত আৰু অন্যান্য বৃত্তিধাৰী লোক আৰু সৰ্ব্বহাৰাসকল আছিল এই পাঁচলাখ লোকৰ অন্তৰ্ভুক্ত। এই মানুহখিনি ৰাজনৈতিক ভাৱে সচেতন আছিল আৰু কলা-সংস্কৃতি, চিন্তাচৰ্চা সকলো ফালৰপৰা এওঁলোক ফ্ৰান্সৰ ভিতৰতে আগবঢ়া আছিল। নতুন দাৰ্শনিক আৰু বুদ্ধিজীৱী সকলৰ সংশ্ৰৱত থকা, নতুন নতুন আদৰ্শৰ সন্মুখীন হোৱা, নতুন চিন্তাধাৰাৰ সম্ভেদ পোৱা এইচাম চেতন জনতা প্ৰকৃতপক্ষে ফ্ৰান্সৰ বৈপ্লৱিক চিন্তাধাৰাৰ প্ৰধান নেতা আছিল। শাসক সকলে স্বাভাৱিকতে

এই জনতাক ভয় কৰিছিল আৰু সেয়ে প্ৰতিনিধি নিৰ্ব্বাচনৰ ক্ষেত্ৰত তেওঁলোকে পেৰিচৰ বাবে এটা নতুন নিয়ম উলিয়ালে। যি লোকে এটা নিৰ্দিষ্ট পৰিমাণৰ ধন 'নিৰ্ব্বাচনী কৰ' হিচাপে দিছিল তেওঁহে কেৱল ভোটদানৰ অধিকাৰ পাইছিল। এই ব্যৱস্থাৰ জৰিয়তে সাধাৰণ বিক্ষুব্ধ মানুহখিনিয়ে যাতে ভোট দি প্ৰতিনিধি নিৰ্ব্বাচন কৰিব নোৱাৰে তাৰ ব্যৱস্থা লোৱা হৈছিল।

বিপ্লৱৰ হুলস্থুলৰ পাছত বুৰঞ্জীবিদসকলে নিৰ্বাচিত প্ৰতিনিধিবোৰে সম্ৰাটক দিয়া বহুতো 'ৰিপৰ্ট' পাইছিল। এইবোৰত নানা ধৰণৰ দাবী আৰু পৰামৰ্শ আছিল। (১) প্ৰায় সকলোবোৰ ৰিপৰ্টতে সম্ৰাটক প্ৰশংসা কৰা হৈছিল আৰু দেশত সুশাসন প্ৰৱৰ্ত্তনৰ বাবে ৰাজতন্ত্ৰৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা স্বীকাৰ কৰা হৈছে। কিন্তু সম্ৰাটক ঈশ্বৰৰ প্ৰতিনিধি স্বৰূপ বুলি কোনো এখন ৰিপৰ্টতে উল্লেখ কৰা হোৱা নাছিল। আনকি যাজক সকলৰ ৰিপৰ্টবোৰো ইয়াৰ ব্যতিক্ৰম নাছিল।

প্ৰায়বোৰ প্ৰতিনিধিয়েই দেশৰ আইন ব্যৱস্থাৰ আমূল সংস্কাৰৰ বাবে দাবী জনাইছিল। জুৰিৰ সহায়েৰে মুকলি আৰু নিৰপেক্ষ বিচাৰ ব্যৱস্থাৰ প্ৰৱৰ্ত্তন, ডাক ব্যৱস্থাত ব্যক্তিগত গোপনীয়তা ৰক্ষা আৰু কৰ-কাটল সুষম আৰু ন্যায়সঙ্গত কৰি তুলিবলৈ পৰামৰ্শ দিয়া হৈছিল।

অভিজাত প্ৰতিনিধিসকলে সাধাৰণ লোক আৰু যাজকসকলৰপৰা বেলেগে বহি বেলেগে ভোট দিয়াৰ ক্ষমতা দাবী কৰিছিল আৰু তিনিওটা শ্ৰেণীৰ প্ৰতিনিধিয়ে বেলেগে বেলেগে ভোট দি অনুমোদন নজনোৱালৈকে কোনো ব্যৱস্থাই আইনত পৰিণত হ'ব নোৱাৰিব বুলি দাবী জনাইছিল। তেওঁলোক প্ৰথমৰপৰাই 'ষ্টেটচ জেনেৰেল' আহ্বান কৰাৰ বিপক্ষে আছিল আৰু সেয়ে এতিয়া প্ৰথমবাৰৰ দৰে এই ব্যৱস্থা যাতে এইবাৰো সফল হ'ব নোৱাৰে, সমাজত তেওঁলোকৰ প্ৰতিপত্তি আৰু ক্ষমতা যাতে অব্যাহত থাকে তাৰ বাবে যৎপৰনোস্তি চেষ্টা চলাইছিল।

যাজক সকলে দাখিল কৰা ৰিপৰ্টবোৰত ধৰ্মৰ ক্ষেত্ৰত কোনো সহনশীলতা দেখুৱা ভাল নহয় বুলি আৰু দেশৰ সমগ্ৰ শিক্ষাব্যৱস্থা কেথলিক গীৰ্জাৰ পৰিচালনাৰ অধীন কৰাটো উচিত বুলি মত প্ৰকাশ কৰা হৈছিল।

সাধাৰণ প্ৰতিনিধি সকলে কৰ-কাটল কমাবলৈ, বিনামূলীয়া সাৰ্বজনীন শিক্ষা ব্যৱস্থা প্ৰৱৰ্ত্তন কৰিবলৈ আৰু সামন্তবাদী ভূমি ব্যৱস্থাৰ অবসান ঘটাবলৈ দাবী জনাইছিল। এওঁলোকৰে মাজৰ মধ্যবিত্ত সকলে দেশৰ সকলো গুৰুত্বপূৰ্ণ

কাম-কাজৰ বাবে যোগ্যতাৰ ভিত্তিতহে প্ৰাৰ্থী নিৰ্বাচন কৰিবলৈ, অভিজাত সকল আৰু গীৰ্জাৰ সা-সম্পত্তিৰ ওপৰত কৰ বহুৱাবলৈ, নানা ধৰণৰ অন্যায় কৰকাটল আৰু শুল্ক ব্যৱস্থা উঠাই দিবলৈ দাবী জনাইছিল। তেওঁলোকৰ কেইজনমানে ৰাষ্ট্ৰীয় কোষাগাৰৰ ঘাটি পূৰণ কৰিবৰ বাবে গীৰ্জাৰ সকলো সম্পত্তি বাজেয়াপ্ত কৰিবলৈ পৰামৰ্শ আগবঢ়াইছিল। 'থাৰ্ড এষ্টেট'ৰ প্ৰতিনিধি সকলে সংসদৰ সকলো ভোট দান তিনিওটা শ্ৰেণীৰ যুটীয়া অধিবেশনত হ'ব লাগে বুলি মত প্ৰকাশ কৰিছিল।

এই ৰিপৰ্টবোৰতেই জনসাধাৰণৰ দাবী আৰু বিপ্লৱৰ পূৰ্বাভাস ভালদৰেই পোৱা যায়। জনসাধাৰণৰ প্ৰতিনিধিসকলৰ হাতলৈ ৰাষ্ট্ৰক্ষমতা গলে কেনেধৰণৰ ব্যৱস্থা লোৱা হ'ব পাৰে তাৰো ইঙ্গিত ইয়াতে পোৱা যায়।

'ষ্টেটচ জেনেৰেলৰ' প্ৰথম দিনাৰ অধিবেশনত সম্ৰাট আৰু বিত্তমন্ত্ৰী নেকাৰে ভাঁষণ দিলে। তেওঁলোক দুয়ো দেশৰ দুৰ্দশাগ্ৰস্ত অৰ্থ নৈতিক অৱস্থা, প্ৰায় শূন্য ৰাষ্ট্ৰীয় কোষাগাৰ আৰু ক্ৰমান্বয়ে বেয়াৰ পিনে ঢাল খোৱা অৰ্থনৈতিক অৱস্থা আঙুলিয়াই দেখুৱায় আৰু ৰাষ্ট্ৰৰ আয় বঢ়াবৰ বাবে নতুন নতুন পন্থা উলিয়াবলৈ আহ্বান জনালে। সম্ৰাটে দেশত কেতবোৰ সৰুসুৰা সংস্কাৰ সাধন কৰাৰো প্ৰতিশ্ৰুতি দিলে। কিন্তু সম্ৰাটৰ ভাষণে তিনিওটা শ্ৰেণীৰ কাকোৱেই সন্তুষ্ট কৰিব পৰা নাছিল। বিশেষকৈ জনসাধাৰণৰ প্ৰতিনিধিসকল আটাইতকৈ বেছি অসন্তুষ্ট আছিল। অভিজাত আৰু যাজক সকলক তেওঁলোকে কোনোমতে বিশ্বাস কৰিব পৰা নাছিল। দেশৰ অসমান সমাজব্যৱস্থাৰ আমূল সংস্কাৰত সমৰ্থন জনাই এই দুটা শ্ৰেণীয়ে যে নিজৰ সা-সুবিধাবোৰ স্ব-ইচ্ছাই ত্যাগ কৰিব তাক তেওঁলোকে বিশ্বাস কৰা নাছিল। সেয়ে তিনিওটা শ্ৰেণীৰ মাজত ঐক্য নাথাকিল। পাছদিনা অভিজাত সকল আঁতৰি গৈ কাষৰ অন্য এটা ঘৰত মিলিত হ'লগৈ। যাজকসকলো আঁতৰি গ'ল। 'থাৰ্ড এষ্টেট' বা জনসাধাৰণৰ প্ৰতিনিধিবৃন্দ 'হল অব মাইনৰ ডাইভাৰচনত' অকলশৰীয়া হৈ পৰিল।

প্ৰকৃত পক্ষে অভিজাতসকলে ভয় কৰিছিল যে জনসাধাৰণৰ প্ৰতিনিধি সকলে তেওঁলোকক ভোটত হৰুৱাই এনে কোনো ব্যৱস্থা পাচ কৰাই ল'ব পাৰে যি তেওঁলোকৰ স্বাৰ্থৰ ক্ষতি কৰিব পাৰে। যাজকসকলকো বিশ্বাস কৰিব নোৱাৰি, কাৰণ দুখীয়া যাজকসকলে ভোটগ্ৰহণত জনসাধাৰণৰ পক্ষেই ভোট দিব। কাৰণ যাজক হ'লেও তেওঁলোকো সেই বঞ্চিত দুখীয়া শ্ৰেণীটোৰহে লোক। তাৰোপৰি কিছুমান অভিজাত লোককো বিশ্বাস কৰিব নোৱৰা হৈ

পৰিছে। লাফায়েত্তি আদি অভিজাত নেতা কেইজন মানে আমেৰিকাৰ স্বাধীনতা যুঁজত অংশগ্ৰহণ কৰি বৰ বিপদজনক ভাবে উদাৰপন্থী হৈ পৰিছে। তেওঁলোকেও জনসাধাৰণৰ ফালে ভোট দিব পাৰে। এনে ঘটনা ঘটিলে অভিজাত আৰু উচ্চ স্তৰৰ যাজক সকলে ইমানদিনে ভোগ কৰি অহা সকলো সা-সুবিধাৰ মৃত্যু মৰিব। সেয়ে তেওঁলোকে বেলেগে বহি বেলেগে ভোট দিয়াৰ সিদ্ধান্ত ললে।

চতুৰ্দশ অধ্যায়

'ষ্টেটচ জেনেৰেলৰ' অধিবেশন আৰম্ভ হোৱা সেই দিন কেইটাত সমগ্ৰ ফ্ৰান্সতে আৰু বিশেষকৈ পেৰিচত মানুহৰ মাজত এক অভূতপূৰ্ব জাগৰণ পৰিলক্ষিত হৈছিল। লেখক, বুদ্ধিজীৱী, কবি, নাট্যকাৰ সকলোৱে নতুন অনুপ্ৰেৰণা পাইছিল, তেওঁলোকৰ লেখনীত নতুন আশাৰ সঞ্চাৰ হৈছিল। পেৰিচত শয়ে শয়ে নতুন কিতাপ, প্ৰচাৰ পুস্তিকা নিতৌ ওলাইছিল। জনসাধাৰণ নতুন কিবা এটা পোৱাৰ প্ৰত্যাশাত অধীৰ হৈ উঠিছিল।

নানা ধৰণৰ সৰু সৰু আলোচনা চক্ৰ আৰু ক্লাব গঢ়ি উঠিছিল। এইবোৰ একো একোটাম লোকৰ মতামত প্ৰকাশৰ আহিলা হৈ উঠিছিল। দেশত নানা ধৰণৰ ৰাজনৈতিক আৰু সামাজিক চিন্তাধাৰাৰ আবিৰ্ভাৱ হৈছিল। ভলটেয়াৰ, ৰুচ' আৰু সমসাময়িক দাৰ্শনিক সকলৰ লিখনিৰ ওপৰত নানান আলোচনা-বিলোচনা তৰ্কবাদ আদি হৈছিল। এক উত্তেজিত বৌদ্ধিক পৰিৱেশ সেই সময়ত গঢ়ি উঠিছিল। ফ্ৰান্সৰ বৃটেনী অঞ্চলৰ পৰা নিৰ্ব্বাচিত প্ৰতিনিধি-সকলে সেই সময়ত 'ক্লাব বৃটন' বুলি এটা অনুষ্ঠান আৰম্ভ কৰিছিল আৰু এই অনুষ্ঠানটো সময়ত বৈপ্লৱিক চিন্তাচৰ্চাৰ প্ৰধান কেন্দ্ৰ হৈ পৰিছিল। পাছলৈ ইয়াৰপৰাই জাকঁবে ক্লাবৰ উৎপত্তি হৈছিল। মিৰাবিউ, মাৰা, ৰবচপিয়েৰ আদি নেতাসকলে এই ক্লাবৰ আলোচনা আৰু তৰ্কবোৰত সক্ৰিয় ভূমিকা লৈছিল আৰু প্ৰকৃতপক্ষে ইয়াৰপৰাই তেওঁলোকৰ নতুন নতুন চিন্তাধাৰাবোৰ গঢ়ি লৈ উঠিছিল। জনসাধাৰণৰ প্ৰতিনিধি সমূহৰ বহুতেই নিজে সেই সময়ৰ

বৈপ্লৱিক চিন্তাচৰ্চাত অৰিহণা যোগাইছিল আৰু আনবোৰো এই পৰিবেশত থাকি ভালদৰেই অনুপ্ৰাণিত হৈছিল।

চিয়ঁ বোলা এজন নেতাই সেইসময়তে এটা বৰ সাংঘাতিক কথা ঘোষণা কৰিলে। তেওঁ ক'লে যে ফ্ৰান্সৰ মুঠ পঁচিছ নিযুত জনতাৰ চৌব্বিছ নিযুত লোকেই শোষিত বঞ্চিত সাধাৰণ মানুহ যি দুবেলা দুমুঠি খাই জীয়াই থাকিবৰ বাবেই অক্লান্ত পৰিশ্ৰম কৰিব লাগে। তেওঁলোকৰ শ্ৰমৰ ওপৰতে ৰাষ্ট্ৰখন নিৰ্ভৰশীল সেয়ে ফ্ৰান্সৰ হৈ প্ৰকৃততে মাত মতাৰ অধিকাৰ এওঁলোকৰহে আছে। এওঁলোকেই দেশখন। এওঁলোকৰহে দেশ শাসনৰ প্ৰকৃত অধিকাৰ থকা উচিত।

তেওঁ তিনিওটা শ্ৰেণীকেই লগ হৈ দেশৰ অন্যায়, অনীতি আৰু শোষণৰ ইতিহাস শেষ কৰিবলৈ আহ্বান জনালে।

"যদি অভিজাত আৰু যাজকসকলে এই ঐতিহাসিক দায়িত্ব পালন কৰিবলৈ আগবাঢ়ি নাহে," তেওঁ ঘোষণা কৰিলে, "তেনে'হলে জনসাধাৰণৰ প্ৰতিনিধি সকলে নিজকে ফৰাচী জনগণৰ প্ৰকৃত আৰু একমাত্ৰ প্ৰতিনিধি বুলি ঘোষণা কৰিব আৰু এখন নেশ্বনেল এচেম্বলী গঠন কৰি ফ্ৰান্সৰ বাবে এখন সংবিধান প্ৰণয়ন কৰিব।"

তেওঁৰ এই বৈপ্লৱিক আহ্বানে জনপ্ৰতিনিধিসকলক জগাই তুলিলে। মিৰাবিউকে আদি কৰি কেজনমানে যদিও এনে কাৰ্যৰ আইনগত বৈধতাৰ প্ৰশ্ন তুলিছিল কিন্তু তেওঁলোকৰ যুক্তি নৰজিল। "মানুহে স্বেচ্ছাই গ্ৰহণ নকৰালৈকে কোনো আইনেই কাৰ্যকৰী হ'ব নোৱাৰে" বোলা ৰুচ'ৰ দৰ্শনেৰে অনুপ্ৰাণিত প্ৰতিনিধি সকলে পুৰণা আইনৰ বান্ধোন মানিবলৈ সন্মত নহয়। ভোটগ্ৰহণ হোৱাত সপক্ষে ৪৯০টা আৰু বিপক্ষে ৯০টা ভোট পৰিল। বিৰাট ভোটৰ ব্যৱধানত প্ৰতিনিধি সকলে এই প্ৰস্তাৱ স্বীকাৰ কৰি ল'লে।

ফ্ৰান্সৰ ইতিহাসত এক নতুন অধ্যায়ৰ সৃষ্টি হ'ল। সেইদিনা আছিল ১৭৮৯ চনৰ ১৭ জুন। বিপ্লৱৰ প্ৰক্ৰিয়া প্ৰকৃতাৰ্থত এইবাৰহে পূৰ্ণগতিত আৰম্ভ হ'ল।

যাজক স ঙ্ঘৰ মাজতো এই আহ্বানৰ প্ৰতিক্ৰিয়া আৰম্ভ হ'ল। ১৪৯ জন যাজকে জনসাধাৰণৰ প্ৰতিনিধিসকলৰ লগত একেলগে বহি কাম কৰাৰ সিদ্ধান্ত ল'লে। ওপৰথাকৰ ১৩৭ জন যাজকে কিন্তু ইয়াৰ বিৰোধিতা কৰিলে। ধৰ্মই তেওঁলোকক একত্ৰিত কৰি ৰাখিব নোৱাৰিলে। ধৰ্মতকৈ স্বাৰ্থৰ হ'ল

শ্ৰেণী চেতনা—শোষিত আৰু শোষকৰ মাজৰ পাৰ্থক্য, ধনী আৰু দুখীয়াৰ মাজৰ প্ৰভেদ। দুখীয়া যাজকসকলে অভিজাত আৰু ওপৰখাপৰ ধৰ্মনেতা সকলে ভয় কৰাৰ দৰে সঁচাকৈয়ে বিপ্লৱৰ শিবিৰত আহি থিয় দিলেহি।

কাৰ্ডিনেল, আৰ্কবিচপ আদি ওপৰখাপৰ ধৰ্মনেতাসকলে অভিজাত সকলৰ লগ হৈ 'ষ্টেট্চ জেনেৰেল' ভাঙি দিবলৈ সম্ৰাটৰ ওপৰত প্ৰবল হেঁচা দিবলৈ ধৰিলে। সম্ৰাটে কিন্তু তেওঁলোকৰ দাবী তৎক্ষণাৎ মানি নল'লে। তেওঁ ইয়াৰ পৰিবৰ্ত্তে আটাইকেউটা শ্ৰেণীকে একেলগ কৰি এক সংযুক্ত ৰাজকীয় অধিবেশন আহ্বান কৰিলে আৰু এই অধিবেশনৰ বাবে 'হল অব মাইনৰ ডাইভাৰচনৰ' সংসদ কক্ষ সজাই পৰাই প্ৰস্তুত কৰিবলৈ নিৰ্দ্দেশ দিলে।

পাছদিনা থাৰ্ড এষ্টেটৰ প্ৰতিনিধিসকল যেতিয়া সংসদ ভৱনলৈ গ'ল তেওঁলোকে ঘৰটো মেৰামতিৰ বাবে বন্ধ কৰি থোৱা পালেগৈ। তেওঁলোকে ভাবিলে যে, 'ষ্টেটচ্ জেনেৰেল' ভাঙি দিবৰ বাবে সম্ৰাটৰ এইটো এটা চেলুহে। উত্তেজিত হৈ তেওঁলোক ওচৰৰে টেনিচ ক'ৰ্ট এখনত সন্মিলিত হ'লগৈ। তাতে থাৰ্ড এষ্টেটৰ প্ৰতিনিধি সকলে নিজকে 'নেশ্বনেল এচেম্বলী' বুলি ঘোষণা কৰিলে আৰু ফ্ৰান্সৰ বাবে এখন নতুন সংবিধান প্ৰণয়ন নকৰালৈকে সকলোৱে ঐক্যবদ্ধভাৱে কাম কৰি যাবলৈ শপত গ্ৰহণ কৰিলে।

ইয়াৰ পাছত সম্ৰাটে আহ্বান কৰা সংযুক্ত ৰাজকীয় অধিবেশন আৰম্ভ হ'ল। এই অধিবেশনত সম্ৰাটে এজন ঘোষকৰ হতুৱাই তেওঁৰ বক্তব্য উত্থাপন কৰিলে। সম্ৰাটে নানান নতুন সংস্কাৰ সাধন কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিলে। কৰ-কাটল কমাবলৈ, বিনা বিচাৰে আটক কৰিব পৰা আইন উঠাই দিবলৈ, আইন-কানুন সংস্কাৰ কৰিবলৈ, আভ্যন্তৰীণ শুল্ক আৰু সামন্তবাদ উচ্ছেদ কৰিবলৈ প্ৰতিশ্ৰুতি দিলে।

কিন্তু তেওঁ অকল থাৰ্ড এষ্টেট বা জনসাধাৰণৰ প্ৰতিনিধি সকলৰ ফ্ৰান্সৰ বাবে আইন প্ৰণয়ন আৰু সংবিধান প্ৰস্তুত কৰিবলৈ অধিকাৰ আছে বুলি মানি নল'লে। অভিজাত আৰু যাজকসকলে ভোগ কৰি অহা পৰম্পৰাগত সা-সুবিধাবোৰ কৰ্ত্তন কৰিবলৈকো তেওঁ মান্তি নহ'ল। যাজক আৰু অভিজাতসকলে সন্মতি দিলে তেওঁলোকৰ সম্পত্তিৰ ওপৰত কৰ বহুৱাবলৈ তেওঁ অৱশ্যে সন্মত হ'ল। ধৰ্ম আৰু গীৰ্জা সম্পৰ্কে কিবা ব্যৱস্থা ল'ব লগা হ'লে সি যাজকসকলৰ সন্মতি সাপেক্ষেহে কাৰ্য্যকৰী হ'ব বুলি তেওঁ ঘোষণা কৰিলে। আৰু

শেষত সম্ৰাটেই দেশৰ একমাত্ৰ আৰু একচ্ছত্ৰী শাসক আৰু সম্ৰাটৰ ইচ্ছা অনুসৰিহে সকলো কাম-কাজ হ'ব পাৰিব বুলি তেওঁ ঘোষণা কৰিলে।

ৰাজকীয় ঘোষণাপত্ৰ পাঠ কৰাৰ পাছত সম্ৰাট, অভিজাতসকল আৰু ওপৰথাপৰ যাজকসকল সভাকক্ষ ত্যাগ কৰি ওলাই গ'ল। ঘোষকে অধিবেশন শেষ হ'ল বুলি ঘোষণা কৰিলে। জনসাধাৰণৰ প্ৰতিনিধিসকল কিন্তু সভাঘৰৰ পৰা ওলাই নগ'ল। তেওঁলোক বহি থাকিল। মিৰাবিৱে ঘোষণা কৰিলে, "আমি জনসাধাৰণৰ নিৰ্ব্বাচিত প্ৰতিনিধি। আমাক জোৰ কৰি উলিয়াই নপঠিউৱালৈকে আমি ইয়াৰ পৰা ওলাই নাযাওঁ।"

ৰাজকীয় সেনাই সভাকক্ষলৈ সোমাই আহি সভাঘৰ খালী কৰি দিবলৈ চেষ্টা কৰাত লাফায়তি আদি উদাৰপন্থী অভিজাত সকলে হাতত খোলা তৰোৱাল লৈ তেওঁলোকক সোমাবলৈ নিদিলে। উপায়ন্তৰ হৈ সম্ৰাটে ক'লে, "তাঁহাতে থাকিব খুজিছে থাকিবলৈ দিয়া।"

২৫ জুনৰ দিনা আৰু এটা অভাৱনীয় ঘটনা ঘটিল। ৪৭ জন অভিজাত প্ৰতিনিধি আহি সভাত যোগ দিলেহি। 'নেশনেল এচেম্বলীৰ' অধিবেশনত আনন্দৰ জোৱাৰ উঠিল।

সম্ৰাটে এইবাৰ সকলো যাজক আৰু অভিজাতকেই অধিবেশনত যোগ দিবলৈ নিৰ্দ্দেশ দিলে। তেওঁ ভাবিছিল যে এওঁলোক উপস্থিত থাকিলে জনসাধাৰণৰ প্ৰতিনিধি সকলক কিছু আয়ত্তত ৰাখিব পৰা যাব। অভিজাতসকল সম্ৰাটৰ আদেশ মানি অধিবেশনত উপস্থিত থাকিল কিন্তু কাম-কাজত কোনোধৰণে অংশ গ্ৰহণ নকৰিলে। কাঠৰ মূঢ়াৰ দৰে মাথোঁ বহি থাকিলগৈ। লাহে লাহে এজন দুজনকৈ তেওঁলোক নিজা নিজা জমিদাৰী আৰু ঘৰলৈ গুচি গ'লগৈ।

সেই সময়তে পেৰিচ মহানগৰীৰপৰা সংসদী সদস্যসকলক নিৰ্ব্বাচিত কৰিবলৈ মনোনীত হোৱা পেৰিচ নিৰ্ব্বাচনী সভাৰ ৪০৭ জন সদস্য আকৌ মিলিত হ'ল আৰু এখন নতুন মিনিউচিপালটি পৰিষদ নিয়োগ কৰিলে। তেওঁলোকৰ এই কাৰ্য অ-সাংবিধানিক আছিল যদিও পেৰিচৰ জনসাধাৰণে এই কাৰ্যত সম্পূৰ্ণ সমৰ্থন জনালে। ফলত শক্তিহীন ৰাজকীয় পৰিষদখনে পদত্যাগ কৰিলে। পেৰিচৰ শাসন ভাৰ এইবাৰ জঁনতাৰ হাতলৈ গ'ল।

পেৰিচ তথা সমগ্ৰ ফ্ৰান্সতে সেই সময়ত বিৰাট উৎকণ্ঠা। চাৰিওফালে ভয় ভয় ভাব। কেতিয়া কি হয় একো ক'ব নোৱাৰি। এই উৎকণ্ঠা সন্ত্ৰাস

আৰু হুলস্থূলৰ মাজতেই প্ৰতিনিধি সকলৰ আগত এখন নতুন সংবিধানৰ খচৰা দাঙি ধৰা হ'ল। মিৰাবিয়ে আকৌ এবাৰ প্ৰতিনিধি সকলক সম্ৰাটক দেশৰ মুৰব্বী হিচাপে ৰাখিবলৈ আহ্বান জনালে।

"আপোনালোকে ইতিহাসলৈ লক্ষ্য কৰিছেনে? কেনেকৈ বিপ্লৱ ঘটে আৰু কেনেকৈ তাক পৰিচালনা কৰা হয় তাক লক্ষ্য কৰিছেনে? লক্ষ্য কৰিছেনে ঘটনাৰ পাকচক্ৰত পৰি কেনেকৈ একোজন জ্ঞানী লোকৰো মতি ভ্ৰম ঘটে? কেনেকৈ ভয়াবহ আবেগিক উচ্ছ্বাসৰ বশবৰ্ত্তী হৈ জনতাই এনে কিছুমান ভয়াবহ আৰু নৃশংস কাম কৰি পেলায় যি বোৰৰ বিষয়ে অন্যসময়ত তেওঁলোকে কল্পনা কৰিবলৈকো ভয় কৰে।"

এনে ধৰণৰ আবেগ উচ্ছ্বাসৰ অধীন হৈ হিংসাত প্ৰবৃত্ত নোহোৱাকৈ আৰু দেশৰ একতা সম্প্ৰীতি বজাই ৰাখি অৰাজক অৱস্থা হ'বলৈ নিদিবৰ বাবেই সম্ৰাটৰ প্ৰয়োজন। মিৰাবিয়ে প্ৰতিনিধিসকলক বুজালে। প্ৰতিনিধি সকলেও মিৰাবিউৰ পৰামৰ্শ মানি ললে। আগতেই উন্মুকিয়াই অহা হৈছে যে বিপ্লৱৰ প্ৰথমাৰ্ধৰ এই নেতাসকল মূলত ভলটেয়াৰৰ দৰ্শনৰ দ্বাৰা অনুপ্ৰাণিত আছিল। সেয়ে দেশৰ শান্তি-শৃঙ্খলাৰ বাবে সম্ৰাটক তেওঁলোকে অপৰিহাৰ্য বুলি ভাবিছিল।

সম্ৰাট লুয়ে কিন্তু এই প্ৰতিনিধিসকলক আৰু বেছিলৈ যাবলৈ দিবলৈ অমান্তি হ'ল। তেওঁ দহ ৰেজিমেণ্ট জাৰ্মান আৰু চুইচ ভাৰাতীয়া সেনা ৰাজধানীলৈ মাতি পঠিয়ালে আৰু এজন ৰক্ষণশীল যুদ্ধপ্ৰিয় অভিজাতক যুদ্ধমন্ত্ৰী হিচাপে নিয়োগ কৰিলে আৰু সকলোৰে প্ৰিয়পাত্ৰ হৈ উঠা বিত্তমন্ত্ৰী নেকাৰক পুনৰ বৰ্খাস্ত কৰিলে।

আপোচৰ বাটবোৰ ক্ৰমান্বয়ে বন্ধ হৈ আহিল।

পঞ্চদশ অধ্যায়

মিৰাবিউৰ নাম আমি ইতিমধ্যে কেইবাঠাইতো পাই আহিছোঁ। বিভিন্ন পৰিস্থিতিত তেওঁৰ তেজোদীপ্ত মন্তব্য আৰু জ্ঞানগৰ্ভ উপদেশো শুনি আহিছোঁ। এইবাৰ আমি ফৰাচী বিপ্লৱৰ এজন অন্যতম গুৰিয়াল মিৰাবিউৰ বৈচিত্ৰ্যপূৰ্ণ জীৱন আৰু কাম-কাজৰ এটা চমু পৰিচয় লওঁ।

অনৰ জিব্ৰায়েল ৰিকেটি ক'ট দি মিৰাবিউ নেশ্বনেল এচেম্বলীৰ প্ৰাণকেন্দ্ৰ আছিল বুলিলে অত্যুক্তি কৰা নহ'ব। বিপ্লৱৰ প্ৰথমাৰ্দ্ধত দেশৰ নেতৃত্ব লৈছিল নেশ্বনেল এচেম্বলীয়ে আৰু মিৰাবিউ এই এচেম্বলীৰ সদস্যসকলৰ ভিতৰত আছিল আটাইতকৈ সুদক্ষ, সুচতুৰ আৰু সুবক্তা ৰাজনীতিজ্ঞ। মিৰাবিউএ সাংবিধানিক ৰাজতন্ত্ৰৰ ওপৰত বিশ্বাস কৰিছিল। দেশৰ সুশাসন, সমাজৰ শৃঙ্খলা আৰু ৰাষ্ট্ৰীয় সংহতিৰ বাবে সম্ৰাটক তেওঁ অপৰিহাৰ্য বুলি গণ্য কৰিছিল। এই ক্ষেত্ৰত তেওঁ ভলটেয়াৰৰ দৰ্শনৰ দ্বাৰা প্ৰভাৱিত আছিল। এই বিষয়ে আগেয়েও উমুকিয়াই অহা হৈছে। সাংবিধানিক ৰাজতন্ত্ৰৰ সপক্ষে মিৰাবিউৰ যুক্তিৰ বিষয়েও উল্লেখ কৰা হৈছে। নেশ্বনেল এচেম্বলীত তেওঁ সদায় এই ব্যৱস্থাৰ সপক্ষে মাত মাতি আহিছিল আৰু ৰাজতন্ত্ৰৰ আৰু দেশত বাঢি অহা গণতান্ত্ৰিক মতাদৰ্শৰ মাজত তেওঁ এটা আপোচ সমাধানৰ বাবে চেষ্টা চলাইছিল। মিৰাবিউৰ মৃত্যুৰ লগে লগে এনে আপোচৰ সম্ভাৱনাও শেষ হৈছিল আৰু বিপ্লৱে দিশ পৰিৱৰ্ত্তন কৰি অন্যফালে গতি কৰিছিল।

১৭৪৯ চনৰ ৯ মাৰ্চত এটা অভিজাত পৰিয়ালত মিৰাবিউৰ জন্ম হৈছিল। তেওঁৰ পিতাক আছিল এজন নামজ্বলা অৰ্থনীতিবিদ। মিৰাবিউ দেখাত আপচু আছিল। তেওঁৰ গোটেই মুখখন আয়ৰ সাঁচেৰে ভৰপূৰ আছিল। কিন্তু প্ৰবল মেধাশক্তি আৰু এটা নিৰ্দ্দিষ্ট আদৰ্শৰ কাৰণে তেওঁক সকলোৱে ভাল পাইছিল। দেউতাকে তেওঁক সেনাবাহিনীত কাম কৰিবলৈ পঠিয়াইছিল। কিন্তু মিৰাবিউ ইমান উদণ্ড স্বভাৱৰ আছিল যে তেওঁ সেই কথা নুশুনিলে। দেউতাকে সেয়ে 'লেটাৰ দি কেছেট' বা বিনাবিচাৰে আটক কৰি ৰাখিব পৰা ব্যৱস্থাৰ সহায়ত তেওঁক বন্দী কৰাই ৰাখিছিল। কিছুদিন আটক কৰি ৰখাৰ

পিছত তেওঁৰ স্বভাৱ শুধৰণি হোৱা বুলি মুকলি কৰি তেওঁক আকৌ সামৰিক বাহিনীৰ কামত কচিকালৈ প্ৰেৰণ কৰা হৈছিল। তেওঁ এইবাৰ খুওব ভাল ধৰণে কাম কৰিছিল আৰু এগৰাকী খুওব ধনী অভিজাত তিৰোতাক বিয়া কৰাইছিল।

মিৰাবিউ কিন্তু বৰ ধেঁাৱাখুলীয়া স্বভাৱৰ আছিল। তেওঁ উপাৰ্জন কৰাতকৈ বহুত বেছি খৰচ কৰিছিল। ফলত তেওঁৰ বহুতো ধাৰ লাগিছিল আৰু প্ৰত্যেকদিনাই ধাৰ সধা মানুহবোৰে তেওঁক ব্যতিব্যস্ত কৰিবলৈ লৈছিল। অৱশেষত ধাৰ সধা মানুহবোৰৰপৰা ৰক্ষা কৰিবলৈ দেউতাকে তেওঁক আকৌ আগৰ দৰে বন্দী কৰোৱাই থবলৈ বাধ্য হৈছিল। বন্দী অৱস্থাত থাকোঁতেই তেওঁ এবাৰ এখন নগৰলৈ ফুৰিবলৈ যাবলৈ অনুমতি পাইছিল আৰু তেতিয়াই তেওঁ এগৰাকী ধনী সম্ভ্ৰান্ত মহিলাক লগ পাইছিল। সেই নগৰৰ পৰাই তেওঁ এই মহিলা গৰাকীক পলুৱাই নি চুইজাৰলেণ্ডলৈ গুচি গৈছিল। চুইজাৰলেণ্ডৰ পৰা তেওঁলোক হলেণ্ড পাইছিলগৈ আৰু তাতে তেওঁলোকক বন্দী কৰা হৈছিল। ইতিমধ্যে ছোৱালী পলুৱাই নিয়াৰ বাবে মিৰাবিউক তেওঁৰ অবৰ্ত্তমানতে মৃত্যুদণ্ড বিহা হৈছিল। দেউতাকে অৱশ্যে অশেষ চেষ্টা কৰি এই মৃত্যুদণ্ড উঠুৱাই লয় আৰু কিছুদিনৰ পিছতে মিৰাবিউএ মুক্তিও পায়। কিন্তু এই ঘটনাৰ পাছতে প্ৰথম পত্নী আৰু দেউতাকে তেওঁক পৰিত্যাগ কৰিছিল।

এই ঘটনাবোৰৰ পিছত মিৰাবিউএ নানান কাম কৰিছিল। তেওঁ নানান কিতাপ আৰু পুস্তিকা লিখিছিল। দেশ বিদেশৰ বহু ঠাইত ভ্ৰমণ কৰিছিল আৰু এবাৰ চোৰাংচোৱাৰ কামো আনকি কৰিছিল। ইতিমধ্যে সম্ৰাটে ষ্টেটচ জেনেৰেল আহ্বান কৰিলে। মিৰাবিউএ ষ্টেটচ্ জেনেৰেললৈ অভিজাতসকলৰ প্ৰতিনিধি হিচাপে যাবলৈ চেষ্টা কৰিলে কিন্তু অভিজাত সকলে তেওঁক প্ৰতিনিধি কৰিবলৈ মান্তি নহ'ল। মিৰাবিউ কিন্তু দমি যোৱা ভকত নহয়। অভিজাতসকলৰ দ্বাৰা প্ৰত্যাখ্যিত হৈ তেওঁ থাৰ্ড এষ্টেটৰ প্ৰতিনিধি হিচাপে নিৰ্বাচনত থিয় দিলে আৰু দুঠাইৰ পৰা নিৰ্বাচিতো হ'ল।

এই ষ্টেটচ জেনেৰেল আৰু পাছৰ নেশনেল এচেম্বলীত থকা কালছোৱাই মিৰাবিউৰ জীৱনৰ শ্ৰেষ্ঠতম অধ্যায়। এই কালছোৱাত তেওঁ তেওঁৰ অগ্নিগৰ্ভী ভাষণ আৰু উপস্থিত বুদ্ধিৰ সহায়েৰে নানান প্ৰতিকূল পৰিবেশ, অশান্তি আৰু হুলস্থূলৰ মাজতো স্থিৰ ভাৱে কাম কৰি গৈছিল আৰু সকলো শ্ৰেণীৰ মানুহৰে

প্ৰিয়ভাজন হৈ উঠিছিল। তেওঁ আছিল ভলটেয়াৰৰ আদৰ্শৰে অনুপ্ৰাণিত উদাৰপন্থী নেতা। সাংবিধানিক ৰাজতন্ত্ৰৰ প্ৰতি তেওঁৰ বিশ্বাস আৰু আনুগত্যৰ কথা আগেয়েই কৈ অহা হৈছে। দেশৰ নতুন সংবিধান প্ৰণয়ন হওঁতে সেয়ে তেওঁ সম্ৰাটক দেশৰ মুৰব্বী হিচাপে ৰাখিবলৈ অহোপুৰুষাৰ্থ কৰিছিল আৰু সফলো হৈছিল।

নেশ্বনেল এচেম্বলীৰ ওপৰত মিৰাবিউৰ প্ৰভাৱ আছিল অসীম আৰু সেইদৰে সম্ৰাটৰ মন্ত্ৰণাকক্ষলৈকো তেওঁৰ গতি আছিল অবাধ। বেষ্টিল কাৰাগাৰৰ পতনৰ পিছত সম্ৰাটৰ নানান কামকাজত দেশৰ মানুহ অসন্তুষ্ট হৈ পৰিছিল। সম্ৰাটে বিপ্লৱক ধ্বংস কৰিবলৈ বিদেশী শক্তিৰ লগত তলে তলে ষড়যন্ত্ৰ কৰিছে বুলি সকলোৱে সন্দেহ কৰিছিল। এই সন্দেহৰ ভাবে গোটেই শাসনযন্ত্ৰক বিকল কৰি পেলাইছিল। এনেকুৱা পৰিস্থিতিতে সম্ৰাট আৰু এচেম্বলীৰ মাজত সন্দেহ গুচাই এটা আপোচৰ সূত্ৰ উলিয়াবলৈ মিৰাবিউক ভাৰ দিয়া হৈছিল। তেওঁ এই কাম কৰিবলৈ আগবাঢ়ি আহিছিল। কেৱল সম্ৰাটক ৰক্ষা কৰাটোৱেই তেওঁক একমাত্ৰ উদ্দেশ্য নাছিল। তেওঁৰ বহুত ধাৰ লাগিছিল আৰু সেয়ে সম্ৰাটৰপৰা এক মোটা পৰিমাণৰ অৰ্থৰ বিনিময়তহে তেওঁ এই কামলৈ আগবাঢ়িছিল। মিৰাবিউৰ এই বিশ্বাসঘাতকতাৰ বিষয়ে বহুতে ঘুনুকঘানাককৈ গম পাইছিল আৰু সেয়ে তেওঁক সন্দেহ কৰিছিল কিন্তু তেওঁৰ জ্ঞান আৰু মেধাৰ আগত সকলো প্ৰতিদ্বন্দী নিষ্প্ৰভ হৈ গৈছিল।

মিৰাবিউক তাৰপিছতে নেশ্বনেল এচেম্বলীৰ চেয়াৰমেন নিৰ্বাচিত কৰা হয়। সেই কালছোৱাত তেওঁৰ সুদক্ষ পৰিচালনাই সকলোকে মুগ্ধ কৰিছিল। কিন্তু লাহে লাহে মিৰাবিউৰ স্বাস্থ্য পৰি আহিছিল। অত্যাধিক মদ্যপান, নাৰীসঙ্গ আৰু অন্যান্য হুলস্থুলীয়া কামে তেওঁক একেবাৰে ভাঙি পেলাইছিল। ১৭৯১ চনৰ ২৬ মাৰ্চৰ দিনা হঠাতে তেওঁ বৰ বেছিকৈ অসুস্থ হৈ পৰিল। হাজাৰ হাজাৰ মানুহে তেওঁৰ স্বাস্থ্যৰ খবৰ ল'বলৈ তেওঁৰ ঘৰৰ সন্মুখত জমা হৈছিলহি। টাঁলাৰেই মিৰাবিউক কৈছিল "তোমাক দেখা কৰিবলৈ অহাই টান হৈ পৰিছে। পেৰিচৰ আধা মানুহ আহি তোমাৰ আগত ভিৰ কৰিছেহি"। ইয়াৰ পিছত ২ এপ্ৰিলৰ দিনা মিৰাবিউৰ নশ্বৰ দেহৰ অৱসান ঘটে। তেওঁৰ নশ্বৰ দেহা ফ্ৰান্সৰ বীৰ সন্তান সকলৰ সন্মানাৰ্থে বনোৱা পানথিয়নত সমাধিস্থ কৰা হয় হাজাৰ হাজাৰ গুণমুগ্ধ মানুহে তেওঁক শেষ শ্ৰদ্ধা জনাবলৈ আহে।

কিন্তু ১৭৯২ চনৰ আগষ্ট মাহত সম্রাটক বন্দী কৰাৰ পাছত ৰাজপ্ৰাসাদত হঠাৎ এটা গুপুত চিঠিৰ বাকচ ওলাই পৰে। তাতে মিৰাবিউএ ৰাজতন্ত্ৰক ৰক্ষা কৰিবলৈ কৰা নানান গোপন ব্যৱস্থাৰ সন্ধেদ পোৱা যায় আৰু তাকে কৰিবলৈ সম্রাটৰপৰা ভেটি খোৱাৰো প্ৰমাণ পোৱা গ'ল। বিপ্লৱৰ গতি তেতিয়া চৰমপন্থী ৰেডিকেলসকলৰ নিয়ন্ত্ৰণত আৰু দেশত ৰাজতন্ত্ৰ বিৰোধী আদৰ্শৰ প্ৰবল ঢৌ প্ৰবহমান। সেয়ে সেই সময়ৰ নেতৃত্বই মিৰাবিউৰ শেষ নশ্বৰ অৱশেষ পানথিয়নৰ সন্মানজনক ঠাইৰ পৰা আঁতৰাই পেলোৱাৰ নিৰ্দেশ দিয়ে।

মিৰাবিউৰ ওপৰত এইবাৰ শেষ কলঙ্কৰ কালিমা পৰিল।

ষষ্ঠদশ অধ্যায়

সেইদিনা আছিল ১৭৮৯ চনৰ ১২ জুলাই। পেৰিচৰ পালাসিচ ৰয়েলৰ ওচৰৰ কাফে ডি ফয়ত এজুম মানুহ গোট খাইছে। তেওঁলোকৰ মাজত দেশৰ পৰিস্থিতি লৈ উত্তপ্ত আলোচনা। সেই সময়ত পেৰিচৰ সকলো ঠাইতে মাথোঁ। জুমে জুমে মানুহক উত্তেজিত ভাৱে আলোচনা কৰা বা কোনোবা বক্তাৰ উদ্দীপনাময় ভাষণ শুনি থকা দেখাটো এটা নিয়ম হৈ পৰিছে। চাৰিওফালে কেৱল আলোচনা-বিলোচনাৰ গৰম পৰিবেশ। হঠাতে কাফে ডি ফয়ৰ জুমটোৰ পৰা এজন মানুহ জঁপ মাৰি টেবুল এখনত উঠিল আৰু বক্তৃতা দিবলৈ আৰম্ভ কৰিলে। তেওঁৰ নাম আছিল কেমিল ডেচমলিন। তেওঁ পোন প্ৰথমবাৰৰ বাবে নেকাৰক বৰ্খাস্ত কৰা বাবে সম্রাটক সমজুৱা ভাৱে জগৰীয়া কৰিলে। তেওঁ সম্রাটক বিদেশী সেনা মাতি আনি পেৰিচৰ জনসাধাৰণক ভয় খুৱাবলৈ চেষ্টা কৰা বুলি আৰু প্ৰতিনিধি সকলৰ কাম কাজত বাধা ওপজাবলৈ প্ৰয়াস কৰা বুলি দোষাৰোপ কৰিলে। তেওঁ ৰাজকীয় সৈন্যৰ সম্ভাব্য আক্ৰমণৰ বিৰুদ্ধে নিজৰ প্ৰাণ, মান আৰু স্বাধীনতা ৰক্ষা কৰিবৰ বাবে অস্ত্ৰ-শস্ত্ৰ গোটাই সন্তম হৈ ল'বলৈ জনসাধাৰণক আহ্বান জনালে।

ফৰাচী—৫

"আপোনালোক সশস্ত্ৰ হৈ লওক। সেই বৰ্বৰ জাৰ্মান আৰু চুইচ ভাৰাতীয়া সেনাবোৰ ৰাজধানীত সোমাবলৈ হ'লে সকলোকে কচু কটা দিব। তাঁহাতৰ জঘন্য ভাবুকিৰ প্ৰত্যাহ্বান জনাবলৈ আৰু নিজৰ পৱিত্ৰ স্বাধীনতা ৰক্ষা কৰিবলৈ সকলোৱে অস্ত্ৰ ধাৰণ কৰক"—ডেচমলিনে মেজৰ ওপৰৰ পৰা চিঞৰিলে। বিপ্লৱত এই পোনপ্ৰথমবাৰৰ বাবে সমজুৱাকৈ ৰাইজক অস্ত্ৰ ধৰিবলৈ কোৱা হ'ল।

এই কথাই তৎক্ষণাত কাম দিলে। মানুহৰ মুখে মুখে এই আহ্বানৰ কথা গোটেই পেৰিচতে বিয়পি পৰিল। পেৰিচৰ জনতাই এইবাৰ পৌৰসভাৰ অস্ত্ৰাগাৰৰ দুৱাৰ ভাঙি সোমাই গ'ল আৰু সকলো বন্দুক-বাৰুদ উলিয়াই লৈ আহিল। এই আটাইবোৰ অস্ত্ৰ-শস্ত্ৰ লৈ তেওঁলোকে এটা বিৰাট শোভাযাত্ৰা উলিয়ালে। বিত্তমন্ত্ৰী নেকাৰৰ প্ৰতিমূৰ্ত্তি এটা আগত লৈ এই শোভাযাত্ৰাই পেৰিচৰ আলিয়ে-গলিয়ে বিপ্লৱৰ শ্লোগান দিবলৈ ধৰিলে। নিজকে বিপ্লৱী বুলি চিনাক্ত কৰিবলৈ তেওঁলোকে টুপীত ৰঙা, নীলা আৰু বগা ৰঙৰ তিনি কোঁচা পাখি মাৰি ল'লে। পিছলৈ এই ৰঙেই গৈ বিপ্লৱৰ পতাকাৰ আৰু অৱশেষত ফ্ৰান্সৰ পতাকাৰ ৰঙত পৰিণত হ'লগৈ।

সাধাৰণ মানুহে হাতত বন্দুক-বাৰুদ লৈ শোভাযাত্ৰা কৰাত ব্যৱসায়ীসকল ভয়ত সন্ত্ৰস্ত হৈ পৰিল। তেওঁলোকে ততাতৈয়াকৈ বেঙ্ক দোকান-পোহাৰ আদি বন্ধ কৰিলে আৰু নিজৰ ৰক্ষণাবেক্ষণৰ কাৰণে মধ্যবিত্ত শ্ৰেণীটোৱে জেনেৰেল লাফায়েটৰ তলত নেশ্বনেল গাৰ্ড বুলি এটা সেনাবাহিনী গঢ়ি তুলিলে। কালক্ৰমত এই সেনাবাহিনীটোৱেই বুৰ্জোৱা বিপ্লৱৰ প্ৰধান শক্তি আৰু ৰক্ষক ৰূপে পৰিগণিত হ'লগৈ।

ইতিমধ্যে পেৰিচৰ সম্পূৰ্ণ নিয়ন্ত্ৰণ সশস্ত্ৰ জনতাৰ হাতলৈ গুচি গ'ল। আৰু এটা অস্ত্ৰাগাৰ লুণ্ঠন কৰি জনতাই ২৮,০০০ বন্দুক লাভ কৰিলে। অস্ত্ৰ-শস্ত্ৰৰে সুসজ্জিত জনতাই এইবাৰ ভাৰাতীয়া সৈন্যৰ বিপক্ষে পেৰিচ ৰক্ষাৰ বাবে সন্তম হৈ পৰিল। ৰাজকীয় সেনাৰ কমাণ্ডাৰজনে ৰক্তপাতৰ ভয়ত ৰাজকীয় সেনাক নগৰলৈ সোমাবলৈ বাৰণ কৰিলে।

ইফালে সংসদত প্ৰতিনিধি সকলে এখন নতুন সংবিধানৰ বিষয়ে নানান আলোচনা চলালে। প্ৰতিটো কথা, প্ৰতিটো দফাৰ ওপৰতে গ'ল তুমুল বিতৰ্ক। ইতিমধ্যে সমগ্ৰ সংসদখন মধ্যবিত্ত শ্ৰেণীটোৰ দখললৈ হ'ল। অভিজাতসকল আৰু ওখ থাপৰ ধৰ্মনেতাসকল কাললৰি কাটি আঁতৰি গ'ল।

দেশৰ নধনী বুর্জোৱা শ্ৰেণীটোৱে এই মধ্যবিত্ত সংসদখনক সকলো প্রকাৰে সহায় কৰিলে। ধনবল অস্ত্ৰবল সকলো ফালৰপৰাই এই সংসদখন শক্তিশালী কৰি তুলিবলৈ অহোপুৰুষাৰ্থ কৰিলে। কিয়নো এইখন সংসদৰ জৰিয়তেই তেওঁলোকে দেশৰ শাসনব্যৱস্থা আৰু সমাজত অধিক দায়িত্ব, ক্ষমতা আৰু সন্মান আদায় কৰিব পৰা যাব বুলি এই নধনী সকলে আশা কৰিছিল। সম্ৰাট আৰু অভিজাত শ্ৰেণীটোৰ সৰ্বময় ৰাজনৈতিক ক্ষমতা আৰু যাজক সকলৰ সামাজিক আৰু আৰ্থিক ক্ষমতা হ্ৰাস কৰিবলৈ এই সংসদখনক এক কাৰ্য্যকৰী আহিলা বুলি তেওঁলোকে ভাবিছিল। এই সংসদৰ জৰিয়তেই দেশত সন্মানজনক আসন আৰু প্ৰতিপত্তি লাভ কৰিবলৈ বুৰ্জোৱাশ্ৰেণীটোৱে চেষ্টা চলাইছিল আৰু সেয়ে ক্ৰমান্বয়ে বাঢ়ি অহা গণতান্ত্ৰিক চিন্তাধাৰাক তেওঁলোকে বেছ পৃষ্ঠপোষকতা কৰিছিল।

দিনে দিনে বাঢ়ি অহা সশস্ত্ৰ শক্তিক কিবা কামত খটুৱাবলৈ জনতাই বাট বিচাৰিবলৈ ধৰিলে। তেওঁলোকৰ চকু পৰিলগৈ পেৰিচ মহানগৰীৰ মাজ মজিয়াত থকা দুৰ্গ সদৃশ্য বেষ্টিল কাৰাগাৰৰ ওপৰত।

এই পুৰণি কাৰাগাৰটো জনসাধাৰণৰ চকুত অন্যায়, অত্যাচাৰ আৰু শোষণৰ জ্বলন্ত প্ৰতীক স্বৰূপ আছিল। ইয়াতে অভিজাত বৰ্গ আৰু সম্ৰাটৰ কোপত পৰা লোক সকলক বিনা বিচাৰে আটক কৰি ৰখা হৈছিল। অভিজাত সকলে কাৰোবাক কিবা কথাত বেয়া পালেই এখন আটক পত্ৰ জাৰী কৰি তেওঁক এই ভয়াবহ কাৰাগাৰটোত অন্তৰীণ কৰি ৰাখিব পাৰিছিল। ভলটেয়াৰকে আদি কৰি বহুতো লেখক আৰু বুদ্ধিজীৱীকো সময়ে সময়ে ইয়াত বন্দী কৰি ৰখা হৈছিল। এই বন্দীশালটোৰ চাৰিদেৱালৰ ভিতৰত ঘটা নানান নৃশংস অত্যাচাৰৰ কাহিনীয়ে মানুহৰ মনত ইয়াৰ প্ৰতি এক অবিমিশ্ৰ ঘৃণাৰ ভাব জগাই তুলিছিল। যদিও যোৱা কিছু বছৰৰপৰা, বিশেষকৈ সম্ৰাট ষষ্ঠদশ লুইৰ শাসনকালত খুব কম সংখ্যক বন্দীহে ইয়াত আছিল, তথাপিও জনমানসত ইয়াৰ বিভীষিকা আৰু ইয়াৰ প্ৰতি থকা ঘৃণা অকণো কমা নাছিল। সেয়ে এতিয়া অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত হোৱাৰ পাছত এই অত্যাচাৰ আৰু নিৰ্যাতনৰ প্ৰতীক স্বৰূপ কুখ্যাত দুৰ্গটো দখল কৰিবলৈ সাজু হ'ল।

প্ৰকৃতপক্ষে জনসাধাৰণৰ এই দুৰ্গটো ধ্বংস কৰাৰ কোনো অভিপ্ৰায় নাছিল। তেওঁলোকে শুনিছিল যে ইয়াৰ ভিতৰত বিৰাট পৰিমাণৰ গোলা-বাৰুদ লুকুৱাই থোৱা আছে। জনসাধাৰণৰ হাতত বন্দুক বহুত আছে কিন্তু

যথেষ্ট পৰিমাণৰ গুলী নাই। সেয়ে এই গোলা-বাৰুদ অধিকাৰৰ আশাতহে জনসাধাৰণে এই দুৰ্গটো দখল কৰিবলৈ আহিছিল।

এই কাৰাগাৰটো কিন্তু এলাপেচা কাৰাগাৰ নাছিল। এশ ফুট বহল আৰু ত্ৰিছফুট ওখ এখন শক্তিশালী দেৱাল ইয়াৰ চাৰিওফালে আছিল। দেৱালৰ বাহিৰত চাৰিওমেৰে আছিল এটা আশী ফুট বহল গড়খাৱৈ আৰু দেৱালৰ ঠায়ে ঠায়ে থকা চূড়াবোৰত কামান লুকাই থোৱাৰ বহুত ঘাটি আছিল। ১১৪ জন সুসজ্জিত কাৰাৰক্ষীয়ে সকলো সময়তে ইয়াক পহৰা দিছিল।

১৪ জুলাইৰ দিনা হাজাৰ হাজাৰ সশস্ত্ৰ জনতাই এই কাৰাগাৰটো চাৰিও-ফালৰ পৰা বেৰি ধৰিলেহি। তেওঁলোকে ভিতৰ সোমাই খাৰ-বাৰুদ খিনি অধিকাৰ কৰিবৰ বাবে কাৰাগাৰৰ দুৱাৰ খুলি দিয়াৰ দাবী জনালে। কাৰাগাৰৰ গৱৰ্ণৰে সৈন্য-সামন্ত লৈ কাৰাগাৰ ৰক্ষাৰ বাবে সাজু হ'ল।

পেৰিচ পৌৰসভাৰ সদস্যসকলে জনতা আৰু কাৰাগাৰৰ গৱৰ্ণৰৰ মাজত এটা আপোচ বুজাবুজি গঢ়ি তুলিবৰ বাবে আপ্ৰাণ চেষ্টা চলালে। ফলত গৱৰ্ণৰে জনসাধাৰণৰ প্ৰতিনিধি আৰু নেতাসকলৰ লগত আলোচনা চলাবলৈ সন্মত হ'ল কিন্তু বাহিৰৰ বিক্ষুব্ধ জনতাক ভিতৰ সোমাবলৈ দিবলৈ তেওঁ কোনো পধ্যেই মান্তি নহ'ল।

ইফালে যিমানেই দেৰী হৈ গৈছে, জনসাধাৰণৰ ধৈৰ্য্যও সিমানে কমি আহিছে। এনে অৱস্থাতে কেজনমান সুদক্ষ শ্ৰমিকে কাৰাগাৰৰ থিয় দেৱাল বগাই গৈ ভিতৰৰ পৰা মূল দুৱাৰখন খুলি দিলেগৈ। লগে লগে অধীৰ জনতা দুৰ্গৰ ভিতৰলৈ সোমাবলৈ আগবাঢ়ি আহিল। তেতিয়া গৱৰ্ণৰে কাৰাৰক্ষী সকলক বন্দুক চলাবলৈ আদেশ দিলে। গুলিযাগুলী আৰম্ভ হ'ল। এজন কাৰাৰক্ষী আৰু ৯৮ জন আক্ৰমণকাৰীৰ তেজেৰে বেষ্টিলৰ প্ৰাঙ্গণ ৰাঙলী হৈ পৰিল। ইতিমধ্যে জনসাধাৰণে পাঁচটা ৰবতোপ যোগাৰ কৰি পেলাইছে। এতিয়া সেই পাঁচটা কামানেৰে গুলীয়াই কাৰাগাৰৰ দেৱালৰ এঠাইত এটা প্ৰকাণ্ড ফুটা উলিয়াই পেলোৱা হ'ল। সেইফালেদি শয়ে শয়ে মানুহ দুৰ্গৰ ভিতৰলৈ সোমাই গ'ল। উপায়ন্তৰ হৈ গৱৰ্ণৰ আৰু কাৰাৰক্ষী সকলে আত্ম-সমৰ্পণ কৰিলে। বিক্ষুব্ধ জনতা আনন্দত নাচি উঠিল। কাৰাগাৰত অন্তৰীণ হৈ থকা বন্দীসকলক মুক্তি দিয়া হ'ল আৰু যি য'ত খাৰ-বাৰুদ আছিল সকলো-বোৰ হস্তগত কৰি লোৱা হ'ল। কিন্তু জনতাই আশা কৰা মতে বেছি গোলা-বাৰুদ হ'লে পোৱা নগ'ল।

জনতা এইবাৰ শোভাযাত্ৰাত ওলাল। কেইজনমান উন্মত্ত লোকে হঠাৎ গুলী চলাবলৈ আদেশ দিয়াৰ বাবে গৱৰ্ণৰজনক খণ্ডতে মৰিয়াই হত্যা কৰিলে। আৰু তাৰ পাছত আত্মসমৰ্পণ কৰা প্ৰতিজন কাৰাৰক্ষীকো হত্যা কৰিলে। উন্মত্ত জনতাই এইবাৰ এডাল যাঠিৰ আগত গৱৰ্ণৰৰ কটামূৰটো লৈ এটা ৰক্তাক্ত আৰু বীভৎস সমদল আৰম্ভ কৰিলে।

বেষ্টিলৰ পতনৰ লগে লগে সমগ্ৰ ফ্ৰান্স আৰু ইউৰোপতে প্ৰচণ্ড তোলপাৰ লাগিল। সামৰিক শক্তি পৰীক্ষাৰ দিশৰপৰা চাবলৈ গলে বেষ্টিলৰ পতন একো ডাঙৰ ঘটনা নহয়। কিন্তু ৰাজনৈতিক দিশৰপৰা এই কাৰ্য অভাৱনীয় ৰূপে তাৎপৰ্যপূৰ্ণ হৈ পৰিল। ইয়াৰ ফল হ'ল সুদূৰ প্ৰসাৰী। ফ্ৰান্স আৰু লগতে ইউৰোপৰ ৰাজনীতিৰ সমগ্ৰ গতিপথেই সলনি হৈ গ'ল। সেয়েহে আজিও ১৪ জুলাইৰ দিনটো ফৰাচী স্বাধীনতাৰ জন্মদিবস হিচাপে উদ্‌যাপিত কৰা হয়।

বেষ্টিলৰ পতনৰ লগে লগে ফ্ৰান্সত ৰাজতন্ত্ৰ আৰু অভিজাততন্ত্ৰৰ বেলিমাৰ আৰম্ভ হ'ল। আৰম্ভ হ'ল সামন্তবাদৰ অৱসান। বেষ্টিল কাৰাগাৰৰ ধ্বংস কাৰ্যই শতাব্দী-জোৰা শোষণ, অত্যাচাৰৰ ইতিহাসৰ পৰিসমাপ্তি ঘটোৱাৰ প্ৰতীক স্বৰূপ হৈ পৰিল।

যেতিয়া সম্ৰাটক এই বাতৰি দিয়া হ'ল, তেওঁ চিঞৰি উঠিল, "এয়া যে বিদ্ৰোহ।"

"নহয় মহাৰাজ," এজন অমাত্যই উত্তৰ দিলে "এয়া বিপ্লৱ।"

বেষ্টিলৰ ধ্বংস কাৰ্যই নেশ্বনেল এচেম্বলীক সম্ৰাটৰ তলতীয়া হোৱাৰ পৰা ৰক্ষা কৰিলে, কাৰণ ইতিমধ্যে সম্ৰাটে সৈন্য-সামন্ত গোটাই এই এচেম্বলী ভাঙি দিয়াৰ কথা চিন্তা কৰিবলৈ আৰম্ভ কৰিছিল। কিন্তু জনসাধাৰণ এইবাৰ তেওঁলোকৰ নতুন শক্তিৰ বিষয়ে সজাগ হ'ল আৰু তেওঁলোকৰ ইচ্ছাক বাস্তৱত পৰিণত কৰিবলৈ অন্তৰত এক নতুন আত্মবিশ্বাস অনুভৱ কৰিলে। সমগ্ৰ দেশতে বিভিন্ন ঠাইত মানুহে পুৰণা চৰকাৰ আৰু আইন-কানুন মানিবলৈ অমান্তি হ'ল; তেওঁলোকে প্ৰতিষ্ঠা কৰিবলৈ ধৰিলে নতুন নতুন বৈপ্লৱিক চৰকাৰ।

বেষ্টিলৰ পতনে গণতান্ত্ৰিক আদৰ্শক আৰু বেছি শক্তিশালী কৰি তুলিলে। সমগ্ৰ ইউৰোপৰ চকুত এই কাৰ্যই যুগ যুগৰ সামন্তবাদী শোষণৰ ওৰ পেলাই স্বাধীনতাৰ এক নতুন যুগৰ সূচনা কৰিলে। ইয়াৰ লগে লগে পেৰিচ মহানগৰীৰ

ঐতিহাসিক গুৰুত্ব হাজাৰ গুণে বাঢ়ি গ'ল। পেৰিচৰ জনতাই এক শক্তিশালী বৈপ্লৱিক চৰকাৰৰ সূচনা কৰিলে আৰু নেশ্বনেল গাৰ্ডক বিপ্লৱৰ অনুকূলে নতুনকৈ গঢ়ি তুলিলে। পেৰিচ বিপ্লৱৰ নেতা হৈ পৰিল; পেৰিচত যি ঘটিল সমগ্ৰ ফ্ৰান্সে তাকে অনুসৰণ কৰিবলৈ আৰম্ভ কৰিলে।

বেষ্টিল দুৰ্গৰ পতনৰ লগে লগেই দেশত অভিজাতসকলৰ ৰাজনৈতিক আৰু লগতে নৈতিক বলো একেবাৰে নিঃশেষ হৈ গ'ল। তেওঁলোক শক্তিহীন হৈ পৰিল। আত্মবিশ্বাসৰ ঠাইত ঘনীভূত শঙ্কা আৰু ভয়ে তেওঁলোকক পঙ্গুসদৃশ কৰি পেলালে। বহুতো অভিজাত লোকে কথা বিষম যেন দেখি বিপ্লৱক সমৰ্থন কৰিবলৈ আৰম্ভ কৰিলে। আন বহুতে আকৌ সম্ৰাটৰ ভায়েক ক'ট ড্য এট্ৰিচৰ নেতৃত্বত দেশ ত্যাগ কৰিলে। এই দেশত্যাগী সকলে পাছত বিপ্লৱ আৰু ফৰাচী ৰিপাব্লিকৰ বিৰুদ্ধে ইউৰোপৰ ৰাজন্যবৰ্গৰ সহায়ত নানান ষড়যন্ত্ৰ চলাইছিল আৰু ফ্ৰান্সত পুনৰ ৰাজতন্ত্ৰ প্ৰতিষ্ঠা কৰিবলৈ এই ৰাজন্যবৰ্গক লৈ সামৰিক অভিযানো আৰম্ভ কৰিছিল।

বেষ্টিলৰ পতনৰ লগে লগে ফ্ৰান্সত সম্ৰাট আৰু ৰাজশক্তি প্ৰকৃতাৰ্থত একেবাৰে দুৰ্বল হৈ পৰিল। কোনো কাম কৰিবলৈ সম্ৰাটৰ ক্ষমতা নাইকিয়া হ'ল। তেওঁ নিজৰ মিত্ৰসকলক ৰক্ষণাবেক্ষণ দিবলৈ আৰু শত্ৰুসকলক পৰাস্ত কৰিবলৈ সম্পূৰ্ণ অপাৰগ হ'ল। সমগ্ৰ অপমান সহ্য কৰিও তেওঁ বিদেশী সেনাবোৰ আঁতৰাই পঠিয়াবলৈ, নেকাৰক পুনৰ নিযুক্তি দিবলৈ, বেষ্টিলৰ অধিকাৰক সমজুৱাভাৱে স্বীকৃতি দিবলৈ, নতুন পৌৰ সভা আৰু মেয়ৰক স্বীকৃতি দিবলৈ আৰু হাজাৰ হাজাৰ প্ৰজাৰ আগত বিপ্লৱৰ প্ৰতীকচিহ্ন ৰঙা বগা নীলা পাখিৰ থোপাটো টুপীত লগাই ল'বলৈ বাধ্য হ'ল। অভিজাত-সকলে সম্ৰাটক এনেদৰে দাবীবোৰ মানি নলৈ সেনাবাহিনীৰ সৈতে কোনো এখন প্ৰাদেশিক ৰাজধানী লৈ গৈ তাৰ পৰা পৰিস্থিতি নিয়ন্ত্ৰণৰ চেষ্টা চলাবলৈ পৰামৰ্শ দিছিল। সম্ৰাট ষষ্ঠদশ লুইয়ে কিন্তু এই পৰামৰ্শ নামানিলে। তেওঁ বিপ্লৱক স্বীকৃতি দিলে আৰু ক'লে,—"মোৰ শাসনকালত ফ্ৰান্সত আৰু কোনো ৰক্তপাত নহ'ব।"

বেষ্টিল কাৰাগাৰৰ পতনে সমগ্ৰ ফ্ৰান্সৰ ৰাজনৈতিক শক্তিবিন্যাসৰ আমূল পৰিবৰ্ত্তন ঘটালে আৰু বুৰ্জোৱা শ্ৰেণীৰ দ্বাৰা পৰিচালিত গণতান্ত্ৰিক বিপ্লৱক নতুন শক্তিৰে শক্তিমন্ত কৰি তুলিলে। জনতাৰ হাতলৈ ক্ষমতা যোৱাৰ পাছত সমগ্ৰ ফ্ৰান্সতে এটা অস্থিৰ অৰাজক অৱস্থাৰ সৃষ্টি হ'ল। পুৰণা

প্ৰাশাসনিক অনুষ্ঠানবোৰ শক্তিহীন হোৱাত মানুহে সেইবোৰ নমনা হ'ল কিন্তু সেইবোৰৰ পৰিৱৰ্ত্তে আন অনুষ্ঠান গঢ়ি নুঠাত এক বিৰাট শূন্যতাৰ সৃষ্টি হ'ল। প্ৰাশাসনিক ব্যৱস্থা সম্পূৰ্ণ ভাঙি পৰিল আৰু ইয়াৰ ফলত সমাজত নানাৰ অশান্তি আৰু বিশৃঙ্খলতাৰ সৃষ্টি হ'ল। সামাজিক বান্ধোন, অনুশাসন, আইন-শৃঙ্খলা ভাগি পৰিল। এই ছলতে সুবিধাবাদী লোক সকলে নিজৰ নিজৰ স্বাৰ্থ পূৰণ কৰাত লাগি পৰিল।

খাদ্যশস্যৰ বেপাৰীবোৰে এই সুযোগতে খোৱাবস্তুৰ দাম বঢ়াই দিলে। ইয়াৰ ফলত বহুত ঠাইতে কৃত্ৰিম খাদ্য অনাটনে দেখা দিলে। ভোকাতুৰ মানুহে খাদ্যশস্যৰ গুদাম আৰু নগৰবোৰলৈ খাদ্য কঢ়িয়াই নিয়া নাওবোৰ লুটপাট কৰাত লাগিল। নগৰবোৰতো চৰাদাম আৰু খাদ্যবস্তুৰ অভাৱে মানুহৰ জীৱন দুৰ্বহ কৰি তুলিলে। চাৰিওফালে ডকাইতি, লুটপাটৰ সংখ্যা বাঢ়ি গ'ল। চহৰবোৰত নানা ধৰণৰ অপৰাধ সংঘটিত হ'বলৈ ধৰিলে। গাঁও অঞ্চলবোৰত একো একোদল লুটপাট কৰা অপৰাধীৰ সৃষ্টি হ'ল, যি মানুহৰ ধন-সম্পত্তি, খাদ্যশস্য লুটপাট কৰি চাৰিওফালে অনিশ্চয়তা আৰু ত্ৰাসৰ সৃষ্টি কৰিলে। মানুহৰ জীৱন আৰু সা-সম্পত্তি নিৰাপত্তাহীন হৈ পৰিল। সকলোৰে মনত আতংকৰ সৃষ্টি হ'ল।

কিন্তু এই আতংক আৰু অৰাজকতা বেছিদিন থাকিবলৈ নাপালে, কাৰণ এনেধৰণৰ অপৰাধীবোৰৰ বিৰুদ্ধে গাঁও আৰু চহৰবোৰত মানুহ সংঘবদ্ধ হৈ পৰিল। তেওঁলোকেও নিজক আৰু নিজৰ সা-সম্পত্তি ৰক্ষা কৰিবলৈ অস্ত্ৰ-শস্ত্ৰ গোটাই সুসজ্জিত হৈ পৰিল। তাৰোপৰি নতুনকৈ গঠিত হ'বলৈ ধৰা বিপ্লৱী চৰকাৰ বোৰেও এনে অৰাজকতা নাইকিয়া কৰিবলৈ যথাসাধ্য চেষ্টা কৰিলে। প্ৰকৃততে বিপ্লৱী চৰকাৰবোৰেই গাঁও অঞ্চলৰ বিৰাট জনশক্তিক সশস্ত্ৰ আৰু সংঘবদ্ধ কৰি পেলালে। অৱশেষত লাহে লাহে দেশলৈ পুনৰ শান্তি ঘূৰি আহিল। মানুহৰ মনৰ অনিশ্চয়তা আৰু আতংকৰ ভাব বহু পৰিমাণে দূৰ হ'ল।

অস্ত্ৰ-শস্ত্ৰ আৰু বিপ্লৱৰ আদৰ্শৰে সংগঠিত হৈ উঠা ফৰাচী কৃষকসকলে এইবাৰ তেওঁলোকৰ প্ৰচণ্ড সংঘবদ্ধ শক্তিৰে বৈষম্যপূৰ্ণ সমাজখনৰ শেষ গাঁথনিটোকো ভাঙি পেলাবলৈ আগবাঢ়িল। জনতাৰ শক্তি এইবাৰ সমাজ পৰিবৰ্ত্তনৰ আহিলা হৈ পৰিল। জনতাৰ আক্ৰমণৰ প্ৰথম লক্ষ্য হ'ল দেশৰ সামন্তবাদ। সামন্তবাদী জমিদাৰ, মাটিৰ মালিক আৰু কৰ সংগ্ৰহ কৰোঁতাসকলৰ বিৰুদ্ধে জনতাই অভিযান আৰম্ভ কৰিলে।

১৭৮৯ চনৰ জুলাই মাহৰ পৰাই এই অভিযান প্ৰকৃতপক্ষে আৰম্ভ হৈছিল। সংঘবদ্ধ সশস্ত্ৰ কৃষক আৰু গাঁওবাসীসকলে জমিদাৰ আৰু মাটিৰ মালিক সকলৰ ওচৰলৈ গৈ তেওঁলোকক জমিদাৰীৰ ক্ষমতা দিয়া দলিলপত্ৰ, ৰায়তৰ বন্দৱস্তী আৰু ঋণ আৰু বন্ধকীৰ দলিলবোৰ চাবলৈ বিচাৰিছিল। সেইবোৰ দেখুউৱা হ'লে কৃষকসকলে সেইবোৰ কাঢ়ি আনি পুৰি পেলাইছিল। আনহাতে দলিল দেখুৱাবলৈ অমান্তি হ'লে তেনে জমিদাৰ জোতদাৰৰ ঘৰতেই জুই লগাই দিছিল। বহুত জমিদাৰ আৰু মাটিৰ মালিকক হত্যাও কৰা হৈছিল। জমিদাৰৰ মাটি কাঢ়ি আনি কৃষকৰ মাজত বিলাই দিয়া হৈছিল। মাটিহীন কৃষি বনুৱাবোৰক নতুন খেতিৰ মাটি দি সংস্থাপিত কৰা হৈছিল।

গীৰ্জা আৰু মনাষ্টিবোৰৰ ওপৰতো এই একেদৰে আক্ৰমণ চলিছিল। যাজকসকলৰ হাতত থকা মাটিৰ দলিল আদি কাঢ়ি লোৱা হৈছিল আৰু গীৰ্জাৰ অধীনত থকা মাটি-বাৰীবোৰ অধিকাৰ কৰি লোৱা হৈছিল। বহুত ঠাইত গীৰ্জাৰ সা-সম্পত্তি মানুহে লুটপাট কৰি লৈ গৈছিল। ৰাজকীয় বিষয়া সকলে এইবোৰ চকুৰ আগতে দেখি থাকিও নিষ্ক্ৰিয় হৈ বহি থাকিব লগা হৈছিল। কাৰণ বাধা দিবলৈ গলে তেওঁলোকক অপদস্থ আৰু কেতিয়াবা হত্যা পৰ্যন্ত কৰা হৈছিল।

এই অভিযানবোৰৰ ফলত ফ্ৰান্সত বুকুৰ পৰা সামন্তবাদী ভূমিব্যৱস্থাৰ অন্ত পৰিল। জমিদাৰৰ অত্যাচাৰ আৰু অন্যায় কৰ-কাটলৰপৰা মানুহে মুক্তি পালে। যদিও ইয়াৰ বহুবছৰৰ পাছতহে ফ্ৰান্সৰ বুকুৰপৰা সামন্তবাদী ব্যৱস্থা সম্পূৰ্ণ নিশ্চিহ্ন কৰিব পৰা গৈছিল, তথাপিও কাৰ্যতঃ এই অভিযান-বোৰৰ লগতেই এই ব্যৱস্থাৰ উৎখাত আৰম্ভ হৈছিল।

এই ব্যৱস্থাৰ ফলত ফৰাচী বিপ্লৱ আৰু জোৰদাৰ হৈ পৰিল। নতুনকৈ মাটি পোৱা আৰু জমিদাৰৰ কৰৰপৰা মুক্তি পোৱা কৃষক সকলে নতুন উদ্যমেৰে খেতি-বাতিত লাগি গ'ল আৰু প্ৰচুৰ পৰিমাণে শস্য উৎপন্ন কৰিবলৈ ধৰিলে। ইয়াৰ ফলতেই ইউৰোপৰ সমবেত ৰাজন্যবৰ্গৰ বিৰোধিতা সত্ত্বেও ফৰাচী বিপ্লৱ বিকশিত হৈ উঠিব পাৰিছিল আৰু ফৰাচী সেনাসকলে সমগ্ৰ শত্ৰুক প্ৰতিহত কৰিব পৰা শক্তিও পাইছিল। এই ব্যৱস্থাৰ ফল স্বৰূপেই পাছত নাপোলিয়নে সমগ্ৰ ইউৰোপতে সামৰিক অভিযান চলাবলৈ সক্ষম হৈছিল। কিন্তু মাটি পাই নিকপকপীয়া হোৱা এই কৃষকসকলৰ মাজত সময়ত ৰক্ষণশীলতা আৰু প্ৰতিক্ৰিয়াইয়ো গঢ় লৈ উঠিছিল। পাছলৈ বিপ্লৱৰ

আহ্বানত সঁহাৰি দিবলৈ তেওঁলোকে বেছি ভাল নোপোৱা হৈছিলগৈ। সেয়া পাছৰ কথা। তাৰ বিষয়ে পাছত পামগৈ।

অভিজাতসকল এইবাৰ একেবাৰেই ক্ষমতাহীন হৈ পৰিল। বহুতেই আকৌ দেশ এৰি বিদেশলৈ পলাই গ'ল। এওঁলোক হ'ল দ্বিতীয় চাম দেশত্যাগী। বাকী থকা অভিজাতসকলে ঘটনাৰ গমগতি দেখি বুজিলে যে যি বিপ্লৱক তেওঁলোকে পেৰিচতে সীমাবদ্ধ কৰি ৰাখিব বিচাৰিছিল আৰু সৰু-সুৰা কিছুমান এৰা ধৰা কৰি শাম কটাব পাৰিম বুলি ভাবিছিল সি এতিয়া সমগ্ৰ দেশতে বিয়পি পৰিছে। সেয়ে তেওঁলোকে শেষ ৰক্ষা কৰিবলৈ এটা নতুন প্ৰস্তাৱ আগবঢ়ালে। তেওঁলোকৰে এজন নেতাই দেশৰপৰা সামন্তবাদী ভূমিব্যৱস্থা শেষ কৰিবলৈ, ৰায়তিপ্ৰথা, বেগাৰী বা মালিকৰ মাটিত বিনাবেতনে কাম কৰি দিয়াৰ প্ৰথা শেষ কৰিবলৈ প্ৰস্তাৱ কৰিলে। কৃষকসকলক বহুতো কৰৰ পৰা মুক্তি দিবলৈ আৰু সকলোৰে ওপৰত উপাৰ্জনৰ ওপৰত ভিত্তি কৰি কৰ লগাবলৈ ব্যৱস্থা কৰা হ'ল। কিন্তু ইয়াৰ বিনিময়ত অভিজাতসকলে ভোগ কৰি অহা আন কিছুমান সা-সুবিধা আৰু কিছুমান সামন্তবাদী কৰ-কাটল আৰু শুল্ক বাহাল ৰাখিবলৈ বিচৰা হ'ল। তেওঁলোকৰ সা-সম্পত্তিৰ অধিকাৰক স্বীকৃতি দিলে তেওঁলোকে বহুতো অন্যায় সা-সুবিধা বা প্ৰিভিলেজ এৰি দিবলৈ মান্তি হ'ল। উদাৰপন্থী অভিজাত সকলে এই কামত আগভাগ ল'লে।

সেইদিনা আছিল ৫ আগষ্ট। পুৱা দুটা বাজিছে। এজনৰ পাছত এজনকৈ অভিজাত সকলে এই প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনাই তেওঁলোকৰ প্ৰিভিলেজ ত্যাগ কৰাৰ কথা ঘোষণা কৰিলে। আনুষ্ঠানিকভাৱে ফৰাচী কৃষকসকলক সামন্তবাদৰপৰা মুক্ত বুলি ঘোষণা কৰা হ'ল। এই প্ৰস্তাৱ সমূহ লিপিবদ্ধ কৰি 'মহান ত্যাগপত্ৰ' বুলি এক দলিল তৈয়াৰ কৰা হ'ল আৰু ইয়াত স্বাক্ষৰ কৰি অনুমোদন জনাবলৈ সম্ৰাটক আহ্বান কৰা হ'ল।

দেশৰ পৰা সামন্তবাদৰ অৱসান আৰু মহান ত্যাগপত্ৰৰ ঘোষণাৰ লগে লগে দেশৰ পৰা কিন্তু সামন্তবাদ শেষ হৈ যোৱা নাছিল। কিয়নো এই প্ৰস্তাৱত পিছত কেতবোৰ সংশোধন কৰি কিছুমান কৰ-কাটল, সামন্তবাদী শুল্ক আদি আকৌ লগাব পৰাৰ ব্যৱস্থা কৰা হৈছিল। এইবোৰ কামত আগভাগ লৈছিল কিছুমান বুৰ্জোৱা প্ৰতিনিধিয়ে, কিয়নো তেওঁলোকে নিজৰ স্বাৰ্থৰ বাবে এটা বুজাপৰাৰে আহিব বিচাৰিছিল। এই বুৰ্জোৱাসকলৰো বহুত মাটি আছিল

যি বোৰ তেওঁলোকে আধিয়াৰক দিছিল আৰু তাৰপৰা প্ৰচুৰ আয় কৰিছিল। সেয়ে সামন্তবাদী জমিদাৰী প্ৰথা সম্পূৰ্ণ নিশ্চিহ্ন হোৱাটো কাৰ্যক্ষেত্ৰত তেওঁলোকে বিচৰা নাছিল যদিও তেওঁলোকে জানিছিল যে দেশৰ কৃষি আৰু অৰ্থনীতিৰ ধনতান্ত্ৰিক ৰূপান্তৰৰ বাটত সামন্তবাদ এটা দুৰ্জ্জয় বাধা। কিন্তু তেওঁলোকৰ এই অপচেষ্টা সফল হোৱা নাছিল, কাৰণ কোনো প্ৰকাৰৰ কৰ দিবলৈ কৃষক অমান্তি হোৱাত এনে কৰ-কাটল তুলিব পৰা নগৈছিল। কিন্তু সম্প্ৰতে এই মহান ত্যাগপত্ৰৰ ঘোষণাৰ লগে লগে ফ্ৰান্সৰ চাৰিওফালে আনন্দৰ জোৱাৰ উঠিছিল। ফ্ৰান্সৰ বুকুৰেদি এক নতুন মানৱীয়তাবোধৰ ঢৌ যেন বৈ গৈছিল।

সপ্তদশ অধ্যায়

মহান ত্যাগপত্ৰ ঘোষণাৰ পাছৰ অৱস্থা।

সমগ্ৰ ফ্ৰান্স জুৰি তেতিয়া শান্তি আৰু মানৱীয়তাবোধৰ এক অভূতপূৰ্ব ঢৌ প্ৰবাহিত হৈছে। সকলোৰে মনত নতুন আশা, ৰক্তপাত আৰু হিংসাত্মক পন্থা বাদ দিও বিপ্লৱক শান্তিপূৰ্ণ উপায়েৰে সফলকাম কৰিব পৰা যাব বুলি সকলোৰে মনত আনন্দ। সামাজিক উত্তেজনা বহু পৰিমাণে হ্ৰাস পাইছে, উগ্ৰপন্থী সকলো স্তিমিত হৈ পৰিছে। সাধাৰণ নাগৰিক সকলে শান্তিত উশাহ লৈছে। এই শান্তিৰ সময়তেই ফ্ৰান্সত এখন যুগান্তকাৰী দলিল প্ৰস্তুত কৰি উলিউৱা হ'ল। এই দলিলখন হ'ল "Declaration of rights of man and citizen—মানুহ আৰু নাগৰিকৰ অধিকাৰৰ ঘোষণাপত্ৰ। এই ঘোষণাপত্ৰখন ফ্ৰান্সৰ নতুনকৈ প্ৰস্তুত কৰি থকা বৈপ্লৱিক সংবিধানখনৰ প্ৰস্তাৱনা হিচাপে সন্নিবিষ্ট কৰা হৈছিল। এই মহান দলিল খনৰ কেইটামান উল্লেখযোগ্য ধাৰাৰ মূকলি অনুবাদ তলত আগবঢ়ালোঁ।

(১) সকলো মানুহেই স্বাধীন ভাৱে জন্মগ্ৰহণ কৰে আৰু জীয়াই থাকে আৰু সকলো মানুহৰেই সমান অধিকাৰ আছে।

(২) সকলো ৰাজনৈতিক সংগঠনৰ লক্ষ্য হ'ল মানুহৰ স্বাভাৱিক আৰু অলঙ্ঘনীয় অধিকাৰ সমূহ সাব্যস্ত কৰাটো। আৰু এই অধিকাৰ সমূহ হ'ল স্বাধীনতা, সম্পত্তি, নিৰাপত্তা আৰু দমন প্ৰতিৰোধৰ অধিকাৰ।

(৪) স্বাধীনতা বুলিলে আনক ক্ষতি নকৰাকৈ সকলো কাম কৰাৰ স্বাধীনতা বুজায়, সেয়ে মানুহৰ স্বাভাৱিক অধিকাৰ সমূহৰ কোনো সীমা নাই যেতিয়ালৈকে এইবোৰে আন এজনৰ স্বাভাৱিক অধিকাৰ খৰ্ব নকৰে। আৰু এই অধিকাৰ খৰ্ব হোৱাৰ সীমাৰেখা আইনৰ দ্বাৰা নিৰূপিত হ'ব পাৰে।

(৫) মানুহৰ সাধাৰণ ইচ্ছাৰ সাৰ্থক প্ৰকাশেই হ'ল আইন। আৰু এই আইন প্ৰণয়নত প্ৰতিজন নাগৰিকৰে নিজে নাইবা তেওঁৰ দ্বাৰা নিৰ্ব্বাচিত প্ৰতিনিধিৰ সহায়েৰে অংশ গ্ৰহণ কৰাৰ অধিকাৰ আছে।······সকলো নাগৰিকেই যিহেতু আইনৰ আগত সমান সেয়ে নিজ নিজ যোগ্যতা অনুসৰি সকলোৰে সমাজৰ সন্মানজনক পদ, নিজৰ পচন্দৰ জীৱিকা, প্ৰাশাসনিক দায়িত্ব লাভ কৰাৰ সমান অধিকাৰ আছে।

(৭) আইন সঙ্গত নিয়ম বা গোচৰৰ বাহিৰে কোনো মানুহকে অভিযুক্ত, আটক বা বন্দী কৰিব পৰা নাযাব।

(৯) দোষী বুলি প্ৰমাণিত নোহোৱালৈকে সকলো মানুহকে নিৰ্দ্দোষী বুলি গণ্য কৰা হয়। সেয়ে যদি কেতিয়াবা কাৰোবাকে আটক কৰিব লগীয়া হয় তেনে বন্দীক কোনো ধৰণৰ অনাৱশ্যকীয় শাৰীৰিক কষ্ট নিদিবলৈ আইনৰ দ্বাৰা ব্যৱস্থা কৰা প্ৰয়োজন।

(১০) কোনো মানুহকে নিজা মতাদৰ্শ, আনকি ধৰ্মীয় চিন্তাধাৰাও অবাধে প্ৰকাশ কৰাত কোনেও বাধাদান কৰিব নোৱাৰিব যেতিয়ালৈকে তেওঁৰ আদৰ্শ সমাজত আইনৰ শাসনৰ পৰিপন্থী নহয়।

(১১) ভাব আদৰ্শৰ অবাধ আদান প্ৰদানৰ অধিকাৰ সকলো মানুহৰে মহামূল্যবান অধিকাৰ। প্ৰতিজন নাগৰিকৰে স্বাধীনভাৱে কথা কোৱাৰ, লিখাৰ আৰু ছপা কৰাৰ সম্পূৰ্ণ অধিকাৰ আছে। কিন্তু এই স্বাধীনতা অপব্যৱহাৰ কৰাৰ দায়িত্ব তেওঁ গ্ৰহণ কৰিবলৈ বাধ্য আৰু এই অপব্যৱহাৰৰ সংজ্ঞা আইনে নিৰ্ণয় কৰিব।

(১৭) সম্পত্তিৰ অধিকাৰ এক পৱিত্ৰ আৰু অলংঘনীয় অধিকাৰ। সেয়ে কোনো আইনসঙ্গত সমজুৱা কামৰ প্ৰয়োজনৰ বাহিৰে কোনো মানুহকে

নিজা সম্পত্তিৰপৰা বঞ্চিত কৰিব পৰা নাযাব আৰু এই কামো কৰিব পৰা যাব এই চৰ্ত্তহে যে সম্পত্তিৰ বাবে মালিকে যথাযুক্ত ক্ষতিপূৰণ পাব লাগিব।

এই ঐতিহাসিক দলিলখনৰ পাতে পাতে দেখা যায় ৰুচোৰ দৰ্শনৰ প্ৰয়োগ। ইয়াত আইন-কানুন, মানৱ অধিকাৰ, সকলোবোৰ চিন্তাধাৰাৰ ক্ষেত্ৰতে ৰুচোৰ মতামত খুব বিস্তৃত ভাৱে গ্ৰহণ কৰা হৈছে। ৰুচোৰ স্বাভাৱিক বা প্ৰাকৃতিক নীতি অৰ্থাৎ নেচাৰেল ল-ৰ সংজ্ঞাও গ্ৰহণ কৰা হৈছে—"প্ৰকৃতিৰ স্বাভাৱিক নিয়ম অনুসৰিয়েই সকলো মানুহৰে সমান অধিকাৰ আছে বা— Basic Rights belong to everybody by natural law" এই আদৰ্শৰ প্ৰয়োগেৰে আইন-কানুন আদিৰ সংজ্ঞা গঢ়ি তোলা হৈছিল।

এই দলিলখন মানৱ ইতিহাসৰ এটা বৰ গুৰুত্বপূৰ্ণ পদক্ষেপ। সমগ্ৰ মানৱ জাতিৰ প্ৰতি সাম্য, মৈত্ৰী আৰু স্বাধীনতাৰ আদৰ্শ ইয়েই প্ৰথমে কঢ়িয়াই আনে। মানুহৰ মুক্তিকামী মনক আৰু শক্তিশালী কৰি তোলে। আমেৰিকাৰ স্বাধীনতাৰ ঘোষণাপত্ৰৰ দ্বাৰা অনুপ্ৰাণিত লাফায়েত্তিয়ে যেতিয়া এচেম্বলীৰ মজিয়াত এই দলিল খন উত্থাপন কৰে তেতিয়া সকলো শ্ৰেণীৰ প্ৰতিনিধিয়েই ইয়াত অকুণ্ঠ সমৰ্থন জনায়। এই দলিলখনেই ফৰাচী বিপ্লৱ আৰু নেশ্বনেল এচেম্বলীৰ মানৱ জাতিৰ প্ৰতি মহত্তম দান।

এই দলিলখন অৱশ্যে একেবাৰে দোষমুক্ত নাছিল। বহুতো ভুল আৰু অসমানতা তেতিয়াও থাকি গৈছিল। বিশেষকৈ ফ্ৰান্সৰ উপনিবেশ সমূহত দাস প্ৰথাৰ বিলোপ সাধন নকৰা, ভোটাধিকাৰ কেৱল মাত্ৰ সম্পত্তিশালী কৰদাতা সমূহৰ মাজতে সীমাবদ্ধ কৰি ৰখা, প্ৰটেষ্টান্ত আৰু ইহুদি ধৰ্মৰ লোক সকল আৰু অভিনেতা আদি লোকসকলক ভোটাধিকাৰৰপৰা বঞ্চিং কৰি ৰখাটো ইয়াৰ ডাঙৰ ত্ৰুটি আছিল। কিন্তু এই দোষত্ৰুটিবোৰৰ সত্বেও সেই সময়ত সকলো মানুহৰে সমান অধিকাৰ ঘোষণাৰ আদৰ্শ পৰম্পৰা আৰু অন্ধবিশ্বাস জৰ্জৰিত প্ৰাচীন পন্থী সমাজখনত এক অভাৱনীয় বিপ্লৱ আছিল। প্ৰাচীন জড়াগ্ৰস্থ সমাজব্যৱস্থাৰ স্থিতিৰ প্ৰতি এই ঘোষণা আছিল এক প্ৰচণ্ড প্ৰত্যাহ্বান স্বৰূপ। সেয়ে সম্ৰাটে এই দলিলত স্বাক্ষৰ কৰিবলৈ অমান্তি হৈছিল। তেওঁ কৈছিল যে ই সমাজলৈ অশান্তি আৰু বিশৃঙ্খলতা কঢ়িয়াই আনিব।

সম্ৰাটে এই ঘোষণাপত্ৰত অনুমোদন জনাবলৈ অমান্তি হোৱাত পেৰিচৰ জনসাধাৰণ জ্বলি উঠিল। তেওঁলোকে সম্ৰাটৰ কামৰ মাজত যেন কিবা

অভিসন্ধি আৰু ষড়যন্ত্ৰৰ উমান পালে। তেওঁলোকৰ অনুমান একেবাৰে মিছা নাছিল। সম্ৰাটে সম্ৰাজ্ঞী আৰু কিছুমান অমাত্যৰ কথা শুনি ফ্লেণ্ডাৰ্চ অঞ্চলৰ বিশ্বাসী ফৰাচী সেনাক ভাৰ্চাইলৈ মাতি পঠিয়াইছিল। তেওঁৰ মনত এচেম্বলীখন পাৰিলে ভাঙি দিয়াৰো উদ্দেশ্য আছিল। এই সেনাবাহিনীটো আহি ভাৰ্চাই পোৱাত পেৰিচত নানা তৰহৰ গুজৱ আৰু উৰাবাতৰি ওলাবলৈ ধৰিলে। মানুহৰ মনত সন্দেহ আৰু সংশয় সৃষ্টি হ'বলৈ ধৰিলে। সেই সময়ত পেৰিচত শয়ে শয়ে ৰাজনৈতিক আৰু সামাজিক বিতৰ্কৰে পৰিপূৰ্ণ সৰু সৰু বাতৰি-কাকত আৰু পুস্তিকা ওলাইছিল আৰু পেৰিচৰ নাগৰিক সকলে এইবোৰ খুব পঢ়িছিল। পেৰিচৰ জনমতৰ ওপৰত এই বাতৰি-কাকত বোৰৰ যথেষ্ট প্ৰভাৱ আছিল আৰু এতিয়া এই কাকতবোৰে পেৰিচৰ জনতাক ক্ৰমান্বয়ে সম্ৰাটৰ বিৰুদ্ধে উচটাবলৈ ধৰিলে। তেওঁলোকে লিখিলে যে সম্ৰাটে এচেম্বলীখন ভাঙি দিব খুজিছে আৰু জনসাধাৰণৰ স্বাধীনতা অপহৰণ কৰিবলৈ উদ্যত হৈছে। জনতা জ্বলি উঠিল।

সম্ৰাটে ৰাজধানীত সেনা সমাবেশ ঘটোৱা কাৰ্যক নেশ্বনেল এচেম্বলীৰ সদস্য সকলেও চোকা ভাষাৰে গৰিহণা দিলে।

জ্যাঁ পল মাৰা সেই সময়ৰ সাংবাদিকসকলৰ মাজত আটাইতকৈ প্ৰভাৱশালী আছিল। তেওঁ সম্পাদনা কৰা বাতৰি-কাকতখনৰো পেৰিচৰ জনতাৰ ওপৰত বিৰাট প্ৰভাৱ আছিল। এইবাৰ মাৰাই চোকা ভাষাৰে দাবী জনালে,

"যেতিয়া জনস্বাৰ্থ বিপদাপন্ন হৈ পৰে তেতিয়া নাগৰিকসকলে অক্ষম শাসকসকলৰপৰা ক্ষমতা কাঢ়ি লোৱা উচিত। সেই অষ্ট্ৰিয়াৰ মহিলা গৰাকী (সম্ৰাজ্ঞী) আৰু তেওঁৰ দেওৰেকক (সম্ৰাটৰ ভায়েক) তোমালোকে পোতাশালত দিয়া। মন্ত্ৰী সকল আৰু তেওঁলোকৰ অনুচৰসকলৰো হাতত লোৰা লগোৱা। মেয়ৰ, তেওঁৰ অনুচৰবোৰ আৰু জেনেৰেলৰ (লাফায়েতি) ওপৰতো চোকা নজৰ ৰাখিবা। তেওঁৰ অনুচৰ বোৰকো বন্দী কৰা। যি সময়ত তোমালোকে এটুকুৰা, ৰুটী পোৱা নাই সেই সময়ত তাঁহাতৰ সান্ধ্য ভোজনত মৌজ কৰি বহাৰ কোনো অধিকাৰ নাই। সশস্ত্ৰ জনতাক সংগঠিত কৰি তোলা। এতিয়াই তোমালোক নেশ্বনেল এচেম্বলীলৈ যোৱা আৰু তৎকালে খাদ্যবস্তু বিচৰা। তেওঁলোকক কোৱা যে দেশত দৰিদ্ৰসকলৰো জীয়াই থকাৰ অধিকাৰ আছে, তেওঁলোকৰো ভৱিষ্যৎ আছে। তোমালোকক যদি

প্ৰত্যাখ্যান কৰে তেনেহ'লে তোমালোকে সেনাবাহিনীত যোগ দিয়া, তাঁহাতে ইমানদিনে ছল-চাতুৰিৰে ভোগ কৰি অহা মাটি আৰু সঁহতনে লুকুৱাই ৰখা ধন-সম্পত্তি কাঢ়ি লোৱা। তোমালোকক সিহঁতে ভোকৰে পীড়ন কৰি বশ মনাবলৈ চেষ্টা কৰিছে। সেয়ে তাঁহাতৰ ধন-সম্পত্তি আনি তোমালোকে নিজৰ মাজত ভগাই লোৱা। সেই মন্ত্ৰীসকল আৰু তাঁহাতৰ বহতীয়াবোৰৰ শিৰচ্ছেদ কৰা। এতিয়াই, এতিয়াই তাৰ সময় আহি পৰিছে।"

মাৰা আৰু তেওঁৰ সমসুৰী বাৰ্ত্তাকাৰ সাংবাদিকসকলে সেই সময়ত কেনেধৰণৰ লেখনীৰে জনসাধাৰণক প্ৰৰোচিত, প্ৰভাৱিত আৰু উত্তেজিত কৰি তুলিছিল তাৰে নমুনা দিবলৈ ওপৰৰ কথাখিনি তুলি দিলোঁ। মাৰাৰ এনে ধৰণৰ লেখনীয়ে জনসাধাৰণক উত্তেজিত কৰি তুলিবলৈ সক্ষম হৈছিল আৰু জনতাই হুলস্থুল কৰাত ভয়তে সম্ৰাটে অমাত্যসকলৰ পৰামৰ্শমতে সেনাবাহিনীক মাতি আনিছিল।

এইবাৰ মাৰাইঁতে যুক্তি আগবঢ়ালে যে সম্ৰাট, সম্ৰাজ্ঞী আৰু নেশ্বনেল এচেম্বলীক ভাৰ্চাইৰ পৰা পেৰিচলৈ লৈ আনিব লাগে যাতে তেওঁলোকে কোনো ষড়যন্ত্ৰ কৰিব নোৱাৰাকৈ চোকা নজৰত ৰাখিব পৰা যায় আৰু নেশ্বনেল এচেম্বলীকো ৰাজকীয় হেঁচাৰ পৰা মুক্ত কৰি স্বাধীনভাৱে কাম কৰাৰ সুবিধা দিব পৰা যায়। তেওঁলোকৰ এই যুক্তিয়ে মানুহক ভালকৈয়ে ছুইছিল।

ইতিমধ্যে খাদ্যশস্যৰ অনাটনে পেৰিচত সঁচাকৈয়ে ডাঙৰ সংকটৰ সৃষ্টি কৰিছে। এদিন বজাৰৰ পোহাৰীবোৰৰ আৰু সহ্য নহ'ল। তেওঁলোক ওলাল ভাৰ্চাইলৈ। নেশ্বনেল এচেম্বলী আৰু সম্ৰাটৰ ওচৰত তেওঁলোকে ৰুটী বিচাৰিব। তেওঁলোক ওলোৱাৰ লগে লগে আৰু বহুত মানুহ তেওঁলোকৰ লগ লাগিল। চাওঁতে চাওঁতে আঠহাজাৰ মানুহৰ এটা বিৰাট সমদল ভাৰ্চাই অভিমুখে যাবলৈ ধৰিলে। তেওঁলোকে ওৰে বাটটো গান গাই গৈছিল আৰু কৈছিল, "আমি ৰজা-ৰাণীক পেৰিচলৈ লৈ আহিম।" সেইদিনা আছিল ১৭৮৯ চনৰ ৫ অক্টোবৰ। আৰম্ভ হ'ল বিখ্যাত মাৰ্চ টু ভাৰ্চাই।

জনতাই গৈ নেশ্বনেল এচেম্বলী ঘেৰি ধৰিলেগৈ। এচেম্বলীৰ প্ৰেচিডেণ্ট জনতাৰ দাবী সমূহ নি সম্ৰাটৰ আগত পেচ কৰিলেগৈ। সম্ৰাটে পেৰিচৰ খাদ্য সঙ্কট শীঘ্ৰ সমাধান কৰিবলৈ প্ৰতিশ্ৰুতি দিলে। আবেলি জেনেৰেল লাফায়ত্তিয়ে পোন্ধৰ হাজাৰ নেশ্বনেল গাৰ্ডৰ সেনা লৈ আহিল। তেওঁ সম্ৰাটক নিৰাপত্তাৰ প্ৰতিশ্ৰুতি দিলে আৰু লগতে জনতাক শান্ত আৰু

নৈম্মান কৰিবলৈ সম্রাট পেবিচলৈ যোৱাটো প্ৰয়োজন বুলি ক'লে। সম্রাজ্ঞী মেৰী এন্টোঁয়ানেটে কিন্তু কথাটো ভাল নাপালে। তেওঁ যেন কিবা অসৎ উদ্দেশ্যৰ সন্তেদ পাইছে।

ইতিমধ্যে প্ৰাসাদৰ বাহিৰত আৰু বহুত মানুহ গোট খাইছেহি। ওবে ৰাতি বৰষুণত তিতি বুৰি ভোকে-ভাগৰে তেওঁলোক একেবাৰে ক্ষুব্ধ হৈ পৰিছে। ৰাতিপুৱা হঠাৎ প্ৰাসাদৰ উত্থানৰ বাট এটা খোলা পাই জনতা সেইফালে হুৰমূৰাই ভিতৰলৈ সোমাই আহিল। প্ৰাসাদৰক্ষীসকলে বাধা দিবলৈ চেষ্টা কৰিলে। জোটাপুটিত তিনিজন প্ৰাসাদৰক্ষী নিহত হ'ল। সম্রাটে তেওঁলোকক অধিক ৰক্তপাত কৰিবলৈ বাৰণ কৰিলে। আনফালে জনতা প্ৰাসাদলৈ সোমাই গৈছে। তেওঁলোকে সম্রাটৰ অন্তেবপুৰ পালে-গৈ। উপায়ন্তৰ হৈ সম্রাট, সম্রাজ্ঞী আৰু ৰাজ পৰিয়াল নেশ্বনেল এচেম্বলীৰ অধিবেশন বহা কোঠাত গৈ আশ্ৰয় ল'লেগৈ। অৱশেষত যেনিবা জেনেৰেল লাফায়তিৰ মধ্যস্থতাত জনতা শান্ত হ'ল। সম্রাটে প্ৰাসাদৰ বেলকনিৰপৰা সমবেত জনতাৰ আগত তেওঁলোকৰ খাদ্য সমস্যাৰ আশু সমাধানৰ ব্যৱস্থা কৰাৰ প্ৰতিশ্ৰুতি দিলে আৰু জনতাৰ দাবী মানি লৈ ৰাজপৰিয়াল পেবিচলৈ যাব বুলি ক'লে। জনতাইয়ো 'সম্রাট দীৰ্ঘজীৱী হওক' বুলি জয়ধ্বনি দিলে।

কিন্তু ফ্ৰান্সত সম্রাট আৰু ৰাজতন্ত্ৰৰ আয়ুস শেষ হৈ আহিছে। বেছিদিন আৰু জনতাই সম্রাটৰ জয়ধ্বনি নিদিয়ে। এই জনতাই এদিন সম্রাটৰ মৃত্যুদণ্ডৰ বাবে দাবী জনাব। সেই দিনটোলৈ আৰু বেছি সময় নাই।

সম্রাট আৰু ৰাজপৰিয়াল সেইদিনাই পেবিচলৈ গুচি আহিল আৰু লগে লগে সম্রাটৰ যিবা অকণমান ৰাজনৈতিক ক্ষমতা আৰু প্ৰভাৱ আছিল সিও শেষ হৈ গ'ল। মহা শক্তিমান, একছত্ৰী, সাৰ্বভৌম সম্রাট পেবিচৰ জনতাৰ আজ্ঞাবহ হৈ পৰিল। পেবিচৰ সৰ্বহাৰা জনতাই আকৌ এবাৰ নিজৰ শক্তিৰ প্ৰমাণ দিলে—কপ্‌কপীয়া কৰি ললে বিপ্লৱৰ নেতৃত্বৰ অধিকাৰ। সম্রাটে 'জনতা আৰু নাগৰিকৰ অধিকাৰৰ ঘোষণাপত্ৰ' খনত অনুমোদন জনালে।

আৰু লগে লগেই তৃতীয়বাৰৰ বাবে অভিজাতসকলৰ দেশত্যাগৰ ঢৌ উঠিল। আৰম্ভ হ'ল থাৰ্ড এমিগ্ৰেশ্বন।

নেশ্বনেল এচেম্বলী এইবাৰ ৰাজকীয় প্ৰভাৱৰপৰা সম্পূৰ্ণভাৱে মুক্ত হ'ল কিন্তু পেবিচৰ জনতাৰ অধীন হৈ পৰিল। এইবাৰ এই সংসদে ফ্ৰান্সক এখন

নতুন বৈপ্লৱিক সংবিধান দিবলৈ উঠিপৰি লাগিব। প্ৰকৃততে এতিয়াহে এই নেশনেল এচেম্বলীখন কনষ্টিটিয়েন্ট এচেম্বলী হিচাপে পৰিগণিত হ'ল যদিও টেনিচকোৰ্টৰ ঐতিহাসিক দিনটোতে এই মৰ্মে সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল।

এইবাৰ আমি ফ্ৰান্সৰ নতুন বৈপ্লৱিক সংবিধানখনৰ মূল দফা সমূহএবাৰ চাই লওঁ।

এই সংবিধানখনত দেশৰ শাসন পৰিচালনাৰ বাবে এখন 'সৰ্ব্ব শক্তিমান সংসদৰ' ব্যৱস্থা ৰখা হৈছিল। এই সংসদখনৰ হাতত দেশৰ প্ৰায়বোৰ প্ৰধান ক্ষমতা দিয়া হৈছিল। ফ্ৰান্সক এক সংসদ প্ৰধান সাংবিধানিক ৰাজতন্ত্ৰ হিচাপে গঢ়ি তোলাৰ চেষ্টা কৰা হৈছিল। প্ৰাশাসনিক প্ৰধান হিচাপে যদিও সম্ৰাটক ৰখা হৈছিল কিন্তু তেওঁৰ হাতত প্ৰকৃত ক্ষমতা খুব কমেইহে আছিল। সম্ৰাটক ৰখা হৈছিল দেশৰ ঐক্য, সম্প্ৰীতি আৰু সামাজিক বান্ধোনৰ প্ৰতীক চিহ্ন ৰূপে। কিন্তু ৰাজতন্ত্ৰক বংশানুক্ৰমিক কৰি ৰখা হ'ল। ইয়াৰ দ্বাৰা এজন ৰজাৰ মৃত্যুৰ পাছতে আন এজনক ৰজা পাতিবলৈ হ'ব পৰা সম্ভাব্য ষড়যন্ত্ৰ আৰু যুঁজ-বাগৰৰ বাট মাৰি থোৱা হ'ল। সম্ৰাটৰ বাৰ্ষিক খৰচৰ বাবে সংসদে এক নিৰ্দ্দিষ্ট পৰিমাণৰ অৰ্থ মঞ্জুৰ কৰাৰ ব্যৱস্থা ৰখা হ'ল। ইয়াৰ ওপৰঞ্চি কিবা খৰচ কৰিবলৈ হ'লে সংসদৰ অনুমোদনৰ আৱশ্যক হ'ল। সম্ৰাটৰ চলন-ফুৰণৰ ওপৰতো বাধা-নিষেধ আৰোপ কৰা হ'ল। সংসদৰ বিনা অনুমতিত সম্ৰাট দেশৰ বাহিৰলৈ যাব নোৱাৰিব আৰু যদি যায় তেনেহলে তেওঁক সিংহাসনচ্যুত কৰাৰ ক্ষমতা সংসদৰ থাকিব। সম্ৰাটক সেনাবাহিনী আৰু নৌ বাহিনীৰ প্ৰধান হিচাপে ৰখা হ'ল যদিও সংসদৰ বিনা অনুমোদনে তেওঁ কোনো যুদ্ধ ঘোষণা কৰিব, সন্ধি আৰু চুক্তি কৰিব নোৱৰা হ'ল। সম্ৰাটৰ আগত উত্থাপন কৰা কোনো প্ৰস্তাৱ নাকচ কৰাৰ ক্ষমতা তেওঁৰ থাকিল কিন্তু সংসদে যদি তিনিবাৰ সেই প্ৰস্তাৱত অনুমোদন জনায় তেনে সি আইনত পৰিণত হ'ব। সম্ৰাটে তেওঁৰ ইচ্ছা অনুযায়ী মন্ত্ৰীসকলক নিয়োগ কৰিব পাৰিব কিন্তু প্ৰতিজন মন্ত্ৰীয়ে তেওঁৰ বিভাগৰ খৰচ সময়ে সময়ে সংসদৰ আগত দাঙি ধৰিব লাগিব আৰু প্ৰয়োজন হ'লে তেওঁক উচ্চতম ন্যায়ালয়ত বিচাৰ কৰিবলৈ সংসদৰ কৰ্ত্তৃত্ব থাকিব।

এই নতুন সংবিধানখনত অভিজাত আৰু অন্য সকলোৱে (ৰাজপৰিয়ালৰ বাদে) সকলো বংশানুক্ৰমিক সা-সুবিধা আৰু সন্মান শেষ কৰা হ'ল। দেশত যাতে আকৌ এশ্ৰেণী নতুন অভিজাত গঢ়ি নুঠে তাৰ বাবে এই ব্যৱস্থা লোৱা

হ'ল। আৰু লগে লগে ভাৰ্গালিকাৰ জৰিয়তে বুৰ্জোৱা শ্ৰেণীৰ পৰা সৃষ্টি হোৱা নতুন অভিজাত সকলবো সকলো সা-সুবিধাৰ অন্ত পেলোৱা হ'ল।

এই 'সৰ্ব্বশক্তিমান সংসদ' খনৰ সদস্য নিৰ্ব্বাচনৰ ক্ষেত্ৰত কেতবোৰ বৈষম্যমূলক নীতি কিন্তু এই সংবিধান খনত ৰখা হ'ল। ভোটদানৰ অধিকাৰ কেৱল মাত্ৰ সম্পত্তিশালী আৰু কৰ দিওঁতা এশ্ৰেণী নাগৰিকৰ (মধ্যবিত্ত শ্ৰেণী) মাজতে সীমাবদ্ধ ৰখা হ'ল। এওঁলোকক সক্ৰিয় নাগৰিক 'active citizen' নাম দিয়া হ'ল আৰু বাদবাকী সকলোকে নিষ্ক্ৰিয় নাগৰিক আখ্যা দি ভোটদানৰ অধিকাৰৰপৰা বঞ্চিত কৰি ৰখা হ'ল। এই ব্যৱস্থাৰ জৰিয়তে দেশ শাসনৰ অধিকাৰ আৰু প্ৰক্ৰিয়াৰ পৰা দেশৰ সৰ্ব্বহাৰা শ্ৰেণীক একেবাৰে বাদ দিয়া হ'ল। বিশেষকৈ পেৰিচৰ চেতন আৰু ক্ষুব্ধ নাগৰিক সকলৰ প্ৰতিনিধিক সংসদত সুমোৱাবলৈ বুৰ্জোৱা সকলে সাহস নকৰিলে। বুৰ্জোৱা নেশ্বনেল এচেম্বলীয়ে এনে এখন সংবিধানৰ জৰিয়তে বুৰ্জোৱা বিপ্লৱত তেওঁলোকৰ শ্ৰেণীটোৰ প্ৰতিপত্তি আৰু নেতৃত্ব অক্ষুণ্ণ ৰাখিবলৈ চেষ্টা কৰিলে।

এই সংবিধানৰ জৰিয়তে ফ্ৰান্সক পোন প্ৰথম বাৰৰ বাবে এখন একত্ৰিত ৰাষ্ট্ৰত পৰিণত কৰা হ'ল। দেশৰ বিভিন্ন প্ৰদেশৰ স্বায়ত্বশাসন ক্ষমতা বহুখিনি হ্ৰাস কৰি সমগ্ৰ দেশতে একে প্ৰশাসন প্ৰচলন কৰা হ'ল। দেশখনৰ প্ৰশাসনিক আৰু সাংগঠনিক সংস্কাৰ সাধন কৰা হ'ল। পুৰণা প্ৰশাসনিক গোটবোৰ ভাঙি দি ফ্ৰান্সক নতুনকৈ ডিপাৰ্টমেণ্ট, ডিষ্ট্ৰিক্ট, কেণ্টন আৰু কমিউন এই চাৰিটা প্ৰধান গোটত সংগঠন কৰা হ'ল। দেশৰ শিল্প-বাণিজ্যত একাধিপত্য কৰা বিভিন্ন খেল বা গীল্ড বোৰ ভাঙি দি সকলোৰে বাবে শিল্প, বাণিজ্য ব্যৱসায়ত সমান সুযোগ-সুবিধাৰ ব্যৱস্থা কৰা হ'ল। কিন্তু শ্ৰমিক সকলে সংঘবদ্ধভাৱে প্ৰতিবাদ বা ধৰ্মঘট কৰা কাৰ্যক বে-আইনী ঘোষণা কৰা হ'ল। বিভিন্ন অঞ্চলত প্ৰবৰ্ত্তিত হৈ থকা বিভিন্ন কৰ-কাটল আৰু স্থানীয় শুল্ক ব্যৱস্থাৰ অৱসান ঘটাই সমগ্ৰ ফ্ৰান্সতে এটা জোখমাখৰ ব্যৱস্থা প্ৰবৰ্ত্তনৰ সিদ্ধান্ত লোৱা হ'ল। বুৰ্জোৱাসকলে এইবোৰ কাৰ্য্যৰ দ্বাৰা ফ্ৰান্সৰ কৃষি আৰু অৰ্থনীতিৰ ধনতান্ত্ৰিক ৰূপান্তৰৰ বাট সুগম কৰি তুলিলে। বুৰ্জোৱা শ্ৰেণীৰ নেতৃত্বত এইবাৰ ফ্ৰান্সত ধনতান্ত্ৰিক সমাজব্যৱস্থা গঢ়ি উঠিবলৈ আৰম্ভ কৰিব। এই সংবিধানতেই ইয়াৰ সূত্ৰপাত ঘটিল—আনুষ্ঠানিক ভাৱে।

দেশৰ আইন ব্যৱস্থাবো পৰিৱৰ্ত্তন কৰা হ'ল—আমূল ভাৱে। পুৰণা আইন-কানুন আৰু বিচাৰ ব্যৱস্থাৰ বৈপ্লৱিক ব্যৱস্থাৰ সংস্কাৰ কৰা হ'ল।

বহু ব্যৱস্থা বাদ দিয়া হ'ল আৰু বহুত নতুন বৈপ্লৱিক ব্যৱস্থা সন্নিবিষ্ট কৰা হ'ল। আগেয়ে অপৰাধীৰ শাস্তি বহুত ক্ষেত্ৰত বিচাৰকৰ ইচ্ছাৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰশীল আছিল। এতিয়া অপৰাধীৰ শাস্তি আইনৰ দ্বাৰা নিৰ্দিষ্ট কৰা হ'ল। শাৰীৰিক অত্যাচাৰৰ জৰিয়তে অপৰাধীক সৈ কঢ়োৱা আৰু জবানবন্দী লোৱা প্ৰথা বে-আইনী ঘোষণা কৰা হ'ল। 'চিভিল' গোচৰবোৰ বিচাৰৰ কাৰণে জজ বা বিচাৰক নিযুক্ত কৰাৰ ব্যৱস্থা কৰা হ'ল আৰু 'ক্ৰিমিনেল' বিচাৰবোৰ বাৰজনীয়া জুৰিৰ সহায়েৰে নিষ্পত্তি কৰ'ৰ ব্যৱস্থা কৰা হ'ল। জুৰিৰ সদস্য সকলক সক্ৰিয় নাগৰিক সকলৰ মাজৰ পৰা নিৰ্বাচিত কৰাৰ ব্যৱস্থা থাকিল। আগৰ প্ৰচলিত ন্যায় বিচাৰালয় বা পাৰ্লিয়ামেণ্টবোৰ, যাৰ পদবীবোৰ অৰ্থৰ বিনিময়ত কিনিব পৰা গৈছিল আৰু যাৰ যোগেদি সমাজত এশ্ৰেণী নতুন অভিজাতৰ সৃষ্টি হৈছিল, সেই আটাইবোৰ বাতিল কৰা হ'ল। এখন উচ্চ ন্যায়ালয় নিযুক্ত কৰি তাৰ ন্যায়াধীশসকলক তলৰ বিচাৰালয়ৰ বিচাৰকসকলৰ মাজৰপৰা নিৰ্বাচিত কৰাৰ ব্যৱস্থা ৰখা হ'ল।

এয়া গ'ল সম্ৰাট, সাধাৰণ প্ৰশাসন আৰু আইন ব্যৱস্থাৰ কথা। গীৰ্জা আৰু যাজকসকলৰ এই নতুন সংবিধানে কি অৱস্থা কৰিলে এইবাৰ তাক আমি চাওঁ।

এই সংবিধানে ফ্ৰান্সৰ গীৰ্জা আৰু যাজকসকলক কিছুমান ব্যৱস্থাৰ জৰিয়তে একেবাৰে ছিন্ন-ভিন্ন কৰি পেলালে। এই ব্যৱস্থা সমূহ দুটা প্ৰধান ভাগত ভগাব পাৰি।

প্ৰথমটো হ'ল গীৰ্জাৰ সমুদায স্থাৱৰ আৰু অস্থাৱৰ সম্পত্তিৰ ৰাষ্ট্ৰীয়কৰণ।

দ্বিতীয়টো হ'ল গীৰ্জাৰ পৰিচালনা ব্যৱস্থা এখন নতুন সংবিধানৰ জৰিয়তে পৰম্পৰাগত ভেটিকানৰ পোপৰ হাতৰ পৰা ৰাষ্ট্ৰৰ হাতলৈ অনা।

প্ৰথমটো ব্যৱস্থাৰ জৰিয়তে ফ্ৰান্সৰ বাজেটৰ ঘাটি পূৰণ কৰি শূন্য ৰাষ্ট্ৰীয় কোষাগাৰ সবল কৰি তুলিবলৈ গীৰ্জাৰ সকলো ভূ-সম্পত্তি, ধন-সোণ আৰু অন্য অস্থাৱৰ সম্পত্তি বাজেয়াপ্ত কৰা হ'ল। আনকি মনাষ্ট্ৰি বোৰো ভাঙি দি ইয়াত থকা কেৰনীয়া সাধুসকলৰ বাবে ৰাষ্ট্ৰৰ তৰফৰ পৰা পেন্‌চনৰ ব্যৱস্থা কৰা হ'ল। এই বিৰাট বৈপ্লৱিক অৰ্থনৈতিক পদক্ষেপটো প্ৰথমে প্ৰস্তাৱ কৰে অটানৰ বিশপ চতুৰ টালাৰেঁই। অৱশ্যে এই দাবী ষ্টেট্‌চ জেনেৰেল আহ্বান কৰাৰ পাছত সম্ৰাটে বিচৰা ৰিপট বা কেহিয়াৰ বোৰতো উল্লেখ কৰা হৈছিল। এই ব্যৱস্থা গ্ৰহণ কৰাত ফ্ৰান্স তথা পেৰিচৰ সকলো শ্ৰেণীৰ নাগৰিকেই ভাল

পাইছিল। এচেম্বলীৰ সাহসত তেওঁলোকে ভাল পাইছিল। ওপৰথাপৰ যাজকসকলৰ বাহিৰে তলৰ যাজকসকলেও সাধাৰণভাৱে এই ব্যৱস্থাৰ প্ৰতি সমৰ্থন জনাইছিল। গীৰ্জাৰ মা-সম্পত্তি বাজেয়াপ্ত কৰাৰ পাছত অৰ্থ সংগ্ৰহ কৰিবলৈ গীৰ্জাৰ মাটি-বাৰী আৰু অন্যান্য মা-সম্পত্তি একোখন প্ৰতিজ্ঞা পত্ৰৰ বিপৰীতে খুব সামান্য মূল্যতে জনসাধাৰণৰ মাজত বিলাই দিয়া হৈছিল। ব্যৱস্থাটো আছিল এনে ধৰণৰ—এই প্ৰতিজ্ঞা পত্ৰ কিনোতা সকলে গীৰ্জাৰ বাজেয়াপ্ত সম্পত্তিৰ এটুকুৰাৰ ওপৰত অধিকাৰ লাভ কৰিছিল। এই ব্যৱস্থাৰ ফলত বহুত মানুহে সম্পত্তি লাভ কৰিলে কিন্তু বহুতেই মনৰ মতন মাটি বা সম্পত্তি নোপোৱাত এই প্ৰতিজ্ঞা পত্ৰবোৰ কাকতৰ টকাৰ দৰে ব্যৱহাৰ কৰিবলৈ ধৰিলে। চৰকাৰেও এই প্ৰতিজ্ঞা পত্ৰবোৰ বিক্ৰিৰ জৰিয়তে ঘাটি পৰি থকা ৰাজকোষ পূৰাবলৈ সক্ষম হোৱাত এনে ধৰণৰ প্ৰতিজ্ঞা পত্ৰ হাজাৰে হাজাৰে বজাৰত মুকলি কৰি দিলে। ইয়াৰ ফলত অৰ্থনৈতিক ব্যৱস্থা বেয়া হোৱাৰ লগে লগে এইবোৰ মূল্যহীন যেন হৈ পৰিল। আনফালে বস্তুবস্তৰ চৰাদামেও এইবোৰৰ মূল্য কমাই পেলালে। অৱশেষত এই ব্যৱস্থা অসফল হ'ল। বহু মানুহ, বিশেষকৈ নিম্ন মধ্যবিত্ত, সৰু বেপাৰী, কাৰবাৰী, কাৰিকৰ আদি লোকে, সম্পত্তি সংগ্ৰহৰ আশাত সংগ্ৰহ কৰা এই 'প্ৰতিজ্ঞা পত্ৰ' বোৰ মূল্যহীন হৈ পৰাত চৰকাৰৰ ওপৰত বিতুষ্ট হৈ পৰিল। তেওঁলোকে এইবোৰ এইবাৰ চৰকাৰী কৰ পৰিশোধ কৰিবলৈ ব্যৱহাৰ কৰিলে। চৰকাৰ এইবোৰ গ্ৰহণ কৰিবলৈ বাধ্য। চাওঁতে চাওঁতে ৰাজকোষ এই মূল্যহীন প্ৰতিজ্ঞাপত্ৰৰে পূৰ্ণ হৈ পৰিল। যথা পূৰ্ব', ৰাজকোষ আকৌ খালী হৈ পৰিল। চাৰিওফালে অসন্তোষ বাঢ়ি আহিল।

গীৰ্জাৰ সম্পত্তি ৰাষ্ট্ৰীয়কৰণ আৰু তাৰ পাছত লোৱা অৰ্থনৈতিক ব্যৱস্থাবোৰ আৰু তাৰ ফলাফল বোৰ চালোঁ। এইবাৰ গীৰ্জাৰ ওপৰত লোৱা দ্বিতীয়টো ব্যৱস্থাৰ ফলাফলৰ বিষয়ে চাওঁ।

দ্বিতীয় ব্যৱস্থামতে ফ্ৰান্সৰ গীৰ্জাক ৰাষ্ট্ৰীয় গীৰ্জা বুলি ঘোষণা কৰা হ'ল আৰু গীৰ্জাৰ পৰিচালনাৰ ভাৰ ৰাষ্ট্ৰৰ হাতলৈ নিয়া হ'ল। যাজকসকলক নিৰ্বাচিত কৰি নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা হ'ল। বিশ্বপসকলকো নিৰ্বাচিত কৰাৰ ব্যৱস্থা থাকিল। ৰাষ্ট্ৰৰ তৰফৰ পৰা সকলো নিৰ্বাচিত যাজকক বেতন দিয়াৰ ব্যৱস্থা কৰা হ'ল, কিন্তু এই বেতন পাবলৈ প্ৰতিজন নিৰ্বাচিত যাজকেই ৰাষ্ট্ৰ আৰু সংবিধানৰ প্ৰতি আনুগত্যৰ শপত লব লাগিব। ফ্ৰান্সৰ গীৰ্জা

সমূহৰ ওপৰত পোপৰ সকলো প্ৰশাসনিক কৰ্তৃত্ব খৰ্ব কৰা হ'ল। কেৱলমাত্ৰ আধ্যাত্মিক কৰ্তৃত্ব পোপৰ হাতত থাকিল।

যাজক সকলৰ বেছিভাগেই একবাক্যে এই ব্যৱস্থা প্ৰত্যাখ্যান কৰিলে। ১৩৪ জন বিশপৰ ভিতৰত মুঠে ৪ জনে আৰু সত্তৰ হাজাৰ সাধাৰণ যাজকৰ ভিতৰত মাথোঁ। চৌবিছ হাজাৰ জনে এই শপত গ্ৰহণ কৰিলে। ফৰাচী গীৰ্জা বিপ্লৱৰ সপক্ষে আৰু বিপক্ষে দুভাগত বিভক্ত হৈ পৰিল। আৰু লগে লগে সাধাৰণ ধৰ্মপ্ৰাণ জনতাৰ মাজতো বিভেদে দেখা দিলে। বিপ্লৱৰ প্ৰতি যি সকল যাজক আৰু জনসাধাৰণৰ সমৰ্থন আছিল, গীৰ্জাৰ সা-সম্পত্তি ৰাষ্ট্ৰীয়কৰণ কৰাতো যি সকলে সমৰ্থন জনাইছিল তেওঁলোকেও এতিয়া ধৰ্মৰ আনুষ্ঠানিকতাৰ ওপৰত ৰাষ্ট্ৰৰ হস্তক্ষেপ সহ্য নকৰিলে। ফলত বিশেষকৈ গাঁও অঞ্চলৰ জনসাধাৰণ বিভক্ত হৈ পৰিল। এচেম্বলীৰ এই এটা ভুলে স্বদেশপ্ৰেমী বিপ্লৱৰ সমৰ্থক সকলক ভাগ ভাগ কৰি পেলালে।

ফৰাচী বিপ্লৱ আৰু তাৰ আগৰপৰাও সমাজত শান্তি-শৃঙ্খলা আৰু নৈতিকতাৰ বান্ধোন সুদৃঢ় কৰি ৰাখি সামাজিক সংগঠন বজাই ৰাখিবলৈ ধৰ্মৰ পৰিবৰ্ত্তে অন্য এটা বস্তু, অন্য এটা শক্তিৰ সন্ধান চলাই অহা হৈছিল। বৰ্ত্তমানো এই সন্ধানৰ ওৰ পৰা নাই। ফৰাচী বিপ্লৱত ধৰ্মৰ সলনি ৰাষ্ট্ৰৰ প্ৰতি আনুগত্য আৰু স্বদেশপ্ৰেমক সমাজৰ বান্ধোন আৰু শৃঙ্খলা বজাই ৰাখিবলৈ ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰা হৈছিল। পুৰণা স্পাৰ্টাৰ অনুকৰণত এনে আদৰ্শ লোৱা হৈছিল। কিন্তু নগৰ ৰিপাব্লিকৰ জীৱনযাত্ৰা আৰু এখন বিশাল গণতান্ত্ৰিক দেশৰ জীৱনযাত্ৰা একে নহয়। নগৰ ৰিপাব্লিকত মানুহৰ অস্তিত্ব আৰু স্বাধীনতাৰ কাৰণে স্বদেশপ্ৰেম আৰু কঠোৰ অনুশাসনৰ প্ৰয়োজন আছিল। ধৰ্ম গৌণ আছিল আৰু যিবোৰ পূজা প্ৰাৰ্থনাৰ প্ৰচলন আছিল সেইবোৰো দেশৰ প্ৰতিৰক্ষা, স্বদেশপ্ৰেম আৰু সমাজৰ ওতঃপ্ৰোত আৰু অবিভাজ্য অঙ্গ স্বৰূপ আছিল। সেই কথা, সেই পৰিস্থিতি আছিল সম্পূৰ্ণ সুকীয়া। সেয়া খৃষ্টপূৰ্ব যুগ। কিন্তু ১৭৮০ চনত পৰিস্থিতি আছিল বেলেগ। সেইসময়ত দেশ শাসনত গীৰ্জাৰ প্ৰত্যক্ষ নহ'লেও পৰোক্ষ প্ৰভাৱ আছিল। আৰু সামাজিক বান্ধোন, নৈতিকতা ৰক্ষা আৰু শিক্ষাৰ ক্ষেত্ৰত ইয়াৰ গুৰুত্বপূৰ্ণ ভূমিকা আছিল। ৰাষ্ট্ৰ আৰু গীৰ্জা এটা আনটোৰ ওপৰত নিৰ্ভৰশীল আছিল। এতিয়া কেৱলমাত্ৰ ৰাষ্ট্ৰকে দুইটাকামত লগোৱাৰ ফলত স্বাভাৱিকতে বেমেজালিৰ সৃষ্টি হ'ল। সাধাৰণ মানুহৰ দৈনন্দিন জীৱনযাত্ৰাৰ

এশ এবুৰি সমস্যাৰ সমাধান ৰাষ্ট্ৰই কৰিব নোৱাৰিছিল, নোৱাৰিছিল যুগ যুগৰ ধৰ্মীয় পৰম্পৰাৰ দৰে এটি শিশুৰ জন্মৰ পৰা মৃত্যুলৈকে প্ৰতিটো কাম পৰিচালনা কৰিবলৈ। ধৰ্মৰ অনুশাসনবোৰে সমাজত নৈতিকতাৰ বান্ধ কটকটীয়া কৰি ৰাখিছিল, ৰাষ্ট্ৰই এই কাম কৰিব নোৱাৰে। য'তেই এই কাম কৰিবলৈ চেষ্টা কৰিছে, কঠোৰ দমনমূলক অনুশাসন আৰু বাধ্য-বাধকতাৰ সৃষ্টি নকৰাকৈ সফলকাম হ'ব পৰা নাই। এতিয়া ফ্ৰান্সত সেয়ে গীৰ্জাৰ পৰিচালনাৰ ভাৰ ৰাষ্ট্ৰৰ হাতলৈ অনাত সাধাৰণ মানুহ এক অনিশ্চয়তাত আশঙ্কিত হৈ পৰিল আৰু তেওঁলোকৰ বহুতে এই ব্যৱস্থাৰ বিৰোধিতা কৰাত লাগিল। আনকি ঠায়ে ঠায়ে গীৰ্জাৰ সপক্ষে আৰু বিপ্লৱৰ বিপক্ষে ফৰাচী কৃষকে সশস্ত্ৰ বিদ্ৰোহ ঘোষণা কৰিলে।

প'পে এই ব্যৱস্থাক তীব্ৰ গৰিহণা দিলে। দুটা শিবিৰত বিভক্ত হৈ পৰা জনতাৰ শক্ৰক মোকাবিলা কৰাৰ শক্তিও কমিল। আৰু ধৰ্ম লৈ হোৱা এই বিভেদত প্ৰতিবিপ্লৱী প্ৰতিক্ৰিয়াশীল শক্তি সমূহে আৰু দেশত্যাগী অভিজাত সকলে বিপ্লৱৰ বিপক্ষৰ শিবিৰক সহায় সমৰ্থন দি বিপ্লৱক দুৰ্বল কৰি দিবলৈ চেষ্টা চলাবলৈ ধৰিলে।

সম্ৰাটেও এই সুবিধাকেই লৈ সংবিধানখনত অনুমোদন জনাবলৈ অমান্তি হ'ল।

অষ্টাদশ অধ্যায়

সম্ৰাটে নতুন সংবিধান খনত অনুমোদন জনাবলৈ অমান্তি হোৱাত নেশনেল এচেম্বলীয়ে নিজৰ ফালৰপৰাই ফ্ৰান্সক এখন সাংবিধানিক ৰাজতন্ত্ৰ বুলি ঘোষণা কৰিলে আৰু এই উপলক্ষে ৫ জুনৰ দিনা এক বিৰাট উৎসৱৰ আয়োজন কৰিলে।

পেৰিচৰ ওচৰতে ফিল্ড অব মাৰ্চ বোলা এখন শিলাময় ওখোৰা-মোখোৰা ঠাই আছিল। এতিয়া তাতে এই উৎসৱৰ আয়োজন কৰা হ'ল। হাজাৰ হাজাৰ নৰ-নাৰী, আবাল-বৃদ্ধ-বনিতাই বাতিক দিন কৰি পোন্ধৰ দিনৰ

ভিতৰতে এই শিলাময় ঠাই টুকুৰা কাটি-কুটি চাকা-চিকুণ কৰি এক সুন্দৰ সুৰম্য উচৰ থলী নিৰ্মাণ কৰি উলিয়ালে। তিনিলাখ মানুহ বহিব পৰাকৈ গেলেৰী নিৰ্মাণ কৰা হ'ল। ফ্ৰান্সৰ বিভিন্ন ঠাইৰ পৰা শয়ে শয়ে মানুহ আৰু নেশ্বনেল গাৰ্ডৰ সেনাবোৰ পেৰিচলৈ আহিবলৈ আৰম্ভ কৰিলে। জনতাৰ এই বিৰাট উচাহত সম্রাটে ভয় খালে। সেয়ে ৫ জুনৰ দিনা লাখ লাখ মানুহৰ সমাবেশৰ আগত সম্রাটে নতুন আইন-কানুনবোৰ মানি ল'বলৈ ৰাজহুৱা ভাৱে প্ৰতিশ্ৰুতি দিলে। চাৰিওফালে আনন্দৰ জোৱাৰ উঠিল। নতুন আশা, নতুন উদ্দীপনাৰ সোঁত বলে চাৰিওফালে। বন্দুকতোপৰ গুলীয়ে আকাশ-বতাহ বিদীৰ্ণ কৰি যেন এক নতুন দিনৰ. এৰ নতুন যুগৰ আৰম্ভণি ঘোষণা কৰিলে।

কিন্তু নতুন আইন-কানুন মানি লম বুলি ৰাজহুৱা প্ৰতিশ্ৰুতি দিলেও সম্রাটৰ পুৰণা সমাজব্যৱস্থাক ভাঙি দিয়াৰ একেবাৰে মন নাছিল। গীৰ্জা. ধৰ্ম আৰু অভিজাত তন্ত্ৰক তেওঁ সম্পূৰ্ণ বাদ দিব খোজা নাছিল। তেওঁ তেতিয়াও আশা ৰাখিছিল যে ফ্ৰান্সত কিবা নহয় কিবা উপায়েৰে কিছু এৰাধৰা কৰি হ'লেও পুৰণা সমাজব্যৱস্থা বচাই ৰাখিব পৰা যাব। তেওঁ হয়তো ভাবিছিল যে বিপ্লৱৰ নতুন ব্যৱস্থাবোৰ বিফল হ'বই আৰু তেতিয়া দেশত দেখা দিয়া বিশৃঙ্খলতা আঁতৰাবলৈ সকলোৱে তেওঁৰেই ৰাগ চাপিব। কিন্তু এনে পৰিস্থিতিৰ সৃষ্টি হ'লে নেতৃত্বৰ বাবে তেওঁৰ যে সামৰ্থ্য, সাহস আৰু বুদ্ধিও নাই সেইকথা তেওঁ নিজে হয়তো উপলব্ধি কৰিব পৰা নাছিল। সম্রাট ষষ্ঠদশ লুইৰ যদি দূৰদৃষ্টি আৰু নেতৃত্বৰ গুণ থাকিলহেঁতেন, তেতিয়া হ'লে তেওঁ দেশৰ সংস্কাৰ আন্দোলন আৰু পৰিবৰ্ত্তনৰ নিজে গুৰি ধৰিব পাৰিলেহেঁতেন আৰু তেতিয়া হয়তো তেওঁ নিজে বাছি থাকিলহেঁতেন. বৰ্তি থাকিলহেঁতেন পূৰ্ব বংশৰ শাসন। কিন্তু মূৰ্খৰ দৰে তেওঁ আকাশ কুসুম কল্পনা কৰি থাকোঁতেই গ'ল—জোৰ পুৰি বৰলাৰ হাত পালেহি। কোনো কথাতেই স্থিৰ সিদ্ধান্ত ল'ব নোৱৰাত সম্রাটৰ দুই নাৱত দুই ভৰি যেন হ'ল। তেওঁ সম্রাজ্ঞী আৰু অন্য পৰামৰ্শদাতা সকলে বিদেশলৈ গৈ দেশী বা বিদেশী সেনাৰ সহায়েৰে ক্ষমতা পুনৰ উদ্ধাৰ কৰিবলৈ দিয়া পৰামৰ্শ আওকাণ কৰিলে কিন্তু সাংবিধানিক ৰাজতন্ত্ৰৰ ব্যৱস্থা সমূহো মানি ল'ব নোৱাৰিলে। ন যযৌ, ন তস্থৌ হৈ তেওঁ পেৰিচৰ প্ৰাসাদতে সোমাই থাকিল।

কিন্তু শেহতীয়া দুটা ঘটনাই তেওঁক বৰ বিচলিত কৰি পেলালে।

প্ৰথমটো হ'ল গীৰ্জাৰ পৰিচালনা ৰাষ্ট্ৰৰ হাতলৈ অনা 'চিভিল কনষ্টিটিউশ্বন অব ক্লাৰ্জি' বোলা আইনখন। এই আইনখনৰ দ্বাৰা গীৰ্জাৰ সামাজিক ক্ষমতা খৰ্ব কৰাৰ লগে লগে ফৰাচী সমাজৰ পুৰণা পৰম্পৰাৰ এডাল ডাঙৰ শিপা উঘাল খাই যোৱা বুলি তেওঁ অনুভৱ কৰিলে।

দ্বিতীয়টো হ'ল ভলটেয়াৰৰ নশ্বৰ অৱশেষ পানথিয়নলৈ অনাটো। নেশ্বনেল এচেম্বলীৰ সিদ্ধান্ত অনুসৰি মহা পয়োভৰে ভলটেয়াৰৰ অৱশেষ পানথিয়নলৈ অনা হয়। খৃষ্টান কেথলিক ধৰ্ম আৰু যাজকসকলৰ বিৰুদ্ধে অহৰহ বিষোদগাৰ কৰি অহা ভলটেয়াৰক তেওঁ এটা মহা নাস্তিক বুলি গণ্য কৰিছিল। এতিয়া এই ভলটেয়াৰৰ অৱশেষ পূৰ্ণ ধৰ্মীয় ব্যৱস্থাৰে পানথিয়নত, যি ঠাইত এসময়ত এটা পৱিত্ৰ গীৰ্জা আছিল, সমাধিস্থ কৰাটো তেওঁ কোনোমতে সহ্য কৰিব নোৱাৰিলে।

তেওঁ সম্ৰাজ্ঞী আৰু বিশ্বাসী পৰিষদসকলক বিদেশলৈ পলাই যোৱাৰ ব্যৱস্থা প্ৰস্তুত কৰিবলৈ ক'লে।

নিশাৰ আন্ধাৰৰ সুযোগ লৈ ৰাজপৰিয়াল টুয়েৰীৰ ৰাজ প্ৰাসাদৰ পৰা বাহিৰ ওলাল। মচিয়ে কৰ্ফ নাম লৈ সম্ৰাট এখন সাধাৰণ ঘোঁৰা-বাগীত উঠি সীমান্ত অভিমুখে যাবলৈ ধৰিলে। কিন্তু ভাগ্যৰ কি পৰিহাস! সীমান্তৰ নিচেই ওচৰতে তেওঁলোকক আটক কৰা হ'ল। পাছ দিনা ষাঠি হাজাৰ নেশ্বনেল গাৰ্ডৰ পহৰাৰ মাজেৰে তেওঁলোকক পেৰিচলৈ ওভতাই অনা হ'ল।

চাৰিওফালে হুলস্থূল আৰম্ভ হ'ল। পেৰিচৰ বিপ্লৱী জনতাই সম্ৰাটক তৎকালে সিংহাসনচ্যুত কৰিব লাগে বুলি দাবী জনালে। গণতান্ত্ৰিক আদৰ্শৰে অনুপ্ৰাণিত, ৰাজতন্ত্ৰক শেষ কৰি প্ৰজাতন্ত্ৰ প্ৰতিষ্ঠা কৰিব বিচৰা ৰেডিকেল জেঁকবে সকলেও এই দাবীত সমৰ্থন জনালে।

নেশ্বনেল এচেম্বলী বৰ বিমোৰত পৰিল।

সদস্য সকলৰ বেছিভাগেই সম্ৰাট আৰু ৰাজতন্ত্ৰক শেষ কৰি দিয়াটো বিচৰা নাছিল। তেওঁলোকে জানিছিল যে সম্ৰাটক আঁতৰ কৰি দিলেই দেশ শাসনৰ ক্ষমতা সোনকালেই তেওঁলোকৰ হাতৰপৰা সাধাৰণ জনতাৰ হাতলৈ যাব। আৰু পেৰিচৰ সাধাৰণ জনতাৰ হাতলৈ এই ক্ষমতা গলেই দেশত অশান্তি আৰু বিশৃঙ্খলতাৰ সৃষ্টি হ'ব বুলি এই উচ্চ মধ্যবিত্ত আৰু বুৰ্জোৱা শ্ৰেণীৰ স্বাৰ্থৰক্ষী প্ৰায়ভাগ সদস্যই স্থিৰ বিশ্বাস কৰিছিল। সেয়ে সংবিধানৰ দোহাই দি যেতিয়া

প্ৰজাতন্ত্ৰী সকলে দাবী কৰিলে যে সংসদৰ বিনা অনুমতিত সম্ৰাট দেশৰ বাহিৰলৈ গলে তেওঁক সংসদে সিংহাসনচ্যুত কৰিব পাৰে আৰু সেয়ে এতিয়া দেশ এৰি পলাব খোজা সম্ৰাটক শীঘ্ৰে আঁতৰ কৰিব লাগে, তেতিয়া সংসদে ঘোষণা কৰিলে যে সম্ৰাট দেশৰ বাহিৰলৈ যাবলৈ চেষ্টা কৰা নাছিল। কিছুমান লোকেহে ষড়যন্ত্ৰ কৰি তেওঁক নিজৰ ইচ্ছাৰ বিৰুদ্ধে জোৰ কৰি দেশৰ পৰা লৈ যাবলৈ চেষ্টা কৰিছিল। গতিকে সম্ৰাটক আঁতৰোৱাৰ প্ৰশ্নই উঠিব নোৱাৰে। সেই যাত্ৰালৈ সম্ৰাট ৰক্ষা পৰিল।

জনতা কিন্তু সৈমান নহ'ল। তেওঁলোকৰ বহুতেই এই কথা বিশ্বাস কৰিব নোৱাৰিলে।

ঘটনাৰ গতি দ্ৰুতভাৱে আগবাঢ়িল।

প্ৰজাতন্ত্ৰী 'ৰেডিকেল' সকলে 'ফিল্ড অব মাৰ্চত' আকৌ এখন জনসভাৰ আহ্বান কৰিলে। পঞ্চাছ হাজাৰ মানুহ আকৌ সভাত গোট খালেহি। সভাত উত্তপ্ত পৰিবেশৰ মাজত নানান তৰ্ক-বিতৰ্ক চলিল। সম্ৰাটক সিংহাসনচ্যুত কৰাৰ দাবী জোৰদাৰ হৈ পৰিবলৈ ধৰিলে। ছহেজাৰ মানুহৰ স্বাক্ষৰ সম্বলিত এখন আপীলত সম্ৰাটক সিংহাসন ত্যাগ কৰিবলৈ আহ্বান জনোৱা হ'ল। জনতা অশান্ত হৈ পৰিল।

নেশ্যনেল এচেম্বলীয়ে জেনেৰেল লাফায়টিৰ নেতৃত্বাধীন নেশ্যনেল গাৰ্ডক বিক্ষুব্ধ জনতাক ছত্ৰভঙ্গ কৰিবলৈ আদেশ দিলে। কিন্তু সেনাসকলে প্ৰথমতে এই আদেশ মানিবলৈ মান্তি নহ'ল। কিন্তু উন্মত্ত জনতাই সেই সময়ত সেনা সকলৰ গালৈ শিলগুটি দলিয়াবলৈ আৰম্ভ কৰাত তেওঁলোকেও গুলী চলালে। পঞ্চাছ জন বিক্ষোভকাৰীৰ তেজেৰে ৰাজপথ ৰাঙলী হৈ পৰিল। জনতাই ছত্ৰভঙ্গ দিলে। আৰু এই ঘটনাৰ লগে লগেই ফ্ৰান্সৰ নতুন বৈপ্লৱিক ঐক্য আৰু সাৰ্বজনীন ভ্ৰাতৃত্বৰ অধ্যায়ৰ ওৰ পৰিল। বুৰ্জোৱা সংসদে নিজৰ স্বাৰ্থ ৰক্ষাৰ বাবে বুৰ্জোৱা ৰক্ষী বাহিনীৰে জনতাক দমন কৰিলে। প্ৰজাতন্ত্ৰী ৰেডিকেল সকলক বিচাৰি বিচাৰি আটক কৰা আৰম্ভ হ'ল। কথা বিষম দেখি জ্যাঁ পল মাৰাই আত্ম-গোপন কৰিলে। নিজৰ সকলো জনপ্ৰিয়তা শেষ হৈ যোৱাত জেনেৰেল লাফায়টি সীমান্তত থকা তেওঁৰ সৈন্যসকলৰ মাজলৈ গুচি গ'লগৈ।

অসহায় কাঠ-পুতলাপ্ৰায় সম্ৰাটে নতুন সংবিধানখনত অনুমোদন জনাই স্বাক্ষৰ কৰিবলৈ বাধ্য হ'ল। সকলো সাংবিধানিক আইন-কানুনগত নীতি-

নিয়ম পালনৰ মাজেদি আনুষ্ঠানিক ভাৱে বুৰ্জোৱা শ্ৰেণীয়ে ৰাষ্ট্ৰ ক্ষমতা সম্পূৰ্ণ-ভাৱে কৰায়ত্ব কৰিলে।

চেপ্তেম্বৰ মাহ পালেহি। এচেম্বলীৰ সদস্য সকলে ভাবিলে যে তেওঁলোকে বহুত কাম সমাধা কৰিলে। এতিয়া আৰু তেওঁলোকৰ কোনো প্ৰয়োজন নাই। নেশ্বনেল এচেম্বলীৰ ঐতিহাসিক ভূমিকা শেষ হৈ গৈছে।

কথাটো ঠিকেই। এইখন এচেম্বলীয়ে সঁচাকৈয়ে এক ঐতিহাসিক দায়িত্ব পালন কৰিলে।

এই এচেম্বলীয়ে ফ্ৰান্সৰ সামন্তবাদী ভূমি ব্যৱস্থা শেষ কৰি, ফ্ৰান্সক একত্ৰিত কৰি এক সাংবিধানিক ৰাজতন্ত্ৰলৈ পৰিণত কৰিলে আৰু বুৰ্জোৱা শ্ৰেণীৰ সামাজিক প্ৰতিপত্তি প্ৰতিষ্ঠা কৰি অৰ্থনীতিৰ ধনতান্ত্ৰিক ৰূপান্তৰৰ বাট সুগম কৰি তুলিলে।

এই এচেম্বলীৰ কাৰ্যকালতে বুৰ্জোৱা শ্ৰেণী আৰু মধ্যবিত্ত সকলৰ শ্ৰেণী স্বাৰ্থৰ বিপৰীতে সৰ্বহাৰা জনতাৰ শ্ৰেণী সংগ্ৰাম আৰম্ভ হ'বলৈ ধৰে। এই শ্ৰেণী সংগ্ৰামক বৰ্ত্তমান মাৰ্ক্সীয় দৃষ্টিৰ সম্পূৰ্ণ শ্ৰেণী সংগ্ৰামতকৈ দুটা শ্ৰেণীৰ স্বাৰ্থৰ সংঘাত বোলাহে বোধকৰো বেছি ভাল হ'ব। তথাপিও এই সংঘাতৰ মাজেদিয়েই ইউৰোপত শ্ৰেণী সংগ্ৰামৰ বীজ অঙ্কুৰিত হ'বলৈ আৰম্ভ কৰিছিল।

ত্ৰুটিপূৰ্ণ আৰু উদ্দেশ্য প্ৰণোদিত ভোটাধিকাৰৰ দ্বাৰা বুৰ্জোৱা আৰু মধ্যবিত্ত শ্ৰেণীয়ে সাধাৰণ জনতাক কেনেদৰে শাসন ক্ষমতাৰপৰা আঁতৰাই ৰাখিব বিচাৰিছিল আৰু কি উদ্দেশ্যৰে সম্ৰাটক দেশৰ মূৰব্বী কৰি ৰাখিব বিচাৰিছিল তাক আগেয়ে কৈ অহা হৈছে। সাধাৰণ জনতাক ক্ষমতাৰ পৰা দূৰত ৰাখিবলৈ তেওঁলোকে যৎপৰোনাস্তি চেষ্টা চলাইছিল। সম্ৰাটে স্বাক্ষৰ কৰাৰ আগতে তেওঁলোকে সংবিধানত সম্পত্তিৰ অধিকাৰ আৰু সম্পত্তিশালী কৰদাতা সকলৰ মাজতহে ভোটাধিকাৰ সীমিত ৰখাৰ দফাকেইটা সংশোধন কৰি অধিক কটকটীয়া কৰি দিছিল। তাৰোপৰি অভিজাতসকলৰ লগত এটা বুজাপৰালৈ আহিবলৈ আৰু মাটিথকা বুৰ্জোৱা আৰু মধ্যবিত্তসকলৰ 'স্বাৰ্থৰক্ষাৰ বাবে কেতবোৰ সামন্তবাদী ব্যৱস্থা আৰু কৰ-কাটল পুনৰ লগোৱাৰ ব্যৱস্থাও গ্ৰহণ কৰা হৈছিল। প্ৰকৃতপক্ষে প্ৰজাতন্ত্ৰৰ পৰিৱৰ্তে সাংবিধানিক ৰাজতন্ত্ৰ প্ৰতিষ্ঠা কৰাটোৱেই এটা সামগ্ৰিক আপোচৰ প্ৰচেষ্টা আছিল। মনিয়াৰ, লাফায়েট আৰু বাৰ্ণাৰ্ড এই প্ৰচেষ্টাৰ প্ৰধান গুৰি ধৰোঁতা আছিল আৰু মিৰাবিউ

আছিল তেওঁলোকৰ প্ৰবক্তা স্বৰূপ। কিন্তু তেওঁলোকৰ এই আপোচৰ ব্যৱস্থা সফল হোৱা নাছিল।

ইয়াৰ প্ৰথম কাৰণ হ'ল অভিজাতসকলৰ বেছিভাগেই তেওঁলোকৰ সামন্তবাদী সা-সুবিধাৰ এচিকটাও এৰিবলৈ প্ৰস্তুত নাছিল। এচেম্বলীক মানৰ অধিকাৰৰ চনদ আৰু সংবিধান খনো তেওঁলোকে স্বীকাৰ নকৰিছিল। যদিও উদাৰপন্থী অভিজাতসকল ইয়াৰ ব্যতিক্ৰম আছিল কিন্তু তেওঁলোকেও বুৰ্জোৱা শ্ৰেণীটোৰ লগ লাগি আপোচ আৰু এৰা ধৰাৰ মাজেৰে এক 'সীমিত বিপ্লৱকহে' বিচাৰিছিল আৰু এই সীমিত বিপ্লৱৰ বাবেই তেওঁলোকে 'সাংবিধানিক ৰাজতন্ত্ৰ' প্ৰতিষ্ঠা কৰিব বিচাৰিছিল।

কিন্তু এই আপোচৰ চেষ্টা ব্যৰ্থ হোৱাৰ ইয়াতকৈও গুৰুত্বপূৰ্ণ কাৰণ হ'ল ফৰাচী কৃষক সকলৰ প্ৰতিৰোধ। তেওঁলোক সামন্তবাদী একো ব্যৱস্থাই মানি ল'বলৈ প্ৰস্তুত নহয়। যেতিয়া সংবিধানখন সংশোধন কৰি কিছুমান সামন্তবাদী ব্যৱস্থা পুনৰ প্ৰৱৰ্ত্তন কৰা হ'ল আৰু জমিদাৰ তথা মাটিৰ মালিকসকলে তাৰেই সুবিধা লৈ সেই.কৰ আদায়ৰ চেষ্টা চলালে, কৃষকসকল জাঙুল খাই উঠিল। সামন্তবাদক স্বীকৃতি দিয়া কোনো সংশোধন মানি লব'লৈ তেওঁলোক প্ৰস্তুত নহয়। তেওঁলোকে প্ৰতিৰোধ কৰিলে। প্ৰকৃতপক্ষে ১৭৮৯-ৰ পৰা ১৭৯২ চনলৈ ফ্ৰান্সত কৃষকসকল এক ব্যাপক গৃহযুদ্ধত অৱতীৰ্ণ হৈ পৰিল। আইচ, আনজু, কোৱাৰ্চি, ভিভাৰিচ, বৃটেনী আদি ঠাইত সশস্ত্ৰ কৃষক বিদ্ৰোহ আৰম্ভ হ'ল। চাওঁতে চাওঁতে ই সমগ্ৰ ফ্ৰান্সৰ গ্ৰামাঞ্চলতে বিয়পি পৰিল। কৃষকসকলৰ এই ব্যাপক বিদ্ৰোহ, চহৰ অঞ্চল আৰু বিশেষকৈ পেৰিচৰ চেতন জনসাধাৰণৰ উদ্যম বিপ্লৱৰ প্ৰধান চালিকা শক্তিত পৰিণত হৈ পৰিল। পেৰিচ নগৰীৰ বিপ্লৱক কৃষক সকলে এক ৰাষ্ট্ৰীয় বিপ্লৱলৈ পৰিণত কৰিলে আৰু ইয়াৰ ফলতেই নিম্ন মধ্যবিত্ত আৰু সাধাৰণ মানুহৰ প্ৰতিনিধি সকলৰ হাতলৈ বিপ্লৱৰ পৰিচালনাৰ ভাৰ এসময়ত আহি পৰিছিল। সেয়া পাছৰ কথা।

সাংবিধানিক ৰাজতন্ত্ৰ প্ৰতিষ্ঠাৰ জৰিয়তে এক সামগ্ৰিক আপোচৰ প্ৰচেষ্টা সম্ৰাটে দেশ এৰি যাবলৈ চেষ্টা কৰাৰ লগে লগে প্ৰকৃততে অন্ত পৰিল। যদিও তৎকালে সম্ৰাটক সিংহাসনচ্যুত হোৱাৰপৰা এচেম্বলীয়ে ৰক্ষা কৰিবলৈ সক্ষম হ'ল কিন্তু জনমানসত সম্ৰাটৰ প্ৰভাৱ আৰু বিশ্বাসযোগ্যতা এই ঘটনাৰ লগে লগে শেষ হৈ গ'ল।

নেশ্বনেল এচেম্বলীয়ে চেপ্টেম্বৰ মাহৰ শেষলৈ নিজৰ কাৰ্যকাল শেষ কৰাৰ

সিদ্ধান্ত গ্ৰহণ কৰিলে আৰু লগতে সংবিধানখনৰ ওপৰত ভিত্তি কৰি আইন প্ৰণয়ন কৰিবৰ্লৈ এখন নতুন লেজিচলেটিভ এচেম্বলীৰ নিৰ্বাচনৰ ব্যৱস্থা কৰিলে। ৰবচপিয়েৰৰ প্ৰস্তাৱ মতে এচেম্বলীৰ সদস্যসকলে নতুন নিৰ্বাচনত অংশগ্ৰহণ নকৰিবলৈ স্থিৰ কৰিলে আৰু ১৭৯১ চনৰ ৩০ চেপ্টেম্বৰ দিনা এই ঐতিহাসিক নেশ্বনেল এচেম্বলী ভঙ্গ কৰাৰ কথা ঘোষণা কৰা হ'ল।

ফৰাচী বিপ্লৱৰ এটা বিৰাট অধ্যায়ৰ সামৰণি পৰিল। এইখিনিলৈকে বিপ্লৱৰ নেতৃত্বত নৰমপন্থী মডাৰেট সকলৰ প্ৰাধান্য আছিল। ইয়াৰ পাছৰ-পৰা লাহে লাহে তেওঁলোকৰ প্ৰাধান্য কমি আহিবলৈ ধৰিব। ৰাজতন্ত্ৰৰ বিপৰীতে প্ৰজাতন্ত্ৰী আদৰ্শৰে অনুপ্ৰাণিত ৰেডিকেল সকলে ক্ৰমান্বয়ে বিপ্লৱৰ পৰিচালনাৰ ভাৰ গ্ৰহণ কৰিব। এক বিৰাট পট পৰিৱৰ্তনৰ সূচনাৰ মাজেৰে নেশ্বনেল এচেম্বলীৰ ভঙ্গ আৰু লেজিচলেটিভ এচেম্বলীৰ জন্ম আৰম্ভ হ'ল।

ঊনবিংশ অধ্যায়

এইবাৰ আৰম্ভ হ'ল উকীল ৰাজ।

নতুন লেজিচলেটিভ এচেম্বলীৰ সাতশ পছপন্নজন বিধায়কৰ ভিতৰত চাৰিশ জনেই আছিল উকীল। অৱশ্যে নতুন আইন প্ৰণয়নৰ বাবেই যিহেতু এই লেজিচলেটিভ এচেম্বলীৰ জন্ম, সেয়ে ইয়াত উকীল বেছি থকাটো যুক্তিপূৰ্ণ কথাই হৈছে। দৰাচলতে সেই সময়ত সমাজত প্ৰতিপত্তি থটুৱাবলৈ আৰম্ভ কৰা চেতন মধ্যবিত্ত আৰু বুৰ্জোৱা শ্ৰেণীটোৰ প্ৰবক্তা, নেতা আৰু বুদ্ধিজীৱী আছিল এই উকীলসকলেই। দেশৰ পৰম্পৰাগত শাসক স্বৰূপ অভিজাত সকলক অপসাৰিত কৰি এতিয়া এওঁ লোকেই হৈ পৰিল দেশৰ নতুন শাসক।

এই নতুন লেজিচলেটিভ এচেম্বলীৰ নিৰ্বাচন কিন্তু সোনকালে সম্পন্ন হোৱা নাছিল। ইয়াৰ বাবে প্ৰায় চাৰিমাহ সময় লাগিছিল। ১৭৯১ চনৰ জুনমাহতে নিৰ্বাচন আৰম্ভ কৰি চেপ্তেম্বৰ মাহৰ শেষৰ ফাললৈহে সাতশ পছপন্নজন বিধায়কৰ নিৰ্বাচন সম্পূৰ্ণ হৈছিলগৈ। এই নতুন বিধায়ক

সকলৰ ভিতৰত আগৰ নেশনেল এচেম্বলীৰ সদস্য এজনো নাছিল। সকলো সদস্যই নতুন। এই নতুন সদস্যসকল প্ৰধানতঃ তিনিটা ভাগত বিভক্ত আছিল। অৱশ্যে তিনিটা বুলি দুটা বোলাহে অধিক সমীচীন হ'ব কিয়নো তৃতীয়টো ভাগ আছিল নিৰপেক্ষ সদস্যসকল; কিন্তু একক ভাৱে সংখ্যাত এওঁলোকেই আছিল আটাইতকৈ বেছি।

সংসদৰ প্ৰথমটো ভাগ আছিল সাংবিধানিক ৰাজতন্ত্ৰৰ সমৰ্থকসকল। এওঁলোক ফ্ৰান্সক এখন শক্তিশালী সাংবিধানিক ৰাজতন্ত্ৰ হিচাপে গঢ়ি তুলিব বিচাৰিছিল। অৱশ্যে এওঁলোকৰ মাজৰ বহুতেই সম্ৰাটক আগৰ সকলো সাৰ্বভৌম ক্ষমতাৰে পুনৰ প্ৰতিষ্ঠা কৰাটোকে মনে মনে কামনা কৰিছিল যদিও সময়ৰ ভাও বুজি সম্প্ৰতে সাংবিধানিক ৰাজতন্ত্ৰৰ আদৰ্শতে সমৰ্থন জনাইছিল। এওঁলোকৰ সংখ্যা আছিল দুশ চৌষষ্ঠি জন। সংসদত এওঁলোক সংখ্যালঘু হ'লেও এটা বুজন আৰু শক্তিশালী গোট আছিল। এওঁলোক প্ৰকৃততে ফ্ৰান্সৰ ৰক্ষণশীল লোকসকলৰ প্ৰতিনিধি আছিল আৰু সদনৰ সোঁ-ফালে এওঁলোক একেলগে বহিছিল। তেতিয়াৰপৰাই ৰক্ষণশীলসকলক সোঁ বা দক্ষিণপন্থী বোলাৰ চলতি হ'ল। আমাৰ পাছৰ ঘটনা প্ৰবাহৰ বৰ্ণনাত আমি এই গোটটোক সাধাৰণভাৱে ৰাজতন্ত্ৰী বুলি অভিহিত কৰিম।

দ্বিতীয়টো ভাগ আছিল চৰমপন্থী বা ৰেডিকেলসকল। এওঁলোকৰ সদস্য আছিল এশ ছয়ত্ৰিছ জন। এওঁলোক একেবাৰে পকা প্ৰজাতন্ত্ৰী আদৰ্শৰ মানুহ আছিল। ফ্ৰান্সত ৰাজতন্ত্ৰৰ চিন-মোকাম নাইকিয়া কৰি এখন প্ৰজাতন্ত্ৰ প্ৰতিষ্ঠা কৰাত এওঁলোকে বিশ্বাস কৰিছিল। এওঁলোক সংসদৰ বাঁওফালে এটুকুৰা ওখ ঠাইত বহিছিল আৰু সেয়ে এওঁলোকক বোলা হৈছিল 'ড্য মাউণ্টেন'। পাছত ইয়াৰ পৰাই মণ্টাগনাৰ্ডচ নামটোৰ উৎপত্তি হৈছিলগৈ। এওঁলোক সমাজৰ নিম্ন মধ্যবিত্ত শ্ৰেণীটোৰপৰা প্ৰধানতঃ আহিছিল যদিও এওঁলোক প্ৰকৃততে বুৰ্জোৱা শ্ৰেণীস্বাৰ্থৰে অংশীদাৰ আছিল।

তৃতীয়টো ভাগ আছিল সংখ্যাগৰিষ্ঠ নিৰপেক্ষ ভাগ। এওঁলোকৰ সদস্য আছিল তিনিশ পছপন্ন জন। এওঁলোকে আগৰ কোনো এটা শিবিৰৰ লগতে নিজকে সাঙুৰিবলৈ ইচ্ছা কৰা নাছিল। কিন্তু এওঁলোকৰ মাজতো বহুতো ৰাজতন্ত্ৰৰ আৰু বহুতো প্ৰজাতন্ত্ৰৰ সমৰ্থক আছিল। সমাজৰ আটাইকেউটা

শ্ৰেণীৰপৰাই এনে নিৰপেক্ষ প্ৰতিনিধি আছিল। সংখ্যাত সৰহ হ'লেও অসংগঠিত হোৱাৰ বাবে এওঁলোকে বেছি প্ৰতিপত্তি খটুৱাবলৈ সক্ষম হোৱা নাছিল।

নতুন নিয়ম মতে দেশৰ মন্ত্ৰী সকলৰ নিযুক্তি দিছিল সম্ৰাটে। অৱশ্যে এই নিযুক্তিত এচেম্বলীৰ অনুমোদনৰ প্ৰয়োজন আছিল। যিহেতু আগৰ তিনিওটা গোটৰ এটাও এককভাৱে সংখ্যা গৰিষ্ঠ নাছিল, সেয়ে কোনো এটা গোটেই দেশৰ শাসন ক্ষমতা অকলে কৰায়ত্ব কৰিবলৈ সক্ষম হোৱা নাছিল।

তেতিয়া হ'লে দেশৰ শাসন ক্ষমতা কাৰ হাতত আছিল ?

সেই সময়ত ফ্ৰান্সত সৃষ্টি হৈছিল এটা নতুন শাসক শ্ৰেণীৰ। এওঁলোক হ'ল অ্ৰিৰণদিন বা বিচটিন সকল। কোননো এওঁলোক। কেনেকৈনো এওঁলোকে শাসন ক্ষমতা পাইছিল।

এই অ্ৰিৰণদিন সকল আছিল ফ্ৰান্সৰ নধনী বুৰ্জোৱা উচ্চ মধ্যবিত্ত সকলৰ স্বাৰ্থৰ প্ৰতিনিধি। ৰাজতন্ত্ৰী, প্ৰজাতন্ত্ৰী আৰু নিৰপেক্ষ এই তিনিওটা শিবিৰতেই এওঁলোক কম-বেছি পৰিমাণে সিঁচৰতি হৈ আছিল। প্ৰকৃততে এওঁলোকে বিশেষ কোনো এটা ৰাজনৈতিক আদৰ্শতকৈ বুৰ্জোৱা শ্ৰেণী স্বাৰ্থহে প্ৰতিনিধিত্ব কৰিছিল আৰু এই স্বাৰ্থৰ সুৰক্ষাৰ বাবে তেওঁলোকে সদায় যৎপৰোনাস্তি চেষ্টা চলাইছিল। এই অ্ৰিৰণদিন সকলৰ সৰহভাগেই দক্ষিণ ফ্ৰান্সৰ উদ্যোগশালী আৰু ব্যৱসায়-বাণিজ্য প্ৰধান চহৰবোৰৰপৰা নিৰ্বাচিত হৈ আহিছিল। সেয়ে স্বাভাৱিকতে তেওঁলোক বৃহৎ বাণিজ্য, মালিকগোষ্ঠী আৰু বুৰ্জোৱাসকলৰ প্ৰতিনিধি আছিল। ধন-সম্পত্তি আৰু সামাজিক প্ৰতিপত্তিৰ ফালৰপৰা ক্ষমতাশালী এই প্ৰতিনিধিসকলে প্ৰধানতঃ দেশত অৰ্থ নৈতিক সুস্থিৰতা পুনৰ প্ৰতিষ্ঠা কৰি ধনতান্ত্ৰিক অৰ্থব্যৱস্থাৰ প্ৰসাৰ আৰু বিকাশ ঘটাবলৈ চেষ্টা কৰিছিল , আৰু তাকে কৰোঁতে দৰকাৰৰ সময়ত জনতাক উচটাই দিবলৈ আৰু সময়ত ৰজাৰ লগত মিতিৰালি কৰিবলৈকো তেওঁলোক পাছ হোঁহকা নাছিল। ইয়াৰ ফলতে শেষত তেওঁলোকৰ প্ৰজাতন্ত্ৰী মণ্টাগনাৰ্ডচ সকলৰ লগত বিবাদৰ সূত্ৰপাত হৈছিল। যিহেতু অৰ্থসম্পদ আৰু সামাজিক প্ৰতিপত্তিৰ ফালৰ পৰা এওঁলোক ক্ষমতাশালী আছিল আৰু সংসদ-সংবিধানৰ কাম-কাজতো এওঁলোকেই আগভাগ লৈছিল, সেয়ে স্বাভাৱিকতে দেশৰ শাসন ক্ষমতা এওঁলোকৰ হাতলৈকে আহিছিল। এই অ্ৰিৰণদিন সকলৰ প্ৰায় আটাইবোৰেই আকৌ জেকবেঁ ক্লাবৰ সদস্য আছিল।

এই ব্যৱস্থা ভালকৈ বুজিবলৈ হলে সেই সময়ৰ ফ্ৰান্সৰ ৰাজনৈতিক আৰু সামাজিক অৱস্থা আৰু তাত জেকবেঁ তথা আন আন ক্লাবসমূহৰ ভূমিকাৰ বিষয়ে অনুধাবন কৰাটো দৰকাৰ।

নেশনেল এচেম্বলী ভঙ্গ আৰু লেজিচলেটিভ এচেম্বলীৰ নিৰ্বাচনৰ সময়ত ফ্ৰান্সত বিৰাজ কৰিছিল সম্পূৰ্ণ বাক্ স্বাধীনতা। লিখা আৰু প্ৰকাশৰ ওপৰত কোনো বাধা নাছিল, নাছিল কোনো চেঞ্চৰ ব্যৱস্থা। এই অৱস্থাৰ সম্পূৰ্ণ সুযোগ সেই সময়ৰ লেখক আৰু সাংবাদিকসকলে ভালকৈয়ে গ্ৰহণ কৰে। তেওঁলোকে অবাধে দেশৰ সামাজিক আৰু ৰাজনৈতিক সমস্যাৰ ওপৰত নানা তৰহৰ প্ৰবন্ধ লিখে। তেওঁলোকৰ ক্ষুৰধাৰ বিশ্লেষণাত্মক লেখনীয়ে সমাজ পৰিৱৰ্ত্তনত বিৰাট অৰিহণা যোগায়, নি--- ৰ জনমত, প্ৰাচীন পৰম্পৰাৰে জীৰ্ণাগ্ৰস্ত সমাজৰ ঘূণেধৰা ভেটি ভাঙি এখন নতুন সমাজৰ আদৰ্শ মানুহৰ মাজত বিযপাই দিয়ে। আৰু এই সময়তেই ৰাজনৈতিক অনুষ্ঠান স্বৰূপে ক্লাব-বোৰৰো জন্ম হয়। ষ্টেট্চ জেনেৰেলৰ সময়তে ক্লাব বৃটন প্ৰতিষ্ঠা হোৱাৰ কথা আগতেই কৈ অহা হৈছে। এতিয়া পেৰিচলৈ ৰাজধানী অহাৰ পাছত এই ক্লাব বৃটনেই জেকবেঁ ক্লাব হৈ পৰিল। পোন প্ৰথমে কেৱল মাত্ৰ নিৰ্বাচিত সংসদী সদস্য সকলকহে ক্লাব বৃটনৰ সদস্য কৰা হৈছিল কিন্তু পাছলৈ আন আন বিখ্যাত লোকসকলকো অন্তভুক্ত কৰি ইয়াৰ পৰিসৰ বহলাই পেলোৱা হ'ল আৰু ইয়াক নামকৰণ কৰা হ'ল Society of the friends of the constitution বা সংবিধানৰ বন্ধুভাবাপন্ন লোকসকলৰ সমাজ বুলি। এই ক্লাবৰ সভাবোৰ এটা জেকবেঁ মনাষ্টিত বহিছিল বাবে এই ক্লাব সময়ত জেকবেঁ ক্লাব বুলি প্ৰখ্যাত হৈ পৰিল। এই ক্লাবটো ফ্ৰান্সৰ নতুনকৈ বাঢি অহা বুৰ্জোৱা শ্ৰেণীটোৰ একপ্ৰকাৰ মুখ্য অনুষ্ঠান হৈ পৰিছিল।

দেশৰ বিখ্যাত বুদ্ধিজীৱীসকল, প্ৰভাৱশালী সাংবাদিক আৰু সম্পাদক-সকল এই ক্লাবৰ সদস্য আছিল। পাছলৈ জিৰণদিন বুলি খ্যাতি লাভ কৰা ফ্ৰান্সৰ জাতীয় বুৰ্জোৱাৰ প্ৰতিনিধি সকলো ইয়াৰ সদস্য আছিল। এই ক্লাবে গণতান্ত্ৰিক আদৰ্শত বিশ্বাস কৰিছিল। দৰাচলতে ই গণতন্ত্ৰত বিশ্বাস কৰা সকলো লোকৰ এক যৌথ অনুষ্ঠান হৈ পৰিছিল আৰু সেয়ে চৰমপন্থী মণ্টাগনাৰ্ড আৰু অপেক্ষাকৃত ভাৱে নৰমপন্থী জিৰণদিন সকলো সংসদী সদস্যই এই ক্লাবৰ সদস্য আছিল। দেশৰ জনমতৰ ওপৰত এই ক্লাবৰ যথেষ্ট প্ৰভাৱ আছিল আৰু ইয়াৰ সংগঠনো আছিল ব্যাপক। সমগ্ৰ ফ্ৰান্সতে ইয়াৰ

ছহেজাৰ আঠশটা শাখা আছিল। প্ৰকৃতপক্ষে বৃচট, ৰৱচপিয়েৰ আদি নেতাসকলৰ ৰাজনৈতিক মতাদৰ্শবোৰ এই ক্লাবৰ সভাবোৰতেই প্ৰথমতে আলোচিত হয় আৰু বিতৰ্কৰ মাজেৰে মানি লোৱা নাইবা প্ৰত্যাখ্যান কৰা হয়। দেশৰ শাসন ব্যৱস্থাৰ নীতি সমূহ ইয়াতেই নিৰ্ণয় হৈছিল বুলিব পাৰি।

মাৰা, ডেচমলিন, দাঁ-র্ত আদি চৰমপন্থী নেতাসকল এই ক্লাবৰ সদস্য আছিল যদিও এই ক্লাবৰ বেছি বুৰ্জোৱা মনোভাবক তেওঁলোকে ভাল নাপাইছিল। সেয়ে তেওঁলোকে চৰম প্ৰজাতন্ত্ৰী মতাদৰ্শৰ লোক সকলক লগ খুৱাই Society of friends of the men and citizen. জনতা আৰু নাগৰিকৰ বন্ধুসকলৰ সভা বুলি এটা ক্লাব খুলিলে। এই ক্লাবটোত সমাজৰ নিম্নমধ্যবিত্ত শ্ৰেণীৰ লোকসকলৰ অধিক প্ৰাধান্য আছিল; কিন্তু সেই বুলি এই ক্লাব সৰ্বহাৰা জনসাধাৰণৰ প্লেটফৰ্ম নাছিল. এই ক্লাবৰ সদস্যসকল আছিল উগ্ৰপন্থী আৰু সাংবিধানিক ৰাজতন্ত্ৰতকৈ প্ৰজাতন্ত্ৰত অধিক বিশ্বাসী। এই ক্লাবটোকো সভাঘৰটোৰ নাম অনুসৰি কৰডেলিয়াৰ ক্লাব বোলা হৈছিল। জেকঁবে আৰু কৰডেলিয়াৰ ক্লাবৰ শ্ৰেণী চৰিত্ৰৰ কোনো মৌলিক পাৰ্থক্য নাছিল, দুয়োটা ক্লাবেই বুৰ্জোৱা শ্ৰেণী স্বাৰ্থৰে বিভিন্ন দিশৰ প্ৰতিনিধিত্ব মাথোঁ কৰিছিল। এই দুয়োটা গোটকে ইতিহাসত একেলগে জেকবেঁ বুলিয়েই কোৱা হয়।

এই ব্যৱস্থাত সৰ্বহাৰা সাধাৰণ মানুহৰ স্থান কেনে আছিল?

এই সৰ্বহাৰা সাধাৰণ জনতাক বুৰ্জোৱা সংসদে কোনো ধৰণৰ ৰাজনৈতিক স্বীকৃতি দিব খোজা নাছিল। ভোটদানৰ ক্ষমতা মধ্যবিত্ত শ্ৰেণীৰ মাজতে কৌশলেৰে সীমাবদ্ধ কৰি ৰাখি সাধাৰণ জনতাক কৰা হ'ল নিষ্ক্ৰিয় নাগৰিক বা Passive Citizen। দেশ শাসন, সংসদৰ কাম-কাজ আৰু আইন প্ৰণয়নৰ পৰা এওঁলোক হ'ল বঞ্চিত। কিন্তু বুৰ্জোৱা সংসদৰ স্বীকৃতি নাথাকিলেও এই সৰ্বহাৰা জনতা একেবাৰে শক্তিহীন নাছিল। অসংগঠিত হ'লেও তেওঁলোক হঠাতে বিপ্লৱী ভাবাদৰ্শৰ অনুপ্ৰেৰণাত এক প্ৰচণ্ড শক্তিলৈ ৰূপান্তৰিত হ'ব পাৰিছিল, আৰু এই উন্মত্ত জনতাক সকলোৱে ভয় কৰিছিল। জিৰণ্ডিন সকলে এই সকলোবোৰ কথা ভালদৰে জানিছিল আৰু সেয়ে দেশৰ ৰাজনীতি আৰু শাসনৰ পৰা সাধাৰণ জনতা যাতে সদায় আঁতৰি থাকে তাৰ বাবে তেওঁলোকে সততে যত্ন কৰিছিল। কিন্তু সময়ত নিজৰ

স্বাৰ্থসিদ্ধিৰ বাবে জনতাক উচটাই দিবলৈকো তেওঁলোক পাছ হোঁহকা নাছিল ; আকৌ এনেদৰে উচটাই দিয়া উন্মত্ত জনতাক শাসনত ৰাখিবৰ বাবে এই জিৰণ্ডিনসকলে সম্ৰাটৰ লগতো বুজাপৰা কৰিছিল। মণ্টাগনার্ড সকলে জিৰণ্ডিন সকলৰ এই দুমুখীয়া নীতি সমৰ্থন নকৰিছিল। সেয়ে এই দুটা গোটৰ মাজত সংঘৰ্ষ হ'ল। আৰু এই সংঘৰ্ষত মণ্টাগনার্ড সকলে সাধাৰণ জনতাৰ নেতৃত্ব গ্ৰহণ কৰে আৰু সময়ত জিৰণ্ডিন সকলক শেষ কৰি দি বিপ্লৱৰ এক নতুন আৰু ৰক্তাক্ত অধ্যায়ৰ পাতনি মেলে।

ৰাজতন্ত্ৰত বিশ্বাসী লোকসকলৰো এটা ক্লাব আছিল। লাফায়টি, টঁালাৰে, লেভইচিয়াৰ আদিয়ে '১৭৮৯ ৰ সমাজ' বা Society of 1789 বুলি অনুষ্ঠান এটা খুলি ৰাজতন্ত্ৰ বছাই ৰাখিবলৈ এক দুৰ্ব্বল প্ৰচেষ্টা চলাইছিল।

লেজিচলেটিভ এচেম্বলীৰ নিৰ্বাচনত জেকবেঁ আৰু ৰাজতন্ত্ৰী সকলৰ মাজত তুমুল প্ৰতিদ্বন্দ্বিতা চলিছিল। জেকবেঁ সকল আছিল অধিক তৎপৰ। তেওঁলোকৰ হাতত থকা প্ৰভাৱশালী আলোচনী আৰু বাতৰি-কাকত বোৰৰ জৰিয়তে দেশৰ জনমত তেওঁলোকৰ সপক্ষে ঢাল খুৱাবলৈ তেওঁলোকে বিৰাট চেষ্টা চলাইছিল। ঠায়ে ঠায়ে তেওঁলোকে ৰাজতন্ত্ৰীসকলক সভা-সমিতি আদি পাতিবলৈ নিদিছিল আৰু নিৰ্বাচনৰ দিনা বহুত বেলট বাকচ পুৰি পেলাইছিল। নতুন সংবিধানৰ প্ৰতি আনুগত্য প্ৰকাশ নকৰা বহুত মানুহক ভোট দিবলৈ দিয়া হোৱা নাছিল। কিন্তু এইবোৰ কৰা সত্বেও ৰাজতন্ত্ৰী আৰু নিৰপেক্ষ-সকলে বহু সংখ্যক আসন দখল কৰিবলৈ সক্ষম হৈছিল।

লেজিচলেটিভ এচেম্বলীৰ নিৰ্বাচনৰ পটভূমিকা আৰু সেই সময়ৰ সামাজিক আৰু ৰাজনৈতিক পৰিস্থিতিৰ ওপৰত আমি এবাৰ চকু ফুৰাই চাওঁ। ইতিমধ্যে দেশৰ শাসন ক্ষমতা জিৰণ্ডিন সকলে আয়ত্ব কৰিছে ; এতিয়া দেশৰ সমস্যাবোৰৰ তেওঁলোকে কেনেকৈ মোকাবিলা কৰিছে, কেনেকৈনো শাসন চলাইছে আৰু ফ্ৰান্স আক্ৰমণৰ ভাবুকিৰ প্ৰতি কেনেদৰে সঁহাৰি জনাইছে, তাকে আমি চাওঁ।

ইউৰোপৰ বুকুলৈ যুদ্ধৰ কৰাল ছাঁ নামি আহিছে। বিপ্লৱী ফ্ৰান্সৰ বিৰুদ্ধে ইউৰোপৰ ৰজাসকলে ষড়যন্ত্ৰ আৰু যুদ্ধৰ প্ৰস্তুতি চলাবলৈ আৰম্ভ কৰিছে।

ফ্ৰান্সৰপৰা পলাই যোৱা দেশত্যাগী অভিজাত সকলে coblelnz বোলা ঠাইত কুৰিহাজাৰ সেনাৰ এক সেনাবাহিনী গোট খুৱাইছে। ফ্ৰান্স জয় কৰি

পুনৰ ৰাজতন্ত্ৰ আৰু অভিজাততন্ত্ৰ প্ৰতিষ্ঠা কৰিবলৈ তেওঁলোক দৃঢ় প্ৰতিজ্ঞ। ফ্ৰান্সৰ ভিতৰত থকা ৰাজতন্ত্ৰী আৰু অভিজাত লোকসকলেও এই সেনাবাহিনীৰ সাফল্য কামনা কৰিছিল আৰু মনে মনে সহায় কৰিছিল বা সহায় কৰাৰ প্ৰতিশ্ৰুতি দিছিল। দেশত্যাগী অভিজাতসকলে প্ৰুচিয়া, অষ্ট্ৰিয়া আৰু ইউৰোপৰ অন্যান্য ৰজাসকললৈ ফ্ৰান্সৰ নতুন হঠকাৰী বিপ্লবী চৰকাৰক ধ্বংস কৰিবলৈ সাহায্য প্ৰাৰ্থনা কৰিলে। সম্ৰাট আৰু বিশেষকৈ সম্ৰাজ্ঞী মেৰী এন্টোয়ানেটেও তেওঁলোকক উদ্ধাৰ কৰি পুনৰ সৰ্বময় কৰ্তৃত্বত প্ৰতিষ্ঠা কৰিবলৈ ইউৰোপৰ সকলো ৰজালৈকে আপীল পঠিয়ালে।

এই আপীল আবেদনত ৰজাসকলে, বিশেষকৈ অষ্ট্ৰিয়া আৰু প্ৰুচিয়াৰ সম্ৰাটে সহাঁৰি দিলে। অৱশ্যে লুইৰ সিংহাসন উদ্ধাৰ কৰাতকৈ তেওঁলোকৰ অন্য উদ্দেশ্যও আছিল। প্ৰুচিয়াৰ সম্ৰাটে মনে মনে এই ছলতে ফ্ৰান্সৰ ফ্লেণ্ডাচ অঞ্চল অধিকাৰ কৰাৰ কথা ভাবিছিল। অষ্ট্ৰিয়াৰ সম্ৰাটৰ চকু আছিল খনি সমৃদ্ধ লোৰেইণ অঞ্চলত। তাৰোপৰি সম্ৰাজ্ঞী মেৰী এন্টোয়ানেট আছিল অষ্ট্ৰিয়াৰ সম্ৰাটৰ ভনীয়েক। সেয়ে প্ৰুচিয়াৰ সম্ৰাট দ্বিতীয় ফ্ৰেডেৰিক উইলিয়াম আৰু অষ্ট্ৰিয়াৰ সম্ৰাট দ্বিতীয় লিওপোল্ডে ১৭৯১ চনৰ ২৭ আগষ্টৰ দিনা পল্‌নিট্‌জ ঘোষণাপত্ৰৰ (Pollnitz declaration) জৰিয়তে ফ্ৰান্সক জনাই দিলে যে ইউৰোপৰ সমবেত ৰাজন্যবৰ্গৰ সহায়ত ফ্ৰান্সত পুনৰ ৰাজতন্ত্ৰ প্ৰতিষ্ঠা কৰিবলৈ তেওঁলোক দৃঢ়প্ৰতিজ্ঞ।

পাছৰ বছৰ ফেব্ৰুৱাৰী মাহত এই দুখন ৰাষ্ট্ৰই ফ্ৰান্সৰ বিপক্ষে এক সন্মিলিত অভিযান চলাবলৈ এখন সামৰিক চুক্তিপত্ৰত স্বাক্ষৰ কৰিলে।

ফ্ৰান্সত তোলপাৰ লাগিল। কিন্তু অতি আচৰিত কথা যে ফৰাচী বাসীসকলেও যুঁদ্ধহে বিচাৰিবলৈ ধৰিলে। ৰাজতন্ত্ৰী আৰু অভিজাত সকলে তেওঁলোকৰ হৃত ক্ষমতা পুনৰ উদ্ধাৰৰ আশাত এই যুদ্ধ হোৱাটো আৰু যুদ্ধত বিদেশী সকলে জয়লাভ কৰাটো বিচাৰিছিল। শাসনাধিষ্ঠ জিৰণ্দিন আৰু বুৰ্জোৱা সকলে যুদ্ধ বিচাৰিছিল তেওঁলোকৰ শত্ৰু ৰাজতন্ত্ৰী আৰু অভিজাতবৰ্গৰ কঁকাল ভাঙি দি ৰাষ্ট্ৰক্ষমতা সম্পূৰ্ণ ভাৱে কৰায়ত্ব কৰিবলৈ। সাধাৰণ মানুহে যুদ্ধ বিচাৰিছিল যাতে আগৰ সমাজব্যৱস্থা আৰু সামন্তবাদী শোষণৰ যুগ আকৌ ঘূৰি নাহে। তাৰোপৰি অভিজাতসকল ঘূৰি আহিলে তেওঁলোকে 'বিপ্লৱ কৰাৰ' বাবে সাধাৰণ জনতাৰ ওপৰত অত্যাচাৰ উৎপীড়ন চলাব বুলি জনসাধাৰণে ভয় কৰিছিল। ভয় কৰাৰ অৱশ্যে কাৰণো আছিল, কিয়নো

দেশত্যাগী অভিজাত সকলে তেওঁলোকৰ প্ৰতিশোধ লোৱাৰ উদ্দেশ্যৰ কথা অকণো লুক-ঢাক কৰা নাছিল।

কেৱলমাত্ৰ ৰবচপিয়েৰেহে তেতিয়াই আগেভাগে যুদ্ধত নামি পৰাটো ঠিক নহয় বুলি সঁকীয়াইছিল। তেওঁ কৈছিল যে প্ৰথমে নিজৰ ঘৰখন ঠিকঠাক কৰি নোলোৱাকৈ বাহিৰলৈ গৈ বিপ্লৱৰ প্ৰসাৰ কৰিব বিচৰাটো মূৰ্খামি মাথোন। তেওঁ ঘৰ বিভীষণ স্বৰূপ অভিজাত আৰু ৰাজতন্ত্ৰী সকলক প্ৰথমে গতি লগাই লৈ নতুন সংগঠনেৰে বিপ্লৱক শক্তিশালী কৰি তোলাৰ কথা কৈছিল। কিন্তু কোনেও তেওঁৰ কথালৈ মন-কাণ নিদিলে। জিৰণ্দিন সকলৰ নেতা ব্ৰুছটে তেওঁক মনে মনে থাকিবলৈহে উপদেশ দিলে।

২০ এপ্ৰিলৰ দিনা লেজিচলেটিভ এচেম্বলীয়ে অষ্ট্ৰিয়াৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে।

কেৱল মাত্ৰ অষ্ট্ৰিয়াৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰি আৰু প্ৰুচিয়াৰ বিৰুদ্ধে নকৰি ফৰাচী নেতাসকলে শত্ৰুৰ শিবিৰত বিভাজনৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰিছিল।

আৰম্ভ হ'ল যুদ্ধৰ ইতিহাস। এই দিনটোৰপৰা সুদীৰ্ঘ তেইছ বছৰ জুৰি এই যুঁজ-বাগৰবোৰে ইউৰোপৰ বুকু কঁপাই থাকিব। আৰু এই যুঁজ-বাগৰৰ মাজেৰেই আবিৰ্ভাব হ'ব নেপোলিয়নৰ—ফ্ৰান্সৰ ত্ৰাণকৰ্ত্তা ৰূপে।

ফ্ৰান্সৰ জিৰণিদিন নেতাসকলে কিন্তু এই যুঁজ সফলভাৱে পৰিচালনা কৰিবলৈ সক্ষম নহ'ল। সেই সময়ত ফৰাচী সেনাবাহিনীৰ মাজত বিপ্লৱৰ তোলপাৰৰ ফলত নানান ভাঙোনে দেখা দিবলৈ আৰম্ভ কৰিছে। সম্ৰাটৰ দিনতে গঠন কৰা এই সেনাবাহিনীৰ সেনানায়ক সকলো হ'ল পুৰণাপন্থী মানুহ যুঁজ-বাগৰ কৰাত তেওঁলোকৰ বধ মন নাই। সেয়ে এই সেনাবাহিনীয়ে শত্ৰুক আক্ৰমণ কৰি বিজয় লাভ কৰিবলৈ সক্ষম নহ'ল। সেনানায়কসকলেও নানা হেমাহি দেখুৱাবলৈ ধৰিলে। আক্ৰমণ আৰম্ভ কৰা ফৰাচী সেনা পৰাজয়ৰ পাছত পৰাজয়ৰ সম্মুখীন হ'ব লগা হ'ল।

এটা বিৰাট ৰাষ্ট্ৰীয় বিপৰ্য্যয় ফ্ৰান্সৰ সন্মুখত দেখা দিলে।

জিৰণদিন নেতাসকল বৰ বিপদত পৰিল। যুদ্ধৰ পৰাজয়ৰ লগে লগে অৰ্থনৈতিক দুৰ্যোগ আৰু বয়-বস্তুৰ চৰাদামে দেশৰ পৰিস্থিতি আৰু সঙ্কটপূৰ্ণ কৰি তুলিলে। জিৰণদিন নেতাসকলে দেখিলে যে যি সাধাৰণ জনতাক তেওঁলোকে সুকৌশলে অৱজ্ঞা কৰি দেশৰ ৰাজনীতি আৰু শাসনত ভাগ ল'বলৈ

নিদিয়াকৈ ৰাখিছিল এতিয়া সেই জনতাৰ সহায় নল'লে দেশ ৰক্ষা কৰাই টান। এই জনতাৰ মাজৰ পৰাই শত্ৰুৰ মোকাবিলা কৰিবলৈ নতুন নতুন সেনাবাহিনী গঢ়ি তুলিব লাগিব। দেশৰ অভ্যন্তৰিণ নিৰাপত্তাৰ বাবেও বিপ্লৱৰ আদৰ্শৰে উদ্বুদ্ধ এই জনতাৰ শক্তিক নিয়োজিত কৰিব লাগিব। এই কাম কৰিব নোৱাৰিলে যুদ্ধ জয় কৰা আৰু ফ্ৰান্সত জিৰণদিন সকলৰ স্বাৰ্থ আৰু অস্তিত্ব বজাই ৰখাই টান হৈ পৰিব। সেয়ে অনিচ্ছাসত্বেও সৰ্ব্বহাৰা জনতাক যুদ্ধৰ কামত প্ৰত্যক্ষভাৱে জড়িত কৰিবলৈ তেওঁলোক বাধ্য হৈ পৰিল।

সেয়ে ফ্ৰান্সৰ প্ৰতিৰক্ষা কটকটীয়া কৰিবলৈ সাধাৰণ লোকসকলক অস্ত্ৰ-শস্ত্ৰৰে সুসজ্জিত কৰি পেৰিচ নগৰীৰ চাৰিওফালে এক বিৰাট প্ৰতিৰক্ষা ব্যূহ তৈয়াৰ কৰিবলৈ আৰু দেশ তথা সংবিধানৰ প্ৰতি আনুগত্য প্ৰকাশ নকৰা সকলো ধৰ্মযাজকলৈ ৰাষ্ট্ৰীয় বেতন বন্ধ কৰি দিয়াৰ এক প্ৰস্তাৱ তেওঁলোকে সম্ৰাটৰ আগত দাখিল কৰিলে।

সম্ৰাটেতো এই প্ৰস্তাৱত সমৰ্থন নজনালেই, বৰঞ্চ তেওঁ এজনৰ বাদে আটাইবোৰ জিৰণদিন মন্ত্ৰীকে বৰ্খাস্ত কৰিলে। লগে লগে চাৰিওফালে বিৰাট গণ্ডগোল আৰম্ভ হ'ল। সম্ৰাটে যে মনে মনে বিদেশী সেনাসকল ফ্ৰান্সলৈ অহাটো কামনা কৰে আৰু সেই বাবে দেশৰ প্ৰতিৰক্ষা শক্তিশালী হোৱাটো নিবিচাৰে, সেই কথা এতিয়া জলজ্বল্ পটপটকৈ ওলাই পৰিল। জনসাধাৰণ বিক্ষুব্ধ হৈ পৰিল। উপায়ন্তৰ হৈ জিৰণদিন নেতাসকলে সম্ৰাটৰ ওপৰত চাপ দিবলৈ টুয়েৰীৰ ৰাজপ্ৰাসাদৰ সন্মুখত জনতাক বিক্ষোভ প্ৰদৰ্শন কৰিবলৈ আহ্বান জনালে।

২০ জুনৰ দিনা ৰাজপ্ৰাসাদৰ সন্মুখত হাজাৰ হাজাৰ বিক্ষোভকাৰী জমা হ'ল। তেওঁলোকে সম্ৰাটক দেখা কৰিবলৈ দাবী জনালে। অৱশেষত এটা সজাতি দলক সম্ৰাটৰ আগলৈ লৈ যোৱা হ'ল। তেওঁলোকে তিনিঘণ্টা সময়-জুৰি সম্ৰাটৰ আগত তেওঁলোকৰ দাবী আৰু অভিযোগবোৰ পেচ কৰিলে। সম্ৰাটে কিন্তু তেওঁলোকক কোনো নিশ্চিত সমাধান নিদি বিৰাট কূটনৈতিক চাতুৰিৰে কেতবোৰ ফোপোলা আশ্বাস দি পঠিয়াই দিলে। আনফালে জিৰণদিন নেতাসকলে বাহিৰত জনতাৰ আগত ক'লে যে সম্ৰাটক ভালকৈ এসেকা দি ঠাণ্ডা কৰা হৈছে। শেনটো যোৱাদি গৈ কেঁচাটো হৈ উভতি অহা সজাতি দলৰ প্ৰতিনিধি সকলেও হয় হয় বুলি তাকে দোহাৰিলে। জনতা কিন্তু পতিয়ন নগ'ল। কিন্তু তেতিয়া গধূলি হৈ আহিছিল। পুৱাৰে পৰা ভোকে-ভাগৰে

থকা জনতা লাহে লাহে ঘৰলৈ গুচি গ'ল। সেই যাত্ৰা যেনেতেনে ৰক্ষা পৰিল।

কিন্তু জনতাক উচটাই দি জিৰণদিন নেতাসকলে ভয় খালে। সাধাৰণ মানুহক ইমান বেছিলৈ উধাবলৈ দিলে কেতিয়াবা তেওঁলোকৰ গালৈকে টান পৰিব। সেয়ে সম্ৰাটক তেওঁলোকে বাহিৰত জগৰীয়া কৰিলেও তলে তলে সম্ৰাটৰ লগত এটা বুজাবুজিলৈ আহিবলৈ চেষ্টা চলালে। সম্ৰাটৰ মধ্যস্থতাৰ সহায়ত বিদেশী আক্ৰমণ ৰোধ কৰি ৰাষ্ট্ৰীয় সংকট আৰু তেওঁলোকৰ শ্ৰেণীস্বাৰ্থৰ প্ৰতি দেখা দিয়া ভাবুকি সমাধান কৰিবলৈ তেওঁলোক যত্নপৰ হ'ল। আপোচ কৰিবলৈ তেওঁলোক সাজু। সেয়ে এইবাৰ তেওঁলোকে সম্ৰাটক আনুষ্ঠানিক ভাৱে সম্বৰ্ধনা জনালে আৰু সেই জাকজমকীয়া অনুষ্ঠানত সম্ৰাট আৰু সংবিধানৰ প্ৰতি আনুগত্য ঘোষণা কৰিলে।

এই ঘটনাৰপৰাই জিৰণদিন সকল আৰু উগ্ৰপন্থী প্ৰজাতন্ত্ৰী মণ্টাগনাৰ্ড সকলৰ মাজত খোলাখুলি বিৰোধৰ সূত্ৰপাত হ'ল। মণ্টাগনাৰ্ডসকলে সম্ৰাটৰ লগত এনেধৰণে আপোচ কৰা ভালপোৱা নাছিল। ৰাজতন্ত্ৰ শেষ কৰি প্ৰজাতন্ত্ৰ প্ৰতিষ্ঠা কৰিব বিচৰা মণ্টাগনাড সকলে এই আপোচক বিশ্বাস-ঘাতকতা বুলি গণ্য কৰিছিল। এইবাৰ সেয়ে তেওঁলোকে সাধাৰণ জনতাক নেতৃত্ব দি তেওঁলোকৰ সহায়েৰে বিপ্লৱৰ গতি নিয়ন্ত্ৰণ কৰিবলৈ উদ্যম কৰিলে। এই ঘটনা সমূহ আমি পাছত পামগৈ।

সেইসময়ৰ ফ্ৰান্সৰ ৰাজনৈতিক আৰু সামাজিক অৱস্থাৰ বিষয়ে আৰু ইয়াৰ পাছৰ ৰাজনৈতিক শক্তিবিন্যাসৰ ওপৰত ৰিল ডুৰাণ্টে 'The age of Napoleon' বোলা কিতাপ খনত খুব সুন্দৰকৈ লিখিছে। বহলাই ব্যাখ্যা কৰাতকৈ তেখেতৰ লেখনীৰ এটা অংশৰ অনুবাদ তলত তুলি ধৰিলোঁ। পৰিস্থিতি বুজাত ই বৰ সহায়ক হ'ব।

"উগ্ৰপন্থী সকলে সম্ৰাট আৰু বুৰ্জোৱা সকলৰ এনে আনুষ্ঠানিক আপোচ ভাল পোৱা নাছিল। তেওঁলোকে সম্ৰাটক বিশ্বাস কৰা নাছিল। আৰু মধ্যবিত্ত সকলে ৰাজনৈতিক আৰু অৰ্থনৈতিক সা-সুবিধাবোৰ কৰায়ত্ব কৰাৰ পাছত এতিয়া বিপ্লৱৰ গতি ৰুদ্ধ কৰি দিব বিচৰাটোও ভাল পোৱা নাছিল। ৰবচপিয়েৰ আৰু মাৰাই জেকবেঁ ক্লাবটো বুৰ্জোৱা মতবাদৰ পৰা ক্ৰমান্বয়ে অধিক জনমুখী ভাবাদৰ্শলৈ ৰূপান্তৰিত কৰি পেলাইছে। ঔদ্যোগিক চহৰ অঞ্চলৰ সৰ্বহাৰা সকল আৰু পেৰিচৰ সাধাৰণ শ্ৰমজীৱী জনতাৰ মাজত ক্ৰমান্বয়ে একতা আৰু সহযোগিতা স্থাপন হ'বলৈ ধৰিছে।"

আৰু এই কামবে নেতৃত্ব গ্ৰহণ কৰিছিল মণ্টাগনাৰ্ড সকলে।

ইয়াৰ পাছৰ ঘটনাৰ চকৰি ক্ৰুতভাৱে ঘূৰিবলৈ ধৰিলে।

সেই সময়তে বেষ্টিল কাৰাগাৰ পতনৰ তৃতীয় বছৰ উদ্‌যাপনৰ দিন আহি পৰিল। লেজিচলেটিভ এচেম্বলীয়ে এই দিনটো মহা ধুমধামেৰে পাতিবৰ বাবে ফ্ৰান্সৰ প্ৰতিটো ডিপাৰ্টমেণ্টৰ পৰা নেশ্বনেল গাৰ্ডৰ এটা এটা পণ্টন পেৰিচলৈ পঠিয়াবলৈ ক'লে। এই নেশ্বনেল গাৰ্ডৰ গোটবোৰ আকৌ কমিউনবোৰৰ অধীনত আছিল। সমগ্ৰ ফ্ৰান্সকে ডিপাৰ্টমেণ্ট, কমিউন আদি প্ৰশাসনিক বিভাগত ভাগ কৰি পুনৰ সংগঠন কৰাৰ কথা আগতেই কৈ অহা হৈছে। এই কমিউনবোৰেই আছিল ফ্ৰান্সত ক্ষমতাৰ ঘাই খুটি, কিয়নো সকলোবোৰ প্ৰশাসনিক ক্ষমতা আৰু দায়িত্ব পোনপটীয়া ভাৱে এই কমিউনবোৰেই নিয়ন্ত্ৰণ কৰিছিল। আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ কথা যে এই কমিউনবোৰ উগ্ৰপন্থী আৰু প্ৰজাতন্ত্ৰী আদৰ্শৰ প্ৰধান ঘাটি আছিল। ফ্ৰান্সৰ গণ জীৱনত এই কমিউনবোৰৰ অসামান্য প্ৰভাৱ আছিল কিন্তু একত্ৰিত ভাৱে কাম কৰিব নোৱৰাৰ বাবে ৰাষ্ট্ৰীয় ৰাজনীতিত এই কমিউনবোৰে খুব বেছি প্ৰতিপত্তি খটুৱাবলৈ সক্ষম হোৱা নাছিল। এতিয়া বেষ্টিল কাৰাগাৰৰ পতনৰ উৎসৱে যেন এই কমিউনবোৰক সমবেত হোৱাৰ সুযোগহে দিলে।

ফ্ৰান্সৰ বিভিন্ন ঠাইৰ কমিউনবোৰৰপৰা নেশ্বনেল গাৰ্ডৰ সেনাবোৰ পেৰিচলৈ আহিবলৈ ধৰিলে। মাৰ্চাই কমিউনৰ যিটো সেনাদল আহিল, তেওঁলোক আছিল সম্পূৰ্ণ প্ৰজাতন্ত্ৰী আদৰ্শৰে অনুপ্ৰাণিত লোক। 'মাৰ্চিয়েজ' বোলা এটা উদ্দীপনাময় গীত গাই গাই তেওঁলোকে ফ্ৰান্সৰপৰা ৰাজতন্ত্ৰক উৎখাত কৰাৰ প্ৰতিজ্ঞা লৈ পেৰিচলৈ আহিল।

আনফালে পেৰিচ কমিউনটোও প্ৰজাতন্ত্ৰী আৰু উগ্ৰপন্থীসকলৰ প্ৰধান ঘাটি আছিল। এই পেৰিচ কমিউনৰ নেতাসকলে উৎসৱ হৈ যোৱাৰ পাছত ফ্ৰান্সৰ বিভিন্ন কমিউনবোৰৰপৰা অহা নেশ্বনেল গাৰ্ডৰ সেনাসকলক উভতি যাবলৈ নিদি পেৰিচতে ৰাখিলে। প্ৰজাতন্ত্ৰী সকল এইবাৰ সামৰিক ক্ষমতাৰেও শক্তিমন্ত হৈ উঠিল।

এনেতে এটা ঘটনা ঘটিল! ফ্ৰান্সৰ সীমান্তত অষ্ট্ৰিয়া, প্ৰুচিয়া আৰু দেশত্যাগী অভিজাতসকলে গোট খুওৱা সেনাবাহিনীটোৰ মুখ্য অধিনায়ক ব্ৰান্চৱিকৰ ডিউকে সেইসময়তে ফৰাচী ৰাষ্ট্ৰৰ প্ৰতি এখন চনদ ঘোষণা কৰিলে। তেওঁ ক'লে যে বিপ্লৱৰ নেতাসকলে দেশৰ ন্যায়সঙ্গত শাসনকৰ্ত্তা

সম্ৰাটৰ ক্ষমতা খৰ্ব কৰিছে আৰু অন্যায় ভাৱে অষ্ট্ৰিয়াৰ সম্ৰাটৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছে। সেয়ে তেওঁ ফ্ৰান্সত অন্যায় অৰাজকতা শেষ কৰি সম্ৰাটক তেওঁৰ ন্যায়সঙ্গত ক্ষমতা আৰু সন্মানেৰে পুনৰ প্ৰতিষ্ঠা কৰিব। তেওঁ ফ্ৰান্সৰ জনসাধাৰণক বিপ্লৱী নেতাসকলৰ অত্যাচাৰ শেষ কৰি ৰাজতন্ত্ৰক পুনৰ প্ৰতিষ্ঠা কৰাত সহায় কৰিবলৈ আহ্বান জনালে। কিন্তু তাকে নকৰি যদি তেওঁৰ সেনাসকলক বাধা দিবলৈ চেষ্টা কৰা হয় তেনে হ'লে তেনে সকলোকে নিষ্ঠুৰ ভাৱে ধ্বংস কৰা হ'ব। তেওঁ পেৰিচৰ নাগৰিক সকলক সঁকীয়াই দিলে যে যদি তেওঁলোকে শীঘ্ৰে ৰজাৰ সকলো কৰ্তৃত্ব মানি নলয় বা ৰাজপৰিয়ালৰ কিবা ক্ষতি কৰে তেনে তেওঁৰ সেনাবাহিনীয়ে সমগ্ৰ পেৰিচ নগৰী ধ্বংস কৰি অধিবাসী সকলক হত্যা কৰিব। কিন্তু তেওঁলোকৰ ফ্ৰান্সৰ জনসাধাৰণৰ ক্ষতি কৰাৰ যেহেতু কোনো ইচ্ছা নাই আৰু ফ্ৰান্সৰ মাটি বা সম্পত্তিৰ ওপৰতো কোনো মোহ নাই, সেয়ে সকলো ফৰাচী জনতাকে তেওঁ তেওঁৰ সেনাসকলৰ লগত সম্পূৰ্ণ সহযোগ কৰিবলৈ আহ্বান জনালে। ১১ জুলাইৰ দিনা এই সম্মিলিত সেনাবাহিনীয়ে সীমান্ত পাৰ হৈ ফ্ৰান্সৰ ভিতৰত সোমাল।

কিন্তু হিতে বিপৰীত হ'ল। এই চনদ যদিও ফ্ৰান্সক ভয় দেখুৱাই কাবু কৰিবলৈকে জাৰি কৰা হৈছিল, ফৰাচী জনতাইতো ভয় নাখালেই, বৰঞ্চ তেওঁলোক জ্বকিহে উঠিল। নিজৰ মাতৃভূমি আৰু স্বাধীনতা ৰক্ষাৰ বাবে তেওঁলোক সচেষ্ট হ'ল।

ৰবচপিয়েৰে জেকবেঁ ক্লাবৰ সভাত ফ্ৰান্সৰ বুকুৰপৰা ৰাজতন্ত্ৰক উচ্ছেদ কৰিবলৈ খোলাখুলিকৈ আহ্বান জনালে। মাৰ্চাই আৰু অন্যান্য কমিউন বোৰৰ পৰা অহা নেশ্বনেল গাৰ্ডৰ সেনানী সকলে এই কাৰ্য্যত সহায় কৰিবলৈ প্ৰতিশ্ৰুতি দিলে। পেৰিচ মহানগৰীৰ বিভিন্ন খণ্ডবোৰৰপৰা ৰজাক উচ্ছেদ কৰি দেশত এক প্ৰজাতন্ত্ৰ প্ৰতিষ্ঠা কৰিবলৈ লেজিচলেটিভ এচেম্বলীক আহ্বান জনোৱা হ'ল। এচেম্বলীয়ে কিন্তু এই আহ্বান আওকাণ কৰাৰ চেষ্টা কৰিলে। চাৰিওফালে প্ৰজাতন্ত্ৰ প্ৰতিষ্ঠা কৰাৰ সপক্ষে বিৰাট জনপ্ৰিয় প্ৰবাহ তেতিয়া। আৰু সেই সময়তে আমাৰ তপতেজী মাৰাই ৯ আগষ্টৰ দিনা ৰাজপ্ৰাসাদ অধিকাৰ কৰি ৰজা-ৰাণী আৰু ৰাজপন্থী বিষয়াসকলক বন্দী কৰিবলৈ আহ্বান জনালে।

পেৰিচ কমিউনে এইবাৰ আগভাগ ল'লে। সেই নিশাই সমগ্ৰ নগৰতে ঢোল পিটি জাননী দি পাছদিনা সকলো জনতাকে টুয়েৰীৰ ৰাজপ্ৰাসাদৰ সম্মুখত সমবেত হ'বলৈ আহ্বান কৰা হ'ল।

সেই নিশা পেৰিচত বিৰাট উৎকণ্ঠা, বিৰাট উত্তেজনা। চাৰিওফালে মাথোঁ জাননী দিয়া ঢোলৰ মাত। সেইদিনা অন্ধকাৰ নিশাতেই পাছদিনা প্ৰভাতৰ লগে লগে এক নতুন যুগৰ সূচনাৰ শঙ্খধ্বনি যেন শুনা গ'ল।

এটা বিৰাট যুগৰ যৱনিকা পৰিল।

ৰাজতন্ত্ৰৰ অন্তিম মুহূৰ্ত্তৰ আৰম্ভণি হ'ল।

বিংশ অধ্যায়

পুৱা পোহৰ হোৱাই নাই।

হাজাৰ হাজাৰ মানুহ আহি টুয়েৰীৰ ৰাজপ্ৰাসাদ আগুৰি ধৰিলেহি। যাঠি, জোং, তৰোৱাল, লোহাৰ ওখোন, কুঠাৰ, খড়্গ বন্দুক আৰু দুটামান ৰৰতোপো মানুহবোৰে হাতে হাতে আনিলে। নেশ্বনেল গাৰ্ডৰ আঠ শ সেনাও আহিল। পেৰিচৰ গলিবোৰৰপৰা শয়ে শয়ে দোকানী, বেপাৰী, মিস্ত্ৰী, শ্ৰমিক, দিনমজুৰ, পোহাৰী, চোৰ-তস্কৰ, নিবনুৱা, মদাহী, দালাল, বেশ্যা, গৃহণী আৰু ল'ৰা-ছোৱালী ওলাই আহিল। চাওঁতে চাওঁতে এনে মানুহ ন-হাজাৰ হ'লগৈ।

আনফালে ৰাজপ্ৰাসাদ ৰক্ষা কৰিছে নশ দুইচ ৰক্ষী আৰু দুশ অন্যান্য সেনাই।

জনতা আগবাঢ়ি আহিল। সম্ৰাটৰ অন্দৰ মহললৈ যোৱা বাটতে জনতাৰ প্ৰাসাদৰক্ষী সকলৰ লগত ভেটাভেটি হ'ল। ৰক্ষীসকলে জনতাক আৰু আগ বাঢ়িবলৈ নিদিলে। গুলিয়াগুলী আৰম্ভ হ'ল। এশ মুনিহ তিৰোতাৰ দেহা ৰাজপ্ৰাসাদৰ চোতালতে বাগৰি পৰিল। কিন্তু ক্ষুব্ধ জনতা বৈ নাথাকিল। তেওঁলোকো আগবাঢ়ি গ'ল। ভয় খাই সম্ৰাটে ৰাজপৰিয়ালক লৈ লেজিচলেটিভ এচেম্বলীৰ কক্ষত আশ্ৰয় ল'লেগৈ আৰু প্ৰাসাদ ৰক্ষীসকলক যুদ্ধ বন্ধ কৰিবলৈ আদেশ দিলে। জনতাই এইবাৰ বিধান কক্ষ অৱৰোধ কৰিলেগৈ। পোন প্ৰথমে বিধায়কসকলে ৰজা-ৰাণীক ৰক্ষা কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু ক্ষুব্ধ জনতাৰ দাবী মানি ৰজা-ৰাণীক পেৰিচ কমিউনৰ হাতত শোধাই

দিবলৈ বাধ্য হ'ল। ৰাজপ্ৰাসাদৰে দুৰ্গসদৃশ অঞ্চল এটাত ৰাজপৰিয়ালক বন্দী কৰি ৰখা হ'ল।

উন্মত্ত জনতাই সকলো চুইচ ৰক্ষী আৰু প্ৰাসাদৰ লগুৱ-লিকচৌ বোৰক হত্যা কৰিলে। মৃত চুইচ ৰক্ষী সকলৰ ৰঙা চোলাবোৰ জনতাই নিচানৰ দৰে যাঠি-জোঙৰ আগত আঁৰি ললে। ৰিল ডুৰাণ্টে লিখিছে যে ৰঙা পতাকাক বিপ্লৱৰ প্ৰতীক হিচাপে লোৱা এইটোৱেই বোধকৰো ইতিহাসত প্ৰথম নজীৰ।

ৰাজতন্ত্ৰ শেষ হ'ল। আৰু লগে লগে নেশ্বনেল এচেম্বলীয়ে প্ৰস্তুত কৰা সংবিধান থন, য'ত সাংবিধানিক ৰাজতন্ত্ৰৰ ব্যৱস্থা ৰখা হৈছিল, শেষ হৈ গ'ল।

এই দহ আগষ্টৰ দিনটোত ফ্ৰান্সৰ বুকুত যেন এক দ্বিতীয় বিপ্লৱ হ'ল।

এই বিপ্লৱ আছিল এক ৰাষ্ট্ৰীয় বিপ্লৱ আৰু ইয়াৰ সামাজিক গুৰুত্বও আছিল অসাধাৰণ। এই কাৰ্য্য ৰাষ্ট্ৰীয় আছিল, কাৰণ ফ্ৰান্সৰ বিভিন্ন ঠাইৰপৰা অহা নেশ্বনেল গাৰ্ডৰ সেনানীসকলে ইয়াত অংশ গ্ৰহণ কৰিছিল। আৰু ইয়াৰ সামাজিক গুৰুত্ব হ'ল ফ্ৰান্সৰ ৰাজনীতিত সাধাৰণ জনতাৰ সক্ৰিয় অংশ গ্ৰহণ আৰু ইয়াৰ ফলতে হোৱা নতুন ৰাজনৈতিক শক্তি বিন্যাস।

জিৰণদিন সকল আৰু তেওঁলোকে প্ৰতিনিধিত্ব কৰা উচ্চ মধ্যবিত্ত বুৰ্জোৱা সকলৰ শক্তি কমি আহিল। লাফায়টিয়ে দেশত্যাগ কৰিলে। ৰাজতন্ত্ৰী সকলৰ বেছিভাগেই পলাই গ'ল বা লুকাই আত্মগোপন কৰিলে। দেশৰ ক্ষমতা এতিয়া প্ৰধানতঃ উগ্ৰপন্থী মণ্টাগ্‌নাৰ্ড আৰু জনতাৰ হাতলৈ আহিল। কিন্তু লগে লগে নতুন নতুন ৰাজনৈতিক সমস্যা আৰু সংঘাতৰ সৃষ্টি হ'ল।

মণ্টাগ্‌নাৰ্ড সকলে বুজিছিল যে তেওঁলোকে অকলে দেশৰ ক্ষমতা আহৰণ কৰিব নোৱাৰে। সেয়ে তেওঁলোকে সাধাৰণ জনতাৰ সহায় ল'বলৈ বাধ্য হৈছিল। এই বিষয়ে আগৰ অধ্যায়ত উমুকিয়াই অহা হৈছেই। এতিয়া উচ্চমধ্যবিত্ত বুৰ্জোৱা সকলৰ স্বাৰ্থত আঘাত লগাত জিৰণিদিন আৰু মণ্টাগ্‌নাড সকলৰ মাজত ৰাজনৈতিক আৰু সামাজিক সংঘাত আৰম্ভ হ'ল। ১৭৯২ চনৰ গ্ৰীষ্ম কালৰ পৰা ১৭৯৩ চনৰ শৰৎকাললৈকে এই সংঘৰ্ষ চলি থাকিল আৰু শেষত মণ্টাগ্‌নাৰ্ড আৰু জনসাধাৰণৰ সম্মিলিত শক্তিৰ আগত জিৰণদিন সকল পৰাস্ত হ'লগৈ।

সম্ৰাটক বন্দী কৰাৰ লগে লগেই এই সংঘাতৰ সূত্ৰপাত হ'ল। এই সকলোবোৰ কথা আমি পাছত সবিস্তাৰে পামগৈ।

ইতিমধ্যে লেজিচলেটিভ এচেম্বলীৰ সদস্য সকলৰ বেছি ভাগেই অধিবেশনলৈ নহা হ'ল। ৰাজতন্ত্ৰীসকল পলাল। দুশ পঁচাশীজন সদস্যহে শেষত ৰ'লগৈ আৰু এতিয়া এই ক্ষুদ্ৰ সংসদেই ৰাজতন্ত্ৰক উচ্ছেদ কৰা হ'ল বুলি ঘোষণা কৰিলে আৰু দেশৰ শাসনভাৰ চলাবলৈ এখন Provisional Executive Council গঠন কৰি জৰ্জ দাঁ-তঁক ন্যায়মন্ত্ৰী ৰূপে ইয়াৰ মুৰব্বী নিয়োগ কৰিলে।

পেৰিচৰ নাগৰিক সকলৰ মাজত বিৰাট জনপ্ৰিয় দাঁ-তঁ সেই সময়ৰ বিপ্লৱী নেতাসকলৰ মাজত অন্যতম আছিল। পেশাত উকীল, দেখাত আপচু, পঢ়াশুনাত পণ্ডিত আৰু বিৰাট ব্যক্তিত্বৰ অধিকাৰী দাঁ-তঁই এইবাৰ বিপ্লৱী জনগণক একত্ৰিত কৰি বিদেশী শত্ৰুক প্ৰতিহত কৰিবলৈ আৰু দেশখন থানথিত লগাবলৈ চেষ্টা কৰিলে। আৰু তাকে কৰিবলৈ তেওঁ সস্তৰপৰ সকলোৰে পৰা, আনকি সম্ৰাট, তেওঁৰ প্ৰতিদ্বন্দ্বী মাৰা, ৰবচপিয়েৰ আৰু জিৰণদিন নেতা-সকলৰো সহায় ল'বলৈ পাছ নোহোঁহকিলে। তেওঁ সংগঠনত লাগি পৰিল আৰু জনতাক একত্ৰিত কৰি বিপ্লৱী আদৰ্শৰে উদ্বুদ্ধ কৰিবলৈ চেষ্টা কৰিলে। "আমি সাহসৰে চেষ্টা কৰিব লাগিব, চেষ্টা কৰিব লাগিব, আৰু চেষ্টা কৰিব লাগিব, তেহে ফ্ৰান্স ৰক্ষা পৰিব।" তেওঁ ক'লে।

বিপ্লৱৰ নতুন এটা অধ্যায়ৰ সৃষ্টি হ'ল।

নতুন আশা, সাহস, উৎসাহ আৰু আনহাতে নৃশংস হত্যাকাণ্ড, সন্ত্ৰাসৰ ৰক্তৰে সিক্ত এক ইতিহাসৰ আৰম্ভ হ'ল।

যি সকলে বিপ্লৱৰ বিৰোধিতা কৰিছিল, সম্ৰাটৰ সমৰ্থন কৰিছিল, সেই সকলৰ বিৰুদ্ধে অভিযান আৰম্ভ হ ল।

প্ৰথম আঘাত পৰিল যাজকসকলৰ ওপৰত। বিপ্লৱৰ নতুন নেতা সকলৰ প্ৰায়বোৰৰে ধৰ্ম্ম আৰু যাজকসকলৰ ওপৰত অকণো আস্থা নাছিল। যদিও লেজিচলেটিভ এচেম্বলীয়ে কেথলিক খৃষ্টান ধৰ্মক প্ৰথমে ৰাষ্ট্ৰধৰ্ম বুলি ঘোষণা কৰিছিল আৰু যাজকসকলক ৰাষ্ট্ৰৰপৰা বেতন দিয়াৰ ব্যৱস্থা কৰিছিল, এতিয়া নতুন নেতা সকলে সেই সকলোবোৰ উঠাই দিলে। বহু যাজকক বন্দী কৰা হ'ল। বহু মৰিল আৰু বহু দেশৰপৰা পলাই গৈ দেশত্যাগী অভিজাতসকলৰ লগ লাগিলগৈ। খৃষ্টান ধৰ্মক সম্ৰাট, অভিজাত আৰু সামন্তবাদ অধ্যুষিত অসমান সমাজব্যৱস্থাৰ লগত জড়িত অনুষ্ঠান বুলি নতুন নেতা সকলে ইয়াক ভাল চকুৰে নাচাইছিল। সেয়ে তেওঁলোকে ধৰ্মবিৰোধী

নীতি গ্ৰহণ কৰিছিল। কিন্তু চৰকাৰৰ এই নীতি আৰু সাধাৰণ ধৰ্মপ্ৰাণ লোক সকলৰ বিশ্বাসৰ মাজত সংঘাত লাগিল আৰু ঠায়ে ঠায়ে বিদ্ৰোহো হ'ল।

ইতিমধ্যে বিদেশী সেনা ফ্ৰান্সলৈ সোমাই আহিছে আৰু বিখ্যাত ভাৰ্দুন দুৰ্গ অৱৰোধ কৰিছেহি। চৰকাৰে দেশৰ প্ৰতিৰক্ষাৰ বাবে সকলো সক্ষম নাগৰিককে সেনাবাহিনীত মকৰল কৰিবলৈ আৰম্ভ কৰিলে, বিপ্লৱক বছাবই লাগিব। আনফালে বিপ্লৱৰ শত্ৰুসকলৰ বিৰুদ্ধেও অভিযান তীব্ৰতৰ হ'ল। বন্দী কৰি থোৱা যাজক, অভিজাত আৰু অন্যবোৰক তৎকালে বিচাৰ কৰি শাস্তি দিবলৈ বা মুক্তি দিবলৈ চৰকাৰে কিছুমান বিশেষ ট্ৰাইবুনাল গঠন কৰি দিলে। মাৰাই লিখিলে, "সেই দেশদ্ৰোহী শত্ৰু বোৰক কি বিচাৰ কৰিব লাগিছে? বাইজ যাওক সেই ঘৰ বিভীষণ বোৰক চোঁচোৰাই আনি শেষ কৰি পেলাওক।"

মাৰাৰ আহ্বানে আকৌ কাম দিলে। এই বন্দীসকলৰ ওপৰত জনতা এনেই ক্ষুণ্ণ হৈ আছিল, এইবাৰ যেন জ্বলা জুইতহে ঘিউ পৰিল। দলে বলে হাতত দা-কুঠাৰ লৈ তেওঁলোক বন্দীশাল বোৰলৈ গ'ল আৰু অভিজাত, যাজক আৰু অন্য বন্দী বোৰক মতা-তিৰোতা নিৰ্বিশেষে নৃশংস ভাৱে মুকলিকৈ হত্যা কৰিবলৈ ধৰিলে। হত্যাকাৰী সকলৰ ভাগৰ লাগিলে মদপানীৰে আপ্যায়িত কৰা হ'ল। এক কলঙ্কময় বীভৎস অধ্যায়ৰ সৃষ্টি হ'ল। পেৰিচৰ ৰাজ আলিত তেজৰ সোঁত বলে। চাওঁতে চাওঁতে এজন বন্দীও জীয়াই নাথাকিল।

এই হত্যাকাণ্ডই বিভিন্ন ধৰণৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে। সাধাৰণ নিৰপেক্ষ ধৰ্মপ্ৰাণ নাগৰিক সকল বিমূঢ় হ'ল আৰু সন্ত্ৰস্ত হৈ পৰিল। ৰাজতন্ত্ৰী সকল ভয়তে মৃতপ্ৰায় হ'ল। জিৰণদিন নেতাসকল কিং কৰ্ত্তব্য বিমূঢ় হৈ পৰিল। তেওঁলোকে ভিতৰুৱাকৈ এই হত্যাকাণ্ডত মণ্টাগ্‌নাৰ্ড সকলৰ উচটনি আছে বুলি দোষাৰোপ কৰিলে যদিও এই কাৰ্যত প্ৰতিবাদ বা ইয়াক বন্ধ কৰাৰ কোনো ব্যৱস্থা লবলৈ সক্ষম নহ'ল। মণ্টাগ্‌নাৰ্ড নেতাসকলো মনে মনে থাকিল। চৰকাৰ আৰু এচেম্বলীয়ে যদিও প্ৰথমে প্ৰথমে বন্দী সকলৰ বিচাৰ কৰাৰ ব্যৱস্থা এটা কৰিব খুজিছিল কিন্তু উন্মত্ত জনতাৰ কাণ্ড দেখি ভাপ মাৰিলে। বহু নেতাই আকৌ জনতাক প্ৰশংসা কৰি উচটাইহে দিলে। দাঁ-তঁই ক'লে, "ৰাজতন্ত্ৰী অভিজাত আৰু কেলেহুৱা যাজকবোৰক লৈ মূৰ ঘমাবলৈ মোৰ কি গৰজ পৰিছে!" এই দাঁ-তঁয়েই পাছত সন্ত্ৰাস আৰু হত্যাকাণ্ডই সীমা-চেৰাই গৈছে আৰু এতিয়া ক্ষমা দেখুৱাৰ প্ৰয়োজন বুলি কৈ নিজৰ মৃত্যু-

মাতি নৈছিল। মাৰাই ক'লে, "এই জঘন্য বিশ্বাসঘাতকী সকলক হত্যা কৰোৱাৰ সকলো দায়িত্ব মই গ্ৰহণ কৰিছোঁ।" মাৰা তেতিয়া জনপ্ৰিয়তাৰ শিখৰত।

এই হত্যাকাণ্ডৰ এটা বেলেগ ফল হ'ল। সমগ্ৰ ফ্ৰান্সৰ বিপ্লৱী সকল আৰু পেৰিচবাসীক ই এক ভাগ্য সূত্ৰত বান্ধি পেলালে। তেওঁলোকে জানিলে যে কেনেবাকৈ বিদেশী সেনাই যদি ফ্ৰান্স দখল কৰে তেনেহলে তেওঁলোকে কোনো ধৰণৰ অনুকম্পা বা ক্ষমা নাপাব। বিপ্লৱৰ পৰাজয় মানেই তেওঁলোকৰ নিশ্চিত মৃত্যু। সেয়ে এইবাৰ দেশ ৰক্ষা কৰিবলৈ তেওঁলোক ওলাল, দলে দলে আহি সেনাবাহিনীত ভৰ্ত্তি হৈ যুঁজলৈ গ'ল। এয়া যে তেওঁলোকৰ জীৱন মৰণৰ যুঁজ, অস্তিত্বৰ সংগ্ৰাম। চাওঁতে চাওঁতে ফৰাচী ৰক্ষা ব্যৱস্থা সবল হৈ উঠিল।

আনহাতে চেপ্তেম্বৰ মাহৰ লগে লগে লেজিচলেটিভ এচেম্বলী ভঙ্গ কৰি দিয়াৰ সিদ্ধান্ত লোৱা হ'ল। সাংবিধানিক ৰাজতন্ত্ৰৰ ব্যৱস্থা সন্নিবিষ্ট যিখন সংবিধানৰ জৰিয়তে এই সংসদ নিৰ্বাচিত কৰা হৈছিল এতিয়া ফ্ৰান্সৰ পৰিৱৰ্ত্তিত অৱস্থাত যিহেতু সেইখন বাতিল হৈ পৰিছে সেয়ে নতুন সংবিধান প্ৰণয়ন আৰু যুদ্ধ চলাবৰ বাবে নতুন এখন সংসদ নিৰ্বাচিত কৰাটো প্ৰযোজন। এইবাৰ সম্পত্তি ভিত্তিক ভোটাধিকাৰ ব্যৱস্থা বাতিল কৰি, সকলো প্ৰাপ্তবয়স্ক নাগৰিককে এই অধিকাৰ দি এখন কনভেনশনৰ নিৰ্বাচনৰ বাবে ঠিক ঠাক কৰি ২০ চেপ্তেম্বৰৰ দিনা লেজিচলেটিভ এচেম্বলী ভঙ্গ কৰাৰ কথা ঘোষণা কৰা হ'ল।

কিন্তু এচেম্বলীৰ সদস্য সকলৰ অজানিতে সেইদিনা এটা ডাঙৰ ঘটনা ঘটিল। সেই দিনাই বিপ্লৱী ফ্ৰান্সৰ সেনাবাহিনীযে ভাল্‌মী (Valmy) নামৰ এখন অখ্যাত গাঁৱৰ কাষত অষ্ট্ৰিয়া, প্ৰুচিয়া আৰু দেশত্যাগী অভিজাতসকলৰ সম্মিলিত সেনাবাহিনীক পৰাজিত কৰিলে। অষ্ট্ৰিয়াৰ সেনাসকলে ভাৰ্দুন এৰি হোঁহকি গ'ল। প্ৰুচিয়াৰ সম্ৰাটেও পোলেণ্ডত গণ্ডগোল লগাত তেওঁৰ সেনাবাহিনী আঁতৰাই নিলে। ফ্ৰান্সৰ চেম্পো অঞ্চলৰ আঙুৰ আৰু মদ খাই তেওঁৰ সেনা সকলৰ পেট চলি অৱস্থা নাইকিয়া হৈছিল। যুদ্ধ সেই সময়লৈ শাম কাটিল। বিপ্লৱৰ প্ৰথম সামৰিক বিজয় হ'ল।

জাৰ্মান সেনাবাহিনীৰ লগত থকা বিখ্যাত দাৰ্শনিক গ্যাটেই (Goethe) ঘোষণা কৰিলে, "আজি এই দিনটোত এই ঠাইতে পৃথিৱীৰ ইতিহাসৰ এক নতুন অধ্যায়ৰ সূচনা হ'ল।"

চতুৰ্থ খণ্ড

একবিংশ অধ্যায়

ঘটনাপঞ্জীৰ বিৱৰণেই এটা যুগৰ ইতিহাস নহয়। ৰাজনৈতিক উত্থান পতনৰ কাহিনীয়েই বুৰঞ্জী নহয়। এটা যুগৰ ইতিহাসে সেই যুগটোত বাস কৰা সাধাৰণ মানুহৰ জীৱনযাত্ৰা, সামাজিক আৰু অৰ্থনৈতিক ব্যৱস্থা, কলা-কৃষ্টি, সাহিত্য-সংস্কৃতি, নৈতিক মূল্যবোধ, আধ্যাত্মিক চিন্তাধাৰা, শিল্পকৰ্ম, কৃষি, জীৱিকা শিক্ষাব্যৱস্থা, মতামত প্ৰকাশৰ মাধ্যম যেনে বাতৰি কাকত, আলোচনী আদি, সাংবাদিকতা আইন কানুন, আচাৰ-ব্যৱহাৰ, বিজ্ঞান দৰ্শন বা চমুকৈ-মানুহৰ জীৱনৰ সকলো দিশকেই সামৰি লয়। সেয়ে আমি এই অধ্যায়টোত বিপ্লৱী ফ্ৰান্সৰ জীৱনযাত্ৰাৰ এটা থুলমূল আভাস দাঙি ধৰিম। ইয়াকে কৰোঁতে বহুত লেখকৰ ৰচনা, বিশেষকৈ ৱিল আৰু এৰিয়েল ডুৰাণ্টৰ দি এজ অব নেপোলিয়ন, লুই মেডলিনৰ—দি ফ্ৰেন্স ৰিভলিউশ্বন, জ্যাঁ ৰবিকুৰেলৰ দি ডেইলি লাইফ অব ফ্ৰেন্স ৰিভলিউশ্বন, এনচাইক্ল'পেডিয়া বৃটেনিকা, এনচাইক্ল'পেডিয়া আমেৰিকানা আৰু অন্যান্য লেখকৰ লেখনীৰ পৰা মুকলি ভাবে সহায় লোৱা হৈছে।

* * * *

বৈপ্লৱিক ফ্ৰান্সৰ জীৱন যাত্ৰাৰ এইবাৰ আমি এটা আভাস লওঁ। বেষ্টিল কাৰাগাৰ পতনৰ পাছত ফ্ৰান্সৰ সমাজৰ আমূল পৰিৱৰ্ত্তন হ'ল। সমাজৰ পুৰণা প্ৰতিপত্তিশালী শ্ৰেণী বোৰ যেনে অভিজাতসকল, ধৰ্মনেতাসকলৰ পতন ঘটিল আৰু তাৰ ঠাইত সমাজত এটা শক্তিশালী ব্যৱসায়িক বুৰ্জোৱা শ্ৰেণীৰ সৃষ্টি হ'ল আৰু এই বুৰ্জোৱা সমাজ ব্যৱস্থাৰে অংশ হিছাপে সৃষ্টি হ'ল শক্তিশালী আৰু ৰক্ষণশীল কৃষক সম্প্ৰদায়ৰ। বেপাৰ বাণিজ্যত গীল্ড সমূহ বে-আইনী কৰাৰ পাছত সকলো মানুহে নিজৰ ইচ্ছা অনুসৰি কাৰবাৰ কৰিব পৰা হোৱাত সৰু-সুৰা কুটিৰ উদ্যোগ, কাৰবাৰ আদি আৰম্ভ হ'ল বহুল ভাৱে। আৰম্ভ হ'ল বুৰ্জোৱা ধনতান্ত্ৰিক সমাজব্যৱস্থা আৰু অৰ্থনীতিৰ। কিন্তু এই সমাজত ভাল-

দৰিদ্ৰ দিনমজুৰ, ঔদ্যোগিক শ্ৰমিক, খনি শ্ৰমিক, মাটিহীন আধিয়াৰ, কৃষক,. নিবস্থৱা বা সৰ্বহাৰা শ্ৰেণীৰ দুখ-দৈন্য, অভাৱ-অভিযোগৰ কিবা উপশম ঘটিছিলনে ? উন্নত হৈছিলনে জীৱন যাত্ৰাৰ মান ?

* * * *

ফৰাচী বিপ্লৱত অভিজাতসকল ক্ষতিগ্ৰস্ত হ'ল আটাইতকৈ বেছিকৈ। তেওঁলোকৰ সা-সম্পত্তি বাজেয়াপ্ত কৰা হ'ল, কৰ্ত্তন কৰা হ'ল তেওঁলোকে অতদিনে ভোগ কৰি অহা নানান বিশেষ সা-সুবিধা , সামন্তবাদৰ অৱসানৰ লগে লগে তেওঁলোকৰ সামাজিক প্ৰতিপত্তি, ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষমতা শেষ হৈ গ'ল। বেছিভাগেই বিদেশলৈ পলাই গৈ বিপ্লৱৰ বিৰুদ্ধে বিদেশী শক্তি সমূহৰ লগত ষড়যন্ত্ৰ কৰিবলৈ আৰম্ভ কৰিলেগৈ। বহুত অভিজাতক হত্যা কৰা হ'ল, গিলটিনৰ ক্ষুৰধাৰ ফলকৰ আঘাতত বহুতৰে মূৰ গ'ল আৰু বহুতে আত্মগোপন কৰিলে। অভিজাততন্ত্ৰক ফ্ৰান্সৰ বুকুৰ পৰা নিশ্চিহ্ন কৰাৰ চেষ্টা চলোৱা হ'ল। কিন্তু তথাপিও এই কাৰ্য তৎকালে সম্পূৰ্ণ হোৱা নাছিল। অভিজাততন্ত্ৰৰ বীজ একেবাৰেই শেষ হৈ যোৱা নাছিল। ৰবচপিয়েৰৰ পতনৰ পিছত যেতিয়া অভিজাত সকলৰ বিৰুদ্ধে অভিযান ঢিলাই দিয়া হ'ল তেতিয়া আকৌ তেওঁলোকে মূৰ দাঙি উঠিবলৈ আৰম্ভ কৰিলে আৰু শেষত নাপলেয়ঁৰ দিনত তেওঁলোকেই আকৌ সমাজত প্ৰতিপত্তি খটুৱাবলৈ সক্ষম হ'লগৈ। কাৰণ নিজকে ফ্ৰান্সৰ সম্ৰাট বুলি ঘোষণা কৰাৰ পাছত নাপলেয়ঁই ৰাজতন্ত্ৰক বছাই ৰাখিবলৈ আৰু শক্তিশালী কৰিবলৈ আকৌ অভিজাততন্ত্ৰৰ প্ৰৱৰ্ত্তন কৰিছিল। এই সুযোগতে বহুত দেশত্যাগী অভিজাতেও সন্মান, সম্পত্তি আৰু প্ৰতিপত্তি ঘূৰাই পাবলৈ সক্ষম হৈছিল।

বিপ্লৱত গীৰ্জ্জা আৰু ধৰ্মযাজক সকলৰো অৱস্থা শোচনীয় হ'ল। ভলটেয়াৰৰ কেথলিক ধৰ্মৰ অন্ধবিশ্বাস আৰু গোড়ামিৰ বিৰুদ্ধে চলোৱা আপোচহীন সংগ্ৰামে বিপ্লৱী নেতৃবৃন্দক ভালকৈয়ে প্ৰভাৱিত কৰিছিল আৰু তেওঁলোকে নতুন নতুন আইন-কানুনৰ জৰিয়তে কেথলিক গীৰ্জাৰ ক্ষমতা কমাবলৈ চেষ্টা কৰিছিল। এতিয়া গীৰ্জাৰ সা-সম্পত্তি বাজেয়াপ্ত কৰি সেইবোৰ বুৰ্জ্জোৱা আৰু কৃষকসকলৰ মাজত ভগাই দিয়া হ'ল, যাজক সকলক নিৰ্ব্বাচিত কৰি ৰাষ্ট্ৰৰ ফালৰ পৰা বেতন দিয়াৰ ব্যৱস্থা কৰা হ'ল আৰু ভেটিকানৰপৰা মুক্ত কৰি ফৰাচী গীৰ্জাক ৰাষ্ট্ৰীয় গীৰ্জালৈ ৰূপান্তৰিত কৰা হ'ল। বহুত যাজকক হত্যা কৰা হ'ল—বিশেষকৈ সংবিধান আৰু বিপ্লৱৰ প্ৰতি আস্থা আৰু আনুগত্যৰ

শপত নোলোৱা সকলক। শিক্ষা ব্যৱস্থাকো গীৰ্জাৰ কবলৰপৰা মুক্ত কৰা হ'ল। নতুন চৰকাৰে সমাজত নৈতিকতা আৰু ঐক্যৰ বান্ধোন ৰক্ষা কৰিবলৈ ধৰ্মৰ পৰিৱৰ্ত্তে বৈপ্লৱিক আদৰ্শ আৰু স্বদেশপ্ৰেমৰ সহায় লৈছিল। এই বিষয়ে আগেয়ে উম্নুকিয়াই অহা হৈছেই। কিন্তু এই ব্যৱস্থা সফল হোৱা নাছিল। ব্ৰিল ডুবাণ্টে লিখিছে যে এই এই কাৰ্য্য, অৰ্থাৎ—"To build a social order upon a system of morality independent of religious belief" আছিল বৈপ্লৱিক চৰকাৰৰ এটা কঠিনতম্ কাম।

কেথলিক ধৰ্মৰ গোড়ামি শেষ কৰাৰ লগে লগে সমাজত সহনশীলতা আৰু ধৰ্ম নিৰপেক্ষতাৰ বহুল প্ৰসাৰ ঘটিল আৰু আটাইবোৰ বিপ্লৱী চৰকাৰেই এই কাৰ্যত সহায় সমৰ্থন জনাইছিল। ইযাৰ ফলত প্ৰটেষ্টান্ত ধৰ্মাৱলম্বী আৰু ইহুদি লোক সকলৰ ওপৰত চলা নানা তৰহৰ অন্যায়, অত্যাচাৰৰ ওৰ পৰিল আৰু তেওঁলোকেও সমাজত নাগৰিকৰ সকলোবোৰ অধিকাৰ ভোগ কৰিবলৈ সক্ষম হ'ল।

কিন্তু ধৰ্মৰ প্ৰভাব জানো এই ব্যৱস্থাই শেষ কৰিব পাৰিলে? ওহোঁ, এই ব্যৱস্থাই সমাজত ধৰ্মৰ প্ৰভাৱ শেষ কৰিব পৰা নাছিল। সাধাৰণ মানুহৰ মাজত ধৰ্মই তেতিয়াও দৃঢ়কৈ শিপাই আছিল। বিপ্লৱৰ ধৰ্মবিৰোধী অভিযানৰ সময়ত যদিও মানুহে গীৰ্জালৈ যাবলৈ এৰিছিল, গীৰ্জা যাজকৰ ওপৰত আক্ৰমণো চলাইছিল, তথাপিও তেওঁলোকৰ মনৰ মাজত বিশ্বাসৰ বীজ জীয়াই আছিল। বহুতে মনে মনে যাজকসকলক আত্মগোপন কৰি থকাত সহায়ো কৰিছিল। আৰু পাছলৈ যেতিয়া ধৰ্মবিৰোধী অভিযানৰ অন্ত পৰিল তেতিয়া লাহে লাহে মানুহে আকৌ গীৰ্জালৈ যাবলৈ, ধৰ্মৰ আচাৰ অনুষ্ঠান মুকলিকৈ পালন কৰিবলৈ আৰম্ভ কৰিলে। কেথলিক যাজক সকলৰ, বিশেষকৈ তলখাপৰ সাধাৰণ যাযক-সকলৰ ধৰ্মৰ প্ৰতি থকা অটল বিশ্বাস আৰু স্থিৰ আনুগত্যই ধৰ্মক জীয়াই ৰখাত প্ৰভূত সহায় কৰিছিল।

সমাজৰ নতুনকৈ উঠি অহা শ্ৰেণী হ'ল বুৰ্জ্জোৱাসকল আৰু বিপ্লৱৰ পৰাও আটাইতকৈ লাভ হ'ল তেওঁলোকৰেই। প্ৰকৃতপক্ষে বিপ্লৱৰ বুৰ্জোৱা নেতাসকলে সমগ্ৰ বিপ্লৱটোকে সমাজত অভিজাত আৰু যাজক সকলৰ প্ৰতিপত্তি শেষ কৰি বুৰ্জ্জোৱা মধ্যবিত্ত সকলৰ প্ৰতিপত্তি স্থাপনৰ বাবেই পৰিচালিত কৰিছিল। এই উদ্দেশ্যৰেই তেওঁলোকে বিপ্লৱলৈ মুক্তহস্তে দান আগবঢ়াইছিল, সহায় কৰিছিল। কিন্তু বুৰ্জ্জোৱাসকল আৰু সৰ্বহাৰা সাধাৰণ জনতাৰ মাজত

সংখ্যাতো নলগা নহয়। বিপ্লৱৰ গতি বুৰ্জোৱা স্বাৰ্থৰ অনুকূলে চাল খুৱাবলৈ কৰা চেষ্টাত সৰ্বহাৰা সকলে বাধা দিয়াৰ চেষ্টা কৰিছিল। বুৰ্জোৱাসকলেও এই বিপ্লৱত সৰ্বহাৰাসকলে সক্ৰিয় অংশ লোৱাটো ভাল পোৱা নাছিল আৰু সেয়ে সৰ্বহাৰা সকলৰ অংশ গ্ৰহণ আৰু প্ৰভাব সীমিত কৰি ৰাখিবলৈকে তেওঁলোকে ভোটদানৰ অধিকাৰ প্ৰথমে কেৱল মাত্ৰ সম্পত্তিশালী কৰদাতা সকলৰ মাজত সীমাবদ্ধ ৰাখিবলৈ অহৰহ চেষ্টা চলাই গৈছিল।

এই বিপ্লৱে বুৰ্জোৱাসকলক অৰ্থনৈতিক ভাৱে আৰু শক্তিশালী কৰি তুলিলে। গীৰ্জা আৰু অভিজাতসকলৰ বাজেয়াপ্ত সম্পত্তিৰ ভাল ভাল অংশবোৰ এওঁলোকেই কিনি ল'লে আৰু তেওঁলোকৰ হাতত থকা বিৰাট পুঁজি ৰাষ্ট্ৰক ঋণ হিচাপে দি আৰু নতুন নতুন ব্যৱসায় বাণিজ্য আৰু উদ্যোগত বিনিয়োগ কৰি ফ্ৰান্সৰ সমগ্ৰ অৰ্থনীতিকেই সম্পূৰ্ণ ভাৱে কৰায়ত্ব কৰি পেলালে। কিন্তু ফ্ৰান্সৰ এই জাতীয় বুৰ্জোৱা ইংলেণ্ড বা জাৰ্মানিৰ দৰে প্ৰকৃতাৰ্থত ঔদ্যোগিক নাছিল। ফ্ৰান্সৰ অৰ্থনীতি প্ৰধানতঃ কৃষিপ্ৰধান হৈয়েই আছিল আৰু গাঁও অঞ্চলৰপৰা কৃষকসকল চহৰ অঞ্চললৈ আহি সস্তীয়া শ্ৰমিকৰ যোগান ধৰাহি নাছিল। শিল্পবোৰো প্ৰধানতঃ কুটিৰ আৰু সৰু শিল্প আছিল। ফ্ৰান্সত ঔদ্যোগিকৰণ হওঁতে অপেক্ষাকৃতভাৱে অধিক সময় লাগিছিল। সমুদ্ৰত ইংৰাজ নৌবহৰৰ একাধিপত্যৰ বাবে লাভজনক বিদেশী বজাৰ আৰু সস্তীয়া কেঁচামাল সংগ্ৰহৰ ঘাটি গঢ়ি নুঠাও ইয়াৰ এটা কাৰণ। পাছত অষ্ট্ৰিয়া আৰু প্ৰুচিয়াৰ লগত যেতিয়া শান্তি চুক্তি হ'ল আৰু ইউৰোপৰ বিৰাট বজাৰখন ফৰাচী উদ্যোগৰ বাবে মুকলি হৈ পৰিল তেতিয়া ফ্ৰান্সতো দ্ৰুত ঔদ্যোগিকৰণ আৰম্ভ হ'ল আৰু ধনতান্ত্ৰিক উদ্যোগিক অৰ্থব্যৱস্থাৰ আৰম্ভণি হ'ল।

সমাজৰ পুৰণা প্ৰতিপত্তিশালী শ্ৰেণী দুটা, অভিজাত আৰু যাজকসকলৰ বিলোপৰ পাছত দেশ প্ৰশাসনৰ গধুৰ গধুৰ বিষয় সমূহো এই শ্ৰেণীটোৰ হাতলৈকে আহিল আৰু এওঁলোক ক্ৰমান্বয়ে সকলো ফালৰপৰাই শক্তিমন্ত হৈ উঠিল।

অকল বুৰ্জোৱা সকলৰেই নহয়, বিপ্লৱত ফৰাচী কৃষক সকলৰো বহুত লাভ হ'ল। কিন্তু এই লাভ হৈছিল প্ৰধানতে মধ্যবিত্ত আৰু ডাঙৰ কৃষক সকলৰহে, সৰু কৃষক, ভূমিহীন কৃষক আৰু আধিয়াৰসকলৰ খুব কমেইহে লাভ হৈছিল। ধনী কৃষকসকলে গীৰ্জা আৰু অভিজাতসকলৰ বাজেয়াপ্ত সম্পত্তিৰ অংশ কিনি আৰু ধনী হৈ পৰিছিল। সামন্তবাদী কৰ-কাটল, খাজনা, শুল্কবোৰ উঠাই দিয়াত

সকলো খেতিয়কেই সকাহ পাইছিল যদিও ধনী সকলৰে লাভ হৈছিল বেছি। বিপ্লৱে তেওঁলোকক মাটিৰ মালিকী-স্বত্ব দিয়াত কৃষকসকল বিপ্লৱৰ প্ৰধান সমৰ্থক আৰু শক্তিৰ লাইখুটা হৈ পৰিল। সামন্তবাদ আৰু অভিজাতসকলৰ বিৰুদ্ধে সংগ্ৰাম আৰম্ভ কৰি পেৰিচত আৰম্ভ হোৱা বিপ্লৱক এওঁলোকেই প্ৰকৃততে ৰাষ্ট্ৰীয় ৰূপ দিলে। বুৰ্বং বংশৰ শাসন আৰু অভিজাত সকল ঘূৰি আহিলে তেওঁলোকে পোৱা মাটি-বাৰী আৰু সা-সুবিধাবোৰ আকৌ কাঢ়ি ল'ব বুলি ভাবি তেওঁলোকে ফ্ৰান্স আৰু বিপ্লৱৰ প্ৰতিৰক্ষাত সকলো ধৰণে সহায় কৰিবলৈ ধৰিলে।

নতুনকৈ মাটি পোৱা কৃষকসকলে নিজৰ লাভৰ বাবে মনৰ উছাহত খুব পৰিশ্ৰম কৰি খেতি-বাতি কৰিলে আৰু ইয়াৰ ফলতে দেশত যুঁজ-বাগৰ চলাই যাবলৈ প্ৰচুৰ ৰাহিৰ উৎপন্ন হ'ল। ল'ৰা-ছোৱালীৰ মাজত ভাগ ভাগ হৈ যাতে সা-সম্পত্তি কমি নাযায়, তাৰবাবে তেওঁলোকে বেছি ল'ৰা-ছোৱালীৰ জন্ম নিদিছিল। সেয়ে খেতিয়কসকলৰ অৱস্থা ভাল হ'লেও বিপ্লৱৰ সময়ত ফ্ৰান্সৰ জনসংখ্যা কিন্তু নাবাঢ়িল।

ভূমিহীন খেতিয়ক, কৃষি মজতুৰ, আধিয়াৰ খেতিয়কসকলৰ কিন্তু অৱস্থাৰ বিশেষ একো উন্নতি নহ'ল। এইসকল লোকৰ স্বাৰ্থ ৰক্ষাৰ বাবে কোনো আইনগত বা প্ৰশাসনিক ব্যৱস্থাও ৰাষ্ট্ৰীয় ভিত্তিত লোৱা নাছিল। ভূমি সংস্কাৰ জাতীয় কেতবোৰ ব্যৱস্থাৰ কথা ৰাষ্ট্ৰীয় ভিত্তিত আলোচিত হৈছিল যদিও সেই বোৰ কাৰ্যক্ষেত্ৰত খুব কমেইহে ৰূপায়িত হ'ল। সামন্তবাদী খাজনাৰ অৱসানে যদিওবা জনসাধাৰণক কিছু সকাহ দিছিল, কিন্তু বয়-বস্তুৰ বাঢ়ি অহা চৰাদাম আৰু মুদ্ৰাস্ফীতিয়ে সোনকালেই তাৰো মূদা মাৰিলে।

অন্যান্য শ্ৰমজীৱী জনসাধাৰণৰ অৱস্থাৰো কোনো বিশেষ উন্নতি বিপ্লৱৰ সময়ত নহ'ল। খনিত কাম কৰা মজতুৰ সকলে আগৰদৰেই হাড়ভঙা পৰিশ্ৰম কৰিও বিৰাট দৰিদ্ৰতাৰ মাজতে জীৱন যাপন কৰিব লগীয়া হৈছিল। কল-কাৰখানাবোৰত কাম কৰা শ্ৰমিক সকলৰো অৱস্থা একেই। তেওঁলোকৰ কাম কৰাৰ পৰিবেশ আৰু জীৱনযাত্ৰাৰ মানদণ্ডৰ কোনো উন্নতি নহ'ল। দিন মজদুৰ সকলৰ কথা নোকোৱাই ভাল। তেওঁলোকৰ জীৱনৰ কঠোৰতাত বিপ্লৱে কোনো ধৰণৰ সকাহ দিব পৰা নাছিল। সৰু-সুৰা কাৰবাৰী, দোকানী পোহাৰী, ফেৰিৱালা এইবোৰ মানুহৰো কোনো লাভ নহ'ল। 'ফটা কাপোৰ পিন্ধা' এই জনতাৰ জীৱনত বিপ্লৱে কোনো বস্তুত পৰিৱৰ্ত্তন ঘটাব নোৱাৰিলে।

সৰ্বহাৰা সকলৰ দুখ-দৈন্য একেই থাকিল। বৰঞ্চ ৰবচপিয়েৰৰ পতনৰ পাছৰপৰা তেওঁলোকৰ দুখ-দৈন্য আৰু বাঢ়িলহে কাৰণ তেতিয়া বুৰ্জোৱা মালিক সকলে তেওঁলোকৰ ওপৰত অধিক কৰ্তৃত্ব খটুৱাবলৈ সক্ষম হ'ল। ইয়াৰ আগতেই অৱশ্যে বৈপ্লৱিক ফ্ৰান্সত শ্ৰমিকসকলে নিজৰ অভাৱ-অভিযোগ পূৰাবলৈ ধৰ্মঘট আদি কৰাটো নিষিদ্ধ আছিল। কিন্তু ৰিল ডুৰান্টৰ মতে তথাপিও বিভিন্ন ক্ষেত্ৰত ষ্ট্ৰাইক ধৰ্মঘট আদি নোহোৱাকৈ নাথাকিছিল আৰু ইয়াৰ জৰিয়তে শ্ৰমিকসকলে তেওঁলোকৰ দাবী, অভিযোগবোৰ পূৰাবলৈ আৰু মজুৰি বৃদ্ধিৰ বাবে প্ৰয়াস কৰিছিল। বিপ্লৱৰ বুৰ্জোৱা চৰিত্ৰ যেতিয়া লাহে লাহে জন সাধাৰণৰ মনত প্ৰকট হৈ পৰিছিল তেতিয়া ইয়াৰ ওপৰত ক্ৰমান্বয়ে তেওঁলোকৰ আস্থা হেৰাই আহিছিল। সেয়ে তেওঁলোকে লাহে লাহে এক শক্তিশালী আৰু সুস্থিৰ শাসন ব্যৱস্থাৰ বাবে আৰু দৈনন্দিন জীৱনৰ দুখ-কষ্টৰ অৱসানৰ আশাত বিকল্প স্বৰূপে একনায়কত্ববাদ আৰু নাপলেয়ঁক পাছৰ কালত সমৰ্থন দিবলৈ আৰম্ভ কৰে। এইখিনিতে এটা কথা মন কৰা প্ৰয়োজন যে এই অকাৰ্য্যকাৰী বুৰ্জোৱা ব্যৱস্থাৰ বিকল্প ৰূপে সৰ্বহাৰা শ্ৰমিক কৃষকৰ একনায়কত্ববাদৰ সমাজব্যৱস্থাৰ সম্ভেদ তেওঁলোকে নাজানিছিল।

এইবাৰ আমি বিপ্লৱী ফ্ৰান্সৰ সাংবাদিকতা, বাতৰি-কাকত আৰু শিক্ষা-ব্যৱস্থাৰ এটা আভাস লওঁ।

সাংবাদিকসকল সেই সময়ত ইমান প্ৰভাৱশালী আছিল যে তেওঁলোকক যাজক, অভিজাত আৰু জনসাধাৰণ এই তিনিটা এষ্টেটৰ পাছতে ফৰ্থ এষ্টেট বোলা হৈছিল। প্ৰকৃতপক্ষে বিপ্লৱৰ গতি নিয়ন্ত্ৰণত এই সাংবাদিক সকলে বিৰাট ভূমিকা লৈছিল।

জঁ্যা পল মাৰা, বৃচট, ডেচমলিন আদিৰ সংবাদপত্ৰবোৰ পেৰিচ আৰু ফ্ৰান্সত জনতাৰ মাজত তেতিয়া খুব জনপ্ৰিয়। তাৰোপৰি অন্য সাংবাদিক-সকল, কাৰ্টুন আকোঁতা, ব্যঙ্গ লেখকসকলো খুব জনপ্ৰিয় আছিল। পেৰিচত ক'বলৈ গলে নিতৌ নতুন সংবাদপত্ৰ, প্ৰচাৰপত্ৰ আৰু ইস্তাহাৰ ওলাইছিল। ক্ৰমান্বয়ে এই বাতৰি-কাকত, ইস্তাহাৰবোৰ একো একোটা ৰাজনৈতিক গোটৰ আদৰ্শৰ বাহক হৈ পৰিল। প্ৰজাতন্ত্ৰী আৰু উগ্ৰপন্থী সকলৰ হাতত এনে বহুত সংবাদপত্ৰ আছিল আৰু সেইবোৰৰ সহায়েৰে তেওঁলোকে জনমত তৈয়াৰ কৰিবলৈ চেষ্টা চলাইছিল।

বিপ্লৱৰ প্ৰথমাধত বা আমি এতিয়ালৈকে বৰ্ণাই অহা অংশত ফ্ৰান্সত অবাধ

বাক্ স্বাধীনতা। লেখা আৰু প্ৰকাশৰ ওপৰত কোনো বাধা নিষেধ নাই। সংবাদপত্ৰ আৰু সাংবাদিকসকলে অবাধে তেওঁলোকৰ মতামত প্ৰকাশ কৰিব পাৰে কিন্তু ক্ৰমান্বয়ে এটাৰ পাছত এটাকৈ বেলেগ বেলেগ গোষ্ঠী ক্ষমতালৈ আহিবলৈ ধৰাত ক্ষমতাধিষ্ট গোটটোৱে তেওঁলোকৰ বিৰোধীসকলৰ সংবাদ-পত্ৰবোৰ বন্ধ কৰি দিবলৈ আৰম্ভ কৰিলে। আনকি বিৰোধী সাংবাদিক সকলক জেল বা মৃত্যুদণ্ডও দিলে। লাহে লাহে শাসক গোষ্ঠীৰ মনঃপুত নোহোৱা কোনো কথাই প্ৰকাশৰ পোহৰ নেদেখা হ'ল। ইয়াৰ উত্তম উদাহৰণ হ'ল ১৮ মাৰ্চত কনভেনশ্যনে জাৰি কৰা ঘোষণা য'ত কোৱা হ'ল, "Whosoever should propose an Agrarian law, or any law subversive to territorial, commercial or industrial property will be executed." ৰাজতন্ত্ৰৰ সপক্ষে কিবা লিখিলেও মৃত্যুদণ্ডৰ ব্যৱস্থা কৰা হ'ল। এইবোৰ ব্যৱস্থা'ৰ ফলত ব্যক্তি-কাকত আৰু স্বাধীন ভাবে মত প্ৰকাশ কৰাৰ ক্ষমতা লাহে লাহে খৰ্ব হ'বলৈ আৰম্ভ কৰিলে। শেষলৈ আনকি সদনতো স্বাধীন ভাবে কথা কোৱাৰ অধিকাৰ নাইকিয়া হ'লগৈ। নাপলেয়ঁই বাতৰি-কাকতৰ স্বাধীনতাক বৰ ভাল চকুৰে নাচাইছিল বাবে ইয়াক খৰ্ব কৰি শেষত ধ্বংস কৰা বুলি তেওঁক দোষাৰোপ কৰা হয়। কিন্তু ব্ৰিল ডুৱাণ্টে লিখিছে যে "Liberty of speech and press was not destroyed by Napoleon. It was dead when he came to power."

বিপ্লৱৰ সময়ত শিক্ষা ব্যৱস্থাৰো আমূল পৰিৱৰ্তন সাধন কৰা হৈছিল।

কেথলিক গীৰ্জাৰ উদ্দেশ্য প্ৰণোদিত শিক্ষা ব্যৱস্থাৰ (দ্বিতীয় অধ্যায় দ্ৰষ্টব্য) অৱসান ঘটাই ৰাষ্ট্ৰই সমগ্ৰ শিক্ষাৰ দায়িত্ব গ্ৰহণ কৰিলে। পাঠশালা বা প্ৰাইমেৰী শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰা হ'ল আৰু আধুনিক উচ্চ স্কুলীয়া শিক্ষাৰো তেতিয়াই ভেটি স্থাপন কৰা হ'ল। বিভিন্ন কাৰিকৰী বিদ্যা আহৰণৰ বাবে নানান নতুন নতুন পলিটেকনিক প্ৰতিষ্ঠা কৰা হ'ল। খনি বিদ্যা, ধাতুবিদ্যা, জ্যোতিষ বিজ্ঞান, কলা, সঙ্গীত আদিৰ বাবেও সুকীয়া বিদ্যালয় খোলা হ'ল। অৱশ্যে স্ত্ৰী শিক্ষাৰ বাবে কোনোধৰণৰ বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাছিল। ছোৱালীবোৰে পুৰণিকলীয়া কনভেণ্ট, ঘৰুৱা শিক্ষক বা মাতৃৰ পৰা ঘৰ গৃহস্থালিৰ যাৱতীয় শিক্ষা গ্ৰহণ কৰিছিল।

সাধাৰণ শিক্ষাৰ বিষয়-বস্তু আৰু পাঠ্যক্ৰমৰো আমূল পৰিৱৰ্তন কৰা হৈছিল। ধৰ্ম সম্বন্ধীয় কথা-বাৰ্তা, ধৰ্মৰ উপদেশ আদি পাঠ্যক্ৰমৰপৰা

শাতবাই পেলোৱা হ'ল আৰু তাৰ ঠাইত দেশপ্ৰেম, ৰাষ্ট্ৰীয় চেতনাৰ বিকাশৰ ওপৰত অধিক গুৰুত্ব দিয়া হ'ল। "This formulation seems to substitute one form of indoctrination for another Nationalism instead of Catholic, Nationalism was to be the official religion." ডুৰান্টে লিখিছে।

এনে ধৰণৰ সংস্কাৰে ফ্ৰান্সৰ সমাজত ধৰ্মনিৰপেক্ষতা আৰু সহনশীলতাৰ আদৰ্শ সবল কৰি তুলিলে আৰু সাধাৰণ মানুহৰ বৈপ্লবিক চেতনাও পুৰঠ কৰি তোলাত সহায়ক হ'ল।

উচ্চশিক্ষিত, শিক্ষাবিদ, বুদ্ধিজীৱী সকলৰ অনুষ্ঠান ফৰাচী একাডেমী প্ৰতিক্ৰিয়াশীলসকলৰ গোট বুলি ভাঙি দি তাৰ ঠাইত নতুনকৈ 'নেশ্বনেল ইনষ্টিটিউট' গঢ়ি তোলা হ'ল। এই অনুষ্ঠানটো সময়ত নতুন চিন্তা-চৰ্চা, দৰ্শন, বিজ্ঞান, সাহিত্য আৰু বিভিন্ন জ্ঞানৰ পীঠস্থান হৈ পৰিল।

ফৰাচী বিপ্লৱত মানুহৰ নৈতিকতাবোধৰো বিৰাট পৰিৱৰ্ত্তন ঘটিল। কেথলিক ধৰ্মৰ কটকটীয়া সামাজিক আৰু নৈতিক অনুশাসন ওৰ পেলোৱাত সমাজত নৈতিকতাৰ ক্ষেত্ৰত শূন্যতাৰ সৃষ্টি হৈছিল। বিপ্লৱী নেতাসকলে এই শূন্যতা জাতীয়তাবাদ আৰু দেশপ্ৰেমেৰে পূৰণ কৰিবলৈ চেষ্টা চলালে। তেওঁলোকে ভাবিছিল যে নাগৰিক সকলে সমাজত সমানতা আৰু স্বাধীনতা ভোগ কৰিলে তেওঁলোকৰ সমাজৰ প্ৰতি দায়িত্ব আৰু কৰ্ত্তব্যবোধো স্বাভাৱিকতে আহি পৰিব। এখন সুসংগঠিত সমাজৰ শৃঙ্খলা আৰু নিৰাপত্তাত বাস কৰা প্ৰতিজন নাগৰিকৰ সামাজিক দায়িত্ব আৰু কৰ্ত্তব্যবোধেই সামাজিক বান্ধোন আৰু নৈতিকতা বজাই ৰাখিব। এয়ে আছিল নেতাসকলৰ চিন্তাধাৰা। কিন্তু নতুনকৈ মুক্তি লাভ কৰা ফৰাচী নাগৰিকসকলক এনে ধৰণৰ মহান আদৰ্শৰে সু-শৃঙ্খলিত কৰি ৰখাটো বৰ সহজসাধ্য কাম নাছিল। প্ৰথমে প্ৰথমে এই ব্যৱস্থাই কিছু কাম নিদিয়া নহয়, কিন্তু লাহে লাহে ৰজা-ৰাণীৰ হত্যা, সন্ত্ৰাস আৰু ৰক্তপাতৰ পাছত এই ব্যৱস্থা ব্যৰ্থ হ'ল। দেশত শান্তি-শৃঙ্খলা নোহোৱা হ'ল। হত্যাকাণ্ড, লুটপাট আৰু নানান তৰহৰ অপৰাধৰ সংখ্যা বাঢ়ি আহিল। অৰ্থনৈতিক অস্থিৰ অৱস্থা আৰু দৰিদ্ৰতায়ো এই কামত বাৰুকৈয়ে ইন্ধন যোগালে। ফলত বেহা-বেপাৰ, বিতৰণ ব্যৱস্থা, খাদ্যশস্যৰ বেপাৰ, সামৰিক বাহিনীৰ ৰচদ-পাতি যোগাৰ আদি কামবোৰত

বাৰুকৈয়ে দুর্নীতিয়ে শিপাবলৈ ধৰিলে। জুৱাখেলবো বহুল প্ৰচলন হ'ল। মানুহৰ সামাজিক নৈতিকতা শিথিল হৈ আহিবলৈ ধৰিলে।

নেতাসকলে এইবোৰ ৰোধ কৰিবলৈ চেষ্টা নকৰা নহয়। অশান্ত সমাজখন শান্ত আৰু সুস্থিৰ কৰিবলৈ নানান নতুন নতুন আইন-কানুনৰ সৃষ্টি কৰা হ'ল, নতুন নতুন সামাজিক আৰু অর্থনৈতিক অপৰাধৰ বাবে শাস্তিবিধান কৰাৰ ব্যৱস্থা কৰা হ'ল। প্ৰকৃতপক্ষে এইবোৰ আইন-কানুনৰ প্ৰবৰ্ত্তনৰ দ্বাৰা ৰাষ্ট্ৰৰ ক্ষমতা বঢ়াই অনা হৈছিল। সম্পূর্ণ ৰাজতন্ত্ৰৰ ঠাইত বিপ্লৱে এখন সৰ্ব্বশক্তিমান সার্বভৌম গণতান্ত্ৰিক ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস কৰিলে।

মানুহৰ সামাজিক আৰু ৰাজনৈতিক মূল্যবোধৰ লগতে নৈতিক মূল্য-বোধৰো পৰিৱৰ্ত্তন ঘটিল। বিপ্লৱৰ পাছতো সমাজত পতিতাবৃত্তিৰ কোনো কম নহ'ল। বৰঞ্চ নতুন মুক্তি আৰু স্বাধীনতাৰ আৱহাৱাত ই অধিক মুকলি আৰু ব্যাপকহে হৈ পৰিল। পেৰিচৰ আলিয়ে গলিয়ে, সকলোতে সেই সময়ত বেশ্যাসকলক পোৱা গৈছিল আৰু আনকি বিধায়কসকলৰ কক্ষলৈকো তেওঁলোকৰ অবাধ আহ-যাহ আছিল। ক্ষমতাৰ আলি-গলিত বহুতো এনে মহিলাৰ সেইসময়ত যথেষ্ট প্ৰভাৱ আছিল। ইয়াৰোপৰি বিকৃতকামীতা আৰু অন্যান্য যৌন বিকৃতি বোৰো কমা নাছিল। পেৰিচত বিশেষকৈ ছাত্ৰসকলৰ মাজত সমকামীতা বহুল ভাৱে প্ৰচলিত আছিল। পুৰণা ধর্ম আৰু নৈতিকতাৰ বান্ধোনৰপৰা মুক্ত হোৱাৰ পাছত ফ্ৰান্সত প্ৰাক্‌বিবাহ প্ৰণয় আৰু অবৈধ সন্তানৰ সংখ্যা বহুগুণে বাঢ়ি গৈছিল আৰু বহুলোকে বিশেষকৈ যুৱক-যুৱতী বিয়াবাৰু নকৰোৱাকৈয়ে সহবাস কৰিছিল আৰু সন্তান জন্ম দিছিল। এইবোৰ কাৰ্য্যৰ ফলত ফৰাচী সমাজৰ মূল ভেটি স্বৰূপ পৰিয়াল বোৰৰ বান্ধোন ঢিলা হৈ ভাঙি যাবলৈ আৰম্ভ কৰিছিল। সেয়ে ফৰাচী সমাজখনত নানান বিশৃঙ্খলতাই দেখা দিছিল।

যুৱক আৰু কিশোৰ সকলো মাক-দেউতাকৰ অবাধ্য হৈ উঠিবলৈ আৰম্ভ কৰিছিল। শাসন কৰাৰ চেষ্টা কৰিলে বহুতে বোলে "আমি সকলো সমান। আমাৰো ইচ্ছামতে কাম কৰাৰ অধিকাৰ আছে," এইবুলি উভতিহে ধৰা হ'ল। ৰক্ষণশীল পিতা মাতাৰ লগত বিপ্লৱী যুৱক আৰু কিশোৰ সকলৰ মতভেদ ঘটি মাজে সময়ে সি চৰম পৰ্য্যায়ো পাইছিলগৈ। বহুত ল'ৰা-ছোৱালী ঘৰ-দুৱাৰ এৰি আঁতৰি গৈছিল। এইবোৰ কাৰণৰ ফলত সমাজত যুৱক আৰু কিশোৰ অপৰাধীৰ সংখ্যা বাঢ়ি আহিছিল। কমবয়সীয়া ল'ৰা-ছোৱালী

বোৰৰ মাজত যৌন উত্তেজনামূলক অশ্লীল সাহিত্যবো খুব প্ৰচলন আছিল আৰু বদমাচ ব্যৱসায়ীসকলে নানা তৰহৰ অশ্লীল সাহিত্যৰে বজাৰ ভৰাই পেলাই-ছিল। এইবোৰ কাৰণতে বহু মাক-পিতাকে ল'ৰা-ছোৱালীক শিক্ষাৰ কাৰণে আকৌ যাজকসকলৰ ওচৰলৈ পঠিয়াবলৈ আৰম্ভ কৰিলে। সমাজত নৈতিকতাৰ এনে দৰে অৱনতি ঘটাত তেওঁলোকৰ বিপ্লৱৰ ওপৰত আস্থা কমি আহিবলৈ আৰম্ভ কৰিলে।

ভোটদানৰ অধিকাৰ নাথাকিলেও মহিলাসকলক বিপ্লৱে কিন্তু বহুখিনি আগ বঢ়াই আনিলে। ঘৰ-গৃহস্থালি খেতি-বাতিৰ কামতে আবদ্ধ নাথাকি তেওঁলোকে এতিয়া সামাজিক কামতো অংশগ্ৰহণ কৰিবলৈ আৰম্ভ কৰিলে। পেৰিচ মহানগৰীৰ বিপ্লৱৰ কাম-কাজ আৰু প্ৰদৰ্শন আদিত মহিলাসকলেও পুৰুষৰ সমানে সমানে অংশ গ্ৰহণ কৰিবলৈ আৰম্ভ কৰে। সমাজৰ বৈপ্লৱিক চিন্তা-চেতনাই নাৰীসকলৰ মুক্তি আৰু অগ্ৰগতিত বহু পৰিমাণে সহায় কৰে। সেই সময়ত পেৰিচত আনকি নাৰীসকলৰ বাবে এটা সুকীয়া ক্লাবঘৰ খোলাৰো যো-যা চলিছিল। মুঠতে সমাজত মহিলাসকলৰ সন্মান আগতকৈ বহুত বাঢ়িল। বিয়াবাৰুৰ ব্যৱস্থাও আইনৰ সহায়েৰে মুক্ত আৰু সহজসাধ্য কৰি তোলা হ'ল আৰু চিভিল বিয়াকহে একমাত্ৰ আইনগত স্বীকৃতি দিয়াৰ ব্যৱস্থা কৰা হ'ল। তাৰোপৰি বিবাহ বিচ্ছেদৰো আইনগত ব্যৱস্থা কৰা হ'ল। আৰু বিবাহ বিচ্ছেদৰ বাবে আবেদন কৰাৰ অধিকাৰ মহিলাসকলকো দিয়া হ'ল। ল'ৰা-ছোৱালীৰ বিয়াবাৰুৰ ক্ষেত্ৰতো এতিয়া দেউতাকৰ লগতে মাকৰ সন্মতিও প্ৰয়োজন হৈ পৰিল। ৰাজনীতিৰ ক্ষেত্ৰতো মহিলাসকলে আগভাগ ল'বলৈ আৰম্ভ কৰিলে। ভোটদানৰ অধিকাৰ নাথাকিলেও তেওঁলোকে নিজৰ দাবী সমূহ বিধান কৰিবলৈ পঠিয়াবলৈ সক্ষম হ'ল। বহু নাৰীয়ে সেই সময়ত সাহস আৰু প্ৰতিভাৰে ৰাজনীতিত গভীৰ প্ৰভাব পেলাবলৈ সক্ষম হৈছিল। ফ্ৰান্সৰ সন্ত্ৰাস আৰু হত্যাকাণ্ডৰ বাবে জগৰীয়া কৰি মাৰাক এগৰাকী মহিলাই হত্যা কৰিছিল। ঘৰৰ মানুহ বিপ্লৱৰ কামত বা যুঁজ-বাগৰ আদিলৈ যাব লগা হ'লে মহিলাসকলেই ঘৰ-গৃহস্থালিৰ উপৰিও ব্যৱসায় দোকান-পোহাৰ আদি চলাব লগা হয়। অৱশ্যে বিপ্লৱৰ আগৰপৰাই নাৰীসকলে এনে কাম-কাজ নকৰা নহয়। সাহিত্যৰ ক্ষেত্ৰতো নাৰীসকলে নাম কৰিবলৈ সক্ষম হৈছিল। অৱশ্যে সাধাৰণ মহিলাসকলৰ মাজত শিক্ষা-দীক্ষাৰ আৰু সাহিত্যচৰ্চাৰ বৰ বেছি প্ৰচলন নাছিল। এইবোৰ কাম-কাজৰ চৰ্চা আছিল অভিজাত আৰু

উচ্চ মধ্যবিত্ত সকলৰ মাজতহে। সু-সাহিত্যিকা মাডাম স্ত্যা ষ্টেল, মাডাম ৰলা আছিল এই শ্ৰেণীৰ মহিলাহে। তথাপিও পঢ়িব-জনা মহিলাসকলৰ মাজত কিতাপ-পত্ৰ বিশেষকৈ ক্লাচিক আৰু ৰোমাণ্টিক উপন্যাসবোৰৰ বৰ সমাদৰ আছিল।

ফৰাচী বিপ্লৱৰ সময়ত দেশৰ আইন-কানুন বোৰবো সম্পূৰ্ণ পৰিৱৰ্ত্তন হয়। ৰুচোৰ আইনৰ সংজ্ঞায়েই (দ্বাদশ অধ্যায) বিপ্লৱী নেতাসকলে মূলতে গ্ৰহণ কৰে। কিন্তু পাছলৈ প্ৰয়োজনৰ তাগিদত ইয়াৰ বহুত হীন-ডেটি নঘটাও নহয়। তথাপিও দেশৰ আইন-কানুনবোৰ সহজ আৰু যুক্তিপূৰ্ণ কৰি তোলা হ'ল আৰু আগৰ বৈষম্য আঁতৰাই আইনৰ চকুত সকলোকে সমান বুলি ঘোষণা কৰা হ'ল। বিপ্লৱৰ সেই সময়ছোৱাৰ ভিতৰতে বহুত নতুন নতুন আইন প্ৰণয়ন কৰা হ'ল। পুৰণা সমাজৰ সামাজিক বান্ধোন আৰু পৰম্পৰাবোৰ ভাঙি পেলোৱাৰ পাছত সমাজত শান্তি-শৃঙ্খলা ৰক্ষা কৰিবৰ বাবে এই আইন-কানুনবোৰৰ প্ৰয়োজন হৈছিল। এই সময়ত ক্ৰিমিনেল আইনবোৰৰ ক্ষেত্ৰত হোৱা পৰিৱৰ্ত্তনবোৰ অতি চকুত লগা আছিল। এতিয়া আগৰ গোপন বিচাৰ উঠি গ'ল। সকলো বিচাৰ মুকলিকৈ হোৱা হ'ল আৰু সাক্ষী-বাদীও লোৱা হ'ল মুকলিকৈ। শাৰীৰিক অত্যাচাৰ উৎপীড়ন বে-আইনী কৰি আটক আৰু কাৰাগাৰ ব্যৱস্থাৰো নানান সংস্কাৰ সাধন কৰা হ'ল। বিশেষকৈ সন্দেহবশতঃ আটক কৰা কিন্তু তেতিয়ালৈকে অপৰাধ প্ৰমাণিত নোহোৱা বন্দীসকলৰ ক্ষেত্ৰত বহুতো স্বাধীনতা আৰু সা-সুবিধা দিয়া হ'ল।

কিন্তু নতুন নতুন আইনবোৰ প্ৰণয়ন আৰু কাৰ্য্যকৰী হোৱাৰ লগে লগে সেইবোৰৰ ব্যাখ্যা অপব্যাখ্যা কৰা উকীলসকলৰো সামাজিক প্ৰতিপত্তি বাঢ়ি আহিল আৰু ক্ৰমান্বয়ে দেশৰ সকলো ৰাজনৈতিক আৰু সামাজিক ক্ষমতা তেওঁলোকে সহজে কৰায়ত্ব কৰি পেলালে। বিধায়কসকলো বেছিভাগেই হ'ল উকীল। এওঁলোকৰ কবলত পৰি আইনৰ মেৰপেঁচ সাধাৰণ মানুহৰ বাবে জটিলৰপৰা জটিলতৰ হৈ পৰিলগৈ আৰু সেযে আইনৰ সমান সুবিধাৰ পৰা স্বাভাৱিকতে সাধাৰণ মানুহ বঞ্চিত হ'ল। উকীলসকলৰ এনে প্ৰতিপত্তিৰ বিৰুদ্ধে সংসদত সাজে সময়ে সৰব হোৱাৰ উঠিবলৈ ধৰিলে আৰু সময়ে সময়ে তেওঁলোকক শাসনলৈ আনিবলৈ নানান কাৰ্য্য ব্যৱস্থাও ল'ব লগা হ'ল।

ফৰাচী বিপ্লৱত মানুহৰ আচাৰ-ব্যৱহাৰ পোচাক-পৰিচ্ছদবো বহুত সলনি হ'ল। অভিজাত সকলৰ বিলুপ্তিৰ লগে লগে তেওঁলোকৰ চিকচিকীয়া মিঠা

কথা-বাৰ্ত্তা, আদব-কায়দা, আচাৰ-বিচাৰৰ আজৱ সভ্যতাৰো ইতি পৰিল। বিপ্লৱীসকলে পুৰুষক নাগৰিক আৰু মহিলাক নাগৰিকা বুলি সম্বোধন কৰা আৰম্ভ কৰিলে। আগৰ মাডাম আৰু মচিয়েঁৰ প্ৰচলন উঠি গ'ল। পাছলৈ অৱশ্যে ন-ধনী বুৰ্জোৱা সকলে এইবোৰ আকৌ সমাজলৈ ঘূৰাই আনিলে।

সেইসময়ত সাধাৰণ মানুহে দীঘল পটলুং আৰু গৰম কাপোৰৰ চোলা পিন্ধিছিল। কিন্তু আঢ্যৱন্ত আৰু প্ৰতিপত্তিশালী লোকসকলে আগৰ অভিজাতসকলৰ অনুকৰণতেই সাজ-পাৰ কৰিছিল। পুৰুষসকলে তিনি-কোণীয়া টুপী, আঁঠুলৈকে পৰা ঠেঙা. বগা মোজা, কোট আৰু ডিঙিত মেকুৰা চিকুৰ স্কাৰ্ফ পিন্ধিছিল। মহিলা সকলে ব্লাউজ চেমিজ এৰি এবিধ দীঘল পোচাক পিন্ধিছিল যি তেওঁলোকৰ দেহ-শোভা অধিক আকৰ্ষণীয় কৰি তুলিছিল। শ্ৰমজীৱী জনসাধাৰণৰ পোচাক-পৰিচ্ছদ অৱশ্যে একেই আছিল।

বিপ্লৱৰ জীৱনযাত্ৰা আৰু কোলাহলৰ মাজতো মানুহৰ আমোদ-প্ৰমোদৰ কাম অব্যাহত ভাৱে আছিল। পেৰিচ নগৰৰ আমোদ কেন্দ্ৰবোৰত, ৰাজহুৱা উদ্যান বোৰত, বাটৰ কাষৰ কাফে আৰু ৰেষ্টুৰেণ্টবোৰত মানুহে আহি ভিৰ কৰিছিলহি। নাটক আৰু অপেৰাবোৰতো খুব ভিৰ। নানান ধৰণৰ অভিনয় আৰু অপেৰা চাই মানুহে আনন্দ লাভ কৰিছিল। বিপ্লৱ, যুদ্ধ, আনকি সন্ত্ৰাসৰ মাজতো এই নাট্যশালাবোৰলৈ মানুহ অহা কমা নাছিল। হাজাৰ হাজাৰ মানুহে ভলটেয়াৰ আৰু অন্যান্য বিখ্যাত নাট্যকাৰ সকলৰ নাটক সমূহৰ অভিনয় চাবলৈ আহিছিল। কমেডিতকৈ ট্ৰেজেদি নাটকৰ সমাদৰ আছিল অধিক। ফ্ৰচোৱা যোচেফ টালমা সেই সময়ৰ আটাইতকৈ জনপ্ৰিয় অভিনেতা। তেওঁ এজন অতি উচ্চস্তৰৰ শিল্পী। নিজা গৱেষণা আৰু অনুসন্ধিৎসাৰে তেওঁ পৌৰাণিক গ্ৰীচ আৰু ৰোমৰ সাজ-পাৰৰ অনুকৰণত নাটকৰ সাজ-পোচাক আৰু সাজ-সজ্জা আদিৰ প্ৰচলন কৰিছিল। টালমাই বিপ্লৱক সমৰ্থন জনাইছিল আৰু সম্ৰাটৰ সময়তে ৰাজকীয় নাট্যশালাৰ বিৰুদ্ধে বিদ্ৰোহ কৰি ওলাই আহি তেওঁ এটা স্বকীয়া নাট্যশালা প্ৰতিষ্ঠা কৰিছিল। নাটকক তেওঁ বিপ্লৱৰ বাহন হিচাপে লৈছিল।

ফৰাচী বিপ্লৱৰ সময়ত, বিশেষকৈ শেষৰ ফালে অভিনয়ৰ স্বাধীনতা কিন্তু নাছিল। সম্ৰাটৰ শাসন কালতে যি কণ স্বাধীনতা আছিল পাছলৈ বিপ্লৱী

চৰকাৰৰ চেঞ্চৰ ব্যৱস্থাৰ ফলত সিও নাইকিয়া হ'ল। বিপ্লৱী চৰকাৰে বিপ্লৱৰ আদৰ্শ আৰু লক্ষ্যবিৰোধী কোনো নাটককেই মঞ্চস্থ কৰিবলৈ নিদিছিল। প্ৰকৃতপক্ষে ফৰাচী নাট্যশালা বিপ্লৱী চৰকাৰৰ প্ৰচাৰ মাধ্যমত পৰিণত হৈছিলগৈ।

বিপ্লৱত কিন্তু অভিনেতাসকলৰ সামাজিক সন্মান বাঢ়িল। বিপ্লৱৰ আগতে এওঁলোকক সমাজে ভাল চকুৰে নাচাইছিল। যাজকসকলে আনকি তেওঁলোকক এঘৰীয়া কৰি ৰাখিছিল আৰু মৃত্যুৰ পাছতো তেওঁলোকৰ শ খৃষ্টান নিয়মমতে কবৰস্থানত সমাধিস্থ কৰিবলৈ নিদিছিল। বিপ্লৱে এনে অসমান ব্যৱস্থাৰ অন্ত পেলোৱাত অভিনেতা-অভিনেত্ৰী সকলে সমাজত সন্মান পাবলৈ ধৰিলে আৰু নানান সামাজিক কাম-কাজতো তেওঁলোকে অংশ ল'ব পৰা হ'ল। টালমা আৰু তেওঁৰ সতীৰ্থ সকলে প্ৰতিষ্ঠা কৰা 'থিয়েটৰ ফ্ৰান্সিচ' আজিও মহা পয়োভৰে জীয়াই আছে।

বিপ্লৱৰ বজ্ৰনাদৰ মাজত সঙ্গীতৰ মূৰ্চনাও জীয়াই আছিল। অকল জীয়াই থকাই নহয়, নতুন নতুন পৰীক্ষা-নিৰীক্ষা আৰু প্ৰয়োগৰে ফৰাচী সঙ্গীত অধিক পুষ্ট আৰু জনপ্ৰিয় হৈ উঠিল। বিপ্লৱী কনভেনশ্যনে নেশ্যনেল ইনষ্টিটিউত অব মিউজিক প্ৰতিষ্ঠা কৰি সঙ্গীতৰ বিকাশত পৃষ্ঠপোষকতা কৰিছিল।

চিত্ৰকলা কিন্তু বিপ্লৱৰ সময়ত অধিক পৰম্পৰাগতহে হৈ পৰিছিল। বিখ্যাত চিত্ৰকাৰ আৰু বিপ্লৱী সংসদৰ সদস্য জেকুচ লুই ডেভিছে চিত্ৰকলাত সেইসময়ত নতুনকৈ ক্লাচিক (নব্য ক্লাচিক) যুগৰ পুনৰ সূচনা কৰিলে। বিপ্লৱৰ ঐতিহ্যপূৰ্ণ মুহূৰ্ত্ত আৰু ঘটনাবোৰ তেওঁ পুৰণা গ্ৰীক আৰু ৰোমৰ চিত্ৰকলাৰ আহিত তুলিকাৰে অমৰ কৰি ধৰি ৰাখিলে। তেওঁৰ চিত্ৰকলাৰ মাজেৰে ফুটি উঠিল দেশপ্ৰেম আৰু বিপ্লৱৰ আদৰ্শ—তেওঁৰ চিত্ৰই যোগালে অনুপ্ৰেৰণা, দিলে সাহস। তেওঁৰ একক চেষ্টাতে সাহিত্য, দৰ্শন, ৰাজনীতি সকলো দিশতে ৰোমাণ্টিক যুগৰ সূচনা হ'লেও চিত্ৰশিল্পৰ ক্ষেত্ৰত পুনৰ ক্লাচিক আহি শক্তিমান হৈ প্ৰতিষ্ঠিত হৈ পৰিল।

বিজ্ঞান জগততো ন ন আৱিষ্কাৰে তোলপাৰ লগালে। সেইসময়ত বিশুদ্ধ বিজ্ঞানতকৈ ব্যাৱহাৰিক বা প্ৰায়োগিক বিজ্ঞানৰ চৰ্চা চলিছিল অধিক। দৰাচলতে যুদ্ধ বিগ্ৰহ, বিপ্লৱ আদিৰ সময়ত ব্যাৱহাৰিক বা প্ৰায়োগিক বিজ্ঞানৰ (Applied Science) প্ৰয়োজন হয় সৰ্বাধিক। সেয়ে এইসময়ত লেভই-

চিয়াৰে উন্নত খাৰ-বাৰুদৰ কৌশল আৱিষ্কাৰ কৰিলে। গম্পাৰ্ড মংগেষ্ট উন্নত বৰতোপ তৈয়াৰ কৰা আৰু তাম আৰু টিঙৰ নিষ্কাৰণৰ কৌশল বাহিৰ কৰিলে। বাৰ্থলেট আৰু লেভইচিয়াৰে লোহ আকৰৰ পৰা লো প্ৰস্তুত কৰা আৰু লোহাক তীখালৈ ৰূপান্তৰিত কৰা পদ্ধতি উলিয়ালে। অঙ্কশাস্ত্ৰ, জ্যামিতি আদিৰো বহুত মৌলিক আৱিষ্কাৰ হ'ল আৰু সেই সময়তে প্ৰৱৰ্ত্তন কৰা হ'ল আমি আজি ব্যৱহাৰ কৰা জোখমাখৰ মেট্ৰিক পদ্ধতি। জীৱ-বিজ্ঞানত লেমাৰ্কে তেখেতৰ বিখ্যাত উদ্ভিদবিদ্যা আৰু বংশানুক্ৰমিক বিদ্যাৰ সূত্ৰসমূহো এই সময়তে আৱিষ্কাৰ কৰিলে। জেভিয়াৰ বিথ্‌টে অণুবীক্ষণ যন্ত্ৰৰ উৎকৰ্ষ সাধন কৰি কোষ আৰু পেশীৰ ওপৰত বহুতো নতুন গৱেষণা আৰম্ভ কৰিলে। লাপ্লাচে সৌৰজগতৰ সৃষ্টিৰ সম্পৰ্কে নেবুলাৰ সূত্ৰ আৱিষ্কাৰ কৰি বিজ্ঞান জগতত সৃষ্টি কৰিলে বিৰাট আলোড়ণ।

চিকিৎসা বিদ্যা, বিশেষকৈ মানসিক ৰোগীসকলৰ চিকিৎসাৰ ক্ষেত্ৰত এইসময়তে এক যুগান্তকাৰী বিপ্লৱৰ সূচনা হৈছিল। তেতিয়ালৈকে মানসিক ৰোগগ্ৰস্ত ৰোগী সকলক অন্ধকাৰ কাৰাগাৰত বান্ধি ৰাখি চিকিৎসাৰ নামত তেওঁলোকৰ ওপৰত চলোৱা হৈছিল নানা তৰহৰ অত্যাচাৰ উৎপীডন। শাৰীৰিক উৎপীডনৰ দ্বাৰা মানসিক ৰোগ ভাল কৰিব পৰা যায় বুলি তেতিয়া বিশ্বাস কৰা হৈছিল। কিন্তু হিতে হৈছিল বিপৰীত।

ফিলিপ পিনেল বোলা চিকিৎসক এজনে কিন্তু সেই সময়ত অন্যমত পোষণ কৰিছিল (১৭৯৩)। আসুৰিক চিকিৎসা আৰু শাৰীৰিক উৎপীড়নৰ পৰিবৰ্ত্তে মৰম আৰু সহানুভূতিৰেহে মানসিক ৰোগীক ভাল কৰিব পৰা যায় বুলি তেওঁ বিশ্বাস কৰিছিল। ফিলিপ পিনেলে এনে এক যুগান্তকাৰী পৰিবৰ্ত্তনৰ অনুপ্ৰেৰণা হয়তো পাইছিল বিপ্লৱৰ ধ্বনিৰে ধ্বনিত কৰি ৰখা সামাজিক পৰিবেশৰ মাজত। "মই বিশ্বাস কৰোঁ যে স্বাধীনতা আৰু মুকলি বতাহ সেৱন কৰিবলৈ দিলে মানসিক ৰোগী সকল সুস্থ হৈ উঠিব।" যেতিয়া সুদীৰ্ঘ চল্লিছ বছৰ অন্ধকাৰ কাৰাগাৰত লোহাৰ শিকলিৰে বান্ধি ৰখা ৰোগী এজনক মুকলিকৈ দিয়া হ'ল, আকাশখন দেখি তেওঁ কৈ উঠিল "আঃ কি সুন্দৰ!" আন এজন দহবছৰ দিন বন্দী হৈ থকা ৰোগী এজন মুকলি কৰি দিয়াৰ পাছত সম্পূৰ্ণ সুস্থ হৈ পৰিল। তেওঁ পাছলৈ পিনেলৰ দেহৰক্ষী হৈছিল গৈ। পিনেলে তেওঁৰ নতুন ব্যৱস্থাৰ অভূতপূৰ্ব সাফল্যত উৎসাহিত হৈ এটাৰ পাছত এটাকৈ ফৰাচী মানসিক ৰোগীৰ কাৰাগাৰ সমূহৰ বন্দীবোৰ

মুকলি কৰি দিলে। তেওঁৰ মৰম আৰু সহানুভূতিতে বহুত পত্ত বুলি গণ্য হোৱা মানসিক ৰোগী সুস্থ হৈ পৰিল। তেতিয়া আধুনিক চিকিৎসা, দৰব-জাতি আৱিষ্কৃত হোৱাই নাই, কিন্তু পিনেলৰ চিকিৎসাই মানসিক চিকিৎসাৰ এক নতুন দিগন্তৰ দুৱাৰ মুকলি কৰিলে, এক বৈপ্লৱিক ব্যৱস্থা প্ৰৱৰ্ত্তন কৰিলে, যি ব্যৱস্থা আজিও মনোবিকাৰৰ চিকিৎসকসকলে শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰে পালন কৰে।

চিকিৎসা বিজ্ঞান, শল্য চিকিৎসা, ভেষজ বিজ্ঞান আদি বিষয়তো সেই সময়ছোৱাত বহু উন্নতি হয়। বিশেষকৈ মানুহৰ মন, অনুভূতি আদি বিষয়ৰ ওপৰত বহুতো মৌলিক সূত্ৰৰ উদ্ভাৱন কৰা হয়।

বিপ্লৱৰ সময়ত দাৰ্শনিকসকলো তৎপৰ আছিল। ভলটেয়াৰ আৰু ৰুচোৰ লেখনীয়ে এওঁলোকক কম-বেছি পৰিমাণে প্ৰভাৱিত কৰিছিল। দাৰ্শনিক নেতাস্বৰূপ সংসদী সদস্যসকল ঘাইকৈ এওঁলোকৰ দ্বাৰা অনুপ্ৰাণিত আছিল। স্বাধীনতাৰ চিন্তাধাৰা আৰু গণতন্ত্ৰৰ আদৰ্শ মানুহৰ মনত দকৈ শিপোৱাত এওঁলোকে প্ৰচুৰ সহায় কৰিছিল। কিন্তু বিপ্লৱে যেতিয়া স্বাধীনতা আৰু মতামত প্ৰকাশৰ অধিকাৰ ইথনৰ পাছত সিথন আইন প্ৰণয়নৰ জৰিয়তে বহুখিনি খৰ্ব কৰি পেলালে, তেতিয়া বহুত দাৰ্শনিকে নিৰ্ভয়ে ইয়াৰ প্ৰতিবাদ কৰিবলৈ ভয় কৰা নাছিল। আজিৰ দৰে নিৰ্লজ্জ চাতুকাৰৰো অভাৱ নাছিল যদিও সাহসী আদৰ্শবান ব্যক্তিও কম নাছিল।

এবী ৰিণাল আছিল এনে এজন সাহসী দাৰ্শনিক। যেতিয়া বিপ্লৱী চৰকাৰৰ দমন নীতি তীব্ৰ হৈ উঠিল, তেওঁ এখন চিঠি লিখি সংসদৰ সদস্য সকলক ক'লে যে বিপ্লৱী চৰকাৰৰ দমনেও স্বৈৰাচাৰী ৰজাৰ শোষণৰ দৰে ভয়াবহ ৰূপ ল'ব পাৰে। তেওঁ চৰকাৰে কোনো ধৰণৰ ধৰ্মমতকে চৰকাৰী অৰ্থ সাহায্যৰে পৃষ্ঠপোষকতা কৰাৰ বিৰোধিতা কৰিলে। সেই সময়ত কেথলিক ধৰ্মযাজকসকলক ৰাষ্ট্ৰৰ ফালৰপৰা বেতন দিয়াৰ প্ৰথা আছিল। তেওঁ সকলো ধৰ্মযাজককে নিজা ধৰ্মমত স্বাধীন ভাৱে প্ৰচাৰ কৰিবলৈ দিবলৈ আপীল জনালে। যি সময়ত ধৰ্মবিৰোধী সকলৰ গীৰ্জা আৰু যাজকসকলৰ বিৰুদ্ধে প্ৰচাৰ কৰাৰ স্বাধীনতা আছে, সেইসময়ত যাজকসকলৰো তেনে স্বাধীনতা থকাটো বাঞ্ছনীয়। ৰবচপিয়েৰৰ চেষ্টাত বৃদ্ধ দাৰ্শনিকজনক সংসদ আৰু চৰকাৰে গ্ৰেপ্তাৰ নকৰিলে যদিও তেওঁৰ সা-সম্পত্তি বাজেয়াপ্ত কৰা হ'ল।

এই কাৰ্যৰ পৰাই মতাদৰ্শগত বিৰোধী লোকসকলক কেনেদৰে দমন কৰা

হৈছিল ধৰিব পাৰি। এৰী ৰেণালতো ভাগ্যবানেই. বহুতে প্ৰাণো হেৰুৱাব লগাত পৰিছিল। সন্ত্ৰাসৰ সময়ততো বিপ্লৱৰ বা বিপ্লৱী নেতাসকলৰ বিৰোধী সকলৰ কোনো ধৰণৰ গণতান্ত্ৰিক অধিকাৰেই নাছিল।

সাহিত্যৰ ক্ষেত্ৰতো বিপ্লৱৰ সময়ছোৱাত এক নতুন যুগৰ সৃষ্টি হৈছিল। ক্লাচিক আৰু ট্ৰেজেদিৰ যুগ শেষ হৈ আৰম্ভ হৈছিল ৰোমাণ্টিক প্ৰেমৰ যুগ। দুগৰাকী মহিলা লেখিকাইয়ো সেই সময়ত তেওঁলোকৰ সুন্দৰ, দৰদী আৰু ক্ষুৰধাৰ লেখনীৰে সাহিত্য জগতত তোলপাৰ লগাইছিল। তেওঁলোক হ'ল মাডাম ৰলা আৰু মাডাম ড্য ষ্টেল। অৱশ্যে এই কথা ঠিক যে বিপ্লৱৰ সময়ছোৱাত ফ্ৰান্সত কোনো মহৎ সাহিত্যৰ সৃষ্টি হোৱা নাছিল। ৰোমাণ্টিক যুগ আৰম্ভ হৈছিল বিপ্লৱ ঘটাৰ আগতেই। বিপ্লৱৰ সময়ৰ বিপ্লৱী সাহিত্যই যুগজয়ী কোনো অবদান দি যাব নোৱাৰিলে। তথাপিও বিপ্লৱে সাহিত্যত এক ব্যাপক আৰু গভীৰ প্ৰভাৱ পেলাইছিল। মানুহৰ মন আৰু দৃষ্টিভঙ্গীৰ বহুল পৰিবৰ্ত্তন ঘটাইছিল। সেই সময়ত নতুন নতুন সাহিত্যিক অনুষ্ঠান. লেখক শিবিৰ আদি কিন্তু ফ্ৰান্সত গঢ়ি উঠিছিল। বিপ্লৱী কবিতাৰো বহুল প্ৰচাৰ হৈছিল। ফিলিপ ফ্ৰাচোৱা ফেবাৰ-দি-ইগাণ্টি আৰু আদ্ৰে মেৰী দি-চেনিয়াৰ সেই সময়ৰ উল্লেখযোগ্য বিপ্লৱী কবি। বিপ্লৱৰ সময়ত কিতাপ-পত্ৰ প্ৰকাশৰ ক্ষেত্ৰত কিন্তু বহুত উন্নতি হৈছিল। প্ৰকাশকসকলে ছপা আৰু প্ৰকাশৰ নতুন নতুন কৌশল উদ্ভাৱন কৰি শয়ে শয়ে কিতাপ-পত্ৰ ছপাইছিল। কিতাপৰ যথেষ্ট দাম হোৱা সত্ত্বেও মানুহে কিতাপ-পত্ৰ কিনি পঢ়িছিল। এই প্ৰকাশকসকলেই ফ্ৰান্সৰ সাহিত্য-সংস্কৃতিৰ বিপ্লৱৰ প্ৰধান বাহক আৰু পৰিবেশক হৈ পৰিছিল।

* * *

এইখিনিতে আমি ফৰাচী বিপ্লৱৰ সময়তনো ফ্ৰান্সৰ মানুহে কেনেদৰে. কি ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক পৰিবেশত বাস কৰিছিল. তাৰ কাহিনী শেষ কৰিলোঁ। থুলমূল ভাবে আমি বিপ্লৱী ফ্ৰান্সৰ জীৱন যাত্ৰাৰ কিছুমান গুৰুত্বপূৰ্ণ দিশৰ আভাস ললোঁ। ইমান বিৰাট এটা যুগৰ, যদিও সময় হিচাপে মাথোঁ কেইবছৰ মানহে, চমু পৰিচয় দিয়া অতি কষ্টসাধ্য কাম। সেয়ে এইখণ্ডত বহুতো দোষ-ত্ৰুটি ৰৈ যোৱাটো, বহুতো গুৰুত্বপূৰ্ণ কথা বাদ পৰি যোৱাটো স্বাভাৱিক। তাৰ বাবে ক্ষমা বিচৰা হ'ল। ফৰাচী জন-জীৱনৰ তথা পৃথিৱীৰ মানুহৰ ওপৰত বিপ্লৱৰ স্থায়ী প্ৰভাৱৰ বিষয়ে আমি পাছত আলোচনা কৰিম।

পঞ্চম খণ্ড

দ্বাবিংশ অধ্যায়

কনভেনশ্যনৰ নিৰ্বাচন আৰম্ভ হ'ল।

এইবাৰৰ নিৰ্বাচনত আগৰ সম্পত্তিভিত্তিক ভোটদানৰ ব্যৱস্থা ৰদ কৰি সকলো প্ৰাপ্তবয়স্ক লোককে ভোটৰ অধিকাৰ দিয়া হ'ল। ভোটাধিকাৰ কৰা হ'ল মুক্ত আৰু সাৰ্ব্বজনীন।

কিন্তু এইবাৰ নিৰ্বাচনত এটা নতুন পৰোক্ষ ব্যৱস্থা গ্ৰহণ কৰা হ'ল। জনসাধাৰণে ভোট দি কিছুমান প্ৰতিনিধি বাছিব আৰু তাৰ পাছত এই প্ৰতিনিধি সকলে লগ হৈ কনভেনশ্যনৰ বিধায়কসকলক নিৰ্বাচিত কৰিব। ইয়াৰ উপৰিও নিৰ্বাচন ব্যৱস্থাত আৰু বহুত খুঁত ৰৈ গ'ল। তাৰ ভিতৰত উল্লেখযোগ্য কেইটা হ'ল—

সকলো নাগৰিকে এইবাৰ প্ৰকাশ্য ভাৱে মৌখিক ভোটদান কৰিব লগা হ'ল। ইয়াৰ ফলত জনসাধাৰণে গোপনে, নিৰপেক্ষ ভাৱে ভোট দিবলৈ সক্ষম নহ'ল। ক্ষমতাশালী স্থানীয় নেতাসকলক বিতুষ্ট কৰিবলৈ তেওঁলোকে সাহস কৰিব নোৱাৰে কাৰণ সেই সময়ত দেশত যি অৱস্থা বিৰাজ কৰিছিল, তাত ধনমান-প্ৰাণ লৈ জীয়াই থাকিবলৈ হ'লে থলুৱা নেতাসকলক সন্তুষ্ট ৰখাটো আছিল বৰ প্ৰয়োজনীয়। এই ব্যৱস্থাৰ ফলত স্বাৰ্থসম্পন্ন জোঁট আৰু নেতাসকলে নিৰ্বাচনৰ ফলাফলৰ ওপৰত ভালকৈয়ে প্ৰভাৱ খটুৱাবলৈ সক্ষম হ'ল।

এই নিৰ্বাচনত মহিলা সকলৰ কোনো ভোট দানৰ অধিকাৰ নাছিল।

সন্ত্ৰাসৰ ভয় দেখুৱাই বিৰোধীসকলক, বিশেষকৈ ৰাজতন্ত্ৰীসকলক আৰু কেথলিক ধৰ্ম্মৰ বহুত লোকক ভোটদানৰপৰা বিৰত ৰখা হ'ল। সাত নিযুত ভোটদাতাৰ ভিতৰত মাথোঁ সাত লাখ লোকেহে ভোট দিছিল।

এইবোৰ দুৰ্নীতিৰ সুযোগ লৈ পেৰিচ আৰু আন কিছুমান অঞ্চলৰ

মণ্টাগনাৰ্ড সকলে তেওঁলোকৰ মনোনীত প্ৰাৰ্থী অতি সহজেই জিকাবলৈ সক্ষম হৈছিল। সেইদৰে ফ্ৰান্সৰ শিল্পউদ্যোগ গঢ়ি উঠা নগৰ সমূহত ধনী বুৰ্জোৱা জিৰনদিন সকলেও নিজা প্ৰাৰ্থী জিকাবলৈ সক্ষম হৈছিল।

প্ৰকৃতপক্ষে সমগ্ৰ নিৰ্বাচনটোৱেই এটা বিৰাট প্ৰহসনত পৰিণত হৈছিল।

এই নিৰ্বাচনত ফৰাচী বিপ্লৱৰ সমৰ্থক বুলি কেবাজনো বিদেশী নাগৰিকো নিৰ্বাচিত হৈছিল। তাৰ ভিতৰত প্ৰিষ্টলি, পাইন আদিয়েই প্ৰধান।

১৭৯২ চনৰ ২১ চেপ্টেম্বৰৰ দিনা টুয়েৰীৰ ৰাজপ্ৰাসাদত কনভেনশ্যনৰ প্ৰথম বৈঠক বহিল। বিধায়কসকল এজন এজনকৈ আহি উপস্থিত হ'লহি। দেখা গ'ল যে প্ৰায় সকলোৱেই উকীল আৰু প্ৰায় সকলোবোৰেই স্বচ্ছল মধ্যবিত্তৰ প্ৰতিনিধি। দুজনহে মাখোন তলৰ থাপৰ আৰু দুজনহে প্ৰকৃত শ্ৰমজীৱী মানুহৰ প্ৰতিনিধি। ঔদ্যোগিক আৰু বাণিজ্যপ্ৰধান অঞ্চলবোৰৰ পৰা এশ আশীজন জিৰণদিন প্ৰতিনিধি নিৰ্বাচিত হৈ আহিল। আৰু দেখা গ'ল যে নতুন সংসদতো আগভাগ লৈ তেওঁলোকেই আকৌ প্ৰকৃত নেতৃত্ব দখল কৰিলেহি। এই সময়ত বিদেশী আক্ৰমণ প্ৰতিহত কৰিব পৰাত জিৰণদিন সকল আকৌ প্ৰভাৱশালী হৈ উঠিছে। ফৰাচী সেনাই ইতিমধ্যে চাৰ্দিনি।াৰ পৰা চেভয় অঞ্চল, নীচ নগৰী, আৰু জাৰ্মানিৰপৰা ফ্ৰেঙ্কফ়ুট আৰু অন্যান্য অঞ্চল জয় কৰিছে। বেলজিয়াম ৰাজ্য আৰু বিৰাট এণ্টৱাৰ্প পোতাশ্ৰয় অষ্ট্ৰিয়াৰপৰা দখল কৰি লৈছে। আৰু অধিকৃত এলাকাবোৰৰপৰা সামন্তবাদ আৰু জমিদাৰ সকলৰ উচ্ছেদ আৰম্ভ কৰিছে। সেয়ে জিৰণদিনসকলে এতিয়া হাতত সুযোগ থাকোঁতেই তেওঁলোকৰ স্বাৰ্থৰ সুবিধাৰ বাবে বহুত কাম কৰাই ল'লে। নতুন নতুন আইনৰ জৰিয়তে সম্পত্তিৰ অধিকাৰ সাব্যস্ত কৰি মুক্ত অৰ্থনীতিৰ সূচনা ঘটালে। দেশত্যাগী অভিজাত আৰু যাজক সকলৰ বিৰুদ্ধে থকা কঠোৰ আইন-কানুন বোৰো বহুত শিথিল কৰাই ল'লে। এইদৰে নিজৰ স্বাৰ্থ নিগাজী কৰি লোৱাৰ পাছত তেওঁলোকে এইবাৰ মণ্টাগনাৰ্ড আৰু নিৰপেক্ষ প্ৰতিনিধিসকলৰ লগত এটা বুজাবুজিলৈ আহি সহযোগিতা কৰিবলৈ চেষ্টা চলালে। এনে সহযোগিতাৰ জৰিয়তে তেওঁলোকে নিজৰ প্ৰভাৱ আৰু প্ৰতিপত্তি বঢ়াব পৰা যাব বুলি আশা কৰিছিল।

এনে সহযোগিতাৰ প্ৰথম পদক্ষেপৰ ফল স্বৰূপে ফ্ৰান্সত বুৰ্বঁ বংশৰ শাসন শেষ কৰি ফ্ৰান্সক এখন প্ৰজাতন্ত্ৰী ৰাষ্ট্ৰ বা ৰিপাব্লিক বুলি ঘোষণা কৰা হ'ল। দেশৰ পৰিৱৰ্তিত পৰিস্থিতিলৈ চাই জিৰণদিন সকলে এতিয়া সাংবিধানিক

ৰাজ্যতন্ত্ৰৰ আদৰ্শ দলিয়াই পেলালে। প্ৰতিষ্ঠা হ'ল 'প্ৰথম ফৰাচী ৰিপাব্লিক'। সেইদিনা আছিল ১৭৯২ চনৰ ২২ চেপ্টেম্বৰ।

নতুন ৰিপাব্লিক জিৰণদিন সকলৰ নেতৃত্বত ব্যক্তিগত সম্পত্তিৰ ৰক্ষণাবেক্ষণ দি মুক্ত অৰ্থনীতিৰ প্ৰতিষ্ঠা কৰি, ধনতান্ত্ৰিক অৰ্থব্যৱস্থাৰ আধুনিক অধ্যায়ৰ আৰম্ভণি কৰা হ'ল। কিন্তু ইয়াৰ বিনিময়ত মণ্টাগনাৰ্ড আৰু উগ্ৰপন্থী-সকলক সৈমান কৰিবলৈ গীৰ্জা আৰু যাজকসকলৰ বিৰুদ্ধে চলোৱা সংগ্ৰামত জিৰণদিন নেতাসকলে সমৰ্থন দিবলৈ বাধ্য হ'ল। যদিও নতুন ৰিপাব্লিকৰ নেতৃত্ব জিৰণদিনসকলেই কৰায়ত্ব কৰিবলৈ সক্ষম হ'ল কিন্তু প্ৰকৃততে ৰিপাব্লিক ঘোষণাৰ লগে লগেই তেওঁলোকৰ পতন দ্ৰুতগতিত আৰম্ভ হৈছিল। ইয়াৰ আগৰপৰাই—সম্ৰাটক বন্দী কৰা সময়ৰপৰাই তেওঁলোকৰ শক্তি অলপে কমি আহিবলৈ আৰম্ভ কৰিছিল। এতিয়া প্ৰজাতন্ত্ৰী ভাবাদৰ্শ যিমানেই শক্তিশালী হৈ আহিবলৈ ধৰিলে, বন্দী ৰজাৰ বিচাৰ আৰু শাস্তিৰ বাবে যিমানেই জনমত গঢ়ি উঠিল, সিমানেই মণ্টাগনাৰ্ডসকলৰ শক্তি বাঢ়ি আহিল।

কনভেনশ্যনৰ অধিবেশনবোৰ সেইসময়ত নানান আলোচনা আৰু বিৰ্তকৰে তোলপাৰ হৈ আছিল। দেশৰ সমস্যাসমূহ লৈ হোৱা বিতৰ্কবোৰত এটা গোটে আনটো গোটৰ ওপৰত তুমুল আক্ৰমণ চলাইছিল। আচলতে এই আক্ৰমণবোৰৰ জৰিয়তে প্ৰতিটো গোটে বিৰোধী সকলক শলঠেকত পেলাই নিজৰ প্ৰতিপত্তি বঢ়াবলৈ যত্ন কৰিছিল। সংসদীয় বক্তৃতাত পটু জিৰণদিন সকলেই এই আক্ৰমণবোৰত সাধাৰণতে আগ ভাগ লৈছিল। মণ্টাগনাৰ্ড নেতাসকলক এজন এজনকৈ আক্ৰমণ কৰি তেওঁলোকক লোকচক্ষুত হেয় প্ৰতিপন্ন কৰিবলৈ তেওঁলোকে চেষ্টা কৰিলে। ক্ষমতাৰ ৰাজনীতিৰ লেতেৰা দিশটো এইবাৰ প্ৰকট হৈ পৰিল। এনে প্ৰথম আক্ৰমণ চলিল দাঁ-তঁৰ ওপৰত। আয়তকৈ বহুত বেছি ব্যয় কৰি দুৰ্নীতিপূৰ্ণ বিলাস-বহুল জীৱন যাপন কৰা বুলি তেওঁৰ ওপৰত অভিযোগ অনা হ'ল। দাঁ-তঁই তেওঁৰ বিৰাট সা-সম্পত্তি কেনেকৈ গোটালে সেই বিষয়ে কোনো সদুত্তৰ দিব নোৱাৰিলে। ফলত পেৰিচৰ জনসাধাৰণৰ মাজত তেওঁৰ অসামান্য জন-প্ৰিয়তা থকা সত্ত্বেও তেওঁৰ প্ৰভাৱ কমি আহিবলৈ ধৰিলে। জিৰণদিন সকলৰ উদ্দেশ্য সফল হ'বলৈ ধৰিলে। দাঁ-তঁই জিৰণদিন আৰু মণ্টাগনাৰ্ড সকলৰ মাজত এটা বুজাপৰা কৰিবলৈ খুব চেষ্টা কৰিছিল। তেওঁ বহু পৰিমাণে সফলো হৈছিল।

প্ৰকৃততে প্ৰথম ফৰাচী ৰিপাব্লিক প্ৰতিষ্ঠাৰ পাছত মুক্ত অৰ্থনীতি আৰু সম্পত্তিৰ অধিকাৰ সাব্যস্ত কৰা আদি কামবোৰ এই বুৰ্জোৱাৰ কাৰণেহে হৈছিল। কিন্তু এতিয়া বাৰে বাৰে তেওঁৰ ওপৰত আক্ৰমণ চলাত তেওঁ এনে আপোচৰ প্ৰচেষ্টা বাদ দিলে আৰু ক্ৰমান্বয়ে ৰবচপিয়েৰ আৰু উগ্ৰপন্থী সকলক সমৰ্থন কৰিবলৈ আৰম্ভ কৰিলে।

জিৰণদিনসকলে ভাবিছিল যে দাঁ-তঁৰ ক্ষমতা কমাব পাৰিলে তেওঁলোক আৰু শক্তিশালী হ'ব। কিন্তু তেওঁলোকৰ এই উদ্দেশ্য সফল নহ'ল। তেওঁলোকৰ আক্ৰমণে প্ৰকৃততে তিনিজন শক্তিশালী ৰেডিকেল নেতাক একগোট হোৱাত সহায়হে কৰিলে। তেওঁলোক হ'ল দাঁ-তঁ, ৰবচপিয়েৰ আৰু মাৰা। যদিও ইজনে সিজনক ভাল নাপাইছিল আৰু বিশ্বাসো নকৰিছিল তথাপিও ৰাজনৈতিক কাৰণবশতঃ এতিয়া তেওঁলোক একগোট হৈ পৰিল। তিনিও জনৰ চৰিত্ৰও আছিল বেলেগ বেলেগ। দাঁ-তঁ প্ৰকৃততে আছিল সুবিধাবাদী নেতা। তেওঁ নিজৰ কাৰ্য্য সিদ্ধিৰ বাবে সকলো ধৰণৰ কৌশল, সকলো সুযোগ ব্যৱহাৰ কৰিছিল। আনকি বিৰোধী সকলকো তেওঁ ভেটি দিবলৈ পাছ নোহোঁহো কিছিল। আনহাতে ৰবচপিয়েৰ আছিল অতি দৃঢ়মনা দুনীতিমুক্ত চৰিত্ৰৰ নেতা যি প্ৰকৃততে মণ্টাগনাৰ্ড সকল আৰু নিম্ন মধ্যবিত্তৰ স্বাৰ্থৰ হকে কাম কৰিছিল। জনকল্যাণমুখী আদৰ্শ আৰু জনদৰদী মন থাকিলেও সাধাৰণ জনতাক তেওঁ খুব কমেই বিশ্বাস কৰিছিল। মাৰা আছিল প্ৰকৃততে সাধাৰণ সৰ্ব্বহাৰা মানুহৰ প্ৰতিনিধি। তেওঁ সদায় তেওঁৰ উগ্ৰ লেখনী আৰু বক্তৃতাৰে সৰ্ব্বহাৰাসকলৰ হৈ মাত মাতিছিল আৰু সেয়ে পেৰিচৰ সাধাৰণ জনতাৰ মাজত তেওঁৰ অসামান্য জনপ্ৰিয়তা আছিল।

জিৰণদিন নেতাসকলে কনভেনশ্যনত মাৰাৰ ৰাজনৈতিক মতাদৰ্শৰ ওপৰত তীব্ৰ আক্ৰমণ চলাইছিল। মাৰাই একনায়কত্ববাদৰ কথা কৈ নতুন প্ৰজাতন্ত্ৰক দুৰ্ব্বল কৰি তুলিবলৈ ষড়যন্ত্ৰ কৰিছে বুলি তেওঁলোকে মাৰাক জগৰীয়া কৰিলে। মাৰাইও জিৰণদিন নেতাসকলক ধনী বুৰ্জোৱাসকলৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ গৈ জনসাধাৰণৰ স্বাৰ্থক বলি দিয়া বুলি অভিযুক্ত কৰিলে। জিৰণদিন নেতাসকলে এইবাৰ মাৰাক গ্ৰেপ্তাৰ কৰা উচিত বুলি দাবী তুলিলে। তাকে দেখি খঙত একোনাই হৈ মাৰাই তেনে প্ৰস্তাৱ উঠিলেই তেওঁ কনভেনশ্যনৰ ভিতৰতেই গুলী কৰি নিজৰ জীৱন অৱসান ঘটাব বুলি

পিষ্টল উলিয়াই ল'লে। ইয়াৰ পাছত কোনেও মাৰাৰ শাস্তিৰ বিষয়ে একো শুলিয়ালে। পেৰিচৰ সাধাৰণ মানুহৰ মাজত বিৰাট জনপ্ৰিয় মাৰাৰ বিৰুদ্ধে কোনো ব্যৱস্থা ল'বলৈ তেওঁলোকৰ সাহসে নুকুলালে। জিৰণদিন নেতাসকলে মাৰাক ভয় আৰু অবিশ্বাস কৰিছিল আৰু মাৰা, দাঁ-তঁ আৰু ৰবচপিয়েৰৰ এই ত্ৰি-মূৰ্ত্তিক আক্ৰমণ কৰিবলৈ আৰু গৰিহণা দিবলৈ সুবিধা এৰা নাছিল।

এই আক্ৰমণৰ মাজেদিয়েই জিৰণদিন আৰু মণ্টাগনাৰ্ডসকলৰ, ধনী বুৰ্জোৱা শ্ৰেণীৰ আৰু নিম্ন মধ্যবিত্ত সকলৰ সংঘৰ্ষৰ দানা বান্ধি উঠিছিল। যদিওবা প্ৰথম ৰিপাব্লিক প্ৰতিষ্ঠাৰ পাছত জিৰণদিন আৰু মণ্টাগনাৰ্ড সকলৰ মাজত কিছু সহযোগিতা আৰু ঐক্য গঢ়ি উঠিছিল, সি কিন্তু বেছিদিন স্থায়ী নহ'ল। ৰাজনৈতিক কাৰণত শীঘ্ৰেই তেওঁলোকৰ মাজত মতবিৰোধ আৰু সংঘৰ্ষ আৰম্ভ হ'ল। অৱশ্যে এই সংঘৰ্ষৰ এটা সামাজিক শ্ৰেণী চৰিত্ৰও আছিল। জিৰণদিনসকল ব্যক্তিগত সম্পত্তি আৰু মুক্ত অৰ্থনীতিৰ সপক্ষে আছিল। তেওঁলোকে সাধাৰণ শ্ৰেণীয়ে সা-সম্পত্তি আৰু ব্যৱসায়-বাণিজ্যৰ লাভৰ ওপৰত কৰ লগাব খোজা আৰু নিত্যব্যৱহাৰ্য্য বিতৰণৰ ওপৰত ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণ ব্যৱস্থা লগোৱাত বাধা দিছিল। সমাজৰ ওপৰ চাম ধনী বুৰ্জোৱাৰ প্ৰতিনিধি জিৰণদিনসকল স্বাভাৱিকতে জনসাধাৰণৰপৰা দূৰত আছিল। তেওঁলোকে চৰকাৰ আৰু প্ৰশাসনিক ক্ষমতা সম্পত্তিশালী লোকসকলৰ মাজত সীমাবদ্ধ কৰি ৰাখিব বিচাৰিছিল। তেওঁলোকৰ নেতা বৃচটে সমাজৰ শান্তি শৃঙ্খলা ভাঙি, সা-সম্পত্তিৰ ওপৰত কৰ লগাই, বস্তুৰ দৰ-দাম নিয়ন্ত্ৰণ কৰি দেশখন ধ্বংস কৰিব খোজা বুলি মণ্টাগনাৰ্ডসকলক জগৰীয়া কৰিলে। মণ্টাগনাৰ্ড সকলৰ নেতা ৰবচপিয়েৰেও তেওঁক 'ভুৱা দেশপ্ৰেমিক' বুলি আক্ৰমণ কৰিলে আৰু কেৱলমাত্ৰ ধনী সকলৰ স্বাৰ্থৰক্ষাৰ বাবে তৎপৰ জিৰণদিন সকলৰ বাবেই দেশৰ সাধাৰণ জনতাৰ দুখ-দুৰ্দ্দশাৰ অন্ত পৰা নাই বুলি অভিযোগ কৰিলে। খাদ্যবস্তুৰ চৰাদাম, মুদ্ৰাস্ফীতি, বিতৰণ ব্যৱস্থাৰ গোলমাল আৰু প্ৰশাসনিক দুনীতিৰ বাবে তেওঁ জিৰণদিনসকলকে জগৰীয়া কৰিলে। সাধাৰণ মানুহৰ পক্ষ লৈ তেওঁ ক'লে, "মানুহৰ মূল আৰু প্ৰধান অধিকাৰ কি ? সি হ'ল জীয়াই থকাৰ অধিকাৰ। গতিকে যি ব্যৱস্থাই সমাজৰ প্ৰতিজন ব্যক্তিকে জীয়াই থকাৰ অধিকাৰ দিয়ে সিয়েই মূল সামাজিক ব্যৱস্থা। বাকী সকলোবোৰ কথা এই ব্যৱস্থাৰ অধীন।"

নিজা স্বাৰ্থৰ তাড়নাত আৰু দেশৰ যুদ্ধঘন পৰিস্থিতিৰ প্ৰয়োজনত মণ্টাগনার্ড সকলে এইবাৰ দেশৰ সাধাৰণ জনতাৰ লগত তেওঁলোকৰ মিত্তিবালি সুদৃঢ় কৰি তোলাৰ প্ৰয়োজন ভালদৰে অনুভৱ কৰিলে। জিৰণদিনসকলক পৰাজিত কৰি ক্ষমতা আহৰণৰ বাবে এই মিত্তিবালিৰ দৰকাৰ। কিন্তু দেশৰ পৰিবৰ্ত্তিত পৰিস্থিতিত এই দুটা গোটৰ মাজত ঐক্যৰ বাবে এটা উমৈহতীয়া বস্তুৰ বা ব্যৱস্থাৰ প্ৰয়োজন যি দুইটা শ্ৰেণীক জিৰণদিনসকলৰ বিৰুদ্ধে একত্ৰিত কৰিব পাৰিব। অৱশেষত উপায় ওলাল। সি হ'ল সম্ৰাটৰ বিচাৰ আৰু শাস্তিৰ দাবী। এই দাবীৰ সহায়ত এই দুটা শ্ৰেণী এইবাৰ একেলগ হ'বলৈ আৰম্ভ কৰিলে। আৰু জিৰণদিনসকলৰ লগত লগা সংঘাতো আপোচহীন পৰ্য্যায় পালেগৈ। এই বিষয়ে আমি পাছত পাই যাম।

আনফালে ফ্ৰান্স তথা ইউৰোপত কনভেনশ্বনৰ কাম-কাজে প্ৰবল তোলপাৰ লগাইছে। নতুন নতুন যুদ্ধত জিকি শক্তিশালী হৈ উঠা বিপ্লৱী ফ্ৰান্সৰ কনভেনশ্বনে ১৭৯২ চনৰ ১৫ ডিচেম্বৰৰ দিনা বিখ্যাত 'এডিক্ট অৱ ফ্ৰেটানিটি' বা 'বন্ধুত্বৰ ঘোষণাপত্ৰ' জাৰি কৰিলে। ইয়াত দুটা খুব গুৰুত্বপূৰ্ণ কথা ঘোষণা কৰা হ'ল।

প্ৰথমটো হ'ল ফ্ৰান্সৰ চাৰিসীমা স্বাভাৱিক ভৌগোলিক সীমালৈকে অৰ্থাৎ উত্তৰ পূবে ৰাইন নদী, দক্ষিণ পূবে আল্পচ পৰ্বতমালা, দক্ষিণে পাইৰিনিজ পৰ্বত আৰু আনফালে সমুদ্ৰলৈকে সম্প্ৰসাৰণ কৰাৰ সিদ্ধান্ত। দ্বিতীয়তে, ফ্ৰান্সৰ চুবুৰীয়া ৰাজ্যসমূহৰ জনসাধাৰণক তেওঁলোকৰ দেশৰ সামন্তবাদী শোষণ, বঞ্চনা আৰু পৰাধীনতাৰ বান্ধোন দলিয়াই পেলোৱাত সাহায্য দিবলৈ স্থিৰ কৰা হ'ল। "এই মুহূৰ্ত্তৰপৰা ফৰাচী ৰাষ্ট্ৰই সহযোগী আৰু বন্ধুভাৱ সম্পন্ন সকলো এলাকাৰ জনতাৰ স্বাধীনতা আৰু সাৰ্ব্বভৌমত্বৰ অধিকাৰ ঘোষণা কৰিছে। তোমালোকক শাসন আৰু শোষণ কৰা সকলো সামৰিক বা অ-সামৰিক চৰকাৰৰ শোষণৰ অৱসানৰ, তোমালোকৰ ওপৰত জাপি দিয়া সকলোবোৰ অন্যায় কৰ-কাটল আৰু সামন্তবাদী শোষণৰ অৱসানৰ ঘোষণা কৰিছে। তোমালোকৰ সমাজত অভিজাত আৰু যাজকসকলৰ সকলো অন্যায়, আৰু মানুহৰ সমতাৰ বাটত হেঙাৰ স্বৰূপ সকলো বিশেষ সা-সুবিধাৰ অন্ত পেলোৱাৰ কথা ঘোষণা কৰিছে। আমি সকলোৱে এই মুহূৰ্ত্তৰ পৰা ভ্ৰাতৃ আৰু বন্ধু, আমি সকলোৱে সম অধিকাৰ সম্পন্ন স্বাধীন নাগৰিক। আৰু সেয়ে সকলোকে নিজ নিজ দেশত শাসন আৰু জনকল্যাণমূলক কামৰ বাবে

আৰু নিজ নিজ দেশৰ প্ৰতিৰক্ষাৰ বাবে সাজু হ'বলৈ আহ্বান জনোৱা হ'ল।"

কিন্তু এই বন্ধুত্বৰ ঘোষণাপত্ৰই নতুন ফৰাচী ৰিপাব্লিকলৈ এবোজা নতুন সমস্যাৰ ভাৰ কঢ়িয়াই আনিলে। ইউৰোপৰ ৰাজন্যবৰ্গই এই কাৰ্য্য তেওঁলোকৰ শাসন আৰু অস্তিত্বৰ প্ৰতি এক বিৰাট প্ৰত্যাহ্বান বুলি গণ্য কৰিলে। আনফালে ফৰাচী সেনা বাহিনীয়ে স্বাধীন কৰা দেশবোৰতো নানা অশান্তিয়ে দেখা দিছে। এই দেশবোৰত সামন্তবাদ উচ্ছেদ কৰাত ৰাইজে ভাল পাইছে যদিও ফৰাচী সেনাবাহিনীয়ে নিজৰ বাবে কৰ-কাটল তোলাত তেওঁলোক ক্ষুন্ন হৈ উঠিছে। তাৰোপৰি ৰাইন নদীৰ জলপথ সকলোৰে বাবে মুকলি কৰি দিয়াৰ কথা ঘোষণা কৰাত ডেনমাৰ্ক জ্বলি উঠিছে, কাৰণ আগৰ চুক্তিমতে ৰাইন নদীত বেপাৰ-বাণিজ্য কৰাত তেওঁলোকৰ একচেটিয়া অধিকাৰ আছিল। ইংলেণ্ডেও ৰাইন নদীৰ ওপৰত ফৰাচী আধিপত্য ভাল পোৱা নাই কাৰণ মধ্য ইউৰোপৰ লগত ইউৰোপৰ একমাত্ৰ বেহা-বেপাৰৰ পথ হ'ল এই নদী। সাতে সোতৰে নতুন ফৰাচী ৰিপাব্লিকৰ বিৰুদ্ধে ইউৰোপৰ ৰাজন্য বৰ্গৰ জোঁট বন্ধা কাম আৰম্ভ হবলৈ ধৰিলে। আৰম্ভ হ'ল ফ'ৰ্ষ্ট কোৱালিশ্যনৰ।

ইতিমধ্যে ফ্ৰান্সত সম্ৰাটৰ বিচাৰৰ বাবে দাবী জোৰদাৰ হৈ পৰিছে। উগ্ৰপন্থী আৰু প্ৰজাতন্ত্ৰী সকলে সম্ৰাটৰ বিচাৰৰ বাবে প্ৰথমতে দাবী তুলিলে আৰু পেৰিচৰ সাধাৰণ জনতাই এই কাৰ্যত জনালে বিপুল সমৰ্থন। পেৰিচৰ কমিউন আৰু চেকচনবোৰৰপৰা দাবী, চৰমপত্ৰ, অনুৰোধ অবাৰিত গতিত আহিবলৈ ধৰিলে। ঠায়ে ঠায়ে জনতাই বিক্ষোভ প্ৰদৰ্শন কৰিলে, শোভাযাত্ৰাও ওলাল। মণ্টাগনাৰ্ডসকলে এই কাৰ্যৰ নেতৃত্ব ল'বলৈ আগ বাঢ়ি আহিল আৰু ইয়াৰ ফলত জিৰণদিনসকলৰ লগত তেওঁলোকৰ মতবিৰোধ চূড়ান্ত পৰ্য্যায় পালেগৈ।

জিৰণদিন নেতাসকলে জানিছিল যে সম্ৰাটক যদি বিচাৰ কৰা হয়, তেনেহ'লে যিবোৰ সাক্ষী, প্ৰমাণ, দলিল পত্ৰ আছে, তাৰপৰা অতি সহজেই সম্ৰাট দোষী বুলি প্ৰমাণিত হ'ব। আৰু তেতিয়া হয়তো তেওঁক শাস্তি, আনকি মৃত্যুদণ্ডও বিহা হ'ব পাৰে। ইয়াৰ ফলত ইউৰোপৰ ৰাজন্য বৰ্গৰ লগত যে ফ্ৰান্সৰ যুদ্ধ হ'ব সি ধুৰুপ। তেওঁলোকে এতিয়া যুদ্ধ নিবিচাৰে কাৰণ এই যুদ্ধত তেওঁলোকৰ স্বাৰ্থৰেই ক্ষতি হ'ব আটাইতকৈ বেছি। সেয়ে তেওঁলোকে নানান কৌশলেৰে এই বিচাৰ পিছুৱাবলৈ যত্ন কৰিলে।

কিন্তু এনেতে সম্ৰাটৰ শোৱনী কোঠাত এটা গুপ্ত বাকচ আবিষ্কৃত হ'ল। এই বাকচটোত সম্ৰাটে বিদেশী ৰাজন্যবৰ্গলৈ সহায় বিচাৰি লিখা বহুত চিঠি আৰু দেশৰ বহুত ক্ষমতাশালী নেতা যেনে লাফায়েট, মিৰাবিউ আদিৰ লগত বিপ্লৱক পৰাস্ত কৰিবলৈ কৰা বহুত গোপন ষড়যন্ত্ৰৰ সম্ভেদ ওলাই পৰিল। লগে লগে সম্ৰাটৰ বিচাৰৰ দাবী আৰু জোৰদাৰ হৈ পৰিল। পেৰিচ কমিউনৰ নেতা সকলে বিচাৰৰ বাবে খুব জোৰ দিবলৈ ধৰিলে। দাঁ-তঁ আৰু ৰবচপিয়েৰে তেওঁলোকক সমৰ্থন জনালে। মাৰাইতো আগৰেপৰা সম্ৰাটক মুকলি ভাৱে বিচাৰ কৰি শাস্তি দিব লাগে বুলি চিঞৰিয়েই আছে। ফলত বিচাৰ আৰম্ভ হ'ল।

২৬ ডিচেম্বৰৰ দিনা কনভেনশ্যনৰ পূৰ্ণাঙ্গ বৈঠকৰ আগত সম্ৰাটৰ বিচাৰ হ'ল। বিচাৰত সম্ৰাটে গুপ্ত পেৰাটোত পোৱা কাকত-পত্ৰ বোৰৰ বিষয়ে একো নাজানো বুলি ক'লে আৰু ৰিপাব্লিক তথা বিপ্লৱৰ বিৰুদ্ধে কোনো ধৰণৰ ষড়যন্ত্ৰ কৰাৰ কথা অস্বীকাৰ কৰিলে। অৱশ্যে সম্ৰাটৰ কথাই প্ৰতিনিধিসকলৰ মনত প্ৰত্যয় জন্মাবলৈ সক্ষম নহ'ল। তেওঁলোকে সম্ৰাটক বিশ্বাস নকৰিলে। সম্ৰাটৰ হকে ওকালতি কৰা আইনজ্ঞ চাৰ্ঠিয়েন ড্য মালি-চাৰিয়ে কনভেনশ্যনৰ আগত এই বিচাৰৰ বৈধতা সম্পৰ্কে প্ৰশ্ন তুলিলে। তেওঁ ক'লে যে নিৰ্বাচিত সংসদৰ সম্ৰাটক বিচাৰ কৰাৰ কোনো আইনগত বা সাংবিধানিক অধিকাৰ নাই। সম্ৰাটৰ মহানুভৱতা আৰু সহনশীলতাৰ প্ৰশংসা কৰি তেওঁ ক'লে, "ষ্টেট্‌চ জেনেৰেল আহ্বান কৰি সম্ৰাটেই প্ৰথমে ফ্ৰান্সত বিপ্লৱৰ সূচনা কৰা নাছিল জানো? তেনেজন সম্ৰাটে বিপ্লৱ আৰু দেশৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰাৰ কথা ভাবিব পাৰি জানো?" সম্ৰাটে কিন্তু এই বিচাৰৰ সম্ভাব্য পৰিণতিৰ বিষয়ে আগতেই জানিব পাৰিছিল। সেয়ে তেওঁ উকীলক কৈছিল, "তোমালোকৰ ত্যাগৰ তুলনা নাই। তোমালোকে মোৰ জীৱনটো বচাব নোৱাৰাই কিন্তু তথাপিও মোৰ বাবে নিজৰ জীৱন বিপন্ন কৰিছা।"

জিৰণদিন নেতা সকলে সম্ৰাটৰ সপক্ষে ভোট গোটাবলৈ তলে তলে চেষ্টা কৰিবলৈ ধৰিলে। বিদেশী ৰজাসকলেও তেওঁলোকক অৰ্থ সাহায্য দি সহায় কৰিবলৈ ধৰিলে। ভাৰ-ভেটি দি সম্ৰাটৰ সপক্ষে ভোট কিনাৰ এই প্ৰচেষ্টা অৱশ্যে ফলবতী নহ'লগৈ। কনভেনশ্যনত বিৰোধী পক্ষই সম্ৰাটে দেশী বিদেশী শক্তিৰ লগত ষড়যন্ত্ৰ চলাই বিপ্লৱক দুৰ্বল আৰু ধ্বংস কৰাৰ প্ৰচেষ্টা চলোৱাৰ

প্ৰমাণ দাখিল কৰিলে। সম্ৰাটে যে বিদেশী সেনাৰ সহায়েৰে বিপ্লৱ দমাই তেওঁৰ হৃত ক্ষমতা পুনৰ উদ্ধাৰ কৰিব বিচাৰিছিল, সেই কথা এতিয়া জল্ জল্ পট্ পট্কৈ ওলাই পৰিল। যেতিয়া ভোটগ্ৰহণ হ'ল, দেখা গ'ল যে সাতশ উনপঞ্চাছজন সদস্যৰ ভিতৰৰ ছশ তিৰাশীজনে সম্ৰাটক দোষী বুলি সাব্যস্ত কৰিলে।

জিৰণদিন নেতাসকল বৰ বিমোৰত পৰিল। ভোটগ্ৰহণৰ সময়ত দেখা গ'ল যে তেওঁলোকৰ নিজৰ ভোটেই ভাগ ভাগ হৈ পৰিছে, বহুতে সম্ৰাটক দোষী বুলি আৰু বহুতে নিৰ্দোষী বুলি ভোট দিছে। শেষৰক্ষা কৰিবলৈ তেওঁলোকে এইবাৰ নতুন কৌশল উলিয়ালে। তেওঁলোকে প্ৰস্তাৱ কৰিলে যে সম্ৰাটৰ দোষী নিৰ্দোষিতাৰ প্ৰশ্নটোৰ ওপৰত এটা গণভোট লোৱা হওক। কনভেনশ্বনে সম্ৰাটক দোষী বুলি দিয়া ৰায় জনতাক বাহাল ৰাখিবলৈ নাইবা সংখ্যাধিক্য ভোটৰ দ্বাৰা বাতিল কৰিবলৈ সুবিধা দিয়া হওক। তেহে প্ৰকৃত ন্যায় বিচাৰ কৰা হ'ব। মণ্টাগনাৰ্ড নেতাসকলে আৰু অন্য উগ্ৰপন্থী সকলে এই ব্যৱস্থাৰ ঘোৰ বিৰোধিতা কৰিলে। কি ঠিক জনসাধাৰণে যদি সম্ৰাটৰ প্ৰতি সহানুভূতিত তেওঁক নিৰ্দোষী বুলি ৰায় দিয়ে? জনতাৰ মাজত এতিয়াও সম্ৰাটৰ প্ৰতি মৰম আৰু ৰাজতন্ত্ৰৰ প্ৰতি শ্ৰদ্ধা-মৰম বাহাল আছে। সেয়ে মাৰা আৰু অন্য এজন বিধায়ক চেণ্ট যাষ্টে এই ব্যৱস্থাৰ তীব্ৰ বিৰোধিতা কৰিলে। ৰবচপিয়েৰৰ এটা সৰু মন্তব্যতে মণ্টাগনাৰ্ড নেতা সকলৰ এই ব্যৱস্থাৰ প্ৰতি থকা ভয় জল্‌জল্ পট্ পট্কৈ ওলাই পৰিল। তেওঁ ক'লে, "সমাজত প্ৰকৃত প্ৰজাতন্ত্ৰী সকল সদায় সংখ্যালঘু।"

সম্ৰাটক দোষী সাব্যস্ত কৰা হ'ল। এতিয়া তেওঁক কি শাস্তি দিয়া হ'ব? এই কথাটো লৈ কনভেনশ্বনত তুমুল বিতৰ্ক হ'ল। সম্ৰাটক দোষী সাব্যস্ত কৰা এটা কথা আৰু তেওঁক শাস্তি দিয়াও আন এটা কথা। কাৰণ এই কাৰ্যৰ ফলত নানান নতুন ধৰণৰ সমস্যাৰ সৃষ্টি হ'ব পাৰে। অভ্যন্তৰণী অশান্তি, ৰাজতন্ত্ৰী আৰু প্ৰজাতন্ত্ৰী সকলৰ মাজত গৃহযুদ্ধ, বিদেশী আক্ৰমণ, যুঁজ-বাগৰ আদি হ'ব পাৰে। এইবোৰ কাৰণতে জিৰণদিনসকলে সম্ৰাটৰ প্ৰাণ বচাবলৈ খুব চেষ্টা কৰিছিল আৰু তাৰ ফলতে বিৰোধী সকলে তেওঁলোকক জনমানসত অতি সহজেই ৰাজতন্ত্ৰী বুলি চিনাকি কৰি দিব পাৰিছিল।

পেৰিচৰ বিপ্লৱী জনতা, মণ্টাগনাৰ্ড আৰু উগ্ৰপন্থী সকলে সম্ৰাটক মৃত্যুদণ্ড দিয়াটো বিচাৰিলে। তেওঁলোকৰ মতে সম্ৰাট জীয়াই থাকিলে বিদেশী শক্তি

সমূহে দেশৰ বিশ্বাসঘাতকসকলৰ লগ লাগি সদাই দেশত পুনৰ ৰাজতন্ত্র প্রতিষ্ঠা কৰিবলৈ ষড়যন্ত্র চলাই যাব। তাৰোপৰি সম্রাটক বন্দী কৰি ৰাখিলেই যেনিবা, তেতিয়া ইউৰোপৰ ৰজাসকলে কিবা ফ্রান্সৰ বিৰুদ্ধে যুদ্ধ নকৰাকৈ থাকিবনে? সেয়ে দেশৰ বিষগছ সম্পূর্ণ উঘালি পেলোৱাই মঙ্গল।

প্রকৃতপক্ষে সম্রাটৰ মৃত্যুদণ্ডৰ দাবী তোলাত মণ্টাগনার্ডসকলৰ এটা বিৰাট স্বার্থ আছিল। এই বিষয়ে এই অধ্যায়তে আগতে এবাৰ উমুকিয়াই অহা হৈছেই। দেশৰ যুদ্ধধন অস্থিৰ ৰাজনৈতিক পৰিবেশত মণ্টাগনার্ডসকল আৰু সাধাৰণ জনতাৰ মাজত ক্রমান্বয়ে মিতিৰালি গঢ়ি উঠিছে। জিৰণদিন-সকলৰ হাতৰপৰা দেশৰ শাসন ক্ষমতা কাঢ়ি আনিবলৈকে এই ঐক্যৰ প্রয়োজন হৈ পৰিছে। কাৰণ, সাধাৰণ জনতাৰ সহায় সমর্থনৰ অবিহনে মণ্টাগনার্ডসকলৰ বাবে অকলে এই কাম সম্ভৱ নহয়। দুর্দিনৰ সময়ত দেশৰ শাসন চলাবলৈকো তেওঁলোকক সাধাৰণ জনতাৰ সহায় সমর্থন লাগিবই. কাৰণ, যুঁজ কৰিবলৈকো সেনাবাহিনীত ভর্তি হৈ সাধাৰণ মানুহেই যাব লাগিব, যুদ্ধ আৰু প্রশাসনৰ খৰচ-পাতিও তেওঁলোকেই বহন কৰিব লাগিব। সেয়ে মণ্টাগনার্ড সকল আৰু সাধাৰণ জনতাৰ মাজত একতাৰ এটা স্থায়ী ভেটিৰ প্রয়োজন। আৰু এই ভেটি গঢ়াৰ বাবেই সম্রাটক মৃত্যুদণ্ড দিয়াটো দৰকাৰ, কাৰণ, সম্রাটক মৰাৰ পাছত তেওঁলোক আৰু জনসাধাৰণ একে ভাগ্যসূত্রতে বান্ধ খাই পৰিব। বিদেশী শক্তিসমূহে বুর্বঁ বংশৰ শাসন যদি আকৌ ফ্রান্সত প্রতিষ্ঠা কৰিবলৈ সক্ষম হয়, তেনেহ'লে তেওঁলোক সকলোৰে চৰম দুর্দশাৰ দিন আহি পৰিব। শত্রুৰপৰা কোনো দয়া মায়া অনুকম্পা তেওঁলোকে নাপাব। গতিকে ফ্রান্সৰ বিপ্লৱী চৰকাৰক বচাই ৰাখিবলৈ সকলোৱে অহোপুৰুষার্থ চেষ্টা কৰিব কাৰণ বিপ্লৱী চৰকাৰৰ অস্তিত্বৰ লগত তেওঁলোকৰ অস্তিত্বও যে নির্ভৰশীল। 'ৰজা বধে' তেওঁলোকক অভ্যন্তৰীণ শত্রু জিৰণদিনসকল আৰু বিদেশী শত্রুৰ বিৰুদ্ধে ঐক্যবদ্ধ কৰি তুলিব।

সম্রাটৰ মৃত্যুদণ্ডৰ প্রস্তাৱটোৰ ওপৰত অৱশেষত ভোট গ্রহণ হ'ল। সপক্ষে তিনিশ সাতাশীটা আৰু বিপক্ষে তিনিশ চৌত্রিছটা ভোটত এই প্রস্তাৱ গৃহীত হ'ল। মণ্টাগনার্ড সকলৰ জয় হ'ল। মাৰা, ৰবচপিয়েৰ দাঁ-তঁই এই কার্যত সমর্থন জনালে।

জিৰণদিনসকল অকলশৰীয়া হৈ পৰিল। উগ্রপন্থী মণ্টাগনার্ড নেতা সকলে তেওঁলোকক ৰৰ বেয়াকৈ হকয়ালে। তেওঁলোকৰ সকলো প্রতিপত্তি,

সকলো ক্ষমতা শেষ হৈ যাবলৈ আৰম্ভ কৰিলে। তেওঁলোকৰ যেন ভাগ্য নিৰ্ণয় হৈ গ'ল। নিৰ্বাসন, আত্মগোপন বা গিলটিনৰ অমোঘ মৃত্যুৰ ভাগ্য।

২১ জানুৱাৰীৰ দিনা কাৰা পহৰাৰ মাজত সম্ৰাটক এখন ঘোৰাবাগীত তুলি বধ্যভূমিলৈ অনা হ'ল। প্লাচ ড্যা লা ৰিভলিউচিয় ত সেইদিনা লোকে লোকাৰণ্য। সম্ৰাটক গিলটিনৰ ওখ ভেটিৰ ওপৰত তোলা হ'ল। সমবেত জনতালৈ চাই সম্ৰাটে ক'লে—"হে ফৰাচীবাসী, মই সম্পূৰ্ণ নিৰপৰাধী সত্ত্বেও মৃত্যু বৰণ কৰিছোঁ। অন্তিম ক্ষণত মই তোমালোকক এই কথা কৈ গলোঁ। মোৰ সকলো শত্ৰুকে মই ক্ষমা কৰি গলোঁ। মই আশা কৰোঁ······" তেওঁ কথা শেষ কৰিবলৈ নাপালে, চাৰিও ফালে বেণ্ড বাজি উঠিল। বেণ্ডৰ শব্দই তেওঁৰ মাত হুগুনা কৰি পেলালে। গিলটিনৰ ক্ষুৰধাৰ গধুৰ ফালখন তললৈ নামি আহিল।

সেই মুহূৰ্ত্তৰ পৰা ফ্ৰান্সৰ ৰাজনৈতিক আৰু সামাজিক জীৱনত বিপুল পৰিৱৰ্ত্তন আৰম্ভ হ'ল। বিপ্লৱৰ নিয়ন্ত্ৰণৰ ভাৰ এইবাৰ উগ্ৰপন্থী সকলৰ হাতলৈ গ'ল।

ত্ৰয়োবিংশ অধ্যায়

সম্ৰাট ষষ্ঠদশ লুইৰ মৃত্যুদণ্ডত সমগ্ৰ ইউৰোপতে তুমুল তোলপাৰ লাগিল। ৰজা সকলে দেখিলে যে কথা বিষম। ফৰাচী বিপ্লৱক ৰোধ কৰিব নোৱাৰিলে তেওঁলোকৰ অৱস্থাও শোচনীয় হৈ পৰাৰ পূৰামাত্ৰাই আশঙ্কা। 'ভ্ৰাতৃত্বৰ ঘোষণাপত্ৰৰ' জৰিয়তে ফৰাচী প্ৰজাতন্ত্ৰই ইতিমধ্যে তেওঁলোকৰ প্ৰজা সকলকো সামন্তবাদ আৰু ৰাজতন্ত্ৰক উৎখাত কৰিবলৈ প্ৰত্যক্ষভাৱে উদগনি দিছেই। এই বিপ্লৱক ৰোধ কৰিবই লাগিব। ৰজাসকল ফৰাচী ৰিপাব্লিকৰ বিৰুদ্ধে একগোট হৈ পৰিল। আৰম্ভ হ'ল প্ৰথম কোৱালিশ্যনৰ। আৰু এই কোৱালিশ্যনৰ মূল শক্তি হৈ পৰিল ইংলেণ্ডৰ প্ৰধানমন্ত্ৰী উইলিয়াম পিট।

প্ৰধানমন্ত্ৰী পিটৰ স্বাৰ্থ অৱশ্যে বেলেগ আছিল। ইংলেণ্ডত ইতিমধ্যে সাংবিধানিক ৰাজতন্ত্ৰই সুচাৰুৰূপে কাম কৰিছে, গণতন্ত্ৰৰ দৃঢ় ভেটি প্ৰতিষ্ঠা হৈছে। ফৰাচী ৰিপাব্লিকৰ পৰা ইংলেণ্ডৰ কোনো আদৰ্শগত আশঙ্কা নাই। কিন্তু ইংলেণ্ডৰ ভয় হ'ল যে ফ্ৰান্স শক্তিশালী হৈ উঠিলে ইউৰোপত ইংলেণ্ডৰ ৰাজনৈতিক প্ৰভাৱ আৰু লাভজনক ব্যৱসায়ৰ ক্ষতি হোৱাৰ সম্ভাৱনা। ইতিমধ্যে ৰাইন নদীক মুকলি জলপথ বুলি ঘোষণা কৰি ফ্ৰান্সে ইংলেণ্ডৰ ব্যৱসায়িক স্বাৰ্থত আঘাত কৰিছে। ডেনমাৰ্কৰো একে ক্ষতিয়েই হৈছে। কি ঠিক ফ্ৰান্সে কেতিয়াবা ৰাইন নদী বৃটিছ বেহা-বেপাৰৰ বাবে একেবাৰে বন্ধ কৰিও দিব পাৰে। পিটে পাৰ্লিয়ামেণ্টত ঘোষণা কৰিলে, "সম্ৰাটক এনে নৃশংসভাৱে হত্যা কৰা কাৰ্য অক্ষমণীয়।" তেওঁ হয়তো পাহৰি গৈছিল যে কিছু কালৰ আগেয়ে ইংলেণ্ডতো সম্ৰাট চাৰ্লচৰ শিৰচ্ছেদ কৰা হৈছিল।

১৭৮৩ চনত উইলিয়াম পিট ইংলেণ্ডৰ প্ৰধানমন্ত্ৰী হৈছিল। তেওঁ এজন সুদক্ষ বিধায়ক আৰু শক্তিশালী বক্তা আছিল। তেওঁ ইংলেণ্ডত বহুতো অভ্যন্তৰীণ সংস্কাৰ সাধন কৰিছিল আৰু প্ৰথমছোৱা কাল তেওঁ শান্তিৰ বাবে চেষ্টা কৰিছিল। কিন্তু ফৰাচী প্ৰজাতন্ত্ৰ আৰু পাছত নাপলেয়ঁৰ বিৰুদ্ধে লগা দীঘলীয়া যুঁজ-বাগৰৰ সময়ত তেৱেঁই ইংলেণ্ডক নেতৃত্ব দিব লগা হ'ল। প্ৰকৃতপক্ষে ফ্ৰান্সৰ বিৰুদ্ধে গঢ়ি উঠা আটাইকেউটা কোৱালিশ্যনৰ তেৱেঁই প্ৰধান সংগঠক আৰু পৰিচালক আছিল। ফৰাচীসকলেও বুজি উঠিছিল পিটেই তেওঁলোকৰ প্ৰথম আৰু প্ৰধান শত্ৰু। নাপলেয়ঁৰ জয়যাত্ৰাৰ সময়ত যেতিয়া ইংলেণ্ডৰ মানুহ আশঙ্কিত তেতিয়া নিশাৰ পাছত নিশা উইলিয়াম পিটে পাৰ্লিয়ামেণ্টত অকলে তেওঁৰ উদ্দীপনাময় ভাষণেৰে ইংলেণ্ডবাসীক অনুপ্ৰেৰণা যোগাইছিল। "He stood up as the personification of the collective will which could never accept the thought of defeat" (or rather of the hegemony of France over Europe.)

বেলজিয়াম আৰু হলেণ্ড দখল কৰি ফ্ৰান্সক এক বিৰাট মহাদেশীয় শক্তিলৈ ৰূপান্তৰিত হ'বলৈ দিব নোৱাৰি। ফ্ৰান্স ইতিমধ্যে কিন্তু এই বাটত ভালকৈয়ে আগ বাঢ়িছে। সেয়ে পিটে ইংলেণ্ডক যুঁজৰ বাবে সাজু কৰি তুলিলে। ফৰাচী কনভেনশ্যনেও ইংলেণ্ড আৰু হলেণ্ডৰ বিপক্ষে যুদ্ধ ঘোষণা কৰিলে। তেওঁলোকে হয়তো ভাবিছিল যে আক্ৰমণেই হ'ল প্ৰতিৰক্ষাৰ আটাইতকৈ ভাল উপায়।

যুদ্ধ আৰম্ভ হ'ল। এফালে প্ৰজাতন্ত্ৰী ফ্ৰান্সৰ অশিক্ষিত, অসংগঠিত সেনাবাহিনী আৰু আনফালে ইংলেণ্ড, প্ৰুচিয়া, অষ্ট্ৰিয়া, হলেণ্ড, চাৰ্দিনিয়া আৰু স্পেইনৰ সম্মিলিত সামৰিক শক্তি। এই বিৰাট শক্তি সম্মিলনৰ বিৰুদ্ধে ফৰাচী বিপ্লৱৰ জীৱন মৰণ সংগ্ৰাম আৰম্ভ হ'ল।

যুদ্ধ আৰম্ভ হোৱাৰ লগে লগে ফ্ৰান্সৰ অৱস্থা কিন্তু বেয়াৰ ফালে ঢাল খালে। অভ্যন্তৰীণ অশান্তি আৰু যুঁজ-বাগৰে ফৰাচী প্ৰজাতন্ত্ৰক, জুৰুলা কৰি পেলালে।

যুদ্ধক্ষেত্ৰত বিপৰ্যয়ৰ পাছত বিপৰ্যয় হ'বলৈ ধৰিলে। প্ৰথমে বেলজিয়ামৰ ৰণাঙ্গনত ফৰাচী সেনাবাহিনীৰ পৰাজয় হ'ল। তাৰ পাছত হলেণ্ডলৈ আগ বাঢ়ি যোৱা সেনাবাহিনীৰো পৰাজয় ঘটিল। তাতোকৈ ডাঙৰ বিপদ আহি পৰিল যেতিয়া ফৰাচী সেনানায়ক ডুমৰীয়ে শত্ৰু শিবিৰৰ লগ লাগিলগৈ। উত্তৰৰ ফৰাচী ৰক্ষাব্যৱস্থা থান্‌বান্ হৈ গ'ল। শত্ৰুক বাধা দিব পৰা সেনা এতিয়া ফ্ৰান্সৰ হাতত নাই। তাৰোপৰি দল সলোৱা সেনানায়কজনে শত্ৰুৰ আগত ফ্ৰান্সৰ সামৰিক প্ৰস্তুতিৰ বহুতো গোপন খবৰ দি দিছে আৰু বিদেশত ফৰাচী কনভেনশ্যন আৰু প্ৰজাতন্ত্ৰৰ বিৰুদ্ধে অপবাদ আৰু কুৎসা ৰটনাত ইন্ধন যোগাইছে। "কনভেনশ্যনখন ত্ৰিনিশ বদমাচ আৰু চাৰিশ মূৰ্খৰ এখন নিশকতীয়া সভা," তেওঁ বিদেশত প্ৰচাৰ কৰিছে।

দেশৰ ভিতৰতো বয়-বস্তুৰ আকাশলঙ্ঘা দাম, অত্যাৱশ্যক বস্তুৰ নাটনি আৰু বাধ্যতামূলক সেনাভৰ্ত্তিৰ ব্যৱস্থাৰ বিৰুদ্ধে ভেন্‌দী, লিয়ঁ আদি ঠাইত জনতাই বিক্ষোভ প্ৰদৰ্শন কৰিছে। সেই বিক্ষোভ দমাবলৈকো সেনা বাহিনীক মকৰল কৰিব লগা হৈছে। ফ্ৰান্সৰ এটা বিৰাট বন্দৰ তুলঁ বৃটিছ নৌবাহিনীয়ে অৱৰোধ কৰি বিদেশী বেহা-বেপাৰো প্ৰায় বন্ধ কৰি পেলাইছে। চাৰিওফালে বিশৃঙ্খলতা, উৎকণ্ঠা আৰু উত্তেজনাই দেখা দিছে। এই পৰিবেশতেই ফৰাচী ৰাজনৈতিক শক্তি সমূহৰ পুনৰ্বিন্যাস আৰম্ভ হ'ল। জিৰণ্দিন সকলৰ হাতৰপৰা ক্ষমতা উগ্ৰপন্থীসকলৰ হাতলৈ আহিল। উগ্ৰপন্থীসকলে দেশৰ এই পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ কটকটীয়া কেন্দ্ৰীয় শাসন গঢ়ি তুলিবলৈ চেষ্টা কৰিলে আৰু ইয়াৰ বাবেই সন্ত্ৰাস কাৰ্যক আইনসঙ্গত ভাবে ৰাষ্ট্ৰীয় নীতিলৈ ৰূপান্তৰিত কৰা হ'ল। জিৰণদিনসকলৰ ওপৰত প্ৰায় সকলোৱে তেতিয়া আস্থা হেৰুৱাই পেলাইছে, উগ্ৰপন্থী চিন্তাধাৰাৰ সময় তেতিয়া। মাৰা, দাঁ-তঁ আৰু ৰবচপিয়েৰে ইতিমধ্যে প্ৰজাতন্ত্ৰী জেকবৈ ক্লাবটো

উগ্রপন্থী চিন্তাধাৰাৰ উগ্ৰ সমৰ্থক কৰি তুলিছে। এতিয়া দেশৰ জৰুৰী পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ বহুতো উগ্ৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ল। এইবোৰ ব্যৱস্থাৰ ফলত সময়ত ফৰাচী বিপ্লৱ আৰু দেশখন ৰক্ষা পৰিল হয় কিন্তু গণতন্ত্ৰ আৰু ব্যক্তি স্বাধীনতা হ'লে ৰক্ষা নপৰিল। অস্তিত্বৰ সংগ্ৰামৰ প্ৰথম বলি হ'ল স্বাধীনতা।

এনে প্ৰথম ব্যৱস্থা হিচাপে কনভেনশ্যানে দেশৰ যুদ্ধকালীন নীতি নিৰ্দ্ধাৰণ কৰিবলৈ আৰু দেশৰ শাসন কাৰ্য পৰিচালনা কৰিবলৈ এখন সৰু অথচ বিৰাট শক্তিশালী কমিটি গঠন কৰিলে। এই কমিটিখনৰ নাম হ'ল 'কমিটি অব পাব্লিক চেফটি।' এই কমিটিখন এখন যুদ্ধকালীন মন্ত্ৰী পৰিষদৰ নিচিনা। দেশৰ গুৰুতৰ পৰিস্থিতিৰ সন্মুখীন হ'বলৈ প্ৰয়োজনীয় সকলো সিদ্ধান্ত ল'বলৈ এই কমিটিৰ কৰ্তৃত্ব আছিল। কেৱল মাত্ৰ কনভেনশ্যনৰ ওচৰতহে এই কমিটি দায়বদ্ধ আছিল। কিন্তু কনভেনশ্যানে এই কমিটিৰ কাম-কাজত কোনো ধৰণৰ হকাবধা কৰা নাছিল। কমিটিয়ে যি প্ৰস্তাৱ, যি পৰামৰ্শকেই আগ বঢ়াইছিল, কনভেনশ্যানে সদায় তাত অনুমোদন জনাইছিল। প্ৰকৃতপক্ষে কনভেনশ্যনখন হৈ পৰিছিল এখন আলঙ্কাৰিক সভাৰ নিচিনা। কনভেনশ্যান পৰিণত হৈছিল এটা ৰবৰৰ ষ্টাম্পলৈ।

দ্বিতীয়খন কমিটি আছিল কমিটি অব পাব্লিক চিকিঅ'ৰিটি। এইখন আগৰখন কমিটিতকৈ ডাঙৰ আছিল আৰু দেশৰ সাধাৰণ প্ৰশাসন, আৰক্ষী বিভাগ আৰু নিৰাপত্তাৰ দায়িত্ব ইয়াৰ ওপৰত ন্যস্ত কৰা হৈছিল। এই কমিটিয়ে ইচ্ছামতেই যি কোনো লোকক আটক কৰিব পাৰে। দেশৰ শত্ৰু, ৰাজতন্ত্ৰী, অভিজাতসকল, সন্দেহজনক যাজক, জিৰণদিনসকল আৰু চোৰাংচোৰা সকলৰ বিৰুদ্ধে এই কমিটিয়ে তৎকালে অভিযান আৰম্ভ কৰিলে। ফলত দেশময় সৃষ্টি হ'ল সন্ত্ৰাসৰ ৰাজত্ব। ফ্ৰান্সৰ বিভিন্ন প্ৰদেশলৈ এই কমিটিয়ে কিছুমান 'কাৰ্যবাহী' সদস্য প্ৰেৰণ কৰিলে আৰু এই সদস্য সকলে কমিটিৰ নীতি অনুসৰি প্ৰদেশবোৰতো আৰম্ভ কৰিলে সন্ত্ৰাসৰ ৰাজত্ব— গ্ৰেপ্তাৰৰ অভিযান।

কমিটিয়ে গ্ৰেপ্তাৰ কৰা বন্দীবোৰক বিচাৰ কৰিবলৈ এখন 'বিপ্লৱী ট্ৰাইবুনাল' গঠন কৰি দিয়া হ'ল। কমিটিয়ে প্ৰেৰণ কৰা বন্দীবোৰক এই ট্ৰাইবুনালৰ আগত হাজিৰ কৰা হৈছিল। প্ৰথম অৱস্থাত ই আইনমতেই বিচাৰ কৰি অভিযুক্ত সকলক শাস্তি বা মুক্তি দিছিল। কিন্তু পাছলৈ যেতিয়া

বন্দীৰ সংখ্যা বেছি হ'বলৈ আৰম্ভ কৰিলে তেতিয়া ই লেহেমীয়া বিচাৰ ব্যৱস্থা ত্যাগ কৰি বন্দীসকলক তৎকালে মৌখিকভাৱে বিচাৰ কৰিবলৈ আৰম্ভ কৰিলে। পাছলৈ কমিটি অব পাব্লিক চিকিঅ'ৰিটিয়ে পঠোৱা প্ৰতিজন লোকক দোষী সাব্যস্ত কৰি এই ট্ৰাইবুনালে শাস্তি বিহিবলৈ আৰম্ভ কৰিলে। ফ্ৰান্সৰ কাৰাগাৰবোৰ বন্দী আৰু অপৰাধীৰে ঠাই খাই পৰিল আৰু বধ্যভূমিত তেজৰ সোঁত ব'বলৈ ধৰিলে।

ইয়াৰ উপৰিও দেশৰ বিভিন্ন সমস্যা সমাধানৰ বাবে কনভেনশ্যনে আৰু বহুত কমিটি গঠন কৰি দিলে। এনেবোৰ কমিটিৰ বহুকেইখনে খুব ভাল কামো কৰিছিল। এই কমিটিবোৰে তৈয়াৰ কৰা বিধি-বিধান আইন-কানুন আৰু নানান ব্যৱস্থাবোৰে ফৰাচী জাতিক সঙ্কটৰ সময়ত বচাই ৰখাত প্ৰভূত সহায় কৰিছিল আৰু ফ্ৰান্সৰ আধুনিক আইন-কানুনবোৰ প্ৰণয়নত পাছত এই কমিটিবোৰৰ বিধি-বিধানবোৰ বৰ সহায়ক হৈ পৰিছিল।

সেই সময়ত দেশৰ শক্তিৰ এটা প্ৰধান খুটা আছিল কমিউনবোৰ। এইবোৰৰ বেছিভাগেই আছিল বিপ্লৱী উগ্ৰপন্থীসকলৰ দখলত। পেৰিচ কমিউন আছিল এই কমিউনবোৰৰ নেতা আৰু পথপ্ৰদৰ্শকৰ নিচিনা। জেকৃচ হেবাৰ আৰু পেৰী চামেটুৰ নেতৃত্বৰ পেৰিচ কমিউন আৰু তলৰ চেকৃচনবোৰে বিপ্লৱ আৰু বিপ্লৱী চৰকাৰক বচাই ৰাখিবলৈ অহোপুৰুষাৰ্থ চেষ্টা চলাই গৈছিল। দেশৰ জৰুৰী অৱস্থাৰ মোকাবিলা কৰিবৰ বাবে এই পেৰিচ কমিউনৰপৰাই আৰু জোৰদাৰ, আৰু উগ্ৰ কাৰ্যব্যৱস্থা ল'বলৈ দাবী উঠিছিল। এই দাবীসমূহৰ বাবে যুদ্ধৰ বাবে সকলো মানুহকে বাধ্যতামূলক ভাবে মকৰল কৰাৰ, দেশৰ অৰ্থনীতি টনকিয়াল কৰি যুদ্ধৰ বাবে খৰচ উলিয়াবলৈ ধনী সকলৰ ওপৰত অধিক কৰ-কাটল লগোৱাৰ, জিৰণদিন আৰু বুৰ্জোৱাসকলৰ সা-সম্পত্তি বাজেয়াপ্ত কৰাৰ, আৰু সাধাৰণ দুখীয়া মানুহৰ দুখ লাঘৱৰ বাবে সকলো খাদ্য আৰু আৱশ্যকীয় পণ্য সামগ্ৰীৰ বজাৰ দৰ বান্ধি দিয়াৰ দাবী উঠিছিল। এই দাবী বোৰতেই বিপ্লৱৰ গতিপথৰ ভূ পোৱা যায়। বিপ্লৱ এতিয়া ক্ৰমান্বয়ে জনমুখী হৈ পৰিছে আৰু সমাজবাদী চিন্তাধাৰা আৰু সমতাৰ আদৰ্শই গা কৰি উঠিবলৈ লৈছে। সমাজৰ ধনী আৰু দুখীয়াৰ মাজত, পোৱা আৰু নোপোৱাৰ মাজত, বুৰ্জোৱা শ্ৰেণী আৰু সৰ্বহাৰা সকলৰ মাজত সংঘৰ্ষ গঢ় লৈ উঠিছে। জিৰণদিনসকল আগ বাঢ়িছে ক্ৰমান্বয়ে পতনৰ বাটত।

সেই সময়ত 'কমিটি অব পাব্লিক চেফটিব' অর্থাৎ প্রকৃততে দেশৰ প্ৰধান নে । আছিল দাঁ-তঁ। জিৰণ্দিন সকলে তেওঁৰ সততাৰ ওপৰত প্ৰশ্ন তুলি তেওঁৰ প্ৰভাৱ-প্ৰতিপত্তি আৰু জনপ্ৰিয়তা কমাবলৈ চেষ্টা কৰিছিল যদিও দেশৰ সংকটৰ সময়ত কনভেনশ্যনে একেবাক্যে তেওঁকেই দেশৰ নেতা নিৰ্বাচিত কৰিলে। দাঁ-তঁৰ ওপৰত জনসাধাৰণ আৰু বেছি ভাগ বিধায়কৰ আস্থা তেতিয়াও অটুট আছে। এই সময়ত ৰবচপিয়েৰো শক্তিশালী হৈ উঠিছে। ইয়াৰ আগতে আমি ৰবচপিয়েৰৰ নাম কেবাবাৰো পাইছোঁ যদিও তেতিয়ালৈকে তেওঁ বেছি শক্তিমন্ত হ'ব পৰা নাছিল। এতিয়া দেশৰ দুৰ্দিনৰ সময়ত তেওঁৰ ভাগ্যৰবি উদয় হ'বলৈ আৰম্ভ কৰিছে।

দাঁ-তঁই দেশৰ সংকটময় অৱস্থাৰ জোৰা মাৰিবলৈ বহুত ব্যৱস্থা হাতত ল'লে। তেওঁ সকলোৰে লগত সহযোগিতা কৰি দেশত একতা আৰু সাহসৰ পৰিবেশ সৃষ্টি কৰিবলৈ চেষ্টা কৰিলে। শত্ৰুৰ মাজত বিভেদৰ সৃষ্টি কৰি তেওঁলোকক দুৰ্বল কৰি তুলিবলৈ তেওঁৰ চেষ্টাৰ অন্ত নাছিল। তেওঁ ৰবচপিয়েৰৰ বিৰোধিতা সত্বেও কোৱালিশ্যনৰ বিভিন্ন শক্তি সমূহৰ লগত সুকীয়া সুকীয়াকৈ শান্তিৰ চেষ্টা চলালে। আৰু তেওঁ ডিউক অৱ ব্ৰুন্চৱিকৰ লগত এটা বুজাপৰালৈ আহি ডিউকৰ সেনাবাহিনীৰ অগ্ৰগতি ৰোধ কৰিবলৈ সক্ষম হ'ল। বহুতো উগ্ৰপন্থীয়ে কিন্তু এনে ধৰণৰ আলাপ-আলোচনাৰ কৌশল ভাল পোৱা নাছিল। "দাঁ-তঁৰ যুদ্ধ জিকাৰ কোনো উদ্যমেই নাই। তেওঁ আলাপ-আলোচনা কৰি থাকোঁতেই যাব।" এইবুলি মাজে মাজে তেওঁলোকে অভিযোগ তুলিলে। বহু ঐতিহাসিক অৱশ্যে কৈছিল যে, "যুদ্ধবাজ উগ্ৰপন্থী সকলতকৈ দাঁ-তঁই ৰণকৌশল বেছি ভালকৈ জানিছিল। শান্তিৰ প্ৰচেষ্টা চলোৱাটোও তেওঁৰ এটা কৌশলহে মাথোন।" এনে ধৰণৰ প্ৰচেষ্টাৰ জৰিয়তে তেওঁ শত্ৰু সকলক বিভ্ৰান্ত কৰি অ-সংগঠিত, অশিক্ষিত ফৰাচী সেনাবাহিনীক শক্তিশালী কৰি তুলিবলৈ সময় উলিউৱাৰহে চেষ্টা কৰিছিল।" যি কি নহওক দাঁ-তঁৰ এই কৌশল ৰবচপিয়েৰে ভাল পোৱা নাছিল। তাৰোপৰি যুদ্ধ প্ৰচেষ্টাত দাঁ-তঁই সকলোৰে লগত আনকি ধনী বুৰ্জোৱা আৰু জিৰণ্দিনসকলৰ লগত মিতিৰালি পতাতো তেওঁ অসন্তুষ্ট হৈছিল। দাঁ-তঁই আনকি জিৰণ্দিন আৰু মণ্টাগনাৰ্ড সকলৰ মাজত আপোচ আৰু সহযোগিতাৰ বাবেও আকৌ চেষ্টা চলাইছিল। কিন্তু তেতিয়া তেওঁলোকৰ মাজৰ বিবাদ আদৰ্শগত পৰ্য্যায় পাইছেগৈ। কোনো আপোচ

আৰু এতিয়া সম্ভৱ নহয়। দাঁ-উৰ প্ৰচেষ্টা বিফল হ'ল—তেওঁ আপোচৰ চেষ্টা এইবাৰ এৰি পেলালে, একেবাৰে।

দাঁ-উৰ এই কামত আটাইতকৈ বেছি বাধা আহিছিল মাৰাৰ পৰা। মাৰাই অনবৰতে তেওঁৰ চোকা লেখনীৰে জিৰণদিন সকলৰ ওপৰত আক্ৰমণ চলাই সাধাৰণ মানুহৰ মনত জিৰণদিন বিৰোধী ভাব জগাই তুলিবলৈ ভালকৈয়ে সক্ষম হৈছে। দেশৰ এই নতুন পৰিস্থিতিত মাৰা সম্পূৰ্ণ ৰূপে সাধাৰণ মানুহৰ প্ৰবক্তা হৈ পৰিছে। তেওঁৰ জিৰণদিন বিৰোধী অভিযানৰ মাজতে শ্ৰেণী সংঘাতৰ ভ্ৰূণ সোমাই আছে। জিৰণদিন সকলেও এইবাৰ মাৰাক এসেকা দিবলৈ উঠিপৰি লাগিল। 'পাগলটোৰ' এনে অতপালি অসহ্য হৈছেহি আৰু! তেওঁলোকে কনভেনশ্যনত মাৰাই দেশত হত্যাকাণ্ড আৰু একনায়কত্ববাদৰ প্ৰশ্ৰয় দিয়া বুলি ট্ৰাইবুনেলৰ আগত তেওঁৰ বিচাৰ কৰিবলৈ এটা প্ৰস্তাৱ পাচ কৰোৱাবলৈ সক্ষম হ'ল। কিন্তু হাজাৰ হাজাৰ পেৰিচৰ জনতা মাৰাৰ সপক্ষে ৰাস্তালৈ ওলাই আহিল। মাৰা তেওঁলোকৰ মাজত খুব জনপ্ৰিয়।

"যি জন মানুহে আমাৰ পক্ষ লৈ ইমান দিনে মাত মাতি আহিছে, সেইজন মানুহক আমি অপদস্থ কৰিবলৈ নিদিওঁ।" এয়ে আছিল তেওঁলোকৰ বক্তব্য।

জনতাৰ খং দেখি বিচাৰকসকলে মাৰা নিৰ্দোষী বুলি ৰায় দিবলৈ বাধ্য হ'ল। আনন্দত উৎফুল্লিত জনতাই মাৰাক কান্ধত লৈ পেৰিচৰ ৰাজপথত উলিয়ালে এক বিৰাট শোভাযাত্ৰা। ইয়াৰ পাছত মাৰা আৰু শক্তিশালী হৈ পৰিল। তেওঁ এইবাৰ জিৰণদিন সকলৰ সকলো বাধা নেওচি তেওঁৰ এটা প্ৰস্তাৱ কনভেনশ্যনত গৃহীত কৰাবলৈ সক্ষম হ'ল। এই প্ৰস্তাৱটো হ'ল খাদ্যশস্য আৰু অত্যাৱশ্যকীয় বয়-বস্তুৰ এটা নিশ্চিত বজাৰ দৰ স্থিৰ কৰি দিয়াটো। পেৰিচ কমিউনৰ এই দাবী মাৰাই কনভেনশ্যনৰ হতুৱাই গ্ৰহণ কৰোৱাই আইনত পৰিণত কৰালে। এই ব্যৱস্থাৰ পাছত কিন্তু দেশত আৰু গোলমাল লাগিল। নিজ স্বাৰ্থ ক্ষতি হোৱাত ধনী বেপাৰী, বুৰ্জোৱা আৰু জিৰণদিন সকলে ইয়াৰ বিৰোধিতা কৰিলে। তেওঁলোকে এই ব্যৱস্থা বিফল কৰি দিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিলে। বেপাৰীসকলে বয়-বস্তু লুকুৱাই কৃত্ৰিম অনাটনৰ সৃষ্টি কৰিলে। বস্তুৰ দাম কমাই বান্ধি দিয়াত উৎপাদক সকলৰো লাভ কমিল ফলত উৎপাদকসকলেও উৎপাদন কমাই দিলে। উৎপাদক আৰু গ্ৰাহক সকলৰ মাজত সংঘাতৰ সূত্ৰপাত হ'ল। আচল বজাৰৰ সমান্তৰাল

ভাৱে এখন ক'লা বজাৰৰ সৃষ্টি হ'ল। সাধাৰণ মানুহৰ দুখ-দুৰ্দ্দশা বঢ়াত তেওঁলোকো বিক্ষুব্ধ হৈ পৰিল। মাৱাই কিন্তু ক'লে :

"এই অনাটনৰ বাবে দায়ী ধনী বুৰ্জ্জোৱা বেপাৰী আৰু সিইতৰ নেগুৰ স্বৰূপ জিৰণদিন সকল। তাহাঁতৰ ষড়যন্ত্ৰতে এনে হ'বলৈ পাইছে।"

জিৰণদিন সকলে দেখিলে যে মাৱাক সহজে নোৱাৰি। সেয়ে তেওঁলোকে সাধাৰণ মানুহৰ খং আৰু ক্ষোভৰ সুযোগ লৈ সাধাৰণ মানুহক এনে অত্যাচাৰী শাসকক শেষ কৰি দিবলৈ আহ্বান জনালে। তেওঁলোকৰ প্ৰধান লক্ষ্য আছিল অৱশ্যে মাৱা। তেওঁলোকে কনভেনশ্যনত পেৰিচ কমিউনৰ কাম-কাজৰ অনুসন্ধান কৰিবলৈকো এটা কমিটি গঠন কৰাৰ প্ৰস্তাৱ পাচ কৰোৱাবলৈ সক্ষম হ'ল।

ৰবচপিয়েৰে এইবাৰ জনতাক জিৰণদিন সকলৰ বিৰুদ্ধে বিদ্ৰোহ কৰিবলৈ আহ্বান জনালে। পেৰিচ কমিউনক লঘু হ'বলৈ দি তেওঁ নিজৰ ভ'ৰত নিজে কুঠাৰ মাৰিব নোৱাৰে।

"যেতিয়া জনতাৰ ওপৰত চলা শোষণে চৰম পৰ্য্যায় পায়গৈ, যেতিয়া তেওঁলোকৰ হাতত আত্মৰক্ষাৰ কোনো ব্যৱস্থা নাথাকে, তেতিয়া তেওঁলোকক বিক্ষোভ কৰিবলৈ আহ্বান নজনোৱাটো কাপুৰুষালি হ'ব। যেতিয়া সকলো আইন-কানুন অবজ্ঞা কৰা হয়, যেতিয়া স্বৈৰাচাৰী শোষণে শীৰ্ষবিন্দু পায়গৈ, যেতিয়া বিশ্বাসৰ মৰ্য্যাদা আৰু ভদ্ৰতাক ভৰিৰে মোহাৰি পেলোৱা হয়, তেতিয়া জনসাধাৰণ জাগি উঠা প্ৰয়োজন। সেই সময় আজি আহি পৰিছে।"

দাঁ-তয়ো এই কাৰ্য সমৰ্থন কৰিলে।

মাৱাই বহুত চেষ্টা কৰি জিৰণদিন সকলৰ এই অনুসন্ধান কমিটি বাতিল কৰোৱাবলৈ সক্ষম হ'ল। কিন্তু জিৰণদিনসকলে কৌশল কৰি এই কমিটি আকৌ নিয়োগ কৰাত উগ্ৰপন্থীসকলে নেশ্বনেল গাৰ্ডৰ বিশ্বাসী সেনা আৰু পেৰিচৰ জনতাক লৈ কনভেনশ্যন ভৱন ঘেৰি ধৰিলেহি। ফলত এই কমিটি আকৌ ভাঙি দিবলগীয়া হ'ল। কনভেনশ্যন ভৱনৰ বাহিৰত আশী হাজাৰ বিক্ষুব্ধ জনতা আৰু সেনা, ভিতৰত মাৱাই এই সুযোগতে জিৰণদিন সকলক কনভেনশ্যনৰপৰা বাজ কৰি দিবলৈ আৰু জিৰণদিন নেতা সকলক গ্ৰেপ্তাৰ কৰিবলৈ দাবী জনালে। এই যুগ্ম হেঁচা আৰু ভাবুকিৰ আগত কনভেনশ্যনে সেও মানিলে। বহুত নেতাক বন্দী কৰা হ'ল। কিন্তু বহুতে জনতা আৰু

সেনাসকলৰ চকুত ধুলি দি পলাই যাবলৈ সক্ষম হ'ল। এওঁলোকে প্ৰদেশবোৰলৈ গৈ নিজ নিজ ঠাইত কনভেনশ্যন আৰু উগ্ৰপন্থী সকলৰ বিৰুদ্ধে সংগঠন চলাই বিদ্ৰোহ আৰম্ভ কৰিলেগৈ। দেশত আভ্যন্তৰিক অশান্তি কমক চাৰি বাঢ়িলহে।

দেশৰ শাসন ক্ষমতা এতিয়া মণ্টাগনাৰ্ডসকলে সম্পূৰ্ণ দখল কৰিলে। জনতা এতিয়া বিৰাট শক্তিশালী। ধনী বুৰ্জোৱা আৰু জিৰণ্ডিনসকলৰ শোচনীয় পৰাজয় ঘটিল। জনসাধাৰণ হৈ উঠিল এতিয়া বিপ্লৱৰ প্ৰধান পৰিচালক। এই ঘটনাক দ্বিতীয় বিপ্লৱো বোলা হয়। এই বিপ্লৱত বুৰ্জোৱা সকলৰ হাতৰপৰা ৰাষ্ট্ৰক্ষমতা জনসাধাৰণ আৰু নিম্ন মধ্যবিত্ত সকলৰ হাতলৈ আহিল। বিপ্লৱৰ শ্ৰেণীচৰিত্ৰ এতিয়া অধিক সুস্পষ্ট হৈ পৰিল। ব্ৰিল ডুব্ৰাণ্টৰ মতে "The second revolution had defeated the bourgeoise and had established, protem, the dictatorship of proletariate." এই সৰ্বহাৰাৰ এক নায়কত্ব বাদ কিন্তু মাৰ্ক্সীয় দৃষ্টিভঙ্গী মতে সৰ্ব্বহাৰাৰ একনায়কত্ববাদ বুলিলে যি বুজা যায় সি প্ৰকৃততে নহয়। সমাজৰ তলৰ খাপৰ মানুহৰ হাতলৈ ৰাষ্ট্ৰক্ষমতাৰ চাবিকাঠি আহিছিল হয়, কিন্তু আদৰ্শগত পৰিচালনা আৰু প্ৰকৃত বিজ্ঞান সম্মত পন্থাৰ অভাৱত ৰাষ্ট্ৰশক্তিক সাধাৰণ মানুহৰ দুখ-কষ্ট লাঘৱ কৰি সমাজবাদ, সমতা প্ৰতিষ্ঠা কৰাত খটুৱাব পৰা হোৱা নাছিল। পাছৰ ঘটনাবোৰত আমি ইয়াৰ আভাস পাই যাম।

এই দ্বিতীয় বিপ্লৱৰ পাছত কনভেনশ্যনে এখন নতুন সংবিধান প্ৰণয়ন কৰিলে। প্ৰাপ্তবয়স্কৰ ভোটাধিকাৰ, গণতান্ত্ৰিক বিক্ষোভৰ অধিকাৰ, ব্যক্তিগত সম্পত্তিৰ সীমিতকৰণ, শিক্ষা আৰু জীৱনৰ অধিকাৰ, ধৰ্মৰ অধিকাৰ আদি বহুত সুন্দৰ ব্যৱস্থা ইয়াত সন্নিবিষ্ট কৰা হ'ল। কিন্তু এই সংবিধান কাৰ্যত পৰিণত নহ'লগৈ। দেশৰ সঙ্কটজনক পৰিস্থিতিৰ জোৰা মাৰিবৰ বাবে কনভেনশ্যানে শীঘ্ৰে 'কমিটি অব পাব্‌লিক চেফটিক' সকলো সংবিধানৰ ওপৰত স্থান দি সৰ্ব্বময় কৰ্তৃত্ব প্ৰদান কৰিলে। "যুদ্ধ শেষ নোহোৱালৈকে, দেশলৈ শান্তি ঘূৰি নহালৈকে, সকলো ক্ষমতা কমিটিৰ হাতত অৰ্পণ কৰা হৈছে।" এইবুলি কনভেনশ্যনে ঘোষণা কৰিলে।

জিৰণ্ডিন সকলৰ বিৰুদ্ধে অৱশেষত মাৰাই জয়লাভ কৰিলেগৈ। জিৰণ্ডিন নেতাসকল হয় বন্দী হ'ল, আত্মগোপন কৰিলে, নাইবা প্ৰদেশবোৰলৈ পলাই

গ'ল। থান বান হৈ যোৱা জ্বিৰণদিন সকলৰ সকলো ৰাজনৈতিক ক্ষমতা শেষ হৈ গ'ল। কিন্তু মাৰাৰো সময় আহি পৰিছে।

চার্লট কর্ডে বুলি চিয়ান প্রদেশৰ এগৰাকী মহিলাই মাৰাক একেবাৰে দেখিব নোৱাৰিছিল। দেশৰ ৰক্তপাত, হত্যাকাণ্ড আৰু সন্ত্রাসৰ বাবে তেওঁ মাৰাই একমাত্র জগৰীয়া বুলি ভাবিছিল। সেয়ে তেওঁ এইবাৰ মাৰাৰ লগত মোকাবিলা কৰিবলৈ পেৰিচলৈ আহিল আৰু বজাৰত এখন দীঘল জোঙা ছুৰী কিনি ল'লে। মাৰা তেতিয়া অসুস্থ। তেওঁৰ গাত একপ্রকাৰ বেচুৰ নিচিনা চর্মৰোগ আছিল আৰু এই ৰোগটোৱে মাজে মাজে উকাই তেওঁক বৰ কষ্ট দিছিল। সেয়ে তেওঁ চৌবাচ্ছা এটাত কঁকাললৈকে গৰম পানীত ডুবাই বহি থাকিছিল। সন্মুখত এখন কাঠ লৈ সেই চৌবাচ্ছাটোত বহি বহিয়েই তেওঁ তেওঁৰ চোকা প্রবন্ধপাতিবোৰ লিখে। কর্ডেই মাৰাৰ ঘৰলৈ আহি দেখা কৰিবলৈ অনুমতি বিচাৰিলে। "চিয়ান প্রদেশত দেশদ্রোহীসকলে কেনেদৰে বিপ্লৱক ধ্বংস কৰিবলৈ প্রস্তুতি চলাইছে, মই তাৰে বতৰা দিবলৈ আহিছোঁ।" তেওঁ ক'লে। প্রথম দিনা তেওঁ মাৰাক দেখা কৰাৰ অনুমতি নাপালে। পিছদিনা তেওঁ আকৌ আহিল। সেইদিনা মাৰাই তেওঁক দেখা কৰিলে। কথাৰ মাজতে এবাৰ কর্ডেই কিনি অনা ছুৰীখন খুব জোৰেৰে মাৰাৰ বুকুত বহুৱাই দিলে। চৌৰাচ্ছাটোৰ ভিতৰতে মাৰাৰ মৃত্যু হ'ল।

"মাৰাক ময়ে হত্যা কৰিছোঁ কিন্তু ইয়াৰ বাবে মই কোনো দোষ স্বীকাৰ নকৰোঁ। দেশত ৰক্তপাত আৰু সন্ত্রাসৰ আজি অন্ত পৰিল।" বিচাৰত কর্ডেই ঘোষণা কৰিলে।

কিন্তু ৰক্তপাতৰ শেষ নহ'ল। বৰঞ্চ ই বেছিহে হ'ল। পেৰিচৰ জনতা ক্ষুব্ধ হৈ পৰিল। তেওঁলোকে মাৰাৰ মৃত্যুৰ বাবে জ্বিৰণদিনসকলকে জগৰীয়া কৰিলে, কাৰণ কর্ডেৰ দুজনমান জ্বিৰণদিন নেতাৰ লগত ঘনিষ্ঠতা আছিল।

জ্বিৰণদিন সকলৰ বিৰুদ্ধে অভিযান আৰু তীব্রতৰ হৈ পৰিল।

ঘটনাৰ পাকচক্র দ্রুতগতিত ঘূৰিবলৈ আৰম্ভ কৰিলে।

কনভেনশ্যানে আগৰখন 'কমিটি অব পাব্লিক চেফটি' ভঙ্গ কৰি নতুন এখন নিয়োগ কৰিলে। দাঁ-তঁক এই কমিটিৰপৰা বাদ দিয়া হ'ল। শত্রুৰ লগত আলোচনা-বিলোচনাৰে সময় নষ্ট কৰা আৰু দেশৰ অভ্যন্তৰীণ শান্তি-শৃঙ্খলা ৰক্ষা কৰিবলৈ সমর্থ নোহোৱা বুলি তেওঁৰ ওপৰত অভিযোগ অনা হ'ল। কিন্তু তথাপিও কনভেনশ্যানে তেওঁৰ প্রতি সন্মান জনাই তেওঁক কনভেনশ্যানৰ

অধ্যক্ষ ৰূপে নিৰ্বাচিত কৰিলে। পাছত তেওঁৰ সমৰ্থকসকলৰ চেষ্টাত তেওঁক আকৌ যদিও কমিটিলৈ মনোনীত কৰা হ'ল কিন্তু দাঁ-তঁই নিজে এইবাৰ কমিটিত সোমাবলৈ অমান্তি হ'ল। তেওঁ পেৰিচৰপৰা আঁতৰি তেওঁৰ নিজৰ ঘৰলৈ গুচি গ'ল আৰু প্ৰায় লগে লগেই তেওঁৰ পতন পৰ্বও আৰম্ভ হ'ল। দাঁ-তঁ আঁতৰি যোৱাত ৰবচপিয়েৰ এতিয়া সৰ্ব্বেসৰ্বা হৈ পৰিল। অৱশ্যে যদিও দাঁ-তঁৰ দিনতে ৰবচপিয়েৰ কমিটিলৈ মনোনীত হৈছিল কিন্তু দাঁ-তঁক তেওঁ বলে পৰা নাছিল। এতিয়া তেওঁৰ হাতলৈকে আহিল সৰ্ব্বময় ক্ষমতা।

ৰবচপিয়েৰ আৰু আন এঘাৰজন সদস্যৰ এই কমিটিখন সম্পূৰ্ণ উগ্ৰপন্থী আছিল। বাকী কেইজন মানুহো কঠোৰ আছিল। ফ্ৰান্সক এতিয়া তেওঁলোকে কঠোৰ ভাৱে শাসন কৰিবলৈ আৰম্ভ কৰিলে।

ফ্ৰান্সৰ অৱস্থা তেতিয়া আৰু বেয়া হৈছে। দক্ষিণত ভিৰণদিন সকলৰ নেতৃত্বত বিদ্ৰোহ হৈছে। কেবাখনো প্ৰধান প্ৰধান নগৰ ইতিমধ্যে তেওঁলোকে দখল কৰি লৈছে। কেথলিক ধৰ্মাৱলম্বী বিদ্ৰোহীসকলেও কিছুমান এলাকা কৰায়ত্ব কৰি লৈছে। অৰ্থনীতিত চৰম দুৰ্যোগ তেতিয়া। সকলো অৰ্থ ব্যৱস্থা থানবান হৈ পৰিছে। ফৰাচী প্ৰজাতন্ত্ৰ আৰু বিপ্লৱৰ তেতিয়া ভাগি পৰো পৰো অৱস্থা।

এই পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ নতুন কমিটিয়ে এইবাৰ কিছুমান বৰ কঠোৰ ব্যৱস্থাৰ কথা ঘোষণা কৰিলে। তেওঁলোকে সমগ্ৰ দেশখন ঐক্যবদ্ধ কৰিবলৈ আৰু অভ্যান্তৰীণ শত্ৰু সকলক আয়ত্বলৈ আনিবলৈ সন্ত্ৰাস আৰু কঠোৰ দমননীতি হাতত ল'লে। ফলত সমগ্ৰ দেশজুৰি এক বিৰাট সন্ত্ৰাসৰ সৃষ্টি হ'ল। হাজাৰ হাজাৰ মানুহক হত্যা কৰা হ'ল। কিছুমানক কেৱলমাত্ৰ সন্দেহবশতে মৃত্যুদণ্ড দিয়া হ'ল। এই সন্ত্ৰাসৰ অধ্যায়ৰ বিষয়ে আমি পাছত আলোচনা কৰিম। এই সন্ত্ৰাসে যদিও জীৱন যাপন দুৰ্বিসহ কৰি তুলিলে, মানুহৰ প্ৰাণৰ নিৰাপত্তা নাইকিয়া কৰিলে. কিন্তু এই সন্ত্ৰাস তাৰ মূল লক্ষ্য সাধনত অৱশ্যে সক্ষম হ'ল। ফ্ৰান্সক বাধ্যতামূলক ভাৱে একত্ৰিত কৰি দেশৰ সমস্যাসমূহৰ সমাধানৰ বাবে ই এক ৰাষ্ট্ৰীয় প্ৰচেষ্টা গঢ়ি তুলিলে।

কমিটিয়ে গ্ৰহণ কৰা নতুন সিদ্ধান্ত কেইটা আছিল এনে ধৰণৰ :

প্ৰথমতে, ক'লাবজাৰী, লাভখোৰ ব্যৱসায়ী, ঠগ প্ৰবঞ্চকসকলক সন্দেহ বশতঃ আটক কৰি শাস্তি দিব পৰা ব্যৱস্থা।

দ্বিতীয়তে দেশৰ সকলো বয়সৰ সকলো মানুহকে বাধ্যতামূলকভাৱে সামৰিক বাহিনীৰ কামত মকৰল কৰা। এই বিষয়ে লোৱা সিদ্ধান্তটোৰ মুকলি অনুবাদ তলত দিয়া হ'ল।

"আজি এই মুহূৰ্ত্তৰ পৰা শত্ৰুক ৰিপাব্লিকৰ সীমা বাজ কৰি যেদি নপঠিউৰা পর্য্যন্ত সকলো ফৰাচী লোকক বাধ্যতামূলক ভাৱে সামৰিক বাহিনীৰ কামত মকৰল কৰা হ'ল। ডেকা সকল যাব যুদ্ধ কৰিবলৈ। বিবাহিত গৃহস্থী লোক সকল অস্ত্ৰ-শস্ত্ৰ নিৰ্মাণ আৰু যুঁজৰ ৰচদ-পাতি কঢ়িউৱা কামত লাগিব। মহিলা-সকলে যুঁজৰ পোচাক, টম্বু আদি চিলাব আৰু চিকিৎসালয়বোৰত শুশ্ৰূষা কৰিব। বৃদ্ধ লোক সকলে ৰাজহুৱা ঠাইলৈ গৈ বক্তৃতা আৰু কথা-বাৰ্ত্তাৰে সেনা-সকলক উৎসাহ যোগাব, ৰাজতন্ত্ৰৰ বিৰুদ্ধে ঘৃণা জগাই তুলিব আৰু দেশৰ একতা আৰু সংহতিৰ বাবে চেষ্টা কৰিব।" (ডুবাণ্ট)

এই অভূতপূৰ্ব ব্যৱস্থাৰ প্ৰতি ফৰাচীবাসীয়ে অভূতপূৰ্ব সঁহাৰি জনালে। সকলো ফৰাচী লোকক ই অনুপ্ৰাণিত কৰি তুলিলে। টুয়েৰীৰ ৰাজপ্ৰাসাদৰ বাগিচাত আৰু লাক্সেমবুৰ্গৰ প্ৰমোদ উদ্যানত গঢ়ি তোলা হ'ল নানান বন্দুক-বাৰুদৰ কাৰখানা। এই কাৰখানা বোৰত যুদ্ধৰ বাবে প্ৰয়োজনীয় গুলী-বাৰুদ, তোপ-কামান আদিকে আৰম্ভ কৰি তৈয়াৰ কৰা হ'ল নানা তৰহৰ সা-সৰঞ্জাম। অতি কম সময়ৰ ভিতৰতে ফৰাচী সেনাবাহিনীৰ সংখ্যা পাঁচ লাখ জনলৈ বঢ়াই তোলা হ'ল আৰু বিপ্লৱৰ আদৰ্শৰে অনুপ্ৰাণিত এই সেনাবাহিনীক কঠোৰ অনুশীলনীৰ দ্বাৰা যুদ্ধৰ বাবে প্ৰস্তুত কৰি তোলা হ'ল। ৰচদ-পাতি যোগান ধৰা ঠিকাদাৰবোৰক শাসন কৰি, দুৰ্নীতি নাইকিয়া কৰি সকলো ফালৰ পৰা সামৰিক বাহিনীক শক্তিমন্ত কৰি তোলা কাম আৰম্ভ হ'ল। এই ব্যৱস্থাৰ লগে লগে যুদ্ধৰ ইতিহাসত আৰম্ভ হ'ল এক নতুন অধ্যায়। গণ যুদ্ধ আৰু সম্পূৰ্ণ সমৰৰ (Peoples war and total war) আদৰ্শ ইয়াৰ পৰাই উদ্ভৱ হ'ল বুলি ঐতিহাসিকসকলে কয়।

১৭৯৩ চনৰ ১৭ চেপ্টেম্বৰৰ দিনা 'ল অব চাচপেক্টচ' বুলি এখন নতুন আইন প্ৰণয়ন কৰা হ'ল। এই আইনত যি কোনো লোকক ইচ্ছামতে আটক কৰি শাস্তি দিব পৰা হ'ল। শাসকসকলে যিবোৰ লোকক সন্দেহজনক বুলি ভাবিছিল বা যিবোৰ লোকক বেয়া পাইছিল, দেখিব নোৱাৰিছিল, এতিয়া তেনে সকলোকে সহজতে আটক কৰিব পৰা হ'ল। দেশলৈ ঘূৰি অহা দেশত্যাগী, ভেণ্ডলোকৰ পৰিয়ালৰ লোক সকল, যাজক, কামৰ পৰা নিলম্বিত হৈ

থকা চৰকাৰী বিষয়া সকলৰ বিৰুদ্ধে এইবাৰ পূৰাদমে অভিযান আৰম্ভ হ'ল। দেশৰ বন্দীশালবোৰ এনে বন্দীৰে ঠাঁহ খাই পৰিল। বুৰ্জোৱা সকলৰ বহুতকে আটক কৰা হ'ল আৰু আটক কৰা লোক সকলৰ সা-সম্পত্তিবোৰ কৰা হ'ল বাজেয়াপ্ত। আৰু সেইবোৰ পঠিউৱা হ'ল ৰাষ্ট্ৰীয় কোষাগাৰলৈ। সন্ত্ৰাস আৰু আটক কাৰ্য এতিয়া বৰ লাভজনক হৈ পৰিল। বাজেয়াপ্ত সম্পত্তিৰপৰা যুদ্ধ চলাবলৈ বহুত অৰ্থ গোট খালে।

এই সময়তে এটা ডাঙৰ ঘটনা ঘটিল। সন্ত্ৰাসৰ নাটকখনৰ ই এটা শীৰ্ষবিন্দু। এই ঘটনা হ'ল সম্ৰাজ্ঞী আৰু জিৰণদিন সকলৰ বিচাৰ।

পেৰিচৰ জনতা আৰু উগ্ৰপন্থী নেতাসকলে সম্ৰাজ্ঞীৰ বিচাৰৰ বাবে বহুদিনৰপৰা দাবী তুলি আহিছে। সাধাৰণ মানুহে ৰাণীক আগৰপৰা ভাল নাপাইছিল। বিয়াৰ পাছত ৰাণীৰ অহঙ্কাৰ, অমাৰ্জিত আচৰণ, অত্যধিক লাহ-বিলাহৰ বাবে মানুহে তেওঁক বেয়া পাইছিল। পাছত বিপ্লৱৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰা বুলি আৰু সম্ৰাট লুইক ফ্ৰান্সৰ সৰ্ব্বময় শাসক ৰূপে প্ৰতিষ্ঠা কৰিবলৈ ককায়েক অষ্ট্ৰিয়াৰ সম্ৰাটৰ লগত যোগাযোগ কৰা বুলি সন্দেহ কৰিছিল। সেয়ে এতিয়া ৰাণীক বিচাৰ কৰি শাস্তি বিহিবলৈ তেওঁলোকে দাবী জনালে।

অৱশেষত মেৰী এটোৱানেটৰ বিচাৰ হ'ল। বিৰাট দীঘলীয়া আছিল এই বিচাৰ। পুৱাৰপৰা গধূলিলৈকে ৰাণীক অসংখ্য প্ৰশ্ন কৰি ব্যতিব্যস্ত কৰি তোলা হৈছিল। মাজে মাজে ৰাণীক তিৰস্কাৰ আৰু অপমানো কৰা হৈছিল। কিন্তু বিচাৰৰ সময়ত ৰাণী আছিল ধীৰ-স্থিৰ। সকলোবোৰ প্ৰশ্নৰে তেওঁ লাহে লাহে উত্তৰ দি গৈছিল।

ৰাণীৰ বিচাৰ লৈ সেই সময়ত নানান জল্পনা কল্পনা চলিছিল। নানা জনে নানা মত দিছিল। বহুতে কৈছিল ৰাণীক মৃত্যুদণ্ড দিয়াটো উচিত নহ'ব, কাৰণ তেতিয়া অষ্ট্ৰিয়াৰ লগত বিবাদ চিৰস্থায়ী হোৱাৰ আশঙ্কা। আন বহুতে আকৌ অষ্ট্ৰিয়াৰ লগত শান্তি চুক্তি কৰাৰ সময়ত ৰাণীক পণ হিচাপে ৰাখিব লাগে বুলি কৈছিল। কিন্তু পেৰিচ কমিউনৰ নেতাসকল আৰু পেৰিচৰ জনতাই বিচাৰিলে ৰাণীৰ মৃত্যুদণ্ড। অৱশেষত তেওঁলোকৰ দাবীয়েই ৰহিলগৈ আৰু ১৭৯৩ চনৰ ১৫ অক্টোবৰৰ দিনা পেৰিচত প্ৰকাশ্যে ৰাণীৰ শিৰচ্ছেদ কৰা হ'ল।

মৃত্যুৰ আগতে ৰাণীয়ে বান্ধৱী এগৰাকীক তেওঁৰ আঠবছৰীয়া পুতেক ৰাজকুমাৰ লুই চাৰ্লচক ক'বলৈ ক'লে, মোৰ পুত্ৰই যাতে দেউতাকে শেষ

সময়ত কৈ যোৱা কথাষাৰ কেতিয়াও নাপাহৰে,—'মোৰ মৃত্যুৰ বাবে যেন কোনো প্ৰতিশোধ লোৱা নহয়।"

ৰাণীৰ প্ৰাণদণ্ডৰ পাছত বিপ্লৱী ট্ৰাইবুনালে জিৰণদিন আৰু অভিজাত সকলকো বিচাৰ কৰি মৃত্যুদণ্ড দিবলৈ আৰম্ভ কৰিলে। বৃচটকে আদি কৰি জিৰণদিন নেতাসকলে গিলটিনত প্ৰাণ হেৰুৱালে। সু-সাহিত্যিকা মাডাম ৰ'লাকো প্ৰাণদণ্ড দিয়া হ'ল। মাডাম ৰ'লাই মৃত্যুৰ আগে আগে নিজৰ ডায়েৰিত লিখিছিল—

"মোৰ আৰু এই আত্মস্মৃতিবোৰ লিখিবৰ মন নোযোৱা হৈছে। মোৰ দুখুনী দেশৰ এই দুৰৱস্থাই মোক কাহিল কৰি পেলাইছে, মোৰ আত্মাক শ্বাসৰুদ্ধ কৰিছে, মোৰ কল্পনা মষিমূৰ কৰিছে। ফ্ৰান্স আজি হত্যা আৰু অত্যাচাৰৰ বিৰাট এক ৰম্যভূমিত পৰিণত হৈছে, চাৰিওফালে কেৱল সন্ত্ৰাসৰ ৰাজত্ব। ফৰাচী সন্তানসকল ৰক্তপাতত মত্ত হৈ উঠিছে। এই বৰ্বৰ যুগটোৰ কথা ইতিহাসে বাৰু কি বুলি বৰ্ণনা কৰিব? নোৱাৰিব ইয়াৰ দানৱ-সকলক আৰু তেওঁলোকৰ বৰ্বৰতাক বৰ্ণনা কৰিবলৈ। ৰোম আৰু বেবিলনৰ অত্যাচাৰে পেৰিচক চেৰ পেলাব পাৰিবনে?"

প্ৰকাশ্য বধ্যভূমিলৈ লৈ যাওঁতে মাডাম ৰ'লাই সমবেত জনতাৰ আগত প্লাচ-ড্যা-লা-ৰিভলিউচিয়ঁত থকা ডেভিদৰ সুমহান ভাস্কৰ্য্য 'স্বাধীনতাৰ' মূৰ্ত্তিটোৰ ফালে চাই কৈ উঠিল, "হে স্বাধীনতা, তোমাৰ নামত এয়া কি ভয়াবহ অপৰাধ সংঘটিত হৈছে?"

মাডাম ৰ'লাৰ মৃত্যুৰ বাতৰিত তেওঁৰ স্বামীয়ে আত্মহত্যা কৰিলে। মৃত্যুদণ্ডৰপৰা সাৰিবলৈ তেওঁ আগতেই পলাই গৈছিল। মাডাম পেৰিচত ৰৈ গৈছিল তেওঁৰ স্বামীক বচাবৰ শেষ চেষ্টা কৰিবলৈ। আন বহুত জিৰণদিন নেতাইয়ো ধৰা দিয়াতকৈ আত্মহত্যাৰ পথকেই বাছি ললে।

দিনে দিনে ফ্ৰান্সত হত্যা আৰু সন্ত্ৰাসৰ প্ৰকোপ বাঢ়ি গ'ল। পেৰিচৰ প্ৰথম বিপ্লৱী মেয়ৰ বেইলী, ফিলিপ ইগালটি (বিপ্লৱক সমৰ্থন জনোৱা সম্ৰাটৰ ভায়েক), এনটইনী বাৰণেভ, জেনেৰেল কষ্টিন, হকাৰ্ড কোনো সাৰি যোৱা নাছিল। এই সৰ্বগ্ৰাসী সন্ত্ৰাসৰ সময়ত দাঁ-তঁ, ডেচমলিন, পেৰিচ কমিউনৰ নেতা হেবাৰৰ তেজেৰেও গিলটিনৰ ক্ষুৰধাৰ ফলক ৰাঙলী হৈ পৰিছিল। সন্ত্ৰাসৰ ঢৌৱে গোটেইখন বুৰাই পেলাইছিল। দাঁ-তঁ, যাৰ দিনতেই প্ৰথমে সন্ত্ৰাস আৰম্ভ হৈছিল, তেওঁকো মৃত্যুদণ্ডৰে দণ্ডিত কৰা হ'ল। অৱশেষত

ৰবচপিয়েৱ, যি তেওঁৰ প্ৰতিদ্বন্দ্বীসকলক গিলটিনলৈ পঠাইছিল, সন্ত্ৰাসৰ ৰাজত্বৰে সমগ্ৰ দেশৰ বধ্যভূমিবোৰত তেজৰ নদী বোৱাইছিল, নিজেই গিলটিনৰ আগত থিয় হ'ব লগা হৈছিলগৈ। সেয়া এক সুকীয়া ইতিহাস— তাৰ বিষয়ে আমি পাছত পাম।

সন্ত্ৰাসৰ ৰাজত্ব আৰু হত্যাৰ নমুনা দেখি নিৰাশ হৈ পৰা কনভেনশ্যনৰ নেতা এজনে কৈছিল :

"বিপ্লৱে নিজৰ সন্তান সকলকে গিলি পেলাইছে।"

ৰবচপিয়েৰৰ ঘটনাবহুল এবছৰীয়া শাসনকালত বিপ্লৱে সঁচাকৈয়ে আটাইতকৈ সুদক্ষ, জ্ঞানী আৰু জনপ্ৰিয় লোকসকলক মৃত্যুৰ মুখলৈ আগ বঢ়াই দিছিল।

চতুৰ্বিংশ অধ্যায়

"মেক্সিমিলিয়ান ড্য ৰবচপিয়েৰ"

মেক্সিমিলিয়ান ড্য ৰবচপিয়েৰ ফৰাচী বিপ্লৱৰ এটা ঘটনাবহুল আৰু বহু বিতৰ্কিত চৰিত্ৰ। দাঁ-তঁৰ পতনৰ পাছত ফ্ৰান্সৰ সৰ্ব্বময় ক্ষমতা অধিকাৰ কৰা ৰবচপিয়েৰৰ এবছৰীয়া শাসনকাল বিপ্লৱৰ চৰম সাফল্য—বিশেষকৈ সামৰিক সাফল্য আৰু আনহাতে বিপ্লৱৰ আটাইতকৈ নৃশংস সন্ত্ৰাসৰ যুগ।

ৰবচপিয়েৰ আছিল চুটি-চাপৰ মানুহ। তেওঁ মুঠে পাঁচ ফুট তিনি ইঞ্চি ওখ, নাপলেয়ঁতকৈও এক ইঞ্চি চাপৰ। দেখিবলৈকো তেওঁ ভাল নহয়— গোটেই মুখখন গুটি আইৰ সাঁচেৰে ভৰা। তেওঁ জীৱন যাপনো কৰিছিল অতি সাধাৰণ ভাৱে। আমোদ-প্ৰমোদ, লাহ-বিলাহৰ পৰা তেওঁ সদায় দূৰত আছিল। সংসদী সদস্যৰ অতি তাকৰীয়া বেতনেৰেই তেওঁ সুন্দৰকৈ চলি গৈছিল। কিন্তু সাধাৰণ ভাৱে থাকিলেও পিন্ধা-উৰাত তেওঁ বৰ পৰিপাটি আৰু চাফচিকুণ আছিল। কাৰো ইস্ত্ৰী কৰা পোচাকৰ বাহিৰে তেওঁৰ অন্য সাজত কোনেও নেদেখে। তেওঁৰ বন্ধু-বান্ধৱ সকলো আছিল সাধাৰণ

শ্ৰমজীৱী মানুহ। অত্যধিক অনুশাসন প্ৰিয় ৰবচপিয়েৰে আনক সদায় অনুশাসন আৰু নিয়মানুবৰ্ত্তিতাৰ বিষয়ে উপদেশ দিছিল আৰু নিজেও আনক দিয়া উপদেশবোৰ মানি চলিছিল। অন্যান্য নেতাসকলৰ দৰে তেওঁ কেৱল উপদেশ দিয়ে ক্ষান্ত নাথাকিছিল। টকা-পইচাৰ ক্ষেত্ৰতো তেওঁ বৰ হিচাপী, ৰাজহুৱা ধনৰ এটা ফুটাকড়িও তেওঁ কেতিয়াও হেৰফেৰ হ'বলৈ নিদিয়ে। দুৰ্নীতিমুক্ত, চৰিত্ৰবান মানুহ বুলি ৰবচপিয়েৰৰ সুখ্যাতি আছিল আৰু তেওঁৰ ঘোৰতৰ শত্ৰুসকলেও তেওঁক কেতিয়াও দুৰ্নীতি পৰায়ণ বুলি অভিযুক্ত কৰিব পৰা নাছিল ; নৈতিক দিশৰ পৰাও তেওঁ আছিল কলঙ্কমুক্ত। এজন চিত্ৰকাৰে এবাৰ ৰবচপিয়েৰৰ ছবি এখন আঁকি তলত লিখি দিছিল—"দুৰ্নীতিয়ে যাক স্পৰ্শ কৰিব নোৱাৰে।"

১৭৫৮ চনত আৰাত ৰবচপিয়েৰৰ জন্ম হয়। সাত বছৰ বয়সতে তেওঁ মাকক হেৰুৱায়। দেউতাক আগতেই জাৰ্মানিলৈ গৈ নিখোজ হয়। আত্মীয় স্বজনৰ তত্বাৱধানত তেওঁ ডাঙৰ-দীঘল হয়।

সৰুৰে পৰা ৰবচপিয়েৰৰ পঢ়াশুনাৰ প্ৰতি অসীম ধাউতি, খুব কম বয়সতেই তেওঁ নানা তৰহৰ বহুত কিতাপ পঢ়ি শেষ কৰে। স্কুলত প্ৰতিবছৰেই তেওঁ পৰীক্ষাত সুনাম কৰি ছাত্ৰবৃত্তি পাবলৈ সক্ষম হৈছিল। অতি কম বয়সতে আইন পঢ়ি তেওঁ সফল আইনজ্ঞৰূপে পৰিগণিত হৈছিল।

ৰবচপিয়েৰ আছিল এজন শক্তিশালী বক্তা। নেশ্বনেল এচেম্বলীত তেওঁ অকলেই পাঁচশবাৰ ভাষণ দিছিল। তেওঁৰ বক্তৃতাবোৰ সাধাৰণতে দীঘলীয়া আৰু নিৰস আছিল যদিও পৰিসংখ্যা আৰু তথ্যপাতিৰ ফালৰ পৰা সদায় সত্য আৰু সমৃদ্ধ আছিল। তেওঁ নিজে কোৱা সকলোবোৰ কথাই তেওঁ বিশ্বাস কৰিছিল। নিজে পতিয়ন যাব নোৱাৰিলে তেওঁ কোনো কথাই নকৈছিল। মিৰাবিৱে এবাৰ কৈছিল, "এই মানুহজনে জীৱনত বহুত উন্নতি কৰিব। তেওঁ কোৱা প্ৰতিটো কথাই তেওঁ নিজে বিশ্বাস কৰে।"

প্ৰজাতন্ত্ৰী আদৰ্শৰ প্ৰতি ৰবচপিয়েৰৰ আছিল অটল বিশ্বাস। ৰুচোৰ আদৰ্শই তেওঁক গভীৰভাৱে প্ৰভাৱিত কৰিছিল। ৰুচোৰ সাম্য, মৈত্ৰী আৰু স্বাধীনতাৰ আদৰ্শ, আইন-কানুন বিষয়ক চিন্তাধাৰা, ধৰ্মৰ আৱশ্যকীয়তা সম্পৰ্কে ৰুচোৰ মতবাদ সকলোবোৰেই কমবেছি পৰিমাণে ৰবচপিয়েৰে গ্ৰহণ কৰিছিল। "ৰুচোৰ দৰে তেওঁ বিশ্বাস কৰিছিল যে সকলো মানুহেই মূলতে ভাল আৰু General will বা সাধাৰণ মানুহৰ ইচ্ছাই দেশৰ আইন হোৱা

উচিত। আৰু এই ইচ্ছাৰ বিৰুদ্ধাচৰণ কৰা প্ৰতিজন লোকক কঠোৰ শাস্তি আনকি মৃত্যুদণ্ডও দিয়াটো প্ৰয়োজন। ৰুচোৰ দৰে তেওঁ বিশ্বাস কৰিছিল যে মনৰ শান্তি, সামাজিক শৃঙ্খলা, নিৰাপত্তা আৰু দেশৰ অস্তিত্বৰ বাবে এক সবল ধৰ্মীয় বিশ্বাস অপৰিহাৰ্য্য।" (ডুৰাণ্ট)। সেয়ে হয়তো ১৭৯৪ চনত ৰবচপিয়েৰে ফ্ৰান্সত কেথলিক খৃষ্টান ধৰ্মৰ চেইণ্ট সকলৰ উচব-পৰবৰ পৰিবৰ্তে যুক্তি দিয়া আৰু 'প্ৰকৃতিৰ' উপাসনাৰ ওপৰত ভিত্তি কৰি এক নতুন আৰু সবল ধৰ্ম প্ৰৱৰ্ত্তনৰ চেষ্টা কৰিছিল।

বুৰঞ্জীবিদ এইচ, এ, এল ফিশ্বাৰে ফৰাচী বিপ্লৱৰ ৰুচোক মাৰ্ক্সৰ লগত আৰু ৰবচপিয়েৰক লেনিনৰ লগত ৰিজাইছে। "তেওঁ (ৰবচপিয়েৰ) আছিল লেনিনৰ নিচিনা, বিপ্লৱৰ আদৰ্শৰ প্ৰতি তওঁৰ অটল বিশ্বাস আছিল। ৰুচ ৱিপ্লৱত কাৰ্ল মাৰ্ক্সৰ যি স্থান, ফৰাচী বিপ্লৱত ৰুচোৰো স্থান একে।" ফিশ্বাৰৰ এই মন্তব্য কেৱল উপৰুৱা আৰু অসম্পূৰ্ণই নহয়, ই অসঙ্গতো, কাৰণ দুটা বিভিন্নমুখী ৰাজনৈতিক মতবাদত বিশ্বাসী দুজনমান নেতাৰ উপৰুৱা সাদৃশ্য-খিনিহে ই মাত্ৰ দেখুৱাইছে।

ৰবচপিয়েৰে সদায় সাধাৰণ মানুহৰ সপক্ষে, তেওঁলোকৰ ন্যায্য অধিকাৰৰ বাবে, জনগণৰ স্বাৰ্থৰক্ষাৰ কাৰণে সংগ্ৰাম কৰিছিল। তেওঁ সদায় সাৰ্বজনীন প্ৰাপ্তবয়স্কৰ ভোটাধিকাৰৰ সপক্ষে মাত মাতি আহিছিল। সাধাৰণ শ্ৰমজীৱী মানুহৰ জীৱনযাত্ৰা সহজ আৰু সহনীয় কৰি তুলিবলৈ দেশত কৃত্ৰিম অনাটনৰ সৃষ্টি কৰা লাভখোৰ বেপাৰী বোৰৰ বিৰুদ্ধে তেওঁ ক্ষমতাত থকাৰ কালত কেবাটাও কঠোৰ ব্যৱস্থা লয়। জনতাৰ পক্ষ লৈ তেওঁ কৈছিল, "মানুহৰ মূল আৰু প্ৰধান অধিকাৰ কি? সি হ'ল জীয়াই থকাৰ অধিকাৰ। গতিকে যি ব্যৱস্থাই সমাজৰ প্ৰতিজন ব্যক্তিক জীয়াই থকাৰ অধিকাৰ দিয়ে, সিয়েই মূল সামাজিক ব্যৱস্থা। বাকী সকলোবোৰ এই ব্যৱস্থাৰ অধীন।" কিন্তু সাধাৰণ মানুহৰ পক্ষ ল'লেও তেওঁ কিন্তু সাধাৰণ মানুহক বিশ্বাস নকৰিছিল। সম্ৰাটৰ বিচাৰ প্ৰসঙ্গত যেতিয়া জিৰণদিন সকলে গণভোটৰ প্ৰস্তাৱ তুলিছিল, ৰবচপিয়েৰে তাৰ ঘোৰ বিৰোধিতা কৰি কৈছিল, "সমাজত প্ৰকৃত প্ৰজাতন্ত্ৰী সকল সদায়েই সংখ্যালঘু।" অৰ্থাৎ ৰাজতন্ত্ৰক শেষ কৰা আৰু ৰজাক শাস্তি দিয়া কাৰ্যত জনসাধাৰণক বিশ্বাস কৰিব নোৱাৰি। কি ঠিক? হয়তো ৰজাৰ প্ৰতি সহানুভূতিত, অনুকম্পাত তেওঁলোকে ৰজাৰ সপক্ষেও ভোট দিব পাৰে।

ৰবচপিয়েৰে ব্যক্তিগত সম্পত্তিত বিশ্বাস কৰিছিল। কিন্তু এই সম্পত্তিৰ অধিকাৰ আইনৰ দ্বাৰা সীমিত ৰখাটো বিচাৰিছিল। ব্যক্তিগত সম্পত্তিৰ লালসাই যাতে সমাজত অসমানতা আৰু শোষণৰ জন্ম দিব নোৱাৰে তাৰ ব্যৱস্থা ল'বলৈ তেওঁ বাৰে বাৰে কৈছিল। তেওঁ বিশ্বাস কৰিছিল যে ৰাজহুৱা জীৱন দুৰ্নীতি মুক্ত ৰাখিবলৈ ব্যক্তিগত সম্পত্তিৰ প্ৰয়োজনীয়তা আছে কাৰণ সম্পত্তিশালী লোকসকলক দুৰ্নীতিয়ে সহজে আকৰ্ষণ নকৰে।

প্ৰথম অৱস্থাত অৱশ্যে ৰবচপিয়েৰে সাংবিধানিক ৰাজতন্ত্ৰৰ আদৰ্শৰ প্ৰতি সমৰ্থন জনাইছিল কিন্তু পাছত তেওঁ হৈ উঠিছিল ইয়াৰ ঘোৰ বিৰোধী আৰু তেতিয়া তেওঁ ৰাজতন্ত্ৰী আৰু জিৰণদিন সকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা হাতত লৈছিল। যেতিয়ালৈকে তেওঁ ক্ষমতালৈ অহা নাছিল তেতিয়ালৈকে তেওঁ বিৰোধী সকলক সহ্য কৰিছিল। আনকি এবী ৰিণাল বোলা দাৰ্শনিক এজনে বিপ্লৱী চৰকাৰৰ দমন নীতি আৰু সন্ত্ৰাসৰ প্ৰবল বিৰোধিতা কৰা সত্বেও ৰবচপিয়েৰৰ হস্তক্ষেপতে তেওঁ গ্ৰেপ্তাৰৰ পৰা অব্যাহতি পাইছিল কিন্তু পাছৰ কালত ৰাজনৈতিক প্ৰতিদ্বন্দ্বী আৰু বিৰোধীসকলৰ প্ৰতি ৰবচপিয়েৰে কোনো অনুকম্পা দেখুউৱা নাছিল। দাঁ-তঁ, ডেচমলিন, হেবাৰ সকলোকে তেওঁ হেলাৰঙে গিলটিনলৈ পঠিয়াইছিল। তেওঁৰ দিনতে সন্ত্ৰাসৰ ৰাজত্বই চূড়ান্ত পৰ্যায় পাইছিলগৈ। কিন্তু এনে অভ্যন্তৰীণ ৰক্তপাত আৰু সন্ত্ৰাস সত্বেও ৰবচপিয়েৰৰ শাসন কালত ফ্ৰান্সত বহুত কাম হ'ল। সন্ত্ৰাসৰ জৰিয়তে দেশখন ঐক্যবদ্ধ হ'ল। অৰ্থনীতিৰ ওপৰত ৰাষ্ট্ৰীয় নিয়ন্ত্ৰণ লগাই অৰ্থব্যৱস্থা সুস্থিৰ কৰিবলৈ চেষ্টা চলোৱা হ'ল আৰু নিত্যপ্ৰয়োজনীয় বস্তুৰ সৰ্বোচ্চ দাম আৰু শ্ৰমিকৰ মজুৰিৰ হাৰ বান্ধি দিয়া হ'ল। এই আটাইবোৰ ব্যৱস্থা অৱশ্যে সফল হোৱা নাছিল, শ্ৰমিকসকল আৰু সাধাৰণ জনতাৰো সকলো ক্ষেত্ৰতে খুব এটা উপকাৰ কৰিবও পৰা নাছিল, কিন্তু দেশৰ যুদ্ধকালীন পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ লোৱা এই কাৰ্যপন্থাবোৰে দেশৰ শাসন কটকটীয়া কৰি তোলাত সহায় নকৰা নহয়। এই বিষয়ে আমি পাছৰ অধ্যায় বোৰত কিছু কথা পাম। ইয়াৰ উপৰিও এই সময় ছোৱাত ফৰাচী সেনাবাহিনীয়ে বহুত চমকপ্ৰদ সামৰিক বিজয় লাভ কৰিবলৈ সক্ষম হয়। লিয়ঁত ৰাজতন্ত্ৰী সকলৰ বিদ্ৰোহ দমন, টুলঁ বন্দৰ পুনৰ অধিকাৰ, ডিউক অব য়ৰ্কৰ সেনাবাহিনীৰ আক্ৰমণ প্ৰতিহত, বেলজিয়াম দখল, হলেণ্ড আক্ৰমণ, ফৰাচী ভূমিৰ পৰা বিদেশী সেনা

বাজ কৰি দিয়া, বাধ্যতামূলক সাৰ্বজনীন সামৰিক সেৱা আদি বহুতো উল্লেখযোগ্য কাম এই ঘটনাবহুল বছৰটোত হয়।

কিন্তু ৰবচপিয়েৰে সন্ত্ৰাসৰ মাত্ৰা ইমান বঢ়াই নিলে যে শেষলৈ সি নিৰপেক্ষ লোকসকল, কনভেনশ্যনৰ সদস্যসকল আৰু সাধাৰণ মানুহক বিতুষ্ট কৰি তুলিলেগৈ। তেওঁলোকে ক্ৰমান্বয়ে ৰবচপিয়েৰক ঘৃণা কৰিবলৈ আৰম্ভ কৰিলে আৰু শেষত তেওঁৰ স্বৈৰাচাৰৰ বিৰুদ্ধে বিদ্ৰোহ কৰিলেগৈ। বালীলৈ যি পাত শৰ সুগ্ৰীবলৈকো একেপাট শৰ; যি গিলটিনত ৰবচপিয়েৰৰ বিৰোধী সকলক হত্যা কৰা হৈছিল সেই গিলটিনৰ ক্ষুৰধাৰ ফলকৰ আঘাততে অৱশেষত তেওঁৰো মৃত্যু হ'ল।

ৰবচপিয়েৰৰ পতনৰ লগে লগে প্ৰকৃততে বিপ্লৱৰো অস্ত পৰে। তেওঁৰ মৃত্যুৰ পাছত দেশৰ শাসন ক্ষমতা আকৌ বুৰ্জোৱা শ্ৰেণীটোৰ দখললৈ গ'ল। জিৰণদিন সকলক পুনৰ সংস্থাপিত কৰা হ'ল। মালিকসকলে শ্ৰমিকসকলৰ ওপৰত চলোৱা অত্যাচাৰ বাঢ়িবলৈ ধৰিলে। বিপ্লৱী পেৰিচ কমিউনক ধ্বংস কৰা হ'ল। শাসকসকলৰ ব্যক্তিগত স্বাৰ্থৰ সংঘাত আৰু সোপাটিলা শাসনৰ ফলত দেশত অনিশ্চয়তা, অস্থিৰতা, শৃঙ্খলাহীনতা বাঢ়ি আহিবলৈ ধৰিলে আৰু এই পৰিবেশত নাপলেয়ঁ ব'নাপাৰ্টৰ উত্থানৰ মাজেদি দেশত একনায়কত্ববাদী শক্তি সমূহে মূৰ দাঙি উঠিবলৈ সুবিধা পালে।

সেয়া অন্য এক ইতিহাস। তাৰ পটভূমি আৰু ঘটনাৱলী আমি ক্ৰমান্বয়ে পাই যাম।

পঞ্চবিংশ অধ্যায়

সন্ত্ৰাস আৰু ৰবচপিয়েৰৰ শাসনকাল

"তোমালোকৰ এইখন একো গণতান্ত্ৰিক দেশ নহয়।" জেকৃচ ৰক্স বোলা বিপ্লৱী নেতা এজনে ক'লে। "কিয়নো, তোমালোকে ধনী লোকসকলৰ বিৰুদ্ধে একো ব্যৱস্থা লোৱা নাই। যোৱা চাৰিবছৰে বিপ্লৱৰ সকলোখিনি লাভ ধনী লোকসকলেই ভোগ কৰিছে। পুৰণা অভিজাত সকলতকৈও ভয়ঙ্কৰ এই নতুন বেপাৰী অভিজাত সকলে আমাক আজি শোষণ কৰিছে।

তাঁহাতৰ লোভ-লালসাৰ কোনো সীমা নাই। সেয়ে বস্ত্ৰ-বস্তুৰ দাম বাঢ়িয়েই আছে। এই লাভখোৰবিলাকে আৰু শ্ৰমিক সকলৰ মাজৰ জীৱনমৰণ সংঘৰ্ষৰ ওৰ পেলাবই লাগিব—মানুহৰ জীৱনতকৈ সেই বদমাচবোৰৰ সম্পত্তি বেছি মূল্যবান হ'লনে? জীৱনৰ নিত্যপ্ৰয়োজনীয় বস্ত্ৰ-বস্তুৰ বিতৰণ ব্যৱস্থা চৰকাৰৰ পৰিচালনাৰ অধীন হোৱা উচিত, যেনেদৰে সামৰিক বাহিনী চৰকাৰৰ অধীন। সমগ্ৰ ব্যৱস্থাটোৰ সলনি নকৰাকৈ কেৱল ধনীবোৰৰ ওপৰত বেছিকৈ কৰ-কাটল বহুৱালেই কাম নহয়, কাৰণ সেইবোৰ সুদেমূলে সিহঁতে আকৌ সাধাৰণ মানুহৰ পৰা উঠাই ল'ব। এনেধৰণৰ শোষণৰ ব্যৱস্থাটোকে শেষ কৰাৰ প্ৰয়োজন।"

অৰ্থনৈতিক অস্থিৰ অৱস্থাই ফ্ৰান্সত নানা খেলিমেলিৰ সৃষ্টি কৰিলে। ব্যৱসায়ী সকলৰ চক্ৰান্তত কৃত্ৰিম অনাটনৰ সৃষ্টি হ'ল। আনফালে বহিঃ শত্ৰুৰপৰাও দেশ বিপৰ্য্যস্ত। এই পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ শাসক-সকলে বাট বিচাৰিলে। বহুতো উগ্ৰপন্থীয়ে অকৰ্মণ্য চৰকাৰক ওফৰাই শ্ৰমিকসকলক শাসন ক্ষমতা কৰায়ত্ব কৰিবলৈ উচটাইছে। কেনেদৰেনো এই লাভখোৰ, দুৰ্নীতিপৰায়ণ লুভীয়া বেপাৰীবোৰক বশ কৰি অৰ্থনীতি সুস্থিৰ কৰি দেশত শান্তি প্ৰতিষ্ঠা কৰা যায়? এজন সদস্যই ক'লে, "সন্ত্ৰাস"; সন্ত্ৰাসৰ জৰিয়তে এই কাম কৰা উচিত। লাভখোৰ চোৰাং কাৰবাৰী সকলৰ মনত ভয় সুমুৱাই দিহে তাঁহাতক দমাব পৰা যাব।" পেৰিচৰ মেয়ৰে কনভেনশ্বনলৈ এটা সজাতি দলৰ নেতৃত্ব কৰি দাবী তুলিলে, "এটা বিপ্লৱী সেনা বাহিনীয়ে এডাল চলমান গিলটিনৰ সৈতে সমগ্ৰ ফ্ৰান্সত পৰিভ্ৰমণ কৰি সকলো জিৰণদিন, লাভখোৰ, মজুতকাৰীক মৃত্যুদণ্ড দিয়ক।"

বচ। লগে লগে সন্ত্ৰাসৰ যুগ আৰম্ভ হ'ল।

১৭ চেপ্টেম্বৰত 'ল অব চাচপেক্টচ' খন গৃহীত হোৱাৰ লগে লগে সন্ত্ৰাস বাঢ়িবলৈ ধৰিলে আৰু ৰাণী আৰু জিৰণদিন নেতাসকলৰ বিচাৰ আৰু মৃত্যুদণ্ডৰ লগে লগে সমগ্ৰ ফ্ৰান্সতে পূৰ্ণ গতিত সন্ত্ৰাস আৰম্ভ হ'ল।

ব্ৰিল ড্ৰুৰাণ্টে লিখিছে: "It was in this atmosphere of foreign invasion, and of a revolution within the revolution, that the committee of Public safety built and guided the armies that led French to victory, and the machinery of terror that forged a distraught nation into unity."

সাৰ্ব্বজনীন বাধ্যতামূলক সামৰিক সেৱা প্ৰৱৰ্ত্তন কৰা হ'ল। সামৰিক বাহিনীক শক্তিশালী কৰা হ'ল। বেপাৰীবোৰক শাসন কৰি অৰ্থনীতি টনকিয়াল কৰিবলৈ চেষ্টা কৰা হ'ল সন্ত্ৰাসৰ জৰিয়তে। সন্ত্ৰাসবাদ দেশ শাসনৰ ৰাষ্ট্ৰীয় নীতিলৈ ৰূপান্তৰিত হ'ল।

সন্ত্ৰাস সাৰ্ব্বজনীন হৈ পৰিল। দাঁ-তঁ, ৰবচপিয়েৰে দুয়ো এই নীতিৰ প্ৰতি সমৰ্থন জনালে। তেওঁলোক অনুভৱ কৰিলে যে দেশৰ ভাঙনমুখী পৰিস্থিতিৰ জোৰা মৰাৰ বাবে সন্ত্ৰাসবাদ ৰৰ কাৰ্য্যকৰী আহিলা হৈ পৰিছে। ইয়াৰ সহায়েৰে নানান অসাধ্য সাধন কৰিব পাৰি—শত্ৰু সকলক বাটৰ পৰা আঁতৰ কৰিব পাৰি আৰু যুদ্ধকালীন দেশখন সহজে নিয়ন্ত্ৰণ কৰিব পাৰি।

পেৰিচ আৰু ফ্ৰান্সৰ বুকুত সেয়ে আৰম্ভ হ'ল সন্ত্ৰাসৰ ৰাজত্ব। বিপ্লৱৰ নতুন এটা অধ্যায়ৰ আৰম্ভ হ'ল। আটাইতকৈ ঘৃণনীয়, নৃশংস, ৰক্তাক্ত এই অধ্যায়ত আছে সামৰিক বিজয়ৰ চমকপ্ৰদ কৃতিত্ব।

'কমিটি অৱ পাব্লিক চেফটি'ৰ পৰা দাঁ-তঁ ইতিমধ্যে বাদ পৰিছে। ৰবচপিয়েৰ আৰু তেওঁৰ সহকৰ্ম্মী সকলে এতিয়া শাসন আৰু সন্ত্ৰাসৰ বাঘজৰী হাতত ল'লে।

পেৰিচত জিৰণ্দিন নেতাসকলক হত্যা কৰাৰ পাছতো ফ্ৰান্সৰ অন্য ঠাইত বিশেষকৈ দক্ষিণ ফ্ৰান্সত জিৰণ্দিনসকল থাকি গ'ল। বহু ঠাইত কেথলিক যাজক আৰু অভিজাতসকলৰ সহায়ত তেওঁলোক শক্তিশালী হৈ উঠিল। তেওঁলোকক দমোৱা প্ৰয়োজন হ'ল, নহ'লে যে ফ্ৰান্সৰ একতা বজাই ৰখাই টান হ'ব। কাৰণ এই জিৰণ্দিনসকলে ইতিমধ্যে প্ৰাদেশিক স্বায়ত্বশাসনৰ দাবী তুলিবলৈ আৰম্ভ কৰিলে। সেয়ে কমিটিয়ে বিভিন্ন অঞ্চললৈ প্ৰতিনিধি পঠিয়াবলৈ আৰম্ভ কৰিলে। এই প্ৰতিনিধি বা 'ৰিপ্ৰেজেনটেটিভ অন মিশ্যন' সকলে ফ্ৰান্সৰ সকলোফালে কনভেনশ্যনৰ শাসন আৰু সন্ত্ৰাস বিয়পাই দিলে। তেওঁলোকে মাজে সময়ে সন্ত্ৰাসৰ জৰিয়তে অসাধ্য সাধন কৰিও দেখুৱালে। তেওঁলোকে বিদেশী আক্ৰমণ প্ৰতিহত কৰি দেশক একত্ৰিত আৰু শক্তিশালী কৰি তুলিলে কিন্তু প্ৰায়েই তাকে কৰিবলৈ যাওঁতে সন্ত্ৰাসৰ মাত্ৰা ইমান বঢ়াই দিছিল যে কেতিয়াবা মাত্ৰাধিক হৈ সম্পূৰ্ণ বৰ্ব্বৰতাত পৰিণত হৈছিল।

আমি এই যুগটোৰ মূল ঘটনাবোৰৰ লগতে বিভিন্ন ঠাইৰ সন্ত্ৰাসৰ ৰাজত্বৰ বিষয়ে চমুকৈ এবাৰ চাই যাওঁ।

আলচেচ্ অঞ্চলত অষ্ট্ৰিয়াৰ সেনাই আকৌ আক্ৰমণ আৰম্ভ কৰিছে। ফৰাচী সেনাবাহিনীয়ে এই আক্ৰমণ বাধা দিব পৰা নাই। দুৰ্নীতিয়ে সেনা-সকলৰ মনোবল ভাঙি পেলাইছে। কনভেনশ্বনে সেই অঞ্চললৈ পঠিওৱা প্ৰতিনিধি চেণ্ট যাষ্টে গৈয়েই আটাইতকৈ দুৰ্নীতিপৰায়ণ বুলি নাম থকা সাতজন সামৰিক বিষয়াক সেনাসকলৰ সন্মুখতে হত্যা কৰোৱালে। তাৰ পাছত্ সমগ্ৰ এলাকাৰ বেপাৰী আৰু মজুতকাৰীসকলৰ বিৰুদ্ধে সন্ত্ৰাসৰ অভিযান আৰম্ভ কৰিলে। বহুতকে হত্যা কৰা হ'ল। কামত ফাঁকি দিয়া সেনা, অসামৰিক বিষয়া আদিৰো বহুতে প্ৰাণ হেৰুৱালে। বহুতক কামৰ পৰা খেদায় দিয়া হ'ল। ধনী সকলৰ পৰা নানান সা-সম্পত্তি কাপোৰ-কানি কাঢ়ি লৈ সেনাবাহিনীক সাজু কৰি তোলা হ'ল।

পাছৰখন যুঁজত ফৰাচী সেনাবাহিনীয়ে অষ্ট্ৰিয়াৰ সেনাদলক ভালকৈ যুঁজত হৰুৱালে। আলচেচ্ অঞ্চল মুক্ত কৰি ফ্ৰান্সৰ অধীন কৰা হ'ল।

ভেন্দী অঞ্চলৰো কেথলিক আৰু অভিজাতসকলৰ বিদ্ৰোহো কঠোৰ হাতেৰে দমন কৰা হ'ল। নাণ্টচ অঞ্চলৰ বিদ্ৰোহীসকলকো ধ্বংস কৰা হ'ল। প্ৰতিটো বিদ্ৰোহ ধ্বংস কৰাৰ পাছত সেই এলাকা বোৰত সকলো বিদ্ৰোহীৰে কণ-কঠীয়া মৰাৰ নামত চলিল প্ৰচণ্ড সন্ত্ৰাস। এই অঞ্চল কেটাৰ মানুহখিনি সহজ সৰল কিন্তু অত্যন্ত ৰক্ষণশীল আছিল। কেথলিক ধৰ্মৰ আচাৰ অনুষ্ঠান আৰু যাজকসকলৰ ওপৰত এওঁলোকৰ আছিল অসীম আস্থা আৰু অটল বিশ্বাস। শিক্ষা-দীক্ষাৰ ফালৰ পৰা পাছ পৰা এই শুকান, নিৰস, দুখীয়া অঞ্চলৰ মানুহবোৰৰ বাবে ধৰ্মই আছিল দুখক্লিষ্ট জীৱনৰ একমাত্ৰ সান্ত্বনাৰ উপায়। ভলটেয়াৰৰ কেথলিক ধৰ্মৰ গোড়ামিৰ বিৰুদ্ধে চলোৱা অভিযান আৰু বিপ্লৱৰ ধৰ্মবিৰোধী বা-বতাহে এই অঞ্চল একেবাৰে স্পৰ্শ কৰা নাছিল বুলিলেই হয়। সেয়ে এই মানুহখিনিয়ে বিপ্লৱী চৰকাৰে গীৰ্জা আৰু যাজক-সকলৰ বিৰুদ্ধে লোৱা অভিযানবোৰ ভাল পোৱা নাছিল। যাজকসকলক হত্যা কৰা, গীৰ্জাবোৰ বন্ধ কৰি দিয়া আদি কাৰ্যই তেওঁলোকক জ্বলাই তুলিছিল। সেয়েহে তেওঁলোকে গীৰ্জা আৰু যাজকসকলক ৰক্ষা কৰিবলৈ বিপ্লৱী চৰকাৰৰ বিৰুদ্ধে অস্ত্ৰ ধাৰণ কৰিলে। অভিজাতসকলেও তেওঁলোকৰ এই কাৰ্যত ইন্ধন যোগালে, যাজকসকলে সংগঠনৰ গুৰি ধৰিলে, চাওঁতে চাওঁতে তেৰহাজাৰ বিদ্ৰোহী সেনাৰ এটা সেনাবাহিনী গঢ়ি তোলা হ'ল।

পেৰিচৰপৰা এই বিদ্রোহ দমন কৰিবলৈ জ্যা বেপটিচ্, কেৰিয়াৰ বোলা প্ৰতিনিধি এজনক পঠিউৱা হ'ল। তেওঁ এই দমন কাৰ্যত চৰম নৃশংসতাৰ পৰিচয় দিলে। শয়ে শয়ে কেথলিক যাজক, সাধাৰণ মানুহ, আনকি তিৰোতা মানুহ আৰু ল'ৰা-ছোৱালীকো তেওঁ নিৰ্বিবাদে হত্যা কৰোৱালে। বহুতক পুৰণা জৰাজীৰ্ণ জাহাজ কিছুমানত তুলি মাজ সাগৰলৈ নি জাহাজ ডুবাই হত্যা কৰা হ'ল। ঐতিহাসিকসকলৰ মতে এই সমগ্ৰ দমন অভিযানত মুঠ পাঁচ লাখ জন লোকে প্ৰাণ হেৰুৱাইছিল।

কেৰিয়াৰে কৈছিল, "আমি যদি ফ্ৰান্সক আমাৰ মতে গঢ়ি তুলিব নোৱাৰোঁ তেতিয়া হ'লে সমগ্ৰ দেশখনকেই এক বিৰাট কবৰস্থানলৈ পৰিণত কৰিম।"

এনে ধৰণেই লিয়ঁ নগৰীৰ জিৰণদিন সকলৰ বিদ্রোহো কঠোৰ সন্ত্রাসেৰে দমন কৰা হ'ল।

ফৰাচী পুঁজিপতি সকলৰ প্ৰধান দুৰ্গ আছিল এই লিয়ঁ নগৰী। ফ্ৰান্সৰ ব্যৱসায় বাণিজ্যৰ ঘাটি আৰু নতুন শিল্পউদ্যোগবোৰ প্ৰধানকৈ এই অঞ্চলতে গঢ়ি তোলা হৈছিল। এই নগৰীৰ বুৰ্জোৱাসকলেই প্ৰকৃততে ফৰাচী অৰ্থনীতিক পৰিচালনা কৰিছিল। জিৰণদিন সকলৰো প্ৰধান ঘাটি আছিল এই নগৰী। ফ্ৰান্সৰ শাসন ক্ষমতা ক্ৰমান্বয়ে সৰ্বহাৰা সকলৰ হাতলৈ যোৱাটো এওঁলোকে একেবাৰে সহ্য কৰিব পৰা নাছিল। সেয়ে তেওঁলোকে দক্ষিণ ফ্ৰান্সৰ লিয়ঁ নগৰীক কেন্দ্ৰ কৰি এটা প্ৰতিবিপ্লৱী সেনাবাহিনী গঢ়ি তুলিবলৈ আৰম্ভ কৰিছিল। এওঁলোকৰ মাজত ৰাজতন্ত্ৰক পুনৰ প্ৰতিষ্ঠা কৰিবলৈ বিচৰা মানুহৰ সংখ্যাও একেবাৰে কম নাছিল। পেৰিচৰ বিপ্লৱী চৰকাৰে এই জিৰণদিন বিদ্রোহ দমন কৰিবলৈ পঠিউৱা সেনাবাহিনীটোৱে নানান সংঘৰ্ষৰ পাছত অৱশেষত লিয়ঁ নগৰী দখল কৰিবলৈ সক্ষম হ'ল আৰু লগে লগে ধনী বুৰ্জোৱা পুঁজিপতিসকলৰ বিৰুদ্ধে আৰম্ভ হ'ল সন্ত্রাসৰ অভিযান। বহুতক হত্যা কৰা হ'ল, বহুতৰ প্ৰাসাদোপম ঘৰবাৰী ভাঙি পেলোৱা হ'ল, সা-সম্পত্তি বাজেয়াপ্ত কৰি লোৱা হ'ল। উগ্ৰপন্থী জেকবেঁ সকলৰ জয় হ'ল। এতিয়া জেকবেঁ সকলেই ফ্ৰান্সৰ সৰ্বময় ক্ষমতাৰ অধিকাৰী।

অৱশেষত পেৰিচ নগৰী আৰু প্ৰদেশবোৰত সন্ত্রাসৰ মাত্ৰা ইমান বেছি হ'লগৈ যে সি নতুন নতুন অপ্ৰয়োজনীয় সমস্যাবহে সৃষ্টি কৰিলে। ফ্ৰান্সৰ জনজীৱন পঙ্গু হৈ পৰিল। সাধাৰণ মানুহৰ মনত ক্ষোভ আৰু বিৰাট

অনিশ্চয়তাৰ সৃষ্টি হ'ল। ফলত কল-কাৰখানা আৰু খেতি-বাতিৰ উৎপাদন কমিবলৈ আৰম্ভ কৰিলে। সেয়ে 'কমিটি অৱ পাব্লিক চেফটিয়ে' সন্ত্ৰাসৰ মাত্ৰা কমাবলৈ স্থিৰ কৰিলে। বিভিন্ন প্ৰদেশলৈ পঠিউৱা প্ৰতিনিধি সকলক পেৰিচলৈ ঘূৰাই অনা হ'ল। ৰবচপিয়েৰে এই সুযোগতে এই প্ৰতিনিধি সকলৰ ৰাজনৈতিক ক্ষমতা হ্ৰাস কৰিবলৈ বহুতকে তেওঁলোকৰ কাৰ্য-কলাপৰ বিৱৰণ আৰু হিচাপ দাখিল কৰিবলৈ ক'লে। ৰবচপিয়েৰে তেওঁলোকক তৌতিয়াই অৱশ্যে একো কৰিব নোৱাৰিলে কিন্তু তেওঁলোকে হ'লে ৰবচপিয়েৰৰ ওপৰত জ্বলি উঠিল। তেওঁলোকৰ জীৱনো অনিশ্চিত হৈ পৰিল—কোনে জানে কেতিয়া ৰবচপিয়েৰে কাৰ ওপৰত কি অভিযোগ তোলে। প্ৰদেশবোৰত ধনী সকলৰ সা-সম্পত্তি বাজেয়াপ্ত ক'ৰাৰ সময়ত তেওঁলোকেও তাৰ ভাগ লৈ লাভবান নোহোৱা নহয়—তেওঁলোকৰ গাতো চেকা আছে। সেয়ে এওঁলোকেই পাছত ৰবচপিয়েৰৰ পতনৰ বাবে ষড়যন্ত্ৰ কৰাত আগভাগ লয় আৰু তেওঁক গ্ৰেপ্তাৰ কৰোৱায়।

ফ্ৰান্সৰ প্ৰদেশবোৰত এইবাৰ সন্ত্ৰাসৰ মাত্ৰা কমিল, কিন্তু পেৰিচত হ'লে একেই থাকিল, বৰঞ্চ বাঢ়িহে গ'ল। পেৰিচ সম্পৰ্কে শাসকসকল এতিয়াও নিঃসন্দেহ হ'ব পৰা নাই।

এনে সময়তে আকৌ এবাৰ প্ৰবলভাৱে ধৰ্ম বিৰোধী অভিযান আৰম্ভ হ'ল। প্ৰকৃতপক্ষে আগৰপৰাই এই অভিযান চলি আছিল, নানান আইন-কানুনেৰে গীৰ্জা আৰু ধৰ্মক দুৰ্বল কৰি তোলা হৈছিল, নিষ্ঠুৰ ভাৱে ভেন্দী অঞ্চলৰ ধৰ্মবিদ্ৰোহ দমন কৰা হৈছিল। মাজে মাজে জ্বলি থুমাই ধৰ্মবিৰোধী জুইকুৰা ফ্ৰান্সত আছিলেই, এতিয়া যেনিবা আকৌ এবাৰ দপ্দপাই জ্বলি উঠিল।

পেৰিচৰ সাধাৰণ মানুহখিনিৰ আগৰ পৰাই ধৰ্মকৰ্মলৈ বৰকৈ মতি নাছিল। ভলটেয়াৰৰ লেখনীৰ পাছৰপৰা তেওঁলোক আৰু বিৰোধী হ'ল। পেৰিচৰ বিপ্লৱী নেতা সকলেও ধৰ্মক এখন অসমান সমাজব্যৱস্থা বজাই ৰখাৰ প্ৰধান আহিলা আৰু স্বাধীনতা তথা সমতাৰ বাটৰ এক প্ৰধান প্ৰতিবন্ধক বুলি গণ্য কৰিছিল। ফকে কৈছিল,

"যিশুখৃষ্টৰ ধৰ্মক এতিয়া এক বিৰাট অৰ্থনৈতিক শোষণৰ অনুষ্ঠানলৈ ৰূপান্তৰিত কৰা হৈছে।"

পেৰিচ কমিউনৰ নেতাসকলে এইবাৰৰ ধৰ্মবিৰোধী অভিযানৰ আগভাগ

ল'লে। তেওঁলোকে গীৰ্জা আৰু যাজকসকলৰ ওপৰত আৰু নিয়ন্ত্ৰণ লগাবলৈ দাবী কৰিলে। তেওঁলোকে যাজক আৰু নান (সন্ন্যাসিনী) সকলক বিবাহ-পাশত আবদ্ধ হ'বলৈ জোৰ কৰিলে। বহুতে বিয়াবাৰুও কৰালে। কথা নুশুনা যাজক সকলৰ বহুতকে দেশান্তৰী কৰা হ'ল। গীৰ্জাৰ যি কণ সা-সম্পত্তি বাকী আছিল তাকো এইবাৰ ৰাষ্ট্ৰৰ নামত বাজেয়াপ্ত কৰা হ'ল। গীৰ্জাৰ থাল-বাটি, ধাতুৰ মম দানী আদি গলাই কামান বন্দুক গঢ়ি তোলা হ'ল। পেৰিচৰ কাথিড্ৰেল অৱ নটেৰ্ডম্ বোলা বিখ্যাত ঘৰটোৰ নতুন নামকৰণ কৰা হ'ল 'যুক্তিৰ মন্দিৰ' বুলি। আৰু শেষত ২৩ নৱেম্বৰৰ দিনা কমিটি অব্ পাব্লিক চেফটিয়ে ফ্ৰান্সৰ সকলো গীৰ্জা ঘৰ বন্ধ কৰি দিলে। ধৰ্মবিৰোধী অভিযানে চূড়ান্ত পৰ্য্যায় পালেগৈ।

আটাইতকৈ আমোদজনক কথা যে কেথলিক ধৰ্ম আৰু যাজক সকলৰ বিৰুদ্ধে তীব্ৰ অভিযান চলোৱা নেতাসকলৰ বেছি ভাগেই কিন্তু নাস্তিক নাছিল। বৰঞ্চ নাস্তিকতাবাদৰ বিৰুদ্ধে তেওঁলোকে সদায় সতৰ্ক বাণীহে শুনাইছিল আৰু নাস্তিকসকলক সমাজত বিশৃঙ্খলতাৰ সৃষ্টি কৰা বুলি গৰিহণাহে দিছিল। পেৰিচ কমিউনৰ নেতা হেবাৰেও আনকি ঘোষণা কৰিছিল "মই নাস্তিক নহয়।" তেওঁলোকে ৰুচোৰ আদৰ্শৰ এক সৰ্বশক্তিমান সত্তা বা চুপ্ৰিম বিইঙৰ অস্তিত্ব মানি লৈছিল। তেওঁলোক প্ৰকৃতাৰ্থত ঈশ্বৰ বিৰোধী নাছিল। তেওঁলোকৰ বিৰোধ আছিল নানা তৰহৰ আচাৰ অনুষ্ঠান আৰু অন্ধবিশ্বাসেৰে পূৰ্ণ কেথলিক ধৰ্মৰ লগতহে। সমাজৰ নৈতিকতা আৰু শৃঙ্খলা ৰক্ষাৰ বাবে এক সহজ সৰল ধৰ্মবিশ্বাসৰ প্ৰয়োজনীয়তা তেওঁলোকে স্বীকাৰ কৰিছিল। ৰবচপিয়েৰে ভাবিছিল—

"ধৰ্মই একমাত্ৰ শক্তি যি সমাজত গভীৰ ভাৱে শিপাই থকা আৰু আইনৰ সহায়েৰেও দূৰ কৰিব নোৱৰা বৈষম্যবোৰৰপৰা সৃষ্টি হোৱা সামাজিক বিশৃঙ্খলতাবোৰ আয়ত্বাধীন কৰি ৰাখিব পাৰে।"

তেওঁ কনভেনশ্যনৰ আগত ক'লে—

"নাস্তিকতাবাদ এটা অভিজাত বিলাস। নিৰ্দ্দোষী জনৰ ওপৰত চলা শোষণৰ প্ৰতি লক্ষ্য ৰখা আৰু অপৰাধীক শাস্তি বিধান কৰা এজন সৰ্ব্ব-শক্তিমান ঈশ্বৰৰ বিশ্বাস এটা জনসাধাৰণৰ বস্তু; ই এটা গণ আদৰ্শ। ইউৰোপ আৰু সমগ্ৰ পৃথিৱীৰ মানুহৰ চিন্তা এনেধৰণৰ। ই ফৰাচী জনসাধাৰণৰো বিশ্বাস। এই আদৰ্শৰ লগত যাজক, অন্ধবিশ্বাস বা উছৰ

পৰবৰ কোনো যোগসূত্ৰ নাই। ইয়াৰ যোগাযোগ হ'ল এক সৰ্বশক্তিমান, দোষীক দণ্ড দিয়া, সদগুণক ৰক্ষা কৰা মহান শক্তিৰ লগতহে।"

দাঁ-তঁয়ো এই চিন্তাধাৰাৰ প্ৰতি সমৰ্থন জনাইছিল।

এওঁলোক দুয়োৰে চেষ্টাত শেষত কনভেনশ্যনে গীৰ্জাৰ ওপৰত লগোৱা বহুতো বাধা-নিষেধ লাঘৱ কৰিবলৈ বাধ্য হ'ল। ধৰ্ম আৰু উপাসনাৰ অধিকাৰ মানুহক আকৌ ঘূৰাই দিয়া হ'ল। যাজক সকলৰ ওপৰতো অন্যায় অত্যাচাৰ কমি আহিল। ইয়াৰ ফলত জনসাধাৰণৰ মাজত কমিটিৰ জনপ্ৰিয়তা কিছু বাঢ়িল। সন্ত্ৰাসৰ ৰাজত্ব কমি আহিছে বুলি সকলোৱে অলপ উশাহ ল'লে। কিন্তু পেৰিচ কমিউনৰ উগ্ৰপন্থী নেতা হেবাৰ আৰু তেওঁৰ অনুচৰ সকলে এই কাম মুঠেই ভাল পোৱা নাছিল। সৰ্বশক্তিমান সত্তাৰ অস্তিত্ব মানি ল'লেও সমাজত পুনৰ ধৰ্মৰ আচাৰ অনুষ্ঠান আৰু উপাসনাৰ স্বাধীনতা দিয়া কাম তেওঁলোকে সমৰ্থন কৰা নাছিল। ধৰ্মৰ সহায় লৈয়েই সমাজত প্ৰতিবিপ্লৱী প্ৰতিক্ৰিয়াশীল শক্তিসমূহৰ পুনৰ অভ্যুত্থান হ'ব বুলি তেওঁলোকে ভয় কৰিছিল। সেয়ে এই কথাৰপৰাই হেবাৰ আৰু ৰবচপিয়েৰৰ মাজত মনোমালিন্য আৰু বিবাদৰ সূত্ৰপাত হ'ল। হেবাৰে পেৰিচৰ জনতাৰ সহায় লৈ ৰবচপিয়েৰৰ বিৰুদ্ধে তলে তলে ষড়যন্ত্ৰ আৰম্ভ কৰিলে। কিন্তু ইতিমধ্যে এই ব্যৱস্থা সমূহ আৰু নতুন নতুন সামৰিক সাফল্যই ৰবচপিয়েৰক আৰু শক্তিমন্ত কৰি তুলিবলৈ আৰম্ভ কৰিছে।

ফৰাচী বাহিনীয়ে স্পেইনৰ সেনাদলক পৰাস্ত কৰি পাইৰিনিজ পৰ্বতমালা পাৰ কৰি পঠিয়ালে। স্পেইনৰ সামৰিক ভাবুকি শেষ হৈ গ'ল। আনহাতে তুলঁ বন্দৰটো বৃটিছ নৌ অৱৰোধৰ পৰা উদ্ধাৰ কৰিছে এজন ডেকা সামৰিক বিষয়াই, যাৰ নাম নাপলেয়ঁ ব'নাপাৰ্ট।

তুলঁ বন্দৰটো ফ্ৰান্সৰ এটা গুৰুত্বপূৰ্ণ বন্দৰ। এই বন্দৰেদিয়েই ফৰাচী বৈদেশিক বাণিজ্যৰ বেছিভাগ লেনদেন হয়। বৃটিছ এডমিৰেল লৰ্ড হাৱে সম্মিলিত বৃটিছ আৰু স্পেনীয় নৌ আৰু স্থলবাহিনীৰে এই বন্দৰটো অৱৰোধ কৰি শক্তিশালী কোঠ মাৰি আছেহি। নাপলেয়ঁই সাগৰৰ মাজলৈ আগ বাঢ়ি যোৱা এটা সৰু দুৰ্গম শিলাময় অন্তৰীপত ৰাতিৰ অন্ধকাৰ আৰু ধুমুহা বতাহৰ সুযোগ লৈ কিছুমান শক্তিশালী কামান প্ৰতিষ্ঠা কৰিলে। আনফালে বন্দৰৰ দুৰ্গটোৰ ওপৰতো ৰাতিয়েই আক্ৰমণ চলাই দখল কৰি লোৱা হ'ল। ইয়াৰ পাছত দুই ঠাইৰপৰা বন্দৰত সোমাই থকা জাহাজবোৰৰ ওপৰত প্ৰবল

গোলাবৰ্ষণ কৰি সমগ্ৰ নৌবাহিনীটোকেই থানবান্ কৰি দিয়া হ'ল। এভমিৰেল লৰ্ড হাৱে উপায় নাপাই বন্দৰ এৰি পলাবলৈ বাধ্য হ'ল। বিদেশী নৌবাহিনীটো আঁতৰি যোৱাৰ পাছত তুলঁ নগৰবাসীৰ ওপৰত শত্ৰুক সহায় কৰা বুলি বিপ্লৱী সেনাদলে অতি নৃশংস অত্যাচাৰ চলালে। শ শ নিৰপৰাধী লোকেও সেই সন্ত্ৰাস ভৰা নিশা প্ৰাণ হেৰুৱালে। বন্দৰৰ জলৰাশি ভঙা জাহাজৰ টুকুৰা আৰু মৰাশৰ তেজেৰে ওপচি পৰিল। সেই দিনটোতে ফ্ৰান্সৰ আকাশত এক নতুন শক্তি, এক নতুন তাৰকাৰ জন্ম হ'ল, নাম নাপলেয়ঁ ব'নাপাৰ্ট।

"জুইৰ লেলিহান শিখা, যুদ্ধ আৰু সন্ত্ৰাসেৰে পূৰ্ণ নৌ বন্দৰটোত হাজাৰ হাজাৰ বিশ্বাসঘাতকী লোকে প্ৰতিশোধৰ বহ্নিৰপৰা হাত সাৰিবলৈ চেষ্টা কৰিছে, ডিচেম্বৰৰ নিশাৰ সেই বিৰাট উত্তেজনা, মৰাশৰ দ'মবোৰৰ চাৰিওফালৰ আৰ্তনাদ আৰু বন্দৰৰ পানীত ডুবি মৰিব খোজা মানুহ বোৰৰ কাতৰ চিঞৰ-বাখৰ, লুটপাট আৰম্ভ কৰা সেনাবোৰৰ বিজয় উল্লাস, এই সকলোবোৰৰ মাজেদি সেই নিশা দিগন্তত এটি নতুন তাৰকাৰ জন্ম হ'ল—সি হ'ল নাপলেয়ঁৰ খ্যাতি।" (এমিল লুডউইগ)

সেই দিনা ফ্ৰান্সৰ ইতিহাসে এক নতুন মোৰ ল'লে।

ষষ্ঠবিংশ অধ্যায়

যুদ্ধক্ষেত্ৰত চমকপ্ৰদ সামৰিক বিজয় লাভ কৰা সত্বেও সেই সময়ত কিন্তু ফ্ৰান্সৰ অভ্যন্তৰীণ অৱস্থা বৰ বেয়া। তেতিয়াও বিপ্লৱী চৰকাৰে ফৰাচী অৰ্থনীতিক টনকিয়াল কৰি তুলিব পৰা নাই। টনকিয়াল কৰাতো দূৰৰ কথাই, ভালকৈ পৰিচালনাই কৰিব পৰা নাই। বয়-বস্তুৰ দাম দিনৌ বাঢ়িবই লাগিছে, নিত্য প্ৰয়োজনীয় বস্তু আৰু খাদ্যশস্যৰ অনাটন আৰম্ভ হৈছে, কটীৰ দোকানৰ আগত মহিলা সকলৰ দীঘল দীঘল শাৰী দেখা পোৱা গৈছে। দুৰ্নীতি বাঢ়িয়েই আছে। সন্ত্ৰাসেও দমাব নোৱৰা লাভখোৰ বেপাৰী বোৰৰ চালাকিত

আৰু অকর্মণ্য বিষয়াবোৰৰ হেমাহিৰ ফলত বিপ্লৱী চৰকাৰে লোৱা প্ৰায় আটাইবোৰ অর্থনৈতিক কার্যব্যৱস্থাই শোচনীয় ভাৱে ব্যর্থ হৈছে। ক'লা বজাৰত আচল দামৰ তিনি চাৰিগুণ দামত প্ৰায় সকলো বস্তুৰেই অবাধ বেচাকিনা চলিছে।

তাৰোপৰি যুদ্ধবিগ্ৰহতো বহুত টকা খৰচ হৈছে। এতিয়া তাৰ ফলস্বৰূপে সাধাৰণ মানুহে দুখ-কষ্ট ভুগিব লগা হৈছে।

হেবাৰে ভাবিলে ৰবচপিয়েৰক কাবু কৰাৰ এয়ে উত্তম সময়। সেয়ে তেওঁ দেশ শাসনত সম্পূর্ণ ৰূপে বিফল হোৱা বুলি 'কমিটি অব্ পাব্লিক চেফটিৰ' ওপৰত প্ৰচণ্ড আক্ৰমণ চলালে। তাৰ পাছত তেওঁ ৰবচপিয়েৰকে প্ৰত্যক্ষ ভাৱে ইয়াৰ বাবে জগৰীয়া কৰি গৰিহণা দিলে। হেবাৰ আৰু তেওঁৰ উগ্ৰপন্থী অনুচৰসকলে দেশৰ অর্থনৈতিক সঙ্কটৰ জোৰা মাৰিবৰ কাৰণে কিছুমান অতি কাৰা ব্যৱস্থা ল'বলৈ দাবী কৰিলে। এইবোৰৰ ভিতৰত দেশৰ সকলো সম্পত্তিৰ ৰাষ্ট্ৰীয়কৰণ আৰু সকলো বুর্জোৱাকে মৃত্যুদণ্ড বিহাটো প্ৰধান। তেওঁ দেশৰ সঙ্কটৰ বাবে ৰবচপিয়েৰ, দাঁ-তঁ দুয়োকো জগৰীয়া কৰিলে। আপোচৰ নীতি এৰি সংগ্ৰামী আৰু বিপ্লৱী কার্যপন্থা ল'বলৈ তেওঁ দাবী জনালে।

আনহাতে দাঁ-তঁ আৰু তেওঁৰ বিশ্বস্ত বন্ধু ডেচমলিনে দেশত সন্ত্ৰাসৰ ৰাজত্ব কমাই এক নতুন, মুক্ত আৰু উদাৰ যুগ প্ৰৱৰ্ত্তনৰ বাবে আহ্বান জনালে। তেওঁলোকৰ মতে দেশত শান্তি, সমৃদ্ধি আৰু বিশ্বাসৰ বাতাবৰণ ঘূৰাই আনিব পাৰিলেহে অর্থনৈতিক সঙ্কটৰ জোৰা মাৰিব পৰা যাব। ডেচমলিনে ক'লে, "স্বাধীনতা যাত্ৰা পার্টিৰ নর্তকী নহয়, ই এটা ৰঙা টুপী নাইবা এযোৰ ফটা কাপোৰো (*) নহয়। ই হ'ল আনন্দ, 'যুক্তি,' সমতা আৰু ন্যায়। যি সকলে ভাৱে যে সন্ত্ৰাস প্ৰয়োজনীয় সেই সকলৰ লগত মোৰ মতবিৰোধ আছে। মোৰ স্থিৰ বিশ্বাস যে যি দিনা তোমালোকে সন্ত্ৰাসৰ 'কমিটিৰ' সলনি এখন ক্ষমাৰ 'কমিটি' বনাবা সেইদিনা দেশলৈ সুখ-শান্তি আৰু স্বাধীনতা ঘূৰি আহিব।"

তেওঁ সন্দেহবশতঃ আটক কৰি থোৱা লোক সকলক মুকলি কৰি দিবলৈ আহ্বান জনালে।

---

*বিপ্লৱী সকলে একোটা ৰঙা টুপী পিন্ধিছিল আৰু প্ৰায়বোৰেই কাপোৰ-কানি ফটা আছিল।

"এজন লোকক মৃত্যুদণ্ড দিয়া মানে তেওঁৰ পৰিয়ালৰ কেবাজনকো চিৰস্থায়ী শত্ৰু কৰি লোৱা। সকলো শত্ৰুকে হত্যা কৰি শেষ কৰিম বোলাতকৈ ডাঙৰ মূঢ়তা আৰু একো নাই।"

ৰবচপিয়েৰ সচকিত হৈ উঠিল। তুয়োফালৰ পৰা তেওঁৰ ওপৰত আক্ৰমণ চলাত তেওঁ ভয় খালে। তেওঁ তেতিয়াও সন্ত্ৰাসক দেশ শাসনৰ আহিলা বুলিয়েই বিশ্বাস কৰিছিল। হেবাৰৰ প্ৰত্যক্ষ অভিযোগ আৰু দাঁ-তঁ, ডেচমলিনৰ এই আহ্বানে তেওঁক বিচলিত কৰিলে। কি ঠিক তেওঁলোকে মিলি তেওঁৰ পতনৰ বাবে ষড়যন্ত্ৰও কৰিব পাৰে। বিশেষকৈ দাঁ-তঁক বিশ্বাস কৰিব নোৱাৰি। কমিটিত না থাকিলেও দাঁ-তঁ এতিয়াও বিৰাট শক্তিশালী, এতিয়াও বিৰাট জনপ্ৰিয়। তেওঁ সহজেই ৰবচপিয়েৰৰ অৱস্থা বেয়া কৰি তুলিব পাৰে। চালাক ৰবচপিয়েৰে দেখিলে যে হেবাৰ আৰু দাঁ-তঁক বাটৰ পৰা আঁতৰাব নোৱাৰালৈকে তেওঁ নিষ্কণ্টক নহয়। তথাপিও তৎকালে দাঁ-তঁতকৈ হেবাৰেহে তেওঁৰ বেছি অনিষ্ট কৰিব পাৰে। ইতিমধ্যে হেবাৰে দাঁ-তঁ আৰু ডেচমলিনৰ আহ্বানক বিৰাট কটু ভাষাৰে সমালোচনা কৰি তেওঁ-লোককো শত্ৰু কৰি তুলিছে। এয়েই স্বৰ্ণ সুযোগ, ৰবচপিয়েৰে আৰু দেৰী নকৰিলে। তেওঁ তৎক্ষণাৎ হেবাৰ আৰু তেওঁৰ অনুচৰ সকলক গ্ৰেপ্তাৰ কৰোৱালে আৰু পেৰিচ কমিউনৰ তেওঁৰ অনুগামী সকলে কিবা কৰাৰ সুবিধা পোৱাৰ আগতেই তেওঁলোকক মৃত্যুদণ্ড দিয়ালে।

এতিয়া বাকী থাকিল মাথোঁ দাঁ-তঁ।

ৰবচপিয়েৰে এইবাৰ কনভেনশ্যনৰ আগত দাঁ-তঁৰ বিৰুদ্ধে ৰাজহুৱা ধন আত্মসাৎ কৰাৰ অভিযোগ অনোৱালে। কিছুমান সাক্ষীও সঁচাই মিছাই গোটালে। দাঁ-তঁই ৰাজহুৱা ধনৰ ক্ষেত্ৰত কিছু বেমেজালি নঘটোৱা নহয় এতিয়া তাকে ঢোটোকে ৰৌটো কৰি প্ৰচাৰ কৰা হ'ল। দাঁ-তঁৰ বিৰুদ্ধে বিদেশী শক্তিৰ লগত ষড়যন্ত্ৰ কৰাৰ অভিযোগো অনা হ'ল কাৰণ দাঁ-তঁই ৰবচপিয়েৰৰ ঘোৰ বিৰোধিতা কৰা সত্ত্বেও ইংলেণ্ডে আগবঢ়োৱা শান্তিৰ প্ৰস্তাৱ মানি ল'বলৈ পৰামৰ্শ দিছিল। শেষত এজনে দাঁ-তঁক মৃত্যুদণ্ড দিয়াৰ প্ৰস্তাৱো তুলিলে—'এনেদৰে এই আপোচকামী সকলক বাচি থাকিবলৈ দিলে বিপ্লৱ ধ্বংস হৈ যাব।' অৱশেষত ৰবচপিয়েৰৰ প্ৰত্যক্ষ আৰু পৰোক্ষ হেঁচাৰ প্ৰভাৱত বিপ্লৱী ট্ৰাইবুনালে দাঁ-তঁ আৰু ডেচমলিনক মৃত্যুদণ্ড বিহিলে। ৫ এপ্ৰিলৰ দিনা তেওঁলোকক গিলটিনত দিয়া হ'ল। মৃত্যুৰ আগতে ৩৪

বহুৱীয়া দাঁ-তঁই ক'লে, "গোটেইথন মই চৰম বিশৃঙ্খলতাৰ মাজত এৰি যাব লগা হ'ল। তাইঁাতৰ কাৰো চৰকাৰৰ বিষয়ে একো জ্ঞানেই নাই। ৰবচপিয়েৰবো দিন আহিব, ময়েই তাক ধ্বংস কৰি থৈ যাম। মানুহক শাসন কৰাৰ নিচিনা এনে লেতেৰা কামতকৈ দুখীয়া মাছমৰীয়া হোৱাই শ্ৰেয়।"

ৰবচপিয়েৰ এতিয়া সৰ্ব্বেসৰ্বা। দাঁ-তঁক আঁতৰ কৰি তেওঁ এতিয়া নিষ্কণ্টক। তেওঁৰ কামত বাধা দিব পৰা কোনো এতিয়া জীয়াই থকা নাই। নিজৰ ইচ্ছা অনুসৰি কাম কৰিবলৈ তেওঁ এতিয়া সম্পূৰ্ণ মুক্ত। কমিটি আৰু কনভেনশ্যনৰ সকলো লোকেই এতিয়া তেওঁৰ ভয়ত ত্ৰস্তমান।

ৰবচপিয়েৰে প্ৰথমেই ফ্ৰান্সত এজন 'সৰ্বশক্তিমান সত্তা'ৰ উপাসনা চৰকাৰী ভাবে প্ৰবৰ্ত্তন কৰিবলৈ আগ বাঢ়িল। এক লাখ মানুহৰ এক বিৰাট উৎসৱত তেওঁ যুক্তিক [Reason , প্ৰকৃত ধৰ্ম আৰু প্ৰকৃতিক [Nature] সৰ্বশক্তিমান সত্তাৰ মহত্তম প্ৰকাশ বুলি ঘোষণা কৰিলে। খৃষ্টান উচৱ-পৰ্ব্ব-উপাসনাৰ পৰিবৰ্ত্তে যুক্তি আৰু প্ৰকৃতিৰ আৰাধনাক তেওঁ আনুষ্ঠানিকভাৱে প্ৰতিষ্ঠা কৰিলে। মানুহে ভাবিলে নিষ্কণ্টক হৈ ৰবচপিয়েৰে নিশ্চয় এইবাৰ সন্ত্ৰাসৰ মাত্ৰা কমাই উদাৰ নীতি গ্ৰহণ কৰিব আৰু এইবোৰ তাৰেই পূৰ্ব লক্ষণ।

কিন্তু তেওঁলোকৰ ধাৰণা ভুল আছিল।

সন্ত্ৰাস কমাওক চাৰি ৰবচপিয়েৰে নতুন আইন-কানুনৰ দ্বাৰা ইয়াক নিকপকপীয়া কৰাৰহে ব্যৱস্থা কৰিলে। প্ৰকৃতপক্ষে এই ব্যৱস্থাৰ দ্বাৰা ৰবচপিয়েৰে ভৱিষ্যতলৈকে নিজৰ ক্ষমতা বৰ্ত্তাই ৰখাৰ চেষ্টা চলাইছিল।

ৰবচপিয়েৰৰ এই নতুন সন্ত্ৰাস কিন্তু আগৰ দৰে খোলাখুলিকৈ মানুহক মাৰি কাটি সৃষ্টি কৰা হোৱা নাছিল। কিন্তু সকলোতে এনে এক সৰ্বগ্ৰাসী সন্ত্ৰাসৰ পৰিৱেশ সৃষ্টি কৰা হৈছিল যে কোনো মানুহেই শান্তিত থাকিব নোৱাৰিছিল। ৰবচপিয়েৰে তেওঁৰ নতুন আইনবোৰৰ জৰিয়তে ৰিপাব্লিকৰ বিৰুদ্ধে ষড়যন্ত্ৰ, ৰাজতন্ত্ৰ পুনৰ প্ৰতিষ্ঠা কৰিবলৈ বিচৰা, ৰাজহুৱা সম্পত্তি আত্মসাৎ কৰা, নৈতিকতা ভঙ্গ কৰা, উৰাবাতৰি প্ৰচাৰ কৰা আদি অভিযোগ-বোৰৰ বাবে মৃত্যুদণ্ড বিহিব পৰা হ'ল। ভালকৈ চালে দেখা যায় যে এই অভিযোগবোৰ একে বাৰেই নিৰ্দ্দিষ্ট নহয়। সেয়ে এইবোৰৰ সহায় লৈ যি কোনো লোককেই যেতিয়াই তেতিয়াই গিলটিনলৈ পঠাব পৰা যায়। বিচাৰালয় সমূহকো নতুন ক্ষমতা দিয়া হ'ল। বিচাৰকসকলে এতিয়া কোনোবা সাক্ষীৰ সাক্ষ্য ইচ্ছা কৰিলে নল'ব পৰা হ'ল আৰু অভিযুক্ত লোক

সকলেও নিজৰ বাবে উকীল আদালতৰ অনুমতি সাপেক্ষেহে নিয়োগ কৰিব পৰা হ'ল। ইয়াৰ অৰ্থ এয়ে যে দৰকাৰ হ'লে শাসক সকলে আদালতৰ ওপৰত হেঁচা দি কোনোবা অভিযুক্ত লোকক আত্মৰক্ষাৰ বাবে আইনজ্ঞ নিয়োগ কৰিবলৈ নিদিয়াকৈ ৰাখিবলৈ বা নিজক নিৰ্দ্দোষী প্ৰমাণ কৰিবলৈ কোনো দৰকাৰী সাক্ষী প্ৰমাণ তুলি ধৰিবলৈ নিদিব পৰা হ'ল। ফলত সাধাৰণ বিচাৰৰ ক্ষেত্ৰত আদালতৰ যি কণ স্বাধীনতা বাকী আছিলগৈ সিও নোহোৱা হ'ল। আইন ব্যৱস্থা শাসক শ্ৰেণীৰ শাসন আৰু শোষণৰ উলঙ্গ হাতিয়াৰ হৈ পৰিল।

মুঠতে ন্যায় পালিকাও সন্ত্ৰাসৰ এটা অবিচ্ছেদ্য অঙ্গ হৈ পৰিল। এই যুগটোক 'আইনসিদ্ধ সন্ত্ৰাসৰ' যুগো বুলিব পাৰি।

এনে ঘটনা যে তেতিয়াহে ঘটিছিল আৰু আজি ঘটা নাই তেনে নহয়। যুগে যুগে সন্ত্ৰাসবাদী একনায়কত্ববাদৰ তলত এনেধৰণে ন্যায় পালিকাৰ অপপ্ৰয়োগ চলি আহিছে। ভাৰতবৰ্ষতো জৰুৰীকালীন সময় আৰু তাৰ আগে আগে এনেধৰণেই ন্যায় পালিকাক অৱমাননা কৰি, আইনৰ পৰিৱৰ্ত্তন আৰু অপব্যাখ্যা কৰা হৈছিল।

অৱশ্যে ফ্ৰান্সত সন্ত্ৰাসৰ ৰাজত্বৰ এয়ে শেষ অধ্যায়। কিন্তু সমগ্ৰ ফৰাচী জাতিক এই শাসনে কেনেধৰণে ত্ৰস্ত আৰু পঙ্গু কৰি পেলাইছিল তাক ভালদৰেই অনুমান কৰিব পাৰি। ব্ৰিল ডুবান্টে লিখিছে, "মানুহবোৰে আগৰ দৰে মৃত্যুদণ্ড বিহা চাবলৈ নোযোৱা হ'ল। তেওঁলোক ঘৰতেই সোমাই থাকিছিল আৰু প্ৰতিবেশীৰ কথাৰ ওপৰত সাৱধানে নজৰ ৰাখিছিল। সামাজিক জীৱন প্ৰায় শেষ হৈ গৈছিল; মদৰ মহল আৰু বেশ্যালয় বোৰো আনকি আজি-কালি খালী হৈ থাকে। মূল কনভেনশ্যনখনৰ জঁকা মাত্ৰহে অৱশেষ আছিলগৈ। প্ৰথমৰ সাতশ পঞ্চাছ জন প্ৰতিনিধি ভিতৰৰ মুঠে এশ সোতৰ জনহে আজিকালি অধিবেশনলৈ আহে আৰু তাৰো বহুতেই আকৌ ভয়তে ভোটদানৰ পৰা বিৰত থাকে। আনকি কমিটিৰ সদস্য সকলো 'নতুন ত্ৰিমূৰ্ত্তি' ৰবচপিয়েৰ, চেণ্ট-যাষ্ট আৰু কথনৰ ভয়ত ত্ৰস্ত হৈ আছিল।"

ইতিমধ্যে অকল পেৰিচতে তেৰশ পঁয়সত্তৰ জন লোকৰ গিলটিনত মূৰ গৈছে। বাকীবোৰ ঠাইত কিমানে প্ৰাণ হেৰুৱাইছে তাৰ সীমা সংখ্যা নাই।

কিন্তু এই সময়তো ফৰাচী সেনাবাহিনীয়ে কেবাটাও চমকপ্ৰদ সামৰিক বিজয় লাভ কৰিবলৈ সক্ষম হৈছিল। ফৰাচী নৌ বাহিনী এটাই শক্তিশালী

মুটিছ অৱৰোধ চূৰ্ণবিচূৰ্ণ কৰি আমেৰিকাৰ পৰা যুদ্ধৰ বাবে বহু লাগতিয়াল বয়-বস্তু ফ্ৰান্সলৈ লৈ আহিছিল। কৰ্বাৰ্গৰ ৰাজকুমাৰৰ সেনাবাহিনীক পৰাজিত কৰি ফৰাচী সেনাই বেলজিয়াম আকৌ দখল কৰি লৈছিল আৰু এণ্টৱাৰ্প পোতাশ্ৰয়ৰ ওপৰত ফৰাচী প্ৰভুত্ব পুনৰ প্ৰতিষ্ঠা কৰিছিল।

এই সামৰিক সাফল্যবোৰেও ৰবচপিয়েৰক দিনে দিনে আৰু শক্তিশালী কৰি তুলিছে। তেওঁৰ শত্ৰুসকলে দেখিলে কথা বিষম। এতিয়াই ৰবচপিয়েৰৰ কিবা এটা নকৰিলে কিছুদিনৰ পাছত তেওঁৰ ওচৰ চাপিবই নোৱৰা হ ব। ইতিমধ্যে তেওঁলোকৰ নিজৰ প্ৰাণ লৈয়েই টনাটনি আৰম্ভ হৈছে। কাক কেতিয়া ৰবচপিয়েৰে কি অভিযোগত বন্দী কৰি গিলটিনলৈ পঠিয়াই তাৰ কোনো ঠিকনা নাই। সেয়ে তেওঁলোকে এইবাৰ গোপনে মিলি ৰবচপিয়েৰক আঁতৰ কৰাৰ ষড়যন্ত্ৰ কৰিবলৈ ধৰিলে।

ইতিমধ্যে শাসন ক্ষমতাৰ ভাগ বটোৱাৰা লৈ ৰবচপিয়েৰৰ নেতৃত্বাধীন কমিটি অব্ পাব্লিক চেফটি আৰু কমিটি অব্ জেনেৰেল চিকিঅ'ৰিটি তথা কনভেনশ্যনৰ মাজত মতবিৰোধ আৰম্ভ হৈছেই। কনভেনশ্যনক সম্পূৰ্ণ উপেক্ষা কৰি, জেনেৰেল চিকিঅ'ৰিটি কমিটিৰ শক্তি খৰ্ব্ব কৰি ৰবচপিয়েৰে সকলো কাম-কাজ তেওঁৰ একান্ত আজ্ঞাবহ কমিটি অব্পাব্লিক চেফটিৰ হতুৱাই কৰোৱাটো সদস্য সকলে ভাল পোৱা নাই। তাৰোপৰি সন্ত্ৰাসৰ মাত্ৰা লৈ আৰু দাঁ-তঁক প্ৰাণদণ্ড দিয়া ঘটনায়ো এই বিৰোধৰ উত্তেজনা বঢ়াই তুলিছে।

ইতিমধ্যে ৰবচপিয়েৰে শ্ৰমিকসকলৰ বানচৰ সৰ্ব্বোচ্চ নিৰিখ আৰু নিত্যপ্ৰয়োজনীয় বস্তুৰ সৰ্ব্বোচ্চ মূল্যমান বান্ধি দিছে। এই কাৰ্য্যয়ো দেশত অশান্তিৰ সৃষ্টি কৰিছে। উগ্ৰপন্থী সকল এই ব্যৱস্থাত অতিশয় ক্ষুণ্ণ হৈ পৰিছে, কাৰণ এই ব্যৱস্থা প্ৰকৃততে 'মজুৰি বৃদ্ধি বন্ধ' বা Wage Freeze-ৰ নিচিনা আছিল। এই ব্যৱস্থা মূলতে শ্ৰমিক বিৰোধী আছিল, কাৰণ ইমান দিনে শ্ৰমিক সকলে বয়-বস্তুৰ চৰাদামৰ লগত ৰজিতা খুৱাই তেওঁলোকৰ মজুৰি বঢ়াবলৈ সক্ষম হৈছিল। ধৰ্মঘট, বিক্ষোভ আদি গণতান্ত্ৰিক পদ্ধতিৰে তেওঁলোকে এই কাম কৰিছিল। কিন্তু এতিয়া সেই বাট বন্ধ হ'ল। আনহাতে নিত্য প্ৰয়োজনীয় বয়-বস্তুৰ দাম বান্ধি দিয়া হ'ল যদিও চতুৰ বেপাৰী সকলে বুদ্ধি কৰি বয়-বস্তু লুকুৱাই পেলালে আৰু ক'লা বজাৰত সেই বস্তু দুগুণ-তিনিগুণ দামত বিক্ৰি কৰিলে। ফলত বয়-বস্তুৰ দাম বাঢ়িয়েই থাকিল। আগতে বহুতো শ্ৰমিক এতিয়া বান্ধি দিয়া মজুৰিতকৈ বেছিহে বেতন পাইছিল,

ফলত এতিয়া তেওঁলোকৰ মজুৰি প্ৰকৃততে কমিলহে। প্ৰকৃততে বয়-বস্তুৰ বিতৰণ ব্যৱস্থা ৰাষ্ট্ৰীয় পৰিচালনাধীন ন'হৈ ব্যক্তিগত বেপাৰী সকলৰ দখলত থকাৰ বাবে এই ব্যৱস্থা সফল নহ'ল। সুপৰিচালিত ৰাষ্ট্ৰীয় বিতৰণ ব্যৱস্থাৰ অবিহনে মজুৰি আৰু বয়-বস্তুৰ মূল্যমান নিয়ন্ত্ৰণ কৰিব পৰা নাযায়।

যি নহওক, মজুৰিৰ সৰ্বোচ্চ সীমা বান্ধি দিয়াত মালিক শ্ৰেণী আৰু বেপাৰী সকলে বৰ ভাল পালে কাৰণ ই তেওঁলোকে লাভ কৰাত কোনো প্ৰতিবন্ধক জন্মোৱা নাছিল। কিন্তু ইমান দিনে ৰবচপিয়েৰক সমৰ্থন জনাই অহা শ্ৰমিক সকল ক্ষুণ্ণ হ'ল।

ৰবচপিয়েৰৰ শত্ৰু সকলেও এই সময়তে নানান গুজৱ ৰটনা কৰি অনিশ্চয়তা বঢ়াই তুলিলে। তেওঁলোকে মিছাকৈয়ে ৰবচপিয়েৰে অতি সোনকালে গ্ৰেপ্তাৰ কৰিবলৈ বুলি স্থিৰ কৰি থোৱা মানুহৰ তালিকা এখন উলিয়ালে। ই মানুহৰ মাজত, বিশেষকৈ কনভেনশ্যনৰ সদস্যসকলৰ মাজত অনিশ্চয়তা বঢ়াই তুলিলে। বহু সদস্য তলে তলে ৰবচপিয়েৰৰ ঘোৰ বিৰোধী হৈ পৰিল।

ৰবচপিয়েৰে কনভেনশ্যনৰ সদস্য সকলৰ মনোভাব সম্পৰ্কে নজনাকৈ থকা নাছিল। বহুত সদস্যই তেওঁক ভাল নাপায় বুলি তেওঁ জানিছিল। সেয়ে তেওঁ বহুদিনৰপৰা কনভেনশ্যনৰ অধিবেশনবোৰ এৰাই চলিছিল। কিন্তু কিমান দিন আৰু নোযোৱাকৈ থাকিব পাৰিব! শেষত এদিন যেতিয়া তেওঁ যাব লগা হ'ল, তেওঁ ধৰিব পাৰিলে যে প্ৰায় আটাইবোৰ সদস্যই ভিতৰি ভিতৰি তেওঁৰ ঘোৰ বিৰোধী। তেওঁ কনভেনশ্যনৰ আগত এটা ভাষণ দিলে। এইটোৱেই আছিল তেওঁৰ জীৱনৰ শেষ ভাষণ। ভাষণত তেওঁ বিৰোধী আৰু শত্ৰুসকলক দেশৰ শান্তি-শৃঙ্খলা নষ্ট কৰি ফৰাচী প্ৰজাতন্ত্ৰক বিপন্ন কৰি তোলা বুলি দোষাৰোপ কৰিলে আৰু বহুতৰে আচল ৰূপটো প্ৰকাশ কৰি দিব বুলি হুমিয়ালে। সেইদিনাই গধূলি জেকবেঁ ক্লাবৰ সভাত তেওঁ আৰু প্ৰকাশ্য ভাৱে তেওঁৰ শত্ৰুসকলক আক্ৰমণ কৰিলে কিন্তু কাৰো নাম তেওঁ উল্লেখ নকৰিলে। ফলত তেওঁৰ বিৰোধী সকল আৰু আতংকিত হৈ পৰিল। ৰবচপিয়েৰে বা কাৰ কথা কৈছে কি ঠিক? তেওঁলোকে দেখিলে তৎক্ষণাৎ কিবা এটা নকৰিলে নহ'ব।

পাছদিনা, ১৭৯৪ চনৰ ২৭ জুলাই, বিপ্লৱী কেলেণ্ডাৰ মতে থাৰ্মিড'ৰ মাহৰ ৯ তাৰিখ, সেইদিনা ৰবচপিয়েৰ আকৌ কনভেনশ্যনৰ আগলৈ আহিল। লগে লগে বিৰোধী সকলে তেওঁৰ ওপৰত পৰিকল্পিত ভাৱে আক্ৰমণ চলালে।

ৰবচপিয়েৰেও সদন কক্ষলৈ আহিয়েই ধৰিব পাৰিছিল চাৰিওফালে যেন কিবা চেপা উত্তেজনা। সকলোবোৰ সদস্যই ভিতৰি ভিতৰি উত্তেজিত আৰু তেওঁৰ বিৰোধী। যেতিয়া ৰবচপিয়েৰৰ বিশ্বস্ত বন্ধু চেণ্ট যাষ্টে দেশত বিশৃঙ্খলতা আনি প্ৰজাতন্ত্ৰ বিপন্ন কৰি তোলা লোক সকলৰ এখন তালিকা কনভেনশ্যনৰ আগত গাই দিবলৈ আৰম্ভ কৰিবলৈ খুজিলে, বহুত প্ৰতিনিধিয়ে ইয়াৰ সৰব প্ৰতিবাদ কৰি হুলস্থুল লগাই দিলে। আচলতে সেই তালিকাত তেওঁলোকৰ নিজৰো নাম আছিল বুলি তেওঁলোকে বিৰাট ভয় খাইছিল।

সেই হুলস্থুলৰ মাজতে এজনে চিঞৰি উঠিল, "মই ৰবচপিয়েৰক গ্ৰেপ্তাৰ কৰাৰ দাবী জনাইছোঁ।"

ৰবচপিয়েৰে আত্মপক্ষ সমৰ্থনৰ সুযোগ বিচাৰিলে কিন্তু সদস্যসকলে হুলস্থুল কৰি তেওঁক কোনো কথাই ক'বলৈ নিদিলে। এজন বিৰোধী নেতাই এখন ছুৰী উলিয়াই ৰবচপিয়েৰৰ বুকুৰ কালে টোৱাঁই ক'লে, "তোমালোকৰ যদি ইয়াক গ্ৰেপ্তাৰ কৰিবলৈ সাহস নাই, তেনেহ'লে ময়েই ইয়াক ইয়াতে হত্যা কৰিম।" প্ৰায় সকলো সদস্যই লগে লগেই ৰবচপিয়েৰক 'আইন বহিৰ্ভূত' (outlaw) বুলি ঘোষণা কৰি ততালিকে গ্ৰেপ্তাৰ কৰিব লাগে বুলি মত দিলে। ৰবচপিয়েৰৰ ভায়েকে ক'লে, "তেওঁ যদি কিবা দোষত দোষী তেনেহ'লে ময়ো সমানে দোষী. মোকো গ্ৰেপ্তাৰ কৰক।"

ৰবচপিয়েৰ, তেওঁৰ ভায়েক, চেণ্ট যাষ্ট আৰু দুজন মানক গ্ৰেপ্তাৰ কৰি তেতিয়াই লাক্সেমবুৰ্গ কাৰাগাৰলৈ পঠাই দিয়া হ'ল।

কিন্তু পেৰিচৰ উগ্ৰপন্থা মেয়ৰ লেচকই ৰবচপিয়েৰক সহায় কৰিবলৈ আগ বাঢ়ি আহিল। তেওঁ বন্দীসকলক কাৰাগাৰৰপৰা মুকলি কৰি অনাই হটেল ড্য ভিলাত সাদৰ সম্ভাষণ জনাই আপ্যায়িত কৰিলে। যেতিয়া বিৰোধী সকলে দেখিলে যে পেৰিচৰ বহুতো উগ্ৰপন্থী নেতাই ৰবচপিয়েৰক সহায় কৰিবলৈ আগ বাঢ়ি আহিছে তেওঁলোকে খুব ভয় খালে। ঘটনাৰ মোৰ ঘূৰিবলৈ আৰম্ভ কৰিছেই। পেৰিচ কমিউনে ইতিমধ্যে নেশনেল গাৰ্ডৰ সেনা সকলক গোট খুৱাবলৈ আৰম্ভ কৰিছে আৰু সাধাৰণ মানুহৰো এটা সশস্ত্ৰ বাহিনী গোট খুৱাইছে। কনভেনশ্যনে পল বাৰা বোলা এজন নেতাক আন এটা সেনাবাহিনী গোটাই ৰবচপিয়েৰ হঁতক আকৌ গ্ৰেপ্তাৰ কৰিবলৈ দায়িত্ব দিলে। পল বাৰাই অতি কম সময়ৰ ভিতৰতে পেৰিচৰ মধ্যবিত্ত আৰু অৱস্থাপন্ন মানুহ সকলে কাম কৰা অঞ্চলৰ পৰা এদল সেনা গোটাই নি হটেল ড্য ভিলা আগুৰি

ধৰিলেগৈ। পেৰিচৰ নেশ্বনেল গাৰ্ডৰ লোবোপা কম্যাণ্ডাৰ জনে সেনা গোট খুৱাবলৈ সুবিধা নাপালেই। সাধাৰণ মানুহখিনিয়েও একো বাধা নিদিলে। ৰবষুণ অহাত তেওঁলোকো ঘৰাঘৰি গুচি গ’ল। তেওঁলোকে তেওঁলোকৰ প্ৰিয় নেতা দাঁ-তঁক মৃত্যুৰ মুখলৈ পঠিউৱা ৰবচপিয়েৰক এনেয়েও বৰ ভাল নাপাইছিল। ৰবচপিয়েৰে আত্মহত্যাৰ চেষ্টা চলালে—কিন্তু সি সফল নহ’ল। পাছদিনা তেওঁ আৰু তেওঁৰ সহযোগী সকলক প্ৰকাশ্যে গিলটিনত দিয়া হ’ল।

“বধ্যভূমিলৈ যাওঁতে ওৰে বাটটো তেওঁলোকে বাটৰ দুয়োকাষে জমা হোৱা লোক সকলৰ পৰা নানান চিঞৰ-বাখৰ শুনিলে, তাৰে ভিতৰত ‘ৰবচপিয়েৰ জহন্নামে যা’ বুলি চিঞৰা খুব ঘনাই ঘনাই শুনা গৈছিল। বধ্যভূমিত তেওঁলোক সাজি কাচি অহা এজাক দৰ্শকৰ সন্মুখীন হ’লগৈ। সেই ঠাইৰ চাৰিওকাষে থকা ঘৰৰ খিৰিকী বোৰ অভাৱনীয় দৰত ভাৰালৈ দিয়া হৈছিল ; মহিলা সকলে কিবা উৎসৱ চাবলৈ অহাৰ দৰে সাজ-পোচাক কৰিছিল। যেতিয়া ৰবচপিয়েৰৰ কটা মূৰটো জনতাৰ আগত তুলি ধৰা হ’ল, চাৰিওফালে সন্তোষৰ ধ্বনি উঠিল। এটা মৃত্যুদণ্ড পেৰিচৰ বাবে একো নহয় কিন্তু এই মৃত্যুদণ্ডৰ লগে লগে সমগ্ৰ পেৰিচে যেন অনুভৱ কৰিলে—সন্ত্ৰাসৰ শেষ হ’ল।”

উদাৰপন্থী আৰু দাঁ-তঁৰ সমৰ্থক সকলৰ হাতলৈ এইবাৰ শাসন ক্ষমতা গ’ল। কনভেনশ্যনে ২৯ জুলাইৰ দিনা পেৰিচ কমিউন ভাঙি দিলে আৰু সত্তৰ জন কমিউনৰ নেতা আৰু পালি নেতাক হত্যা কৰোৱালে। দেশৰ জেলবোৰৰ পৰা ৰবচপিয়েৰৰ শত্ৰু আৰু তেওঁৰ দিনত বন্দী কৰি থোৱা লোক সকলক মুকলি কৰি দিয়া হ’ল। কমিটি অব পাব্‌লিক চেফ্‌টি আৰু কমিটি অৱ পাব্‌লিক চিকিঅ’ৰিটিৰ হাতত থকা ক্ষমতা কাটি লোৱা হ’ল। জেকবেঁ ক্লাবটোও বে-আইনী ঘোষণা কৰা হ’ল। ইমামদিনে পেৰিচ তথা ফ্ৰান্সৰ ৰাজনীতিত অসীম প্ৰভাৱ থকা এই ক্লাবটোৰ ক্ষমতাৰ অন্ত পৰিল। কনভেনশ্যনৰ নিৰপেক্ষ সদস্য সকলেও এইবাৰ সোঁ হাতে বহা ৰক্ষণশীল সকলৰ লগ লাগিলগৈ আৰু এই ব্যৱস্থা বোৰৰ প্ৰতি সমৰ্থন জনালে। শেষত ডিচেম্বৰ মাহৰ ৮ তাৰিখে তেতিয়াও জীয়াই থকা ৭৩ জন জিৰণ্দিন সদস্যক পুনৰ সসম্মানে কনভেনশ্যনলৈ ঘূৰাই অনা হ’ল।

ডুৰাণ্টৰ ভাষাতে, “বিপ্লৱটো বুৰ্জোৱা সকলে আকৌ অধিকাৰ কৰিলে”—(The Bourgeoisie re-captured the revolution.)

সপ্তবিংশ অধ্যায়

কনভেনশ্যনৰ অন্তিম ক্ষণ আহি পৰিছে।

উগ্ৰপন্থী জেকবেঁ সকলক বিতাৰিত কৰাৰ পাছত উদাৰপন্থী বুৰ্জোৱা সদস্য সকলে আগৰ বহুতো আইন-কানুন, নিয়ম-নীতি উঠাই দিছে। সন্ত্ৰাসৰ ৰাজত্বৰ অৱসান ঘটাইছে। 'ল অব্ চাচ্পেক্টচ্' আৰু আন আন দমনমূলক আইন-কানুন বোৰ উঠাই দিয়াত দেশৰ মানুহে শান্তিত উশাহ লৈছে। কিন্তু থার্মিডৰিয় সদস্যসকলে (থার্মিড' মাহত শাসন ক্ষমতা দখল কৰাসকল) উদাৰ নীতি গ্ৰহণ কৰাত দেশ শাসনত বহুত শিথিলতাই দেখা দিলে। ফলস্বৰূপে সমাজত বিশৃঙ্খলতা বাঢ়ি আহিবলৈ ধৰিলে।

এই থার্মিডৰিয় সদস্য সকলৰ শাসনকাল নানা ধৰণৰ পৰস্পৰ বিৰোধী নীতি, দলাদলি, নানান খেলিমেলিৰে পূৰ্ণ আছিল। কিন্তু এই সকলোবোৰৰ মাজেৰে এটা কথা কিন্তু স্পষ্ট হৈ পৰিছিল যে নতুন সদস্য সকলে সমাজত আৰু ৰাজনীতিত সাধাৰণ মানুহৰ প্ৰতিপত্তি নাইকিয়া কৰিব বিচাৰে। ইমান দিনলৈকে ফ্ৰান্সৰ বিপ্লৱৰ প্ৰধান পৰিচালক শক্তি আৰু প্ৰধান ভেটি আছিল বিপ্লৱী জনসাধাৰণ, বিশেষকৈ পেৰিচৰ জনতা। এওঁলোকৰ হেঁচাৰ সন্মুখত চৰকাৰে নানান জনকল্যাণমূলক আঁচনি ল'বলৈ বাধ্য হৈছিল আৰু সমাজত বুৰ্জোৱা শ্ৰেণীৰ প্ৰতিপত্তি কমাই অৰ্থনীতিক ৰাষ্ট্ৰীয় পৰিচালনাৰ অধীন কৰিবলৈ চেষ্টা কৰিছিল। এতিয়া বুৰ্জোৱা সকলে আকৌ সমাজত বুৰ্জোৱা শ্ৰেণীটোক শক্তিশালী কৰি তুলিবৰ বাবে মুক্ত অৰ্থনীতি গঢ়ি তোলাৰ নামত আকৌ ধনতান্ত্ৰিক অৰ্থব্যৱস্থা নিকপকপীয়াকৈ গঢ়ি তোলাৰ যো-যা কৰিলে। সেয়ে অৰ্থনীতি আৰু সামাজিক জীৱনৰ ওপৰত ৰাষ্ট্ৰৰ প্ৰভাৱ তেওঁলোকে কমাই আনিলে। ৰাষ্ট্ৰপৰিচালিত অৰ্থনীতিৰ সমগ্ৰ আদৰ্শটোকেই তেওঁলোকে জলাঞ্জলি দিলে আৰু ৰবচপিয়েৰে বান্ধি দিয়া দ্ৰব্যমূল্যৰ সৰ্ব্বোচ্চ সীমা আৰু শ্ৰমিকৰ মজুৰিৰ সৰ্ব্বোচ্চ সীমাৰ ব্যৱস্থা উঠাই দিলে। ফলত শ্ৰমিক সকলে মজুৰি বৃদ্ধিৰ বাবে চেষ্টা কৰিবলৈ স্বাধীনতা পালে কিন্তু লগতে বেপাৰী সকলেও বয়-বস্তুৰ দাম মুকলিকৈ বঢ়াই দিয়াত সুবিধা পালে।

লাভখোৰ আৰু মজুতকাৰী হঁত সক্ৰিয় হৈ উঠিল।

বস্ত্ৰ-বস্তুৰ দাম অভাৱনীয়ৰূপে বাঢ়িবলৈ ধৰিলে।

অভাৱ-অনাটনে দেখা দিলে চাৰিওফালে।

মূল্যবৃদ্ধিৰ লগে লগে চৰকাৰী এচিগনাট (Assignat) বা প্ৰতিজ্ঞা-পত্ৰবোৰৰ মূল্য হুবহুৰকৈ পৰি আহিল। অৰ্থনীতিত এক অচল অৱস্থাৰ সৃষ্টি হ'ল। তাৰোপৰি ভূতৰ ওপৰতে দানহ পৰাৰ দৰে সেইবাৰ দেশত খাদ্যশস্যৰ উৎপাদনো কম হ'ল। ফলত পৰিস্থিতি আৰু জটিল হৈ পৰিল। মূল্যসূচী (Price Index) বাঢ়িবলৈ ধৰিলে।

এনে অৰ্থনৈতিক দুৰ্যোগে সাধাৰণ মানুহৰ অৱস্থা একেবাৰে জুৰুলা কৰি পেলালে আৰু লগে লগে তেওঁলোকৰ ক্ষোভ আৰু হতাশা বাঢ়ি আহিল। নতুন চৰকাৰৰ ওপৰত তেওঁলোকে ক্ৰমান্বয়ে আস্থা হেৰুৱাই পেলালে। মানুহৰ মনত আকৌ বিদ্ৰোহৰ ভাব জাগিবলৈ ধৰিলে।

ভাঙি দিয়া পেৰিচ কমিউনৰ অনুগামী পেৰিচৰ সাধাৰণ জনতা তেতিয়াও সশস্ত্ৰ। তেওঁলোকৰ হাতত শক্তি প্ৰচুৰ। কিন্তু উপযুক্ত নেতাৰ অভাৱত তেওঁলোকৰ এই বিৰাট শক্তি অ-সংগঠিত। জেকবেঁ আৰু কমিউনৰ নেতা সকলক হত্যা আৰু বন্দী কৰাৰ পাছত জনতাৰ সংগঠন আৰু মনোবল ভাঙি পৰিছে। কিন্তু তথাপিও অভাৱ-অনাটনে সাধাৰণ মানুহৰ মনত বুৰ্জোৱা চৰকাৰৰ বিৰুদ্ধে বিদ্ৰোহৰ অগনি জ্বলাই তুলিলে। এপ্ৰিল মাহৰ প্ৰথম তাৰিখে আৰু মে মাহৰ ২০ তাৰিখে ভোকাতুৰ বিক্ষুব্ধ জনতাই ৰুটী বিচাৰি কনভেনশ্যন ভবন আক্ৰমণ কৰিলে। যি দুই এজন উগ্ৰপন্থী মণ্টাগনাৰ্ড নেতা মুকলি হৈ আছিল তেওঁলোকে ইয়াৰ নেতৃত্ব কৰিলে। কিন্তু দুয়োবাৰে কনভেনশ্যনে নেশ্যনেল গাৰ্ডৰ সেনাৰ সহায়ত এই বিদ্ৰোহ দমন কৰালে। উগ্ৰপন্থী সকলক আকৌ বিচাৰি বিচাৰি গ্ৰেপ্তাৰ কৰা হ'ল। আকৌ এবাৰ সন্ত্ৰাস আৰম্ভ হ'ল। এই সন্ত্ৰাস আছিল সাধাৰণ মানুহৰ বিৰুদ্ধে বুৰ্জোৱা পৰিচালিত শ্বেত-সন্ত্ৰাস। ডুবাণ্টে লিখিছে, "সন্ত্ৰাসৰ অন্ত পৰা নাই, মাথোঁ হাত বদলি হৈছে।" বুৰ্জোৱা সকলৰ স্বাৰ্থ ৰক্ষাৰ বাবে আকৌ সন্ত্ৰাস ঘূৰি আহিল ফ্ৰান্সৰ বুকুলৈ।

বুৰ্জোৱা চৰকাৰৰ নতুন নীতিৰ ফলত দেশত আকৌ খৃষ্টান কেথলিক ধৰ্মৰ প্ৰভাৱ বাঢ়ি আহিবলৈ ধৰিলে। মানুহে আকৌ কেথলিক নীতি নিয়ম, উৎসৱ পৰ্বব আদি পালন কৰিবলৈ আৰম্ভ কৰিলে। গীৰ্জাই আকৌ সমাজত, মানুহৰ মাজত খোপনি পুতিবলৈ আৰম্ভ কৰিলে।

আনহাতে ৰাজতন্ত্ৰী সকলৰো কাৰ্য্য-কলাপ বাঢ়ি আহিল। পেৰিচত ৰাজতন্ত্ৰৰ সপক্ষে মুকলি আলোচনাও চলিব ধৰিলে। বৃটেইনৰ সহায় লৈ দেশত্যাগী অভিজাত এদল ফ্ৰান্সলৈ আহি এবাৰ বিদ্ৰোহৰো চেষ্টা কৰিছিল। কিন্তু কনভেনশ্চনে কঠোৰ ভাবে সেই বিদ্ৰোহ দমন কৰিলে। তথাপিও বহুত মানুহে দেশত শান্তি-শৃঙ্খলা ৰক্ষাৰ বাবে এজন শক্তিশালী ৰজাৰ প্ৰয়োজনীয়তাৰ কথা ক'বলৈ আৰম্ভ কৰিছিল।

শাসনৰ শিথিলতাই জন্ম দিয়া সামাজিক বিশৃঙ্খলাৰ ফলত দেশত অপৰাধ বাঢ়িছিল। চোৰ-তস্কৰ, ক'লাবজাৰী, চোৰাং কাৰবাৰী সকল সক্ৰিয় হৈ উঠিছিল। বেশ্যাবৃত্তি আৰু কম বয়সীয়া অপৰাধীৰ সংখ্যাও বাঢ়িছিল। জেকৰেঁ সন্ত্ৰাসৰ ভয়ত চেপা খাই থকা সামাজিক দুৰ্নীতিবোৰে আকৌ শিপাবলৈ আৰম্ভ কৰিছিল।

কিন্তু সামাজিক অস্থিৰতা আৰু বিশৃঙ্খলতা সত্বেও ফৰাচী সেনাবাহিনীয়ে যুদ্ধত চমকপ্ৰদ পাৰদৰ্শিতা দেখুৱাইছিল। বিপ্লৱী চৰকাৰৰ সামৰিক নীতিৰ সুফলবোৰ ফ্ৰান্সে এটা এটাকৈ লাভ কৰিবলৈ আৰম্ভ কৰিছে। সামৰিক বাহিনীৰ বিজয়ৰ লগে লগে নতুন চৰকাৰৰ মান-সন্মান আৰু প্ৰতিপত্তিও বাঢ়িছে। দৰাচলতে এটা শক্তিশালী সামৰিক বাহিনীৰ সহায় সমৰ্থনৰ বাবেই নতুন বুৰ্জোৱা শাসকসকলে সমাজত আৰু ৰাজনীতিত সাধাৰণ সৰ্বহাৰা জনতাৰ প্ৰভাৱ কমাবলৈ প্ৰয়াস পাইছিল। নেশ্বনেল গাৰ্ডৰ সেনা সকলৰ জৰিয়তে তেওঁলোকে জনতাৰ প্ৰভাৱ দুবাৰো মষিমূৰ কৰি পেলাইছিল।

ফ্ৰান্সৰ সামৰিক বিজয়ৰ আগত আৰু প'লেণ্ডৰ প্ৰশ্ন লৈ নিজৰ মাজতে মতবিৰোধ হোৱাত প্ৰথম কোৱালিশ্যনত ইতিমধ্যে ফাঁট মেলিছে। ফৰাচী সেনাবোৰে কোৱালিশ্যনৰ দেশবোৰক এখনৰ পাছত এখনকৈ হৰুৱাই তেওঁলোকৰ নিজা চৰ্তত শান্তি স্থাপন কৰিবলৈ সক্ষম হৈছে।

ফ্লিউৰত প্ৰথম জয়লাভৰ পাছতে ফৰাচী সেনাই বেলজিয়াম দখল কৰি ৰাইন নদীলৈকে নিজৰ সীমা বঢ়ালে। ১৭৭৫ চনৰ ৫ এপ্ৰিলৰ দিনা বাচেলৰ সন্ধিত প্ৰুচিয়াৰ লগত ফ্ৰান্সৰ শান্তি স্থাপন হ'ল। প্ৰুচিয়াই ৰাইন নদীলৈকে থকা জাৰ্মান এলাকাবোৰ ফ্ৰান্সক শোধাই দিবলৈ মান্তি হ'ল। ১৬ মেৰ দিনা 'হগৰ সন্ধিপত্ৰ'ৰ জৰিয়তে হলেণ্ডেও ফ্ৰান্সৰ আধিপত্য মানি ল'লে। ফ্ৰান্সে হলেণ্ডত নিজৰ সৈন্য-সামন্ত ৰখাৰ অধিকাৰ লাভ কৰিলে। তাৰ পাছত ২২ জুলাইত স্পেইনৰ লগত সন্ধি হ'ল। ফ্ৰান্সে স্পেইনৰপৰা

অধিকাৰ কৰি লোৱা বষ্ক আৰু কাঠালনীয়া অঞ্চল এৰি দিলে কিন্তু তাৰ বিনিময়ত স্পেইনৰ পৰা পশ্চিম ভাৰতীয় দ্বীপপুঞ্জত 'চন্ট দমিনিগ' অঞ্চলৰ অধিকাৰ লাভ কৰিলে।

এতিয়া কেৱল বাকী থাকিল অষ্ট্ৰিয়া আৰু ইংলেণ্ড। কিছু দিনলৈ যুঁজ শাম কাটিল কিন্তু বেছি দিনলৈ নহয়। যেতিয়া ফ্ৰান্সে বেলজিয়ামক সম্পূৰ্ণ ভাৱে ফ্ৰান্সৰ অন্তৰ্গত কৰি ল'লে, তেতিয়া আকৌ যুদ্ধ আৰম্ভ হ'ল। ইংলেণ্ডৰ অৰ্থ আৰু নৌবহৰৰ সহায়ত অষ্ট্ৰিয়া সাম্ৰাজ্যই ফৰাচী প্ৰজাতন্ত্ৰৰ বিৰুদ্ধে যুদ্ধ চলাই গ'ল।

কিন্তু সন্থহতে বহুকেইথন যুঁজত জিকি ফ্ৰান্সৰ বুৰ্জ্জোৱা চৰকাৰ শক্তিশালী হৈ উঠিছে। অৰ্থনীতিক এতিয়াও যদিও আয়ত্বলৈ আনিব পৰা নাই, তথাপিও ৰাজনৈতিক ভাৱে তেওঁলোকে যথেষ্ট নিৰাপদ বোধ কৰিছে। সেয়ে থাৰ্মিডৰিয় সদস্য সকলে এইবাৰ কনভেনশ্যনৰ ৰক্ষণশীল আৰু নিৰপেক্ষ সদস্য সকলৰ লগ লাগি দেশত বুৰ্জ্জোৱা সকলৰ প্ৰতিপত্তি চিৰস্থায়ী কৰিবলৈ এখন নতুন সংবিধান প্ৰস্তুত কৰিবলৈ আগবাঢ়িল। লগতে এই সংবিধানৰ জৰিয়তে তেওঁলোকে জনসাধাৰণ, উগ্ৰপন্থী জেকবে সকল, ৰাজতন্ত্ৰী আৰু অতি ৰক্ষণশীল সকলৰো প্ৰভাৱ নাইকিয়া কৰিবলৈ চেষ্টা কৰিলে।

এই সংবিধানত আগৰ জেকবেঁ সকলৰ প্ৰায়বোৰ মূল আদৰ্শকেই জলাঞ্জলি দিয়া হ'ল। ৰুচোৰ সমানতাৰ চিন্তাধাৰাক এওঁলোকে বেলেগ ধৰণে ব্যাখ্যা কৰিলে। "সকলো মানুহে সমান ভাবে জন্ম গ্ৰহণ কৰে, জীয়াই থাকে আৰু সকলোৰে অধিকাৰ সমান।" এই কথাষাৰ নতুন সংবিধানৰ পৰা বাদ দিয়া হ'ল। ইয়াৰ পৰিবৰ্ত্তে আইনৰ চকুত সকলো সমান বুলি মানুহৰ সমানতাৰ অধিকাৰ সৰলীকৰণ কৰি ব্যাখ্যা কৰি যোৱা হ'ল। অৰ্থাৎ নতুন শাসক সকলে সকলো মানুহৰে সকলো অধিকাৰ সৰ্ব্বতোভাৱে সমান বুলি মানি নল'লে। অৱশ্যে তেওঁলোকে মানি ল'ব নোৱাৰেও, কাৰণ বুৰ্জ্জোৱা ধনতান্ত্ৰিক সমাজ আৰু অৰ্থনীতি প্ৰৱৰ্ত্তন কৰিবলৈ তেওঁলোকে সম্পত্তিৰ অধিকাৰক স্বীকৃতি দিছে। অৰ্থাৎ মানুহে ব্যক্তিগত ভাৱে যিমানে সম্ভৱ যিমান সম্পত্তি আহৰণ আৰু ভোগ কৰাৰ অধিকাৰ পাইছে। এই সম্পত্তিৰ স্বাধীনতাই দেশত, সমাজত অসমানতাৰ সৃষ্টি কৰিব। ধনী আৰু দুখীয়াৰ সৃষ্টি কৰিব। আগৰ বিপ্লৱী চৰকাৰৰ সমানতাৰ আদৰ্শমতে আৰু ৰুচোৰ চিন্তাধাৰাতো, সমাজত ধনী দুখীয়াৰ প্ৰভেদ নাইকিয়া কৰি সমানতা স্থাপন কৰাটো জৰুৰী

আছিল। কিন্তু এই আদর্শ বুর্জোৱা স্বাৰ্থৰ পৰিপন্থী, সেয়ে নতুন বুর্জোৱা' চৰকাৰে 'সমানতাৰ' অধিকাৰক স্বীকৃতি নিদিলে। তেওঁলোকে ইয়াক আইনৰ চকুত সকলো সমান বুলি ব্যাখ্যা কৰিলে। কিন্তু বুর্জোৱা আইনৰ পৰা জানো জনসাধাৰণে কেতিয়াবা সমান ব্যৱহাৰ পায় ?

সম্পত্তিৰ অধিকাৰ সাব্যস্ত কৰি নতুন শাসক সকলে ক'লে, "সম্পত্তিয়েই হ'ল মূল -ভেটি যাৰ ওপৰত কৃষি, উৎপাদন, শ্রম আৰু সমগ্র সমাজ ব্যৱস্থা নির্ভৰ কৰে।"

ইয়াৰ লগে লগে ফ্রান্সত সম্পূর্ণ মুক্ত অর্থনীতি প্রতিষ্ঠা কৰা হ'ল। ধনতান্ত্রিক সমাজ আৰু পুঁজিবাদৰ আৰম্ভ হ'ল। বিপ্লৱৰ 'সমাজবাদী' আদর্শ-জনসাধাৰণৰ কল্যাণৰ বাবে অর্থনীতিৰ ওপৰত ৰাষ্ট্রৰ নিয়ন্ত্রণ শেষ কৰি দিয়া হ'ল। শ্রমিকসকল আৰু জনসাধাৰণৰ গণতান্ত্রিক বিক্ষোভ প্রদর্শন আৰু ধর্মঘট আদি কৰাৰ অধিকাৰো শেষ কৰি দিয়া হ'ল। আগৰ সংবিধানে এই অধিকাৰক স্বীকৃতি দিছিল।

বুর্জোৱা শাসন ব্যৱস্থা বজাই ৰাখিবলৈ নির্বাচন পদ্ধতিৰো বহুত সালসলনি' ঘটোৱা হ'ল। সার্ব্বজনীন প্রাপ্তবয়স্কৰ ভোটাধিকাৰ ব্যৱস্থা উঠাই দি, ভোটদানৰ ক্ষমতা সঙ্কুচিত কৰি কেৱল মাত্র সম্পত্তিশালী কৰদাতা সকলৰ মাজতহে (মধ্যবিত্ত শ্রেণী) ইয়াক সীমাবদ্ধ কৰি ৰখা হ'ল। তাৰোপৰি সদস্য নির্বাচনৰ পদ্ধতিও পৰোক্ষ কৰা হ'ল। ভোটদাতাসকলে প্রথমে এখন নির্বাচক মণ্ডল (Electoral college) গঠন কৰিছিল আৰু এই নির্বাচক মণ্ডলেহে আকৌ সংসদৰ সদস্য সকলক নির্বাচিত কৰিব পাৰিছিল।

এই ব্যৱস্থাৰ ফলত চৰকাৰৰ সামাজিক ভেটি সীমিত হৈ পৰিল। স্বাভাৱিকতে এনে চৰকাৰ অস্থিৰ হ'বলৈ বাধ্য। নতুন চৰকাৰৰ জন্মতে কেৰা লাগিল।

দেশ শাসনৰো নতুন পদ্ধতি উলিউৱা হ'ল। কার্য্যপালিকা, ন্যায় পালিকা, সংসদ আৰু অর্থবিভাগ সুকীয়া সুকীয়া কৰা হ'ল। কার্য্যপালিকাৰ সর্ব্বোচ্চ ক্ষমতা দিয়া হ'ল পাঁচজন সদস্যৰে গঠিত এখন 'ডিৰেকটোৰাৰ'ৰ ওপৰত। এই সদস্য কেইজনৰ কার্য্যকাল পাঁচ বছৰ কিন্তু প্রতি বছৰেই একো জনকৈ সদস্য সলোৱাৰ ব্যৱস্থা থাকিল। সংসদত দুখন সভা থাকিল। দুশ পঞ্চাছজন সদস্যৰ এখন উচ্চসভা বা 'হাউচ অব এনচায়েণ্টচ' আৰু পাঁচশ সদস্যৰ এখন নিম্নসভা—'হাউচ অব ফাইভ হান্ড্রেড' ৰখা হ'ল। অর্থবিভাগ-

টোও নির্ব্বাচিত হ'ল। নির্ব্বাচক মণ্ডলীবোৰে এই বিভাগ আৰু ৰাষ্ট্ৰীয় কোষাগাৰৰ পৰিচালনাৰ বাবে সদস্য নির্ব্বাচিত কৰিব। ন্যায়পালিকাকো স্বতন্ত্ৰীয়া কৰা হ'ল আৰু ইয়ো নির্ব্বাচিত হোৱাৰ ব্যৱস্থা হ'ল। কিন্তু সংসদৰ ক্ষেত্ৰত এক অভূতপূৰ্ব্ব ব্যৱস্থা লোৱা হৈছিল। সংবিধান মতে নতুন সংসদৰ দুই তৃতীয়াংশ সদস্য আগৰখন সংসদৰ সদস্য হোৱাটো প্ৰয়োজনীয় আছিল। যদি সিমানখিনি সদস্য নির্ব্বাচিত নহয়ো, তেনেহলে খালী ঠাই মনোনয়নৰ দ্বাৰা পূৰোৱাৰ ব্যৱস্থা ৰখা হ'ল। থার্মিডৰিয় সদস্য সকলে যদিও কৈছিল যে অভিজ্ঞ মানুহ সংসদত ৰাখিবৰ বাবেই এই ব্যৱস্থা লোৱা হৈছে তথাপিও তেওঁলোকে যে প্ৰকৃততে নিজৰ মাজতে সদায় ক্ষমতা ৰাখিবৰ বাবেহে যে এই ব্যৱস্থা লৈছিল, সি জল্‌জল্ পট্‌পট্‌কৈ ওলাই পৰিছিল। জেকঁবে আৰু ৰাজতন্ত্ৰী সকল যাতে নির্ব্বাচিত হৈ আহি গণ্ডগোল লগাব নোৱাৰে তাৰ বাবে এই কাম কৰা হৈছিল।

কিন্তু এই ব্যৱস্থাৰ বিপক্ষে ৰাজতন্ত্ৰীসকলে বিদ্ৰোহ ঘোষণা কৰিলে। বুর্জ্জোৱা সকলৰ বহুতেও, বিশেষকৈ প্ৰাচীনপন্থীসকলে এই কাম ভাল নাপালে। তাৰোপৰি গণতান্ত্ৰিক আদৰ্শত বিশ্বাস কৰাসকলেও এই কথা সমৰ্থন নকৰিলে। এই ব্যৱস্থাই মুক্ত গণতান্ত্ৰিক নির্ব্বাচন ব্যৱস্থাক সম্পূৰ্ণ অবমাননা কৰিছে বুলি তেওঁলোকে ভাবিলে। তাৰোপৰি থার্মিডৰিয় সকলক তেওঁলোকে বিশ্বাসো নকৰিছিল. কাৰণ এসময়ত এওঁলোকেই সন্ত্ৰাসৰ ৰাজত্বক সমৰ্থন জনাইছিল আৰু নিজেও সন্ত্ৰাসৰ সুবিধা লৈছিল। এওঁলোকক শাসন ক্ষমতাৰ পৰা আঁতৰোৱাটোৱেই তেওঁলোকে বাঞ্ছা কৰিছিল। সেয়ে পেৰিচত এই ব্যৱস্থাৰ বিৰুদ্ধে জনমত গঢ়ি উঠিবলে ধৰিলে। চাওঁতে চাওঁতে অৱস্থাই এনে বিস্ফোৰক ৰূপ ল'লেগৈ যে ২৫,০০০ মানুহে অস্ত্ৰ-শস্ত্ৰ লৈ কনভেনশ্যন ভৱন আক্ৰমণ কৰিবলৈ আগ বাঢ়ি আহিল। কনভেনশ্যনৰ কাম-কাজত ৰিশেষকৈ অৰ্থনৈতিক বিফলতাত মানুহ এনেয়েও বিতুষ্ট হৈয়েই আছিল। কনভেনশ্যনে প্ৰমাদ গণিলে। তেওঁলোকে কিবা এটা কৰিবলৈ পল বাৰাক দায়িত্ব দিলে। বাৰাই ক'লে, "আমাক এই বিপদৰ পৰা মাথোঁ এজনেহে ৰক্ষা কৰিব পাৰিব।" কোন তেওঁ ? তেওঁ হ'ল তুলৰঁ যুদ্ধ বিজয়ী নাপলেয়ঁ বনাপাৰ্ট।

নাপলেয়ঁ সেই সময়ত পেৰিচত বেকাৰ হৈ আছে। তুলঁৰ যুদ্ধৰ পাছত ৰবচপিয়েৰে তেওঁক ব্ৰিগেডিয়াৰ জেনেৰেল পাতিছিল। কিন্তু ৰবচপিয়েৰৰ

পতনৰ লগে লগে নাপলেয়ঁকো ৰবচপিয়েৰ-পন্থী বুলি গ্ৰেপ্তাৰ কৰা হৈছিল। পাছত মুক্তি পালে যদিও তেওঁ কামলৈ ঘূৰি যাব পৰা নাছিল। সেৰিচতে তেওঁ অনাই বনাই আছিল। এতিয়া বাৰাই তেওঁক মতাই আনি কনভেনশ্যনক ৰক্ষা কৰাৰ দায়িত্ব দিলে। নাপলেঁয় তৎক্ষণাৎ কামত লাগি গ'ল। তেওঁ সেনাপতি মুৰাটক পঠিয়াই কামান কিছুমান অনাই কনভেনশ্যন ভৱনৰ চাৰিওফালে পতালে। তাৰ পাছত তেওঁ জনতাক ছত্ৰভঙ্গ দিবলৈ ক'লে। কিন্তু জনতাই কাণসাৰ নকৰাত তেওঁ কামানেৰে জনতাৰ ওপৰত গোলাবৰ্ষণ আৰম্ভ কৰিলে। দুশজনৰ থিতাতে মৃত্যু হ'ল, বাকীবোৰ দিহিঙে দিপাঙে ফৰিংছিটিকা দিলে। বিপ্লৱী যুগৰ অন্ত পৰিল। এতিয়া আৰম্ভ হ'ল নাপলেঁয়ৰ যুগ। ২৬ অক্টোবৰৰ দিনা কনভেনশ্যন খন ভাঙি দিয়াৰ কথা ঘোষণা কৰা হ'ল।

নতুন ডিৰেকটোৰাৰৰ প্ৰথম পাঁচজন সদস্য হ'ল পলবাৰা, লুই মেৰী লেপ'চ, জ্যা ফ্ৰাঞ্চিচ ৰবেল, চাৰ্লচ লেটৰসিয়ৰ আৰু লাজাৰে কাৰ্নিট। তেওঁলোকে নাপলেঁয়ক আভ্যন্তৰীণ সেনাবাহিনীৰ সৰ্ব্বাধিনায়ক পাতিলে। ইতিমধ্যে অষ্ট্ৰিয়াৰ লগত আকৌ যুদ্ধ লাগিছে। ইংলেণ্ডে কোটি কোটি টকা দি অষ্ট্ৰিয়াক ফ্ৰান্সৰ বিৰুদ্ধে উচটাই আছে। ডিৰেক্টৰ সকলে এইবাৰ অষ্ট্ৰিয়া আক্ৰমণ কৰিবলৈ স্থিৰ কৰিলে আৰু সমগ্ৰ সেনাবাহিনী তিনিভাগ কৰি তিনিজন সেনাপতিৰ তলত দিলে। সেনাপতি তিনিজন হ'ল জুৰ্দা, মৰো আৰু নাপলেঁয়। নাপলেঁয়ক ইটালিৰপৰা অষ্ট্ৰিয়ানসকলক খেদাবলৈ পঠোৱা হ'ল। জুৰ্দা আৰু মৰোৰ সেনা কিছুমান সৰু-সুৰা বিজয়ৰ পাছত শত্ৰুৰ আগত বৈ যাবলৈ বাধ্য হ'ল। কিন্তু আনহাতে নাপলেঁয়ই আটাইতকৈ দুৰ্ব্বল সেনাবাহিনীটো লৈ বৰফেৰে ঢকা আল্পচ পৰ্ব্বতমালা পাৰ হৈ প্ৰথমেই অষ্ট্ৰিয়াৰ মিত্ৰ চাৰ্দিনিয়া ৰাজ্যক পৰাজিত কৰি দখল কৰিলে। তাৰ পাছত আৰু ৰোৱা নাই নাপলেঁয়। মতেনেও, ভলেন্‌জা, লোডি, লম্বাৰ্ডি, চৈন্ত, লনাট, ৰডাৰেভ বাচানো, চেণ্ট জৰ্জ, আৰ্কলা, ৰিভলি, মন্তুৱা সকলোতে তেওঁ অষ্ট্ৰিয়াৰ সৈনাবাহিনীক বিষমৰূপে খটুৱালে। ইটালিত তেওঁ সৰু সৰু ৰাজ্য গোট খুৱাই চিচাল্‌পীয় আৰু লিগুৰিয় নামৰ দুখন প্ৰজাতন্ত্ৰ প্ৰতিষ্ঠা কৰিলে। পোপৰ লগত সন্ধি কৰিলে আৰু শেষত অষ্ট্ৰিয়াৰ ৰাজধানী ভিয়েনাৰ ফালে আগ বাঢ়িল। পাঁচবাৰ পাঁচটা সেনাবাহিনী গঠন কৰিও অষ্ট্ৰিয়াৰ সম্ৰাটে সাতাইছ বছৰীয়া নাপলেঁয়ক বাধা দি ৰাখিব নোৱাৰিলে। অৱশেষত অষ্ট্ৰিয়াই

সন্ধি কৰিবলৈ বাধ্য হ'ল। ১৭৯৭ চনৰ ১৭ অক্টোবৰত অষ্ট্ৰিয়াই নাপলেঁয়ৰ লগত কাম্প-ফাৰ্মিয়ৰত সন্ধি কৰিলে। অষ্ট্ৰিয়া শেষ হৈ গ'ল। বাকী থাকিল মাথোঁ ইংলেণ্ড।

আনফালে নাপলেঁয়ৰ বিজয়বাৰ্তাত সমগ্ৰ ফ্ৰান্সত আনন্দ উল্লাসৰ ঢৌ উঠিছে। সকলোৰে মুখে মুখে মাথোঁ নাপলেঁয়ৰ কথা। ডাইৰেক্টৰ সকলে নাপলেঁয়ৰ এনে বিৰাট জনপ্ৰিয়তা ভাল পোৱা নাছিল। তেওঁলোকে ক্ষুবাৰমান পেৰিচৰপৰা মানুহ পঠাই নাপলেঁয়ক শাসনত ৰাখিবলৈকো ব্যৰ্থ চেষ্টা কৰিছিল। ডাইৰেক্টৰ সকলে ভয় কৰিছিল যে জনপ্ৰিয়তা আৰু সামৰিক বিজয়ৰে শক্তিমন্ত নাপলেঁয়ই যদি তেওঁলোকক ক্ষমতাচ্যুত কৰে।

কিন্তু চমকপ্ৰদ সামৰিক বিজয় সত্বেও ফ্ৰান্সৰ আভ্যন্তৰীণ অৱস্থা তেতিয়াও খুব অস্থিৰ। অৰ্থনীতি তেতিয়াও দুৰ্ব্বল। বয়-বস্তুৰ দাম হুৰহুৰাই বাঢ়িছে। অভাৱ-অনাটনে দেখা দিছে। দুৰ্নীতিয়ে গোটেইখন শিপাই পৰিছে। ডাইৰেক্টৰ সকলো দুৰ্নীতিত নিমগ্ন। এই অৱস্থাত শত্ৰুসকলে আসৈ পাইছে। চাৰিওফালে চৰকাৰ আৰু ডাইৰেক্টোৰাৰ বিৰুদ্ধে মানুহৰ ক্ষোভ বাঢ়ি আহিছে। ইতিমধ্যে এবাৰ আকৌ আগৰদৰে বিপ্লৱী চৰকাৰ, আগৰ সংবিধান আৰু ৰাষ্ট্ৰনিয়ন্ত্ৰিত অৰ্থনীতিৰ সপক্ষে বিদ্ৰোহো আৰম্ভ হৈছে। বৰ্ত্তমানৰ বুৰ্জ্জোৱা চৰকাৰৰ পুঁজিবাদী নীতি নিয়মৰ বিৰুদ্ধে এই বাৰ মাত মাতিছে ফ্ৰচোঁৱা এমিলি গ্ৰেকাচ বেবুফে। মানুহৰ মাজত জেঁকৰে আদৰ্শ এতিয়াও একেবাৰে শেষ হৈ যোৱা নাই। কিন্তু সাধাৰণ মানুহৰ সমৰ্থনৰ অভাৱত এই অভ্যুত্থানো সফল নহ'ল। সাধাৰণ মানুহৰ বিপ্লৱৰ ওপৰত আস্থা হেৰাই আহিছে। ৰাজতন্ত্ৰৰ সপক্ষে মতবাদ সেয়ে শক্তিশালী হৈ উঠিছে। আনকি বহুত বুৰ্জ্জোৱা সংসদী সদস্যয়ো আকৌ সাংবিধানিক ৰাজতন্ত্ৰৰ কথা চিন্তা কৰিবলৈ আৰম্ভ কৰিছে। লাজাৰে কাৰ্নট বোলা ডিৰেক্টৰজনেও ক্ৰমান্বয়ে ৰাজতন্ত্ৰী আদৰ্শৰ পিনে ঢাল খাবলৈ ধৰিছে। আৰু বহুতে এজন শক্তিশালী কঠোৰ নেতাৰ কল্পনা কৰা আৰম্ভ কৰিছে যি প্ৰজাতন্ত্ৰী ফ্ৰান্সৰ সকলোবোৰ সমস্যা সমাধান কৰি এক শান্তি আৰু সমৃদ্ধিৰ যুগ ঘূৰাই আনিব পাৰিব।

বাৰা, লেপ'চ আৰু ৰবেল নামৰ ডাইৰেক্টৰ তিনিজনে দেখিলে কথা বিষম। পৰিস্থিতি এতিয়াই আয়ত্ব নকৰিলে ফ্ৰান্সলৈ আকৌ বুৰ্বং বংশৰ শাসন ঘূৰি আহিব। সেয়ে তেওঁলোকে এক সামৰিক অভ্যুত্থানৰ জৰিয়তে ডিৰেক্টোৰাৰ আৰু সংসদৰপৰা ৰাজতন্ত্ৰী আৰু ৰক্ষণশীল সকলক উৎখাত

কৰিবলৈ গোপনে ষড়যন্ত্ৰ কৰিলে। তেওঁলোকে নাপলেঁয়ৰ সহায় বিচাৰিলে। নাপলেঁয় সহায় কৰিবলৈ মান্তি হ'ল, কাৰণ ফ্ৰান্সত বুঁৰ্ব বংশৰ শাসন ঘূৰি অহাটো তেওঁ নিবিচাৰে। তেওঁ বিশ্বাসী সেনানায়ক এজনক পেৰিচলৈ পঠিয়ালে। ফ্ৰুক্টিডৰ মাহৰ ১৮ তাৰিখৰ দিনা (১৭৯৭/৪ চেপ্তেম্বৰ) এই সেনানায়ক জনে সংসদ ভবন আক্ৰমণ কৰি কার্নট, বাৰথেলমি নামৰ ডিৰেক্টৰ দুজন, ৫৩ জন সংসদ সদস্য আৰু বহুত ৰাজতন্ত্ৰী, অভিজাত আৰু বুৰ্জোৱাক গ্ৰেপ্তাৰ কৰিলে। বহুতক গিলেটিনত দিয়া হ'ল আৰু বহুতকে ফৰাচী উপনিবেশবোৰলৈ নিৰ্বাসন দিয়া হ'ল। ৰক্ষণশীল আৰু ৰাজতন্ত্ৰী সকলৰ বিৰুদ্ধে আকৌ এবাৰ সন্ত্ৰাস আৰম্ভ হ'ল।

৫ ডিচেম্বৰত নাপলেঁয় যেতিয়া পেৰিচ পালেহি সমগ্ৰ সংসদ, ডিৰেকটোৰাৰ আৰু পেৰিচৰ জনতাই তেওঁক সাদৰ সম্ভাষণ জনালে। প্ৰাচীন ৰোমান চিনেটৰৰ দৰেই ডিৰেক্টৰ সকলে তেওঁক আদৰিলে। চাৰিওফালে নাপলেঁয়ৰ যশস্যা বৈ বৈ গ'ল।

ডিৰেক্টৰ সকলে আকৌ ভয় খালে কিজানি নাপলেঁয়ই ক্ষমতা দখল কৰাৰ চেষ্টা কৰে! কিন্তু ইটালী বিজয়ৰ পাছত নাপলেঁয়ৰ মনত তেতিয়া অন্য সপোন। তেতিয়া ফ্ৰান্সৰ শত্ৰু হিচাপে বাকী আছেগৈ ইংলেণ্ড। নাপলেঁয়ই দেখিলে যে এটা শক্তিশালী নৌ বহৰৰ অবিহনে ইংলেণ্ডক পৰাজিত কৰিব নোৱাৰি। ফাৰচী নৌ বাহিনীৰ তেতিয়া একেবাৰে দুখ লগা অৱস্থা। সেয়ে ইংলেণ্ডক কাবু কৰিবলৈ নাপলেঁয়ই এটা বিৰাট পৰিকল্পনা ল'লে। প্ৰথমে তেওঁ দুৰ্বল তুৰস্ক সাম্ৰাজ্যৰপৰা মিছৰ কাঢ়ি ল'ব। মধ্যপ্ৰাচ্যত ফৰাচী সাম্ৰাজ্য প্ৰতিষ্ঠা কৰি তাৰ পাছত তেওঁ পাৰস্য আৰু ভাৰতবৰ্ষৰ লগত লাভজনক ব্যৱসায়ৰ বাট মুকলি কৰিব। এই উপায়েৰে ইংলেণ্ডৰ আটাইতকৈ লাভজনক ভাৰতীয় ব্যৱসায় বন্ধ কৰি দিব পাৰিলে অতি সহজেই ইংলেণ্ডক কাবু কৰিব পৰা যাব। যেতিয়া ডিৰেকটোৱাৰৰ আগত তেওঁ এই পৰিকল্পনা দাঙি ধৰিলে, তেওঁলোকে সানন্দে ইয়াত সন্মতি দিলে। তেওঁলোকে ভাবিছিল যে যিমানেই নাপলেঁয় পেৰিচৰ পৰা আঁতৰত থাকে সিমানেই তেওঁবিলাক নিৰাপদ।

১৭৯৮ চনৰ ২৯ মেত নাপলেঁয়ই এটা সৰু অথচ শক্তিশালী নৌবহৰ লৈ মিচৰ অভিমুখে যাত্ৰা কৰিলে। তেওঁৰ লগত মধ্য প্ৰাচ্যৰ ওপৰত গৱেষণা চলাবলৈ বহুত বিদগ্ধ ফৰাচী পণ্ডিতো গ'ল। এই পণ্ডিতসকলৰ গৱেষণা

আৰু অনুসন্ধানলব্ধ জ্ঞানখিনিয়েই নাপলেয়ঁৰ এই মিচৰ অভিযানৰ আটাইতকৈ চিৰস্থায়ী ফল। ই প্ৰাচ্য আৰু পাশ্চাত্যৰ মাজত এক নতুন বুজাবুজি আৰু আদান প্ৰদানৰ সূচনা কৰিলে।

কিন্তু সামৰিকভাৱে নাপলেয়ঁৰ এই অভিযান সফল নহ'ল। আলেক-জেণ্ড্ৰিয়া নগৰ-পোতাশ্ৰয় আৰু ইজিপ্ত দখল কৰিও, চিৰিয়াত ভয়াবহ আৰু জয়যুক্ত অভিযান চলায়ো শেষত নাপলেয়ঁ এই অভিযানত পৰাজিত হ'ল। ইয়াৰ কাৰণ হ'ল নীল নদীৰ মোহনাত হোৱা এখন নৌ-যুদ্ধ। ইংলেণ্ডৰ এডমিৰেল নেলচনে আবুকি উপসাগৰৰ নৌ-যুঁজত সমগ্ৰ ফৰাচী নৌ-বাহিনী-টোক বৰ বেয়াকৈ বিধ্বস্ত কৰি পেলালে। দহখন ফৰাচী যুদ্ধ জাহাজৰ ছখন জাহাজেই ডুবি গ'ল। নাপলেয়ঁ ফ্ৰান্সৰ পৰা বিচ্ছিন্ন হৈ পৰিল।

আনহাতে ফ্ৰান্সতো তেতিয়া অৱস্থা সঙ্গীন। অৰ্থনৈতিক দুৰ্যোগতো আছেই, তাৰোপৰি ৰাজতন্ত্ৰী আৰু জেকঁবে সকল আকৌ বিৰাট শক্তিমন্ত হৈ পৰিছে। সমাজত আকৌ উত্তেজনা আৰু বিশৃঙ্খলতাৰ সৃষ্টি হ'বলৈ আৰম্ভ কৰিছে। প্ৰকৃতপক্ষে সেই সময়ত ৰাজতন্ত্ৰী সকল ইমান ক্ষমতাশালী হৈ উঠিছিল যে দেশৰ শাসন ক্ষমতা তেওঁলোকৰ হাতলৈ যায় যায়। এই পৰিস্থিতিত জেকবেঁ সকলেও ৰাজতন্ত্ৰী আৰু শাসনাধিষ্ঠ বুৰ্জোৱাসকলৰ বিৰুদ্ধে প্ৰত্যক্ষ জেহাদ ঘোষণা কৰিলে। ৰাজনৈতিক পৰিস্থিতি অস্থিৰ আৰু অনিশ্চিত হৈ পৰিল।

চৰকাৰৰ নিজৰ ভিতৰতে দলাদলি আৰু বিবাদৰ সূত্ৰপাত হ'ল। বহুতেই নাপলেয়ঁক মিচৰলৈ পঠোৱাটো ভাল পোৱা নাছিল। তেওঁলোকৰ মতে দেশৰ এই দুৰ্দিনৰ সময়ত প্ৰজাতন্ত্ৰক ৰক্ষা কৰিবলৈ নাপলেঁয়ৰ উপস্থিতি অতি জৰুৰী আছিল।

আনফালে ফ্ৰান্সৰ শত্ৰুসকলো তৎপৰ হৈ উঠিছে। আবুকি উপসাগৰৰ নৌ বিজয়ৰ পাছত তেওঁলোকৰ সাহ বাঢ়িছে। ইজিপ্ট দখল কৰি ফ্ৰান্সে ইতিমধ্যে তুৰস্কক শত্ৰু কৰি লৈছে। ৰাচিয়াইও ফ্ৰান্সে মধ্যপ্ৰাচ্যত সোমোৱাটো ভাল পোৱা নাই, কাৰণ ৰাচিয়াৰ জাৰে মধ্যপ্ৰাচ্য অঞ্চলক সদায় নিজৰ ক্ষমতাৰ অঞ্চল বুলি গণ্য কৰে। সেয়ে ৰাচিয়াৰ সম্ৰাট জাৰ প্ৰথম পলে ভূমধ্যসাগৰত ফৰাচী আধিপত্য শেষ কৰিবলৈ মাণ্টা দ্বীপ পুনৰ দখল আৰু নেপল্‌চৰ (ইটালি) ৰজা চতুৰ্থ ফাৰ্ডিনাণ্ডক নিজা ৰাজ্য দখল কৰিবলৈ সহায় কৰিবলৈ গাত ললে। অষ্ট্ৰিয়াৰ সম্ৰাটেও নিজৰ ৰাজ্যৰ ভিতৰেদি

এটা ৰুচ সেনাদল ফ্ৰান্স অভিমুখে যাবলৈ অনুমতি দিলে। ফলত ফ্ৰান্সে অষ্ট্ৰিয়াৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে। শেহান্তৰত অষ্ট্ৰিয়া, ৰাচিয়া, তুৰস্ক, নেপল্‌চ, পর্তুগাল আৰু ইংলেণ্ডে ফ্ৰান্সৰ বিৰুদ্ধে দ্বিতীয় কোৱালিশ্বন গঢ়ি তুলিলে।

ডিৰেক্‌টোৰাৰে ফৰাচী সেনাবাহিনীক যুঁজলৈ পঠালে। কিন্তু নানা তৰহৰ বিশৃঙ্খলতা, দুর্নীতি আৰু সোপাচিলা নেতৃত্বই এই সেনাবাহিনীক দুৰ্ব্বল কৰি পেলাইছে। তথাপিও প্ৰথমে প্ৰথমে এই সেনাবাহিনীয়ে কেবাখনো যুঁজত জয়লাভ কৰিবলৈ সক্ষম হ'ল, কিন্তু পাছত সম্মিলিত ৰুচ-অষ্ট্ৰীয় সেনাবাহিনীৰ আগত ই তিষ্ঠিব নোৱাৰিলে; চাওঁতে চাওঁতে শত্ৰুৱে ইটালি দখল কৰি ল লে। নাপলেয়ঁই প্ৰতিষ্ঠা কৰা চিচালপীয় প্ৰজাতন্ত্ৰৰ ওৰ পৰিল। বিদেশী সেনা বাহিনী ক্ৰমান্বয়ে পেৰিচ অভিমুখে আগ বাঢ়ি আহিবলৈ ধৰিলে।

ফ্ৰান্সত সকলো মানুহে ইতিমধ্যে ডিৰেক্‌টোৰাৰৰ ওপৰত আস্থা হেৰুৱাই পেলাইছে। অৰ্থনৈতিক দুৰৱস্থা, মূল্যবৃদ্ধি, নিবনুৱা সমস্যাই সকলোকে জৰ্জৰিত কৰি তুলিছে। দেশত আকৌ চুৰি, ডকাইতি, অপৰাধ, হত্যাকাণ্ড আদি ভয়াবহ ভাৱে বাঢ়ি আহে। আকৌ এবাৰ অপৰাধীৰ ভয়ত মানুহ দুৱাৰ মাৰি ঘৰত সোমাই থাকিব লগা হৈছে। ডিৰেক্টৰসকল লাহ-বিলাহ আৰু দুৰ্নীতিত মত্ত হৈ আছে। জেকবেঁ সকলৰো প্ৰভাৱ অতি বাঢ়ি আহিছে। তেওঁলোকে জেকবেঁ ক্লাবটো আকৌ খুলিলে আৰু তিনিজন নিজৰ মানুহক ডাইৰেক্টৰৰ পদত অধিষ্ঠিত কৰিবলৈ সক্ষম হ'ল। আনফালে ৰাজতন্ত্ৰী সকলো তৎপৰ। এই হুলস্থুলৰ মাজত সাধাৰণ মানুহে এই নেতাসকলৰ ওপৰত আস্থা হেৰুৱাই পেলালে।

দেশৰ এনেকুৱা পৰিস্থিতিতে নাপলেয়ঁ মিচৰৰ পৰা আহি ফ্ৰান্স পালেহি। দেশৰ এনে সন্ধিক্ষণত তেওঁ মিচৰত থাকিব নোৱাৰিলে। মিচৰত থকা ফৰাচী বাহিনী আৰু সমগ্ৰ ফ্ৰান্সকে ৰক্ষা কৰিবলৈ কিবা এটা কৰাৰ উদ্দেশ্যৰে তেওঁ বিপদসঙ্কুল ভূমধ্যসাগৰৰ মাজেদি বৃটিছ নৌবহৰৰ চকুত ধূলি দি আহি ফ্ৰান্স পালেহি। তেওঁ আহি পোৱাৰ লগে লগে সমগ্ৰ ফ্ৰান্সতে নতুন আশাৰ সঞ্চাৰ হ'ল। দেশক এই দুৰ্দ্দিনৰ পৰা ৰক্ষা কৰি বিদেশী শত্ৰুৰ আক্ৰমণ প্ৰতিহত কৰি শান্তি শৃঙ্খলা নাপলেয়ঁই ফ্ৰান্সলৈ ঘূৰাই আনিব বুলি সকলোৱে আশা কৰিলে। পেৰিচত এজন সংসদী সদস্যই নাপলেয়ঁ অহাৰ বাতৰি শুনাৰ লগে লগে "আঃ ৰক্ষা তেওঁ" বুলি আনন্দৰ আতিশয্যত প্ৰাণ হেৰুৱালে।

নাপলেয়ঁ কিন্তু ফ্রান্সলৈ আহি নীৰৱে থাকিল। চৰকাৰ ওফৰাবলৈ ষড়যন্ত্ৰ কৰা বুলি কোনেও যাতে অভিযোগ কৰিব নোৱাৰে তাৰ বাবে তেওঁ মানুহ-দুনুহক ঘৰকৈ লগ নধৰিলে। মাথোঁ। তেওঁ ফৰাচী ইনষ্টিটিউটলৈ গৈ বিজ্ঞানী সকলৰ লগত মিচৰ সম্বন্ধে আলোচনা কৰিলেগৈ। সেই আলোচনাতে চিয়েঁ বোলা ডাইৰেক্টৰ এজনে নাপলেয়ঁক দেখা কৰিলে। তাৰ পাছৰেপৰা এক গোপন ষড়যন্ত্ৰৰ আৰম্ভ হ'ল। নাপলেয়ঁৰ ভায়েক লুচিয়ঁ বনাপাৰ্ট তেতিয়া নিম্ন সংসদৰ সভাপতি। তেওঁ চিয়েঁ আৰু বহুতো সদস্যৰ লগ লাগি গোপন আলোচনা কৰিলে। ডুক বোলা আন এজন ডিৰেক্টৰেও তেওঁলোকক সমৰ্থন কৰিলে। বাকী তিনিজন ডিৰেক্টৰৰ গহিয়েঁ আৰু মূলেঁ প্ৰথমে চিয়েঁৰ বিপক্ষ আছিল যদিও বাৰা নিৰপেক্ষ আছিল। কিন্তু পাছলৈ মূলেঁই সমৰ্থন জনালে। ষড়যন্ত্ৰকাৰী সকলে নাপলেয়ঁক সামৰিক বাহিনীৰ সহায়ত সংসদ আৰু ডিৰেক্টোৰাৰ ভাঙি দি ক্ষমতা অধিকাৰ কৰিবলৈ কৈছিল আৰু লগতে নাপলেয়ঁ, চিয়েঁ আৰু ডুকক লৈ এখন তিনিজনীয়া কনচুলেট পতাৰ প্ৰস্তাৱ কৰিছিল। এই কামত উচ্চ সংসদে সমৰ্থন জনাব বুলি তেওঁলোকে কৈছিল। নাপলেয়ঁই প্ৰথমৰে পৰা ষড়যন্ত্ৰত যোগ দিয়া নাছিল যদিও তলে তলে তেওঁ এই আটাইবোৰ সমৰ্থন কৰিছিল। তেওঁ প্ৰথমে সামৰিক অভ্যুত্থানৰ কথাত সমৰ্থন জনোৱা নাছিল কিন্তু ভায়েক লুচিয়ঁই তেওঁক পতিয়ন নিয়ালে যে যদি এই কাম কৰা নহয় তেনেহ'লে বুৰ্বঁ বংশৰ শাসন আকৌ প্ৰতিষ্ঠা হ'ব।

এনে সময়তে পেৰিচত গুজব ওলাল যে জেকবেঁ ক্লুকলে বিদ্ৰোহ কৰিব। লগে লগে উচ্চ সংসদে নাপলেয়ঁক পেৰিচৰ সেনাধিনায়ক পাতিলে আৰু সংসদৰ দুইখন সভা পেৰিচৰ পৰা চেণ্টক্লু বোলা ঠাই এখনলৈ উঠাই নিলে। ১০ নৱেম্বৰৰ দিনা চেণ্ট ক্লুত সংসদ বহিল। ইয়াত ফ্ৰান্সৰ ক্ৰুদ্ধ জনতা নাই। নাপলেয়ঁই এটা সেনা পল্টন লৈ সংসদলৈ গ'ল। কিন্তু নিম্ন সংসদৰ সদস্য সকলে সেনা অহা দেখি আপত্তি তুলিলে। "একনায়কত্ববাদ মুৰ্দাবাদ। কোনো একনায়কত্ব নচলিব", বহুতো সদস্যই চিঞৰি উঠিল। নাপলেয়ঁ যেতিয়া নিম্ন সংসদলৈ গ'ল বহুতো জেকবঁৰে সদস্যই তেওঁক মাৰ ধৰো কৰিলে। নাপলেয়ঁৰ কানি-কাপোৰ ফাটি গ'ল। "ডিক্টেটৰ ধ্বংস হওক", "অত্যাচাৰী মুৰ্দাবাদ" আদি শব্দৰে সংসদ ভৱন তোলপাৰ লাগিল। বহুতে নাপলেয়ঁক আইনৰ বাজ কৰিবলৈ চিঞৰিলে। এনে কৰিলে তেওঁক গ্ৰেপ্তাৰ কৰি শাস্তি দিব

পৰা যায়। ৰবচপিয়েৰকো এনেকুৱাই কৰা হৈছিল। নাপলেয় ক্লান্ত হৈ সংসদৰ পৰা ওলাই আহিল।

ভায়েক লুচিয়ঁই দেখিলে কথা বিষম। তেওঁ তৎক্ষণাৎ ঘোঁৰাত উঠি নাপলেয়ঁক লগত লৈ সেনাবাহিনীৰ সন্মুখলৈ গৈ ক'লে, "পাঁচশ জনীয়া সংসদৰ সভাপতিৰূপে মই ঘোষণা কৰিছোঁ যে সংসদৰ অধিকাংশ সদস্যক এমুঠি সশস্ত্র সদস্যই দমাই ৰাখিছে। সিহঁতে নিজৰ সতীৰ্থ সকলক মৃত্যুভয় দেখুৱাইছে। ইংলেণ্ডৰ পৰা ভেটি খোৱা বদমাচ হঁতে উচ্চ সংসদৰ ৰায়ৰ বিৰুদ্ধাচৰণ কৰিছে আৰু উচ্চ সংসদে নিযুক্ত কৰা তোমালোকৰ সেনাপতিক আইনৰ বাজ কৰিব লাগে বুলি চিঞৰিছে। হে সেনানায়ক সকল, নাগৰিক সকল, মই সংসদৰ গৰিষ্ঠ সংখ্যক সদস্যৰ ৰক্ষণাবেক্ষণ দিয়াৰ দায়িত্ব তোমালোকৰ হাতত অৰ্পণ কৰিলোঁ। যি সকল সদস্য মোৰ লগত আছে, তেওঁলোকহে সংসদৰ প্ৰকৃত সদস্য, বাকী সকলো দুষ্কৃতিকাৰীক খেদি পঠোৱা দৰকাৰ।"

নাপলেয়ঁৰ বুকুৰ আগত এখন খোলা তৰোৱাল ধৰি তেওঁ ক'লে,

"যদি মোৰ ভায়ে ফ্ৰান্সৰ স্বাধীনতা বিপন্ন কৰাৰ চেষ্টা কৰে, তেনেহ'লে তেওঁক মই নিজেই হত্যা কৰিম।"

নাপলেয়ঁক দেখা আৰু লুচিয়ঁৰ কথা শুনাৰ পাছত সেনাপতি মুৰাৰ নেতৃত্বত সেনাবাহিনী সংসদ ভৱনলৈ সোমাই গ'ল আৰু সকলো বিৰোধী সদস্যকে খেদাই দিলে। কোনো হত্যা, কোনো ৰক্তপাতৰ প্ৰয়োজন নহ'ল। সদস্য সকল নিজে নিজে পলাই পতং দিলে। উগ্ৰপন্থী জেকবেঁ সকলক দমন কৰাত উচ্চ সংসদে বৰ ভাল পালে আৰু লগে লগে এখন অধ্যাদেশ জাৰি কৰি 'ডিৰেক্টোৰাৰ' ভাঙি দি তিনিজন কনচালৰ এখন কনচুলেত গঠন কৰি দিলে। এই প্ৰথম তিনিজন কনচাল হ'ল চিয়ঁ, ডুক আৰু নাপলেয়ঁ। সংসদৰ অধিবেশন স্থগিত ৰাখি এই কনচুলেটক ফ্ৰান্সৰ বাবে এখন নতুন সংবিধান প্ৰণয়নৰ ভাৰ দিয়া হ'ল।

বিপ্লৱৰ যি কণ অৱশেষ আছিলগৈ, এইবাৰ সিও শেষ হ'ল। এতিয়া আৰম্ভ হ'ল নাপলেয়ঁৰ শাসনৰ যুগ।

অষ্টাবিংশ অধ্যায়

উপসংহাৰ

এইবাৰ আমি ফৰাচী বিপ্লৱৰ উপসংহাৰ আৰম্ভ কৰোঁ।

বিপ্লৱ শেষ হ'ল।

প্ৰকৃত পক্ষে নবম থাৰ্মিডৰৰ দিনাই বিপ্লৱৰ অন্ত পৰিছিল। সেইদিনা ৰবচপিয়েৰৰ পতন ঘটাই বুৰ্জোৱা সকলে শাসন ক্ষমতা পুনৰ দখল কৰিছিল। ডিৰেকটোৱাৰৰ দিনত বৰ্ত্তি থকা বিপ্লৱী চিন্তাধাৰাৰ সমূলঞ্চে অন্ত পৰিছিল ১৮ ব্ৰুমেৰৰ দিনা, যি দিনা নাপলেয়ঁই সামৰিক অভ্যুত্থানৰে ক্ষমতা দখল কৰিছিল। ১৭৮৯ চনৰ ৪ মেৰ দিনাৰ পৰা—যিদিনা ষ্টেট্‌চ জেনেৰেলৰ প্ৰথম বৈঠক বহিছিল আৰু ফৰাচী বিপ্লৱৰ প্ৰক্ৰিয়া আনুষ্ঠানিক ভাৱে আৰম্ভ হৈছিল; ১৭৯৯ চনৰ ৯ ডিচেম্বৰত নাপলেয়ঁই সামৰিক ক্ষমতা দখল কৰালৈকে এই সুদীৰ্ঘ দহ বছৰত ফ্ৰান্স তথা ইউৰোপৰ মানুহৰ জীৱনত বিপ্লৱে কি পৰিৱৰ্ত্তনৰ সূচনা কৰিছিল? কেনেধৰণৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক পৰিৱৰ্ত্তন ঘটাইছিল? আৰু এই পৰিৱৰ্ত্তনৰ ফলাফল কি হ'ল? এই বিপ্লৱৰ সাৰ্থকতা ক'ত? বিপ্লৱৰ চিন্তাধাৰা আৰু প্ৰক্ৰিয়াই মানুহৰ জীৱনত কি পৰিৱৰ্ত্তন ঘটাইছিল সেই বিষয়ে আমি চতুৰ্থ খণ্ডত থুলমূলকৈ আলোচনা কৰিছোঁৱেই। সাহিত্য, সংস্কৃতি, কলা, বিজ্ঞান, দৰ্শন, নৈতিকতা আদি দিশত বিপ্লৱৰ অৱদানৰ কথা সেই খণ্ডতে উল্লেখ কৰা হৈছে। সেয়ে আমি বিপ্লৱৰ আপাত আৰু স্থায়ী ফলাফলবোৰৰ ওপৰত এবাৰ চকু ফুৰাই এই উপসংহাৰ অধ্যায়ৰ সামৰণি মাৰিম।

ফৰাচী বিপ্লৱৰ প্ৰথম আৰু প্ৰধান ফল হ'ল ফ্ৰান্সৰ সামন্তবাদী সমাজ ব্যৱস্থাৰ বিলোপ কৰণ। সামন্তবাদী ভূমি আৰু সমাজব্যৱস্থা ধ্বংস হোৱাৰ লগে লগে ফ্ৰান্সৰ কৃষক শ্ৰেণী জমিদাৰী শোষণৰ পৰা মুক্ত হৈ পৰিল। খেতিয়কে মাটি পালে। দেশত মাটিগিৰি কৃষক এশ্ৰেণীৰ জন্ম হ'ল। মাটিৰ অধিকাৰী হোৱা এই কৃষকসকল সময়ত এটা ৰক্ষণশীল শক্তি হৈ পৰিল (ডুৰাণ্ট) আৰু সৰ্বহাৰা সকলৰ সমাজবাদী বিপ্লৱ আৰু সমানতাৰ অভিযানৰ

বাটত এওঁলোক হৈ পৰিল এটা বিৰাট বাধা। এওঁলোক স্থিতাৱস্থা অৰ্থাৎ মাটি সম্পত্তি ভোগ কৰি থাকিব পৰা ব্যৱস্থাৰ ঘোৰ সমৰ্থক হৈ পৰিল। এই কাৰণেই এওঁলোকে যেনেদৰে অভিজাততন্ত্ৰ, সামন্তবাদ আৰু বুৰ্বংশৰ শাসন প্ৰবৰ্ত্তনৰ ঘোৰ বিৰোধিতা কৰিছিল. তেনেদৰেই সৰ্বহাৰা সকলৰ নেতৃত্বত গঢ় লৈ উঠিব খোজা সমানতাৰ আন্দোলন তথা সম্পত্তিৰ মৌলিক অধিকাৰৰ বিলুপ্তিসাধনৰো ঘোৰ বিৰোধিতা কৰিছিল। সামন্তবাদৰপৰা মানৱ সমাজ ধনতান্ত্ৰিক স্তৰলৈ উত্তীৰ্ণ হোৱাৰ পথত এই কৃষক সমাজৰ গুৰুত্ব আছিল অসাধাৰণ আৰু পাছত বুৰ্জোৱা সকলৰ নেতৃত্বত গঢ় লৈ উঠা ধনতান্ত্ৰিক সমাজ আৰু ৰাষ্ট্ৰৰো এওঁলোকেই লাইখুটা হৈ পৰিছিল।

সামন্তবাদৰ অৱসানৰ লগে লগে সামন্তবাদী আইনকানুন, বিচাৰ, অবিচাৰ, অত্যাচাৰ, বিনা বিচাৰে আটক কৰিব পৰা ক্ষমতাৰো ওৰ পৰিল। ইয়াৰ ঠাইত এক অ-সামৰিক বিচাৰ ব্যৱস্থা গঢ়ি উঠিল। সকলো মানুহকে আইনৰ আগত সমান অধিকাৰ দিয়া হ'ল—আইনৰ চকুত কাকতে পত্ৰই সকলো নাগৰিক সমান হ'ল। দেশত এক ৰাষ্ট্ৰীয় আইন আৰু বিচাৰ ব্যৱস্থা গঢ়ি উঠিল।

অভিজাতসকলৰ উপাধি-খিতাপ, বিশেষ সা-সুবিধা আৰু প্ৰতিপত্তিৰো ওৰ পৰিল। তেওঁলোকৰ ঠাই ল'লেহি এক ন ধনী শক্তিমন্ত বুৰ্জোৱা শ্ৰেণীয়ে। মুক্ত বজাৰ, মুক্ত অৰ্থনীতিৰ সমৰ্থক এই বুৰ্জোৱা সকলে দেশত ধনতান্ত্ৰিক সমাজ ব্যৱস্থাৰ ভেটি স্থাপন কৰিলে। ৰাষ্ট্ৰ পৰিচালিত অৰ্থনীতিৰ পৰীক্ষা নিৰীক্ষা এওঁলোকে বন্ধ কৰি দিলে। পুঁজিপতি সমাজ আৰু অৰ্থব্যৱস্থাৰ ফলত যি নতুন নতুন বেপাৰ বাণিজ্য, শিল্প উদ্যোগ গঢ়ি উঠিল, সিয়েই গৈ সমাজত বৈষম্যৰ সৃষ্টি কৰিলে। দেশৰ সম্পদৰ অধিকাংশ এমুঠি লোকৰ হাতত সীমাবদ্ধ হৈ পৰিল আৰু ফলত ধনী আৰু দুখীয়াৰ প্ৰভেদ বাঢ়ি অসমানতাৰ সৃষ্টি হ'ল। পুঁজিপতি সমাজ ব্যৱস্থাত সমতা অসম্ভৱ, অসমানতা আৰু বৈষম্য থাকিবই কাৰণ ইয়াৰ ওপৰতেই এই ব্যৱস্থা নিৰ্ভৰশীল।

এই বিপ্লৱৰ ফলত মানুহৰ স্বাধীনতাৰ নতুন দিগন্ত মুকলি হ'ল। মানুহে কথা কোৱাৰ, লিখাৰ, ছপা কৰাৰ, আৰাধনা কৰাৰ, অনুষ্ঠান পতাৰ স্বাধীনতাৰ মূল্য উপলব্ধি কৰিলে। মানুহৰ চিন্তাৰ পৰিসৰ স্বাধীনতাৰ আদৰ্শই বহলাই পেলালে। সেয়েহে ৰবচপিয়েৰ বা নাপলেয়ঁৰ দমনমূলক শাসনকালত, স্বাধীনতাৰ অধিকাৰ কৰ্তন হোৱাৰ অন্ধকাৰ যুগতো মানুহৰ মনত ইয়াৰ বীজ

জীয়াই আছিল। আজি সেয়েহে পৃথিৱীৰ গণতান্ত্ৰিক ৰাষ্ট্ৰসমূহত মানুহৰ মৌলিক স্বাধীনতাৰ অধিকাৰ স্বীকৃত।

কিন্তু বিপ্লৱে পুৰণা সমাজ ব্যৱস্থা ভাঙি দি স্বাধীনতাৰ নতুন যুগৰ সূচনা কৰাৰ লগে লগে বহুতো নতুন নতুন সমস্যাবো সৃষ্টি কৰিলে। 'অবাধ স্বাধীনতা' নিজেই এটা সমস্যা হৈ পৰিল। আইন শৃঙ্খলা ৰক্ষাৰ সমস্যাই বিৰাট ৰূপ ধাৰণ কৰিলে। সামাজিক দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি নাগৰিক সকল সচেতন নহ'লে অবাধ স্বাধীনতা অৰ্থহীন। "Individual freedom contains its own nemesis; it tends to increase until it overcomes the restraints necessary for social order and group survival; Freedom unlimited is chaos complete." —*Durant*.

অবাধ স্বাধীনতা সমতাৰ বাটবো এটা বিৰাট প্ৰতিবন্ধক। এইদৰে অৰ্থনৈতিক স্বাধীনতাৰ নামত ধনতান্ত্ৰিক সমাজ ব্যৱস্থাই সমাজত অসমানতাৰ সৃষ্টি কৰে।

"স্বাধীনতা আৰু সমতা শত্ৰু স্বৰূপ." ডুৰাণ্টে লিখিছে। "যিমানেই মানুহে বেছি স্বাধীনতা ভোগ কৰে, সিমানেই মানুহে নিজৰ স্বাভাৱিক আৰু পাৰিপাৰ্শ্বিক শ্ৰেষ্ঠত্বৰ সুবিধাবোৰ ল'বলৈ সুচল পায়। সেয়েহে যিবিলাক চৰকাৰে মুক্ত অৰ্থনীতি আৰু সম্পত্তিৰ অধিকাৰৰ পৃষ্ঠপোষকতা কৰে সেইবিলাক চৰকাৰৰ তলত সামাজিক বৈষম্য বিলাক বাঢ়ি যায়। সমতাৰ ভাৰসাম্য বৰ অস্থিৰ।"

সেয়েহে বিপ্লৱী আৰু ৰাজনৈতিক পৰীক্ষা-নিৰীক্ষা বোৰত প্ৰমাণিত হৈ গৈছে যে সামাজিক সমতাৰ বাবে মানুহৰ ব্যক্তিগত স্বাধীনতা বহুখিনি কৰ্তন কৰাটো দৰকাৰ। ফৰাচী বিপ্লৱতো স্বাধীনতাৰ অধিকাৰ কমাই সমাজৰ বৈষম্য আঁতৰ কৰাৰ চেষ্টা চলিছিল। আজিও পৃথিৱীৰ বহু ঠাইত এনে ধৰণৰ পৰীক্ষা-নিৰীক্ষা চলি আছে। এতিয়া সমস্যা হৈছে কিমানখিনি ব্যক্তিগত স্বাধীনতাৰ অধিকাৰ দি আৰু কিমানখিনি কৰ্তন কৰি সমাজৰ বৈষম্য বোৰ আঁতৰ কৰাৰ লগতে মানুহক সকলো মানৱীয় গুণ আৰু প্ৰতিভাৰ পূৰ্ণবিকাশৰ সুবিধা দিব পাৰি। এই সমস্যাৰ সমাধানৰ ওপৰতে ভৱিষ্যৎ মানৱ জাতিৰ অস্তিত্ব নিৰ্ভৰ কৰিছে। আমি আজি এনে এটা গুৰুত্বপূৰ্ণ যুগত বাস কৰিছোঁ য'ত পৃথিৱীত এই সমস্যা সমাধানৰ ওপৰত বিস্তৃত পৰীক্ষা চলি আছে।

সমাজবাদী চিন্তাধাৰাই এই সমস্যা সমাধানৰ প্ৰকৃত পথৰ সন্ধান দিব পাৰিব বুলি আজিৰ চিন্তাশীল মানুহ ক্ৰমান্বয়ে ইয়াৰ প্ৰতি আকৃষ্ট হৈছে।

বিপ্লৱে ফ্ৰান্সক আৰু কি দিলে ?

এই বিপ্লৱেই পোন প্ৰথম বাৰৰ বাবে সমগ্ৰ ফ্ৰান্সক একত্ৰিত কৰি এখন শক্তিশালী ৰাষ্ট্ৰৰ ভেটি প্ৰতিষ্ঠা কৰিলে। আভ্যন্তৰীণ শুল্ক, কৰ-কাটল বিলোপ কৰি, ফ্ৰান্সৰ ৰাজনৈতিক আৰু প্ৰশাসনিক পুনৰগঠন কৰি বহুধা বিভক্ত, খণ্ড-বিখণ্ড ফ্ৰান্সক একত্ৰিত কৰিলে।

মেট্ৰিক জোখ-মাখৰ পদ্ধতি প্ৰবৰ্ত্তনৰ জৰিয়তে ফ্ৰান্সৰ বেপাৰ-বাণিজ্যৰ ক্ষেত্ৰতো একতা অনা হ'ল। ফ্ৰান্স এতিয়া এখন একত্ৰিত ৰাষ্ট্ৰ, আৰু এই ৰাষ্ট্ৰৰ বাবে সাৰ্বজনীন বাধ্যতামূলক সামৰিক মকবলৰ জৰিয়তে এক ৰাষ্ট্ৰীয় সেনাবাহিনী গঢ়ি তোলা হ'ল। এই সকলোবোৰ ব্যৱস্থাৰ ফলত ফ্ৰান্সত এক ৰাষ্ট্ৰীয় চেতনাবোধৰ (Nationalism) জন্ম হ'ল আৰু পূৰ্বৰ বংশানুক্ৰমিক ৰাজতন্ত্ৰ আৰু ৰাজবংশৰ পৰিবৰ্ত্তে ৰাষ্ট্ৰই হৈ পৰিল সকলো ফৰাচী লোকৰে একতাৰ প্ৰতীক। প্ৰকৃতপক্ষে আধুনিক ৰাষ্ট্ৰৰ সৰ্ব্বশক্তিমান, সাৰ্ব্বভৌম ৰূপটোৰ প্ৰকাশ এই বিপ্লৱৰ কালছোৱাতেই হ'ল।

বিপ্লৱৰ সময়ত সমাজত ধৰ্মৰ প্ৰাধান্য কমাবলৈ চেষ্টা কৰা হৈছিল। ধৰ্মৰ পৰিবৰ্ত্তে দেশপ্ৰেম আৰু সামাজিক চেতনা আৰু দায়িত্ববোধক সমাজৰ নৈতিকতা তথা শৃঙ্খলাৰ ভেটি হিচাপে প্ৰতিষ্ঠা কৰিব বিচৰা হৈছিল কিন্তু এই কাৰ্য্যত ফৰাচী বিপ্লৱ বিফল হ'ল। ধৰ্মৰ বিৰুদ্ধে সন্ত্ৰাসৰ জেহাদ ঘোষণা কৰিও ধৰ্মক মানুহৰ মনৰ পৰা আঁতৰ কৰিবলৈ বিপ্লৱ সফল নহ'ল। তথাপিও ৰাষ্ট্ৰক গীৰ্জাৰ কবলৰ পৰা মুক্ত কৰিবলৈ বিপ্লৱে যথেষ্ট চেষ্টা চলাইছিল। এই সময়ৰ পৰাই ৰাজনীতিত গীৰ্জাৰ প্ৰভাৱ কমি আহিবলৈ আৰম্ভ কৰিছিল, সমাজত উদাৰতা, সহনশীলতা, আৰু ধৰ্মনিৰপেক্ষতাৰ আৰম্ভ হৈছিল। এই 'চাৰ্চ আৰু ষ্টেট' বা গীৰ্জা আৰু ৰাষ্ট্ৰক পৃথক কৰাৰ প্ৰক্ৰিয়া বিপ্লৱেই আৰম্ভ কৰিছিল আৰু ইয়েই বিপ্লৱৰ এটা মহত্তম দান।

ডুবাণ্টৰ মতে বিপ্লৱৰ প্ৰথমাৰ্দ্ধত অৰ্থাৎ সন্ত্ৰাসৰ ৰাজত্ব আৰম্ভ হোৱাৰ আগছোৱাতে লোৱা কাৰ্য্যব্যৱস্থাবোৰেহে বিপ্লৱৰ সুফলবোৰ দিছিল। স্বাধীনতা, সাম্য আৰু মৈত্ৰীৰ আদৰ্শ এই কালছোৱাতেই বিয়পি পৰিছিল। কিয়নো এই সন্ত্ৰাস প্ৰকৃততে সকলো সময়তে এখন শ্ৰেণীহীন সমাজ গঢ়ি তোলাৰ

বাবে প্ৰয়োজনীয় সুপৰিকল্পিত সন্ত্ৰাস নাছিল। যথেমধে অ-পৰিকল্পিত ভাৱে প্ৰয়োগ কৰাত ই লক্ষ্যভ্ৰষ্ট হৈ ব্যক্তিগত পৰ্য্যায়লৈ নামি জঘন্য জিঘাংসাৰ বিভীষিকাত পৰিণত হৈছিলগৈ আৰু সমাজৰ সকলো সাধাৰণ মানুহৰে জীৱন ই বিষময় কৰি তুলিছিল। সন্ত্ৰাসৰ কালছোৱাত সেয়ে ৰক্তপাত আৰু হত্যাৰ বিভীষিকাই মানুহৰ মনত বিপ্লৱৰ প্ৰতি বিৰূপ ভাবৰহে সৃষ্টি কৰিছিল। এই ব্যৱস্থাৰ ফলত সৃষ্টি হোৱা অস্থিৰ অৱস্থাত সাধাৰণ মানুহে বিপ্লৱ আৰু গণতন্ত্ৰৰ প্ৰতি আস্থা ক্ৰমাৎ হেৰুৱাই পেলাবলৈ আৰম্ভ কৰিছিল। সেয়ে এনে পৰিস্থিতিৰ মাজত একনায়কত্ববাদী শক্তিৰ আবিৰ্ভাৱ ঘটিব পাৰিছিল, সৃষ্টি হৈছিল নাপলেয়ঁৰ।

কিন্তু ফৰাচী বিপ্লৱৰ যি মহত্তম দান, যি বোৰ ফলাফল, সেইবোৰ জানো বিপ্লৱৰ অবিহনে সম্ভৱ নহ'লহেঁতেন? ডুৰাণ্টৰ মতে হয়তো হ'লহেঁতেন। ইংলেণ্ড আৰু আমেৰিকাৰ দৰে হয়তো ফ্ৰান্সতো ঔদ্যোগিক বিকাশ আৰু ধনতান্ত্ৰিক অৰ্থনীতিৰ প্ৰভাৱত সমাজত মানুহৰ সংগ্ৰামী চেতনাৰ বিকাশৰ লগে লগে লাহে লাহে এই পৰিৱৰ্ত্তন বোৰ হ'ল হেঁতেন। কিন্তু কি হ'লহেঁতেন কি নহ'লহেঁতেন সেই প্ৰশ্ন প্ৰকৃততে অবাস্তৱ। অবাস্তৱ এই কাৰণেই যে সমাজ বিবৰ্ত্তনৰ এক ঐতিহাসিক প্ৰক্ৰিয়াৰ ফল স্বৰূপেই সংঘটিত হৈছিল ফৰাচী বিপ্লৱ।

ফৰাচী বিপ্লৱৰ ফলাফলবোৰ কেৱল স্বাধীনতা, সাম্য, মৈত্ৰীৰ অমৰ আদৰ্শ, ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থা, মেট্ৰিক জোখমাখৰ পদ্ধতি, গীৰ্জা আৰু ৰাষ্ট্ৰৰ পৃথকীকৰণতে সীমাবদ্ধ নহয়। এই বিপ্লৱৰ ফলাফল আৰু প্ৰভাৱ ব্যাপক— সুদূৰপ্ৰসাৰী ইতিহাসত ফৰাচী বিপ্লৱ মানুহৰ সামাজিক, ৰাজনৈতিক আৰু মানসিক বিবৰ্ত্তনৰ এটা বিৰাট মহত্বপূৰ্ণ পদক্ষেপ। ই সমগ্ৰ বিশ্বমানৱৰ মন বিস্তৃত, উদাৰ আৰু আদৰ্শময় কৰি তুলিলে। আৰু এইখিনিতেই ফৰাচী বিপ্লৱৰ সাৰ্থকতা।

BIBLIOGRAPHY

1. Auland, Alphones—The French Revolution. N. Y.
2. Durant, Will—The Story of Philosophy. N. Y.
3. Durant, Will and Arial—Rosseau and the Revolution. Volume X of the 'Story of Civilization'.
4. Durant, Will and Arial—The Age of Napoleon. Vol. XI of the 'Story of Civilization', Simon and Schuster N. Y. 1975
5. Encyclopadia Britanica 30 Vol. Helen Hemingway, Benton 1974
6. Encyclopaedia Americana.
7. Fisher, H. A. L.—A History of Europe, Vol. II, Collins.
8. Lefebvre, George—The French Revolution, 1962. London.
9. Loomis—Paris in the Terror. 1964.
10. Ludwig, Emil—Napoleon. Jaico, India.
11. Madelin, Louise—The French Revolution, N. Y
12. Robinson, James Harvey—Readings of European History, Boston.
13. Roliquel, Jean—The Daily Life of French Revolution.
14. Taine, Hippolyte—The French Revolution, 3 Vol, N.Y.
15. Toynbee—The Study of History.
16. The New Book of Knowledge.
17. Wilson, John Rowan and the Editors of Life—The Mind, Life Science Library.

REFERENCE BOOKS

1. Action, Lord : Lectures on French. Revolution, London, 1910
2. Artz, F.B—Reaction and Revolution, 1934
3. Aulard, Alphense—The French Revolution N.Y.
4. Benthan, Jeremy—Introduction to the principles of morals and legislation, N.Y.
5. Boas, George—The French Philosophers of the Romantic period. N.Y. 1964
6. Brinton, Crane—The Jacobins, N.Y. 1930
7. Belloc, Hilaire—Danton, 1899
8. Carlyee, Themas—The French Revolution, 2V. N.Y.
9. Dickenson, Lowes—Revolution and Reaction in modern French.
10. Encyclopaedia of philosophy 8 Vol. N.Y. 1967
11. Fouche, Joseph—Memoirs, 2 Vol. London
12. Fulter, Edward—World History. Tr. by S.B. Fay.
13. Grant, A.J, Temperley H—Europe in the Nineteenth and Twentieth century. 1932
14. Gohschalk, Louise R.—Jean Paul Marat. N.Y. 1937
15. Guerard, A.L.—French civilisation in the Nineteenth century.
16. Gershoy, L—From Despotism to Revolution Tr. by R.R. Palmes, 1947
17. Hoffding, Harald—History of modern philosophy, 2 Vol. N.Y. 1955
18. Kafker, F.A. and J.M. Laux—The French Revolution, conflicting interpretations. N.Y. 1968

19. Kroptokin, Peter A.—The great French Revolution N.Y.

20. Lamartine, Alphonse De,—History of Girondists. 3 Vol. London.

21. Le Bon, Gustave, The Psychology of revolution, N. Y.

22. Madelin, Louise—Talleyrand, London.

23. Mathiez, Albert—The French Revolution, N.Y. 1964
—After Robespierre : The Thermidorian reaction N.Y.

24. Michelel, Jules—The French Revolution, 2 Vol. London.

25. Paine Thomas—The age of reason, N.Y.

26. Roland, Mme : Private memoirs, Chicago.

27. Rude, George—The crowd in French Revolution., Oxford University Press—Robespierre, N.Y.

28. Segur, Marquise De.—Marie Antoinette, N.Y.

29. Sieyes, Emmanual Joseph—What is the third Estate N.Y. 1964.

30. Soboul, Albert—The Parisian Sansculottes and the French Revolution. Oxford University Press.

31. Stephens, H. Morse—Principal Speeches of the Statesmen and orators of French Revolution, 2 Vol. Oxford.

32. The Cambridge modern history.

33. Thompson, J. M.—The French Revolution 5th ed. N.Y.—French Revolution documents 1933.

34. Taine, Hippolyte—The ancient Regime, N.Y.

35. Trevelyan, G.M.—English Social History, London.

36. Uberweg, Friedrich : History of philosophy. Tr. by Morns. 2 Vol. N.Y.

37. Vallentin, Antonina—Mirabeau, N.Y.
38. Woodward, E.L.—The French Revolution.
39. Wilson, P.W.—William Pitt, the Younger, N.Y.
40. Wingfield, Straffera Esme—History of the British civilization. London.